# ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন আৰু অসম

ড° ইন্দ্ৰাণী বৰুৱা

DIRECTOR, LIBRARY SERVICES * ASSAM GUWAHATI *

পূৰ্বাঞ্চল প্ৰকাশ
গোপীনাথ বৰদলৈ পথ: আমবাৰী
গুৱাহাটী-৭৮১০০১

BHARATVARSAR SWADHINATA ANDOLAN ARU ASAM (India's Independence Movement and Assam) : A Text book in Assamese devised for the students of Degree (Major) course in Political Science of Gauhati University, written by Dr. Indrani Baruah, Lecturer, B. Barooah College, Guwahati and published by M/s Purbanchal Prakash, G. N. Bordoloi Road, Ambari, Guwahati-781001

Price : Paper back Rs. 30/-, Hard Cover Rs. 40/- Only.

---

॥ প্ৰকাশক : পূৰ্বাঞ্চল প্ৰকাশ, গোপীনাথ বৰদলৈ পথ, আম্বাৰী, গুৱাহাটী-১ ॥

॥ ছপা : জয়শ্ৰী প্ৰেছ, ৯১/১বি, বৈঠকখানা ৰোড, কলিকতা—৯ ॥

॥ বেটুপাতৰ শিল্পী : ইন্দিবৰ বুঢ়াগোহাঁই ॥

॥ প্ৰথম প্ৰকাশ : চেপ্তেম্বৰ, ১৯৮৯ ॥

॥ লিখিকাৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত ॥

---

॥ মূল্য : কেচাবন্ধা ৩০ টকা, পকাবন্ধা ৪০ টকা ॥

# পাতনি

"ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলন আৰু অসম" পুথিখন গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ ৰাজনীতি বিজ্ঞান বিভাগৰ (Major, Part II) পাঠ্যক্ৰম অনুসাৰে যুগুতোৱা হৈছে। এই পুথিখনত ১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈকে—এই কালছোৱাত ভাৰতৰ স্বাধীনতা আন্দোলনৰ লগতে অসমতো গঢ় লোৱা স্বাধীনতা আন্দোলনৰ বিশদ আলোচনা কৰা হৈছে। পুথিখন গৱেষণা গ্ৰন্থৰূপে ৰচনা কৰা হোৱা নাই। ভাৰতৰ লগতে অসমৰ স্বাধীনতা আন্দোলন সম্পৰ্কীয় আহিলাপাতি আৰু তথ্যবোৰ ছাত্ৰ-ছাত্ৰীসকলৰ সহজবোধ্য হোৱাৰ লগতে কামত অহাকৈ পুথিখনত সংযোজিত কৰা হৈছে। স্নাতক মহলাৰ নতুন তিনি বছৰীয়া পাঠ্যক্ৰম অনুসৰি এনে এখন পুথিৰ অভাৱ অনুভৱ কৰি এই পুথিখন ৰচনাত হাত দিয়া হ'ল। আশা কৰা হৈছে, ছাত্ৰ-ছাত্ৰীসকলৰ উপৰিও সাধাৰণ পঢ়ুৱৈ সমাজো পুথিখনৰ পৰা কিছু পৰিমাণে উপকৃত হ'ব। মাননীয় অধ্যাপক-অধ্যাপিকাসকলে কিঞ্চিং সহৃদয়তাৰে পুথিখনৰ ত্ৰুটি-বিচ্যুতি সম্পৰ্কে আঙুলিয়াই দিয়াৰ লগতে তেওঁসকলৰ পৰামৰ্শ আগবঢ়ালে লেখিকা নথৈ বাধিত হ'ব।

গুৱাহাটীৰ পূৰ্বাঞ্চল প্ৰকাশৰ স্বত্বাধিকাৰী শ্ৰীনবীন বৰুৱাক পুথিখন প্ৰকাশ কৰাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আগবাঢ়ি অহাৰ বাবে আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। ইতি—

বিনয়াৱনত
শ্ৰীইন্দ্ৰাণী বৰুৱা

বি, বৰুৱা কলেজ
গুৱাহাটী
১-৯-৮৯

# সূচীপত্ৰ


| বিষয় | | পৃষ্ঠা |
|---|---|---|
| ভাৰতত স্বাধীনতা আন্দোলনৰ সূত্ৰপাত | .... | ১ |
| চিপাহী বিদ্ৰোহ | .... | ৪ |
| জাতীয় চেতনাৰ নবজাগৰণ | .... | ১১ |
| জাতীয় আন্দোলন ১৮৮৫—১৯০৫ | .... | ১৬ |
| কংগ্ৰেছত চৰমপন্থীৰ আবিৰ্ভাব | .... | ২৫ |
| স্বদেশী আন্দোলন | .... | ২৯ |
| সন্ত্ৰাসবাদৰ সূচনা | .... | ৩২ |
| প্ৰথম বিশ্বযুদ্ধ আৰু ভাৰতৰ ৰাজনীতি | ... | ৩৮ |
| খিলাফৎ আন্দোলন | .... | ৪৫ |
| অসহযোগ আন্দোলন | .... | ৪৭ |
| কংগ্ৰেছ আৰু স্বৰাজ্য দল | .... | ৫৬ |
| চাইমন কমিছন আৰু আইন অমান্য আন্দোলন | .... | ৬১ |
| দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত জাতীয় আন্দোলন | .... | ৭৭ |
| ভাৰত ত্যাগ আন্দোলন | .... | ৮২ |
| ভাৰত বিভাজন | .... | ৮৭ |
| বাওঁপন্থী দলৰ ভূমিকা | ... | ১০২ |
| স্বাধীনতা আন্দোলনৰ প্ৰতিষ্ঠাতাসকল | .... | ১১০ |
| অসমত স্বাধীনতা আন্দোলনৰ সূত্ৰপাত | .... | ১৩৩ |
| অসমত প্ৰজা বিদ্ৰোহ | .... | ১৪৩ |
| অসম এছোচিয়েছন আৰু নৱ জাগৰণৰ ভাবধাৰা | .... | ১৫১ |
| অসমত কংগ্ৰেছৰ আগমন আৰু অসহযোগ আন্দোলন | .... | ১৫৮ |
| অসমত স্বৰাজ্য দল | .... | ১৭৪ |
| গুৱাহাটী কংগ্ৰেছ | .... | ১৭৫ |
| আইন অমান্য আন্দোলন | .... | ১৭৬ |
| অসমত প্ৰাদেশিক স্বায়ত্ব শাসন | .... | ১৮৪ |

| বিষয় | | পৃষ্ঠা |
|---|---|---|
| বিয়াল্লিশৰ বিপ্লৱ | ... | ১৮৭ |
| কেবিনেট মিছন আঁচনি আৰু অসম | .... | ১৯৩ |
| অসমত বিপ্লৱবাদ | .... | ১৯৮ |
| অসমৰ স্বাধীনতা যুঁজৰ নেতৃবৃন্দ | .... | ২০১ |
| অসমৰ স্বাধীনতা আন্দোলনৰ সমস্যাৱলী | .... | ২১৯ |

# ভাৰতত স্বাধীনতা আন্দোলনৰ সূত্ৰপাত

১৮৫৭ চনৰ পৰা ১৯৪৭ চনলৈকে এই নব্বৈ বছৰৰ কালছোৱা মানব বুৰঞ্জীৰ এক অদ্বিতীয় অধ্যায়। পৃথিবীৰ এটা বৃহৎ সামৰিক শক্তিৰ বিৰুদ্ধে নিৰস্ত্ৰ জাতি এটাৰ ৰণ-আহ্বানৰ কাহিনীৰে এই অধ্যায় পৰিপূৰ্ণ। ভাৰতীয় জনসাধাৰণৰ স্বাধীনতা আন্দোলন মানুহে মানুহক শোষণ কৰাৰ অথবা আন কথাত কবলৈ গলে এখন দেশে আন এখন দেশক শোষণ কৰাৰ প্ৰথা ওৰ পেলাই এক নতুন সমাজ ব্যৱস্থা প্ৰতিষ্ঠাৰ বাবে কৰা যেন এক সংগ্ৰাম। এই সংগ্ৰাম অহিংস অথচ অসীম শক্তি সম্পন্ন। বৃটিছৰ সমৰ সজ্জায়ো এই সোঁত ভেটা দি ৰাখিব নোৱাৰিলে।

ভাৰতবৰ্ষত বৃটিছৰ আগমন আৰু উত্থান অতি তাৎপৰ্যপূৰ্ণ। বৃটিছ ভাৰতলৈ আহিছিল মুখ্যতঃ বেহা-বেপাৰ কৰা অভিপ্ৰায়েৰেহে। তেওঁলোকৰ স্বাৰ্থ আছিল মূলতঃ আৰ্থিক। বৃটেইনৰ ঔপনিবেশিক সাম্ৰাজ্য হৈছে আৰ্থিক স্বাৰ্থ সিদ্ধিৰ এক বিৰাট পাশ। ১৬০০ চনত ৰাণী এলিজাবেথৰ ৰাজত্ব কালত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ বুকুত পতাকা উত্তোলন কৰে। পৰ্তুগীজ, ফৰাচী আদি ইউৰোপৰ বিভিন্ন দেশৰ লোকৰ নিচিনাকৈ ইংৰাজেও ভাৰতৰ মোগল সাম্ৰাজ্যৰ দুৰ্বলতাৰ সুযোগ লৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ জৰিয়তে ভাৰতত উপনিবেশ স্থাপন কৰে। বেহাবেপাৰেই এওঁলোকৰ প্ৰধান উদ্দেশ্য আছিল যদিও সুবিধা বুজি ধৰ্মপ্ৰচাৰ আৰু ৰাজ্য বিস্তাৰৰ কামো তেওঁলোকে হাতত লৈছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৬১২ চনত মোগল সম্ৰাট জাহাংগীৰৰ পৰা চুৰটত এটা কাৰখানা খুলিবলৈ অনুমতি লাভ কৰি ভাৰতত পোন প্ৰথমে খোপনি পুতিছিল। সেই কোম্পানীয়েই ১৬৩৯ চনত মাদ্ৰাজখন কিনে। ১৬৬২ চনত কোম্পানীয়ে বোম্বাইখন লাভ কৰে। ১৬৯০ চনত সেই কোম্পানীয়ে কলিকতা আৰু তাৰ ওচৰৰ তিনিখন গাঁও কিনে আৰু তাৰ ৰক্ষণাবেক্ষণৰ বাবে ফোৰ্ট উইলিয়াম দুৰ্গ নিৰ্মাণ কৰে। মাদ্ৰাজতো কোম্পানীয়ে ছেণ্ট জৰ্জ দুৰ্গ সাজিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ এই দুৰ্গবোৰ আছিল ভবিষ্যতৰ বৃটিছ সাম্ৰাজ্য স্থাপনৰ ঘাই খুটা স্বৰূপ।

মোগল সাম্ৰাজ্যৰ ক্ষমতাশালী ৰজা ঔৰংজেবৰ ১৭০৭ চনত মৃত্যু হয় আৰু বৃটিছ ইষ্ট ইণ্ডিয়া কোম্পানী আৰু ফ্ৰান্স ইষ্ট ইণ্ডিয়া কোম্পানীৰ মাজত বেপাৰ লৈ কাজিয়াৰ সূত্ৰপাত হয়। বক্সাৰ যুদ্ধ (১৭৫৪), পলাচীৰ যুদ্ধ (১৭৫৭) আদিয়ে ইংৰাজ সকলক বেঙ্গল, বিহাৰ আৰু উৰিষ্যাত আধিপত্য বিস্তাৰত সহায় কৰিছিল। ১৭৬৫ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে নবাবৰ পৰা দেৱানী লাভ কৰে অৰ্থাৎ ইংৰাজ কোম্পানীয়ে খাজনা আদায় কৰিবলৈ আৰু খৰছ কৰিবলৈ ক্ষমতা পায়। ১৭৫৭ চনৰ পৰা এশ বছৰৰ ভিতৰত নিজৰ মাজত অবিয়াঅবি, বিভেদ, অনৈক্য আৰু বিশ্বাসঘাটকতাৰ বাবে আৰু বিশেষকৈ তেওঁলোকৰ কাৰো মনতেই সৰ্বভাৰতীয় জাতীয়তাবোধ নথকাৰ কাৰণে সমগ্ৰ ভাৰতেই ইংৰাজৰ অধীনলৈ যায়।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্ৰথম গৱৰ্ণৰ জেনেৰেল আছিল ওৱাৰেন হেষ্টিংছ (১৭৭৪—৮৫)। তেওঁৰ দিনত কলিকতাত মাদ্ৰাছা আৰু কাশীত সংস্কৃত চতুস্পাঠী প্ৰতিষ্ঠিত হয়। বঙ্গদেশত এছিয়াটিক ছোছাইটি (১৭৮৫) নামৰ প্ৰতিষ্ঠান স্থাপিত হয়। ১৮১৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে বিলাতত নতুন চনদ লোৱাৰ সময়ত চৰকাৰে আগৰ চনদৰ অনেক পৰিবৰ্তন কৰি দিয়ে। ১৮১৩ চনলৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ অংশীদাৰ সকলেহে ভাৰত আৰু প্ৰাচ্যত ব্যৱসায় কৰিবলৈ একচেতীয়া অধিকাৰ পাই আহিছিল। ১৮১৩ চনত সেই একচেতিয়া অধিকাৰ লোপ হয় আৰু তাৰ ফলত ভাৰতলৈ অনেক ইংৰাজ আহিবলৈ ধৰে। ইমানদিনে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ভাৰতৰ পৰা শিল্পজাত বস্ত্ৰ ইংলণ্ড আৰু ইউৰোপলৈ আমদানী কৰি নিছিল; কিন্তু ওঠৰ শতিকাৰ শেষ ভাগৰ পৰা ইংলণ্ডত তৈয়াৰী হোৱা মাল ভাৰতলৈ আহিব ধৰে। ১৮১৪ চনত প্ৰথম ইংলণ্ডৰ পৰা ইংলণ্ডত তৈয়াৰী কাপোৰ ভাৰতলৈ আহে। সেই দিনাৰ পৰাই ভাৰতৰ শৈল্পিক ইতিহাসে আন এক পথত গতি লয়। ১৮১৩ চনৰ আগলৈকে কোম্পানীয়ে কোম্পানীৰ অংশীদাৰ সকলৰ বাদে আন কোনো ইংৰাজ, আনকি খৃষ্টান মিছনাৰী লোককো ভাৰতলৈ আহিব দিয়া নাছিল। কিন্তু ১৮১৩ চনত কোম্পানীৰ চনদৰ পৰিবৰ্তন হোৱাত এই ব্যৱস্থাৰো অৱসান ঘটে। তেতিয়াৰ পৰা প্ৰচাৰৰ মনোভাব লৈ দলে দলে খৃষ্টান মিছনাৰী ভাৰতলৈ আহিবলৈ ধৰে।

১৮২৬ চনত ৰাজা ৰামমোহন ৰায়ে ব্ৰহ্ম সভা (ব্ৰাহ্ম সমাজ) প্ৰতিষ্ঠা

কৰিছিল। ১৮২৯ চনত কলিকতাত আলেকজেণ্ডাৰ ডাফ চাহাবে খৃষ্টান কলেজ স্থাপন কৰে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইংৰাজী ভাষাক ৰাষ্ট্ৰীয় বা চৰকাৰী ভাষাৰূপে স্বীকৃতি দিয়ে। তেতিয়াৰ পৰা বঙ্গদেশ, মাদ্ৰাজ আৰু বোম্বাইৰ উঠি অহা যুবকসকলে ইংৰাজী ভাষা শিকিবলৈ ধৰে। ইংৰাজী ভাষাৰ মাধ্যমত পশ্চিমীয়া ভাবধাৰা ভাৰতত প্ৰবেশ কৰে আৰু ফৰাচী বিপ্লৱৰ সাহিত্য আদি ভাৰতত ব্যাপক ভাবে প্ৰচাৰ হবলৈ ধৰে।

১৮৩৫ চনত ভাৰতৰ আইন আদালত, চৰকাৰী অফিচ আৰু বিদ্যালয় সমূহত ফৰাচী ভাষাৰ পৰিবৰ্তে ইংৰাজী ভাষাৰ প্ৰবৰ্তন হয়। সেই বছৰতে ভাৰতৰ অস্থায়ী গৱৰ্ণৰ জেনেৰেল চাৰ্লছ মেটকাফে ( Charles Metcafe ) ভাৰতীয় মুদ্ৰা যন্ত্ৰৰ (Press) স্বাধীনতা দিয়ে। ইয়াৰ ফলত ভাৰতৰ বিভিন্ন ঠাইত অসংখ্য প্ৰেছ বা ছপাখানা স্থাপিত হয়।

১৮৪৭ চনত লৰ্ড ডেলহাউছি ভাৰতৰ গভৰ্ণৰ জেনেৰেল হয়। তেওঁৰ দিনত কেবাটাও উল্লেখযোগ্য জনহিতকৰ কাম হয়। তাৰ ভিতৰত প্ৰধান হৈছে—ৰেলপথ নিৰ্মাণ, ডাকঘৰ-টেলিগ্ৰাফ স্থাপন আৰু বিদ্যালয় প্ৰতিষ্ঠাৰ পৰিকল্পনা। কিন্তু তেওঁ আনফালে বৃটিছৰ সাৰ্বভৌমত্ব স্থায়ী কৰাৰ বাবে কেইজনমান অকৰ্মণ্য দেশীয় ৰজা আৰু নবাবৰ উচ্ছেদ সাধন কৰে। ইয়াৰ ভিতৰত অযোধ্যাৰ নবাবৰ উচ্ছেদো অন্যতম। তেওঁ হিন্দু ৰজাসকলে দত্তকপুত্ৰ বা পোষ্যপুত্ৰ ৰখাৰ স্বাধীনতা হৰণ কৰি মহাৰাষ্ট্ৰীয় ৰাজ্য চাতাৰা আৰু নাগপুৰক ইংৰাজৰ খাচ দখললৈ নিয়ে, ফলত এই কথাৰ বাবে উত্তৰ ভাৰতত কিছু পৰিমাণে ইংৰাজ বিৰোধী মনোভাবৰ সৃষ্টি হয়। আনফালে সতীদাহ প্ৰথা, শিশুক গঙ্গাত নিক্ষেপ কৰা প্ৰথা, নৰবলি দিয়া প্ৰথা আদিক নিষেধ কৰা আৰু বিধবা বিবাহ প্ৰথাক আইনৰ দ্বাৰা সমৰ্থন কৰাত ভাৰতৰ কু-সংস্কাৰপন্ন অশিক্ষিত লোকসকলৰ মনত ইংৰাজ শাসনৰ বিৰুদ্ধে এক বিৰুদ্ধ মনোভাবৰ সৃষ্টি হয়।

আনফালে বঙ্গদেশত জমিদাৰ সকলৰ পৰা নিয়মিত ভাবে খাজানা আদায় নোহোৱাত অনেক জমিদাৰী নীলামত বিক্ৰী হৈ যায়। স্থায়ী ভূমি বন্দোবস্ত কৰি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে জমিদাৰৰ আয়ৰ সৰহভাগেই খাজানাৰূপে নিয়াৰ ব্যৱস্থা কৰে। পশ্চিমবঙ্গৰ বীৰভূম জিলাৰ অন্তৰ্গত এলেকাত বাসকৰা চাওঁতাল সকলৰ ওপৰত অধিক খাজানা লগোৱা হয়। চাওঁতাল সকলে অৰণ্যত

উপায়ন্তৰ হৈ আদিম যুগৰ তীৰ, ধনু আৰু লাঠি আদি লৈ চাওতাল ৰাজ্য স্থাপনৰ বাবে বিদ্রোহ ঘোষণা কৰে। কিন্তু সেই বিদ্রোহ চৰকাৰী ফৌজৰ সহায়ত শীঘ্ৰে দমন কৰা হয়। এনেকৈ ৰবাৰ্ট ক্লাইভৰ সময়ৰ পৰা লৰ্ড ডেলহাউচিৰ সময়লৈ এই সুদীৰ্ঘ কালছোৱাৰ ভিতৰত বিভিন্ন উপায় অৱলম্বন কৰি কোম্পানীয়ে ভাৰতবৰ্ষত ইংৰাজ সাম্ৰাজ্য গঢ়ি তুলিছিল। এই কালছোৱাত ভাৰতীয়ৰ মনত জাতীয় ভাবধাৰাৰ এটা স্পষ্ট ধাৰণা নাছিল। কিন্তু সেইবুলি তেওঁলোকৰ শাসনৰ প্ৰতিবাদ নোহোৱাকৈ থকা নাছিল।

## চিপাহী বিদ্রোহ

চিপাহী বিদ্রোহ ভাৰতবৰ্ষৰ বুৰঞ্জীৰ এক উল্লেখযোগ্য ঘটনা। ১৭৫৭ চনৰ পলাচীৰ যুদ্ধৰ পৰা ১৮৫৭ চনৰ ভিতৰত সমগ্ৰ ভাৰত ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰাজ্যভুক্ত হয়। ইংৰাজ শাসনৰ বিৰুদ্ধে ১৮৫৭ চনত চিপাহী বিদ্রোহ হয়। এই বিদ্রোহক ভাৰতৰ স্বাধীনতাৰ প্ৰথম জাতীয় আন্দোলন বুলি অভিহিত কৰা হয়। চিপাহী বিদ্রোহ আচলতে সূচনা কৰে কিছুমান ভাৰতীয় সৈন্যই। বিদ্রোহী সকলে বৃদ্ধ মোগল সম্ৰাট বাহাদুৰ শাহক নেতাৰূপে বৰণ কৰি লৈছিল। বিদ্রোহী সকলে মোগল সাম্ৰাজ্যৰ লুপ্ত গৌৰৱ পুনৰুদ্ধাৰ কৰাৰ সপোন দেখিছিল। এই বিদ্রোহৰ মূলতে আছিল ইংৰাজ বিদ্বেষ। এই বিদ্রোহৰ ফলতেই ভাৰতবৰ্ষৰ কোম্পানীৰ শাসনৰ অৱসান ঘটে আৰু ভাৰতবৰ্ষৰ শাসনভাৰ ইংৰাজ চৰকাৰৰ হাতলৈ যায়। লৰ্ড কেনিঙৰ শাসন কালত এই বিদ্রোহ আৰম্ভ হয় যদিও বহুদিন আগৰে পৰা এই বিদ্রোহৰ ভালেমান লক্ষণ দেখা যায়।

লৰ্ড ডেলহাউচিয়ে ১৮৪৮ চনত প্ৰৱৰ্ত্তন কৰা স্বত্ব বিলোপ নীতি (Doctrine of Lapse) আছিল এই বিদ্রোহৰ ঘাই ৰাজনৈতিক কাৰণ। এই নীতিমতে ইংৰাজ শাসনত থকা কোনো ৰজাৰ মৃত্যু হলে তেওঁৰ যদি কোনো উত্তৰাধিকাৰী নাথাকে, তেতিয়া হ'লে সেই ৰাজ্য ইংৰাজ সাম্ৰাজ্যত চামিল কৰাৰ ব্যৱস্থা কৰা হৈছিল। অৰ্থাৎ পুত্ৰহীন ৰজাই পোষ্যপুত্ৰ গ্ৰহণ কৰিলেও সেই পুত্ৰই ৰজাৰ সিংহাসন দাবী কৰিব নোৱাৰিছিল। এই নীতি প্ৰয়োগ কৰি চাতাৰা, ঝাঁকি, নাগপুৰ, চম্বলপুৰ আদি ৰাজ্য ইংৰাজ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত কৰা হৈছিল। সেইদৰে আন কিছুমান ৰজাক দি থকা পেঞ্চন ডেলহাউচিয়ে বন্ধ কৰি

দিছিল। এই নীতিৰ প্ৰয়োগৰ ফলত ভাৰতীয় ৰজা-মহাৰজা সকল অসন্তুষ্ট হৈছিল আৰু তেওঁলোকে ইংৰাজ শাসনৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰাৰ সুবিধা বিচাৰি আছিল। অযোধ্যা ৰাজ্য বৃটিছ সাম্ৰাজ্যত চামিল কৰা আৰু মোগল সম্ৰাটৰ পেঞ্চন বন্ধ আৰু বাদছাহ পদ পৰিত্যাগ কৰিবলৈ লোৱা ব্যৱস্থাই মুছলমান সকলৰ মাজত অসন্তুষ্টিৰ সৃষ্টি কৰিছিল। আনকি এই বিদ্ৰোহ আৰম্ভ হোৱাৰ আগতেও অযোধ্যাৰ ভূতপূৰ্ব ৰজা নানাসাহেব, টাটিয়া টুপী, ঝান্সিৰ ৰাণী আদিয়ে ইংৰাজ শাসনৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰি আছিল।

ভাৰতৰ অৰ্থনৈতিক বিপৰ্য্যয় দৰাচলতে আৰম্ভ হয় কোম্পানীৰ দিনৰে পৰা। এই কালছোৱাত ভাৰতীয় শিল্প, উদ্যোগ আৰু বাণিজ্যৰ দুৰ্দশাগ্ৰস্ত অৱস্থা হয়। ইংৰাজ কোম্পানীয়ে নিজৰ শিল্প আৰু উদ্যোগৰ উন্নতিৰ অৰ্থে ভাৰতীয় অৰ্থনীতি বিশেষ ভাৱে শোষণ কৰিছিল। ১৮১৩ চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ চনদৰ সংশোধন হয়। ১৮১৪ চনত কোম্পানীৰ চৰকাৰে বাহিৰলৈ যোৱা ভাৰতীয় বস্ত্ৰবস্তুবোৰৰ ওপৰত অধিক কৰ লগাই দিছিল আৰু বৃটিছৰ তৈয়াৰী বস্ত্ৰবস্তু জোৰকৈ ভাৰতীয় বজাৰত বিক্ৰী কৰা হৈছিল। ভাৰতৰ পৰা বছৰি বহু হাজাৰ পাউণ্ড কেঁচামাল ইংলণ্ডলৈ ৰপ্তানি হৈছিল। ফলস্বৰূপে চিকণ সূতাৰ কাপোৰৰ ৰপ্তানি বহু পৰিমাণে কমি গৈছিল। ভাৰতৰ জাহাজ শিল্পৰ কাৰবাৰ বন্ধ হৈ গৈছিল, যিহেতু বৃটিছ সকলে নিজৰ জাহাজ বেপাৰত ব্যৱহাৰ কৰিছিল। ভাৰতীয় কাগজ শিল্পৰ অৱস্থা শোচনীয় হৈছিল। কাৰণ বৃটিছ নীতিত কেৱল বৃটিছৰ তৈয়াৰী কাগজ বজাৰত বিক্ৰী হৈছিল। লৌহযুক্ত শিল্প যেনে বন্দুক তৈয়াৰী, অস্ত্ৰ শস্ত্ৰ আদিৰ অৱস্থা বেয়াৰ পিনে ঢাল খাইছিল, কিয়নো সেইবোৰ বজাৰত বিক্ৰী কৰাটো নিষিদ্ধ আছিল। গাঁৱলীয়া শিল্প-উদ্যোগ মৃতপ্ৰায় অৱস্থা হৈছিল। ইয়াৰ কৰ্মকৰ্তাসকলৰ নিবনুৱা সমস্যাই দেখা দিছিল। ভাৰতৰ এনে আৰ্থিক অনাটন কেতিয়াও হোৱা নাছিল। ৰজা জমিদাৰ সকলৰ অৰ্থনৈতিক সঙ্কটো চিপাহী বিদ্ৰোহৰ আন এটা কাৰণ। ৰাজন্যবৰ্গৰ জমিদাৰী সকল ইংৰাজ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হোৱাত তেওঁলোকৰ আয়ৰ পথ বন্ধ হৈছিল। বিদ্ৰোহ আৰম্ভ হোৱাৰ পাঁচ বছৰ আগতে ডেলহাউছিয়ে নিয়োগ কৰা ইনাম কমিচনে দাক্ষিণাত্যত প্ৰায় কুৰি হেজাৰ জমিদাৰী বাজেয়াপ্ত কৰিছিল। যি সকলৰ পেঞ্চন, ভাট্টা আদি বন্ধ কৰি দিয়া হৈছিল তেওঁলোকে অৰ্থ সঙ্কটৰ সন্মুখীন হৈছিল।

ইংৰাজৰ সংস্কাৰমূলক নীতিসমূহেও ভাৰতীয় লোকসকলক সন্দিহান কৰি

তুলিছিল। ওঠৰ শতিকাৰ শেষ ছোৱাত আৰু উনবিংশ শতিকাত ভাৰতবৰ্ষত পশ্চিমীয়া সভ্যতাৰ যি বিস্তাৰ হৈছিল সিয়ে ভাৰতীয় নৈষ্ঠিক লোকসকলৰ মনত বিদ্বেষ সৃষ্টি কৰিছিল। লৰ্ড উইলিয়াম বেন্‌টিঙৰ সতীদাহ প্ৰথাৰ নিৰ্মূল নীতিয়ে হিন্দুসকলৰ মাজত জাগৰণ সৃষ্টি কৰিছিল। ইংৰাজী শিক্ষা বিস্তাৰ, ৰেল আৰু টেলিগ্ৰাফৰ প্ৰচলন, শিশুবধ প্ৰথা তুলি দিয়া কাম, বিধবা বিবাহ প্ৰচলন আৰু বাল্য বিবাহ বন্ধ কৰাৰ প্ৰচেষ্টাই ভাৰতীয় মানুহৰ মনত এনেকুৱা ভাবৰ সৃষ্টি কৰিছিল যে ইংৰাজসকলে ভাৰতীয়সকলৰ যুগমীয়া সমাজ সংস্কৃতি নাশ কৰিবলৈ চেষ্টা কৰিছে। খৃষ্টান মিছনাৰীসকলে এই সুযোগতে ভাৰতত খৃষ্টান ধৰ্ম প্ৰচাৰত লাগি গৈছিল। যিসকল লোকে খৃষ্টান ধৰ্ম গ্ৰহণ কৰিছিল, চৰকাৰে তেওঁলোকক ৰক্ষণাবেক্ষণ দিছিল। ইংৰাজলোকে ভাৰতীয়সকলৰ সামাজিক ৰীতি নীতি, আচাৰ-ব্যৱহাৰ, কৃষ্টিকলা আদি উপলুঙা কৰিছিল। এনেকুৱা কাৰ্যাৱলীয়ে সমাজত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল আৰু সুবিধা পালেই ইংৰাজ শাসনৰ বিৰোধীতা কৰাৰ চেষ্টা কৰা হৈছিল।

ইষ্ট ইণ্ডিয়া কোম্পানীৰ ভাৰতৰ সামৰিক বাহিনীৰ ওপৰত অন্যায় অবিচাৰ চলিছিল। ইংৰাজ সেনাবাহিনীত থকা সামৰিক লোকসকলৰ কোম্পানীৰ শাসনৰ প্ৰতি আনুগত্য থকাহেঁতেন চিপাহী বিদ্ৰোহৰ সৃষ্টি হ'ব নোৱাৰিলেহেঁতেন। কিন্তু ভাৰতীয় চিপাহীসকলেও ইংৰাজ শাসনত অসন্তুষ্ট হৈছিল। কেইবাটাও কাৰণত কোম্পানীৰ লগত চিপাহীসকলৰ সম্বন্ধ বেয়াৰ পিনে ঢাল খাইছিল। লৰ্ড কেনিঙৰ সময়ত ভাৰতীয় চিপাহীসকলক ভাৰতবৰ্ষৰ বাহিৰে-ভিতৰে সকলো-ঠাইতে যুদ্ধ কৰিবলৈ বাধ্য কৰাই আইন কৰা হৈছিল। ভাৰতবৰ্ষৰ চিপাহীসকলে দেশৰ বাহিৰৰ যুদ্ধত যোগদান কৰিবলৈ ইচ্ছা নকৰিছিল। তাৰোপৰি বাহিৰৰ যুদ্ধত যোগদান কৰাৰ কাৰণে তেওঁলোকক যি অতিৰিক্ত ভাট্টা দিয়াৰ ব্যৱস্থা আছিল সেই ব্যৱস্থা বন্ধ কৰাত তেওঁলোক অসন্তুষ্ট হৈছিল। ভাৰতীয় সেনাবোৰ যথেষ্ট কষ্ট কৰিবলগা হৈছিল; কিন্তু তেওঁলোকে অতি নগণ্য সা-সুবিধা লাভ কৰিছিল। ভাৰতীয় সৈন্যসকলৰ জনপ্ৰতি খৰছ হৈছিল মাত্ৰ ২২১ টকা কিন্তু ইংৰাজ সৈন্যসকলৰ জনপ্ৰতি খৰচ হৈছিল ২৭৭৫ টকা। ১৭৬৬ চনত বেঙ্গলত সৈন্যবাহিনীৰ মাজত বিদ্ৰোহে দেখা দিছিল আৰু ই দেশৰ বিভিন্ন ঠাইলৈ বিয়পি গৈছিল। সেই সময়ত ইংৰাজ সেনাবাহিনীত ভাৰতীয় লোকৰ তুলনাত ইংৰাজ লোক কম থকাত তেওঁলোকৰ বিশ্বাস হৈছিল যে

ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ আৰম্ভ হলে তেওঁলোকে সহজতে ইংৰাজ সেনাবাহিনীক পৰাস্ত কৰিব পাৰিব। বিশেষকৈ ইংৰাজসকলে ক্ৰিমিয়াৰ যুদ্ধ, পাৰস্য যুদ্ধ আৰু চীনা যুদ্ধ আদি বৈদেশিক যুদ্ধত ব্যস্ত থাকিব লগা হোৱাত চিপাহীসকলৰ মাজত বিশ্বাস হৈছিল যে ভাৰতীয় চিপাহীসকলৰ ওপৰতহে বৃটিছ ভাৰতৰ ভবিষ্যত নিৰ্ভৰ কৰে। এনে চিন্তাধাৰায়ো তেওঁলোকৰ মাজত বিদ্ৰোহৰ ভাব সৃষ্টি কৰাত অৰিহনা যোগাইছিল। ইয়াৰ উপৰিও "এনফিল্ড ৰাইফলত" গৰু আৰু গাহৰিৰ চৰ্বি মিহলোৱা গুলি থকাৰ কথা শুনি হিন্দু-মুছলমান উভয় সম্প্ৰদায়ৰ সৈন্যবেই ধৈৰ্য্যচ্যুতি ঘটিছিল আৰু ইয়েই যেন চিপাহী বিদ্ৰোহৰ তৎকালীন কাৰণ হৈ উঠিছিল। এই ৰাইফল চালনা কৰাৰ সময়ত ইয়াৰ কাৰ্টিজটো মুখেৰে কামুৰি ধৰিব লগা হৈছিল। সেই সময়ত এটা জনৰব উঠিছিল যে ভাৰতীয় হিন্দু আৰু মুছলমান চিপাহীসকলৰ ধৰ্ম নষ্ট কৰিবলৈহে এই কাৰ্টিজ ব্যৱহাৰ কৰা হৈছে। গতিকে ভাৰতীয় চিপাহীসকলৰ মনত গভীৰ অসন্তোষৰ সৃষ্টি হয়। ফলত চিপাহীসকলে ইংৰাজক খেদি স্বাধীনতা লাভ কৰাৰ বাবে বিদ্ৰোহ কৰে।

চিপাহী বিদ্ৰোহ প্ৰথমে বঙ্গদেশৰ বেৰাকপুৰত আৰম্ভ হয়। তাত চিপাহী-সকলে কেইজনমান ইংৰাজক হত্যা কৰে। তাৰ পাছত বৰহমপুৰত বিদ্ৰোহ আৰম্ভ হয়। কিন্তু চৰকাৰে এই বিদ্ৰোহ সহজতে দমন কৰে। ৮৫ জন চিপাহীয়ে কাৰ্টিজ ব্যৱহাৰ কৰিবলৈ অমান্তি হোৱাত দুই বছৰকৈ কাৰাবাসৰ হুকুম দিয়া ঘটনাৰ পৰাই মীৰাটত বিদ্ৰোহে ভয়ঙ্কৰ ৰূপ ধাৰণ কৰে। তাত চিপাহীসকলে বিদ্ৰোহ ঘোষণা কৰি কিছুমান ইংৰাজ বিষয়াক হত্যা কৰে, জেলখানা ভাঙি তেওঁলোকৰ লগৰীয়া চিপাহীসকলক উদ্ধাৰ কৰি দিল্লীলৈ অগ্ৰসৰ হয়। দিল্লী দখল কৰি বাহাদুৰ শ্বাহক তেওঁলোকে সম্ৰাট বুলি ঘোষণা কৰে। ইয়াৰ পিছত লক্ষ্ণৌ, বেৰিলি, আগ্ৰা, কানপুৰ আদি ঠাইতো বিদ্ৰোহৰ সৃষ্টি হয়। অযোধ্যাতো বিদ্ৰোহে ভয়ানক ৰূপ ধাৰণ কৰে। এলাহবাদত নানা চাহাবে আৰু মধ্য ভাৰতত ঝাঁচিৰ ৰাণী লক্ষ্মীবাঈ আৰু টাণ্টিয়া টুপীয়ে বিদ্ৰোহ পৰিচালনা কৰে। কিন্তু ইংৰাজ সেনাপতিসকলৰ সমৰ কৌশলৰ আগত বিদ্ৰোহীসকলে পৰাজয় বৰণ কৰিব লগা হয়। চিপাহী বিদ্ৰোহৰ ফলত ভাৰতবৰ্ষত কোম্পানীৰ শাসনৰ অৱসান ঘটে আৰু ভাৰতবৰ্ষৰ শাসনভাৰ ইংৰাজ চৰকাৰৰ হাতলৈ যায়।

চিপাহী বিদ্ৰোহক ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম বুলি কোৱা হয়। কিন্তু এই বিদ্ৰোহক "জাতীয় বিদ্ৰোহ" বুলিলেও এই বিদ্ৰোহ যে ইংৰাজ কোম্পানীৰ

শাসনৰ কালৰ পৰা ভাৰতক মুক্ত কৰাৰ এক ব্যাকুল প্ৰচেষ্টা, তাক কোনেও অস্বীকাৰ কৰিব নোৱাৰে। সেই অনাধিকাৰী বিদেশীৰ কবলৰ পৰা ভাৰতবৰ্ষ উদ্ধাৰৰ হেতু যিসকলে বিদ্ৰোহ কৰিছিল সেই সকল নিশ্চয় দেশপ্ৰেমিক আছিল। বৃটিছ ভাৰতৰ অধিক অঞ্চলতে এই বিদ্ৰোহৰ সৃষ্টি হৈছিল যদিও, বিদ্ৰোহীসকলে তেওঁলোকৰ উদ্দেশ্য সাধনত ব্যৰ্থ হয়। ইয়াৰ ভালেমান কাৰণ দৰ্শাব পাৰি।

সেই সময়ৰ ভাৰতৰ শিক্ষিত সমাজে এই চিপাহী বিদ্ৰোহত যোগদান কৰা নাছিল। বৰং কোনো কোনো ক্ষেত্ৰত বিৰোধীতাহে কৰিছিল। আচৰিত কথা যে শিখ সকলে এই বিদ্ৰোহৰ প্ৰতি সহানুভূতিটো দেখুওৱা নাছিলেই, বৰং পাতিয়ালা, নাভা আৰু জিন্দৰ মহাৰজাসকলে বিদ্ৰোহ দমন কৰিবলৈ ইংৰাজ কোম্পানীকহে সহায় কৰিছিল। বোধহয় শিখ আৰু মোগলসকলৰ মাজত প্ৰীতিৰ কোনো সম্বন্ধ নথকাৰ বাবে শিখসকলে এই বিদ্ৰোহৰ বিৰুদ্ধাচৰণ কৰিছিল। মোগল বাদছাহসকলে শিখসকলক যি নিৰ্দয়ভাবে নিশ্চিহ্ন কৰিবলৈ চেষ্টা কৰিছিল, সেই কথা শিখসকলে পাহৰিব নোৱাৰে। সেই কাৰণে মোগল সম্ৰাট বাহাদুৰ শাহক বিদ্ৰোহৰ নেতাৰূপে বৰণ কৰাৰ কাৰণে এই বিদ্ৰোহক দেশৰ মুক্তিৰ বাবে কৰা বিদ্ৰোহ বুলি শিখসকলে গণ্য নকৰিলে। ঠিক একে কাৰণতেই ৰাজপুতসকলেও চিপাহী বিদ্ৰোহত কোনো গুৰুত্ব আৰোপ নকৰিলে আৰু তেওঁলোকো নিৰ্লিপ্ত হৈ থাকিল। তেওঁলোকেও মোগল সম্ৰাটৰ পুনৰ অভ্যুত্থান পছন্দ নকৰিছিল। আচৰিত কথা যে দাক্ষিণাত্যৰ হায়দৰাবাদৰ নিজামে মুছলমান হৈয়ো এই বিদ্ৰোহত যোগদানটো নকৰিলেই, আনকি কোনো সহানুভূতিও নেদেখুৱালে। গুৰ্খাসকলো ইংৰাজৰহে অনুৰক্ত আছিল। মুঠৰ ওপৰত বিদ্ৰোহত অতি কম সংখ্যক লোকহে যোগদান কৰিছিল। অকল সেয়েই নহয়, ইংৰাজে গোৱালিয়ৰৰ দিনাকৰ ৰাও, হায়দৰাবাদৰ চালাৰ জং, নেপালৰ জং বাহাদুৰ, পঞ্জাবৰ শিখসকল, আফগানিস্থানৰ দোস্ত মহম্মদ আৰু কিছুমান সামন্ত নেতাৰ সহায় পাইছিল।

ইয়াৰ উপৰিও বিদ্ৰোহী চিপাহীসকলৰ কোনো সমূহীয়া উদ্দেশ্য নাছিল। ফলত তেওঁলোকে একগোট হৈ ইংৰাজৰ বিপক্ষে থিয় দিব পৰা নাছিল। বংগদেশৰ চিপাহীসকলে মোগল সাম্ৰাজ্যৰ গৌৰৱ উদ্ধাৰৰ কাৰণে চেষ্টা কৰিছিল; আনহাতে নানাচাহাবে তেওঁৰ নিজৰ ক্ষমতা আৰু অৱস্থান ঘূৰাই পোৱাৰ কাৰণে চেষ্টা কৰিছিল। হিন্দু আৰু মুছলমানসকলৰ মাজত থকা ঈৰ্ষা, পেচোৱা

আৰু বাদছাহৰ মাজত থকা ৰাজনৈতিক শত্ৰুতাও যেন বিদ্ৰোহৰ প্ৰতিবন্ধক আছিল।

বিদ্ৰোহীসকলক উপযুক্ত নেতৃত্ব দিব পৰা লোক সেই সময়ত নাছিল। ঝাঁচিৰ ৰাণী লক্ষ্মীবাঈৰ বাহিৰে আনবোৰ নেতাৰ ইংৰাজৰ লগত যুদ্ধ কৰিব পৰা যোগ্যতা নাছিল। আনফালে লৰেঞ্চ, আউটৰাম আদি সুদক্ষ ইংৰাজ সেনাপতিসকলে চিপাহীসকলৰ বিৰুদ্ধে দক্ষতাৰে সেনা পৰিচালনা কৰিব পাৰিছিল।

ইংৰাজসকলৰ আন কিছুমান সুবিধাও আছিল। তেওঁলোকৰ আধুনিক বিজ্ঞানৰ অৱদান যেনে, ডাক, তাঁৰ আদি বিভাগ নিজৰ নিয়ন্ত্ৰণত থকাৰ ফলত তেওঁলোকে বিভিন্ন ঠাইৰ পৰিস্থিতি অধ্যয়ন কৰি দৰকাৰ অনুযায়ী ব্যৱস্থা ল'ব পাৰিছিল। আনহাতে, চিপাহীসকলে এই বিলাক বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰা নাছিল। এনেকি, চিপাহীসকলৰ বহুতেই এই বিদ্ৰোহত যোগদান কৰা নাছিল। লৰ্ড কেনিঙৰ সৈমান কৰোৱা নীতিৰ ফলত অনেক চিপাহী তেতিয়াৰ ইংৰাজৰ প্ৰতি আনুগত্য প্ৰকাশ কৰি আছিল।

মুঠৰ ওপৰত এই বিদ্ৰোহ ব্যাপক হ'লেও বিদ্ৰোহৰ গভীৰতা কম আছিল। এনে ন'হলে ইমান কম সময়ৰ ভিতৰতে যাতায়াতৰ অসুবিধা থকা কালত (তেতিয়া ভাৰতত ৰেল লাইন নাছিল) বিদ্ৰোহ কেতিয়াও দমন নহলহেঁতেন। বিদ্ৰোহ আৰম্ভ হয় ১৮৫৭ চনৰ জুন মাহত আৰু মহাৰাণী ভিক্টোৰীয়াৰ ঘোষণা এলাহবাদত ঘোষিত হয় ১৮৫৮ চনৰ ১ নবেম্বৰৰ দিনা অৰ্থাৎ মাত্ৰ এবছৰ তিনি-মাহৰ মূৰতেই বিদ্ৰোহ দমন কৰা হয়।

চিপাহী বিদ্ৰোহ ভাৰতবৰ্ষৰ প্ৰথম স্বাধীনতা সংগ্ৰাম হয়নে নহয়—এই বিষয়ে ঐতিহাসিকসকলৰ মাজত মতভেদ হয়। কিছুমানে ইয়াক ভাৰতবৰ্ষৰ প্ৰথম স্বাধীনতা যুঁজ হিচাপে আখ্যা দিয়ে। আন কিছুমানৰ মতে ই স্বাধীনতা যুঁজ নহয়, চিপাহীসকলৰ মাজত হোৱা বিদ্ৰোহহে। এই বিদ্ৰোহ সু-সংগঠিত জাতীয় আন্দোলন নাছিল। প্ৰকৃততে, ই চিপাহীসকলৰ মাজতে দেখা দিয়া বিদ্ৰোহহে আছিল আৰু কিছুমান অসন্তুষ্ট ৰজা মহাৰজাই এই বিদ্ৰোহৰ সুযোগ লৈ তেওঁলোকৰ হেৰোৱা সন্মান আৰু সম্পদ ঘূৰাই অনাৰ কাৰণে চেষ্টা কৰিছিল। এই বিদ্ৰোহ কিছুমান ঠাইতে আবদ্ধ হৈ আছিল। সকলো ভাৰতীয় লোকে এই বিদ্ৰোহত যোগদান কৰা নাছিল। বিদ্ৰোহীসকলক নেতৃত্ব দিব পৰা কোনো উপযুক্ত লোক নাছিল। বিদ্ৰোহীসকলৰ কোনো উমৈহতীয়া উদ্দেশ্যও নাছিল।

ভাৰতবৰ্ষৰ পৰা ইংৰাজসকলক খেদি পঠোৱা এই বিদ্ৰোহৰ ঘাই উদ্দেশ্য নাছিল। এনেবোৰ কাৰণত এই বিদ্ৰোহক স্বাধীনতা সংগ্ৰাম বা জাতীয় আন্দোলন হিচাপে আখ্যা দিব নোৱাৰি।

চিপাহী বিদ্ৰোহ ভাৰতবৰ্ষৰ স্বাধীনতা যুদ্ধ নহলেও ইয়াৰ যথেষ্ট ঐতিহাসিক তাৎপৰ্য্য আছে। ইয়াৰ ফলত দেশত কিছুমান উল্লেখযোগ্য পৰিবৰ্ত্তন হৈছিল। চিপাহী বিদ্ৰোহ দমন হোৱাৰ পিছত ইংলণ্ডৰ কিছু লোকৰ মনত ধাৰণা হয় যে এটা কোম্পানীৰ ওপৰত ভাৰতৰ দৰে বিৰাট সাম্ৰাজ্য এখনৰ ভাৰ ন্যস্ত থকা অনুচিত। সেইবাবে বৃটিছ পাৰ্লামেণ্টে ভাৰতৰ শাসনভাৰ গ্ৰহণ কৰে। ইমান দিনে এটা বিদেশী কোম্পানীৰ অংশীদাৰ সকলে ভাৰতক শাসন আৰু শোষণ কৰিছিল, কিন্তু এতিয়াৰ পৰা সমগ্ৰ ইংলণ্ডেই হয় ভাৰতৰ শাসক আৰু শোষক। এই বিদ্ৰোহৰ পিছৰ পৰা ইংৰাজে ভাৰতবৰ্ষত সাম্ৰাজ্য বৃদ্ধিৰ কাম বন্ধ কৰে। বোম্বাই আৰু মাদ্ৰাজৰ বিধান পৰিষদক বিধি বিধান ৰচনা কৰাৰ কৰ্তৃত্ব দিয়া হয়। ইয়াৰ ফলস্বৰূপে ভাৰতবৰ্ষৰ শাসনকাৰ্যত ক্ষমতাৰ বিকেন্দ্ৰীকৰণ আৰম্ভ হয়। সৈন্যবাহিনীতো ইংৰাজ লোকৰ সংখ্যা বঢ়োৱা হয়। ১৮৫৮ চনৰ ১ নবেম্বৰৰ দিনা ভাৰতৰ বৰলাট লৰ্ড কেনিঙে মহাৰাণী ভিক্টোৰীয়াৰ প্ৰতিনিধি হিচাপে ৰাজকীয় ঘোষণা পাঠ কৰে। সেই ঘোষণাত কোৱা হৈছিল যে, "বৃটিছ ৰাজে ধৰ্ম-বৰ্ণ আৰু জাতি নিৰ্বিশেষে সকলোকে সমানভাবে চাব আৰু যোগ্য ভাৰতীয় সকলে উচ্চ চাকৰীও পাব। যিসকল চিপাহী বিদ্ৰোহত সক্ৰিয়ভাৱে যোগদান কৰি নৰহত্যা আদি কামত লিপ্ত আছিল, সেই সকলৰ বাদে আন সকলোকেই ক্ষমা কৰা বুলি ঘোষণাত কোৱা হয়।" তেতিয়াৰ ভাৰতৰ শিক্ষিত সমাজৰ একাংশই মহাৰাণী ভিক্টোৰীয়াৰ এই ঘোষণাক ব্যক্তি-স্বাধীনতাৰ চনদ বুলিও অভিহিত কৰিছিল।

# জাতীয় চেতনাৰ নব জাগৰণ

ঊনৈশ শতিকাত পৃথিবীৰ সকলো দেশতে জাতীয়তাবাদৰ ভেটিত নতুন ৰাজনৈতিক চেতনাৰ সৃষ্টি হয় আৰু ফলত সকলো দেশতেই "জাতীয় ৰাষ্ট্ৰ" গঠন কৰাৰ কল্পনা চলে। সেই সময়তে তুৰ্কী সাম্ৰাজ্য, ৰুছ সাম্ৰাজ্য আৰু অষ্ট্ৰিয়ান সাম্ৰাজ্যৰ পতন হয়। পিছত নিজ নিজ জাতীয় ভাষা, সংস্কৃতি আৰু আৰ্থিক ব্যৱস্থাত একো একোখন বেলেগ বেলেগ স্বাধীন ৰাষ্ট্ৰৰ সৃষ্টি হয়। ভাৰতত ইতিমধ্যে ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ইংৰাজী ভাষাক ৰাষ্ট্ৰীয় বা চৰকাৰী ভাষা ৰূপে স্বীকৃতি দিয়ে। তেতিয়াৰ পৰা বঙ্গদেশ, মাদ্ৰাজ আৰু বোম্বাইৰ উঠি অহা যুৱকসকলে ইংৰাজী ভাষা শিকিবলৈ ধৰে। ইংৰাজী ভাষাৰ মাধ্যমত পশ্চিমীয়া ভাবধাৰা বিশেষকৈ ফৰাচী বিপ্লৱৰ সাহিত্য আদি ভাৰতত ব্যাপকভাৱে প্ৰচাৰ হবলৈ ধৰে। বৈপ্লৱিক চিন্তাই বিশেষকৈ যুৱকসকলৰ মনত এক নতুন চিন্তাৰ সূচনা কৰে। ভাৰতীয় সকলে বাৰ্ক, মেকলে, স্পেন্সাৰ, ৰুছো, ভল্টায়াৰ আদি বিখ্যাত লেখকসকলৰ লিখনিৰ পৰা স্বাধীনতা, জাতীয়তাবাদ, স্বশাসন আদিৰ অনুপ্ৰেৰণা পাইছিল। ইংৰাজী ভাষা উমৈহতীয়া ভাষা হোৱাৰ কাৰণে ই ভাৰতক এক জাতীয় ঐক্যত সংঘবদ্ধ কৰি তোলে। ভাৰতৰ জাতীয় চেতনা জাগৰণৰ মূলতে যে ইংৰাজী শিক্ষা তাৰ কোনো সন্দেহ নাই। ইংৰাজী ভাষা শিকাৰ পৰা ভাৰতীয়ই জাতীয়তাবোধ লাভ কৰে আৰু তাৰ পৰাই বিদেশী শাসনৰ পৰা মুক্তিলাভ কৰিবলৈ জাতীয় আন্দোলনৰ জন্ম হয়।

ভাৰতৰ জাতীয়তাবোধ জাগৰিত কৰিবলৈ আৰু ভাৰতক ঐক্যবদ্ধ জাতিৰূপে সংঘবদ্ধ কৰিবলৈ কি উপায়ে পৰা যায় সেই কথা প্ৰথমে ৰাজা ৰামমোহন ৰায়ে চিন্তা কৰে। তেওঁক পাশ্চাত্য ভাবধাৰাই প্ৰভাবিত কৰিলেও তেওঁৰ ভাবধাৰাৰ মূল উৎস আছিল ভাৰতীয় সংস্কৃতি। ভাৰতত অসংখ্য সম্প্ৰদায়, অসংখ্য ধৰ্ম-বিশ্বাস আৰু অসংখ্য ভাষাভাষী লোকৰ মিলনেৰে এই বৈচিত্ৰপূৰ্ণ দেশখনক একতাৰ ডোলত ঐক্যবদ্ধ কৰাৰ মানসেৰে একমাত্ৰ উপায় উদ্ভাৱন কৰে বেদান্ত বা উপনিষদৰ ব্ৰহ্ম উপাসনা। ৰামমোহন ৰায়ে অতি আক্ষেপেৰে কৈছিল যে হিন্দুসকলৰ জাতিভেদ আৰু বিভিন্ন জাতিৰ মাজত ভিন ভিন বিভাগেই হিন্দু-

সকলক স্বদেশানুৰাগৰ পৰা বঞ্চিত কৰিছে। ৰামমোহন ৰায়ৰ স্বদেশ প্ৰেম অতি প্ৰগাঢ় আছিল আৰু সেইবাবে তেওঁ হিন্দু ধৰ্মৰ সংস্কাৰ সাধন কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ দেশাত্মবোধ আৰু ধৰ্ম নিষ্ঠাৰ পৰাই ১৮২৬ চনত ব্ৰহ্ম সমাজৰ উদ্ভৱ হয়। এই সমাজেই ভাৰতৰ জাতীয়তাবোধৰ প্ৰথম আভাস। সেইদৰে আৰ্য্য সমাজৰ প্ৰতিষ্ঠাতা দয়ানন্দ সৰস্বতীৰ "ভাৰত ভাৰতবাসীৰ কাৰণে" এই ধ্বনিয়ে ভাৰতবাসীৰ মাজত স্বাধীনতাৰ স্পৃহা জগাই তুলিছিল। এনি বেচান্তৰ চেষ্টাত প্ৰতিষ্ঠিত হোৱা থিয়চফিকেল চচাইটিয়ে হিন্দু সভ্যতা আৰু সংস্কৃতিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি পশ্চিমীয়া শাসনৰ প্ৰতি বৈৰাগ্যৰ ভাব সৃষ্টি কৰিছিল। সেইদৰে ৰামকৃষ্ণ মিচন আৰু স্বামী বিবেকানন্দই হিন্দু ধৰ্ম আৰু সমাজ সংস্কাৰৰ কাৰণে এই সময়ছোৱাত যি আন্দোলন গঢ়ি তুলিছিল, সেই আন্দোলনে ভাৰতবাসীৰ মাজত স্বদেশপ্ৰেম জগাই তোলে।

১৭৫৭ চনৰ পলাচী যুদ্ধৰ পৰা মাত্ৰ পঞ্চাশ বছৰৰ ভিতৰতে ভাৰতৰ ৰাজন্যবৰ্গৰ সঞ্চিত সোণ আৰু ৰূপৰ মুদ্ৰাৰ এক শকত অংশ ইংলণ্ডলৈ যায়। ১৭৬৫ চনত নবাবৰ পৰা যেতিয়া ইংৰাজে দেৱানী অৰ্থাৎ খাজানা আদায় কৰাৰ অধিকাৰ লাভ কৰিছিল, সেই সময়ত মুঠ খাজানাৰ পৰিমাণ আছিল ২ কোটি ৫০ লাখ টকা। খৰচৰ বাদে লাভ হৈছিল ১ কোটি ২২ লাখ টকা। সাত-আঠ বছৰৰ পিছত লাভৰ পৰিমাণ চাৰি কোটিৰো অধিক হয়। এই লাভৰ টকা পাইছিল ইংলণ্ডই। বিলাতত লৰ্ড ক্লাইবৰ নিজা সম্পত্তিৰ মূল্য ধাৰ্য্য হৈছিল ২৫ লাখ টকা। ওৱাৰেন হেষ্টিংচৰ পেঞ্চন ধাৰ্য্য হৈছিল ৫০ হাজাৰ টকা। ওৱেলেচলিৰ পৰা লৰ্ড ডেলহাউছিলৈ প্ৰতিজন গৱৰ্ণৰ জেনেৰেল একেলগে ৬ লাখ টকাকৈ পাই অৱসৰ লৈছিল। আনকি এজন অতি সাধাৰণ ইংৰাজ কৰ্মচাৰীয়েও ১৫/২০ বছৰ ভাৰতত চাকৰী কৰি অনায়াসে অতি কমেও তিনি লাখ টকাৰ মালিক হৈ নিজ দেশলৈ উভটি গৈছিল। ভাৰতৰ পৰা ইংলণ্ডলৈ এনেকৈয়ে নানাভাবে নিয়া সম্পদ ইংলণ্ডৰ শিল্পোন্নয়নত ব্যৱহাৰ কৰা হৈছিল। কোম্পানীৰ আমোলত ইংৰাজ ব্যৱসায়ীসকলে ভাৰতৰ পৰা ভাৰতীয় শিল্পজাত সামগ্ৰী ইউৰোপলৈ আমদানি কৰি নিছিল। ইংলণ্ডৰ বস্ত্ৰশিল্পীসকলে ভাৰতৰ বস্ত্ৰশিল্পৰ প্ৰতিদ্বন্দ্বী হ'বলৈ সক্ষম হয়। ১৮৬৯ চনত চুৱেজখাল মুকলি হোৱাত আৰু অবাধ বাণিজ্য-নীতি গৃহীত হোৱাৰ ফলত নানা ধৰণৰ বৃটিছ পণ্য ভাৰতলৈ আমদানী হয়। চিপাহী বিদ্ৰোহৰ পিছত ভাৰতত ৰেললাইন নিৰ্মাণ হোৱাত বিদেশী কলকাৰখানাত

তৈয়াৰী বস্ত্ৰ-বাহানি অতি সহজে আৰু সস্তাত ভাৰতৰ গাওঁ অঞ্চললৈও চালান দিয়া হয়। এনেদৰে ভাৰতৰ কুটীৰ শিল্প এই বিদেশী আক্ৰমণত নিশ্চিহ্ন হ'বলৈ ধৰে। যি ভাৰত কোম্পানীৰ যুগৰ আমোললৈকে ৰপ্তানীকাৰী দেশ আছিল সেই ভাৰত আমদানিকাৰী দেশলৈ ৰূপান্তৰিত হয়। ভাৰতীয় সমাজ জীৱনত ইংলণ্ডৰ শিল্পপতি সকলৰ আক্ৰমণত সি বিপৰ্যস্ত হয়। তাঁত শিল্প, চৰ্ম শিল্প, কহাঁৰ, কুমাৰ আনকি লোণ শিল্পও প্ৰায় লুপ্ত হোৱাৰ উপক্ৰম হয়। অসংখ্য তাঁতী, চৰ্মকাৰ, কহাঁৰ, কুমাৰ আদিয়ে তেওঁলোকৰ শিল্পৰ অভিজ্ঞতা হেৰুৱাই দেশত গ্ৰাম্য অৰ্থ নৈতিক অৱস্থাৰ এক সঙ্কট সৃষ্টি কৰে আৰু ফলত অসংখ্য মানুহক দাৰিদ্ৰ্যই আগুৰি ধৰে।

লৰ্ড লিটনৰ আমোলত আফগান যুদ্ধ সংঘটিত হয় আৰু এই যুদ্ধৰ সকলো খৰচ ভাৰত চৰকাৰৰ ভঁৰালৰ পৰা বহন কৰা হয়। ভাৰতীয় সংবাদপত্ৰসমূহে ভাৰতৰ বাহিৰত কৰা যুদ্ধাদিৰ খৰচ ভাৰতৰ ওপৰত চলাই দিয়াটো অন্যায় বুলি তীব্ৰ প্ৰতিবাদ কৰে। ১৮৩৫ চনত ভাৰতীয় ভাষাৰ সংবাদপত্ৰসমূহে চৰকাৰক সমালোচনা কৰা কাৰ্য্য সহ্য কৰিব নোৱাৰি ১৮৭৮ চনৰ ২৪ মাৰ্চৰ দিনা "দেশীয় ভাষাৰ সংবাদপত্ৰ আইন" পাছ কৰাই লয়। এই আইনৰ নিয়ম অনুযায়ী দেশীয় ভাষাৰ সংবাদপত্ৰসমূহে চৰকাৰক টকা জামিন দিবলগীয়া হয় আৰু চৰকাৰ বিৰোধী কিবা মন্তব্য কৰিলে জিলা মেজিষ্ট্ৰেটসকলৰ সেই জামিনৰ টকা বাজেয়াপ্ত কৰিব পৰা অধিকাৰ দিয়া হয়। দেশীয় সংবাদপত্ৰসমূহে বিশেষকৈ সমালোচনা কৰিছিল চৰকাৰে শ্বেতাঙ্গ আৰু কৃষ্ণাঙ্গসকলৰ মাজত কৰা বৈষম্যমূলক ব্যৱহাৰৰ বিৰুদ্ধে আৰু ইংৰাজ কৰ্মচাৰীসকলৰ অসৎ আৰু ঔদ্ধত্য আচৰণৰ বিৰুদ্ধে। এই আইন ইংৰাজী সংবাদপত্ৰৰ ওপৰত প্ৰযোজ্য নাছিল; সেইবাবে এই আইন পাছ হোৱাৰ পিছ দিনাই কলিকতাৰ পৰা প্ৰকাশিত বঙালী "অমৃতবজাৰ পত্ৰিকা" ইংৰাজী ভাষাত প্ৰকাশ হয়। তেওঁৰ দিনত গ্ৰহণ কৰা আন এখন আইনৰ জৰিয়তে ভাৰতীয় লোকক বিনা অনুমতিত অস্ত্ৰ ৰখাত বাধা আৰোপ কৰা হৈছিল; আনহাতে ইংৰাজ সকলৰ কাৰণে অস্ত্ৰ সংৰক্ষণত কোনো বাধা নাছিল। ১৮৭৭ চনত লৰ্ড লিটনে মোগল বাদছাহৰ অনুকৰণত ভাৰতৰ প্ৰাচীন ৰাজধানী দিল্লীত এক দৰবাৰ আহ্বান কৰিছিল। সেই দৰবাৰতেই ইংলণ্ডৰ ৰাণী ভিক্টোৰীয়াক ভাৰতৰ সম্ৰাজ্ঞী বুলি ঘোষণা কৰা হয়। কিন্তু দুৰ্ভাগ্যৰ কথা যে সেই সময়ত ভাৰতৰ বিভিন্ন ঠাইত ভীষণ দুৰ্ভিক্ষই দেখা দিয়ে, ফলত প্ৰায়

২৫ লাখ লোকৰ অনাহাৰত মৃত্যু হয়। যি সময়ত ভাৰতীয় লোকৰ মাজত খাদ্যৰ অভাৱ হৈছিল সেই সময়ত খাদ্য যোগানৰ পৰিবৰ্তে হাজাৰ হাজাৰ টকা খৰচ কৰি দিল্লীত দৰবাৰ পতা হৈছিল। ইংৰাজৰ এনে জনকল্যাণ বিৰোধী কামত ভাৰতীয়সকল অসন্তুষ্ট হৈছিল।

মহাৰাণীৰ ১৮৫৮ চনৰ ১ নবেম্বৰৰ ঘোষণাত যোগ্য ভাৰতীয় সকলক উচ্চ চাকৰি দিয়া হ'ব বুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল। কিন্তু সেই আশা পৰিপূৰণৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ কৰ্তৃত্বাধীনতাৰ পৰা ১৮৫৮ চনত ভাৰত বৃটিছ পাৰ্লামেণ্টৰ অধীনলৈ যোৱাত প্ৰকৃততে শাসক-শাসিতৰ সম্বন্ধ স্থাপন হয়। ১৮৬১ চনত "ভাৰত কাউঞ্চিল আইন" পাছ হোৱাত "বৰলাটৰ আইন পৰিষদ" গঠিত হয় আৰু সেই বছৰতে কলিকতা, বোম্বাই আৰু মাদ্ৰাজ হাইকোৰ্ট বা উচ্চ ন্যায়ালয় প্ৰতিষ্ঠিত হয়। তাৰ চাৰি বছৰ আগেয়েই লণ্ডন বিশ্ববিদ্যালয়ৰ আৰ্হিত এই তিনিখন মহানগৰীত তিনিখন বিশ্ববিদ্যালয়ো প্ৰতিষ্ঠিত হয়। ভাৰত বৃটিছ পাৰ্লামেণ্টৰ অধীনলৈ যোৱাৰ পিছৰ পৰা প্ৰশাসনীয় কাম পৰিচালনা কৰিবলৈ অসংখ্য ইংৰাজ যুৱক ভাৰতলৈ আহে। ভাৰতীয় লোকক এই ব্যৱস্থাত জড়িত কৰাৰ কোনো ব্যৱস্থা গ্ৰহণ কৰা হোৱা নাছিল। বৰং উমেশচন্দ্ৰ বেনাৰ্জী আদিৰ নিচিনা লোকক চাকৰিৰ পৰা বঞ্চিত কৰাৰ চেষ্টাহে কৰা হৈছিল। এই কাৰণেই ভাৰতীয় সকলৰ মাজত স্বাভাবিকতেই জাতীয় সচেতনাৰ ভাবৰ সৃষ্টি হৈছিল।

প্ৰায় ৬০ বছৰ ইংৰাজী শিক্ষাৰ ফলত ভাৰতৰ শিক্ষিত যুৱকসকলৰ মনত ভাৰতৰ স্বাধীনতা সম্পৰ্কে এটা সুস্পষ্ট ধাৰণা জন্মিলেও ভাৰতৰ আভ্যন্তৰীণ শাসন ব্যৱস্থাত ভাৰতীয় সকলৰ অধিকতৰ অধিকাৰ লাভ কৰা যে একান্ত প্ৰয়োজন সেই আত্মচেতনা লাহে লাহে জাগ্ৰত হৈ উঠিছিল। ইংৰাজী শিক্ষা আৰু অৰ্থনৈতিক বিপৰ্য্যয়ৰ পটভূমিত ইংৰাজী শিক্ষাপ্ৰাপ্ত মধ্যবিত্ত নামে এটা নতুন শ্ৰেণীৰ উদ্ভৱ হয়। এই মধ্যবিত্ত শ্ৰেণীটোৱে নিজৰ মনোভাব প্ৰকাশৰ কাৰণে কলিকতাত ১৮৭৬ চনৰ "ইণ্ডিয়ান এছোছিয়েছন" প্ৰতিষ্ঠা কৰে। এই প্ৰতিষ্ঠানে পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় চিভিল চাৰ্ভিছ সম্পৰ্কে ইংৰাজ চৰকাৰৰ কাৰ্য্যৰ প্ৰতিবাদ জনায়। এই "ইণ্ডিয়ান এছোছিয়েছন"ৰ উদ্যোক্তাসকলৰ বেছি ভাগেই আছিল সাধাৰণ ব্ৰাহ্ম সমাজভুক্ত। ভাৰতবৰ্ষৰ নিৰ্য্যাতিত, লাঞ্চিত আৰু শোষিত জনসাধাৰণৰ পুনৰুত্থানৰ বাবে ব্ৰাহ্ম সমাজে সমগ্ৰ দেশত এক প্ৰবল

আন্দোলনৰ সৃষ্টি কৰিছিল। ১৮৭৮ চনৰ মে'ৰ শেষ ভাগত কলিকতাত সাধাৰণ ব্ৰাহ্ম সমাজৰ জন্ম হয়। ব্ৰাহ্ম সমাজৰ জন্মতে ইংৰাজ চাহ খেতিয়ক সকলে অসমৰ চাহ বাগিছালৈ চুক্তিবদ্ধ শ্ৰমিকসকলক অনাৰ কথা জনসমাজত প্ৰকাশ হয়। তেওঁলোকৰ যত্নতেই সতীদাহ, গঙ্গাত সন্তান প্ৰদান আদি কুসংস্কাৰৰ বিলোপ আৰু পতীতা নাৰীৰ উদ্ধাৰ, অস্পৃশ্যতাৰ বিৰুদ্ধে অভিযান আদি নানা সামাজিক জনহিতকৰ কাৰ্য্য অনুষ্ঠিত হয়। ভাৰতৰ আধুনিকতাৰ গুৰিত ব্ৰাহ্ম সমাজৰ অবদান যথেষ্ট।

ইংলণ্ডত ১৮৮০ চনত সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দলৰ পৰাজয় হোৱাত উদাৰপন্থী দল ক্ষমতালৈ আহে আৰু মিঃ গ্লেডস্টোন প্ৰধানমন্ত্ৰী হয়। লৰ্ড ৰিপন ভাৰতৰ বৰলাট নিযুক্ত হয়। লৰ্ড ৰিপন উদাৰনৈতিক মতবাদৰ লোক আছিল। তেওঁ ভাৰতীয় সংবাদপত্ৰৰ স্বাধীনতা পুনৰ ঘূৰাই দিয়ে'' অৰ্থাৎ আগৰ আইনখন (Vernacular Press Acts) প্ৰত্যাহাৰ কৰে। তেওঁৰ আটাইতকৈ ভাল কাম হৈছে স্থানীয় স্বায়ত্ব শাসন (Local Self government) অৰ্থাৎ জিলা বোৰ্ড, লোকেল বোৰ্ড, মিউনিচিপেলিটি প্ৰভৃতিক স্বায়ত্ব শাসন দিয়াৰ ব্যৱস্থা।

বৃটিছ শাসনৰ প্ৰথম ভাগত ইউৰোপীয় আৰু ভাৰতীয় অপৰাধীৰ বিচাৰ বিষয়ত পাৰ্থক্য ৰাখি বিচাৰ কৰা হৈছিল। কোনো দেশীয় মেজিষ্ট্ৰেটে আনকি ভাৰতীয় আই· চি· এছ· বিষয়াৰো শ্বেতাঙ্গ অপৰাধীক বিচাৰ কৰাৰ অধিকাৰ নাছিল। বিচাৰালয়ত এই বৰ্ণ বৈষম্য গণতান্ত্ৰিক নীতিৰ পৰিপন্থী। এই সম্পৰ্কে তেতিয়াৰ কেন্দ্ৰীয় চৰকাৰৰ আইন মন্ত্ৰী মিষ্টাৰ ইলবাৰ্টে ভাৰতীয় ব্যৱস্থাপক সভাত এখন বিল উত্থাপন কৰে। এই বিলৰ সাৰমৰ্ম হৈছে—বিচাৰালয়ত কৃষ্ণাঙ্গ আৰু শ্বেতাঙ্গৰ মাজত কোনো প্ৰভেদ থাকিব নোৱাৰে আৰু ভাৰতীয় বিচাৰকসকলেও শ্বেতাঙ্গ অপৰাধীৰ বিচাৰ কৰিব পাৰে আৰু দণ্ডও দিব পাৰে। সমগ্ৰ ভাৰতত থকা ইউৰোপীয় সমাজ আনকি ফিৰিঙ্গিসকলেও এই বিলৰ প্ৰতিবাদ জনায়। এই বিলৰ বিৰুদ্ধে শ্বেতাঙ্গসকলে এটা স্বেচ্ছাসেবক বাহিনীও গঠন কৰে। শ্বেতাঙ্গসকলৰ এই কামে ভাৰতীয় সকলৰ চকু আৰু অধিক উন্মুক্ত কৰি দিয়ে। এই লৈ ইংৰাজ আৰু ভাৰতীয়ৰ মাজত বিশেষ মনোমালিন্যৰ সৃষ্টি হয়। অৱশেষত বিলখন যিভাবে পাছ হ'ল, সি বিলৰ উদ্দেশ্য পূৰণ নকৰিলে। কিন্তু ইয়াক লৈ ভাৰতীয় আৰু ইংৰাজৰ মাজত সৃষ্টি হোৱা মনোমালিন্যই ভাৰতীয়ৰ জাতীয় চেতনাৰ সূচনা কৰে বুলি কব পাৰি।

মুঠৰ ওপৰত ভাৰতবৰ্ষত জাতিয়তাবোধ বৃদ্ধি আৰু স্বাধীনতাৰ স্পৃহা একে দিনাই ঘটি উঠা ঘটনা নহয়। ইংৰাজ চৰকাৰৰ ৰাজনৈতিক, অৰ্থনৈতিক, ধৰ্ম-সামাজিক নীতি আৰু সংস্কাৰৰ ফলত উদ্ভৱ হোৱা বিভিন্ন ঘটনাৱলীক কেন্দ্ৰ কৰি ভাৰতবাসীৰ মাজত জাতীয় চেতনা আৰু স্বাধীনতাৰ ভাব সৃষ্টি হবলৈ ধৰিলে।

# জাতীয় আন্দোলন ১৮৮৫-১৯০৫

**জাতীয় কংগ্ৰেছৰ জন্ম, (১৮৮৫) :** ইংৰাজৰ শাসন কালত বিশেষকৈ চিপাহী বিদ্ৰোহৰ কিছু পিছৰ পৰাই ভাৰতত সংঘবদ্ধ ভাবে ৰাজনৈতিক আৰু সমাজনৈতিক সংস্কাৰ কাৰ্য্য চলোৱাৰ বাবে প্ৰচেষ্টা চলিছিল। ১৮৭৬ চনত "ইণ্ডিয়ান এছোছিয়েছন" কলিকতাত স্থাপিত হয়। এই সভাই সৰ্বপ্ৰথমে ভাৰতত ৰাজনৈতিক আন্দোলনৰ সূত্ৰপাত কৰায়। ১৮৮৩ চনত "ইণ্ডিয়ান এছো-ছিয়েছন"ৰ মাধ্যমেৰে ইংৰাজী শিক্ষিত ডেকা সকলে এখন সন্মিলন আহ্বান কৰে। এই সন্মিলন ১৮৮৩ চনৰ ২৮ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰলৈ চলে। ছাৰ সুৰেন্দ্ৰনাথ বেনাৰ্জী আছিল ইয়াৰ প্ৰধান উদ্যোক্তা। এই জাতীয় সন্মিলন খনকেই ভাৰতীয় জাতীয় মহাসভা কংগ্ৰেছৰ অগ্ৰদূত হিচাপে অভিহিত কৰিব পৰা যায়। সেই সময়ত ভাৰতৰ বিভিন্ন ঠাইত অৰ্থনৈতিক আৰু ৰাজনৈতিক ঘটনাৰ ঘাট-প্ৰতিঘাটত বিশেষ পৰিবেশ সৃষ্টি হৈছিল আৰু নিখিল ভাৰতীয় এখন স্থায়ী প্ৰতিষ্ঠান গঢ়ি তোলাৰ বিশেষ চেষ্টা চলিছিল। ঠিক সেই সময়তে ১৮৮৩ চনত বৃটিছ চিভিল চাৰ্ভিচৰ অৱসৰপ্ৰাপ্ত বিষয়া মিঃ অক্টোভিয়াম হিউমে নিয়মতান্ত্ৰিক পদ্ধতিৰে দেশৰ কল্যাণজনক কাম কৰাৰ বাবে আলোচনা কৰিবলৈ ভাৰতীয় সকলৰ এখন স্থায়ী বেচৰকাৰী প্ৰতিষ্ঠান স্থাপনৰ কল্পনা কৰি সেই উদ্দেশ্যেই ১৮৮৩ চনত "নেশ্যনেল লীগ" নামে এটি প্ৰতিষ্ঠান গঠন কৰে। এই লীগৰ উদ্দেশ্য আছিল—

(১) ভাৰতৰ সম্প্ৰদায় আৰু ভাষাভাষী লোকক একত্ৰিত কৰি এক অখণ্ড জাতিত সন্মিলিত কৰা।

(২) দেশৰ সামাজিক, অৰ্থনৈতিক আৰু ধৰ্মীয় বিষয়ৰ উন্নতি সাধন কৰা।

(৩) ভাৰতীয় সকলৰ ক্ষতিকৰ আইনৰ সংশোধন কৰা আৰু বৃটিছ সকলৰ লগত বন্ধুত্ব স্থাপন কৰা।

মিঃ হিউমে বিশ্বাস কৰিছিল যে, ভাৰতীয় শাসন ব্যৱস্থাত ভাৰতবাসীক দায়িত্ব নিদিলে দেশৰ ভিতৰত অসন্তোষৰ বীজ বৃদ্ধি হ'ব। চিপাহী বিদ্ৰোহৰ সময়ত ভাৰতৰ শিক্ষিত সমাজ সেই বিদ্ৰোহৰ পৰা আঁতৰত আছিল ; কিন্তু

শিহত শিক্ষিতৰ সংখ্যা বৃদ্ধি আৰু চুৱেজ খালৰ পথ উন্মুক্ত হোৱাৰ ফলত অনেক ভাৰতীয়ই ইউৰোপ সম্পৰ্কে প্ৰত্যক্ষ জ্ঞান লাভ কৰিবলৈ সক্ষম হোৱাত দেশৰ ভিতৰত এক নতুন আত্মচেতনাৰ ভাবে দেখা দিয়ে। মিঃ হিউমে এনে পৰিস্থিতিৰ উপলব্ধি কৰি ভাৰতীয় শিক্ষিত সমাজ আৰু ইংৰাজ শাসকসকলৰ মাজত বুজাবুজিৰ বাবে এখন স্থায়ী প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তা অনুভৱ কৰে আৰু তেতিয়াৰ বৰলাট লৰ্ড ডাফৰিনৰ লগত তেওঁ এই সম্পৰ্কে আলোচনা কৰিছিল।

১৮৮৫ চনত বৰদিনৰ সময়ত পুনা নগৰীত ভাৰতীয় জাতীয় মহাসভাৰ অধিবেশন হোৱাৰ কথা আছিল। কিন্তু পুনাত কলেৰা হোৱা কাৰণে বোম্বাই "প্ৰেচিডেন্সী এছোছিয়েচন"ৰ অভ্যৰ্থনাত ২৭ ডিচেম্বৰৰ দিনা বোম্বাই নগৰীত ভাৰতৰ জাতীয় মহাসভা কংগ্ৰেছৰ প্ৰথম অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত বোম্বাইৰ শ্ৰীওৱাচাৰ আৰু শ্ৰীটেলাংৰ নাম বিশেষভাবে উল্লেখযোগ্য। অধিবেশনত সভাপতিত্ব কৰে কলিকতাৰ বাৰিষ্টাৰ শ্ৰীউমেশচন্দ্ৰ বেনাৰ্জীয়ে। এই অধিবেশনত ভাৰতৰ বিভিন্ন প্ৰদেশৰ পৰা ৭২ জন প্ৰতিনিধিয়ে যোগদান কৰিছিল। এইখনেই আছিল ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰথম অধিবেশন। সেই অধিবেশনত ভাৰতৰ আৰ্থিক আৰু ৰাজনৈতিক সমস্যা বিষয়ক প্ৰস্তাৱো আলোচনা হৈছিল। এই সম্মিলনৰ নাম দিয়া হয় "ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভা" আৰু উদ্দেশ্য বৰ্ণনাত কোৱা হয়—

(১) ভাৰত সাম্ৰাজ্যৰ ভিন ভিন অংশত দেশৰ হকে কাম কৰা লোক সকলৰ মাজত ঘনিষ্ঠ সম্পৰ্ক স্থাপন ;

(২) জাতি, ধৰ্ম আৰু প্ৰাদেশিকতাৰ সংকীৰ্ণতা দূৰীকৰণ আৰু জাতীয় ঐক্যৰ পুষ্টি সাধন ;

(৩) ভাৰতৰ উন্নতিৰ পথৰ বাধাসমূহ ন্যায় আৰু বিধিসঙ্গত আন্দোলনেৰে দূৰ কৰি ভাৰত আৰু ইংলণ্ডৰ মাজত মিত্ৰতা স্থাপন।

ভাৰতীয় জাতীয় কংগ্ৰেছ প্ৰতিষ্ঠাৰ পৰা ১৯০৫ চনলৈকে যি সকল নেতৃস্থানীয় ব্যক্তিয়ে গুৰি ধৰিছিল তেওঁলোকৰ বেছি ভাগেই আছিল পশ্চিমীয়া শিক্ষাত শিক্ষিত উদাৰপন্থী লোক। কংগ্ৰেছৰ দ্বিতীয় অধিবেশনৰ (১৮৮৬) সভাপতি শ্ৰীদাদাভাই নৌৰজীয়ে কংগ্ৰেছক সম্পূৰ্ণ ৰাজনৈতিক প্ৰতিষ্ঠান বুলি ঘোষণা কৰে।

ভাৰতীয় ৰাইজৰ প্ৰাণৰ কথাই এই অধিবেশনত কংগ্ৰেছৰ নেতাসকলৰ মুখত ভাষা পাইছিল। এই অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱসমূহ আছিল—

(১) জনসাধাৰণৰ প্ৰতিনিধিক লৈ দেশ পৰিচালনাৰ দাবী ;

(২) চিভিল ছাৰ্ভিচত ভাৰতীয় সকলৰ অন্তৰ্ভুক্তিৰ দাবী ;

(৩) সৈন্য বাহিনীৰ বাবে ভাৰতীয় ৰাজকোষৰ পৰা যি বিপুল ধন ব্যয় হয়, তাক হ্ৰাস কৰাৰ দাবী।

কংগ্ৰেছৰ প্ৰস্তাৱত শিক্ষিত জনসাধাৰণে তেওঁলোকৰ মনৰ অভিপ্ৰায়ৰ সন্ধান পায় আৰু কংগ্ৰেছৰ প্ৰতি শ্ৰদ্ধা আৰু আগ্ৰহ বেছি হয়। কিন্তু আনফালে তেতিয়াৰ ভাৰতৰ বৰলাট লৰ্ড ডাফ্‌ৰিনে আৰু যুক্তপ্ৰদেশৰ গবৰ্ণৰ ছাৰ অকলেণ্ড কলভিন্ প্ৰভৃতি ৰাজ প্ৰতিনিধিসকলে ধীৰে ধীৰে কংগ্ৰেছৰ প্ৰতি বিৰূপ মনোভাব পোষণ কৰিবলৈ ধৰে। এফালে জনসাধাৰণৰ পৰা সমৰ্থন লাভ কৰি আৰু আনফালে চৰকাৰী বিৰোধীতাৰ সন্মুখীন হৈ কংগ্ৰেছে নিজৰ স্পষ্ট লক্ষ্যৰ প্ৰতি আগুৱাই যাব ধৰে যদিও কংগ্ৰেছে কোনো সক্ৰিয় কৰ্মপন্থা দেশৰ সন্মুখত উত্থাপন কৰিব পৰা নাছিল। প্ৰথম দুয়োখন কংগ্ৰেছ অধিবেশনত বক্তা সকলে যি বক্তৃতা দিছিল আৰু যিবোৰ প্ৰস্তাৱ গৃহীত হৈছিল সেয়ে বৃটিছ চৰকাৰকে সন্তুষ্ট কৰিব নোৱাৰিছিল। সেই কাৰণে ১৮৮৮ চনত এলাহবাদত অনুষ্ঠিত হোৱা কংগ্ৰেছ অধিবেশনলৈ চৰকাৰে কোনো সহায় আৰু সহানুভূতি আগ নবঢ়ালে। তাৰোপৰি এই সময়ৰ পৰাই হিন্দু-মুছলমানৰ মাজত পাৰ্থক্যৰ সূত্ৰপাত হয়। ছাৰ ছৈয়দ আহমদে আৰম্ভনিৰে পৰা কংগ্ৰেছৰ বিৰোধীতা কৰিছিল। ১৮৮৮ চনত যেতিয়া কংগ্ৰেছে ভাৰতৰ সকলো জাতিৰ মিলন কেন্দ্ৰ স্থাপনৰ পৰিকল্পনা কৰিছিল, তেতিয়াই ছৈয়দ আহমদে মুছলমান সকলক কংগ্ৰেছৰ পৰা আঁতৰত থাকিবলৈ বক্তৃতা দিছিল। বৰলাট লৰ্ড ডাফৰিনে কৈছিল যে ভাৰতৰ হিন্দু আৰু মুছলমান দুটা স্বতন্ত্ৰ জাতি।

১৮৮৯ চনৰ বোম্বাইৰ কংগ্ৰেছ অধিবেশনত লোকমান্য বালগঙ্গাধৰ তিলক আৰু গোপাল কৃষ্ণ গোখেলেই কংগ্ৰেছত যোগদান কৰি ভাৰতত প্ৰতিনিধিমূলক পাৰ্লামেণ্টৰী শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিছিল। এই অধিবেশনৰ সভাপতি ছাৰ উইলিয়াম ওৱেদাৰ বাৰ্ণে তেওঁৰ অভিভাষণত কৈছিল —"১৮৮৫ চনৰ পৰাই ভাৰতৰ দুখ আৰু দুৰ্ভাগ্যৰ দিন আৰম্ভ হৈছে। ভাৰত

ৰাষ্ট্ৰৰ কৰ্ণধাৰ ভাৰতসচিবে ভাৰতৰ জনসাধাৰণৰ সুখ-দুখ, ভাল-বেয়া আদি সম্বন্ধে উদাসীন।”

বোম্বাইৰ স্বনামধন্য ব্যাৰিষ্টাৰ ফিৰোজশ্বাহ মেহতাৰ সভাপতিত্বত বহা ১৮৯০ চনৰ অধিবেশনে মুকলিভাবে মদ উৎপাদন ব্যৱস্থা বন্ধ কৰাৰ প্ৰস্তাব গ্ৰহণ কৰে। তাৰ পিছৰ বছৰৰ ১৮৯১ চনৰ অধিবেশনে মাদ্ৰাজৰ আনন্দ চালুৰ্ৰ সভাপতিত্বত সৈন্য বিভাগৰ ব্যয় হ্ৰাস কৰাৰ বাবে প্ৰস্তাব গ্ৰহণ কৰে। কিয়নো যি সময়ত সৈন্য বিভাগৰ বাবে জাৰ্মানীত বছৰি জনপ্ৰতি খৰছ হয় ১৪৫ টকা, ফ্ৰান্স ১৮৫ টকা, ইংলণ্ডত ২৮৫ টকা, সেই সময়ত ভাৰতবৰ্ষৰ দৰে দৰিদ্ৰ দেশখনে সৈন্য বিভাগৰ বাবে খৰচ কৰে জনপ্ৰতি ৭৭৫ টকা। তাৰ পিছৰ বছৰৰ অধিবেশন ১৮৯২ চনত উমেশচন্দ্ৰ বেনাৰ্জীৰ সভাপতিত্বত সম্পন্ন হয়। তেতিয়া দাদাভাই নৌৰাজীয়ে বিলাতত পাৰ্লামেণ্টৰ সদস্য নিৰ্ব্বাচিত হৈছিল। ভাৰতীয়ই বিলাতৰ পাৰ্লামেণ্টত স্থান লাভ কৰা এয়ে প্ৰথম আছিল। কংগ্ৰেছে এই কথাত আনন্দ প্ৰকাশ কৰিছিল। ইয়াৰ পিছৰ বছৰৰ অধিবেশনত সভাপতি দাদাভাই নৌৰাজীয়ে অভিভাষণত কৈছিল—“ভাৰতৰ শোচনীয় দুখ-দাৰিদ্ৰ্যৰ বাবে ইংৰাজৰ শাসন ব্যৱস্থাই খাইকৈ দায়ী।” তেওঁ ভাৰতত ইংৰাজৰ লগত ভাৰতবাসীৰ শাসন অধিকাৰ দাবী কৰে। ১৮৯৪ চনত মাদ্ৰাজৰ অধিবেশনত সভাপতিত্ব কৰে ইংলণ্ডৰ পাৰ্লামেণ্টৰ আইৰিচ সদস্য এলফ্ৰেদ ওৱেব।

ইতিমধ্যে ইংৰাজী শিক্ষাৰ প্ৰভাৱৰ ফলত শিক্ষিতৰ সংখ্যা বৃদ্ধি হয় আৰু ক্ৰমাৎ তেওঁলোকে আত্মমৰ্যাদা সম্পৰ্কে অধিক সচেতন হয়। দেশৰ দাৰিদ্ৰতা আৰু ভাৰতবাসীৰ সহায়হীনতাৰ ছবি তেওঁলোকৰ মনত স্পষ্ট হৈ উঠে। ইংৰাজৰ দুৰ্ব্যৱহাৰ ক্ৰমে অসহনীয় হৈ আহে। ১৮৯৫ চনৰ পৰা ভাৰতৰ ৰাজনৈতিক আন্দোলনত নতুন চেতনাৰ সৃষ্টি হয়। ভাৰতৰ নগৰ উপনগৰ আনকি মফঃস্বল এলেকাতো ৰাজনীতিৰ আলোচনা আৰু আন্দোলনে প্ৰসাৰ লাভ কৰে।

১৮৯৫ চনত পুনাত অনুষ্ঠিত হোৱা ভাৰতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশনৰ সভাপতি আছিল সুৰেন্দ্ৰনাথ বেনাৰ্জী। অভ্যাৰ্থনা সমিতিৰ সভাপতি ৰাও বাহাদুৰ ভিদে কৈছিল—“আমি সকলোৱেই প্ৰথমে ভাৰতবাসী, তাৰ পিছতহে হিন্দু, মুছলমান, পাৰ্চী, খৃষ্টান, পাঞ্জাবী, মাৰাঠী, বঙালী, মাদ্ৰাজী।” কিন্তু এনে উক্তিতো মুছলমানসকলে আশ্বাসিত হ'ব নোৱাৰিলে।

১৮৯৬ চনৰ কংগ্ৰেছ অধিবেশনৰ সভাপতি বোম্বাইৰ ৰহিমতউল্লা মহম্মদ চিয়ানিয়ে তেওঁৰ ভাষণত কৈছিল,—"কংগ্ৰেছ মুছলমান সকলোৰো প্ৰতিষ্ঠান।" ছাৰ ছৈয়দ আহমদে প্ৰবৰ্ত্তন কৰা ভেদনীতিৰ খণ্ডন কৰিবলৈ আপ্ৰাণ চেষ্টা চলোৱা স্বত্বেও অধিক সংখ্যক মুছলমানৰ মনৰ পৰা ভেদনীতিৰ মনোভাব আঁতৰোৱা সম্ভৱপৰ নহ'ল। উদাৰ নৈতিক নেতা ভিদে নৌৰাজী আৰু চিয়ানিৰ সাৰগৰ্ভ আৰু সৰ্বধৰ্ম সমন্বয় উদাৰ নৈতিক নেতৃত্বই দেশত অসাম্প্ৰদায়িক ৰাজনৈতিক বাতাবৰণৰ সৃষ্টি কৰিবলৈ সক্ষম নোহোৱাৰ গুৰিতে হৈছে বৃটিছ সাম্ৰাজ্যবাদৰ ভেদ-নীতি। কাৰণ চিপাহী বিদ্ৰোহৰ সময়ত নানাচাহেবৰ দৰে উগ্ৰ হিন্দুপন্থী নেতাই ইংৰাজক খেদি সম্ৰাট বাহাদুৰ শ্বাহক ভাৰতৰ সম্ৰাট হিচাপে পুনৰ প্ৰতিষ্ঠিত কৰিবলৈ কৰা চেষ্টা হিন্দু-মুছলমানৰ মিলনৰ এক জলন্ত নিদৰ্শন।

সেই সময়ত বোম্বাইৰ প্লেগ মহামাৰী ব্যাধিৰ প্ৰকোপত অসংখ্য লোকৰ মৃত্যু হয়। ১৮৯৭ চনৰ ১৮ জুনত তিলকৰ "কেশৰী" নামৰ সাপ্তাহিক কাকতত শিবাজী উৎসৱৰ বিস্তৃত বিৱৰণ প্ৰকাশিত হয়। প্লেগ বেমাৰ দমন কৰাৰ বাবে প্লেগ বিষয়া আৰু বৃটিছ সৈন্য কিছুমানকো নিয়োগ কৰা হৈছিল। কিন্তু এই সকলে প্লেগ দমনৰ নামত ৰাইজৰ ওপৰত অত্যাচাৰহে চলাইছিল। সেই অত্যাচাৰত ৰাইজ অতীষ্ঠ হৈ উঠে। সেই চনৰ জুনৰ ২২ তাৰিখে পুনাত দুজন ইংৰাজ প্লেগ বিষয়াক ৰাস্তাৰ ওপৰতে গুলিয়াই হত্যা কৰা হয়। এই হত্যাকাণ্ডত পৰোক্ষভাবে তিলকক দায়ী বুলি অনুমান কৰি গ্ৰেপ্তাৰ কৰে আৰু ১৮ মাহ কাৰাদণ্ড দিয়ে। বিলাতৰ প্ৰিভি কাউন্সিলত আপীল কৰা স্বত্বেও এই হুকুম ৰদ নহ'ল। তিলকৰ গ্ৰেপ্তাৰ আৰু কাৰাদণ্ডত অকল বোম্বাই প্ৰদেশতে অসন্তোষ সীমাবদ্ধ নাথাকি ভাৰতৰ অন্যান্য ঠাইলৈও এই অসন্তোষ বিস্তৃত হয়।

দেশৰ স্বাৰ্থৰ কাৰণে ভাৰতত পোন প্ৰথমে তিলকেই কাৰাবৰণ কৰে। তিলকৰ বিচাৰৰ সময়ত ৯ জন জুৰিৰ ভিতৰত ছয়জন ইংৰাজ আছিল আৰু তিনিজন ভাৰতীয় আছিল। তিনিজন ভাৰতীয় জুৰীয়ে তিলকক নিৰ্দোষী বুলি ৰায় দিছিল, ছয়জন ইংৰাজে দোষী বুলি ৰায় দিয়াত তিলকৰ কাৰাদণ্ড হয়। এই ঘটনাকে ভাৰতীয় জাতীয়তাবোধৰে প্ৰথম স্পন্দন বুলি অভিহিত কৰিব পৰা যায়।

১৮৯৭ চনত অমৰাৱতীত চাৰ শঙ্কৰ নায়াৰৰ সভাপতিত্বত কংগ্ৰেছৰ ত্ৰয়োদশ অধিবেশন বহে। এই অধিবেশন অতি গুৰুত্বপূৰ্ণ আছিল। কাৰণ এই

অধিবেশনতেই কংগ্ৰেছৰ সংগ্ৰামশীলতাৰ মনোভাৱ পৰিলক্ষিত হয়। এই অধিবেশনত ইংৰাজ শাসকসকলৰ দমননীতি প্ৰয়োগত নিৰ্য্যাতীত লোকসকলৰ প্ৰতি সহানুভূতি জনোৱা হয় আৰু শ্ৰদ্ধা জ্ঞাপন কৰা হয়। ১৮৯৮ চনৰ অধিবেশনতো চৰকাৰৰ দমননীতি, শিক্ষানীতি আৰু স্বায়ত্বশাসিত প্ৰতিষ্ঠান-সমূহৰ ওপৰত অন্যায় হস্তক্ষেপ কৰা ইত্যাদি কাৰ্য্যৰ প্ৰতিবাদ কৰা হয়।

১৮৯৮ চনত লৰ্ড কাৰ্জন ভাৰতত গভৰ্ণৰ জেনেৰেল নিযুক্ত হয়। তেওঁৰ অভিমত আছিল, "ভাৰতত ইংৰাজৰ আধিপত্য স্থাপন কৰাৰ উদ্দেশ্য দুটা— (১) ভাৰতত বৃটিছ শাসন সুদৃঢ় কৰা আৰু (২) ভাৰতত বৃটিছৰ বাণিজ্যৰ ক্ষেত্ৰ সম্প্ৰসাৰিত কৰা।" ইয়াৰ পিছৰ বছৰত অৰ্থাৎ ১৮৯৯ চনত লক্ষ্ণৌত বহা কংগ্ৰেছৰ অধিবেশনত সভাপতি আছিল শ্ৰীৰমেশচন্দ্ৰ দত্ত। সভাপতিৰ ভাষণত তেওঁ কৈছিল, "এই দেশৰ শোচনীয় দাৰিদ্ৰ্যৰ কাৰণ হৈছে—দেশৰ জনসাধাৰণৰ ওপৰত অত্যাধিক কৰৰ বোজা জাপি দিয়া আৰু আধুনিক যন্ত্ৰশিল্পৰ দ্বাৰা উৎপাদীত উন্নত বিদেশী দ্ৰব্যৰ লগত ভাৰতীয় দ্ৰব্য সামগ্ৰীক প্ৰতিদ্বন্দ্বিতাৰ সন্মুখীন কৰাই দেশৰ কুটীৰ শিল্পৰ বিলোপসাধন কৰোৱা।" কংগ্ৰেছে এইটো স্থিৰ কৰিছিল যে সকলো প্ৰকাৰৰ নিয়মতান্ত্ৰিক উপায়ে ভাৰতীয় জনসাধাৰণৰ স্বাৰ্থ আৰু কল্যাণসাধন কৰাই কংগ্ৰেছৰ মূলনীতি।

১৯০০ চনত বোম্বাই হাইকোৰ্টৰ বিচাৰপতি নাৰায়ণ গণেশ চন্দ্ৰাবাৰকাৰ সভাপতিত্বত বহা ষোড়শ অধিবেশনে কেইবাটাও সমাজ কল্যাণৰ প্ৰস্তাৱ গ্ৰহণ কৰে। ১৯০১ চনত সপ্তদশ অধিবেশন অনুষ্ঠিত হয়। এই সভাত সভাপতিত্ব কৰে বোম্বাইৰ প্ৰসিদ্ধ নেতা দীনশ্বাৱাচা। এই অধিবেশনত ব্যাৰিষ্টাৰ মোহনদাস কৰমচান্দ গান্ধী উপস্থিত হয় আৰু দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয় সকলৰ দুখ-দুৰ্দশাৰ কথা বিবৰি কয়।

সেই সময়ত গুজৰাটত ভীষণ দুৰ্ভিক্ষ হৈ প্ৰায় ২৫ লাখ লোকে প্ৰাণ হেৰুৱাই-ছিল। ১৯০২ চনৰ সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ সভাপতিত্বত বহা অধিবেশনে এই বিষয়ে বিশদ আলোচনা কৰে। ১৯০৩ চনত জননায়ক লালমোহন ঘোষৰ নেতৃত্বত কংগ্ৰেছৰ অধিবেশন বহে। এই সভাত ভাৰতত অবৈতনিক বাধ্যতা-মূলক শিক্ষা প্ৰৱৰ্তনৰ দাবী কৰা আৰু বঙ্গচ্ছেদ পৰিকল্পনাৰ প্ৰতিবাদ জ্ঞাপন কৰা হয়। লৰ্ড কাৰ্জনৰ চৰকাৰী নীতি আৰু কাৰ্য্যাদিৰ বিৰূপ সমালোচনা কৰা হয়

আৰু গণতন্ত্ৰ বিৰোধী আইন বিধিবদ্ধ হোৱাৰ বিৰুদ্ধেও এই অধিবেশনত প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

ইতিমধ্যে, লৰ্ড কাৰ্জনৰ স্বেচ্ছাচাৰী শাসননীতিত দেশৰ জনসাধাৰণ ক্ষুব্ধ হৈছিল। ১৯০৪ চনত বৃটিছ কৰ্মচাৰী ছাৰ হেনৰী কটনৰ সভাপতিত্বত বহা কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হয়। সভাপতিয়ে তেওঁৰ ভাষণত কংগ্ৰেছক— 'The Voice and Brain of the Country' অৰ্থাৎ দেশৰ 'ভাষা আৰু মেধা' ৰূপে অভিহিত কৰিছিল।

১৯০৪ চনৰ কংগ্ৰেছ অধিবেশনৰ পিছতেই বঙ্গক ভঙ্গ কৰা হয়। লৰ্ড কাৰ্জনৰ ১৯০৩ চনৰ ৩ ডিচেম্বৰৰ বঙ্গভঙ্গ ঘোষণাৰ দ্বাৰা বঙ্গদেশক দুখণ্ড কৰি নতুনকৈ "পূৰ্ববঙ্গ আৰু অসম" নামে এখন প্ৰদেশ স্থাপন কৰি ঢাকাত ৰাজধানী পাতে। এনে ব্যৱস্থাৰ দ্বাৰা অসম প্ৰদেশৰ লগত বঙ্গদেশৰ ঢাকা, চট্টগ্ৰাম আৰু ৰাজচাহী বিভাগক একত্ৰ কৰা হৈছিল। বঙ্গদেশ হয় প্ৰেচিডেঞ্চি বিভাগ লৈ। বৰ্দ্ধমান বিভাগক বিহাৰ আৰু উৰিষ্যাত অন্তৰ্ভুক্ত কৰা হয়।

এই বঙ্গচ্ছেদত বঙালীসকলৰ মাজত তীব্ৰ ক্ষোভে দেখা দিয়ে। বঙ্গচ্ছেদ অনুমোদিত হোৱাৰ ছ'দিন পিছত কলিকতাৰ টাউন হলত এক জনসভাত "বিলাতী বৰ্জন" প্ৰস্তাৱ গৃহীত হয়। এই ঘটনাকে কেন্দ্ৰ কৰি ভাৰতত নব-জাগৰণৰ সৃষ্টি হয়। কংগ্ৰেছে সক্ৰিয় আৰু স্বাৱলম্বনৰ পথত পদক্ষেপ কৰে।

কংগ্ৰেছ দলৰ আৰম্ভণিৰ আদি ছোৱা কালত অৰ্থাৎ ১৮৫৫ চনৰ পৰা ১৯০৫ চনলৈকে নৰমপন্থীসকলে এই অনুষ্ঠান পৰিচালনা কৰিছিল। তেওঁলোকৰ বেছি ভাগেই আছিল পশ্চিমীয়া শিক্ষাত শিক্ষিত। তেওঁলোক আছিল সংস্কাৰকামী আৰু তেওঁলোকে সাংবিধানিক উপায়ত বিশ্বাস কৰিছিল। প্ৰস্তাৱ গ্ৰহণ কৰি, চৰকাৰৰ ওচৰত স্মাৰকপত্ৰ দাখিল কৰি তেওঁলোকে শাসন সংস্কাৰ কৰা নীতিত বিশ্বাস কৰিছিল। ইংৰাজ শাসনৰ তলত থাকিয়েই কংগ্ৰেছে স্বায়ত্ত শাসনৰ আশা কৰিছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ দ্বিতীয় অধিবেশনত এক প্ৰস্তাৱত কোৱা হৈছিল, "আমাৰ বাবে চৰকাৰে কৰা সকলো মঙ্গলজনক কামৰ বাবে আমি চৰকাৰৰ ওচৰত কৃতজ্ঞ, কিন্তু আমাক পদানত কৰি ৰাখিবলৈ আৰু আমাৰ যুদ্ধ কৰাৰ শক্তি লোপ কৰি আমাক একেবাৰে কলম ঘঁহা কেৰানী শ্ৰেণীত পৰিণত কৰিবলৈ যি ষড়যন্ত্ৰ কৰা হৈছে, তাৰ প্ৰতিবাদ নকৰাকৈ আমি থাকিব নোৱাৰো। যি বিদেশী চৰকাৰে আমাৰ কল্যাণৰ বাবে ইমান কাম

কৰিছে, সেই চৰকাৰৰ বাবে আৰু আমাৰ দেশৰ বাবে আমি প্ৰাণদান কৰিবলৈ প্ৰস্তুত।"

প্ৰথমেই ইংৰাজ বিষয়া মিঃ হিউমৰ অনুপ্ৰেৰণাত কংগ্ৰেছৰ জন্ম হয়। ইয়াৰ পিছৰ অৱস্থাত ইংৰাজ চৰকাৰে কংগ্ৰেছৰ প্ৰতি সহানুভূতিসূচক মনোভাব প্ৰদৰ্শন কৰিছিল। তেওঁলোকৰ কিছুমানে কংগ্ৰেছৰ অধিবেশনত যোগদান কৰিছিল আৰু ভাৰতীয় সকলৰ হৈ মতামত প্ৰকাশ কৰিছিল। মিঃ হিউমে ভাৰতবাসীৰ উদ্দেশ্যে ইংৰাজিত কবিতাও ৰচনা কৰিছিল। সেই কবিতাৰ প্ৰথম শাৰী হৈছে,—"Nations by themselves are made" অৰ্থাৎ "নিজৰ যত্নতেই হয় জাতি সংগঠন।" কিন্তু প্ৰথম দুয়োখন অধিবেশনত বক্তা-সকলে যি বক্তৃতা দিছিল আৰু যিবোৰ প্ৰস্তাৱ গৃহীত হৈছিল সেয়ে বৃটিছ চৰকাৰক সন্তুষ্ট কৰিব পৰা নাছিল। তেতিয়াৰ ভাৰতৰ বৰলাট লৰ্ড ডাফৰিন আৰু যুক্তপ্ৰদেশৰ গভৰ্ণৰ ছাৰ অ'কলেণ্ড কলভিন্ প্ৰভৃতি ৰাজপ্ৰতিনিধি সকলে কংগ্ৰেছৰ প্ৰতি বিৰূপ মনোভাব পোষণ কৰিবলৈ ধৰে। ডাফৰিনে কংগ্ৰেছ অনুষ্ঠানক কেইজনমান মুষ্টিমেয় লোকৰ অনুষ্ঠান হিচাবে আখ্যা দিয়ে। তেওঁ কৈছিল, "কংগ্ৰেছৰ সদস্য সংখ্যা অনুবীক্ষণেৰেহে দেখিব লাগে।" উচ্চপদস্থ চৰকাৰী বিষয়াসকলেও গভৰ্ণৰ জেনেৰেলৰ এনেকুৱা মন্তব্যৰ প্ৰতি সমৰ্থন আগবঢ়ায় আৰু কংগ্ৰেছ অধিবেশনত যোগ দিয়াৰ পৰা বিৰত থাকে। এই জনা গভৰ্ণৰ জেনেৰেলে কোৱা "ভাৰতৰ হিন্দু আৰু মুছলমান দুটা স্বতন্ত্ৰ জাতি"—উক্তিয়ে কংগ্ৰেছৰ মাজত ভেদনীতিৰ সূচনা কৰে বুলি কব পাৰি। এফালে ইংৰাজ চৰকাৰে কংগ্ৰেছৰ প্ৰস্তাৱসমূহলৈ কোনো সহাঁৰি দিয়া নাছিল। আনফালে হিন্দু মুছলমানৰ মাজত বিভাজন আনিছিল। সময়ৰ সোঁতত নৰমপন্থীসকলৰ দাবীসমূহে তীব্ৰৰূপ ধাৰণ কৰে। ১৮৮৮ চনত লণ্ডনত এই উদ্দেশ্যে এটা অনুষ্ঠান প্ৰতিষ্ঠা কৰা হ'ল। এই অনুষ্ঠানে পুস্তিকা বিতৰণ, বক্তৃতা আৰু ইণ্ডিয়া নামৰ সাপ্তাহিক বাতৰি কাকত এখনৰ সহায়ত ভাৰতবৰ্ষৰ পক্ষে জনমত সৃষ্টি কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ধৰিলে। এনেবিলাক কাৰ্য্য-সূচীৰ ফলস্বৰূপে ১৮৮৯ চনত বোম্বাইত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ অধিবেশনত ইংলণ্ডৰ পাৰ্লামেণ্টৰ সদস্য ছাৰ চাৰ্লচ্ ব্ৰাডলেও যোগদান কৰিছিল। তেওঁ ভাৰতবৰ্ষৰ পৰা উভটি গৈ বিলাতৰ পাৰ্লিয়ামেণ্টৰ "হাউচ অব্ কমন্স"ত "কাউঞ্চিল ৰিফৰ্ম বিল" উত্থাপন কৰিছিল। সেই বিলত তেওঁ ভাৰতীয়

ব্যৱস্থাপক সভালৈ নির্বাচিত প্রতিনিধি প্রেৰণৰো মুপাৰিচ কৰিছিল। কিন্তু ভাৰতসচীৱ লর্ড ক্ৰচে আন এখন বিপৰীত বিল উত্থাপন কৰে য'ত নির্বাচিত সদস্যৰ কোনো উল্লেখেই নাই। তেতিয়াৰ ইংলণ্ডৰ প্রধানমন্ত্রী লর্ড ছেলিচবেৰীয়ে কৈছিল যে "নির্বাচনী প্ৰথা বা প্ৰতিনিধিৰ চৰকাৰ প্ৰাচ্যৰ আদৰ্শ নহয়।" এই বিলখন গৃহীত নহ'ল যদিও চৰকাৰে ১৮৯২ চনত আন এখন বিল উত্থাপন কৰে। এই অধিনিয়ম অনুসাৰে বিধান পৰিষদৰ কার্য্যকলাপ আৰু অতিৰিক্ত সদস্যৰ সংখ্যা বৃদ্ধি কৰা হয়। তদুপৰি ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰভাৱৰ ফলত ভাৰতত আইন অনুসাৰে নির্বাচনৰ ব্যৱস্থা কৰা হয়। কিন্তু এই ব্যৱস্থাই ভাৰতীয় লোকৰ সন্তুষ্টি লাভ কৰিব নোৱাৰিলে। লর্ড কার্জনৰ আমোলাতান্ত্রিক আৰু ভাৰতীয় লোকৰ প্ৰতি থকা বিদ্বেষী মনোভাৱৰ কাৰণে চাৰিওফালে বিদ্ৰোহৰ অগ্নি জ্বলি উঠিল। বৃটিছ চৰকাৰে এই বিদ্ৰোহ বন্ধ কৰিবৰ কাৰণে দ্বৈতনীতি অবলম্বন কৰিছিল—(১) এহাতে ৰাজনৈতিক ক্ষেত্ৰত মধ্যপন্থী লোক সকলৰ সহানুভূতি লাভ কৰাৰ আৰু (২) আনহাতে সাম্প্ৰদায়ীকৰ ভিত্তিত পৃথকীকৰণৰ বীজ সিঁচি দিয়াৰ চেষ্টা কৰিছিল।

## কংগ্ৰেছত চৰমপন্থীৰ আবিৰ্ভাৱ

কংগ্ৰেছৰ আৰম্ভনিৰে পৰা নেতাসকলে ইংৰাজ চৰকাৰৰ লগত বুজাপৰাৰ মাজেদি কিছুমান সংস্কাৰ সাধন কৰিবলৈ বিচাৰিছিল। কংগ্ৰেছে কোনো সক্ৰিয় কৰ্মপন্থা দেশৰ সন্মুখত উত্থাপন কৰিব পৰা নাছিল। কেৱল প্ৰতিবাদৰ দ্বাৰাই ক্ৰমোন্নতিৰ পথত আগুৱাই যাবলৈ সক্ষম হৈছিল। ১৮৮৯ চনৰ কংগ্ৰেছৰ অধিবেশনত লোকমান্য বালগঙ্গাধৰ তিলক আৰু গোপালকৃষ্ণ গোখেলেই কংগ্ৰেছত যোগদান কৰি ভাৰতত প্ৰতিনিধিমূলক পাৰ্লামেণ্টৰী শাসন ব্যৱস্থা প্ৰৱৰ্তনৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিছিল। কিন্তু এই অধিবেশনৰ ইংৰাজ সভাপতি ছাৰ উইলিয়াম ওৱেদাৰ বাৰ্নেৱে কোৱাৰ দৰে, "১৮৫৮ চনৰ পৰাই ভাৰতৰ দুখ আৰু দুৰ্ভাগ্যৰ দিন আৰম্ভ হৈছে। ভাৰত ৰাষ্ট্ৰৰ কৰ্ণধাৰ ভাৰত সচিবে ভাৰতৰ জনসাধাৰণৰ সুখ-দুখ, ভাল-বেয়া আদি সম্বন্ধে উদাসীন"। ইংৰাজৰ দুৰ্ব্যৱহাৰ ক্ৰমে অসহনীয় হৈ আহে। ইংৰাজৰ শাসন ব্যৱস্থাৰ ফলত ভাৰতৰ শোচনীয় দুখ-দাৰিদ্ৰ্যৰ আৰু ভাৰতবাসীৰ সহায়হীনতাৰ ছবি কংগ্ৰেছৰ এচাম নেতাৰ মনত স্পষ্ট হৈ উঠে।

১৮৯৬ চনত বোম্বাইৰ প্লেগ মহামাৰী ব্যাধিৰ প্ৰকোপত অসংখ্য লোকৰ মৃত্যু হয়। প্লেগ বেমাৰ দমন কৰাৰ বাবে প্লেগ বিষয়া আৰু বৃটিছ সৈন্য কিছুমানকো নিয়োগ কৰা হৈছিল। কিন্তু এই প্লেগ বিষয়া আৰু বৃটিছ সৈন্য সকলে প্লেগ দমনৰ নামত ৰাইজৰ ওপৰত অত্যাচাৰহে চলাইছিল। ইয়াৰ ফলত পুনাত দুজন ইংৰাজ প্লেগ বিষয়াক ৰাস্তাৰ ওপৰত গুলিয়াই হত্যা কৰা হৈছিল। এই হত্যাকাণ্ডত পৰোক্ষভাৱে তিলকক দায়ী বুলি অনুমান কৰি গ্ৰেপ্তাৰ কৰে আৰু ১৮ মাহ কাৰাদণ্ড দিয়ে। বিলাতৰ প্ৰিভি কাউন্সিলত আপীল কৰা সত্বেও এই হুকুম ৰদ নহ'ল। তিলকৰ গ্ৰেপ্তাৰে ভাৰতৰ সকলো ঠাইত অসন্তোষ সৃষ্টি কৰিলে। দেশৰ স্বাৰ্থত ভাৰতীয়ৰ এয়েই প্ৰথম কাৰাবৰণ।

ভাৰতীয় সকলৰ মাজত আন এটা অসন্তোষৰ কাৰণ আছিল ১৮৯৭ চনৰ দুৰ্ভিক্ষ। এই ভীষণ দুৰ্ভিক্ষত প্ৰায় ২৫ লাখ লোকে প্ৰাণ হেৰুৱাইছিল।

একালে দেশত লাখ লাখ লোক অনাহাৰত মৰিছে আৰু আনফালে দিল্লীৰ ৰাজদৰবাৰত অনুষ্ঠানৰ বাবে পানীৰ দৰে অৰ্থ অপচয় কৰিছে।

অমৰাৱতীত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ ১৮৯৭ চনৰ অধিবেশন অতি গুৰুত্বপূৰ্ণ, কাৰণ এই অধিবেশনতেই কংগ্ৰেছৰ সংগ্ৰামশীলতাৰ মনোভাব পৰিলক্ষিত হয়। সেই সময়তে ভাৰতৰ ৰাজনীতিৰ ক্ষেত্ৰত চৰমপন্থী সকলৰ আবিৰ্ভাব হয়। চৰমপন্থী সকলৰ নেতা আছিল বালগঙ্গাধৰ তিলক, লালা লাজপৎ ৰায়, শ্ৰীঅৰবিন্দ ঘোষ আৰু বিপিনচন্দ্ৰ পাল আদি। এই সময়ৰ পৰা ভাৰতত নৱজাগৰণৰ সৃষ্টি হয়। কংগ্ৰেছে সক্ৰিয়তা আৰু স্বাৱলম্বনৰ পথত পদক্ষেপ কৰে। ৰাজনৈতিক আন্দোলনেও প্ৰসাৰ লাভ কৰে।

সেই সময়ত এদল ভাৰতীয় মনীষীয়ে দেশত স্বদেশীকতাৰ নৱচেতনাৰ উন্মেষ ঘটায়। ১৮৯৭ চনত লোকমান্য তিলকৰ 'কেশৰী' নামৰ মাৰাঠী সাপ্তাহিক কাকতত ছত্ৰপতি শিবাজীৰ বিষয়ে কেইবাটাও বিশিষ্ট প্ৰবন্ধ আৰু কবিতা প্ৰকাশিত হয়। বঙ্কিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ প্ৰভৃতিৰ জাতীয় ভাবাপন্ন ৰচনা, উপন্যাস আৰু কবিতাই ভাৰতৰ জনসাধাৰণক এক নৱ জাগৰণৰ ভাবত উদ্বুদ্ধ কৰে। বিশেষকৈ স্বামী বিবেকানন্দই ইউৰোপ, আমেৰিকা আদি বিভিন্ন দেশত দিয়া বক্তৃতাসমূহে ভাৰতীয় প্ৰাণত অধিক সঞ্চাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। বিবেকানন্দৰ স্বদেশীকতাই ভাৰতৰ জনসমাজত দেশৰ ৰাজনৈতিক মুক্তি আৰু হিন্দু সমাজৰ মানসিক মুক্তিৰ বাবে এক অদৃশ্য স্পৃহা জগাবলৈ সক্ষম হৈছিল। আৰ্য্য সমাজৰ প্ৰতিষ্ঠাতা স্বামী দয়ানন্দ সৰস্বতীয়ে প্ৰচাৰ কৰে যে ভাৰত ভাৰতবাসীৰ কাৰণে। তেঁৱেই হিন্দু সকলৰ বেদক সকলো জ্ঞান-বিজ্ঞানৰ উৎস বুলি প্ৰচাৰ কৰে। ইউৰোপৰ মাদাম ব্লাভাস্কি আৰু এনি বেছান্ত উভয়েই ইউৰোপৰ পৰা ভাৰতলৈ আহি 'ব্ৰহ্মবাদ' বা 'থিয়ছফি' প্ৰচাৰ কৰিছিল। তেওঁলোকে প্ৰচাৰ কৰিছিল যে ভাৰতৰ ধৰ্ম আৰু আধ্যাত্মিকতাৰ তুলনা পৃথিবীত নাই।

কেইখনমান কাকতেও চৰমপন্থী সকলৰ শক্তি বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। সেই গ্ৰন্থ কেইখনৰ ভিতৰত দাদাভাই নৌৰাজীৰ 'ভাৰতবৰ্ষৰ দাৰিদ্ৰ আৰু ভাৰতত বৃটিছ শাসন', '১৯০২', খন উল্লেখযোগ্য। তেতিয়াৰ অসমৰ চীফ কমিছনাৰ ছাৰ হেনৰী কটনে **'New India'** বা "নৱ ভাৰত" নামৰ গ্ৰন্থত ভাৰতীয় সকলৰ ন্যায্য দাবীক সমৰ্থন কৰিছিল। ৰমেশ চন্দ্ৰ দত্তৰ 'ভাৰতৰ

অৰ্থনৈতিক ইতিহাস' নামৰ গ্ৰন্থখনে ভাৰতীয় কৃষকসকলৰ শোচনীয় অৰ্থনৈতিক অৱস্থাৰ কথা দাঙি ধৰে। ইংৰাজ লেখক মিঃ উইলিয়াম ডিগবিয়ে তেওঁৰ 'The Prosperous India' বা 'সমৃদ্ধ ভাৰত' নামৰ গ্ৰন্থত লিখা তথ্যপাতিয়ে ভাৰতীয় সকলৰ মন বিশেষভাৱে উত্তেজিত কৰিছিল। শ্ৰীঅৰবিন্দ ঘোষৰ 'বন্দে মাতৰম' নামৰ ইংৰাজী সাপ্তাহিক কাকতখনে স্বাধীনতাৰ নতুন বাণী শুনায়। এই সকলো গ্ৰন্থাদিয়ে তেতিয়াৰ ভাৰতত উগ্ৰপন্থী জাতীয়তাবাদৰ পটভূমি ৰচনা কৰিছিল।

দৰাচলতে ১৮৯৭ চনৰ পৰাই ইংৰাজ শাসকসকলে ভাৰতৰ জাতীয়তাবাদৰ বিৰুদ্ধে দমননীতি প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে। ১৮৯৮ চনত লৰ্ড কাৰ্জনে ভাৰতৰ গভৰ্ণৰ জেনেৰেলৰ পদ গ্ৰহণ কৰিয়েই তেওঁৰ অভিমত প্ৰকাশ কৰি কৈছিল, "ভাৰতত ইংৰাজৰ আধিপত্য স্থাপন কৰাৰ উদ্দেশ্য দুটা—(১) ভাৰতত বৃটিছ শাসন সুদৃঢ় কৰা আৰু (২) ভাৰতত বৃটিছ বাণিজ্যৰ ক্ষেত্ৰ সম্প্ৰসাৰিত কৰা।" তেওঁৰ শাসন কালত বিশ্ববিদ্যালয় আইন আৰু কলিকতা নিগম আইনৰ সংশোধন কৰি দুই ক্ষেত্ৰতে চৰকাৰী মনোনীত সদস্য সংখ্যা বৃদ্ধি কৰি বিশ্ববিদ্যালয় আৰু নিগমক চৰকাৰৰ নিয়ন্ত্ৰাধীন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। লৰ্ড কাৰ্জনৰ স্বেচ্ছাচাৰী শাসন নীতিত দেশৰ জনসাধাৰণ ক্ষুব্ধ হৈছিল। তেওঁ ভাৰতলৈ অহাৰ এবছৰৰ পিছত ইংলণ্ডৰ ৰাণী ভিক্টোৰীয়াৰ স্মৃতি ৰক্ষাৰ কাৰণে কলিকতাত তাজমহলৰ অনুকৰণত এক বিৰাট সৌধ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰি ভাৰতবাসীৰ পৰা অৰ্থ সংগ্ৰহ কৰে। তাৰ পাছত নতুন ভাৰত সম্ৰাটৰ দিল্লীত অভিষেকৰ ব্যৱস্থা কৰি সম্ৰাট এডওৱাৰ্ডৰ অনুপস্থিতিত নিজে ৰাজ সন্মান গ্ৰহণ কৰে। এই অভিষেক উৎসৱত অজস্ৰ ধন ব্যয় হৈছিল আৰু সেই ব্যয়ৰ ধন ভাৰতবাসীৰ পৰাই আদায় কৰা হৈছিল। এনেদৰে দৰিদ্ৰ ভাৰতীয়ৰ ধন অপব্যয় কৰাত ভাৰতীয় সকলৰ মনত জাতীয়তাবোধ জাগি উঠে আৰু একাংশ নেতাক বিপ্লৱবাদৰ প্ৰতি আকৃষ্ট কৰে। ইয়াৰ উপৰিও এইজনা গভৰ্ণৰ জেনেৰেলৰ দিনত ১৯০৫ চনত বঙ্গদেশক দ্বিখণ্ডিত কৰা হয়। এই ঘোষণাৰ দ্বাৰা বঙ্গদেশক দুখণ্ড কৰি নতুনকৈ "পূৰ্ববঙ্গ আৰু অসম" নামে এখন প্ৰদেশ স্থাপন কৰি ঢাকাত ৰাজধানী পাতে। বঙ্গদেশ হয় প্ৰেচিডেঞ্চি বিভাগলৈ। বৰ্দ্ধমান বিভাগক বিহাৰ আৰু উৰিষ্যাত অন্তৰ্ভুক্ত কৰা হয়। এই বঙ্গচ্ছেদ অনুমোদিত হোৱাৰ দুদিন পিছত কলিকতাৰ টাউন হলত এক বিৰাট জনসভাত

'বিলাতী বৰ্জন' প্ৰস্তাৱ গৃহীত হয়। বিলাতী দ্ৰব্য বৰ্জন কৰাকেই শ্ৰেষ্ঠ অস্ত্ৰ হিচাবে গ্ৰহণ কৰা হয়।

১৯০৬ চনৰ কংগ্ৰেছৰ অধিবেশনত সভাপতি দাদাভাই নৌৰাজীয়ে সভাপতিৰ অভিভাষণত কৈছিল—"ভাৰতৰ লক্ষ্য গ্ৰেটবৃটেইনৰ অনুৰূপ শাসনতন্ত্ৰ লাভ কৰা, এক কথাত কবলৈ গ'লে স্বৰাজ।" ১৯০৬ চনৰ শেষৰ ফালে বঙ্গদেশৰ ঢাকা নগৰত "মুছলীম লীগ" প্ৰতিষ্ঠান জন্ম হয়। এই প্ৰতিষ্ঠানে কামনা কৰিছিল মুছলমানসকলৰ কল্যাণ। ধৰ্মকেন্দ্ৰিক জাতীয়তাই ভাৰতক ধীৰে ধীৰে বিভক্ত হোৱাৰ পথলৈ আগুৱাই নিয়ে। কংগ্ৰেছে বিচাৰিছিল দেশৰ সাৰ্বিক মুক্তি। ১৯০৭ চনৰ চুৰাটৰ অধিবেশনত কংগ্ৰেছৰ উগ্ৰপন্থী আৰু নৰমপন্থী সকলৰ মতানৈক্য চৰম পৰ্য্যায়ত উঠে। উগ্ৰপন্থীসকলে বিচাৰিছিল আগৰ বছৰত গৃহীত হোৱা "স্বৰাজ"। এই অধিবেশনত নৰমপন্থী আৰু চৰমপন্থীসকলৰ মাজত নানা তৰ্ক-বিতৰ্ক আৰু পিছত হতা-হতিও হয়। অৱশেষত পুলিচৰ হস্তক্ষেপত উচ্ছৃঙ্খলতা দমন হয় আৰু উগ্ৰপন্থী দলে কংগ্ৰেছ পৰিত্যাগ কৰি বিপ্লৱৰ পথেৰে ভাৰতৰ মুক্তি সাধনত আত্মনিয়োগ কৰে। নৰমপন্থী দলে নিয়মতান্ত্ৰিক উপায়েৰে প্ৰচলিত শাসনব্যৱস্থাৰ দ্ৰুত সংস্কাৰ সাধনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। তেতিয়াৰ পৰাই চৰমপন্থী, নৰমপন্থী আৰু মুছলমান—এই তিনি পন্থীয়ে দেশৰ ৰাজনীতিৰ ক্ষেত্ৰত নিজ নিজ আদৰ্শ অনুযায়ী কামত প্ৰবৃত্ত হয়।

বৈদেশিক ঘটনা কিছুমানেও ভাৰতবৰ্ষত চৰমপন্থীৰ আবিৰ্ভাৱত সহায় কৰে। ১৮৯৬ চনত আবিচিনিয়াৰ হাতত ইটালী পৰাস্ত হয়। ১৯০৪-০৫ চনৰ যুদ্ধত জাপানৰ হাতত ৰুচিয়া পৰাস্ত হয়। ১৯০২ চনৰ আহমেদাবাদৰ কংগ্ৰেছৰ সভাপতি সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে তেওঁৰ ভাষণ প্ৰসঙ্গত কৈছিল, "ভাৰতভূমি পৰম আধ্যাত্মবাদৰ পুণ্যক্ষেত্ৰ আৰু ইয়াৰ দৰ্শণ আৰু বিজ্ঞানে মানৱ জীৱনৰ দুখ-দুৰ্দশা, বেদনা হৰণ কৰি পৰম শান্তি প্ৰদান কৰে। এই দেশৰ ধৰ্মমতক চীন, জাপান প্ৰভৃতি দেশে গ্ৰহণ কৰিছে ; কিন্তু আজি চীন আৰু জাপানে ভাৰতক অতিক্ৰম কৰি গৈছে। কি উপায়ে স্বাধীনতা সম্ভৱ হয় সেই বিষয়ে আমাৰ পথ প্ৰদৰ্শক হ'ল জাপান।" এনেবোৰ ঘটনাই ভাৰতবাসীৰ মনত স্বাধীনতা অৰ্জনৰ নতুন দিশ সৃষ্টি কৰিলে।

## স্বদেশী আন্দোলন

১৮৯৯ চনৰ জানুৱাৰী মাহত লৰ্ড কাৰ্জন ভাৰতৰ 'গভৰ্ণৰ জেনেৰেল' তথা 'ভাইচৰয়' হৈ ভাৰতলৈ আহে। লৰ্ড কাৰ্জন এজন পণ্ডিত আৰু অক্লান্ত কৰ্মী আছিল। কিন্তু তেওঁ প্ৰতিক্ৰিয়াশীল সাম্ৰাজ্যবাদৰ প্ৰতিনিধিহে আছিল। ভাৰতবাসীৰ ন্যায্য দাবী আৰু অধিকাৰৰ প্ৰতি তেওঁৰ কোনো সহানুভূতি নাছিল। তেওঁ ভাৰতলৈ অহাৰ এবছৰৰ পিছত ইংলণ্ডৰ ৰাণী ভিক্টোৰীয়াৰ স্মৃতি ৰক্ষাৰ কাৰণে কলিকতাত তাজমহলৰ অনুকৰণত এক সৌধ নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰি ভাৰতবাসীৰ পৰা অৰ্থ সংগ্ৰহ কৰে। তাৰ পিছত নতুন ভাৰত সম্ৰাটৰ দিল্লীত অভিষেকৰ ব্যৱস্থা কৰি সম্ৰাট এডওৱাৰ্ডৰ অনুপস্থিতিত নিজে ৰাজসন্মান গ্ৰহণ কৰে। এই অভিষেক উৎসৱত অজস্ৰ ধন ব্যয় হৈছিল আৰু সেই ব্যয়ৰ ধন ভাৰতবাসীৰ পৰাই আদায় কৰা হৈছিল। লৰ্ড কাৰ্জনে বঙ্গদেশত হিন্দু আৰু মুছলমান সম্প্ৰদায়ৰ মাজত বিভেদ সৃষ্টি কৰি পৰস্পৰৰ মাজত বিদ্বেষ ভাব জাগ্ৰত কৰি উভয়ৰ মাজত সাম্প্ৰদায়িকতাৰ বীজ লুকুৱাই দিবলৈ চেষ্টা কৰিলে। এই মনোভাৱৰ বশৱৰ্তী হৈ ১৯০৩ চনৰ ৩ ডিচেম্বৰ দিনা বঙ্গ-ভঙ্গৰ আদেশ ঘোষণা কৰে। এই ঘোষণাৰ দ্বাৰা বঙ্গদেশক দুখণ্ড কৰি নতুনকৈ "পূৰ্ব্ববঙ্গ আৰু অসম" নামে এখন নতুন প্ৰদেশ স্থাপন কৰি ঢাকাত ৰাজধানী পাতে। লৰ্ড কাৰ্জনে ঢাকাৰ নেতৃস্থানীয় মুছলমানসকলৰ লগত আলাপ-আলোচনা কৰি ১৯০৫ চনৰ ১৬ অক্টোবৰত বঙ্গচ্ছেদ কাৰ্য্যত পৰিণত কৰে। বঙ্গচ্ছেদ ব্যৱস্থাৰ দ্বাৰাই অসম প্ৰদেশৰ লগত বঙ্গদেশৰ ঢাকা, চট্টগ্ৰাম আৰু ৰাজচাহী বিভাগক একত্ৰ কৰি "পূৰ্ববঙ্গ আৰু অসম" নামৰ এই নতুন প্ৰদেশ গঠন কৰা হয়। বঙ্গদেশ হয় প্ৰেচিডেন্সি বিভাগ লৈ। বৰ্দ্ধমান বিভাগক বিহাৰ আৰু উৰিষ্যাত অন্তৰ্ভুক্ত কৰা হয়। এই বঙ্গচ্ছেদত বঙালীসকলৰ মাজত তীব্ৰ ক্ষোভে দেখা দিয়ে। বঙ্গচ্ছেদ অনুমোদিত হোৱাৰ দুদিন পিছত কলিকতাৰ টাউন হলত এক বিৰাট জনসভাত "বিলাতী বৰ্জন" প্ৰস্তাৱ গৃহীত হয়। বিলাতী দ্ৰব্য বৰ্জন কৰাকেই শ্ৰেষ্ঠ অস্ত্ৰ হিচাপে গ্ৰহণ কৰা হয়। প্ৰশাসনীয় সুবিধাৰ নামত বঙালী জাতীয়তাবাদী সকলক বিভক্ত কৰিবলৈ আৰু

হিন্দু মুছলমানৰ মাজত বিভেদৰ সৃষ্টি কৰিবলৈ কৰা এই বঙ্গ বিভাজনক কেন্দ্ৰ কৰিয়েই স্বদেশী আন্দোলনৰ সূচনা হয়। বঙ্গ বিভাজনৰ প্ৰস্তাৱটো ভাৰতীবাসীয়ে বিৰোধিতা কৰিছিল; আনকি এই সিদ্ধান্ত সলনি কৰিবলৈ ভাৰত সচিবৰ ওচৰত আবেদন জনোৱাও হৈছিল। কিন্তু ভাৰতীয় লোকৰ আবেদন-নিবেদনৰ ওপৰত কোনো গুৰুত্ব নিদি বঙ্গদেশক দুভাগ কৰা হ'ল। ইয়াৰ ফলত ভাৰতবৰ্ষত বিদেশী বৰ্জন আৰু স্বদেশী গ্ৰহণ আন্দোলন আৰম্ভ হয়। এইয়ে হৈছে স্বদেশী আন্দোলন। সুৰেন্দ্ৰনাথ বেনাৰ্জী আৰু বিপিন চন্দ্ৰ পালৰ নিচিনা নেতৃস্থানীয় ব্যক্তিয়ে বঙ্গদেশৰ বিভিন্ন অঞ্চলৰ সভা-সমিতিত ভাষণ দি বিদেশী বস্ত্ৰ বৰ্জন কৰিবলৈ জনসাধাৰণক আহ্বান জনালে। ভাৰতীয় বাতৰি কাকত সমূহত এই আন্দোলন সম্পৰ্কে প্ৰচাৰ কাৰ্য্য চলিল। ফলত বঙ্গদেশৰ পৰা এই আন্দোলন ভাৰতবৰ্ষৰ আন আন অঞ্চললৈ বিয়পিল।

১৯০৫ চনত কাশীত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ অধিবেশনত সভাপতি শ্ৰীগোপালকৃষ্ণ গোখলেই তেওঁৰ সভাপতিৰ অভিভাষণত কৈছিল—"যদি সকলো ভাৰতবাসীকেই গৃহপালিত পশুৰ দৰে ব্যৱহাৰ কৰা হয় আৰু দেশৰ নেতা সকলে যদি চুড়ান্তভাবে অপমানবোধ কৰিব লগা হয়, তেনেহলে মই স্পষ্টভাবে এই কথা ক'ম যে বৃটিছ আমোলাতন্ত্ৰৰ লগত সহযোগীতা কৰি আৰু কোনো লাভ নাই।" কংগ্ৰেছৰ এই অধিবেশনত বঙ্গভঙ্গৰ প্ৰতিবাদকল্পে সাধ্যানুযায়ী স্বদেশী গ্ৰহণ আৰু বিলাতী বৰ্জনৰ প্ৰস্তাৱ গৃহীত হয়। তেতিয়া এই সংকল্প বাক্যও সকলোৱে গ্ৰহণ কৰে—"যেতিয়ালৈকে বঙ্গচ্ছেদ ৰ'দ নহব, তেতিয়ালৈকে বিলাতী দ্ৰব্য বৰ্জন কৰিম"। ১৯০৬ চনৰ কলিকতা অধিবেশনতো সভাপতি দাদাভাই নৌৰাজীয়ে তেওঁৰ সভাপতিৰ অভিভাষণত কৈছিল—"ভাৰতৰ লক্ষ্য গ্ৰেট বৃটেইনৰ অনুৰূপ শাসনতন্ত্ৰ লাভ কৰা, এক কথাত ক'বলৈ হলে স্বৰাজ"। অৰ্থাৎ "স্বৰাজ আমাৰ কাম্য"। কংগ্ৰেছে বিচাৰিছিল দেশৰ সাৰ্বিক মুক্তি। স্বদেশী গ্ৰহণ আৰু বিলাতী বৰ্জন ১৯০৭ চনৰ চুৰাট কংগ্ৰেছ অধিবেশনতো গ্ৰহণ কৰা হয়।

সেই সময়ত শ্ৰীঅৰবিন্দ ঘোষৰ 'বন্দে মাতৰম' নামৰ সাপ্তাহিক ইংৰাজী কাকতখনে জনসাধাৰণৰ চিন্তাৰ ক্ষেত্ৰত যথেষ্ট আলোড়নৰ সৃষ্টি কৰিছিল। শ্ৰীঅৰবিন্দই লিখিছিল—'আমাৰ উদ্দেশ্য আমাৰ দাবী এই যে জাতি হিচাপে আমাক বাধা দিলে, তাৰ বাবে ন্যায়ৰ বিচাৰ গ্ৰহণ কৰিবই লাগিব। ইতিমধ্যে

ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত স্বদেশী আন্দোলনে গা কৰি উঠিল। স্বদেশী কাগজৰ পৰীক্ষাৰ বহী নিদিলে ভাৰতীয় ছাত্ৰই পৰীক্ষা বৰ্জনৰ নীতি গ্ৰহণ কৰিলে। ছোৱালী সকলে বিদেশী বস্তুৰ উপহাৰ প্ৰত্যাখ্যান কৰিব ধৰিলে। ফলত ইংলণ্ডৰ পৰা ভাৰতবৰ্ষলৈ বস্তুৰ আমদানি কমি আহিল। লগে লগে দেশীয় বস্তুৰ উৎপাদন বাঢ়িব ধৰিলে। স্থানীয় ল'ৰা-ছোৱালীকে আদি কৰি সকলো লোকে স্বদেশী বস্তু ব্যৱহাৰ কৰিব ধৰিলে। 'বন্দে মাতৰম' ধ্বনিয়ে ভাৰতবৰ্ষৰ আকাশ বতাহ কঁপাই তুলিলে। বিদেশী কাপোৰৰ দোকানত পিকেটিং আৰম্ভ হ'ল। বিভিন্ন অঞ্চলত ভাৰতীয় লোকৰ পৃষ্ঠপোষকতাত ভাৰতীয় আদৰ্শত নতুন নতুন শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হৈছিল আৰু ছাত্ৰ সকলেও এনে শিক্ষানুষ্ঠানত শিক্ষা লাভ কৰাৰ সুযোগ গ্ৰহণ কৰিছিল। স্বদেশী গ্ৰহণ আৰু বিদেশী বৰ্জন নীতিয়ে সেই সময়ত ভাৰতীয় লোকৰ ওপৰত যথেষ্ট প্ৰভাব বিস্তাৰ কৰিছিল। প্ৰথম দুই বছৰত স্বদেশী আন্দোলনে যথেষ্ট পৰিমাণে কৃতকাৰ্য্যতা লাভ কৰিছিল।

স্বদেশী আন্দোলন কৃতকাৰ্য্য হোৱা দেখি ইংৰাজ চৰকাৰে দমননীতি প্ৰয়োগ কৰিবলৈ আৰম্ভ কৰে। স্বদেশী আন্দোলনৰ কাৰণে পতা সভা-সমিতি বন্ধ কৰি দিছিল। আন্দোলনৰ নেতৃত্ব বহন কৰা লোক সকলক বিভিন্ন ধৰণে কঠোৰ শাস্তি দিছিল। পিকেটিং কৰা লোক সকলক আটক কৰিছিল। লঘু দোষত গুৰু শাস্তিৰ বিধান দিছিল। ছাত্ৰ সকলক আন্দোলনৰ পৰা বিৰত কৰিবলৈ শিক্ষানুষ্ঠানৰ মুৰব্বীসকলক সাবধান কৰিছিল। আন্দোলন মষিমুৰ কৰাৰ উদ্দেশ্যে হিন্দু-মুছলমানৰ মাজত বিভেদৰ সৃষ্টি কৰিছিল। বিভিন্ন ঠাইত হিন্দু-মুছলমানৰ মাজত হোৱা সংঘৰ্ষক স্বদেশী আন্দোলনৰ ফল হিচাবে চৰকাৰে আখ্যা দিছিল। চৰকাৰৰ এনে দমননীতি প্ৰয়োগৰ ফলত স্বদেশী আন্দোলনৰ তীব্ৰতা কমি আহে আৰু লগে লগেই সন্ত্ৰাসবাদী আন্দোলনৰ সূচনা হয়।

# সন্ত্ৰাসবাদৰ সূচনা

কংগ্ৰেছৰ আৰম্ভনিৰে পৰা নেতাসকলে ইংৰাজ চৰকাৰৰ লগত বুজাপৰাৰ মাজেদি কিছুমান সংস্কাৰ সাধন কৰিবলৈ বিচাৰিছিল। কংগ্ৰেছে কোনো সক্ৰিয় কৰ্মপন্থা দেশৰ সন্মুখত উত্থাপন কৰিব পৰা নাছিল। কেৱল প্ৰতিবাদৰ দ্বাৰাই ক্ৰমোন্নতিৰ পথত আগুৱাই যাবলৈ সক্ষম হৈছিল। ইংৰাজ চৰকাৰেও প্ৰথম অৱস্থাত কংগ্ৰেছৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছিল। কিন্তু সময়ৰ সোঁতত কংগ্ৰেছৰ প্ৰতি ইংৰাজৰ মনোভাব সলনি হয়। সেয়েহে কংগ্ৰেছক ইংৰাজ চৰকাৰে সন্দেহৰ চকুৰে চাবলৈ ধৰিলে। তথাপি কংগ্ৰেছে ইংৰাজৰ ওপৰত বিশ্বাস ৰাখি নিজৰ নীতি সাল-সলনি কৰা নাছিল। ১৯০৫ চনৰ বঙ্গ বিভাজন আৰু ইয়াৰ কাৰণে চৰকাৰে যি শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰিছিল সেইবিলাকৰ ফলস্বৰূপে ভাৰতীয়সকলৰ মন গভীৰভাৱে ক্ষুণ্ণ হয়, ফলত ইংৰাজ চৰকাৰৰ বিৰুদ্ধে বিপ্লৱৰ সূচনা কৰাৰ সিদ্ধান্ত লয়।

১৯০৭ চনত কংগ্ৰেছৰ চুৰাটত বহা অধিবেশন উল্লেখযোগ্য। এই সভাত সভাপতিত্ব কৰে ডঃ ৰাসবিহাৰী ঘোষে। এই অধিবেশনত কংগ্ৰেছৰ উগ্ৰপন্থী আৰু নৰমপন্থীসকলৰ মতানৈক্য চৰম পৰ্য্যায়ত উঠে। উগ্ৰপন্থীসকলে বিচাৰিছিল আগৰ বছৰত গৃহীত হোৱা 'স্বৰাজ'। সেই অধিবেশনত নৰমপন্থী আৰু চৰমপন্থী-সকলৰ মাজত নানা তৰ্ক-বিতৰ্ক আৰু পিছত হতাহতিও হয়। অৱশেষত পুলিচৰ হস্তক্ষেপত উচ্ছৃংখলতা দমন হয় আৰু উগ্ৰপন্থীদলে কংগ্ৰেছ পৰিত্যাগ কৰি বিপ্লৱৰ পথেৰে ভাৰতৰ মুক্তি সাধনত আত্ম নিয়োগ কৰে। আনফালে, নৰমপন্থীদলে নিয়মতান্ত্ৰীক উপায়েৰে প্ৰচলিত শাসন ব্যৱস্থাৰ দ্ৰুত সংস্কাৰ সাধনৰ প্ৰস্তাৱ গ্ৰহণ কৰে। এই সময়ৰ পৰা উগ্ৰপন্থীসকলে দেশৰ ৰাজনীতিৰ ক্ষেত্ৰত নিজ আদৰ্শ অনুযায়ী কামত প্ৰবৃত্ত হয়।

১৯০৮ চনৰ ৩০ এপ্ৰিলৰ নিশা ইংৰাজ ব্যাৰিষ্টাৰ মিঃ কেনেডীৰ পত্নী আৰু কন্যাক মজফৰপুৰৰ জজ মিঃ কিংচ্‌ফৰ্ডৰ বঙলাৰ গেটৰ সন্মুখত কোনোবাই বোমাৰ দ্বাৰা নিহত কৰে। এই ঘটনাই দেশত প্ৰসাৰিত হোৱা সন্ত্ৰাসবাদৰ নিদৰ্শন। কিংচফোৰ্ডে তাৰ কিছু বছৰ আগেয়ে কলিকতাত মেজিষ্ট্ৰেত আছিল আৰু সেই পদাধীকাৰৰ বলত তেওঁ কেইবাটাও ৰাজনৈতিক মোকৰ্দমা বিচাৰ কৰিছিল আৰু

অপৰাধীসকলক শাস্তিও দিছিল। কিংচ্‌ফোৰ্ডৰ ওপৰত প্ৰতিশোধ লোৱাৰ বাবে ক্ষুদিৰাম বসু আৰু প্ৰফুল্ল চাকী নামে দুজন ডেকাক কলিকতাৰ পৰা বোমা আৰু ৰিভলভাৰ দি মজফৰপুৰলৈ পঠিওৱা হৈছিল। এই ঘটনাৰ কেইদিনমান আগেয়ে "বন্দে মাতৰম" কাকতত শ্ৰীঅৰবিন্দই লিখিছিল যে, চৰকাৰে যদি এই দেশৰ জনসাধাৰণৰ ন্যায্য অধিকাৰ ক্ৰমাগতভাবে অস্বীকাৰ কৰে তেন্তে তাৰ প্ৰতিক্ৰিয়াৰ ফলত গুপ্তহত্যা, গুপ্ত অনুষ্ঠান অৱশ্যম্ভাৱী হৈ উঠিব। মহাৰাষ্ট্ৰৰ তিলকে "কেশৰী" নামৰ কাকতত লিখিছিল যে, বোমা নিক্ষেপ চৰকাৰৰ দমননীতি আৰু অন্যান্য কঠোৰ ব্যৱস্থাৰেই ফল। বোম্বাই চৰকাৰে তিলকৰ প্ৰবন্ধ পঢ়ি তিলকে বোমা ব্যৱহাৰক সমৰ্থন কৰা বুলি ধৰি লৈ তিলকক গ্ৰেপ্তাৰ কৰে আৰু তেওঁৰ বিৰুদ্ধে মোকৰ্দমা কৰে। মোকৰ্দমাত তেওঁৰ ছবছৰ কাৰাদণ্ড হয়। তিলকৰ প্ৰতি এই কঠোৰ শাস্তি বিধানত সমগ্ৰ ভাৰত অশান্ত হৈ উঠে আৰু আন্দোলন তীব্ৰতৰ হবলৈ ধৰে।

জাতীয় আন্দোলন দমন কৰাৰ উদ্দেশ্যে চৰকাৰে কেইবাখনো আইন প্ৰণয়ন কৰে। তাৰ ভিতৰত 'Public Meeting Act', 'Press Act' আৰু 'Sedition Act' ইত্যাদি। কিন্তু ইয়াৰ ফল হয় মাৰাত্মক। ৰাজনৈতিক আন্দোলনৰ প্ৰকাশ্য পথ বন্ধ হোৱাত উগ্ৰপন্থীসকলে গোপন পথ অনুকৰণ কৰিবলৈ ধৰিলে। আলিপুৰ বোমাৰ মোকৰ্দমাৰ আচামী হিচাবে শ্ৰীঅৰবিন্দ ঘোষ আৰু তেওঁৰ লগত কেইবাজনো যুৱকক জেলত আটক কৰি ৰাখে। তাৰ বাহিৰেও অসংখ্য যুৱক কৰ্মীক চৰকাৰে আটক কৰে। বিপিনচন্দ্ৰ পাল ছমাহ কাৰাবৰণ কৰি জেলৰ পৰা ওলাই আহে। সন্ত্ৰাসবাদীসকল নেতৃত্বহীন হৈ গোপন পথেৰে কাম কৰি সন্ত্ৰাসবাদক আৰু শক্তিশালী কৰি তোলে। বঙ্গভঙ্গ আন্দোলনৰ আৰম্ভণিৰে পৰা বঙ্গদেশত মুছলীম সমাজৰ অধিক সংখ্যকে সেই আন্দোলনক জাতীয় মুক্তি সংগ্ৰাম বুলি গ্ৰহণ কৰা নাছিল যদিও, অনেক মুছলীম নেতাই সেই আন্দোলনৰ লগত ঘনিষ্ঠভাবে জৰিত আছিল আৰু সেই আন্দোলনক মুক্তি আন্দোলন বুলি গ্ৰহণ কৰিছিল।

এই আন্দোলনৰ প্ৰতি মুছলমান সমাজৰ উদাসীনতাৰ কাৰণ ঘাইকৈ দুটা। দেশৰ স্বাধীনতাকামী লোকসকলে বিশেষকৈ হিন্দুসকলে হিন্দু জাতীয়তাবাদৰ দ্বাৰা উদ্বুদ্ধ হৈ হিন্দু-মুছলমানৰ মিলনৰ প্ৰকৃত পথেৰে পৰিচালিত হ'ক

নোবাৰিছিল ; দ্বিতীয়তে, ইংৰাজে প্ৰায় এশ বছৰ কাল ভাৰতবৰ্ষত থাকি ভাৰতীয় সকলৰ দুৰ্বলতাক উপলব্ধি কৰি ভেদনীতিৰ ব্ৰহ্মাস্ত্ৰ প্ৰয়োগ কৰিছিল। আনফালে ১৯০৬ চনত স্থাপিত মুছলীম লীগক জাগতিক ইছলাম আন্দোলনে আত্মসচেতন কৰি তুলিবলৈ সক্ষম হৈছিল। এই কাৰণবোৰেও হিন্দু আৰু মুছলমানৰ আত্মীয় বোধ গঢ়ি উঠাৰ অন্তৰায় আছিল।

ইতিমধ্যে, ১৯০৭ চনৰ এপ্ৰিল মাহত মৈমনসিং জিলাৰ জামালপুৰত পোন প্ৰথমবাৰৰ বাবে হিন্দু-মুছলমানৰ মাজত সংঘৰ্ষ হয়। কুমিল্লা আৰু পাবনা জিলাতো সাম্প্ৰদায়িক সংঘৰ্ষ হয়। বাৰীন্দ্ৰকুমাৰ ঘোষ আৰু ভূপেন্দ্ৰনাথ দত্তই বিপ্লৱমন্ত্ৰ প্ৰকাশ্যভাবে প্ৰচাৰ কৰিছিল আৰু বৈপ্লৱিক সমাজ সংগঠন কৰাৰ প্ৰচেষ্টা চলাইছিল। প্ৰথমে, তেওঁলোকে বঙ্গদেশৰ লেফ্‌টেনাণ্ট গৱৰ্ণৰ ভ্ৰমণ কৰি থকা ৰেলগাড়ী এখনত বোমা নিক্ষেপ কৰি তেওঁলোকৰ অভিযান আৰম্ভ কৰে। ইয়াৰ পিছত ঢাকা জিলা মেজিষ্ট্ৰেটৰ গাৰৈ গুলী নিক্ষেপ কৰে; কিন্তু তেওঁৰ আঘাত গুৰুতৰ হোৱা নাছিল। ১৯০৮ চনত কলিকতা প্ৰেসিডেন্‌চিৰ মেজিষ্ট্ৰেট কিংবোইৰ জীৱন হানিৰ চেষ্টা কৰে। ইয়াৰ ফলত তেওঁলোকৰ বহুতে কাৰাবাস খাটিবলগীয়া হয়।

বৈপ্লৱিক আন্দোলনৰ প্ৰতি দেশৰ জনসাধাৰণৰ সহানুভূতি প্ৰতিৰোধ কৰিবলৈ চৰকাৰে এক নতুন শাসন সংস্কাৰ প্ৰবৰ্ত্তন কৰিলে। অৰ্থাৎ উগ্ৰপন্থী-সকলৰ কাৰ্য্যকলাপে চৰকাৰৰ ওপৰত যথেষ্ট প্ৰভাব পেলাবলৈ সক্ষম হৈছিল। তেওঁলোকৰ হেঁচাৰ ফলত চৰকাৰে ১৯০৯ চনত মৰ্লি-মিণ্টো সংস্কাৰ আইন গ্ৰহণ কৰিব লগা হয়। এই শাসন সংস্কাৰে প্ৰতিনিধি নিৰ্বাচনৰ ক্ষমতা দিয়ে যদিও ভোটদাতাসকলক চাৰিভাগত বিভক্ত কৰিলে—সাধাৰণ, জমিদাৰ, মুছলমান আৰু বিশেষ ভাগ। লক্ষ্য কৰিবলগীয়া বিষয় যে এই শাসন ব্যৱস্থাই 'হিন্দু' নামৰ জাতিটোক একেবাৰে অস্তিত্ব নোহোৱা কৰে আৰু সাম্প্ৰদায়িক বিদ্বেষভাবৰ বীজ ৰোপণ কৰে।

১৯১০ চনত বঙ্গদেশত সন্ত্ৰাসবাদী কাৰ্য্যকলাপে ব্যাপক আকাৰ ধাৰণ কৰে। কলিকতাৰ ডেপুটি পুলিচ কমিচনাৰ সন্ত্ৰাসবাদীৰ হাতত নিহত হয়। অসংখ্য গুপ্ত সমিতি সংগঠিত হয়। বিপ্লৱীসকলে কিছুমান ঠাইত লুটপাত আদিও কৰে। অসংখ্য ষড়যন্ত্ৰৰ মোকৰ্দমা চলোৱা হয়। চৰকাৰে অনুশীলন সমিতি আৰু ব্যায়াম সমিতি আদিক বে-আইনী ঘোষণা কৰে।

সেই চনতেই নতুন সম্ৰাট পঞ্চম জৰ্জ আৰু সম্ৰাজ্ঞী মেৰী ভাৰত পৰিভ্ৰমণলৈ আহে। ডিচেম্বৰ মাহৰ ১২ তাৰিখে সম্ৰাট-সম্ৰাজ্ঞীৰ অভিষেকৰ অনুষ্ঠানত বঙ্গভঙ্গ ৰদ ঘোষণা কৰা হয়। পশ্চিমবঙ্গ আৰু পূৰ্ববঙ্গ আকৌ মিলিত হয়। অখণ্ড বঙ্গদেশৰ পৰা বিহাৰ আৰু উৰিষ্যাক বেলেগ বেলেগ কৰি নি একোখন স্বকীয়া প্ৰদেশ কৰা হয়। অসমক আগৰ নিচিনা এখন স্বকীয়া প্ৰদেশ হিচাপে গঠন কৰা হয়।

সন্ত্ৰাসবাদীসকলৰ কাৰ্য্যকলাপ শান্ত কৰাৰ বাবে বৃটিশ কূটনৈতিক সকলে সম্ভৱ বঙ্গভঙ্গ ৰদ কৰিছিল। এই সম্পৰ্কত চাৰ হেন্‌ৰী কটন, হাবাৰ্ট পল, নেভিংচন, ডব্লিউ-এছ-ব্লাণ্ট আৰু হিন্দ্‌মেন প্ৰভৃতিৰ নাম এই সম্পৰ্কত বিশেষভাবে উল্লেখযোগ্য। পশ্চিমবঙ্গ আৰু পূৰ্ববঙ্গ মিলিত কৰি বৃটিশ ৰাজনীতিজ্ঞ সকলে ভাবিছিল যে ভাৰতত ৰাজনৈতিক শান্তি প্ৰতিষ্ঠিত হ'ব। কিন্তু সন্ত্ৰাসবাদ যদিও বঙ্গদেশত আৰম্ভ হৈছিল সেয়ে ই পিছত সমগ্ৰ ভাৰতৰ স্বাধীনতাৰ কাৰণে বিদ্ৰোহত পৰিণত হৈছিল। বঙ্গভঙ্গ ৰদ কৰা ঘোষণাৰ তিনি মাহৰ পিছত ১৯১২ চনৰ এপ্ৰিল মাহত যিদিনা ভাৰতৰ বৰলাট লৰ্ড হাৰ্ডিন্‌জে সপৰিবাৰে ভাৰতৰ নতুন ৰাজধানী দিল্লীত প্ৰৱেশ কৰে সেইদিনাই তেওঁৰ গালৈ বোমা নিক্ষেপ কৰা হয়। লেডী হাৰ্ডিন্‌জে আঘাত পায় আৰু অৱশেষত তেওঁৰ মৃত্যু ঘটে। এই সন্ত্ৰাসবাদৰ নায়ক ৰাসবিহাৰী বসুৱে ছদ্মবেশত ভাৰতৰ পৰা পলায়ন কৰি জাপানলৈ গৈ তাত আত্মগোপন কৰি থাকে। উগ্ৰপন্থী নেতাসকলৰ ভালেমান কাৰাগাৰত আতক হৈ থাকে।

১৯১৪ চনত পৃথিবীব্যাপী মহাসমৰ সংঘটিত হয়। লোকমান্য তিলক কাৰামুক্ত হৈ এক প্ৰাণপূৰ্ণ দাবী ঘোষণা কৰে—"স্বাধীনতা আমাৰ জন্মগত অধিকাৰ।" বৃটিশ চৰকাৰে যুদ্ধ চলি থকা কালত ভাৰতৰ বিপ্লৱবাদীসকলে চলোৱা ধ্বংসাত্মক আন্দোলনক দমন কৰাৰ উদ্দেশ্যে এক বিধি প্ৰণয়ন কৰাৰ কাৰণে এখন কমিটি নিয়োগ কৰে। সেই তদন্ত কমিটিৰ সভাপতি নিৰ্বাচিত হয় মিঃ ৰাউলাট। সেই কমিটিৰ প্ৰতিবেদন "ৰাউলাট কমিটিৰ ৰিপোৰ্ট"ৰ ওপৰত ভিত্তি কৰি যি আইন প্ৰণয়ন কৰা হল সেই আইনক "ৰাউলাট এক্ট" বোলা হয়। এই আইনৰ ভবিষ্যতে চৰকাৰে ভাৰতীয় আন্দোলনকাৰী সকলক বিনা বিচাৰে নিৰ্মমভাবে দমন কৰিব পাৰিছিল। মহাত্মা গান্ধীয়ে এই আইনক 'কলা আইন' বুলি আখ্যা দিছিল।

ৰাউলাট কমিটিৰ প্ৰতিবেদন প্ৰকাশ হোৱাৰ পিছৰ পৰাই জাতীয় মুক্তি আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰি গান্ধীজীয়ে উপলব্ধি কৰিছিল যে দেশৰ জনসাধাৰণক জাতীয় চেতনাত উদ্বুদ্ধ কৰিব নোৱাৰিলে জাতিয়ে মুক্তি লাভ কৰিব নোৱাৰে। সমাজৰ কেৱলমাত্ৰ মুষ্টিমেয় শিক্ষিতৰে আলোচনাসভাত বা কেইজনমান সন্ত্ৰাসবাদী যুৱকৰ মাজত ৰাজনৈতিক চেতনা সীমিত থাকিলে জাতীয় স্বাধীনতা আহিব নোৱাৰে। গণসংযোগৰ দ্বাৰা গণআন্দোলন সৃষ্টি কৰিব নোৱাৰিলে বিপ্লৱ বা সন্ত্ৰাসবাদে কেতিয়াও কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে। সেইবাবে ভাৰতৰ সন্ত্ৰাসবাদী সকলে কোনো সুফল আহৰণ কৰিব নোৱাৰিলে। সন্ত্ৰাসবাদত লিপ্ত হৈ থকা অনেক লোক মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অহিংস আন্দোলনত যোগদান কৰে।

অৱশ্যে ইয়াৰ পিছতো সন্ত্ৰাসবাদী সকলৰ কৰ্মপ্ৰচেষ্টা নানা ধৰণেৰে প্ৰকাশ পাইছিল। ১৯৩০ চনত চট্টগ্ৰামত সূৰ্য্য সেনৰ নেতৃত্বত "চট্টগ্ৰাম অস্ত্ৰাগাৰ" লুণ্ঠিত হয় আৰু এই অঞ্চলৰ লগত আশে-পাশে থকা ঠাইবোৰত কেইবাদিনো বৃটিশ শাসন নোহোৱা কৰিছিল। এই কাম কৰা হৈছিল "চট্টগ্ৰাম ইণ্ডিয়ান ৰিপাব্লিকান আৰ্মি" আৰু "বেঙ্গল ভলণ্টিয়াৰ্চ পাৰ্টি"ৰ সংগঠিত কৰ্মচেষ্টাত। ১৯২৯ চনত "গৰ্দ্দৰ পাৰ্টি" স্থাপিত হয় হৰদয়ালৰ নেতৃত্বত। পঞ্জাবত ভগৎ সিঙৰ নেতৃত্বত "হিন্দুস্থান ছছিয়েলিষ্ট পাৰ্টি" সংগঠিত হয়। ১৯২৯ চনৰ ৬ জুনত ভগৎ সিঙৰ তত্বাৱধানত দিল্লীৰ এছেম্বলী গৃহত বোমা নিক্ষেপ কৰা হয়। ১৯৩০ চনৰ ২৩ ডিচেম্বৰৰ দিনা পঞ্জাব বিশ্ববিদ্যালয়ৰ সমাবৰ্তন উৎসৱত "হিন্দুস্থান ছছিয়েলিষ্ট ৰিপাব্লিকান পাৰ্টিৰ" হৰকিষণ নামৰ এজন বিপ্লৱীয়ে পঞ্জাবৰ গৱৰ্ণৰ আৰু লগতে দুজন পুলিচ বিষয়াক গুলি কৰি আহত কৰে। ১৯৩২ চনৰ ২৪ চেপ্তেম্বৰৰ দিনা "ইণ্ডিয়ান ৰিপাব্লিকান আৰ্মিৰ" সৈনিক প্ৰীতিলতা ওৱাদ্দেদাৰে চট্টগ্ৰামৰ পাহাৰ তলিত "ইউৰোপীয়ান ক্লাব" আক্ৰমণ কৰি অনেক ইংৰাজক আহত কৰে।

দৰাচলতে কবলৈ গ'লে ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পাছৰ পৰাই ভাৰতৰ সংগ্ৰামী মনত বিপ্লৱৰ সপোন জাগ্ৰত হয়। উনৈশ শতিকাৰ শেষ ভাগত বৃটিশৰ কবলৰ পৰা ভাৰতক মুক্ত কৰাৰ পৰিকল্পনাই দেশৰ এক অংশৰ চিত্তক বিচলিত কৰে। বৈপ্লৱীক সংগঠনৰ মাধ্যমেৰে বিপ্লৱৰ বাণী ভাৰতত পোন প্ৰথমে মহাৰাষ্ট্ৰত প্ৰচাৰ হৈ পিছত সমগ্ৰ দেশতে বিয়পি পৰে। বিপ্লৱৰ মূল উদ্দেশ্য আছিল মানুহৰ মনত স্বাধীনতা লাভৰ আকাংক্ষা জাগৰিত কৰা, জনসাধাৰণৰ

মনত স্বাধীনতাৰ স্পৃহাক সকলো ক্ষেত্ৰতে প্ৰচাৰ কৰা। কিন্তু ভাৰতীয় বিপ্লৱবাদ কোনো দাৰ্শনিক তত্ত্ব আৰু বিজ্ঞান সম্মত মতৰ ওপৰত প্ৰতিষ্ঠিত নাছিল। সেইবাবেই এই আন্দোলন সাফল্যমণ্ডিত হ'ব নোৱাৰিলে।

তথাপিও, এই বিপ্লৱাত্মক সন্ত্ৰাসবাদৰ পথ আছিল ভাৰতৰ মুক্তিসংগ্ৰামৰ এক বিচিত্ৰ ধাৰা। এই পন্থা গ্ৰহণ কৰি কিমান মহান ভাৰতীয় লোক শ্বহীদ হৈছে সি এতিয়াও অজ্ঞাত। বিপ্লৱীসকলৰ মৃত্যুৰ মাজেৰেই স্বাধীনতাৰ পথ আগবাঢ়ি গৈছিল। বিপ্লৱীসকলৰ মাজত অনেক প্ৰতিভাশালী লোক আছিল। সেই সকলৰ চৰিত্ৰবল, নিষ্ঠা আৰু সংযমৰ দ্বাৰা নিজৰ অনুষ্ঠানবোৰক অধিক গোপনশীল আৰু কৰ্মীসকলক অধিক নিষ্ঠাবান কৰি তুলিছিল। ভালেন্টাইন চিৰোলে তেওঁৰ 'ভাৰতত অশান্তি' (Unrest in India) নামৰ গ্ৰন্থত বালগঙ্গাধৰ তিলকক "ভাৰতীয় বিদ্ৰোহৰ পিতৃ" আখ্যা দিছে। তেওঁৰ মতে তিলকৰ প্ৰধান দুজন শিষ্য আছিল, তেওঁলোক হৈছে বিপিনচন্দ্ৰ পাল আৰু অৰবিন্দ ঘোষ। এই দুয়োজনে নিজৰ মৌলিক প্ৰতিভাৰ পোহৰেৰে বৈপ্লৱিক কাৰ্য্যৰ তৎপৰতা বৃদ্ধি কৰিবলৈ সক্ষম হৈছিল। মুঠৰ ওপৰত এই পন্থাই জাতিৰ মুক্তি অৰ্জন কৰিব নোৱাৰিলেও ইংৰাজ শাসনৰ বিৰুদ্ধে এক প্ৰচণ্ড বিদ্বেষ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। লগতে, স্বাধীনতাৰ সংগ্ৰামক আগবঢ়াই নিয়াত সহায় কৰিছিল।

# প্ৰথম বিশ্বযুদ্ধ আৰু ভাৰতৰ ৰাজনীতি

১৯১৪ চনত পৃথিৱীব্যাপী মহাসমৰ সংগঠিত হয়। কংগ্ৰেছৰ নৰমপন্থী নেতাসকলে ইংৰাজক বিপদৰ সময়ত ব্যতিব্যস্ত কৰি তোলা সঙ্গত নহয় বুলি ভাবি কংগ্ৰেছৰ দাবীৰ আন্দোলন স্থগিত ৰখাৰ সংকল্প ঘোষণা কৰে। নিৰ্বাসনৰ পৰা মুক্তিলাভ কৰি লোকমান্য তিলকেও এই সময়ত ইংৰাজক সাহায্য কৰিবলৈ আহ্বান জনায়। যুদ্ধৰ সময়ত ভাৰত চৰকাৰে ৰাজকোষৰ পৰা ডেৰশ কোটি টকা ইংলণ্ডৰ চৰকাৰক দিয়ে। ইয়াৰ উপৰিও মেছোপটেমিয়াত শ শ মাইল ৰেলপথ তৈয়াৰৰ বাবে ৰেলপথৰ লো-তীখা আৰু ৰেলগাড়ীৰ সা-সৰঞ্জাম আদি ভাৰতৰ পৰাহে পঠিওৱা হৈছিল। ভাৰতত থকা ইংৰাজ সৈন্য, অসংখ্য দেশীয় সৈন্য যুদ্ধক্ষেত্ৰলৈ গৈছিল। অসংখ্য ভাৰতীয় যুৱকে যুদ্ধৰ বিবিধ কাৰ্য্যত দেশ-দেশান্তৰলৈ গৈছিল। ভাৰতবাসীয়ে ভাবিছিল যে তেওঁলোকৰ ন্যায্য দাবী বৃটিশ চৰকাৰৰ দ্বাৰা স্বীকৃত হ'ব আৰু যুদ্ধৰ শেষত অধিক উন্নত শাসন সংস্কাৰ লাভ কৰি অধিকতৰ ৰাজনৈতিক অধিকাৰ পাব।

১৯১৫ চনৰ কংগ্ৰেছৰ বোম্বাই অধিবেশনত সভাপতি সত্যেন্দ্ৰ প্ৰসন্ন সিংহই তেওঁৰ অভিভাষণত কৈছিল—"কংগ্ৰেছে যি যি শাসন ব্যৱস্থা দেশত প্ৰৱৰ্ত্তন কৰিব খোজে সি হৈছে জনসাধাৰণৰ বাবে, জনসাধাৰণৰ দ্বাৰা, জনসাধাৰণৰ শাসন।" এই অধিবেশনে মুছলীম লীগৰ লগত পৰামৰ্শ কৰি দেশৰ শাসন সংস্কাৰৰ এক খচৰা ৰচনা কৰিবৰ বাবে নিখিল ভাৰত কংগ্ৰেছ কমিটিক নিৰ্দেশ দিয়ে। ভাৰতীয় মুছলীমসকলে ইংৰাজৰ বিৰুদ্ধে বিক্ষুব্ধ হৈ উঠিছিল। তুৰস্কৰ তুৰ্কীসকলেও জাৰ্মানীৰ লগ লাগি ইংৰাজৰ বিৰুদ্ধাচৰণ কৰিছিল।

লোকমান্য তিলক সুদীৰ্ঘ ছয় বছৰ নিৰ্বাসন ভোগ কৰাৰ পিছত কাৰামুক্ত হৈ অদম্য উদ্যম আৰু উৎসাহেৰে পুনৰ ৰাজনীতি ক্ষেত্ৰত অৱতীৰ্ণ হয় আৰু এক প্ৰাণপূৰ্ণ বাণী ঘোষণা কৰে—"স্বাধীনতা আমাৰ জন্মগত অধিকাৰ"। পুনাত দিয়া এটা বক্তৃতাৰ কাৰণে চৰকাৰে তিলকক ৪০ হাজাৰ টকাৰ জামীনতহে মুক্ত কৰি ৰাখে। মাদ্ৰাজত শ্ৰীমতী এনি বেছান্ত আৰু তেওঁৰ দুজন সহকৰ্মীক আটক কৰি ৰাখে। বঙ্গদেশত ভাৰত ৰক্ষা আইনৰ বলত ১২০০ তকৈ অধিক যুৱকক

গ্ৰেপ্তাৰ কৰি ৰাখে। পঞ্জাবত ১০০০ তকৈ অধিক পঞ্জাবী আৰু শিখক এই আইনৰ বলত অন্তৰীণ কৰি ৰাখে। শান্তি আৰু শৃঙ্খলাৰ নামত ভাৰত চৰকাৰে ৰাজনৈতিক অপৰাধত গ্ৰেপ্তাৰ কৰা যুৱকসকলৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলাইছিল।

ইয়াৰ পিছত ১৯১৬ চনত ভাৰতীয় ব্যৱস্থাপক সভাত ১৯ জন বেচৰকাৰী হিন্দু-মুছলমান সদস্যই দেশৰ ভাবী শাসন পদ্ধতিৰ এক খচৰা প্ৰস্তুত কৰি সেই চনতেই কাউন্সিলত দাখিল কৰে। সেইখনেই হৈছে ভাৰত শাসন বিষয়ক ভাৰতীয় লোকসকলৰ দ্বাৰা প্ৰস্তুত কৰা প্ৰথম সাংবিধানিক খচৰা। ভাৰতীয় ব্যৱস্থাপক সভাৰ সদস্যসকলৰ দ্বাৰা ৰচিত খচৰাখনৰ ভিত্তিত ভাৰতৰ সংবিধানৰ খচৰা গৃহীত হয়। কংগ্ৰেছ আৰু মুছলীম লীগ উভয়ে মিলি এই সংবিধানৰ খচৰা গ্ৰহণ কৰে। হিন্দু-মুছলমানৰ এয়ে প্ৰথম আৰু শেষ সংবিধান ৰচনাৰ যৌথ প্ৰয়াস।

সেই সময়ত "কমৰেড" নামৰ এখন ইংৰাজী কাকত মৌলানা মহম্মদ আলীয়ে সম্পাদনা কৰিছিল। এই কাকতখনে ভাৰতৰ স্বাধীনতা দাবী কৰিছিল। সেই অপৰাধত কাকতৰ সম্পাদক মৌলানা মহম্মদ আলীক, তেওঁৰ ভায়েক মৌলানা চৌকৎ আলীক আৰু মৌলানা আবুল কালাম আজাদক বিনা বিচাৰে আটক কৰি ৰখা হয়। সেই সময়তে আলী ভাতৃদ্বয়, অন্যান্য মুছলমান নেতাসকল আৰু লগতে এনি বেছান্তৰ মুক্তিৰ বাবে প্ৰবল আন্দোলন আৰম্ভ হয়। দেশত চৰকাৰে "ভাৰত ৰক্ষা আইন" পাছ কৰায় আৰু সেই আইনৰ বলেৰে অসংখ্য লোকক বিনা বিচাৰে জেলত বন্দী কৰি ৰাখে। চৰকাৰে উৎপীড়নৰ বিৰুদ্ধে মাদ্ৰাজ হাইকোৰ্টৰ অবসৰপ্ৰাপ্ত বিচাৰপতি ছাৰ সুব্ৰমন্য আয়াৰে আমেৰিকাৰ যুক্তৰাষ্ট্ৰৰ তেতিয়াৰ প্ৰেছিডেণ্ট মিঃ উইলচনলৈ এখন দীঘলীয়া পত্ৰ লিখে। ভাৰতীয় প্ৰজাৰ এনে কাৰ্য্যৰ বৈধতা লৈ চৰকাৰী মহলত নানা প্ৰশ্ন উঠিছিল।

মহাযুদ্ধৰ পৰিস্থিতি অত্যন্ত জটিল হৈ উঠাত ভাৰতীয়সকলৰ ৰাজনীতিত নানান সমস্যাই দেখা দিয়ে। বৃটিশ আধিপত্য উচ্ছেদ কৰিবলৈ হিন্দু-মুছলমানৰ মিলনৰ ক্ষেত্ৰত যি আন্তৰিকতাৰ প্ৰয়োজন আছিল সেই আন্তৰিকতাৰ অভাৱ প্ৰদৰ্শন হৈছিল। কোনো কোনো কাকতে এনি বেছান্তৰ 'হোমৰুল লীগ'কো তীব্ৰভাবে আক্ৰমণ কৰিছিল। তেওঁলোকৰ অভিযোগ কংগ্ৰেছৰ লগত মুছলীম লীগ একত্ৰিত হলে মুছলমানৰ স্বাৰ্থ, সংখ্যাগৰিষ্ঠ হিন্দুৰ হাতত্তহে অৰ্পণ কৰা হ'ব। আনপিনে প্ৰতিক্ৰিয়াশীল হিন্দুসকলৰ এদলে কৈছিল যে কংগ্ৰেছে মুছলীম লীগৰ

লগত হাত মিলালে হিন্দুৰ জন্মগত আৰু ধৰ্মগত অধিকাৰ ক্ষুণ্ণ হ'ব। তেওঁলোকে বৰ্ণাশ্ৰম ধৰ্মৰক্ষাকেই ভাৰতৰ মুক্তিৰ বাবে শ্ৰেষ্ঠ পথ বুলি ভাবিছিল। এনে ধৰণৰ প্ৰচাৰে সাম্প্ৰদায়িক বাতাবৰণৰ সৃষ্টি কৰিছিল। ফলত কেতবোৰ ক্ষুদ্ৰ ঘটনাক কেন্দ্ৰ কৰি উত্তৰ ভাৰতৰ নানান ঠাইত হিন্দু-মুছলমানৰ সংঘৰ্ষ হয়। ১৯১৪ চনৰ পৰা ১৯১৭ চনলৈ পৃথিৱী বিয়পি চলা মহাযুদ্ধৰ ফলত দেশৰ দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকৰ আৰ্থিক অৱস্থা শোচনীয় হয়। সাম্ৰাজ্যবাদী শাসন আৰু শোষণৰ ফলত ভাৰতে বৃটিশ সাম্ৰাজ্যৰ বাবে কেঁচামাল উৎপাদন আৰু যোগান ধৰে আৰু নিজে বিদেশত তৈয়াৰী শিল্পজাত নিত্য ব্যৱহাৰ্য্য সামগ্ৰী ব্যৱহাৰ কৰে। যুদ্ধৰ বাবে জাহাজৰ অভাৱ, ৰেলপথো সীমিত। ফলত বিদেশলৈ মাল চালান দিয়াৰ চাহিদাৰ অভাৱত ৰপ্তানি দ্ৰব্যৰ কেঁচামালৰ দৰ কমি যায়। আনপিনে আন্তৰ্জাতিক অৰ্থনৈতিক কাৰণত বিদেশত তৈয়াৰী শিল্পজাত দ্ৰব্যৰ মূল্য অতি বেছি হয়। তেতিয়া ভাৰত বিলাতী কাপোৰৰ মুখাপেক্ষী। দেশত খাদ্যাভাৱ আৰু বস্ত্ৰাভাৱত লোকে অশেষ দুৰ্গতি ভোগে। জনসাধাৰণে ভাবিবলৈ ধৰে যে, এই অৱস্থাৰ একমাত্ৰ প্ৰতিকাৰ—বৃটিশ শাসনৰ পৰা ভাৰতক মুক্ত কৰা।

ঠিক এনে সময়তে ইংৰাজৰ মিত্ৰদলৰ অন্যতম দেশ ৰুচিয়াৰ অভ্যন্তৰত অন্তৰ্বিপ্লৱে দেখা দিয়ে। জাৰ্মানী তেতিয়া প্ৰবল শক্তিমান। বৃটিশৰ আশংকা আছিল কিজানি জাৰ্মানসকলে ভাৰত আক্ৰমণ কৰে। অৱশ্যে সেই সময়ত ভাৰতৰ এদল বিপ্লৱীয়েও জাৰ্মানসকলৰ লগত ষড়যন্ত্ৰত লিপ্ত নথকা নহয়। সেই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত বিলাতৰ পাৰ্লামেণ্টত ভাৰতৰ শাসন ব্যৱস্থা সম্পৰ্কে তীব্ৰ সমালোচনা চলে। তাৰ ফলত ছেমুৱেল মণ্টেগু ভাৰত সচিব পদত নিযুক্ত হয়।

ভাৰত সচিব নিযুক্ত হৈয়েই মণ্টেগুৱে সৈন্য বিভাগত ন জন ভাৰতীয়ক অতি উচ্চপদ দিয়ে। ইয়াৰ আগেয়ে সৈন্য বিভাগত কোনো ভাৰতীয়ই তেনে উচ্চপদ পোৱা নাছিল। ১৯১৭ চনৰ ২০ আগষ্টৰ দিনা বৃটিশ পাৰ্লামেণ্টত ভাৰত সচিব মণ্টেগুৱে এক ঘোষণাত কৈছিল যে ভাৰতৰ শাসন ব্যৱস্থাৰ প্ৰত্যেক ক্ষেত্ৰতে ভাৰতীয়সকলক সহযোগিতা কৰিবলৈ সুযোগ দি বৃটিশ সাম্ৰাজ্যৰ অবিচ্ছেদ্য অংশৰূপে ভাৰতবৰ্ষক ক্ৰমে দায়িত্বপূৰ্ণ শাসন প্ৰদান কৰিব লাগে। মণ্টেগু ভাৰতবৰ্ষত উপস্থিত হোৱাত তেওঁৰ ওচৰত ভাৰতৰ বিভিন্ন দল আৰু বিভিন্ন সম্প্ৰদায়ে নিজ নিজ আকাংক্ষাৰ কথা প্ৰকাশ কৰে। বেছিভাগৰেই আবেদন

আছিল তেওঁলোকৰ দল বা সমাজক ব্যৱস্থাপক সভাত স্বকীয়া প্ৰতিনিধিত্ব দিয়া। মাদ্ৰাজত অব্ৰাহ্মণ সমাজে "জাষ্টিচ দল" নাম দি স্বকীয়া নিৰ্বাচনৰ দাবী কৰে। মাদ্ৰাজৰ অব্ৰাহ্মণ সমাজক বিশেষকৈ হিন্দু সমাজৰ তথাকথিত অস্পৃশ্যসকলক উপেক্ষা কৰাৰ বাবেই "জাষ্টিচ দল"ৰ সৃষ্টি হয়। পঞ্জাবৰ শিখ সম্প্ৰদায়েও মণ্টেগুৰ ওচৰত স্বকীয়া নিৰ্বাচনৰ দাবী পেছ কৰে। ভাৰতত বিভিন্ন অনুষ্ঠান আৰু নৰমপন্থী নেতাসকলৰ লগত আলাপ-আলোচনা কৰি মণ্টেগুৱে বুজিব পাৰিছিল যে ভাৰতত জাতীয়তাবাদী দলৰেই প্ৰভাৱ সবাতোকৈ অধিক। তেওঁ ভাৰতৰ নৰমপন্থীসকলৰ, যি সকলৰ তেওঁৰ প্ৰস্তাৱিত শাসন সংস্কাৰৰ প্ৰতি সমৰ্থন আছে, সেই সকলৰ এটি অনুষ্ঠান সংগঠন কৰাত আগ্ৰহ প্ৰকাশ কৰে। মণ্টেগুৰ ইচ্ছামতেই কংগ্ৰেছৰ বাহিৰত 'জাতীয় উদাৰ নৈতিক পন্থী দল' নামে নৰমপন্থীসকলৰ এটি ৰাজনৈতিক অনুষ্ঠান সংগঠিত হয়। এই অনুষ্ঠানটোৱে বৃটিশৰ লগত আলাপ-আলোচনাৰ ভেটিত ভাৰতৰ শাসন সংস্কাৰ সাধন কৰাৰ পক্ষপাতী। এই সংঘৰ বিশিষ্ট নেতা আছিল—পণ্ডিত মদন মোহন মালব্য, চাৰ তেজ বাহাদুৰ ছাপ্ৰু, জয়াকৰ, সুৰেন্দ্ৰ নাথ বেনাৰ্জী প্ৰভৃতি।

ইংৰাজ চৰকাৰে যুদ্ধ চলি থকা সময়ত ভাৰতৰ বিপ্লৱবাদীসকলে চলোৱা ধ্বংসাত্মক আন্দোলনক দমন কৰাৰ উদ্দেশ্যে এক বিধি প্ৰণয়ন কৰাৰ কাৰণে এখন কমিটি নিয়োগ কৰে। সেই তদন্ত কমিটিৰ সভাপতি নিৰ্বাচিত হয় এজন ইংৰাজ বিচাৰক মিঃ ৰাউলাট। সেই কমিটিৰ প্ৰতিবেদন "ৰাউলাট এক্ট" বুলি অভিহিত। এই আইনমতে ভাৰতৰ আন্দোলনকাৰী সকলক বিনা বিচাৰে আটক কৰি ৰাখিবলৈ ইংৰাজ চৰকাৰে ক্ষমতা পাইছিল।

এনে সময়তে ভাৰতৰ ৰাজনীতিত গান্ধীজীৰ আবিৰ্ভাব হয়। দক্ষিণ আফ্ৰিকাৰ পৰা উঠি আহি গান্ধীজীয়ে দেশৰ সমস্যা উপলব্ধি কৰিবলৈ চেষ্টা কৰে। গান্ধীজীয়ে পৰীক্ষামূলকভাবে পোন প্ৰথমে বিহাৰৰ চম্পাৰণৰ "নীলকৰ" চাহাব সকলৰ দ্বাৰা অত্যাচাৰীত হোৱা কৃষকসকলক লৈ সত্যাগ্ৰহ আন্দোলন চলোৱা স্থিৰ কৰে। কিন্তু আন্দোলন আৰম্ভ কৰাৰ আগেয়ে চৰকাৰে এখন তদন্ত কমিটি নিয়োগ কৰি গান্ধীজীকো সেই কমিটিৰ এক অন্যতম সদস্যৰূপে মনোনীত কৰাত সত্যাগ্ৰহ আন্দোলন আৰু কৰিবলগীয়া নহ'ল। তদন্ত কমিটিৰ সুপাৰিশমতে আইনৰ সংস্কাৰ হোৱাত নীল কৃষকসকলৰ ওপৰত চলা অত্যাচাৰ নিবাৰিত হয়। তাৰ পিছত গান্ধীজীয়ে গুজৰাটত কৈৰা জিলাত কৃষকসকলৰ

খাজানা হ্রাস কৰাৰ দাবীত সত্যাগ্ৰহ আন্দোলন চলোৱাৰ থিৰ কৰে।

কেইবাবছৰো ধৰি খেতি নোহোৱাৰ কাৰণে তাৰ খেতিয়কসকলে অনাহাৰত থাকিবলগীয়া হয় আৰু চৰকাৰৰ ওচৰত খাজানা ৰেখাই দিবলৈ আবেদন জনায়। চৰকাৰে খাজানা মাফ দিবলৈ অস্বীকাৰ কৰাত গান্ধীজীয়ে সেই দাবীলৈ সত্যাগ্ৰহ আন্দোলন চলায়। অনেক শাস্তি নিৰ্য্যাতন কৰিও চৰকাৰে খাজানা আদায় কৰিব নোৱাৰাত চৰকাৰে আপোচ কৰিবলৈ বাধ্য হয়। তাৰ কিছুদিন পিচতেই আহমেদাবাদৰ কাপোৰৰ কলৰ মালিকে তাৰ বনুৱাসকলৰ ন্যায্য দাবী অগ্ৰাহ্য কৰাত গান্ধীজীয়ে বনুৱাসকলৰ দাবী সমৰ্থন কৰে আৰু পোনপ্ৰথম বাৰৰ বাবে ভাৰতত তেওঁৰ অনশন-অস্ত্ৰ প্ৰয়োগ কৰে। ফলত কলৰ মালিকে বনুৱাৰ দাবী মানি লয়। সেই সময়তে গান্ধীজীৰ চেষ্টাত আহমেদাবাদত "শ্ৰমিক সংঘ" প্ৰতিষ্ঠিত হয়।

ইতিমধ্যে, ১৯১৮ চনৰ দিল্লী নগৰীত হোৱা কংগ্ৰেছৰ সাধাৰণ অধিবেশনত প্ৰস্তাব লোৱা হয় যে যুদ্ধৰ সন্ধিচৰ্তৰ আলোচনা সভাত যোগ দিবলৈ ভাৰতৰ তৰফৰ পৰা কংগ্ৰেছৰ প্ৰতিনিধি আমন্ত্ৰণ জনাব লাগে। কিন্তু বৃটিশ চৰকাৰে সেই-প্ৰস্তাবৰ প্ৰতি কোনো কাণষাৰ দিয়া নাছিল। কংগ্ৰেছৰ আন এটি প্ৰস্তাৱত মণ্টেগু চাহাবৰ ভাৰতক দিব খোজা শাসন সংস্কাৰৰ প্ৰস্তাৱক হতাশাজনক বুলি অভিহিত কৰা হয়। ইয়াৰ পিছত বোম্বাইত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনত লোকমান্য তিলকে বৃটিশ চৰকাৰে দিয়া শাসন সংস্কাৰৰ প্ৰস্তাৱৰ ওপৰত সমালোচনা কৰি কৈছিল, "আমি মাত্ৰ আঠ অনা স্বায়ত্ব শাসনহে বিচাৰিছিলোঁ; কিন্তু তাৰ পৰিবৰ্তে এক অনা দায়িত্বহীন শাসনহে পালোঁ।" নৰমপন্থীসকলে এই শাসন সংস্কাৰৰ প্ৰস্তাৱটো গ্ৰহণ কৰাৰ সপক্ষে অভিমত ব্যক্ত কৰে। কিন্তু জাতীয়তাবাদী-সকলে সেই প্ৰস্তাৱৰ বিৰোধীতা কৰে।

চাৰি বছৰ তিনি মাহ যুদ্ধ চলাৰ পিছত ১৯১৮ চনৰ ১৮ নবেম্বৰৰ দিনা ইউৰোপত যুদ্ধ বিৰতি ঘোষিত হয়। যুদ্ধত জাৰ্মানীৰ পৰাজয় হয়, মিত্ৰপক্ষৰ জয় হয়। ভাৰ্চাই সন্ধিত জাৰ্মানীয়ে স্বাক্ষৰ কৰে। সেই যুদ্ধৰ সন্ধিৰ সৰ্ত আলোচনা কৰিবলৈ বৃটিশ সাম্ৰাজ্যৰ সকলো দেশৰ পৰা প্ৰতিনিধি আমন্ত্ৰণ কৰা হয়। ভাৰতৰ পৰা তিনিজন বৃটিশ চৰকাৰৰ মনোনীত ব্যক্তিক নিয়া হয়। তেওঁলোক হ'ল তেতিয়াৰ যুক্ত প্ৰদেশৰ গৱৰ্ণৰ চাৰ জন মেষ্ট, বিকানীৰৰ মহাৰজা আৰু চাৰ সত্যেন্দ্ৰ প্ৰসন্ন সিংহ।

যুদ্ধৰ অবসানত ভাৰতবাসীয়ে ইংৰাজ শাসন ব্যৱস্থাৰ ভিতৰতে এক বিৰাট

পৰিবৰ্তন আশা কৰিছিল। পৃথিৱীৰ অন্যতম শক্তিশালী ইংৰাজ জাতিয়ে যুদ্ধৰ বিপদ কালত প্ৰতিশ্ৰুতি দিছিল যে যুদ্ধৰ অবসানত ভাৰতৰ শাসনৰ দাবী স্বীকৃত হ'ব। ইংৰাজৰ এই প্ৰতিশ্ৰুতি অনুযায়ী স্বায়ত্বশাসন লাভ কৰাৰ আশাতে লক্ষাধিক ভাৰতবাসীয়ে বৃটিশ সাম্ৰাজ্য ৰক্ষাৰ্থে প্ৰাণ দিছিল, কোটি কোটি টকাৰে সাহায্য দিছিল। কিন্তু যুদ্ধত জয় লাভ কৰাৰ পিছত ইংৰাজে ভাৰতবাসীক দিলে "ৰাউলাত এক্ট", যিখনক গান্ধীজীয়ে "কলা আইন" বুলি আখ্যা দিছিল। গান্ধীজীয়ে ঘোষণা কৰিছিল "ৰাউলাট আইনে" ভাৰতবাসীৰ ন্যায়সঙ্গত অধিকাৰ আৰু জন্মগত স্বাভাবিক স্বাধীনতা লঙ্ঘন কৰিছে। গতিকে যেতিয়ালৈ এই অসঙ্গত আৰু অপমানজনক আইন প্ৰত্যাহৃত নহ'ব, সিমান দিনলৈ আমি ভাৰতবাসীয়ে ঐক্যবদ্ধভাবে এই আইনক স্বীকাৰ নকৰিম ; বৰং আমি শান্তিপূৰ্ণভাৱে এই আইনৰ প্ৰয়োগত বাধা প্ৰদান কৰিম।" গান্ধীজীৰ এই ঘোষণাক সমগ্ৰ ভাৰতবাসীয়ে শ্ৰদ্ধাৰে গ্ৰহণ কৰে আৰু জাতীয় সংগ্ৰামৰ পথলৈ সত্যাগ্ৰহ আন্দোলনেৰে পদক্ষেপ কৰে।

১৯১৯ চনৰ ৬ এপ্ৰিল তাৰিখে ভাৰতৰ সকলো ঠাইত 'হৰতাল' পালন কৰিবলৈ গান্ধীজীয়ে আহ্বান জনায়। গান্ধীজীৰ নিৰ্দেশ আছিল সেইদিনা যেন ৰাইজে উপবাসে থাকে আৰু দোকান-বজাৰ আদি বন্ধ ৰাখে। দিল্লীত হৰতালৰ দিনা পুলিচৰ লগত সংঘৰ্ষ হোৱাত পুলিচৰ গুলিত আঠজন লোক নিহত আৰু অনেক লোক আহত হয়। যানবাহন চলাচল বন্ধ হয়। স্কুল-কলেজ অচল হয় আৰু কাৰখানা আদিৰ শ্ৰমিক সকলে এই হৰতালত অংশগ্ৰহণ কৰি হৰতালক সাফল্যমণ্ডিত কৰে। সেইদিনা এই কথা স্পষ্টভাৱে প্ৰমাণিত হয় যে জাগ্ৰত জনতাৰ দ্বাৰাহে বিপ্লৱ সম্ভৱ। গণসংযোগৰ দ্বাৰা গণআন্দোলন সৃষ্টি কৰিব নোৱাৰিলে বিপ্লৱে কেতিয়াও সাফল্য লাভ কৰিব নোৱাৰে। সেই সময়ত হিন্দু-মুছলমান ৰাইজৰ মাজত প্ৰীতিৰ মনোভাব আছিল। সেইদিনা দিল্লীৰ গোলমালৰ সময়ত স্বামী শ্ৰদ্ধানন্দই দিল্লীৰ বিখ্যাত জুম্মা মছজিদৰ পৰা বক্তৃতা দি উত্তেজিত ৰাইজক অৰ্থাৎ হিন্দু-মুছলমান উভয়কে শান্ত কৰে।

দিল্লীৰ সংঘৰ্ষৰ উমান পাই গান্ধীজীয়ে উদ্বিগ্ন হৈ বোম্বাইৰ পৰা দিল্লীলৈ যাত্ৰা কৰে কিন্তু তেওঁক দিল্লী প্ৰবেশৰ নিষেধাজ্ঞা দিয়া হয়। গান্ধীজীক পুলিচে গ্ৰেপ্তাৰ কৰা বুলি দিল্লীত প্ৰচাৰ হয়। ইয়াৰ ফলতেই দিল্লীত হৰতাল হয় আৰু পুলিচে গুলি চলায়। উত্তৰ ভাৰতৰ আন আন ঠাইত হৰতাল অনুষ্ঠিত হয়। বোম্বাই প্ৰদেশৰ আহমেদাবাদত শ্ৰমিকসকলৰ মাজত গভীৰ উদ্বেগৰ সৃষ্টি হয় আৰু চৰকাৰে

সামৰিক আইন জাৰি কৰে। কলিকতাত পুলিচে গুলি চলায় আৰু পাঁচজন লোক নিহত আৰু দহ-বাৰজন আহত হয়।

পঞ্জাৱতো সত্যাগ্ৰহ আন্দোলন বিস্তৃত হৈছিল। যুদ্ধৰ সময়ত গৱৰ্ণৰ ছাৰ মাইকেল ওডায়াৰে সৈন্য আৰু যুদ্ধৰ কাৰণে ধন সংগ্ৰহ কৰা পঞ্জাৱীসকলৰ ওপৰত বিশেষ অত্যাচাৰ আৰু জুলুম কৰিছিল। লাহোৰ ষড়যন্ত্ৰ মোকৰ্দমাত শ শ-পঞ্জাৱী আৰু শিখৰ ওপৰত অবৰ্ণনীয় অত্যাচাৰ চলাইছিল। অথচ যুদ্ধৰ সময়ত ইংৰাজৰ হকে খোৰাক হৈছিল এই পঞ্জাৱীসকলেই। ইংৰাজসকলৰ ব্যৱহাৰত পঞ্জাৱী সকলৰ মনত ভীষণ ক্ষোভৰ সৃষ্টি হৈছিল। ১৯১৯ চনৰ ৯ এপ্ৰিলৰ দিনা লাহোৰৰ ডেপুটি কমিচনাৰ ড° সত্যপাল আৰু ড° কিচলুক নিজৰ ঘৰলৈ মাতি নি গোপনে গোপনে আটক কৰে। অমৃতসৰৰ মানুহৰ মাজত তীব্ৰ উত্তেজনাৰ সৃষ্টি হয়। উত্তেজিত জনতাই এই নেতাসকলৰ মুক্তিৰ দাবী জনাই ডেপুটি কমিচনাৰৰ বঙলালৈ শোভাযাত্ৰা কৰি যায়। এই শোভাযাত্ৰীসকল আটায়ে নিৰস্ত্ৰ আছিল। সেই সময়ত নিৰস্ত্ৰ জনতাৰ ওপৰত গুলি চলায়। এই গুলি চালনাৰ ফলস্বৰূপে জনতাই টেলিগ্ৰাফ অফিচ, ৰেলৰ মাল গুদাম আদি ভাঙে আৰু বেঙ্ক এটাত জুই লগাই দিয়ে। পঞ্জাৱৰ ভিতৰত অমৃতসৰতেই আন্দোলনৰ গতি তীব্ৰ হৈছিল। এই ঘটনালৈয়েই পঞ্জাৱৰ গৱৰ্ণৰ ওডায়াৰে গৱৰ্ণৰ জেনেৰেলৰ অনুমতি লৈ পঞ্জাৱত সামৰিক আইন জাৰি কৰে। ১৯১৯ চনৰ ১৩ এপ্ৰিলত জালিয়ানৱালাবাগত হিন্দু, মুছলমান, শিখ আদি নিৰস্ত্ৰ লোকসকলক জেনেৰেল ডায়াৰৰ আদেশ অনুযায়ী গুলি চলোৱা হয়। তাৰ ফলত প্ৰায় ১৩ হাজাৰ লোকৰ মৃত্যু হয়।

১৯১৯ চনত পঞ্জাৱৰ অমৃতসৰত অনুষ্ঠিত হোৱা ভাৰতীয় জাতীয় মহাসভা কংগ্ৰেছৰ বছৰেকীয়া অধিবেশন উল্লেখযোগ্য। এই সভাত সভাপতিত্ব কৰিছিল পণ্ডিত মতিলাল নেহৰুৱে; আৰু ভাৰতৰ ছয় হাজাৰ প্ৰতিনিধি, ডেৰ হাজাৰ কৃষক আৰু মজদুৰক লৈ ত্ৰিশ হাজাৰতকৈ অধিক দৰ্শক আছিল। এই সভাত গৱৰ্ণৰ জেনেৰেল লৰ্ড চেমচ্‌ফোৰ্ডক বিলাতলৈ ঘূৰাই নিয়াৰ দাবী জনোৱা হয়। মণ্টেগু চেমচ্‌ফোৰ্ড শাসন সংস্কাৰক অসন্তোষজনক আৰু নৈৰাশ্যজনক বুলি অভিহিত কৰা হয়। ইয়াৰ উপৰিও পঞ্জাৱৰ গৱৰ্ণৰ ছাৰ মাইকেল ও ডায়াৰক কাৰ্যভাৰৰ পৰা অবসৰ দিয়াৰ দাবী জনোৱা হয় আৰু ৰাউলাট আইন প্ৰত্যাহাৰ কৰিবলৈও দাবী জনোৱা হয়। কিন্তু ১৯১৯ চনৰ ২৩ ডিচেম্বৰৰ দিনা মণ্টেগু চেমচ্‌ফোৰ্ড ৰিপৰ্ট অনুযায়ী ভাৰত সংস্কাৰৰ আইন বৃটিশ পাৰ্লামেণ্টত গৃহীত হয়। এই আইনক বোলা হয় "মণ্টেগু চেমচ্‌ফোৰ্ড্‌ৰ ভাৰত সংস্কাৰ আইন"।

## খিলাফৎ আন্দোলন

প্ৰথম মহাসমৰৰ অৱসানৰ পিছত খিলাফৎ আন্দোলনে ভাৰতৰ মুক্তি যুঁজত ভালেখিনি বৰঙণি যোগায়। তুৰ্কীৰ চুলতান মুছলমান জগতৰ ধৰ্মগুৰু বা খলিফা। ভাৰতবৰ্ষৰ মুছলমান সকলেও তুৰস্কৰ চুলতানক তেওঁলোকৰ ধৰ্মীয় গুৰু অৰ্থাৎ খলিফা হিচাপে মানি আহিছিল। প্ৰথম মহাসমৰত তুৰস্কই মিত্ৰশক্তিৰ বিৰুদ্ধে যোগদান কৰাত ভাৰতীয় মুছলমানসকলে কিছুমান দুশ্চিন্তাৰ সন্মুখীন হ'ব লগা হয়। তুৰস্কৰ চুলতানৰ প্ৰতি তেওঁলোকে ধৰ্মীয় আনুগত্য প্ৰকাশ কৰিছিল। আনফালে ইংৰাজসকলৰ ওচৰত তেওঁলোকে ৰাজনৈতিক আনুগত্য স্বীকাৰ কৰিছিল। তথাপি ভাৰতীয় মুছলমানসকলে মহাযুদ্ধৰ সময়ত ইংৰাজকে সহায় কৰিছিল। বৃটিশ সাম্ৰাজ্য ৰক্ষাৰ বাবে ভাৰতীয় মুছলমানৰ একসংখ্যক লোকে নিজ ধৰ্মাৱলম্বী তুৰ্কীৰ বিৰুদ্ধে যুদ্ধ কৰিছিল আৰু তুৰ্কীক পৰাজয় কৰাত সহায় কৰিছিল। কিন্তু সেই বুলি খলিফাৰ ৰাজ্য ধ্বংস কৰিবলৈ আৰু ৰাজসন্মান ক্ষুণ্ণ কৰিবলৈ মুছলমান-সকলে সহায় কৰা নাছিল। ইংলণ্ডেও তুৰস্কৰ ওপৰত প্ৰতিশোধ নলব বুলি আৰু থ্ৰচ (Thruce) আৰু এচিয়ামাইনৰ অংশ আনক নিদিব বুলি আশ্বাস দিছিল। কিন্তু যুদ্ধ শেষ হোৱাৰ পিছত ইংৰাজ চৰকাৰে এই আশ্বাস পালন কৰা নাছিল।

১৯২০ চনৰ ১৪ মে'ৰ দিনা ভাৰ্চাই সন্ধিৰ চৰ্ত প্ৰকাশিত হয়। সেই সন্ধিৰ চৰ্ত অনুযায়ী ইউৰোপীয় তুৰ্কীৰ অধিকভাগ গ্ৰীচক দিয়া হয়। এচিয়ামাইনৰৰ সাৰুৱা অঞ্চল ইংলেণ্ড আৰু ফ্ৰান্সৰ মাজত অধিদেশাধীন ৰাজ্য হিচাপে ভগাই লোৱা হয়। এইবোৰ দেখি ভাৰতীয় মুছলমানসকল বিক্ষুব্ধ হয় আৰু তেওঁলোকে অনুভৱ কৰে যে ইছলাম জগতৰ খলিফাৰ সাম্ৰাজ্য ভাঙি খলিফাৰ সন্মান হানি কৰা হৈছে আৰু তাৰ বাবে ইংৰাজেই দায়ী। গতিকে তাৰ প্ৰতিবিধান কৰা উচিত। তুৰস্ক সাম্ৰাজ্যৰ অখণ্ডতা ৰক্ষা কৰিবলৈ আৰু সম্ৰাটক খলিফাৰ পদত অধিষ্ঠিত কৰি ৰাখিবলৈ আন্দোলন চলাবলৈ তেওঁলোক দৃঢ়প্ৰতিজ্ঞ হয়। এই আন্দোলনেই খিলাফৎ আন্দোলন হিচাপে জনাজাত।

মহাত্মা গান্ধীয়ে আৰম্ভণিৰে পৰা এই খিলাফৎ আন্দোলনৰ প্ৰতি সমৰ্থন জনাইছিল। গান্ধীজীয়ে ভাৰতীয় মুছলমানসকলৰ খিলাফতৰ দাবীক ন্যায্য আৰু ধৰ্মসঙ্গত দাবী বুলি অভিহিত কৰে। গান্ধীজীৰ যুক্তি আছিল ধৰ্ম যেতিয়া বিপন্ন, সি হিন্দু ধৰ্মই হওঁক বা মুছলমান ধৰ্মই হওঁক, তেনেস্থলত তাক সহায় কৰা একান্ত

কৰ্তব্য। ই হিন্দু মুছলমানৰ এক জাতীয়ত্ব দাবীৰ নহয়। ই হৈছে প্ৰতিবেশী লোকৰ ধৰ্মৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন। গান্ধীজীয়ে নিজৰ অন্তৰৰ আলোকেৰে ইয়াক সত্য বুলি গ্ৰহণ কৰিলে। খিলাফৎ দলৰ নেতা মৌলানা মহম্মদ আলীয়ে গান্ধীজীৰ লগত সাক্ষাৎ কৰি খিলাফৎ সম্পৰ্কে সাহায্যৰ অনুৰোধ জনোৱাত গান্ধীজীয়ে তেওঁৰ পৰিকল্পিত সত্যাগ্ৰহ আন্দোলনৰ লগত খিলাফৎ আন্দোলনক ভাৰতৰেই আন্দোলন বুলি ঘোষণা কৰে। তাৰোপৰি, হিন্দু আৰু মুছলমান-সকলৰ মাজত একতাৰ ভাব সৃষ্টি কৰিবলৈ এইটো আছিল এটা উত্তম সুযোগ। সেয়েহে তেওঁ হিন্দুসকলক এই আন্দোলনত যোগ দি মুছলমানসকলৰ দৰকাৰৰ সময়ত তেওঁলোকক সহায় কৰিবলৈ আহ্বান জনাইছিল। মহাত্মা গান্ধীৰ উপদেশমতে মুছলমানসকলৰ দাবীবোৰ গৱৰ্ণৰ জেনেৰেলৰ ওচৰত উত্থাপন কৰাৰ উদ্দেশ্যে ডাঃ আনচাৰীৰ নেতৃত্বত এটা সম্প্ৰাতি দল পঠোৱা হৈছিল। কিন্তু ইয়াৰ পৰা কোনো উপকাৰ নহ'ল। ১৯২০ চনৰ মাৰ্চ মাহত মৌলানা মহম্মদ আলী আৰু চৌকৎ আলীয়ে ইংলণ্ডৰ চৰকাৰৰ ওচৰত তেওঁলোকৰ অভিযোগ উত্থাপন কৰাৰ কাৰণে বিলাতলৈ যায়। কিন্তু তেওঁলোকেও খালি হাতেৰেই ঘূৰি আহিব লগা হয়। সেইবাবে তেওঁলোকক মহাত্মা গান্ধীয়ে চৰকাৰৰ বিৰুদ্ধে অসহযোগ আন্দোলন কৰিবলৈ উপদেশ দিয়ে। খিলাফৎ কমিটিয়ে ১৯২০ চনৰ মে' মাহৰ ২৮ তাৰিখে এই উপদেশ গ্ৰহণ কৰে। ১৯২০ চনৰ চেপ্তেম্বৰ মাহত কলিকতাত জাতীয় কংগ্ৰেছৰ বিশেষ অধিবেশন বহে আৰু এই অধিবেশনত অসহযোগ আন্দোলন চলোৱাৰ সিদ্ধান্ত লোৱা হয়। পঞ্জাবত কৰা অন্যায় আৰু মুছলমানসকলৰ প্ৰতি কৰা অবিচাৰৰ ফলতেই এইদৰে অসহযোগ আন্দোলনৰ জন্ম হয়। এইদৰে খিলাফৎ আন্দোলনে অসহযোগ আন্দোলন চলোৱাত ভালেখিনি বৰঙণি যোগায়।

# অসহযোগ আন্দোলন

১৯২০ চনৰ চেপ্তেম্বৰ মাহত লালা লাজপত ৰায়ৰ সভাপতিত্বত কলিকতা মহানগৰীত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ এক বিশেষ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনত ২০ হাজাৰতকৈ অধিক প্ৰতিনিধি আৰু দৰ্শকে যোগদান কৰে। এই অধিবেশনত মহাত্মা গান্ধীয়ে কংগ্ৰেছৰ গতিধাৰাৰ আমূল পৰিবৰ্তন সূচনা কৰে। মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত থকা সময়ছোৱাৰ ভিতৰত অসহযোগ, সত্যাগ্ৰহ, অহিংসা আদি নীতিৰ ব্যৱহাৰ কৰি কৃতকাৰ্য্যতা লাভ কৰিছিল। এনে অৱস্থাত গান্ধীৰ নিচিনা নেতা এজনৰ নেতৃত্বত এনেকুৱা আন্দোলন চলোৱাত বিশেষ অসুবিধা নাছিল। এই অধিবেশনত গান্ধীজীয়ে চৰকাৰৰ লগত দেশৰ জনসাধাৰণৰ অসহযোগ আন্দোলনৰ প্ৰস্তাৱ উত্থাপন কৰে।

মহাত্মা গান্ধীয়ে আগবঢ়োৱা এই প্ৰস্তাৱৰ গুৰিতেই কেইবাটাও কাৰণ দৰ্শাব পাৰি। ১৯১৯ চনত যি পৰিষদ আইন চৰকাৰে গ্ৰহণ কৰিছিল, সেই আইনে ভাৰতবাসীৰ আশা-আকাঙ্ক্ষা পূৰণ কৰিব পৰা নাছিল। 'ৰাউলাট বিলৰ' দ্বাৰা ভাৰত প্ৰতিৰক্ষা আইনৰ নিচিনা দমনমূলক বিধি-বিধান প্ৰয়োগ কৰা হৈছিল। ৰাউলাট বিলৰ প্ৰতিবাদ জনোৱাৰ ফলত জালিয়ানৱালাবাগৰ হত্যাকাণ্ড সংঘটিত হয়। মুছলমানসকলৰ ওপৰত কৰা অবিচাৰে ভাৰতীয় লোকৰ মনত অশান্তিৰ মাত্ৰা বঢ়াইছিল। এনেবোৰ পৰিস্থিতিত কংগ্ৰেছৰ কাৰণে অসহযোগ আন্দোলনৰ সিদ্ধান্ত লোৱা সহজ হৈ উঠিছিল।

মহাত্মা গান্ধীৰ বিশ্বাস আছিল যে হিন্দুসকলে যিহেতু মুছলমানসকলৰ খিলাফৎ আন্দোলনৰ প্ৰতি সমৰ্থন জনাইছে, মুছলমানসকলে নিশ্চয় অসহযোগ আন্দোলনত যোগদান কৰিব। গতিকে অসহযোগ আন্দোলনৰ কাৰণে প্ৰস্তাৱ লোৱা এইয়ে উপযুক্ত সময়। কিন্তু এই সময়ত উগ্ৰপন্থীসকলে কংগ্ৰেছৰ নেতৃত্ব বহন কৰিছিল। সেই অধিবেশনৰ সভাপতি লাজপৎ ৰায়ৰ এই প্ৰস্তাৱৰ প্ৰতি সহানুভূতি নাছিল। আনকি দেশভক্ত চিত্তৰঞ্জন দাস, বিপিনচন্দ্ৰ পাল, পণ্ডিত মদনমোহন মালব্য, এনি বেছান্ত, জিন্না আদিয়ে এই প্ৰস্তাৱৰ বিৰোধিতা কৰিছিল। অসহযোগ আন্দোলনৰ প্ৰস্তাৱৰ ওপৰত চাৰিদিন ধৰি বাদ-প্ৰতিবাদ চলে। গতিকে গান্ধীয়ে এই প্ৰস্তাৱ গ্ৰহণ কৰাৰ কাৰণে অশেষ কষ্ট কৰিবলগীয়া হয়।

অৱশেষত, মহাত্মাজীৰ প্ৰস্তাৱ বিপুল ভোটাধিক্যত গৃহীত হয়। প্ৰস্তাৱৰ পক্ষে আছিল ১৮৮৬ জন আৰু বিপক্ষে আছিল ৮৮৪ জন। এই প্ৰস্তাৱ অনুসৰি মণ্টেগু চেমচ্‌ফোৰ্ড শাসন সংস্কাৰ বৰ্জন কৰি অসহযোগ আন্দোলন চলাব লাগে। এই সংগ্ৰামৰ অস্ত্ৰ হ'ব অসহযোগ আন্দোলন। চৰকাৰৰ লগত সংযোগ বৰ্জন কৰা বিষয়ে যথেষ্ট আলোচনাৰ পিচত সিদ্ধান্ত হয় যে,

(১) চৰকাৰী উপাধি আৰু অবৈতনিক চাকৰী ত্যাগ কৰা,

(২) চৰকাৰী সভাসমিতি, দৰবাৰ আদিত যোগদান নকৰা,

(৩) চৰকাৰী স্কুল, কলেজ বা চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয় বৰ্জন কৰা আৰু নতুন জাতীয় বিদ্যালয় স্থাপন কৰা,

(৪) ব্যাৰিষ্টাৰ, উকীল, মুক্তিয়াৰ সকলে তেওঁলোকৰ ব্যৱসায় ত্যাগ কৰি চালিচি আদালত বা পঞ্চায়ত গঠন কৰা,

(৫) সামৰিক লোকসকলে, কেৰাণীসকলে আৰু মজদুৰসকলে মেচোপটেমিয়াত চাকৰি ল'বলৈ অস্বীকাৰ কৰা,

(৬) নতুন শাসন সংস্কাৰ অনুযায়ী ব্যৱস্থাপক সভাৰ নিৰ্বাচন বৰ্জন কৰা, কংগ্ৰেছৰ প্ৰস্তাৱ উপেক্ষা কৰি নিৰ্বাচনত অৱতীৰ্ণ হোৱা প্ৰাৰ্থীক ভোটদাতা বাইজে যাতে ভোট নিদিয়ে তাৰ বাবে চেষ্টা চলোৱা।

ইয়াৰ আগেয়ে গান্ধীজীয়ে ঘোষণা কৰিছিল যে ১৯২০ চনৰ আগষ্টৰ ভিতৰত যদি বৃটিশ চৰকাৰে খিলাফৎ সম্পৰ্কে সুবিচাৰ নকৰে, তেন্তে তেওঁ দেশত অসহযোগ আন্দোলন চলাবলৈ আহ্বান জনাব। ইয়াৰ আগৰ বছৰত সত্যাগ্ৰহ আন্দোলন গান্ধীজীয়ে বন্ধ কৰি দিছিল। তাৰ কাৰণ হৰতাল আদি বিষয়ক কেন্দ্ৰ কৰি প্ৰায়েই হিন্দু অসহযোগী আৰু মুছলমান অসহযোগ বিৰোধী সকলৰ মাজত বিৰোধ ঘটিছিল। ফলত সত্যাগ্ৰহ বিপদগ্ৰস্ত হৈছিল। কিন্তু আচৰিত কথা যে খিলাফৎ আন্দোলনত দেশবাসীক যোগদান কৰিবলৈ গান্ধীজীয়ে আহ্বান জনোৱাৰ কিছু পিছত তুৰ্কীসকলে নিজেই ধৰ্মগুৰু খলিফাৰ পদ উঠাই দিয়ে আৰু তাৰ পৰিবৰ্তে তুৰ্কীত আধুনিক শাসন সংবিধান প্ৰবৰ্তন কৰা হয়। তুৰস্কত মুছলমানসকলেই খলিফাৰ বিৰুদ্ধে প্ৰবল আন্দোলন চলায়। খিলাফৎ আন্দোলনক ভাৰতৰ ৰাজনৈতিক মুক্তি আন্দোলনৰ লগত লগ লগোৱাৰ ফলত ভাৰতৰ ভবিষ্যত ৰাজনীতিয়ে জটিল আকাৰ ধাৰণ কৰা বুলি অনেকে মন্তব্য কৰিছিল।

১৯২০ চনৰ চেপ্তেম্বৰৰ পৰা ডিচেম্বৰলৈ দেশৰ সমগ্ৰ জনসাধাৰণৰ মাজত

অসহযোগ সম্পৰ্কে বিশেষ আলোচনা চলিবলৈ ধৰে। ১৯২০ চনৰ কংগ্ৰেছ অধিবেশনত কংগ্ৰেছৰ লক্ষ্য আৰু কংগ্ৰেছৰ গঠনতন্ত্ৰ সংশোধন কৰা হয়। কংগ্ৰেছৰ আদৰ্শ এনেদৰে স্থিৰ হয়: "সকলো প্ৰকাৰ বৈধ আৰু নিৰুপদ্ৰৱ উপায়েৰে স্বৰাজ লাভ কৰা আৰু তাৰ বাবে দেশৰ সকলো অধিবাসীকেই সেই সাধনাৰ দীক্ষাত দীক্ষিত কৰাই ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ ইপ্সিত লক্ষ্য।" কংগ্ৰেছৰ গঠনতন্ত্ৰ সম্পৰ্কে স্থিৰ হয়,—সমগ্ৰ ভাৰতক ২১খন ৰাজ্যত বিভক্ত কৰা, পঞ্চাশ হাজাৰ জনসাধাৰণৰ পৰা এজনকৈ প্ৰতিনিধি নিখিল ভাৰত কংগ্ৰেছ কমিটিলৈ নিৰ্বাচন কৰা।

সেই বছৰতে ডিচেম্বৰ মাহত নাগপুৰত বহা কংগ্ৰেছৰ সাধাৰণ সভাত সভাপতিত্ব কৰে প্ৰাচীন কংগ্ৰেছ নেতা শ্ৰীবিজয় ৰাঘৱ আচাৰীয়াই। এই অধিবেশনত ভাৰতৰ প্ৰখ্যাত ব্যাৰিষ্টাৰ শ্ৰীচিত্তৰঞ্জন দাসে অসহযোগ আন্দোলনৰ প্ৰস্তাৱ উত্থাপন কৰে। সেই প্ৰস্তাৱক সমৰ্থন কৰে লালা লাজপৎ ৰায়ে। বিপুল উৎসাহ আৰু উদ্দীপনাৰ মাজত এই প্ৰস্তাৱ গৃহীত হয়। এই অধিবেশন অতি তাৎপৰ্য্যপূৰ্ণ। কিয়নো, এই সময়লৈকে কংগ্ৰেছে বৃটিশ সাম্ৰাজ্যৰ ভিতৰতে শাসনৰ দাবী কৰি আছিল। কিন্তু এই অধিবেশনত স্বায়ত্ব শাসনৰ পৰিবৰ্তে স্বৰাজ লাভেই কংগ্ৰেছৰ উদ্দেশ্য হিচাপে গ্ৰহণ কৰা হয়। এই সিদ্ধান্তত চৰমপন্থীসকল সন্তুষ্ট হয়। মহাত্মা গান্ধীয়ে সম্ভৱ হলে বৃটিশ সাম্ৰাজ্যৰ ভিতৰত থাকি আৰু দৰকাৰ হলে বৃটিশ সাম্ৰাজ্যৰ বাহিৰত স্বৰাজ লাভৰ সিদ্ধান্ত লয়। তাৰোপৰি এই সময়লৈ কংগ্ৰেছে তেওঁলোকৰ উদ্দেশ্য সাধনৰ কাৰণে সকলোবোৰ শান্তিপূৰ্ণ আৰু বৈধ ব্যৱস্থা লোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গান্ধীজীয়ে ভাৰতীয় জাতীয় কংগ্ৰেছক সংগ্ৰামৰ মন্ত্ৰত দীক্ষা দান কৰে। দেশৰ এই মহান নেতাজনে দ্বিধাহীন কণ্ঠে ঘোষণা কৰে—"অসহযোগ আন্দোলনৰ অৰ্থ হৈছে,—আৰোপিত শাসন ব্যৱস্থাৰ লগত সৰ্বতোপ্ৰকাৰে অসহযোগ কৰা।"

ভাৰতৰ এই স্বাধীনতা আন্দোলন ভাৰতৰ জাতীয় কংগ্ৰেছৰ পতাকাৰ তলত গান্ধী নেতৃত্বৰ দ্বাৰাই পৰিচালিত হৈছিল। এই মহান নেতা গৰাকীৰ আহ্বানত সমগ্ৰ জাতিয়ে সহাঁৰি দিছিল। সেই বৈপ্লৱিক আহ্বানত সহযোগিতা আগবঢ়ায় প্ৰাণ প্ৰাচুৰ্য্যেৰে সমৃদ্ধ যুৱক আৰু ছাত্ৰ সমাজ। স্কুল কলেজৰ ওপৰত পৰে প্ৰথম আহ্বান। তৰুণ কণ্ঠত ঘোষিত হয়: "গোলামখানাৰ গোলামী শিক্ষা নালাগে আমাক, নালাগে আমাক।" কংগ্ৰেছ অনুমোদিত প্ৰস্তাৱবোৰক কাৰ্য্যত পৰিণত

কৰিবলৈ অসংখ্য ডেকা কৰ্মীৰ প্ৰয়োজন আছিল। মহাত্মা গান্ধীৰ আহ্বানত স্কুল-কলেজৰ হাজাৰ হাজাৰ ছাত্ৰই বিদ্যালয় ত্যাগ কৰি অসহযোগ আন্দোলনত যোগদান কৰিছিল। এই অসহযোগ আন্দোলনৰ সময়তেই ভাৰতৰ বিভিন্ন স্থানত "নেশ্যনেল স্কুল" বা "জাতীয় বিদ্যালয়" প্ৰতিষ্ঠিত হৈছিল। ভাৰতীয় ছাত্ৰ-ছাত্ৰীৰ শিক্ষাৰ কাৰণে "কাশী বিদ্যাপীঠ", "গুজৰাট বিদ্যাপীঠ", "বিহাৰ বিদ্যাপীঠ", "মুছলীম বিদ্যালয়" আদিৰ নিচিনা জাতীয় শিক্ষা প্ৰতিষ্ঠানৰ সৃষ্টি হৈছিল।

আইনজীৱি সমাজেও আদালত বৰ্জন কৰিলে। চিত্তৰঞ্জন দাস, মতিলাল নেহৰু, জৱাহৰলাল নেহৰু, লাজপৎ ৰায়, বল্লভভাই পেটেল, ৰাজেন্দ্ৰ প্ৰসাদ আদিৰ নিচিনা লোকসকলে ওকালতি ব্যৱসায় ত্যাগ কৰি এই আন্দোলনত যোগ দিয়ে। মহাত্মা গান্ধীয়ে তেওঁক দিয়া কেশৰী-ই-হিন্দ উপাধী প্ৰত্যাখ্যান কৰে। অসহযোগ আন্দোলনৰ সময়ত হিন্দু আৰু মুছলমানৰ মাজত মিলাপ্ৰীতিৰ ভাব গঢ়ি উঠিছিল। মহম্মদ আলী, চৌকৎ আলী, মৌলানা আবুল কালাম আজাদ, ডাঃ আনচাৰী আদিৰ নিচিনা মুছলমান নেতাসকলেও অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰে।

নাগপুৰৰ প্ৰস্তাৱ অনুসৰি ভাৰতৰ সকলো ঠাইতে স্বেচ্ছাসেৱক বাহিনী গঠন কৰা হৈছিল। তাৰ আগৰে পৰা খিলাফৎ কমিটিয়ে "খিলাফৎ ভলণ্টিয়াৰ" গঠন কৰি, মূৰত তুৰ্কী ফেজ লগাই, প্ৰত্যক্ষ সংগ্ৰামৰ বাবে প্ৰস্তুত হৈছিল। কংগ্ৰেছ আৰু খিলাফতৰ স্বেচ্ছাসেৱকসকলক জাতীয় স্বেচ্ছাসেৱকৰূপে অভিহিত কৰা হৈছিল। এই কৰ্মীসকলৰ অধিক সংখ্যকেই আছিল স্কুল-কলেজৰ ছাত্ৰ আৰু যুৱক। কংগ্ৰেছত ৪০ লাখ স্বেচ্ছাসেৱকে যোগদান কৰে।

ভাৰতীয় কংগ্ৰেছ মহাসভা ইমানদিনে আছিল ভাৰতৰ উচ্চমধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত বিলাসৰ ৰাজনৈতিক আলোচনাৰ ক্ষেত্ৰমাত্ৰ। কিন্তু গান্ধীজীৰ নেতৃত্বত ই বিপ্লৱাত্মক ৰূপ ধাৰণ কৰে। আদালতৰ সন্মুখত পিকেটিং আৰম্ভ হ'ল; বিলাতী বস্তুৰ দোকানৰ সন্মুখত আৰু আফিং, ভাং, মদ আৰু বিলাতী বস্ত্ৰৰ দোকানৰ সন্মুখত পিকেটিং হ'ল। বিবাদীসকলে আদালত পৰিত্যাগ কৰে। জাতিয়ে বিচাৰিলে পঞ্চায়তী বিচাৰ। ব্যৱস্থাপক পৰিষদক জাতিয়ে বৰ্জন কৰিলে। কংগ্ৰেছে সমগ্ৰ জাতিৰ প্ৰতিনিধিত্ব দাবী কৰি সমগ্ৰ জাতিৰ ওচৰত আবেদন জনালে এক কোটি সদস্যৰ সংগ্ৰহৰ বাবে আৰু দুই কোটি

টকাৰ বাবে। গ্ৰামৰ পৰা গ্ৰামান্তৰলৈ অসহযোগৰ আদৰ্শ আৰু দৰ্শন প্ৰচাৰিত হ'ল।

আন্দোলন আৰম্ভ হোৱাৰ পৰা এবছৰৰ ভিতৰতে স্বৰাজ লাভ সুনিশ্চিত এয়ে আছিল কংগ্ৰেছৰ ঘোষণা। স্বৰাজ লাভৰ ঘোষণাই দেশৰ সকলো স্তৰৰ মানুহকেই বিমোহিত কৰে। ভাৰতে এক নিৰ্দিষ্ট তাৰিখত স্বৰাজ লাভ কৰিব— এয়ে আছিল সিদিনাৰ আন্দোলনৰ গতিপথৰ এক সুস্পষ্ট বেগ। দেশে অসহযোগ আন্দোলন আৰু স্বাধীনতাৰ সংকল্পত অপৰাজেয় মনোভাৱৰ অধিকাৰী হৈ উঠিছিল। আন্দোলনৰ প্ৰাৰম্ভন শান্তিপূৰ্ণভাবে চলাই নিয়া হৈছিল, পৰিস্থিতিও শান্ত আছিল। কংগ্ৰেছৰ ভাবৰ আদৰ্শত অনুপ্ৰাণিত কংগ্ৰেছ কৰ্মীসকলে কোনো ঠাইতে শৃঙ্খলা ভঙ্গ কৰা নাছিল বা অনিয়মানুবৰ্ত্তীতা পৰিলক্ষিত হোৱা নাছিল। কিন্তু আন্দোলনে লাহে লাহে তীব্ৰতৰ গতি ধাৰণ কৰে। গণ বিপ্লৱৰ লগত বিশৃঙ্খলতা, ধ্বংস, উন্মাদনা আদি আছেই। ইয়াক কেতিয়াও প্ৰণালীবদ্ধ, সুশৃঙ্খলাৰে পৰিচালিত কৰিব নোৱাৰি। অসহযোগৰ তীব্ৰতা আৰু পৰাধীনতাৰ বেদনাবোধে জাতিক মুক্তিকামী অসহযোগী কৰি তুলিলেও একেবাৰে অহিংস কৰি তুলিব পৰা নাছিল। দক্ষিণ ভাৰতৰ মালাবাৰৰ মোপ্‌লা নামে এক শ্ৰেণীৰ মুছলমানে ভাৰতত 'খিলাফৎ ৰাজ' প্ৰতিষ্ঠিত হোৱা বুলি এটা উৰা বাতৰি শুনি ইংৰাজ চৰকাৰৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ ঘোষণা কৰিছিল। তেওঁলোকে ৰেললাইন তুলি দিছিল, টেলিগ্ৰাফৰ তাঁৰ কাটিছিল, জমিদাৰৰ অফিচ লুট কৰিছিল আৰু চৰকাৰৰ টেক্স বন্ধ 'স্বৰাজ' ঘোষণা কৰিছিল। গুজৰাটৰ 'বৰদোলী' নামে ঠাইত ৰাইজৰ ওপৰত শতকৰা ২৫ ভাগ খাজানা বৃদ্ধি কৰাৰ কাৰণে ৰাইজৰ মনত ঘোৰ অসন্তোষ সৃষ্টি হয় আৰু সত্যাগ্ৰহ আন্দোলন আৰম্ভ হয়।

এই ঘটনাসমূহৰ ফলস্বৰূপে চৰকাৰে কঠোৰ ব্যৱস্থা প্ৰয়োগ কৰি ইয়াক দমনৰ চেষ্টা কৰে। সভাসমিতি বন্ধ কৰি দি জনসাধাৰণৰ ওপৰত অত্যাচাৰ আৰম্ভ কৰে। স্বেচ্ছাসেৱী অনুষ্ঠানবোৰৰ ওপৰতো চৰকাৰে কঠোৰ ব্যৱস্থা লয়। "বিদ্ৰোহাত্মক মিটিং আইন" গ্ৰহণ কৰি হাজাৰ হাজাৰ ভাৰতীয় লোকক আটক কৰাৰ ব্যৱস্থা কৰা হয়। এই আন্দোলনৰ পৰা জনসাধাৰণক বিৰত কৰাৰ উদ্দেশ্যেই ইংলণ্ডৰ যুবৰাজ ১৯১১ চনৰ ৯ ফেব্ৰুৱাৰীত ভাৰত ভ্ৰমণ স্থিৰ কৰা হৈছিল। ১৯২১ চনৰ ১৭ নবেম্বৰ তাৰিখে যুবৰাজ বোম্বাইত পদাৰ্পণ কৰাৰ দিনা চৰকাৰৰ সমৰ্থনকাৰী আৰু অসহযোগ আন্দোলনকাৰী সকলৰ যি সংঘৰ্ষ হয়

তাৰ ফলত চৰকাৰে অধিক কঠোৰ ব্যৱস্থা লোৱাৰ সিদ্ধান্ত লয়। কংগ্ৰেছ অনুষ্ঠান আৰু খিলাফৎ স্বেচ্ছাসেৱী অনুষ্ঠানবোৰ চৰকাৰে বে-আইনী বুলি ঘোষণা কৰে। চৰকাৰে এই আন্দোলন দমাবৰ কাৰণে গুলি চালনা, লাঠি চালনা আদি অবাধে ব্যৱহাৰ কৰিবলৈ ধৰিলে। সেই বছৰৰে ডিচেম্বৰ মাহত চিত্তৰঞ্জন দাস, মতিলাল নেহৰু, লাজপৎ ৰায়, মৌলানা আজাদ আদি শীৰ্ষ স্থানীয় নেতাসকলক আটক কৰে। পঁচিশ হাজাৰতকৈ অধিক লোকে কাৰাবৰণ কৰিব লগা হয়।

গান্ধীজীয়ে ৰাজনৈতিক আন্দোলনৰ লগত অৰ্থনৈতিক আন্দোলনকো যোগ দিয়াৰ বাবে দেশবাসীক যঁতৰত সূতা কাটিবলৈ আহ্বান জনাইছিল। তেওঁৰ মতে যঁতৰত সূতা কাটিলেহে ভাৰতে স্বৰাজ লাভ কৰিব পাৰিব। ইয়াৰ অৰ্থ এয়ে আছিল যে ইংলণ্ডৰ পৰা আমদানী হৈ অহা কাপোৰ বৰ্জন কৰিব পাৰিলেহে ইংলণ্ডৰ অৰ্থনীতিত আঘাত দিয়া হ'ব। সেই সময়ত ভাৰতলৈ প্ৰচুৰ পৰিমাণে ইংলণ্ডৰ পৰা (বছৰি ৬০ কোটি টকাৰ) কাপোৰ আমদানি হৈ আহিছিল। ইয়াৰ বাদে সূতা আৰু কাপোৰ বোৱা কলৰ বাবে অনেক কোটি টকাৰ মাল ইংলণ্ডৰ পৰা ভাৰতলৈ আহিছিল। ইংৰাজৰ এই শোষণৰ পথ বন্ধ কৰাটোৱেই আছিল গান্ধীজীৰ প্ৰথম উদ্দেশ্য। গান্ধীজীৰ মতে স্বৰাজ পোৱাৰ প্ৰথম সপোন হৈছে—ইংৰাজৰ শোষণ বন্ধ কৰা। বঙ্গভঙ্গ আন্দোলনৰ সময়ত স্বদেশী প্ৰচলন আৰু বিদেশী বৰ্জন আহ্বানত দেশৰ অসংখ্য লোকে বিলাতী কাপোৰ বৰ্জন কৰিছিল আৰু ফলত ভাৰতৰ বোম্বাই, আহমেদাবাদ আৰু কানপুৰত অসংখ্য কাপোৰৰ কল প্ৰতিষ্ঠিত হৈছিল। সেই সময়ৰ পৰাই ভাৰতত এটা নতুন ধনীশ্ৰেণীৰ সৃষ্টি হৈছিল। সেই কাৰণেই গান্ধীজীয়ে তাৰ প্ৰতিষেধক হিচাপে ভাৰতীয় ৰাইজক নিজৰ যঁতৰত সূতা কাটি লবলৈ উপদেশ দিছিল। ধনী আৰু দৰিদ্ৰৰ মাজত, শ্ৰমিক আৰু মালিকৰ মাজত ব্যৱধান আৰু বিবাদ ক্ৰমে বৃদ্ধি হৈছিল। গান্ধীজীয়ে কৈছিল যে ভাৰতীয়সকলে বাস্তৱ ক্ষেত্ৰত যদি স্বাৱলম্বী হয় তেন্তে বিদেশী আৰু দেশী মিল মালিকসকলে শোষণ কৰিব নোৱাৰিব আৰু সেই শোষক শ্ৰেণীৰ প্ৰভুত্ব নোহোৱা হ'ব আৰু তেতিয়া ৰাইজেই নিজৰ অৰ্থনীতিৰ নিয়ামক হ'ব আৰু সেয়ে হ'ব সাধাৰণ ৰাইজৰ অৰ্থনীতিৰ স্বৰাজ। ভাৰতৰ সকলো শ্ৰেণীৰ ৰাইজৰ মনক কেন্দ্ৰীভূত কৰাৰ উদ্দেশ্যে গান্ধীজীয়ে চৰখা প্ৰৱৰ্তন কৰে।

১৯২১ চনৰ ডিচেম্বৰ মাহত আহমেদাবাদত জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশন বহে। সেই সময়ত সমগ্ৰ দেশতেই সাম্ৰাজ্যবাদী শাসনৰ উৎপীড়ন পৰ্ব আৰম্ভ হৈছিল। প্ৰায় ৩৫ হাজাৰ ভাৰতবাসীয়ে সেই সময়ত কাৰাবৰণ কৰিছিল। সেই অধিবেশনতেই আইন অমান্য আন্দোলন আৰম্ভ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। গান্ধীজীক সেই আন্দোলন পৰিচালনাৰ বাবে পূৰ্ণ কৰ্তৃত্ব দিয়া হয়। ভাৰতীয় জাতীয় কংগ্ৰেছ যে কোনো এক শ্ৰেণীৰ বা কোনো গোষ্ঠী বিশেষৰ অনুষ্ঠান নহয়, সেই কথা স্পষ্টভাৱে ভালদৰে ঘোষণা কৰা হয়। কংগ্ৰেছ যে সমগ্ৰ ভাৰতৰ জনসাধাৰণৰ একমাত্ৰ ৰাজনৈতিক প্ৰতিষ্ঠান— এই কথা এই অধিবেশনত বিশেষভাৱে ঘোষিত হয়। গান্ধীজীয়ে গৱৰ্ণৰ জেনেৰেল ৰিডিঙ্গক জনায় যে যদি এসপ্তাহৰ ভিতৰত দমনমূলক নীতি পৰিত্যাগ কৰি চৰকাৰৰ নীতিৰ পৰিবৰ্তন অনা নহয় তেনেহলে তেওঁ সাতদিনৰ ভিতৰত আইন অমান্য আন্দোলন আৰম্ভ কৰিব। কিন্তু নিৰ্ধাৰিত সাতদিন উকলি নোযোৱাৰ আগতে উত্তৰ প্ৰদেশৰ গোৰখপুৰ জিলাৰ অন্তৰ্গত চৌৰিচোৰা নামৰ ঠাইত এটা হিংসাত্মক কাৰ্য্য সংঘটিত হয়। সেই ঠাইত জনসাধাৰণে পুলিচৰ অত্যাচাৰত বিদ্ৰোহী হৈ উঠি পুলিচক আক্ৰমণ কৰে, থানাত জুই লগাই দিয়ে আৰু উন্মত্ত জনতাৰ হাতত ২২ জন পুলিচ নিহত হয়। এই ঘটনা ঘটে ১৯২২ চনৰ ৪ ফেব্ৰুৱাৰী তাৰিখে। এই ঘটনাত মহাত্মা গান্ধী বিচলিত হৈ পৰে। অহিংসা আন্দোলনৰ বাবে দেশ প্ৰস্তুত নহয় বুলি উপলব্ধি কৰিয়েই গান্ধীজীয়ে দেশৰ সকলো ঠাইত আইন অমান্য আন্দোলন বন্ধ কৰি দিয়ে। সেই সময়ত আইন অমান্য আন্দোলন আৰম্ভ কৰাৰ বাবে গান্ধীজীয়ে নিজে "হিমালয় সদৃশ ভুল কৰা" বুলিও ঘোষণা কৰে।

চৌৰিচোৰাৰ ঘটনাৰ পিছত গান্ধীজীয়ে ৰাইজক আৰু বিশেষকৈ কংগ্ৰেছ কৰ্মীসকলক গঠনমূলক কামত বিশেষভাৱে মনোনিবেশ কৰিবলৈ অনুৰোধ কৰে। গঠনমূলক কামৰ প্ৰথমতে হৈছে চৰখাত সূতা কটা আৰু খদ্দৰ প্ৰচাৰ কৰা। তাৰ পিছত অস্পৃশ্যতা দূৰীকৰণ, মাদকদ্ৰব্য নিবাৰণ আৰু সাম্প্ৰদায়িক ঐক্য স্থাপন। গাওঁসমূহত চালিছী আদালত গঠন কৰাৰ ওপৰতো তেওঁ জোৰ দিছিল। মুঠৰ ওপৰত কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে গান্ধীজীৰ নিৰ্দেশত আইন অমান্য আন্দোলন প্ৰত্যাহাৰ কৰে।

১৯২২ চনৰ ১০ মাৰ্চৰ দিনা গান্ধীজীক গ্ৰেপ্তাৰ কৰিছিল। বিচাৰত তেওঁৰ

ছবছৰ কাৰাবাস হয়। গান্ধীজীৰ গ্ৰেপ্তাৰৰ আগেয়ে বৃটিছ সাম্ৰাজ্যবাদী চৰকাৰে দেশৰ সকলো কংগ্ৰেছ নেতা আৰু কৰ্মীক গ্ৰেপ্তাৰ কৰি কাৰাগাৰলৈ পঠিয়াইছিল।

সেই সময়ত দেশৰ প্ৰায় সকলো ঠাইতেই এক অবসাদৰ ভাব পৰিলক্ষিত হৈছিল। মুছলীম লীগ, হিন্দু মহাসভা, সন্ত্ৰাসবাদী—এই আটাইবিলাক কোনে কোন পথ অবলম্বন কৰি স্বাধীনতা লাভ কৰিব তাক বুজিব পৰা নাছিল। আন্দোলন প্ৰত্যাহাৰ কৰাত কংগ্ৰেছ মহলতো ক্ষোভ আৰু নৈৰাশ্যৰ সৃষ্টি হৈছিল। চিত্তৰঞ্জন দাস, মতিলাল নেহৰু, লাজপৎ ৰায় আদি নেতাসকলে হঠাৎ আন্দোলন বন্ধ কৰা কামক সমৰ্থন কৰিব পৰা নাছিল। দেশবন্ধুৱে কৈছিল "ব্যক্তিগত সত্যাগ্ৰহ সুস্থ আৰু শান্তভাবে পৰিচালিত হৈছিল, মহাত্মাই হঠাতে পৰিবৰ্তন কৰি দিলে। এনে শুভ পৰিস্থিতি আৰু শীঘ্ৰে পোৱা নাযাব।" পণ্ডিত মতিলাল নেহৰু আৰু লালা লাজপৎ ৰায়ে মহাত্মা গান্ধীলৈ লিখিছিল—"গোৰখপুৰৰ চৌৰিচৌৰাই কোনো অন্যায় কৰাৰ কাৰণে সমগ্ৰ দেশকে শাস্তি দিয়া হৈছে।" শুভাষচন্দ্ৰ বসুৱে কৈছিল, "জাগ্ৰত জনসাধাৰণৰ উদ্দীপনা যেতিয়া চৰম অৱস্থাত উপনীত হৈছিল, সেই সময়ত এনে ধৰণৰ আদেশ দিয়া জাতীয় জীৱনৰ এক দুৰ্ভাগ্য বুলি অভিহিত কৰিব লাগিব।" মৌলানা আজাদে কৈছিল—"ভাৰতবৰ্ষৰ দৰে বিৰাট দেশত চৌৰিচৌৰাৰ নিচিনা ঘটনা হোৱাত কোনো আচৰিত কথা নহয়।"

ভাৰতৰ মুক্তি সংগ্ৰামত অসহযোগ আন্দোলন অতি উল্লেখযোগ্য। যি উদ্দেশ্য আগত লৈ অসহযোগ আন্দোলন আৰম্ভ কৰা হৈছিল, আন্দোলনৰ ফলত সেই উদ্দেশ্য সাধন নহ'ল। মহাত্মা গান্ধীয়ে এবছৰৰ ভিতৰতে স্বৰাজ আহিব বুলি আশ্বাস দিছিল। কিন্তু এবছৰ অতিক্ৰম হৈ যোৱাৰ পিছত স্বৰাজ অহাৰ কোনো লক্ষণেই দেখা নগৈছিল। তাৰোপৰি জাতীয় আন্দোলনৰ লগত খিলাফতৰ নিচিনা ধৰ্মীয় আন্দোলনকে সংযুক্ত কৰা কাৰ্য্য যুক্তিসঙ্গত নাছিল। তথাপি এই আন্দোলনৰ যথেষ্ট তাৎপৰ্য্য আছিল। এই আন্দোলনে গণচেতনা জাগ্ৰত কৰি তোলাত যথেষ্ট সহায় কৰে। এই আন্দোলন দেশৰ সকলো ঠাইত বিয়পি পৰিছিল। এই আন্দোলনৰ নেতা আৰু কৰ্মীসকল ঘাইকৈ ভাৰতৰ অভিজাত শ্ৰেণী, ধনিক-বণিক সম্প্ৰদায়, উচ্চ আৰু নিম্ন মধ্যবিত্ত আৰু দুখীয়া লোকো আছিল। অসহযোগ কৰ্মীসকলে আৰু খিলাফত স্বেচ্ছাসেৱকসকলে অসহযোগ নীতিক সাফল্যমণ্ডিত কৰিবলৈ একেলগে কাম কৰিছিল। আনকি

বিপ্লৱবাদীসকলেও স্বদেশানুৰাগৰ প্ৰতি আসক্ত হৈছিল। অসহযোগী কৰ্মীসকলে দেশৰ অৰ্থ নৈতিক উন্নতিৰ হকে চৰখা আন্দোলন, নৈতিক উন্নতিৰ বাবে মাদক দ্ৰব্য বৰ্জন আদি কামত যথেষ্ট সফলতা লাভ কৰিছিল। অসহযোগৰ বৰ্জন নীতিৰ ফলত চৰকাৰৰ আয় বহু পৰিমাণে হ্ৰাস পাইছিল। কিন্তু বিপ্লৱ, সি অহিংসাই হওঁক বা হিংসাই হওঁক, কেতিয়াও শৃঙ্খলাবদ্ধভাবে আৰু সুসংবদ্ধৰূপে চলিব নোৱাৰে। কোনো আন্দোলনে সকলো সময়তে সুপ্ৰণালীৰে চলিব নোৱাৰে। এই জাতীয় আন্দোলনে সমগ্ৰ দেশতে গণচেতনা জাগ্ৰত কৰাত বহু পৰিমাণে সাফল্য লাভ কৰিছিল। নেতাসকল কাৰাগাৰত আটক হৈ থকা অৱস্থাত আন্দোলনৰ দায়িত্ব আৰু নেতৃত্ব বাইজে নিজেও গ্ৰহণ কৰিবলৈ দ্বিধাবোধ নকৰিছিল, বৰঞ্চ এই গণচেতনাই নিজ দায়িত্বত আন্দোলন সক্ৰিয় কৰি তুলিবলৈ সক্ষম হৈছিল। ১৯২২ চনৰ ফেব্ৰুৱাৰীৰ দিনা গৱৰ্ণৰ জেনেৰেলে ইংলণ্ডৰ চৰকাৰক জনাইছিল যে, "অসহযোগ আন্দোলনে চহৰৰ নিম্নশ্ৰেণীৰ লোকসকলকো প্ৰভাবিত কৰিছে। কোনো কোনো অঞ্চলত যেনে, অসম উপত্যকা, যুক্তপ্ৰদেশ, বিহাৰ, উৰিষ্যা আৰু বঙ্গদেশত কৃষকসকলেও এই আন্দোলনৰ দ্বাৰাই প্ৰভাবান্বিত হৈছে। পঞ্জাবত আকালী আন্দোলনৰ ঢৌৱে গাঁৱলীয়া অঞ্চলৰ শিখসকলকো স্পৰ্শ কৰিছিল। সমগ্ৰ দেশৰ মুছলীম জনশক্তিৰ এক বিৰাট অংশ উত্তেজিত হৈছিল।" ইমান ডাঙৰ এটা ব্যাপক আন্দোলনে যেতিয়া গণ আন্দোলনলৈ ৰূপান্তৰিত হৈ উঠিছিল, তেতিয়া দেশৰ জনসাধাৰণৰ নিয়মানুবৰ্ত্তিতা আৰু শৃঙ্খলাবোধ আছিল অসাধাৰণ।

# কংগ্ৰেছ আৰু স্বৰাজ্য দল

অপ্ৰত্যাশিত বৰদোলী সিদ্ধান্তৰ আঘাতত কংগ্ৰেছৰ আন্দোলন ক্ৰমে প্ৰায় নিৰ্জীৱ হৈ উঠিছিল। মহাত্মাজীৰ জ্বলন্ত দেশভক্তি, বিপুল ত্যাগ আৰু ব্যক্তিত্বই দেশৰ জনসাধাৰণক তেওঁৰ প্ৰতি ভক্তিশীল আৰু আস্থাশীল কৰি ৰাখিলেও, দেশৰ সকলো ঠাইতেই যেন তেতিয়া এক অৱসাদৰ ছায়াই ঢাকি পেলাইছিল। কৰ্মীসকল বিষণ্ণ হৈছিল, দেশৰ তৰুণ সমাজ পুনৰ স্কুল-কলেজলৈ উভতি গৈছিল আৰু আদালত আদিৰ কাৰ্য্য আগৰ দৰেই ঠিকমতেই চলিবলৈ ধৰিছিল।

ছমাহ কাৰাবাস ভোগ কৰাৰ পিছত ১৯২২ চনৰ জুন মাহত দেশবন্ধু চিত্তৰঞ্জন দাসে মুক্তি লাভ কৰে। গান্ধীজী সেই সময়ত জেলত আছিল। দেশৰ অৱস্থা পৰ্য্যালোচনা কৰি চিত্তৰঞ্জন দাস আৰু তেওঁৰ সহকৰ্মীসকলে উপলব্ধি কৰিছিল যে দেশৰ ৰাজনৈতিক কৰ্মপদ্ধতিক আন এটা বেলেগ পথেৰে নিয়ন্ত্ৰিত কৰিব নোৱাৰিলে জাতীয় আন্দোলন অগ্ৰসৰ হ'ব নোৱাৰিব। সেই নতুন পন্থা হৈছে—কাউন্সিলত প্ৰৱেশ কৰি চৰকাৰী কামত বাধাদান কৰাৰ পদ্ধতি।

দিল্লীত অনুষ্ঠিত হোৱা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনত চিত্তৰঞ্জন দাস, মতিলাল নেহৰু প্ৰভৃতি কেইজনমান নেতাক লৈ এক "সত্যাগ্ৰহ কমিটি" গঠন কৰা হৈছিল। এই কমিটিয়ে দেশৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি মত প্ৰকাশ কৰে "সত্যাগ্ৰহৰ বাবে দেশ সম্প্ৰতি প্ৰস্তুত নহয়। কিন্তু কাউন্সিল প্ৰৱেশ সম্বন্ধে জনসাধাৰণৰ মাজত উৎসাহ পৰিলক্ষিত হৈছে। অসহযোগ আন্দোলনৰ প্ৰথম অৱস্থাত কংগ্ৰেছ কৰ্মীসকলৰ মাজত কাউন্সিল প্ৰৱেশ সম্বন্ধে এক বিৰূপ মনোভাৱ আছিল। কিন্তু বাস্তৱ ৰাজনৈতিক অৱস্থাৰ সন্মুখীন হোৱাত তেনে মনোভাৱ হ্ৰাস পায়।" চিত্তৰঞ্জন দাসে এই সম্পৰ্কত কৈছিল, "অসহযোগী হৈয়ো কাউন্সিলৰ সদস্য হোৱাত কোনো বাধা থাকিব নোৱাৰে। কাৰণ কংগ্ৰেছ কৰ্মীসকলে চৰকাৰক সহায় কৰিবলৈ সদস্য পদ গ্ৰহণ নকৰে আৰু অসহযোগী সদস্যৰ সংখ্যা কাউন্সিলত অধিক হ'লে, তেওঁলোকে যি বিচাৰে ভোটৰ দ্বাৰাই তাক আদায় কৰি ল'ব পাৰিব আৰু পদে পদে চৰকাৰৰ সকলো ধৰণৰ চাহিদাক ভোটাধিকাৰ বলত নাকচ কৰিবলৈও সক্ষম হব। নতুন সংবিধানৰ বিধান অনুযায়ী দেশৰ মন্ত্ৰীসকলৰ ওপৰত চৰকাৰৰ কেইটামান বিভাগৰ ভাৰ অৰ্পণ কৰা

হৈছে। শান্তি, আইন আৰু শৃঙ্খলা প্ৰভৃতি গুৰুত্বপূৰ্ণ বিষয়বোৰ কাউঞ্চিলৰ ভোট নিৰপেক্ষ।" মূঠৰ ওপৰত চিত্তৰঞ্জন, মতিলাল, দেশভক্ত ফুকন প্ৰভৃতি নেতাসকল কাউঞ্চিল প্ৰৱেশৰ পক্ষপাতি আছিল আৰু তাৰ বাবে আন্দোলন কৰিবলৈও প্ৰস্তুত হৈছিল।

১৯২২ চনৰ ডিচেম্বৰ মাহত বিহাৰৰ গয়াত কংগ্ৰেছৰ অধিবেশন অনুষ্ঠিত হয়। সেই অধিবেশনত দেশবন্ধু চিত্তৰঞ্জন সভাপতি আছিল। অসহযোগ আন্দোলন কৰাৰ আগেয়ে কাউঞ্চিল বৰ্জনৰ সিদ্ধান্ত লোৱা হৈছিল। এই অধিবেশনত দেশবন্ধু চিত্তৰঞ্জন দাসে সভাপতিৰ ভাষণত কৈছিল, "যি স্বৰাজ লাভৰ বাবে কংগ্ৰেছে চেষ্টা কৰিছে, সি অকল দেশৰ ধনী, শিক্ষিত, মধ্যবিত্তসকলৰ বাবে নহয়, সেই স্বৰাজ হৈছে দেশৰ সমগ্ৰ জনসাধাৰণৰ স্বৰাজ।"

কংগ্ৰেছৰ এই অধিবেশনত অসহযোগ কাৰ্য্যনীতিৰ পৰিবৰ্তনৰ বিষয়ে বিশেষ আলোচনা কৰা হয়। ইয়াক লৈ নেতাসকলৰ মাজত দুটা ভাগ হয়। পণ্ডিত মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাস আৰু তৰুণ ফুকন প্ৰভৃতি নেতা-সকলে অসহযোগ কাৰ্য্যনীতিৰ পৰিবৰ্তন সাধি কাউঞ্চিল প্ৰৱেশৰ সপক্ষে মত দিয়ে। আনফালে ৰাজা গোপালাচাৰীয়াৰ নেতৃত্বত আনটো দলে কাউঞ্চিল প্ৰৱেশৰ প্ৰস্তাৱৰ ঘোৰ বিৰোধিতা কৰে। তেওঁলোকে অসহযোগ আন্দোলনৰ গঠনমূলক কামৰ বিশেষভাবে চৰখা, খদ্দৰ, অস্পৃশ্যতা বৰ্জন, মাদকতা নিবাৰণ আদি কামত আত্মনিয়োগ কৰি থকাৰ পক্ষপাতি আছিল। কাউঞ্চিল প্ৰৱেশৰ প্ৰস্তাৱটো কংগ্ৰেছ অধিবেশনত ভোটত প্ৰত্যাখ্যান হয়। ভোটত ৰাজা গোপালাচাৰীয়াৰ পৰিবৰ্তন বিৰোধী দলে জয়লাভ কৰে। কংগ্ৰেছ সভাপতি চিত্তৰঞ্জন দাসে তেতিয়া তেওঁৰ দল সংখ্যা লঘিষ্ঠ হোৱা বাবে সভাপতিৰ পদ ত্যাগ কৰে। তাৰ পিছত দেশবন্ধু চিত্তৰঞ্জন দাস, মতিলাল নেহৰু আৰু তৰুণ ৰাম ফুকনে স্বৰাজ্য দল গঠন কৰে।

এই দলে দেশৰ পৰিবৰ্তনকামী কংগ্ৰেছীসকলক সজ্যবদ্ধ কৰে। গয়া অধিবেশনত গান্ধীজী উপস্থিত নাছিল। সেই সময়ত তেওঁ আছিল কাৰাগাৰত। ১৯২৩ চনৰ পহিলা জানুৱাৰীৰ দিনা স্বৰাজ্য দল গঠন কৰা হয়। স্বৰাজ্য দলে কংগ্ৰেছৰ ভিতৰতে থাকিয়েই কাম কৰিব বুলি স্থিৰ কৰিছিল। ইতিমধ্যে, ভাৰতৰ সকলো ঠাইতেই কাউঞ্চিল প্ৰৱেশৰ প্ৰশ্ন আলোচিত হবলৈ ধৰে আৰু ভাৰতৰ সকলো প্ৰদেশত স্বৰাজ্য দল সংগঠিত হয়। ১৯২৩ চনৰ ১ জানুৱাৰীত স্বৰাজ্য

দল গঠন কৰাৰ দিনাই মুখপত্ৰ হিচাপে "ফৰওৱাৰ্ড" নামৰ দৈনিক ইংৰাজী কাকত দেশবন্ধু চিত্তৰঞ্জনৰ প্ৰচেষ্টাত কলিকতাৰ পৰা প্ৰকাশিত হয়। এইখন কাকতেই বোধহয় সমগ্ৰ ভাৰতৰ ভিতৰত প্ৰথম দৈনিক দলগত বা পাৰ্টিৰ কাকত।

কংগ্ৰেছৰ ভিতৰত অসহযোগী (No changer) আৰু স্বৰাজিষ্ট (Reformist) নামৰ দুটা দলৰ সৃষ্টি হয়। গান্ধীবাদী অসহযোগী কংগ্ৰেছ কৰ্মীসকলে গঠনমূলক কামত আত্মনিয়োগ কৰিবলৈ প্ৰয়াস কৰে আৰু স্বৰাজিষ্টসকলে সমগ্ৰ ভাৰততে নিজৰ দল সংগঠন কৰি কাউন্সিল, কৰ্পোৰেশ্যন, মিউনিচিপালিটি, জিলাবোৰ্ড আৰু লোকেল বোৰ্ড আদিত প্ৰৱেশৰ বাবে প্ৰচাৰ কাৰ্য্য চলাবলৈ ধৰে। কিন্তু বোম্বাইত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনত সিদ্ধান্ত লোৱা হয় যে কংগ্ৰেছৰ তৰফৰ পৰা কাউন্সিল প্ৰৱেশৰ বিষয়ে কোনো প্ৰতিবাদ কৰা নহব।

কংগ্ৰেছৰ পৰিবৰ্তন পন্থীসকলৰ কাউন্সিল প্ৰৱেশ সম্পৰ্কে এক সিদ্ধান্ত লোৱাৰ বাবে কংগ্ৰেছৰ এক বিশেষ অধিৱেশন ১৯২৩ চনৰ অক্টোবৰ মাহত দিল্লীত অনুষ্ঠিত হয়। সেই বিশেষ অধিবেশনত কাৰাগাৰৰ পৰা মুক্তি পোৱা আবুল কালাম আজাদে সভাপতিত্ব কৰে। কংগ্ৰেছৰ উভয় দলৰেই মৌলানা আজাদৰ ওপৰত পূৰ্ণ আস্থা আছিল। এই অধিবেশনত এই মৰ্মে প্ৰস্তাৱ গৃহীত হয় যে কংগ্ৰেছ কৰ্মীসকলৰ যি সকলে কাউন্সিল নিৰ্বাচনৰ প্ৰাৰ্থী হ'ব খোজে, তেওঁলোকে সদস্য প্ৰাৰ্থী হ'ব নোৱাৰিব।

স্বৰাজ্য দল গঠনৰ পিছৰ পৰাই ভাৰতৰ ৰাজনীতি এক নতুন পথেৰে চলিবলৈ ধৰে। কলিকতাত স্বৰাজ্য দলে কৰ্পোৰেশ্যন অধিকাৰ কৰে আৰু চিত্তৰঞ্জন দাস পোন প্ৰথম 'মেয়ৰ' নিৰ্বাচিত হয়। সুভাষচন্দ্ৰ বসু কৰ্পোৰেশ্যনৰ প্ৰধান কৰ্মকৰ্তা হয়। বঙ্গদেশত চিত্তৰঞ্জন দাসৰ নেতৃত্বত স্বৰাজ্য দলে অতি শক্তিশালী ৰাজনৈতিক দল হিচাপে পৰিচয় দিবলৈ সক্ষম হয়। সেই সময়ত খিলাফৎ আন্দোলন নিষ্প্ৰভ হৈ আহিছিল। তাৰ কাৰণ, তুৰস্কত তুৰ্কীসকলেই খলিফা পদ নাকচ কৰে। কিন্তু ভাৰতীয় মুছলমানসম্প্ৰদায় সকলৰ মাজত স্বাধীনতাৰ বাবে যি আগ্ৰহ সৃষ্টি হৈছিল সি নিৰ্বাপিত নহ'ল। চিত্তৰঞ্জন দাসে গান্ধীজীৰ পথ অনুসৰণ কৰি বঙ্গদেশত মুছলমানসকলৰ লগত চৰ্ত সাপেক্ষে মিত্ৰতা স্থাপন কৰে। এই কাৰ্য্যৰ দ্বাৰাই স্বৰাজ্য দলে ৰাজনীতিৰ ক্ষেত্ৰত মুছলমানসকলৰ স্বকীয়া ৰাজনৈতিক সত্তা প্ৰকাৰান্তৰে মানি লয়। বঙ্গদেশত স্বৰাজ্য দলে নিজৰ দলগত প্ৰতিপত্তি ৰক্ষাৰ বাবে মুছলমানসকলৰ লগত ৰাজনৈতিক মিত্ৰতা স্থাপন

কৰে আৰু ফলত বঙ্গদেশৰ ব্যৱস্থাপক সভাৰ হিন্দু-মুছলমানৰ অধিক সংখ্যক সদস্যই স্বৰাজ্য দলৰ সদস্যভুক্ত হয়। চৰকাৰী কামত বাধা দিয়াৰ উদ্দেশ্যেই স্বৰাজ্য পাৰ্টিৰ সৃষ্টি হৈছিল। বঙ্গদেশৰ ব্যৱস্থাপক সভাৰ বাজেট অধিবেশনত মন্ত্ৰীসকলৰ দৰ্মহা গৃহীত কৰাৰ বাবে প্ৰয়োজনীয় ভোট চৰকাৰে নাপালে। ফলত গজনভী চাহাব আৰু ফজলুল হক চাহাব প্ৰভৃতি মন্ত্ৰীসকল গাদীচ্যুত হয়। স্বৰাজ্য দলে কামনা কৰা কাৰ্য্যসূচীৰ ইয়ো অন্যতম আছিল। ইংৰাজ চৰকাৰে ভাৰতক দিয়া দ্বৈতৰাজ (Diarchy) প্ৰথা যে স্বৰাজ লাভৰ পৰিপন্থী, তাক প্ৰমাণ কৰিবলৈ স্বৰাজ্য দলে নানাভাবে প্ৰয়াস চলাইছিল। অসমতো কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ সুযোগ্য নেতৃত্বত স্বৰাজ্য দলে নানা ধৰণে চৰকাৰক ব্যতিব্যস্ত কৰি দ্বৈতৰাজ প্ৰথাৰ সাৰহীনতা প্ৰমাণ কৰিবলৈ সক্ষম হৈছিল।

১৯২৩ চনৰ জাতীয় কংগ্ৰেছৰ বছৰেকীয়া অধিবেশনত প্ৰস্তাৱ গৃহীত হয় যে কংগ্ৰেছে সাময়িকভাবে কাউন্সিল প্ৰবেশ নীতি অনুমোদন কৰিলেও কংগ্ৰেছ অসহযোগ নীতিতহে বিশ্বাসী, ইয়াৰ পিছত কংগ্ৰেছৰ স্বৰাজ্য দলে ভাৰতৰ বিভিন্ন প্ৰদেশত হবলগীয়া কাউন্সিল নিৰ্বাচনৰ বাবে প্ৰাৰ্থী মনোনীত কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰে। এই নিৰ্বাচনত প্ৰত্যেক প্ৰদেশতেই স্বৰাজ্য দলৰ প্ৰাৰ্থী অধিক সংখ্যক নিৰ্বাচিত হয়। 'এই নিৰ্বাচনত ভাৰতৰ জাতীয়তাবাদৰ অন্যতম প্ৰধান পূজাৰী সুৰেন্দ্ৰনাথ বেনাৰ্জীয়ে ড' বিধানচন্দ্ৰ ৰায়ৰ হাতত শোচনীয়ভাবে পৰাজয় বৰণ কৰে। অসহযোগ আন্দোলনৰ ফলত এই নিৰ্বাচনত স্বৰাজ্য দলে দেশৰ জনসাধাৰণৰ বিপুল সমৰ্থন লাভ কৰিবলৈ সক্ষম হয়। অসহযোগ আন্দোলনে দেশৰ জনসাধাৰণৰ ৰাজনৈতিক চেতনা জাগ্ৰত কৰাত বহু পৰিমাণে সফল হোৱাৰ প্ৰমাণ এই নিৰ্বাচন। স্বৰাজ্য দলে কেন্দ্ৰীয় ব্যৱস্থাপক সভাত পণ্ডিত মতিলাল নেহৰুৰ সভাপতিত্বত "মণ্টেগু চেমচফোৰ্ড" শাসন সংস্কাৰৰ দ্বৈৰাজ্য প্ৰথা যে অচল সেই কথা কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ মাধ্যমেৰে ভালদৰে প্ৰমাণ কৰি দিবলৈ সক্ষম হৈছিল।

১৯২৫ চনৰ ১৬ জুনৰ দিনা দেশবন্ধু চিত্তৰঞ্জন দাসৰ পৰলোক ঘটে। এই মহান নেতাৰ মৃত্যুৰ পিছত কংগ্ৰেছ স্বৰাজ্য দল হস্তগত হয় আৰু দেশৰ প্ৰাদেশিক আৰু কেন্দ্ৰীয় ব্যৱস্থাপক সভাত স্বৰাজ্য দলেই প্ৰধান বিৰোধী দল হিচাপে স্বীকৃতি লাভ কৰে। স্বৰাজ্য দলে ব্যৱস্থাপক সভাত বিৰোধী দল হিচাপে থাকিব

কিন্তু তেওঁলোকে কোনো পদৰী গ্ৰহণ নকৰে—এয়ে আছিল দলৰ সিদ্ধান্ত। কিন্তু কিছু সময়ৰ পিছত স্বৰাজ্য দলৰেই এচাম লোকে বিশেষকৈ মহাৰাষ্ট্ৰীয় কেইজনমান নেতাই (Responsive Co-operation) চৰ্ত্তাধীন সহযোগিতাৰ নীতিৰ পথ গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লয়। এই নেতাসকলে স্বৰাজ্য দলৰ "বাধাদান নীতিক" পৰিত্যাগ কৰি চৰকাৰক সহায় কৰিবলৈ আগবাঢ়ে। সেই নেতাসকলে মন্ত্ৰীত্বও গ্ৰহণ কৰে। দেশবন্ধুৰ মৃত্যুৰ পিছত স্বৰাজ্য দলৰ মুছলমান সদস্যসকলে দলত্যাগ কৰে ফলত স্বৰাজ্য দলৰ ভিতৰত ভাঙোনৰ সৃষ্টি হয়।

## চাইমন কমিছন আৰু আইন অমান্য আন্দোলন

মণ্টেগু চেমচ্‌ফোৰ্ড সংস্কাৰ প্ৰৱৰ্তন হোৱাৰ পিছৰে পৰা দ্বৈবাজিক শাসন ব্যৱস্থাৰ অৱসান ঘটাবলৈ কংগ্ৰেছে প্ৰস্তাৱ গ্ৰহণ কৰিছিল। বৃটিশ চৰকাৰে স্বাধীনতা আন্দোলনৰ নানা ধৰণৰ কৰ্ম প্ৰণালী দেখি আৰু জনসাধাৰণৰ ক্ৰমবৰ্দ্ধমান জাতীয় মনোভাবৰ প্ৰতি লক্ষ্য কৰি ভাৰতৰ সংবিধান পৰিবৰ্তন কৰাৰ উদ্দেশ্যে এক কমিছন গঠনৰ প্ৰস্তাৱ কৰে। ১৯২৭ চনৰ ৮ নবেম্বৰৰ দিনা ছাৰ জন ছাইমনৰ নেতৃত্বত এক কমিছন গঠন কৰাৰ প্ৰস্তাৱ ঘোষণা কৰে। তেতিয়াৰ ভাৰতৰ ৰাজনৈতিক পৰিস্থিতিৰ সন্দৰ্ভত চলি থকা মণ্টফোৰ্ড সংবিধানখন কিমান কাৰ্যকৰী হৈছে, আৰু সেই সংবিধান অনুযায়ী গঠন কৰা শাসন যন্ত্ৰৰ গুণাগুণ পৰীক্ষা কৰি ভাৰতে স্বায়ত্ত শাসনৰ বাবে কিমান উপযুক্ততা লাভ কৰিছে তাৰ পুঙ্খানুপুঙ্খ অনুসন্ধান কৰি ভৱিষ্যতে কেনে ধৰণৰ দায়িত্বপূৰ্ণ শাসন ব্যৱস্থা ভাৰতক দিব পৰা হ'ব ইত্যাদি বিষয়ে এটা বিশদ বিৱৰণ বৃটিশ পাৰ্লামেণ্টত দাখিল কৰিবলৈ এই কমিছন নিয়োগ কৰা হয়।

ভাৰতৰ ভৱিষ্যত ৰাজনৈতিক ভাগ্য নিৰ্ধাৰণ কৰিবলৈ অৰ্থাৎ ভাৰতীয়সকলৰ নিজৰ দেশৰ কি ধৰণৰ শাসন ব্যৱস্থা হ'ব তাৰ বিচাৰ আৰু নিৰ্ধাৰণ কৰাৰ বাবে নিয়োগ কৰা এই কমিছনত কিন্তু এজনো ভাৰতীয় সদস্য নাছিল। এইবাবে ভাৰতৰ সকলো ঠাইতে কমিছনৰ বিৰুদ্ধে তীব্ৰ বিক্ষোভৰ সৃষ্টি হৈছিল। সেই সময়ৰ ভাইচৰয় লৰ্ড আৰউইনে ছাইমন কমিছন নিয়োগ সম্পৰ্কে তেওঁক সাক্ষাৎ কৰি অভিমত দিবলৈ ভাৰতৰ বিভিন্ন দলৰ নেতৃস্থানীয় লোকসকলক নিমন্ত্ৰণ জনাইছিল। সেই নিমন্ত্ৰণ ক্ৰমে মহাত্মা গান্ধীয়ে ১৯২৭ চনৰ ৫ নবেম্বৰৰ দিনা ভাইচৰয়ক সাক্ষাৎ কৰিবলৈ গৈছিল। লৰ্ড আৰউইনৰ মতৰ লগত গান্ধীয়ে একমত হ'ব নোৱাৰি মিছাতে সময় অপব্যৱহাৰ কৰা বুলি মন্তব্য কৰি উভতি আহে। ছাইমন কমিছন সম্পৰ্কে গান্ধীজীৰ অভিমতত্তেই কংগ্ৰেছ আৰু দেশৰ জনসাধাৰণৰ মত সুস্থভাৱে প্ৰকাশ হৈছিল।

১৯২৭ চনৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ অধিবেশনত প্ৰথম প্ৰস্তাৱেৰে ছাইমন কমিছন বৰ্জন আৰু বিক্ষোভ প্ৰদৰ্শন কৰাৰ বাবে দেশবাসীক আহ্বান জনোৱা হৈছিল। ভাৰতৰ সকলো ঠাইতেই আৰু সকলো দলৰ মাজতেই এই কমিছনক

লৈ তীব্র বিক্ষোভৰ সৃষ্টি হয়। কংগ্রেছ আদি সকলো ৰাজনৈতিক দলেই কমিছন বর্জন কৰাৰ পক্ষপাতী আছিল। ১৯২৮ চনৰ ৩ ফেব্রুৱাৰীৰ দিনা ছাইমন কমিছনৰ সদস্যসকল ভাৰতলৈ আহে আৰু অলপ দিনৰ ভিতৰতে প্রাথমিক অনুসন্ধান শেষ কৰি মার্চ মাহৰ শেষত বিলাতলৈ উভতি যায়। ছাইমন কমিছন ভাৰতত উপস্থিত হোৱাত ৩ ফেব্রুৱাৰীৰ দিনা সমগ্র ভাৰততে কংগ্রেছৰ নির্দেশ অনুযায়ী হৰতাল পালন কৰা হৈছিল আৰু সকলো ঠাইতেই বিক্ষোভকাৰী সকলে ক'লা পতাকা দেখুৱাই 'উভতি যোৱা' ধ্বনিৰে বিক্ষোভ প্রদর্শন কৰিছিল। পিছত দ্বিতীয়বাৰ ভালদৰে তদন্ত কৰিবলৈ কমিছন পুনৰ ভাৰতলৈ আহে। কমিছনৰ সদস্যসকলে ভাৰতৰ বিভিন্ন ঠাই পৰিভ্রমণ কৰে আৰু কেইবাটাও দলৰ প্রতিনিধি আৰু বিশিষ্ট লোকসকলক লগ ধৰি শাসন সংস্কাৰৰ বিষয়ে মতামত সংগ্রহ কৰে। কিন্তু ছাইমন কমিছনৰ সদস্যসকল ভাৰতৰ যি ঠাইলৈ গৈছিল সেই ঠাইতেই হৰতাল আৰু বিক্ষোভ প্রদর্শন কৰা হৈছিল। লাহোৰৰ বিক্ষোভকাৰীসকলৰ নেতৃত্ব লৈছিল পঞ্জাব কেশৰী লালা লাজপৎ ৰায় আৰু পণ্ডিত মদনমোহন মালব্য। বিক্ষোভকাৰী জনসাধাৰণৰ ওপৰত লাঠি চলোৱা হয় আৰু ফলত লালা লাজপৎ ৰায় গুৰুতৰভাবে আহত হয়। তাৰ কেইদিনমান পিছতেই সেই লাঠি চালনাৰ আঘাতৰ কাৰণেই লালাজীয়ে মৃত্যুবৰণ কৰে। লাজপত ৰায়ক লাঠিৰে আঘাত কৰে লাহোৰৰ সহকাৰী পুলিচ চুপাৰিন্টেনডেণ্ট, মিঃ চেণ্ডাৰ্ছে। পঞ্জাবী বিপ্লবী দলৰ ভগৎ সিঙে পিছত ছেণ্ডাৰ্ছক গুলি কৰি হত্যা কৰে। লালাজীৰ প্রতি কৰা অন্যায়-অত্যাচাৰৰ আৰু সেই অত্যাচাৰৰ ফলত তেওঁৰ দৰে এজন বয়োবৃদ্ধ সম্মানিত নেতাৰ মৃত্যু হোৱাত সমগ্র দেশতে তীব্র অসন্তোষৰ ভাব জাগ্ৰত হয়। মহাত্মা গান্ধীয়ে লালা লাজপৎ ৰায়ৰ মৃত্যুক জাতীয় অপমান বুলি অভিহিত কৰিছিল। ভগৎ সিঙকো "জাতীয় অপমানৰ প্রতিশোধৰ প্রতীক" বুলি অভিহিত কৰা হৈছিল।

চাইমন কমিছন ভাৰতবাসীয়ে বর্জন কৰাত গৱর্ণৰ জেনেৰেল লর্ড আৰউইন বিমোৰত পৰিল। ইফালে কংগ্রেছ আন্দোলনে ভাৰত গৱর্ণমেণ্টৰ থৰকাছুটি হেৰুৱাইছিল। লর্ড আৰউইনে উপায়ান্তৰ নেদেখি পৰামর্শ কৰিবলৈ বুলি বিলাতলৈ যায়। তাত মন্ত্রীসকলেৰে দিহা-পৰামর্শ কৰি ভাৰতলৈ উভতি আহে আৰু ১৯২৯ চনৰ ৩১ অক্টোবৰ তাৰিখে ভাৰতীয় সমস্যা সমাধান কৰিবলৈ সকলো ৰাজনৈতিক দলৰ পৰা প্রতিনিধি লৈ "ৰাউণ্ড টেবুল কনফাৰেন্স" পতাৰ কথা ঘোষণা কৰে। এই

ঘোষণাৰ কথা আলচ কৰিবলৈ আমাৰ নেতাসকলে দিল্লীত এখন সভা পাতে। সেই সভাত স্থিৰ কৰা হয় যে প্ৰধান প্ৰধান ৰাজনৈতিক সংঘবোৰৰ সমৰ্থন পাবলৈ হলে গৱৰ্ণমেণ্টে পোনতে কেইটামান চৰ্ত পূৰণ কৰিব লাগিব—

(১) পূৰ্ণ স্বায়ত্বশাসনৰ ভিত্তিৰ ওপৰত প্ৰস্তাৱিত বৈঠকত আলোচনা হ'ব লাগিব।

(২) বৈঠকত কংগ্ৰেছৰ প্ৰতিনিধি সংখ্যাত অধিক হ'ব লাগিব।

(৩) ৰাজনৈতিক কাৰ্টেকিয়াল সকলক ফাটেকৰ পৰা মুকলি কৰি দিব লাগিব।

(৪) এতিয়াৰ পৰাই ভাৰত চৰকাৰে "ডমিনিয়ন ষ্টেটাছ"ৰ চৰকাৰৰ দৰেহে কাৰ্য পৰিচালনা কৰিব লাগিব।

নেতাসকলৰ এই ইষ্টাহাৰ প্ৰচাৰ হোৱাৰ পিছত গৱৰ্ণৰ জেনেৰেলে ১৯২৯ চনৰ ২৩ ডিচেম্বৰ তাৰিখে মহাত্মা গান্ধী, পণ্ডিত মতিলাল নেহৰু, মিঃ ভি. জে. পেটেল, ছাৰ তেজ বাহাদুৰ ছাপ্ৰু আৰু মিঃ জিন্নাৰ লগত তিনি ঘণ্টা কাল আলোচনা কৰে। আলোচনাত একো সিদ্ধান্ত নহ'ল। বৰলাট লৰ্ড আৰউইনে এই প্ৰস্তাৱ অগ্ৰাহ্য কৰি জনায় যে ঔপনিবেশিক স্বায়ত্ব শাসন কেতিয়া ভাৰতত প্ৰবৰ্তন হ ব, সেই কথা আলোচনাৰ বাবে ঘৃৰণীয়া মেজ-মেলৰ বৈঠক পতা হোৱা নাই। কিন্তু স্বায়ত্বশাসনৰ আঁচনি কেনেকৈ ভাৰতত প্ৰযুক্ত হব পাৰে, সেই বিষয়ে বৈঠকত আলোচনা কৰিব পাৰিব।

ভাৰতীয় সমস্যা সমাধান কৰিবলৈ গৱৰ্ণমেণ্টৰ মইমতালি, আওকণীয়া ভাব আৰু আন্তৰিকতাৰ অভাৱ দেখি ডেকা নেতা জৱাহৰলাল নেহৰুৰ সভাপতিত্বত লাহোৰত কংগ্ৰেছ অধিবেশন বহে। নেহৰুৱে সভাপতিৰ অভিভাষণত স্পষ্টভাবে ঘোষণা কৰি কৈছিল, "সমাজতন্ত্ৰৰ ভিত্তিত ভাৰতবৰ্ষৰ পূৰ্ণ স্বাধীনতা প্ৰতিষ্ঠিত হ'ব। ঔপনিবেশ শাসনতন্ত্ৰৰ দৰে কোনো শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হ'লে ভাৰতবৰ্ষই প্ৰকৃত স্বাধীনতা লাভ নকৰিব। আমাৰ হাতলৈ প্ৰকৃত ক্ষমতা অহা তেতিয়াহে বুজিম যেতিয়া ভাৰতত থকা সকলো বিদেশী সৈন্য আৰু ভাৰতীয় অৰ্থ ব্যৱস্থাৰ বিদেশী পৰিচালিত কৰ্তব্য সম্পূৰ্ণৰূপে অপসাৰিত হ'ব।"

এই অধিবেশনৰ মূল প্ৰস্তাৱ হৈছে পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাৱ। সেই প্ৰস্তাৱত কোৱা হৈছিল, "কংগ্ৰেছ গঠনতন্ত্ৰৰ স্বৰাজ" শব্দটোৱে "পূৰ্ণ স্বাধীনতা" বুজাব। কংগ্ৰেছে আশা কৰে যে এতিয়াৰ পৰাই প্ৰতিজন কংগ্ৰেছসেৱীয়েই ভাৰতবৰ্ষৰ পূৰ্ণ স্বাধীনতাৰ বাবে মনোনিবেশ কৰিব। স্বাধীনতাৰ বাবে সংগ্ৰামৰ প্ৰথম স্তৰত

কংগ্ৰেছে সকলো কংগ্ৰেছসেৱীক পিছৰ নিৰ্বাচনত যোগদান নকৰিবলৈ অনুৰোধ জনাব। যি সকল বৰ্তমান ব্যৱস্থা পৰিষদৰ সদস্য হৈ আছে তেওঁলোকক পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়া হ'ব। এই সভাই নিখিল ভাৰত কংগ্ৰেছ কমিটিক ক্ষমতা দিয়ে যে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে যেতিয়াই উপযুক্ত বুলি ভাবিব, তেতিয়াই কৰ বন্ধ আৰু আইন অমান্য আন্দোলন আৰম্ভ কৰিব পাৰিব। ১৯২৯ চনৰ ৩১ ডিচেম্বৰৰ নিশা ১২ বজাত এই প্ৰস্তাৱ কংগ্ৰেছ মহাসভাই গ্ৰহণ কৰি ইংৰাজ চৰকাৰৰ লগত সংঘৰ্ষৰ আয়োজন কৰে। নিশা ১২ বজাত জাতীয় পতাকা উত্তোলন কৰি কংগ্ৰেছে নতুন পথৰ নিৰ্দেশ দিয়ে। সংগ্ৰাম সূচনাৰ বাবে দেশবাসীৰ মাজত সংগ্ৰামী মনোভাব সৃষ্টিৰ বাবে ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনটোক "স্বাধীনতা দিবস" হিচাপে পালন কৰিবলৈও সিদ্ধান্ত লোৱা হয়। সেইদিনা ভাৰতৰ সকলো ঠাইতেই স্বাধীনতাৰ সংকল্প-বাণী পাঠ কৰি তাক গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই প্ৰস্তাৱ লোৱা হয়।

১৯২৯ চনৰ শেষৰ দিনটোলৈ বৃটিশ চৰকাৰে কংগ্ৰেছৰ লগত আপোচৰ কোনো মনোভাব নেদেখুৱালে। তাৰ আগতে গান্ধীজীয়ে বৰলাট লৰ্ড আৰউইনলৈ ভাৰতৰ তৰফৰ পৰা সংস্কাৰৰ প্ৰয়োজনৰ কেইটামান বিষয় লৈ লিখিছিল, তাৰ ভিতৰত বন্দী মুক্তিৰ দাবীও আছিল। কিন্তু বৰলাটে কোনো সঁহাৰি নিদিলে। ১৯৩০ চনৰ ২ জানুৱাৰী তাৰিখে কংগ্ৰেছ কাৰ্য্য নিৰ্বাহক সমিতিয়ে ২৬ জানুৱাৰী তাৰিখে দেশজুৰি "স্বাধীনতা দিন" পালন কৰিবলৈ এটা প্ৰস্তাৱ গ্ৰহণ কৰে। জানুৱাৰীৰ ৯ তাৰিখে মহাত্মা গান্ধীয়ে আইন অমান্য আন্দোলনৰ সংকল্প প্ৰকাশ কৰে। সংগ্ৰামৰ বাবে গান্ধীজীয়ে দেশবাসীলৈ আহ্বান জনালে। কেন্দ্ৰীয় আৰু প্ৰাদেশিক ব্যৱস্থাপক সভাৰ সদস্যসকলক নিজ নিজ পদ ইস্তফা দিবলৈও অনুৰোধ জনায়। ভাৰতৰ কেন্দ্ৰীয় আৰু প্ৰাদেশিক ব্যৱস্থাপক সভাৰ ৭২ জন সদস্যই সদস্য পদ ত্যাগ কৰে। বৃটিশ চৰকাৰৰ ভাৰতৰ স্বাৰ্থ বিৰোধী কামৰ বাবে মদনমোহন মালব্যই কেন্দ্ৰীয় ব্যৱস্থাপক সভাৰ সদস্যপদ ইস্তফা দিছিল। ১৯৩০ চনৰ ২৬ তাৰিখে ভাৰতবৰ্ষৰ সাত লাখ গাঁৱত স্বৰাজৰ সংকল্প গ্ৰহণ কৰা আৰু জাতীয় পতাকা উৰুৱা হয়। প্ৰায় দুশ বছৰ শাসনৰ শিকলি চিঙি জাতিৰ জাগ্ৰত যৌৱন মুক্ত হবলৈ প্ৰস্তুত। কংগ্ৰেছে স্বাধীনতাৰ "সংকল্প বাক্য" ৰচনা কৰি দিয়ে। দেশৰ সকলো ঠাইতেই লাখ লাখ জনতাই শান্ত, গভীৰ কণ্ঠে স্বাধীনতাৰ "সংকল্প বাক্য" গ্ৰহণ কৰে। ৰাইজৰ দৃঢ়সংকল্পই মহাত্মাজীক নতুন প্ৰেৰণা দান কৰে।

স্বাধীনতাৰ সংকল্প বাক্যত কোৱা হৈছিল,—“আমি বিশ্বাস কৰো যে ভাৰতবাসী তথা মানুহ মাত্ৰেই স্বাধীনতা উপভোগ কৰা, নিজৰ শ্ৰমৰ দ্বাৰাই উপাৰ্জিত ফল ভোগ কৰা, জীৱন নিৰ্বাহৰ প্ৰয়োজনীয় সকলো সম্ভাৰ উপভোগ কৰা আৰু জীৱনৰ পৰিপূৰ্ণ বিকাশৰ বাবে সকলো সুবিধা পোৱাটো জন্মস্বত্ব।” অৰ্থনৈতিক ক্ষেত্ৰত ভাৰত আজি একেবাৰেই নিঃস্ব। ভাৰতবাসীৰ উপাৰ্জনৰ অনুপাতত খাজানা নিৰ্ধাৰণৰ হাৰ অতিমাত্ৰা। কৃষকৰ মাটিৰ খাজানা আদায় কৰি নিয়া হয় আৰু শতকৰা তিনি টকা অকল লোণ কৰৰ পৰা নিয়া হয়। এই উভয় কৰ বহন কৰে দৰিদ্ৰ ৰাইজে। এইদৰে ভাৰতবাসীৰ পৰা কোটি কোটি টকা ভাৰতৰ বাহিৰলৈ উলিয়াই নিয়া হয়। ৰাজনৈতিক ক্ষেত্ৰতো ইংৰাজ শাসনৰ অধীনত ভাৰতৰ মৰ্য্যাদাহানি হৈছে। ইংৰাজে দিয়া কোনো শাসন সংস্কাৰতে ভাৰতবাসীয়ে প্ৰকৃত ক্ষমতা লাভ কৰাৰ সুযোগ দিয়া হোৱা নাছিল। সংস্কৃতিৰ ক্ষেত্ৰত ইংৰাজ প্ৰৱৰ্তিত শিক্ষা ব্যৱস্থাই ভাৰতবাসীক ভাৰতীয় ঐতিহ্যৰ পৰা বিচ্ছিন্ন কৰি পেলাইছে। বাধ্যতামূলক নিৰস্ত্ৰীকৰণে ভাৰতবাসীৰ মনুষ্যত্বক নাশ কৰিছে। বিদেশী সৈন্যবাহিনীৰ উপস্থিতিয়ে ভাৰতীয় সকলৰ মনত এক নৈৰাশ্যৰ ভাৱৰ সৃষ্টি কৰিছিল। সেয়েহে ভাৰতৰ জাতীয় মহাসভা কংগ্ৰেছে দৃঢ় সংকল্প হ'ল যে, “আমি অহিংস উপায়েৰে চৰকাৰৰ লগত অসহযোগ কৰিম, কৰ-কাটল দিয়া বন্ধ কৰিম আৰু তাৰ দ্বাৰা আইন অমান্য আন্দোলন গঢ়ি তুলিবলৈ চেষ্টা কৰিম।” ৩১ জানুৱাৰী তাৰিখে মহাত্মা গান্ধীয়ে ১১টা চৰ্ত দি গৱৰ্ণৰ জেনেৰেলক জনাইছিল যে এইবোৰ চৰ্ত গৱৰ্ণমেণ্টে মানি ললে আইন অমান্য আন্দোলন আৰম্ভ কৰা নহয় আৰু কংগ্ৰেছে ঘূৰণীয়া মেজমেল বৈঠকত যোগ দিব। চৰ্তবোৰ এয়ে—(১) ৰাগীয়াল বস্তু তেনেই বন্ধ কৰিব লাগিব; (২) টকাৰ মূল্য ১ চিলিং ৪ পেঞ্চ কৰিব লাগিব; (৩) মাটিৰ খাজানা আধা কমাব লাগিব; (৪) লোণৰ খাজানা তুলি দিব লাগিব; (৫) পোনতে সামৰিক খৰচ আধখিনি কমাব লাগিব; (৬) খাজানা কমোৱাৰ কাৰণে যি টকাৰ নাটনি পৰিব তাক পুৰাবলৈ ডাঙৰ ডাঙৰ চাকৰিয়ালসকলৰ দৰমহা আধা কাটিব লাগিব; (৭) বিদেশী কাপোৰৰ ওপৰত খাজানা বহুৱাই দেশী শিল্প ৰক্ষা কৰিব লাগিব; (৮) উপকূল বাণিজ্য কোঠ ভাৰতীয়সকলৰ কাৰণে ৰাখিব লাগিব; (৯) অহিংস ৰাজনৈতিক ফাটেকিয়ালক মুকলি কৰি দিব লাগিব; (১০) ৰাজনৈতিক গোচৰবোৰ তুলি লব লাগিব আৰু নিৰ্বাসিত

ভাৰতীয়সকলক স্বদেশলৈ উভতি আহিবলৈ অনুমতি দিব লাগিব; চোৰাংচোৱা বিভাগ তুলি দিব লাগিব নাইবা তাক চলোৱাৰ ভাৰ ৰাইজৰ প্ৰতিনিধিৰ হাতত দিব লাগিব।

১৪ ফেব্ৰুৱাৰী তাৰিখে আহমদাবাদত কংগ্ৰেছ কাৰ্য্যনিৰ্বাহক সভাৰ এখন সভা বহে। ইতিমধ্যে, মহাত্মাৰ চৰ্তবোৰ সম্বন্ধে চৰকাৰৰ ফালৰ পৰা একো সমিধান নাপাই কাৰ্য্যনিৰ্বাহক সভাই আইন অমান্য আন্দোলন আৰম্ভ কৰিব লাগে বুলি প্ৰস্তাৱ লয়; আৰু মহাত্মাৰ ওপৰত আইন অমান্য আন্দোলন পৰিচালনা আৰু নিয়ন্ত্ৰণৰ গোটেই ভাৰ অৰ্পণ কৰা হয়। মহাত্মা গান্ধীয়ে সবৰমতী আশ্ৰমৰ কৰ্মীসকলক লৈ পোন প্ৰথমে লোণ আইন ভাঙিবলৈ স্থিৰ কৰিলে। লোণ আইন ভঙ্গ কৰাৰ আগেয়ে মহাত্মাই বৰলাটলৈ এখন চৰম পত্ৰ লিখে। চিঠিখনত মহাত্মাই কেৱাটাও অভিযোগৰ কথা উল্লেকিয়ায় আৰু অনতিপলমে সেইবোৰৰ প্ৰতিকাৰ বিচাৰে। কিন্তু বৰলাটৰ পৰা সন্তোষজনক সঁহাৰি নোপোৱাত ১২ মাৰ্চ তাৰিখে ৰাতিপুৱা আশ্ৰমৰ কৰ্মীসকলক লৈ জয়যাত্ৰা কৰি লোণ আইন ভাঙিবলৈ ডাণ্ডিলৈ ওলায়। সবৰমতী আশ্ৰমৰ পৰা তেখেতে ৭৮ জন সত্যাগ্ৰহী লগত লয়। যাত্ৰা কৰি ওলোৱাৰ সময়ত জাতিক লক্ষ্য কৰি মহাত্মাই কৈছিল, “আমাৰ দাবী দুৰ্দমনীয়, উপায় সহজ, সহায় ভগৱান। সত্যাগ্ৰহীসকলে যদি সত্য নেৰে, তেন্তে তেওঁলোকৰ পৰাজয় নাই। আমি আৰম্ভ কৰা সংগ্ৰামৰ জয় হ'ক।”

মহাত্মাৰ ঐতিহাসিক জয়যাত্ৰা আৰম্ভ হ'ল। তেখেতে সত্যাগ্ৰহী সকলেৰে এই আঢ়ৈশ মাইল বাট খোজ কাঢ়ি যাব ধৰিলে। মহাত্মাৰ জয়যাত্ৰাত সমগ্ৰ ভাৰত উৎসাহ আৰু কৰ্মপ্ৰেৰণাৰে উপচি পৰিল। ১৬ মাৰ্চ তাৰিখে মহাত্মাই ঘোষণা কৰিলে, “এতিয়ালৈ মই সত্যাগ্ৰহ আৰম্ভ কৰিবলৈ সীমা বান্ধি দিছিলোঁ। কিন্তু এতিয়া আৰু কোনো সীমা নাৰাখোঁ। য'তে ইচ্ছা, আপোনালোকে আইন অমান্য আৰম্ভ কৰিব পাৰে।” মহাত্মাৰ অনুমতি পাই দেশজুৰি লোণ আইন অমান্যৰ বিপুল আয়োজন হ'ব ধৰিলে আৰু লোণ আইন ভঙ্গ কৰিবলৈ দেশ সাজু হ'ল। দলে বলে মহাত্মাই বাটকুৰি বাই গৈ গৈ ২৫ দিনৰ মূৰত ৫ এপ্ৰিল তাৰিখে ডাণ্ডি পায়। ৬ এপ্ৰিল তাৰিখে মহাত্মাই ডাণ্ডিত গোট খোৱা জনমণ্ডলীক কয় যেন তেখেত গ্ৰেপ্তাৰ হোৱাৰ পিছত সকলোৱে যুঁজত জঁপিয়াই পৰে। মহাত্মাৰ পিছত হাইকোৰ্টৰ ভূতপূৰ্ব জজ মিঃ আব্বাছ তায়েবজীয়ে আইন অমান্য

আন্দোলনৰ গুৰি ধৰিব আৰু তেখেতৰ পিছত শ্ৰীযুতা সৰোজিনী নাইডুৱে আইন অমান্য আন্দোলন পৰিচালনা কৰিব বুলি মহাত্মাই ঘোষণা কৰে। তাৰ পিছত মহাত্মাই সত্যাগ্ৰহীসকলৰে ৰাতিপুৱা ছয় বজাত সাগৰৰ পাৰলৈ যায় আৰু লোণ সংগ্ৰহ কৰে। মহাত্মাই বাতৰি কাকতৰ প্ৰতিনিধিসকলক ক'লে—"আজি পাতনি মেলিবলৈ লোণ আইন অমান্য কৰা হ'ল। এতিয়া যেয়ে যতে সুবিধা পায়, গ্ৰেপ্তাৰ হবলৈ দায়িত্ব লৈ লোণ আইন ভাঙিব পাৰে।" মহাত্মাই লোণ আইন অমান্য কৰি দিয়াৰ পাছত সি বতাহৰ বেগেৰে গোটেই ভাৰতত বিয়পি পৰিল। গৱৰ্ণমেণ্টে মুখিয়াল নেতাসকলক অগাপিচাকৈ বন্দী কৰিলে, সেইসকলৰ ভিতৰত চৰ্দাৰ বল্লভভাই পেটেল, ৰাজাগোপালাচাৰী, ৰাজেন্দ্ৰ প্ৰসাদ, পণ্ডিত মদন মোহন মালব্য, পণ্ডিত মতিলাল নেহৰু, আব্বাচ টায়েবজী, সৰোজিনী নাইডু, মৌলানা আবুল কালাম আজাদ, জয়ৰাম দাস দৌলত ৰাম, ডাঃ আন্‌চাৰী, ভিঠলভাই পেটেল, জৱাহৰলাল নেহৰু, যমুনালাল বাজাজ, গঙ্গাধৰ ৰাও দেশপাণ্ডে, ডঃ সত্যপাল, ডঃ কিচ্‌লু আদি উল্লেখযোগ্য। কিন্তু ইয়াত আন্দোলন নিস্তেজ হওক ছাৰি আগতকৈ তেজিয়ানহে হ'ল। সৰ্বসাধাৰণৰ মাজত আইন অমান্য আন্দোলন এনেকৈ সোমাল যে ফাটেকিয়াল ৰাখিবলৈ গৱৰ্ণমেণ্টৰ ঠাই নাইকিয়া হ'ল। ভাৰতীয় ব্যৱস্থা পৰিষদত স্বৰাষ্ট্ৰ সচিব ছাৰ জেমচ্‌ ক্ৰেৰাৰৰ প্ৰশ্নোত্তৰৰপৰা জানিব পাৰি যে গোটেই ভাৰতবৰ্ষত সত্যাগ্ৰহ আন্দোলনত সৰ্বমুঠ ৫৪,০৪৯ জন সত্যাগ্ৰহীক দণ্ড দিয়া হৈছে। সত্যাগ্ৰহীক ফাটেকত দিয়া অসম্ভৱ দেখি পুলিচে লাঠী চলাবলৈ আৰম্ভ কৰে। সত্যাগ্ৰহীসকলক লাঠীৰে কোবাই ঘূণীয়া কৰিবলৈ ধৰা দেখি মহাত্মা গান্ধীয়ে লিখিলে—"গৱৰ্ণমেণ্টৰ পক্ষে আইনৰ বাটেৰে যোৱা হয়টো মস্কিল....তেওঁলোকে যদি নিষ্পেৰণ নীতি হাতত লয়, তেন্তে দেখিবলৈ পাব যে মানুহ তাৰ নিমিত্তে সাজু।"

ইংৰাজ গৱৰ্ণমেণ্টে আৰু এটা নিষ্ঠুৰতম দমননীতি হাতত ললে। ঠায়ে ঠায়ে পুলিচে সত্যাগ্ৰহীসকলক গুলীয়াই মাৰিবলৈ ধৰিলে। এইদৰে পুলিচৰ গুলীত ১৯৩০ চনৰ মে, জুন আৰু জুলাই মাহত ১০১ জন সত্যাগ্ৰহী মৃত্যুমুখত পৰিছিল আৰু ৪২৭ জন আহত হৈছিল। পুলিচৰ লাঠীৰ কোবত কিমান সত্যাগ্ৰহী ঘূণীয়া হৈছিল তাৰ লেখ নাই। শেহান্তৰত নিৰুপায়ত পৰি গৱৰ্ণমেণ্টে অৰ্ডিনেন্চ ব্ৰহ্ম-অস্ত্ৰ হাতত ললে। বঙ্গদেশত ৪০০ জন ডেকা বিনা বিচাৰে বন্দী হ'ল। তাৰ পিচত এখনৰ পিছত আনখনকৈ প্ৰেছ অৰ্ডিনেন্চ, পিকেটিং অৰ্ডিনেন্চ, খাজানা

বন্ধ অর্ডিনেন্চ ইত্যাদি কেইবাখনো অর্ডিনেন্চ লর্ড আৰউইনে জাৰি কৰিলে।

২৭ এপ্রিল তাৰিখে প্রেছ অর্ডিনেন্চ বা "বাতৰি কাকতৰ মুখবন্ধ আইন" জাৰি কৰা হয়। এই আইনখনৰ পাতনিত বৰলাটে কৈছে যে বাতৰি কাকতৰ অনেক লিখাত মানুহক বিদ্রোহী হবলৈ উদগনি দিছে। সেই অনুসৰি প্রায়বোৰ জাতীয় কাকতৰ প্রকাশ বন্ধ থাকে। ১০ মে তাৰিখে বাৰদোলিত খাজানা বন্ধ আন্দোলন প্ৰৱৰ্তন কৰা হয়। সেই মাহৰে ৩০ তাৰিখে খাজানা বন্ধ অর্ডিনেন্চ জাৰি কৰা হয়। বাৰদোলি অঞ্চলৰ ১২৫ খন গাওঁ স্বৰাজ নোপোৱালৈকে খাজানা নিদিবলৈ দৃঢ় সংকল্প লয়। এই ১২৫ খন গাৱঁৰ খেতিয়কৰ ওপৰত খাজানা নিদিয়াৰ বাবে অকথনীয় অত্যাচাৰ হোৱা বুলি বাতৰিৰ পৰা জানিব পৰা যায়। নানান নির্য্যাতন কৰিও খেতিয়কসকলৰ পৰা খাজনা আদায় কৰিব নোৱাৰি গৱৰ্ণমেণ্টে খেতিয়কসকলৰ মাটি বাজেয়াপ্ত কৰি পেলায়।

গৱৰ্ণমেণ্টে কেৱল সত্যাগ্রহীসকলক নির্য্যাতন কৰিয়ে ক্ষান্ত থকা নাছিল। কংগ্রেছ কমিটি আৰু জাতীয় প্রতিষ্ঠানবোৰক বে-আইনী বুলি ঘোষণা কৰিছিল। প্রথমে পেশ্বোৱাৰ কংগ্রেছ কমিটি বে-আইনী বুলি ঘোষিত হয়, তাৰ পিছত এখন এখনকৈ প্রত্যেক প্রদেশৰে কংগ্রেছ কমিটিবিলাক আৰু জাতীয় প্রতিষ্ঠানবোৰক গৱৰ্ণমেণ্টে বে-আইনী বুলি ঘোষণা কৰে।

ডাণ্ডিত লোণ-আইন অমান্য কৰাৰ পিছত মহাত্মাই ধৰ্ছনাৰ লোণৰ কাৰখানাটো আক্রমণ কৰিবলৈ ঠিৰাং কৰিলে। ধৰ্ছনা আক্রমণৰ আগেয়ে মহাত্মাই গৱৰ্ণৰ জেনেৰেললৈ এখন চিঠি লিখে। এই চিঠিখনত সত্যাগ্রহী সকলৰ ওপৰত পুলিচে কৰা নিষ্ঠুৰ অত্যাচাৰ আৰু আন অনাচাৰ কেতবোৰৰ কথা উল্লেখ কৰে। তাৰোপৰি লোণৰ খাজানা তুলি দিবলৈ বৰকৈ অনুৰোধ কৰি লিখে আৰু লিখে যে যদি লোণ কৰ তুলি দিয়া নহয় বা মানুহক লোণ তৈয়াৰ কৰিবলৈ অধিকাৰ দিয়া নহয় তেন্তে তেখেতে ধৰ্ছনাৰ লোণৰ গুদাম আক্রমণ কৰিব। এই বাতৰিত গৱৰ্ণমেণ্ট উচপ খাই উঠিল আৰু মহাত্মাজীক বন্দী কৰি যাৰৱেদা জেললৈ নিয়ালে। মহাত্মা বন্দী হোৱাৰ পিছত মিঃ তায়াবজৰ ওপৰত ধৰ্ছনাৰ লোণৰ গুদাম আক্রমণ কৰাৰ ভাৰ পৰে। তেখেতে ৫৯ জন সত্যাগ্রহীৰে ১২ মে তাৰিখে অভিযান আৰম্ভ কৰা মাত্রে গ্রেপ্তাৰ হয়। মিঃ তায়াবজীও বন্দী হোৱাত শ্রীযুতা সৰোজিনী নাইডুৱে ধৰ্ছনা আক্রমণৰ ভাৰ

লয়। তেখেতে অনাহাৰে উজাগৰে ২৭ ঘণ্টাকাল সত্যাগ্ৰহীসকলৰে সৈতে তাত বহি থাকে। তাৰ পিছত তেখেতক গ্ৰেপ্তাৰ কৰি বাহিৰত এৰি দিয়ে আৰু সত্যাগ্ৰহীসকলক লাঠীৰে কোবাই খেদাই দিয়া হয়। ২১ মে তাৰিখে শ্ৰীযুতা নাইডুৱে দুহেজাৰ সত্যাগ্ৰহী লগত লৈ ধৰ্ছনা আক্ৰমণ কৰিবলৈ ওলায়। এনেতে তেখেতক আৰু দুই চাৰিক গ্ৰেপ্তাৰ কৰি সত্যাগ্ৰহীসকলৰ ওপৰত নিৰ্বিচাৰে লাঠী চলোৱা হয়। ইয়াৰ ভিতৰত ৩২০ জন সত্যাগ্ৰহী আহত হয়। ইয়াৰ পিছতো আৰু দুই তিনিবাৰ ধৰ্ছনাৰ লোণৰ কাৰখানা আক্ৰমণ কৰা হয়।

১৯৩০ চনৰ ১৮ আৰু ২১ মে তাৰিখে বাদলাৰ লোণৰ গুদাম আক্ৰমণ কৰা হয়। ইয়াৰ ফলত পুলিচে লাঠী চলাই সত্যাগ্ৰহীসকলক জখম কৰিছিল।

কংগ্ৰেছৰ লগত ঘূৰণীয়া মেজমেল বৈঠক বহুৱাব খোজা সকলো চেষ্টা বিফল হল যদিও ছাৰ তেজবাহাদুৰ ছাপ্ৰু আৰু শ্ৰীযুত জয়াকৰে কিবা এটা আপোচ কৰিবলৈ বৰ ব্যাকুল হৈ উঠিল। তেখেতসকল দুয়োজন লগলাগি জেলত গৈ মহাত্মা গান্ধী, পণ্ডিত মতিলাল নেহৰু আৰু জৱাহৰলাল নেহৰুৰ লগত আলোচনা কৰিবলৈ বৰলাটৰ অনুমতি খুজিলে। বৰলাটে অনুমতি দিলত তেওঁলোকে যাৰবেদা জেললৈ গৈ মহাত্মা গান্ধীৰ লগত আলোচনা কৰিলে। তেখেত সকলে আলোচনা কৰি শান্তি কটকী দুজনাক কেইটামান চৰ্ত দি জনালে যে এইবোৰ চৰ্ত নাপালে তেখেতসকল সন্তুষ্ট হ'ব নোৱাৰে :—

(১) স্পষ্ট ভাষাৰে স্বীকাৰ কৰিব লাগিব যে ইচ্ছামতে বৃটিশ সাম্ৰাজ্যৰ বান্ধোন ছিঙিবলৈ ভাৰতবৰ্ষৰ অধিকাৰ থাকিব।

(২) ভাৰতবাসীক পূৰাকৈ দায়িত্বমূলক শাসন পদ্ধতি দিব লাগিব। দেশ ৰক্ষাৰ বাবে সেনাবিভাগ আৰু অৰ্থ বিভাগ নিয়ন্ত্ৰণ ক্ষমতা ভাৰতবাসীক দিব লাগিব আৰু মহাত্মা গান্ধীয়ে দিয়া ১১টা চৰ্ত পূৰ্ণ কৰিব লাগিব।

(৩) যিবোৰ ধাৰ বা সুবিধা কংগ্ৰেছৰ মতেৰে ভাৰতবৰ্ষৰ স্বাৰ্থৰ ফলীয়া নহয়, নাইবা অসঙ্গত তাৰ বোজা ভাৰতবৰ্ষই লব নে নলয়, তাৰ বিচাৰৰ ভাৰ এটা নিৰপেক্ষ আদালতৰ ওপৰত দিয়াৰ অধিকাৰ স্বীকাৰ কৰিব লাগিব।

কিন্তু ছাপ্ৰু-জয়াকৰৰ সকলো চেষ্টা ব্যৰ্থ হ'ল। অৱশেষে ঘূৰণীয়া মেজমেল বৈঠক নবহাকৈ নাথাকিল। কংগ্ৰেছক বাদ দি প্ৰতিনিধি বাছনি কৰি ঘূৰণীয়া মেজমেল বৈঠক বহুৱা হ'ল। ১৯৩০ চনৰ ১২ নবেম্বৰ তাৰিখে সম্ৰাট পঞ্চম জৰ্জে ঘূৰণীয়া মেজমেল বৈঠক লৰ্ড সভাত উদ্বোধন কৰে আৰু ১৯৩১ চনৰ

১৯ জানুৱাৰী তাৰিখে ছেণ্ট জেমছ ৰাজপ্ৰাসাদত অধিবেশনৰ সামৰণি পৰে। কংগ্ৰেছে যোগ নিদিয়াৰ কাৰণে লণ্ডনত বহা এই প্ৰথম ঘূৰণীয়া মেজমেল বৈঠক এটা বিৰাট ব্যৰ্থতাত পৰিণত হ'ল।

এই সময়তে প্ৰধানমন্ত্ৰী মিঃ ৰাম্‌জে মেকডোনাল্ডে ভাৰতৰ নীতি সম্বন্ধে এক ঘোষণা কৰি ভাৰতবৰ্ষৰ ৰাজনৈতিক বন্দীসকলক মুক্তি দিয়াৰ কথা উল্লেখ কৰে আৰু কংগ্ৰেছক ভাৰতীয় সমস্যাৰ সমাধানত আৰু প্ৰধানমন্ত্ৰীৰ ঘোষণাৰ আলোচনাত যোগ দিবলৈ বৰলাটৰ পৰামৰ্শ অনুসৰি আহ্বান কৰে। দৰাচলতে, সত্যাগ্ৰহ আন্দোলনৰ প্ৰকোপত ভাৰত গৱৰ্ণমেণ্ট অচলপ্ৰায় হৈ উঠিছিল। তাৰোপৰি, বিলাতী কাপোৰ বৰ্জনৰ ফলত বিলাতৰ কলবিলাক বন্ধ আৰু চলাব নোৱাৰা হোৱাত, বিলাতত নিবনুৱাৰ সংখ্যা আশাতীতৰূপে বাঢ়ি যায়। এনে সঙ্কটত পৰি বৰলাট লৰ্ড আৰউইনে শান্তিৰ বাট বিচাৰিবলৈ বাধ্য হৈছিল। ১৯৩১ চনৰ ২৫ জানুৱাৰী তাৰিখে বৰলাটে কংগ্ৰেছক বে-আইনী বুলি ঘোষণা কৰা আইনখন তুলি লয় আৰু পিছদিনাই মহাত্মা গান্ধী আৰু আন সদস্যসকলক মুকলি কৰি দিয়া হয়।

প্ৰধানমন্ত্ৰীৰ ঘোষণা আলোচনা কৰিবলৈ মহাত্মা গান্ধীয়ে ১৭ ফেব্ৰুৱাৰী তাৰিখে দিল্লীত বৰলাট লৰ্ড আৰউইনক দেখা কৰে। একেলেথাৰিয়ে কেইবাদিনো আলোচনা কৰাৰ পিছত কংগ্ৰেছৰ ফালৰ পৰা মহাত্মা গান্ধী আৰু ভাৰত গৱৰ্ণমেণ্টৰ তৰফে লৰ্ড আৰউইনৰ মাজত যুদ্ধবিৰতিৰ এটা আপোচ হয়। এই আপোচক বিখ্যাত গান্ধী-আৰউইন চুক্তি নামে জনা যায়। গান্ধী-আৰউইন চুক্তিৰ চৰ্তবোৰ আছিল—(১) কংগ্ৰেছে আইন অমান্য আন্দোলন তুলি ল'ব; (২) ৰাজনৈতিক অস্ত্ৰ হিচাপে বিলাতী বস্ত্ৰ বৰ্জন কৰা আন্দোলন নচলিব। (৩) অহিংস অপৰাধত বন্দী হোৱা ফাটেকিয়াল সকলক মুক্তি দিয়া হ'ব। (৪) যিবোৰ ঠাইত স্বাভাৱিক লোণ পোৱা হয়, সেই ঠাইৰ অধিবাসীবিলাকে অবাধে নিজক লগা পৰিমাণে লোণ সংগ্ৰহ কৰিব। (৫) শান্তিপূৰ্ণ পিকেটিঙত কোনো বাধা নাথাকিব। (৬) আইন অমান্য আন্দোলনৰ সময়ত যিবোৰ দমননীতিমূলক ব্যৱস্থা হাতত লোৱা হৈছিল তাক তুলি লব লাগিব। (৭) খাজানা আদায়ৰ কাৰণে যিবোৰ সম্পত্তি কোৰোক কৰি আনৰ ওচৰত বেচা হৈছিল, সি বলবৎ থাকিব। (৮) বিলাতী বস্ত্ৰ কিনা বেচাত হস্তক্ষেপ কৰা নহব। (৯) পুলিচৰ অত্যাচাৰ সম্বন্ধে তদন্তৰ দাবী কংগ্ৰেছে এৰি পেলাব লাগিব। (১০) যিবোৰ

বাজেয়াপ্ত সম্পত্তি বেচা হোৱা নাই তাক ঘূৰাই দিব লাগিব। (১১) কংগ্ৰেছে দ্বিতীয় ঘূৰণীয়া মেজমেল বৈঠকত যোগদান কৰিব।

৫ মাৰ্চ তাৰিখে আপোচৰ চৰ্তবোৰ ঘোষণা কৰা হয়। আপোচৰ চৰ্ত অনুসৰি কংগ্ৰেছে আইন অমান্য আন্দোলন তুলি ললে। ২৯ আগষ্ট তাৰিখে মহাত্মা গান্ধী, পণ্ডিত মদনমোহন মালব্য আৰু শ্ৰীযুতা সৰোজিনী নাইডু দ্বিতীয় ঘূৰণীয়া মেজমেল বৈঠকত যোগ দিবলৈ বুলি বোম্বাইৰ পৰা লণ্ডনলৈ যাত্ৰা কৰে। এই সভাত ১০৭ জন ভাৰতীয় সদস্য উপস্থিত আছিল। বৃটিশ চৰকাৰে অতি স্পষ্টভাৱে ঘোষণা কৰি কৈছিল যে ভাৰতত সাম্প্ৰদায়িক সমস্যাৰ এটা সুমীমাংসা নোহোৱালৈকে প্ৰগতিশীল স্বায়ত্ব শাসন প্ৰবৰ্তনৰ আশ্বাস দিব নোৱাৰি। আনফালে, ইংৰাজ চৰকাৰে এই বৈঠকত সাম্প্ৰদায়িকতাৰ ভিত্তিত সদস্য মনোনীত কৰি নিয়া হৈছিল। গান্ধীজীয়েও এই কথা ভালদৰে উপলব্ধি কৰিব পাৰিছিল যে এই সভাত যোগদান কৰাৰ ফলত ভাৰতে স্বৰাজ পাব নোৱাৰে। তথাপিও সেই বৈঠকত যোগদান কৰাৰ প্ৰধান উদ্দেশ্য আছিল— ভাৰতৰ জাতীয় দাবীক আন্তৰ্জাতিক ক্ষেত্ৰত প্ৰচাৰ কৰা। কিন্তু, দুৰ্ভাগ্যৰ কথা যে বাকী সদস্যসকলৰ অধিক সংখ্যাকেই বিশেষকৈ মুছলমান আৰু শিখ সম্প্ৰদায়ৰ স্বকীয়া দাবীৰ ওপৰত অধিক জোৰ দি 'ঘূৰণীয়া মেজমেল বৈঠকৰ বৈঠকক সাম্প্ৰদায়িক দাবী উত্থাপনৰ প্ৰতিযোগিতাৰ ক্ষেত্ৰত পৰিণত কৰিছিল। ভাৰতৰ জাতীয় সমস্যা সমাধানৰ উত্থাপনতকৈ সাম্প্ৰদায়িক প্ৰশ্ন উত্থাপনৰ ওপৰতহে এই সদস্যসকলে অধিক জোৰ দিছিল। ইংলণ্ডৰ প্ৰধানমন্ত্ৰী মেক্‌ডোনাল্ড চাহাবে ভাৰতৰ মৌলিক দাবী স্বায়ত্ব শাসনৰ প্ৰশ্নতকৈ সংখ্যালঘিষ্ঠ সম্প্ৰদায়ৰ সাম্প্ৰদায়িক দাবীৰ প্ৰতিহে অধিক মনোযোগ দি সাম্প্ৰদায়িক বিষ যাতে ভাৰতত ভালদৰে শিপাব পাৰে তাৰেহে চেষ্টা চলাইছিল। আচলতে ক'বলৈ গলে 'ঘূৰণীয়া মেজমেল বৈঠক' সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। ১৯৩১ চনৰ ২৮ ডিচেম্বৰৰ দিনা মহাত্মা গান্ধীয়ে বিলাতৰ পৰা উভতি আহি ভাৰত পায়। বিলাতৰ পৰা উভতি আহোতে মহাত্মা গান্ধীক অভ্যৰ্থনা জনাবলৈ পণ্ডিত নেহৰু বোম্বাইলৈ যোৱাৰ পথতে গ্ৰেপ্তাৰ বৰণ কৰিবলগীয়া হয়। গান্ধীজীয়ে ভাৰতলৈ আহি জানিব পাৰে যে ইতিমধ্যে চৰকাৰে গান্ধী-আৰউইন চুক্তি লঙ্ঘন কৰি দমননীতি প্ৰৱৰ্তন কৰিছে। ১৯৩১ চনৰ ৩১ ডিচেম্বৰৰ মাজ নিশাত ওৱৰ্কিং কমিটিয়ে আইন অমান্য আন্দোলনৰ সিদ্ধান্ত গ্ৰহণ কৰে আৰু তাৰ দায়িত্ব গান্ধীজীৰ

ওপৰত ন্যস্ত কৰে। কংগ্ৰেছে সমগ্ৰ জাতিক কঠোৰ নিয়ম শৃঙ্খলা আৰু শান্তি বজায় ৰাখি পুনৰ আইন অমান্য আন্দোলন আৰম্ভ কৰিবলৈ নিৰ্দেশ দিয়ে। ১৯৩২ চনৰ ৩ জানুৱাৰীৰ দিনা গান্ধীজীয়ে ভাৰতৰ বৰলাট চাহাবলৈ এক চৰমপত্ৰ পঠিয়ায়। ৪ জানুৱাৰীৰ দিনা গান্ধীজীক গ্ৰেপ্তাৰ কৰি যাৰবেদা জেলত ৰখা হয়।

গান্ধীজীৰ গ্ৰেপ্তাৰৰ বাতৰিয়ে সমগ্ৰ দেশতে অহিংস বিপ্লৱ বহ্নিৰ গতিক তীব্ৰতৰ কৰি তোলে। সুভাষ বসু, চৰ্দাৰ বল্লভভাই পেটেল, ডাঃ আনচাৰী প্ৰভৃতি নেতাসকলক বন্দী কৰা হয়। ৰাজনৈতিক প্ৰতিষ্ঠান সমূহক বে-আইনী ঘোষণা কৰা হয়। জৰুৰী আইনৰ বলত হাজাৰ হাজাৰ স্বেচ্ছাসেৱক, কৰ্মী আৰু নেতাক বিনা বিচাৰে আটক কৰা হয়। দমননীতিৰ প্ৰতিবাদকল্পে সমগ্ৰ দেশত আইন অমান্য আন্দোলন পুনৰ তীব্ৰ গতিত চলে। কৰ বন্ধ আন্দোলন, বিদেশী বস্ত্ৰ বৰ্জন, কানি, ভাং, মদ আদি মাদক দ্ৰব্য নিবাৰণ অভিযান, চৰকাৰী স্কুল কলেজ বৰ্জন আৰু চৰকাৰী আদালতৰ পৰিবৰ্তে পঞ্চায়ত স্থাপন আদি কাৰ্য্যৰ দ্বাৰা সমগ্ৰ দেশেই মুক্তি-বলীয়া হৈ জাগ্ৰত হৈছিল। মহাত্মা গান্ধীৰ—"মই বিশ্বাস কৰোঁ যে, অহিংসা হিংসাতকৈ হাজাৰ গুণে ডাঙৰ আৰু সেই অহিংসা মোৰ পৰম বন্ধু"—বাণীয়ে ভাৰতবাসীৰ সংগ্ৰামী মন অনুপ্ৰাণিত কৰিছিল।

গান্ধীজীক গ্ৰেপ্তাৰ কৰাৰ দিনাই বৰলাট লৰ্ড উইলিংডনে চাৰিখন অৰ্ডিনেন্চ জাৰী কৰে। সেই আটাইকেইখন অৰ্ডিনেন্চৰ উদ্দেশ্য আছিল—ভাৰতীয় ৰাইজৰ স্বাধীনতাৰ বাবে কৰা আন্দোলনক সকলো প্ৰকাৰে মষিমূৰ কৰা। বিশেষ শাসন ব্যৱস্থা, বিশেষ আদালত আৰু শাস্তিদানৰ বিশেষ ব্যৱস্থা আদি প্ৰচলন কৰি সমগ্ৰ দেশত এক উৎপীড়ন আৰু অত্যাচাৰৰ ৰাজত্ব চলাইছিল। জাতীয় স্কুল কলেজ আদি অনুষ্ঠানৰ আৰু কংগ্ৰেছৰ সা-সম্পত্তি বাজেয়াপ্ত কৰিছিল। সমগ্ৰ দেশত ১৯৩২ চনৰ অহিংস আন্দোলনত প্ৰায় ১ লাখ কৰ্মীক বন্দী কৰা হৈছিল। অত্যাচাৰত অনেকে প্ৰাণ হেৰুৱাইছিল। সকলো দুখ-লাঞ্ছনা ত্যাগ কৰি ঐকান্তিক নৈতিক মনোবলেৰে ভাৰতবাসীয়ে স্বাধীনতা সংগ্ৰামক আগুৱাই নিছিল। এই সময়তে এচাম বিপ্লৱীয়ে যেনে পঞ্জাবৰ ভগৎ সিং, শুকদেউ, ৰাজগুৰু আৰু বঙ্গদেশৰ সূৰ্য্য সেন প্ৰভৃতিয়ে হিংসাৰ পথেৰে স্বাধীনতাৰ ৰণক আগুৱাই নিছিল।

বিলাতত অনুষ্ঠিত হোৱা ঘূৰণীয়া মেজ মেলত হিন্দু-মুছলমানৰ মিলিত সংবিধান ৰচনা কৰাৰ আশা নোহোৱাটো প্ৰতিপন্ন হৈছিল। মুছলমানসকলে নিজৰ প্ৰতিপত্তি অটুট ৰখাৰ বাবে স্বকীয়া নিৰ্বাচন দাবী কৰে। ঘূৰণীয়া মেজ মেলৰ

বৈঠকত তথাকথিত অনুন্নত হিন্দুসকলৰ ৰক্ষা কবচৰ প্ৰয়োজনীয়তাৰ কথাও উত্থাপিত হৈছিল। যিহেতু সৰ্বদল সম্মত কোনো সংবিধান সম্ভৱপৰ নহ'ল, সেইবাবে ইংলণ্ডৰ প্ৰধানমন্ত্ৰী মিঃ মেকডোনাল্ডৰ ওপৰত সংবিধানৰ ৰচনাৰ ভাৰ অৰ্পিত হৈছিল। এনে পৰিবেশত বৃটিশ প্ৰধানমন্ত্ৰী মিঃ মেক্‌ডোনাল্ডে ভাৰতৰ সংবিধানৰ খচৰা প্ৰস্তুত কৰে যাৰ ওপৰত ভিত্তি কৰি ১৯৩৫ চনৰ ভাৰত সংবিধান ৰচনা হয়। মিঃ মেকডোনাল্ডে ভাবী প্ৰাদেশিক আৰু কেন্দ্ৰীয় আইন সভালৈ সদস্য নিৰ্বাচন নীতিত হিন্দু-মুছলমানৰ স্বকীয়া নিৰ্বাচনৰ ব্যৱস্থা ৰখাৰ উপৰিও হিন্দুসকলৰ ভিতৰতে বৰ্ণ হিন্দু আৰু অনুন্নত হিন্দুসকলৰ এটা সমষ্টি সৃষ্টি কৰি হিন্দুসকলৰ ভিতৰতে নতুনকৈ আন এটা স্বকীয়া স্বাৰ্থৰ অস্তিত্বৰ সুপাৰিশ কৰে। ১৯ ২ চনৰ ১৭ আগষ্টৰ দিনা এই প্ৰস্তাৱ প্ৰকাশিত হয়।

মহাত্মা গান্ধীয়ে যাৰবেদা জেলতেই এই প্ৰস্তাৱৰ কথা জানিবলৈ পায় আৰু ১৮ আগষ্টৰ দিনা জেলৰ পৰাই তেওঁ জনালে যে হিন্দু সমাজৰ কাৰণে এই সৰ্বনাশী প্ৰস্তাৱক দেশবাসীয়ে প্ৰতিৰোধ কৰিব লাগে। তেওঁ আৰু স্পষ্টভাৱে ঘোষণা কৰে যে যদি এই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰা নহয়, তেনেহলে ২০ চেপ্তেম্বৰৰ পৰা তেওঁ আমৰণ অনশন ব্ৰত গ্ৰহণ কৰিব। গান্ধীজীৰ এই ঘোষণাই সমগ্ৰ দেশতে এক বিপুল চাঞ্চল্যৰ সৃষ্টি কৰে। বৃটিশ প্ৰধানমন্ত্ৰীৰ এই সাম্প্ৰদায়িক বাটোৱাৰাৰ সম্পৰ্কত নেতাজী সুভাষ বসুৱে কৈছিল যে সাম্প্ৰদায়িক বাটোৱাৰাৰ আচল অন্তৰ্নিহিত উদ্দেশ্য হৈছে—ভেদনীতিৰ দ্বাৰা ভাৰতত বৃটিশ আধিপত্যৰ ম্যাদ আৰু বৃদ্ধি কৰা। ৰাজনীতিৰ লগত জাতি-উপজাতি সাম্প্ৰদায়িক ভেটিত মুছলমান, অমুছলমান, শিখ, এংলো-ইণ্ডিয়ান, ভাৰতীয় খৃষ্টান আৰু অনুসূচীত সম্প্ৰদায়ৰ বাবে স্বকীয়া আসন আৰু স্বকীয়া নিৰ্বাচনৰ ব্যৱস্থা কৰি ভাৰতীয় জাতিক শতগুণে বিভক্ত কৰি ভাৰতীয় জাতীয়তাক নাশ কৰাৰ পৰিকল্পনা কৰা হৈছিল।

বৃটিশ চৰকাৰে সাম্প্ৰদায়িক বাটোৱাৰা বিশেষকৈ হিন্দু সমাজক বিভক্ত কৰা নীতি পৰিহাৰ নকৰাত ১৯৩২ চনৰ ২২ চেপ্তেম্বৰৰ দিনা গান্ধীজীয়ে যাৰবেদা জেলত আমৰণ অনশন ব্ৰত আৰম্ভ কৰে। এই অনশন ভাৰতৰ জাতীয় ইতিহাসত চিৰস্মৰণীয়। হিন্দু সমাজৰ মহাব্যাধী অস্পৃশ্যতাক সমাজৰ পৰা আঁতৰাবলৈ গান্ধীজীয়ে লৈছিল এই মহান ব্ৰত। গান্ধীজীৰ আমৰণ অনশন সংকল্পত অকল ভাৰততেই নহয় প্ৰায় সমগ্ৰ পৃথিবীতে এক বিপুল আলোড়নৰ সৃষ্টি হৈছিল। পণ্ডিত মদনমোহন মালব্যৰ প্ৰচেষ্টাত বোম্বাইত ভাৰতৰ হিন্দু সমাজৰ নানা জাতি-উপজাতিৰ আৰু দল-উপদলৰ

নেতৃবৃন্দৰ সমাবেশ হৈছিল আৰু সকলোৱে একবাক্যে ঘোষণা কৰিছিল যে হিন্দু সমাজৰ সকলো মানুহৰ বাবেই ৰাজহুৱা আৰু সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান আদি মুক্ত হ'ব। বিধান সভা, ব্যৱস্থাপক সভা আৰু অন্যান্য স্থানীয় শাসনাধিষ্ঠ অনুষ্ঠানত অনুসূচীত জাতিসকলৰ বাবে সুকীয়া আসনৰ ব্যৱস্থা থাকিব, কিন্তু ই হ'ব সমগ্ৰ হিন্দু সমাজৰ ভোটৰ ভেটিত। হিন্দু সমাজৰ নেতাসকলৰ এই ঘোষণাত অনুন্নত হিন্দু সমাজৰ প্ৰধান নেতা ডাঃ আম্বেদকাৰ সন্তুষ্ট হয় আৰু এই সিদ্ধান্তত উচ্চ হিন্দু আৰু অনুন্নত হিন্দুসকলৰ নেতাসকলে মিলি এক চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিক "যাৰবেদা বা পুণা চুক্তি" বুলি কোৱা হয়। ৰাজেন্দ্ৰ প্ৰসাদ, ৰাজা গোপালাচাৰী, আম্বেদকাৰ, মদনমোহন মালব্য আদি কিছুমান নেতাই গান্ধীজীৰ জীৱন ৰক্ষাৰ কাৰণেই এই পুণা চুক্তি কৰে। এই চুক্তি ইংলণ্ডৰ প্ৰধানমন্ত্ৰীলৈ পঠিওৱা হয়। এই পুণা চুক্তিৰ কাৰণেই ইংলণ্ডৰ প্ৰধানমন্ত্ৰীয়ে সাম্প্ৰদায়িক বাটোৱাৰা সংশোধন কৰি হিন্দু সমাজক সম্পূৰ্ণৰূপে বিভক্ত কৰিব খোজা প্ৰস্তাৱক নাকচ কৰে। কিন্তু তথাপিও সাম্প্ৰদায়িক ভিত্তিত হিন্দু-মুছলমানৰ পৃথক নিৰ্বাচন প্ৰথা ৰৈ যায় আৰু তাৰ ফলতেই দ্বিজাতি তত্ত্বৰ সৃষ্টি হৈ অৱশেষত ভাৰত বিভক্ত হয়। পুণা চুক্তিৰ ফলতেই গান্ধীজীয়ে আমৰণ অনশন ত্যাগ কৰে। এই চুক্তি মতে অনুন্নত সম্প্ৰদায়ৰ পৃথক নিৰ্বাচনৰ প্ৰস্তাৱৰ পৰিবৰ্তে তেওঁলোকৰ বাবে ব্যৱস্থাপক সভাত আসন সংৰক্ষিত ৰাখি যুক্ত নিৰ্বাচন ৰীতিৰ ব্যৱস্থা কৰা হয়।

ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিস্থিতিৰ পাকত পৰি ইংৰাজ চৰকাৰে ১৯৩২ চনৰ ১৭ নবেম্বৰৰ পৰা তৃতীয় ঘূৰণীয়া মেজ মেল আহ্বান কৰে। কংগ্ৰেছে এই মেলত যোগদান কৰা নাছিল। ইংলণ্ডৰ বনুৱা দলেও এই মেলত যোগদান কৰাৰ পৰা বিৰত আছিল। এই মেলত যুক্তৰাষ্ট্ৰ সৃষ্টি কৰাৰ সৰ্ত সমূহ, অৱশিষ্ট ক্ষমতাৰ বিধিবিধানৰ বিষয়ে আলোচনা কৰা হৈছিল। ভাৰতীয় প্ৰতিনিধিসকলে সংবিধানত মৌলিক অধিকাৰ সন্নিবিষ্ট কৰাৰ চেষ্টা চলাইছিল। কিন্তু ইংৰাজ চৰকাৰে তেওঁলোকৰ এই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰে। এই মেলৰ শেষত ইংৰাজ চৰকাৰে শ্বেত পত্ৰত (white paper) এই প্ৰস্তাৱবোৰ প্ৰকাশ কৰিছিল।

১৯৩৩ চনৰ ১ মে'ৰ দিনা যাৰবেদা জেলৰ পৰা গান্ধীজীয়ে ঘোষণা কৰিলে যে দেশৰ হৰিজন সম্প্ৰদায়ৰ উন্নয়নৰ বাবে তেওঁ ২১ দিন অনশন কৰিব। হিন্দু সমাজৰ অন্ধ বিশ্বাস, মনৰ সংকীৰ্ণতা আৰু অনৈক্য ভাবৰ পৰিবৰ্তে যাতে তেওঁলোকৰ মাজত এক বিশাল উদাৰ ভাতৃত্ববোধ জাতীয় মনোভাৱৰ সৃষ্টি হয়, তাৰ পৰিবেশ

সৃষ্টি কৰাই এই অনশনৰ লক্ষ্য আছিল। ১৯৩৩ চনৰ ৮ মে'ৰ পৰা গান্ধীজীয়ে এই উদ্দেশ্যৰে তেওঁৰ মহান অনশন ব্ৰত আৰম্ভ কৰে। সেইদিনাই কৰ্তৃপক্ষই গান্ধীজীক জেলৰপৰা মুক্তি দিয়ে।

মহাত্মা গান্ধীয়ে কাৰাগাৰৰ পৰা মুক্তি পোৱাৰ পিছতেই এক বিবৃতিযোগে ছয় সপ্তাহ কালৰ বাবে আইন অমান্য আন্দোলন বন্ধ ৰাখি হৰিজন উন্নয়নৰ কামত আত্মনিয়োগ কৰিবলৈ দেশবাসীলৈ আবেদন জনায়। দেশৰ জাগ্ৰত জনমতে গান্ধীজীৰ এই সিদ্ধান্ত গ্ৰহণ কৰিবলৈ বৰ কষ্টবোধ কৰিছিল। সেই সময়ত ভিঠল ভাই পেটেল আৰু বিদেশত নিৰ্বাসিত হৈ থকা সুভাষ বসুৱে এক যুটীয়া বিবৃতি দি কৈছিল—"আইন অমান্য আন্দোলন বন্ধৰ নিৰ্দেশ দি গান্ধীজীয়ে দেৱলীয়া নেতৃত্বৰ হে পৰিচয় দিলে।" আনকি জৱাহৰলাল নেহৰুৱেও আন্দোলন বন্ধ কৰাৰ নিৰ্দেশক সমৰ্থন জনাব পৰা নাছিল। ইয়াৰ বাহিৰেও দেশৰ অসংখ্য কংগ্ৰেছ কৰ্মীয়েও এই সিদ্ধান্তক মনে-প্ৰাণে সমৰ্থন কৰিব পৰা নাছিল। কিন্তু ১৯৩৩ চনৰ ১২ জুলাইত পুণাত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনে সকলো কথা বিবেচনা কৰি মহাত্মা গান্ধীয়ে অসহযোগ সত্যাগ্ৰহ আন্দোলন স্থগিত ৰখা ঘোষণাক সমৰ্থন কৰে আৰু কৰ্মীসকলক ব্যক্তিগত সত্যাগ্ৰহ কৰিবলৈ আৰু হৰিজনৰ উন্নয়ন কামত আত্মনিয়োগ কৰিবলৈ নিৰ্দেশ দিয়ে। ১৯৩৩ চনৰ আগষ্টৰ পৰা আইন অমান্য আন্দোলন বন্ধ থাকে।

ঘূৰণীয়া মেজমেল তিনিবাৰ অনুষ্ঠিত হোৱা বৈঠকৰ পাছত সাম্ৰাজ্যবাদী বৃটিশ চৰকাৰে ভাৰতীয় জাতীয়তাবাদৰ মূৰত কুঠাৰাঘাত কৰাৰ অভিপ্ৰায়েৰে ভাৰতৰ শাসন সংস্কাৰ সম্পৰ্কে যি আঁচনি প্ৰস্তুত কৰিছিল, তাক "হোৱাইট পেপাৰ" নামে অভিহিত কৰা হৈছিল। সেই "হোৱাইট পেপাৰক" বৃটিশ পাৰ্লামেণ্টে ১৯৩৫ চনৰ ২ আগষ্টৰ দিনা গ্ৰহণ কৰাত আইনত পৰিণত হয় আৰু সেয়ে ১৯৩৫ চনৰ ভাৰত শাসন আইন নামে অভিহিত।

এই আইন ৰচনা হৈছিল "বিভেদ সৃষ্টি কৰি শাসন চলোৱা নীতি"-ৰ ওপৰত ভিত্তি কৰি। এই আইনে ভাৰতীয় ৰাইজক উনৈশ ভাগত বিভক্ত কৰি ভাৰতীয় জাতীয় ভাৱৰ অন্ত পেলাবলৈ চেষ্টা চলাইছিল। এই আইনেৰে ভাৰতীয় সকলক মুছলমান, অমুছলমান, শিখ, খৃষ্টিয়ান, অনুসূচীত জাতি, জনজাতি, উদ্যোগপতি, ব্যৱসায়ী, মাটিৰ মালিক, বিশ্ববিদ্যালয়, ইউৰোপীয় আৰু এংলো ইণ্ডিয়ান আদি

ভাগত বিভক্ত কৰি বেলেগ বেলেগ প্ৰতিনিধি নিৰ্বাচন কৰাৰ আঁচনি প্ৰস্তুত কৰিছিল।

ভেদনীতিৰেই পূৰ্ণ এই শাসন সংস্কাৰ আইনে প্ৰদেশসমূহক স্বায়ত্ব শাসন দিছিল আৰু দেশীয় ৰাজ্যসমূহৰ লৈতে দেশবোৰক লগ লগাই এখন যুক্তৰাষ্ট্ৰ গঠন কৰিবলৈ ব্যৱস্থা কৰিছিল। কেন্দ্ৰত কোনো ক্ষমতা জনপ্ৰতিনিধিৰ হাতলৈ হস্তান্তৰ কৰাৰ ব্যৱস্থা এই আইনত নাছিল। দেশীয় ৰাজ্যৰ ৰজাসকলে ভাৰতীয় যুক্তৰাষ্ট্ৰত যোগদান কৰাৰ বিধান আছিল আৰু যুক্তৰাজ্যৰ আইন পৰিষদলৈ তেওঁলোকৰ প্ৰতিনিধি পঠোৱাৰ ব্যৱস্থা কৰা হৈছিল। এই আইনৰ বিধান অনুযায়ী প্ৰশাসনীয় বিষয়সমূহ কেন্দ্ৰীয় সূচী, ৰাজ্যিক সূচী আদিত বিভক্ত কৰা হৈছিল। এই আইনে গৱৰ্ণৰ জেনেৰেল আৰু প্ৰাদেশিক গৱৰ্ণৰসকলক ব্যক্তিগত বিচাৰ বুদ্ধিত কাম কৰিবলৈ বিশেষ দায়িত্ব দিছিল আৰু সেই ক্ষমতাই ভাৰতবৰ্ষত গণতান্ত্ৰিক আৰু দায়িত্বশীল শাসন প্ৰৱৰ্তন হোৱাত যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল। মুঠৰ ওপৰত ১৯৩৫ চনৰ ভাৰত শাসন আইনে ভাৰতৰ জাতীয়তাবাদৰ ওপৰত প্ৰকাণ্ড আঘাত কৰি বৃটিশ শাসন ভাৰতত নিগাজিকৈ স্থাপন কৰিবলৈ চেষ্টা চলাইছিল। আৱশ্যকীয় সংখ্যক দেশীয় ৰাজ্যই যুক্তৰাষ্ট্ৰত যোগদান নকৰাৰ ফলত ভাৰতবৰ্ষত যুক্তৰাষ্ট্ৰ প্ৰতিষ্ঠা নহল। প্ৰাদেশিক চৰকাৰ সংক্ৰান্ত অংশটোৱে ১৯৩৭ চনৰ পহিলা এপ্ৰিলৰ পৰা বলবৎ হৈছিল।

# দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত জাতীয় আন্দোলন

১৯৩৯ চনত অতি আকস্মিক ভাবে দ্বিতীয় মহাযুদ্ধৰ সূচনা হয়। এই মহাসমৰত ইংলণ্ড জড়িত হোৱাত বৃটিশ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত ভাৰতেও এই যুদ্ধৰ অংশীদাৰ হয়—এয়েই আছিল বৃটিশ চৰকাৰৰ অভিমত। ইংলণ্ডই যুদ্ধত সহযোগিতা কৰা সম্পৰ্কে ভাৰতৰ তেতিয়াৰ ব্যৱস্থা পৰিষদৰো মতামত গ্ৰহণ কৰাৰ প্ৰয়োজনীয়তা বোধ নকৰিলে। যুদ্ধ সম্পৰ্কে সকলো কৰিবলগীয়া কাম জৰুৰী অৰ্ডিনেন্চ আদিৰে সম্পন্ন কৰি লৈছিল। কংগ্ৰেছ ওৱৰ্কিং কমিটিয়ে পৃথিৱীৰ তেনে সঙ্কটময় পৰিস্থিতিত এক বিবৃতি প্ৰকাশ কৰি ঘোষণা কৰিছিল যে, "ভাৰত গণতান্ত্ৰিক নীতিৰ পক্ষপাতী আৰু নাজিবাদ, ফেচিষ্টবাদ নীতিৰ ঘোৰ বিৰোধী।" জাৰ্মানীৰ সৈন্যবাহিনীয়ে পোলেণ্ড আক্ৰমণ কৰাত পোলেণ্ডৰ গণতন্ত্ৰ বিপন্ন হয়। বৃটিশ গৱৰ্ণমেণ্টে পোলেণ্ডৰ স্বাধীনতা ৰক্ষাৰ বাবে যুদ্ধত অৱতীৰ্ণ হৈছে। আক্ৰান্ত পোলেণ্ডৰ প্ৰতি ভাৰতৰ পূৰ্ণ সহানুভূতি আছে কিন্তু ভাৰতে জানিব খোজে যে এই যুদ্ধৰ শেষত ভাৰতে স্বাধীনতা লাভ কৰিবনে?

বৃটিশৰ সাম্ৰাজ্যবাদ নীতিৰ কাৰণেই ভাৰতে বৃটিশক সহায় কৰিব নোৱাৰে আৰু প্ৰকৃততে যদি বৃটিশে পৃথিৱীত গণতন্ত্ৰৰ আদৰ্শ স্থাপনৰ বাবেহে যুদ্ধত নামিছে, তেনেহ'লে তেওঁলোকে আগেয়ে ভাৰতৰ স্বাধীনতা আৰু গণতন্ত্ৰ প্ৰতিষ্ঠাৰ বাবে বাস্তৱ কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰাৰ সং উদ্দেশ্যেৰে প্ৰমাণ দিবলৈ কংগ্ৰেছে বৃটিশ চৰকাৰক অনুৰোধ জনাইছিল। বিশ্বযুদ্ধৰ লগত সংশ্লিষ্ট সমস্যাবোৰৰ আলোচনা প্ৰসঙ্গত কংগ্ৰেছ ওৱৰ্কিং কমিটিয়ে ভাৰতৰ প্ৰতি বৃটেইনৰ নীতিৰ পৰিৱৰ্তন সাধিবলৈ আৰু যুদ্ধকালীন অৱস্থাত এক অন্তৰ্বৰ্তী জাতীয় চৰকাৰ প্ৰতিষ্ঠা কৰি যুদ্ধৰ শেষত স্বাধীনতা দিবলৈ দাবী জনাই প্ৰস্তাৱ গ্ৰহণ কৰে। যুদ্ধৰ সম্পৰ্কত কংগ্ৰেছ ওৱৰ্কিং কমিটিয়ে প্ৰস্তাৱ গ্ৰহণ কৰি ঘোষণা কৰিছিল যে, এই বিশ্বযুদ্ধত যি সকলে গণতন্ত্ৰ আৰু স্বাধীনতা ৰক্ষাৰ হকে যুদ্ধ কৰিছে সেই সকল দেশৰ প্ৰতি কংগ্ৰেছৰ অক্ষুণ্ণ সহানুভূতি আছে। ইউৰোপ, এশিয়া আৰু আফ্ৰিকাত চলোৱা ফেচিষ্ট আক্ৰমণক কংগ্ৰেছে গৰিহণা দি আহিছে। স্পেইন আৰু চেকোশ্লোভাকিয়াৰ গণতন্ত্ৰ আৰু স্বাধীনতাৰ প্ৰতি বিশ্বাসঘাটকতা

কৰা বাবে বৃটিশ সাম্ৰাজ্যবাদকো গৰিহণা দিয়ে। বৃটিশ চৰকাৰৰ নীতি আৰু কাৰ্য্যকলাপৰ পৰা বুজিব পৰা যায় যে গণতন্ত্ৰ আৰু স্বাধীনতাত বৃটিশ চৰকাৰৰ আস্থা কম আৰু যি কোনো সময়তে বৃটিশ চৰকাৰে এই আদৰ্শৰ পৰা ফালৰি কাটি যাব পাৰে। যিহেতু ভাৰত নিজেই স্বাধীনতা আৰু গণতন্ত্ৰৰ পৰা বঞ্চিত, তেনেস্থলত বিশ্বাস কৰিব নোৱাৰা চৰকাৰ এটাৰ লগত গণতন্ত্ৰ আৰু স্বাধীনতাৰ হকে বুলি কৰা যুদ্ধৰ আয়োজনত ভাৰতে সহযোগিতাৰ হাত আগবঢ়াব নোৱাৰে। একমাত্ৰ স্বাধীন ভাৰতেহে গণতন্ত্ৰ আৰু স্বাধীনতাৰ যুদ্ধত সৰ্বতোপ্ৰকাৰে সাহায্য আগবঢ়াব পাৰে।

প্ৰস্তাৱত আৰু কোৱা হৈছিল—"যদি সঁচাকৈয়ে ইংলণ্ডই স্বাধীনতা আৰু গণতন্ত্ৰৰ হকে যুদ্ধ কৰিছে, তেনেহলে ইংলণ্ডই নিজৰ অধীনত থকা দেশসমূহৰ ওপৰত পৰা সাম্ৰাজ্যবাদী নীতি পৰিহাৰ কৰিব লাগিব আৰু ভাৰতত গণতন্ত্ৰৰ পৰিপূৰ্ণ বিকাশৰ বাতাৱৰণ সৃষ্টি কৰি ভাৰতৰ জনসাধাৰণৰ নিৰ্বাচিত প্ৰতিনিধিৰ দ্বাৰা গঠিত এখন গণপৰিষদ গঠন কৰিব লাগিব। যি গণপৰিষদেই স্বাধীনভাবে ভাৰতৰ এখন সংবিধান ৰচনা কৰাৰ সুযোগ পাব লাগিব।" মূঠৰ ওপৰত বৃটিশৰ অগণতান্ত্ৰিক নীতিৰ বিৰোধীতা কৰিবলৈ কংগ্ৰেছে সিদ্ধান্ত লয় আৰু বৃটিশ চৰকাৰে ভাৰতৰ জনসাধাৰণৰ কোনো মতামত নোলোৱাকৈ কৰা যুদ্ধ সম্পৰ্কীয় কোনো ব্যৱস্থাকেই কংগ্ৰেছে মানি নলবলৈ দৃঢ়মত প্ৰকাশ কৰে।

১৯৩৯ চনৰ চেপ্তেম্বৰ মাহত ভাৰতৰ বৰলাট লিনলিথগোৱে তেতিয়াৰ পৰিস্থিতিৰ সম্পৰ্কে ঘোষণা কৰি কৈছিল যে ভাৰতৰ সাম্প্ৰদায়িক সমস্যাটোৰ মীমাংসা নহয় মানে ভাৰতক কোনো ধৰণৰ ৰাজনৈতিক ক্ষমতা হস্তান্তৰ কৰি দিয়া সম্ভৱপৰ নহব। ভাৰতৰ তেতিয়া তেনে পৰিস্থিতিত কংগ্ৰেছে কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ পৰা কংগ্ৰেছ মন্ত্ৰীসভাসমূহক পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশ অনুযায়ী ১৯৩৯ চনৰ ১২ ডিচেম্বৰৰ দিনা সকলো কংগ্ৰেছ মন্ত্ৰীসভাই নিজ নিজ পদত্যাগ পত্ৰ দাখিল কৰে।

কংগ্ৰেছ মন্ত্ৰীসভা সমূহে স্ব-ইচ্ছাৰে পদত্যাগ কৰাত মুছলীম লীগৰ সভাপতি মিঃ মহম্মদ আলী জিন্নাই আনন্দ প্ৰকাশ কৰাৰ বাবে ১৯৩৯ চনৰ ২ ডিচেম্বৰৰ দিনটোক "মুক্তি দিবস" ( Day of Deliverance ) হিচাপে পালন কৰিবলৈ মুছলীম লীগক নিৰ্দেশ দিছিল। তেওঁ আৰু কৈছিল—"ভাৰতত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱা মানে হিন্দু ৰাজ্য প্ৰতিষ্ঠা হোৱাহে।" মহাত্মা গান্ধীয়ে লিখা

চিঠিৰ উত্তৰত মিঃ জিন্নাই জনাইছিল যে, ভাৰতত ভাৰতীয় জাতি বুলি একো নাই। এয়েই দ্বিজাতি তত্ত্বৰ মূল ঘোষণা।

ইতিমধ্যে, ১৯৩৯ চনৰ ১৭ অক্টোবৰৰ দিনা বৰলাট লৰ্ড লিনলিথগোৱে যুদ্ধৰ উদ্দেশ্য সম্পৰ্কত কৈছিল যে, ভাৰতক ঔপনিবেশিক স্বায়ত্ত শাসন দিয়াই বৃটেইনৰ উদ্দেশ্য আৰু যুদ্ধৰ অন্তত ভাৰতীয় নেতৃবৃন্দৰ লগত আলাপ আলোচনা কৰি আৰু বিশেষকৈ সংখ্যালঘু সম্প্ৰদায়ৰ সম্মতিক্ৰমে ১৯৩৫ চনৰ ভাৰত শাসন আইনৰ প্ৰয়োজনীয় পৰিবৰ্তন সাধি ভাৰতীয় ৰাইজৰ প্ৰতিনিধিত্ব কৰিব পৰা এখন উপদেষ্টা কমিটি গঠন কৰাবো ঘোষণা কৰে। এই ঘোষণাৰ লগতে বৰলাট চাহাবে এই কথাও কৈছিল যে ভাৰতীয় মুছলমান সকলৰ হকে কথা কোৱাৰ অধিকাৰ একমাত্ৰ মুছলীম লীগৰহে আছে। কংগ্ৰেছ ওৱৰ্কিং কমিটি আৰু মহাত্মা গান্ধীয়ে এই ঘোষণাক অবাস্তৱ আৰু হতাশাজনক বুলি প্ৰত্যাখ্যান কৰিছিল। বৰলাট চাহাবৰ তেনে প্ৰতিক্ৰিয়াশীল ঘোষণাই দেশবাসীৰ মাজতো এক ৰাজনৈতিক হতাশাভাবৰ সৃষ্টি কৰিছিল।

১৯৪০ চনৰ ৰামগড় কংগ্ৰেছ অধিবেশনত সুস্পষ্টভাবে কোৱা হৈছিল—"বৃটিশ গৱৰ্ণমেণ্টে ভাৰতবাসীৰ মতামত নোলোৱাকৈ ভাৰতক যুদ্ধৰত দেশ বুলি ঘোষণা কৰাত আৰু যুদ্ধৰ কাৰণে ভাৰতৰ ধন আৰু জন ব্যৱহাৰ কৰাত সমগ্ৰ জাতিটোৰ প্ৰতি অপমান কৰা হৈছে। গতিকে কংগ্ৰেছে ভাৰতীয় সৈন্যসকলৰ হতুৱাই ইংৰাজৰ সপক্ষে যুদ্ধ কৰোৱাটো আৰু যুদ্ধৰ বাবে ভাৰতবৰ্ষৰ ধন, জন ব্যৱহাৰ কৰা কাৰ্য্যক সমৰ্থন নকৰে। কিন্তু সেই সময়তে মুছলীম লীগে পাকিস্তান লাভ কৰাৰ প্ৰতিশ্ৰুতি পালে বৃটিশৰ লগত সহযোগিতা কৰাৰ কথা ঘোষণা কৰিছিল।

ৰামগড় কংগ্ৰেছৰ পিছতেই কংগ্ৰেছে ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰে। যুদ্ধ সংক্ৰান্তত ধন, জন আদিৰে কোনো প্ৰকাৰে বৃটিশ চৰকাৰক সাহায্য নকৰা এক পৰিবেশ সৃষ্টি কৰাই আছিল এই আন্দোলনৰ উদ্দেশ্য। এই আন্দোলনত ১৯৪১ চনৰ নবেম্বৰলৈ প্ৰায় ৩৭ হাজাৰ কংগ্ৰেছ কৰ্মী কাৰাগাৰত বন্দী হৈছিল আৰু তাৰোপৰি প্ৰাদেশিক শাসনৰ প্ৰাক্তন মন্ত্ৰী ৩১ জন, ব্যৱস্থাপক সভাৰ সদস্য ৩২০ জন, কংগ্ৰেছ কাৰ্য্য নিৰ্বাহক সভাৰ ১১ জন আৰু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ১৭৪ জন সদস্য কাৰাৰুদ্ধ হৈছিল। ১৯৪১ চনৰ ৩ জানুৱাৰীৰ দিনা কংগ্ৰেছ সভাপতি মৌলানা আবুল কালাম আজাদক গ্ৰেপ্তাৰ কৰি ওঠৰ মাহ কাৰাদণ্ডৰে দণ্ডিত কৰা হয়। দেশখনক অহিংস নীতিত সীমাবদ্ধ

কৰি ৰখাৰ উদ্দেশ্যে মহাত্মাজীয়ে আইন অমান্য আন্দোলন প্ৰচলনৰ সিদ্ধান্ত লৈছিল। সেইবাবেই তেওঁেই আচাৰ্য্য বিনোবাজীক পোন প্ৰথম ১৯৪০ চনৰ ১৭ অক্টোবৰৰ দিনা ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছিল। মহাত্মাৰ আদেশত আচাৰ্য্য বিনোবাজীয়ে ব্যক্তিগত সত্যাগ্ৰহ প্ৰথম আৰম্ভ কৰিছিল। এই আন্দোলন চাৰিদিন পৰিচালনা কৰাৰ পিছত বিনোবাজী বন্দী হয়। পিছত জবাহৰলাল নেহৰু, চৰ্দাৰ পেটেল আদি নেতৃবৃন্দয়ো গ্ৰেপ্তাৰ হয় আৰু কাৰাদণ্ড ভোগে।

ভাৰতীয় জনসাধাৰণৰ কোনো মতামত গ্ৰহণ নকৰাকৈ বৃটিশ চৰকাৰে ভাৰতক যুদ্ধত লিপ্ত কৰা স্বেচ্ছাচাৰী কাৰ্য্যক কংগ্ৰেছৰ বাদেও কংগ্ৰেছ ছচিয়েলিষ্ট আৰু ফৰৱাৰ্ড ব্লকেও ঘোৰ প্ৰতিবাদ জনাইছিল। তেতিয়া ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়েও যুদ্ধখনক সাম্ৰাজ্যবাদী যুদ্ধ বুলি ঘোষণা কৰি বৃটিশৰ সাম্ৰাজ্যবাদী যুদ্ধ প্ৰচেষ্টাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল আৰু সেইবাবে চৰকাৰে কমিউনিষ্ট পাৰ্টিকো বে-আইনী ঘোষণা কৰিছিল।

সেই সময়ত বৃটিশ চৰকাৰে মুছলমানসকলক সন্তুষ্ট ৰাখিবলৈ সদায় তৎপৰ আছিল। চৰকাৰে মিঃ জিন্নাক আশ্বাস দিছিল যে যুদ্ধৰ অন্তত ভাৰতৰ বাবে যি সংবিধান ৰচনা কৰা হ'ব সেই সংবিধানত এনে কোনো ব্যৱস্থা নাথাকিব যাৰ বাবে ভাৰতৰ ৯ কোটি মুছলমানে তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে বিশেষ কোনো সম্প্ৰদায়ৰ শাসন আৰু স্বেচ্ছাচাৰৰ দ্বাৰা শাসিত হব পাৰে। এই আশ্বাসৰ ভিতৰতে পাকিস্তানৰ পৰিকল্পনা লুকাই আছিল বুলি ক'লেও বোধ হয় ভুল কোৱা নহ'ব। কংগ্ৰেছে দাবী কৰিছিল ভাৰতৰ সংবিধান ভাৰতীয় সকলেহে ৰচনা কৰিব। বৃটিশ চৰকাৰৰ নিয়ন্ত্ৰণাধীনত ই কেতিয়াও ৰচিত হ'ব নোৱাৰিব। মুছলীম লীগৰ কিন্তু দৃষ্টিভঙ্গী আছিল সম্পূৰ্ণ বেলেগ। ১৯৪০ চনৰ পৰা কংগ্ৰেছ আৰু লীগৰ ৰাজনৈতিক দৃষ্টিভঙ্গীৰ আৰু অধিক পাৰ্থক্য অতি স্পষ্ট হৈ উঠে।

১৯৪১ চনৰ মাৰ্চ মাহত বোম্বাই মহানগৰীত জাতীয় উদাৰ পন্থী দলৰ এক সভা হয়; আৰু সেই সভাত বৃটিশ চৰকাৰক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ভাৰতক "ডোমিনিয়ান ষ্টেটাছ" বা স্বায়ত্ব শাসনাধিকাৰ দিবলৈ অনুৰোধ জনোৱা হয় আৰু অতি সোনকালে কেন্দ্ৰীয় শাসনৰ দায়িত্ব সম্পূৰ্ণৰূপে ভাৰতীয়ৰ ওপৰত ন্যস্ত কৰিব লাগে বুলিও জনোৱা হৈছিল। অৱশ্যে ইয়াৰ কিছু পিছত বৰলাট চাহাবে কেইজনমান ভাৰতীয় লোকক তেওঁৰ মন্ত্ৰীসভাত নিয়োগ কৰিছিল আৰু যুদ্ধ সংক্ৰান্ত বিষয়ত উপদেশ আদি দিবলৈ এখন কাউন্সিলো গঠন কৰিছিল।

কিন্তু নিৰ্দিষ্ট সময়ৰ ভিতৰত "ডোমিনিয়ন ষ্টেটাছ" আদি দিয়া কোনো কথাকেই বৃটিশ চৰকাৰে গ্ৰাহ্য নকৰিলে।

ইতিমধ্যে, জাপানে ব্ৰহ্মদেশৰ ৰাজধানী ৰেঙ্গুন অধিকাৰ কৰি ভাৰতৰ ফালে অগ্ৰসৰ হয় আৰু বৃটিশ সাম্ৰাজ্যবাদ আতঙ্কিত হয়। যুদ্ধৰ বিভিন্ন ক্ষেত্ৰত ভাৰতীয় জনসাধাৰণৰ সহায় কৰা প্ৰশ্নটো মিত্ৰ শক্তিৰ কাৰণে অপৰিহাৰ্য্য হৈ উঠে। ১৯৪২ চনৰ ১১ মাৰ্চৰ দিনা বৃটিশ প্ৰধানমন্ত্ৰী ঘোৰ সাম্ৰাজ্যবাদী মিঃ চাৰ্চিলে বৃটিশ পাৰ্লামেণ্টত ঘোষণা কৰি কয় যে ছাৰ ষ্টাফোৰ্ড ক্ৰিপছক ভাৰতৰ লগত সংবিধান আদি ৰচনা কৰা সম্পৰ্কে আলোচনা কৰিবলৈ পঠিয়াব। মিঃ চাৰ্চিলৰ দৰে ঘোৰ প্ৰতিক্ৰিয়াশীল, ৰক্ষণশীল, সাম্ৰাজ্যবাদী নেতাই বাধ্য হৈ ছাৰ ষ্টাফোৰ্ড ক্ৰিপছক ভাৰতলৈ পঠিয়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰাৰ মূলতে আছিল যুদ্ধত জাপানৰ সফলতা। জাপানৰ অগ্ৰগতি ৰোধ কৰাৰ বাবে বৃটিশ সাম্ৰাজ্যবাদে ভাৰতৰ সহযোগিতা আৰু প্ৰয়োজনীয়তা অনুভৱ কৰি সেই প্ৰস্তাৱ ঘোষণা কৰিছিল. সেই সময়ত ভাৰতৰ জনসাধাৰণৰ মাজত স্বাধীনতাৰ উগ্ৰকামনা ক্ৰমে দৃঢ়তৰ হৈ উঠিছিল।

১৯৪২ চনৰ ২২ মাৰ্চৰ দিনা ক্ৰিপছ ভাৰতত উপস্থিত হয়। "ক্ৰিপছ মিছনে" যিখন আঁচনি ভাৰতৰ বাবে আনিছিল তাত আছিল যে যুদ্ধৰ শেষত ভাৰতক "ডোমিনিয়ন ষ্টেটাছ" দিয়া হব আৰু তৎক্ষণাৎ ভাইচৰয়ৰ মন্ত্ৰীসভাত বা কৰ্মপৰিষদত ভাৰতৰ সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধি লোৱা হ'ব। সেই আঁচনিত এখন গণপৰিষদক ভাৰতৰ ভৱিষ্যত সংবিধান ৰচনা কৰিবলৈও দিয়া হ'ব বুলি ঘোষণা কৰা হৈছিল। কিন্তু তাৰ লগতে এই কথাও সন্নিবিষ্ট আছিল যে যদি ভাৰতৰ কোনো প্ৰদেশে ভাৰতৰ পৰিকল্পিত চৰকাৰৰ অন্তৰ্ভুক্ত হৈ থাকিব নোখোজে, তেনেহ'লে সেই প্ৰদেশে স্বতন্ত্ৰভাৱেও থাকিবলৈ স্বত্ব পাব। এইখিনিতেই আছিল বৃটিশ সাম্ৰাজ্যবাদৰ ভৱিষ্যত পাকিস্তান সৃষ্টিৰ কূটনৈতিক কৌশল। ইয়াৰ উপৰিও সামৰিক নীতি পৰিচালনাত ভাৰতীয়সকলক কৰ্তৃত্ব দান কৰাৰ কোনো কথাই নাছিল। মুছলমানসকলে পাকিস্তান দিব বুলি স্পষ্ট প্ৰতিশ্ৰুতি নথকাৰ বাবে ক্ৰিপছ প্ৰস্তাৱ অগ্ৰাহ্য কৰে। হিন্দু মহাসভাৰ নেতা সকলেও ভাৰত বিভাগ প্ৰস্তাৱৰ সপক্ষে মত নিদিলে। গান্ধীজীয়েও সেই আঁচনিক প্ৰত্যাখ্যান কৰিছিল। কংগ্ৰেছৰ আদৰ্শ হৈছে কোনোমতেই ভাৰত বিভাজন হ'ব নোৱাৰে। গান্ধীজীয়ে কৈছিল,—"ভাৰত ত্যাগ কৰা"। আনফালে-

মিঃ জিন্নাই কৈছিল,—"বিভক্ত কৰি ভাৰত ত্যাগ কৰা।" মুঠৰ ওপৰত ক্রিপছৰ আঁচনিক একমাত্র কমিউনিষ্ট দলৰ বাহিৰে ভাৰতৰ সকলো ৰাজনৈতিক দলেই প্রত্যাখ্যান কৰিছিল।

ক্রিপচ মিছন ব্যর্থ হোৱাৰ পিছৰ পৰাই মহাত্মা গান্ধীয়ে অতি সুস্পষ্ট ভাষাৰে বৃটিশ সাম্রাজ্যবাদীসকলক চৰমপত্র দিবলৈ আৰম্ভ কৰে। ১৯৪২ চনৰ ২৬ এপ্রিলৰ দিনা গান্ধীজীয়ে "ভাৰত ত্যাগ কৰা প্রবন্ধত" হৰিজন নামৰ সাদিনীয়া কাকতত লিখিছিল—"ইংৰাজসকলে যি দৰে চিঙ্গাপুৰ ত্যাগ কৰিবলৈ বাধ্য হৈছে, ঠিক তেনেদৰে যদি তেওঁলোকে ভাৰতক নিজৰ ওপৰত এৰি দি ভাৰত ত্যাগ কৰে, তেনেহ'লে অহিংস ভাৰতৰ কোনো ক্ষতি নহ'ব। ইউৰোপত যুদ্ধ আৰম্ভ হোৱাৰ পিছৰ পৰাই ভাৰতবৰ্ষই এই হিংসামূলক আদর্শহীন যুদ্ধত যোগদান কৰিব নে নকৰে, বৃটিশ সাম্রাজ্যবাদৰ লগত সহযোগিতা কৰিব নে নকৰে—এই উভয় প্রশ্নই সমগ্র ভাৰতৰ সম্মুখত এক ভীষণ সমস্যাৰূপে দেখা দিয়ে। যুদ্ধৰ বাবে বস্তু বাহানি যোগান, ধনৰ যোগান, সৈন্য সৰবৰাহ কৰাৰ বাবে আৰু যুদ্ধৰ ঘাটি হিচাপে ব্যৱহাৰ কৰাৰ বাবে চৰকাৰী তৰফৰ পৰা ভাৰতবর্ষক ভাৰতৰ ইচ্ছাৰ বিৰুদ্ধে যুদ্ধৰত দেশ বুলি ঘোষণা কৰা হৈছিল। প্রায় প্রত্যেক দ্রব্যৰ ওপৰত প্রত্যক্ষ বা পৰোক্ষ কৰ লগোৱা হৈছিল আৰু ভাৰতবাসীয়ে সেইবোৰৰ মাধ্যমেৰে যুদ্ধৰ দক্ষিণা দিবলগীয়া হৈছিল। কংগ্রেছে নির্ভীক কণ্ঠেৰে প্রশ্ন কৰিছিল—'এই যুদ্ধ কাৰ?' কংগ্রেছৰ মুখপাত্রৰূপে গান্ধীজীয়ে কৈছিল,—"স্বাধীনতা নাপালে এই যুদ্ধত ভাৰতে যোগদান কৰা অসম্ভৱ।"

## ভাৰত ত্যাগ আন্দোলন

বিয়াল্লিচৰ আন্দোলন যথার্থতে আছিল এখন জনযুদ্ধ। ১৯৪২ চনৰ ৭ আৰু ৮ আগষ্ট তাৰিখে বোম্বাইত অনুষ্ঠিত হোৱা নিখিল ভাৰত কংগ্রেছ কমিটিৰ অধিবেশনত ইতিহাস প্রসিদ্ধ 'ভাৰত ত্যাগ' প্রস্তাৱ গৃহীত হয়। এই প্রস্তাৱ উত্থাপন কৰে পণ্ডিত জৱাহৰলাল নেহৰুৱে আৰু সমর্থন কৰে চার্দৰ বল্লভভাই পেটেলে। মাত্র কেইজনমান কমিউনিষ্ট সদস্যই এই প্রস্তাৱৰ বিৰুদ্ধাচৰণ কৰি জাতীয় নেতৃত্বৰ বিৰোধীতা কৰিছিল। এই প্রস্তাৱৰ জৰিয়তে কংগ্রেছ নেতৃত্বই ভাৰতৰ ৪০ কোটি ৰাইজৰ ভাৱাদর্শত আত্মপ্রতিষ্ঠা কৰিবলৈ সক্ষম হয়। এই

আগষ্ট প্ৰস্তাৱত কোৱা হৈছিল—"ভাৰতে স্বাধীনতা পালে সমগ্ৰ এশিয়া আৰু আফ্ৰিকাৰ জনসাধাৰণৰ মন আশা আৰু উৎসাহেৰে উদ্বেলিত হ'ব। এইবাবেই ভাৰতত বৃটিশ ৰাজত্বৰ অৱসান সবাতোকৈ প্ৰয়োজনীয়।" প্ৰস্তাৱটোৰ সাৰমৰ্ম হৈছে—"নিখিল ভাৰত কংগ্ৰেছ ওৱৰ্কিং কমিটিৰ ১৯৪২ চনৰ ১৪ জুলাই তাৰিখৰ প্ৰস্তাৱত উল্লেখ কৰা বিষয়ৰ প্ৰতি আৰু যুদ্ধৰ বৰ্তমান পৰিস্থিতিত বৃটিশ চৰকাৰৰ নেতৃত্ব স্থানীয় লোকসকলৰ উক্তিত আৰু ভাৰতবৰ্ষ আৰু ভাৰতৰ বাহিৰৰো নানা মন্তব্য তথা সমালোচনাৰ সৃষ্টি হোৱাত যেনে অৱস্থাৰ সৃষ্টি হৈছে—তাৰ প্ৰতি গভীৰ মনোযোগ দিয়া হৈছে। বৃটিশ শাসনৰ অস্তিত্বই ভাৰতক নিৰ্জীৱ কৰি ৰাখিছে আৰু ভাৰতৰ অৱনতি ঘটাইছে। ইয়াৰ ফলত ভাৰতবৰ্ষই ক্ৰমশঃ আত্মৰক্ষা কৰিবলৈ আৰু বিশ্বৰ মুক্তিৰ সংগ্ৰামত যোগদান কৰিবলৈ ক্ষমতা হেৰুৱাইছে। ভাৰতৰ স্বাধীনতাই এশিয়াৰ আৰু আফ্ৰিকাৰ ৰাইজৰ মনত আশা আৰু উৎসাহৰ সৃষ্টি কৰিব। বৃটিশ সাম্ৰাজ্যৰ অৱসানৰ ওপৰতে যুদ্ধৰ ভৱিষ্যত, স্বাধীনতা আৰু গণতন্ত্ৰৰ সাফল্য নিৰ্ভৰ কৰিছে। কাৰণ তেতিয়া ভাৰতে নাজিবাদ, ফেচিষ্টবাদ আৰু সাম্ৰাজ্যবাদৰ উচ্ছেদৰ বাবে ভাৰতৰ সকলো শক্তি নিয়োগ কৰিবলৈ সক্ষম হ'ব। ইয়াৰ দ্বাৰা বিশ্বৰ সকলো পৰাধীন আৰু নিপীড়িত মানৱ সমাজক সন্মিলিত জাতিসমূহৰ প্ৰতি আকৰ্ষণ কৰাৰ আৰু তাৰ লগতে ভাৰতৰ বন্ধুৰূপে এই জাতিসমূহে নৈতিক আৰু আত্মিক নেতৃত্ব গ্ৰহণ কৰিবলৈ সক্ষম হ'ব। বৰ্তমান সঙ্কটৰ পৰা পৰিত্ৰাণ পাবলৈ ভাৰতৰ স্বাধীনতা আৰু ভাৰতত বৃটিশ শাসনৰ অৱসান একান্ত প্ৰয়োজনীয়। অকল স্বাধীনতাইহে লাখ লাখ লোকৰ মনত এক অভাৱনীয় শক্তি আৰু উৎসাহ উদ্দীপিত কৰিব। গতিকে নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে পুনৰাই ভাৰতৰ পৰা বৃটিশ শাসনৰ অপসাৰণৰ দাবী দৃঢ়ভাবে জনায়। স্বাধীনতা ঘোষণাৰ পিছত এক অস্থায়ী গৱৰ্ণমেণ্ট গঠিত হ'ব আৰু স্বাধীন ভাৰতে মিত্ৰ জাতিসমূহৰ লগত মৈত্ৰীৰ বন্ধনত আবদ্ধ হ'ব। এই অস্থায়ী গৱৰ্ণমেণ্ট একমাত্ৰ এই দেশৰেই প্ৰধান প্ৰধান দল বা গোষ্ঠীৰ সহযোগিতাৰে গঠিত হ'ব। এই অস্থায়ী চৰকাৰখনে এখন গণপৰিষদৰ খচৰা প্ৰস্তুত কৰিব। এই গণপৰিষদে ভাৰতবৰ্ষৰ বাবে এখন সংবিধান প্ৰণয়ন কৰিব। আজিলৈকে কংগ্ৰেছ ওৱৰ্কিং কমিটিয়ে বৃটেইন আৰু সম্মিলিত জাতি সমূহৰ ওচৰত যি অনুৰোধ জনাইছে তাৰ কোনো উত্তৰ পোৱা নাই। বিশ্বৰ মুক্তিৰ বাবে এই কমিটিয়ে পুনৰাই বৃটেইন আৰু মিত্ৰশক্তি সমূহৰ ওচৰত কমিটিৰ

মনোভাৱ স্পষ্টভাবে ব্যক্ত কৰিছে। সুদীৰ্ঘ বাইশ বছৰ শান্তিপূৰ্ণ সংগ্ৰাম আৰু অহিংস শক্তিৰে আন্দোলন চলোৱাৰ পিছত কমিটিয়ে গণ আন্দোলনৰ বাবে অনুমতি দিয়াৰ সিদ্ধান্ত কৰে। এনে এক সংগ্ৰামৰ নেতৃত্ব মহাত্মা গান্ধীৰ ওপৰতে ন্যস্ত থাকিব। কমিটিয়ে মহাত্মাজীক অনুৰোধ জনায়, তেওঁ যেন জাতিক উপযুক্ত পথেৰে পৰিচালিত কৰে। কমিটিয়ে দেশৰ জনসাধাৰণৰ ওচৰত এই আবেদন জনায় যেন অনুগত সৈনিকৰূপে গান্ধীজীৰ আদেশ পালন কৰে। তেওঁলোকে যেন স্মৰণ ৰাখে যে অহিংসাই এই আন্দোলনৰ ভেটি। মুক্তিকামী প্ৰত্যেক ভাৰতবাসীয়ে যেতিয়া স্বাধীনতা সংগ্ৰামত লিপ্ত হ'ব তেতিয়া তেওঁলোকেই নিজৰ পথ প্ৰদৰ্শক হৈ পৰিচালিত হ'ব লাগিব। সেই পথেই অৱশেষত স্বাধীনতা আৰু ভাৰতৰ মুক্তি আনিব। এয়েই আছিল "ভাৰত ত্যাগ প্ৰস্তাৱ"। এই প্ৰস্তাৱৰ মাধ্যমেৰে কংগ্ৰেছ নেতৃবৃন্দই ভাৰতৰ স্বাধীনতাৰ স্বীকৃতিৰ দাবী উত্থাপন কৰি মিত্ৰশক্তিৰ জয়ৰ হকে ভাৰতত বৃটিশ শাসনৰ অন্ত পেলাই ভাৰত ত্যাগ কৰিবলৈ ইংৰাজক আহ্বান জনাইছিল।

ইয়াৰ লগে লগেই ইংৰাজ সাম্ৰাজ্যবাদী চৰকাৰে কংগ্ৰেছ নিৰ্দেশিত জাতিৰ গণ-আন্দোলনক নিষ্ঠুৰভাবে দমন কৰিবলৈহে প্ৰস্তুত হ'ল। ভাৰত ত্যাগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণৰ পিছদিনা ৯ আগষ্টৰ দিনা ৰাতিপুৱা দোকমোকালিতে জাতীয় নেতাসকলক বৃটিশ সাম্ৰাজ্যবাদী চৰকাৰে বন্দী কৰে। নেতাসকলৰ ভিতৰত আছিল মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, আবুল কালাম আজাদ, সৰোজিনী নাইডু, চৰ্দাৰ পেটেল, আচাৰ্য্য কৃপালিনী, গোবিন্দ বল্লভ পন্থ, ডঃ পট্টাভি সীতাৰামায়া, ডঃ ছৈয়দ মামুদ, শঙ্কৰ ৰাও দেও, আচফ আলী, আচাৰ্য্য নৰেন্দ্ৰ দেৱ, হৰেকৃষ্ণ মেহ্‌তাব, প্ৰফুল্ল ঘোষ আদি জাতীয় নেতৃবৃন্দ। বৃটিশ চৰকাৰৰ দমননীতিয়ে জাতিক আগুৱাই নিছিল গণআন্দোলনৰ অগ্নি পথলৈ। মহাত্মা গান্ধীয়ে বন্দী হোৱাৰ আগমুহূৰ্তত দেশবাসীলৈ দি গৈছিল বিপ্লৱৰ মন্ত্ৰ— "উদ্দেশ্য লভিম কিম্বা ত্যাগিম জীৱন"। দেশৰ আটাইকেইজন জাতীয় নেতাক চৰকাৰে বন্দী কৰাত ৯ আগষ্টৰ দিনা নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ পতাকা উত্তোলন কৰি "ভাৰত ত্যাগ" প্ৰস্তাৱ ঘোষণা কৰিছিল—মহিয়সী বিপ্লৱী বীৰাঙ্গনা অৰুণা আচফ আলীয়ে। ভাৰতৰ স্বাধীনতাৰ ইতিহাসৰ ই এক গৌৰৱময় অধ্যায়।

কংগ্ৰেছৰ নেতৃবৃন্দ বন্দী হোৱাৰ লগে লগে সমগ্ৰ ভাৰতৰ জনতা মুক্তি সংগ্ৰামত

জঁপিয়াই পৰে। দেশব্যাপী বিদ্ৰোহৰ অগ্নি জ্বলি উঠে। ভাৰতৰ ইমূৰৰ পৰা সিমূৰলৈকে "উদ্দেশ্য সাধন কিম্বা এৰিম জীৱন"—মন্ত্ৰ ধ্বনিত হয় আৰু স্বেচ্ছাচাৰী, প্ৰভুত্বপ্ৰিয়, সাম্ৰাজ্যবাদী চৰকাৰৰ অৱসান ঘটাবলৈ জাতিয়ে দৃঢ় সংকল্প লৈ সকলো প্ৰকাৰৰ ত্যাগৰ বাবে প্ৰস্তুত হয়। ভাৰতৰ আকাশে-বতাহে, পৰ্বতে-ভৈয়ামে, জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে ধ্বনিত হৈছিল ডু-অৰ-ডাই। নেতৃত্বহীন হৈ সমগ্ৰ ভাৰতৰ বিক্ষুব্ধ ৰাইজে আৰম্ভ কৰিছিল মুক্তি সংগ্ৰাম। ই আছিল এক নিৰস্ত্ৰ পৰাধীন জাতিৰ মুক্তিৰ বাবে অভূতপূৰ্ব গণআন্দোলন। এই বৈপ্লৱিক আন্দোলনত সভা, সমিতি, শোভাযাত্ৰা, পিকেটিং, ধৰ্মঘট আদি নিত্য-নৈমিত্তিক ঘটনা আছিল। কোনো কোনো ক্ষেত্ৰত বিক্ষুব্ধ জনতাই অহিংসাৰ সীমা অতিক্ৰম কৰি হিংসাৰ আশ্ৰয়ো লৈছিল। ৰেল লাইন, টেলিগ্ৰাফ আৰু আন আন চৰকাৰী সংযোগ ব্যৱস্থাৰ ওপৰত প্ৰবল আঘাত কৰিছিল। জাতিৰ একমাত্ৰ কামনা আছিল বৃটিশ সাম্ৰাজ্যবাদক অপসাৰণ কৰি জাতীয় স্বাৰ্থ আৰু জাতীয় শাসন ব্যৱস্থা প্ৰতিষ্ঠা কৰা। কিন্তু গান্ধীজীয়ে কোনো হিংসাত্মক কাৰ্য্য সমৰ্থন কৰা নাছিল বৰঞ্চ সেইবিলাকৰ প্ৰতিবাদ স্বৰূপে জেলৰ ভিতৰতে অনশন আৰম্ভ কৰিছিল।

এই গণ-আন্দোলনত জাতীয় কংগ্ৰেছৰ বাহিৰেও কংগ্ৰেছ সমাজতন্ত্ৰী, ফৰৱাৰ্ড ব্লক, বিপ্লৱী সমাজতন্ত্ৰী দল আৰু আৰ.চি.পি আই দলে যোগদান কৰি মুক্তি সংগ্ৰামৰ শক্তি বৃদ্ধি কৰিছিল। কিন্তু ভাৰতৰ কমিউনিষ্ট পাৰ্টি, মিঃ এম. এন. ৰায়ৰ ৰেডিকেল ডেমোক্ৰেটিক পাৰ্টি, বলশেভিক পাৰ্টি আৰু ডেমোক্ৰেটিক ভেনগাৰ্ড আদি দলে এই গণ-আন্দোলনৰ গতিৰোধ কৰিবলৈকে পাৰ্যমানে চেষ্টা কৰিছিল। মুছলীম লীগে ৮ আগষ্টৰ গণ-বিদ্ৰোহৰ প্ৰস্তাৱত গভীৰ উদ্বেগ প্ৰকাশ কৰিছিল। এই দলৰ অভিমত আছিল যে ভাৰতত এখন হিন্দু ৰাজ্য স্থাপন কৰিবলৈ চেষ্টা কৰা হৈছে। সেইবাবে মুছলীম জনসাধাৰণে এই আগষ্ট বিপ্লৱত কোনো ৰূপে সাহায্য কৰিব নালাগে। কিন্তু আনন্দৰ কথা যে মুছলীম লীগৰ এই প্ৰস্তাৱক দেশৰ সমগ্ৰ মুছলমান সমাজে গ্ৰহণ কৰা নাছিল। বৰঞ্চ জাতীয়তাবাদী মুছলমানসকলে মুছলীম লীগৰ এই প্ৰস্তাৱৰ ঘোৰ বিৰোধীতা কৰি দেশৰ গণবিপ্লৱত সক্ৰিয় অংশগ্ৰহণ কৰিছিল।

ভাৰতৰ গণবিপ্লৱক বিনষ্ট কৰাৰ অভিপ্ৰায়েৰে ইংৰাজ শাসকসকলে দেশত অভাৱনীয় অত্যাচাৰ চলায়। কংগ্ৰেছৰ নেতা আৰু কৰ্মীসকলক কাৰাগাৰলৈ নিয়াৰ উপৰিও পুলিচে নিৰস্ত্ৰ জনতাৰ ওপৰত লাঠী চলায়, গুলী চলায় আৰু

মিলিটাৰীয়ে নানা অবৰ্ণনীয় অত্যাচাৰ চলায়। নানান দমনমূলক আইন বলবৎ কৰা হৈছিল। হাজাৰ হাজাৰ লোকৰ ঘৰ খানাতালাচ কৰা হৈছিল। বিপ্লৱী অঞ্চলবোৰত "পিউনিতিভ টেক্স" পাইকাৰী জৰিমনা লগোৱা হৈছিল। এনে দৰে টেক্স লগাই চৰকাৰে প্ৰায় ৯০ লাখ টকা জোৰ-জবৰদস্তীৰে আদায় কৰিছিল। এই আগষ্ট আন্দোলনত সমগ্ৰ ভাৰতত পুলিচ মিলিটাৰীৰ লাঠী চালনা আৰু গুলীত ৯৪০ জন লোকৰ মৃত্যু হৈছিল, ১৬,০০০ জন লোক আহত হৈছিল; গ্ৰেপ্তাৰ কৰা হৈছিল ৭০,২৩০ জন আৰু ইয়াৰ উপৰিও ভাৰত ৰক্ষা আইন অনুযায়ী আটককৈ ৰখা লোকৰ সংখ্যা আছিল ৩৮,০০০ জন। সমগ্ৰ দেশত ১৯৫টা কংগ্ৰেছৰ অফিচ ঘৰ জুই লগাই ধ্বংস কৰা হৈছিল। পুলিচ মিলিটাৰীয়ে গুলী চলাইছিল ৬৮ খন ঠাইত। বৃটিশ সাম্ৰাজ্যবাদে নিৰস্ত্ৰ জনতাৰ ওপৰত "মেছিন গান" ব্যৱহাৰ কৰিছিল আৰু আনকি বোমা বৰ্ষণো কৰিছিল। অহিংস ভাৰতবাসীয়ে শেষবাৰৰ কাৰণে বিপ্লৱৰ সৃষ্টি কৰিছিল। ভাৰতৰ জনসাধাৰণৰ নিজ দায়িত্ব আৰু প্ৰাণৰ স্বাভাৱিক তাগিদাই আছিল এই মহান বিপ্লৱৰ গতি। পণ্ডিত জৱাহৰলাল নেহৰুৰ ভাষাত—"নেতা নাই, সংগঠন নাই, আয়োজন নাই, প্ৰস্তুতি নাই। নাই কোনো অস্ত্ৰ সম্বল, অথচ এক অসহায় নিৰস্ত্ৰ জাতিয়ে স্বতঃস্ফূৰ্ত প্ৰচেষ্টাৰে দুঃখ-কষ্ট-লাঞ্ছনা ভোগ কৰি বিদ্ৰোহ কৰিছিল। এনে বিপুল জনজাগৰণ ভাৰতবৰ্ষৰ ইতিহাসত কেতিয়াও সংগঠিত হোৱা নাই।"

# ভাৰত বিভাজন

দ্বিতীয় মহাযুদ্ধ আৰম্ভ হোৱাৰে পৰাই ভাৰতীয় জাতীয় কংগ্ৰেছে ঘোষণা কৰিছিল যে কংগ্ৰেছ ফেচিষ্ট নাজিবাদৰ ঘোৰ বিৰোধী। কংগ্ৰেছে প্ৰকাৰান্তৰে মিত্ৰশক্তিৰ জয়েই কামনা কৰিছিল। কিন্তু স্বাধীন ভাৰতেহে যুদ্ধত মিত্ৰশক্তিক ভালদৰে সহায় দিবলৈ সক্ষম হ'ব। ইংলণ্ডৰ ৰক্ষণশীল চৰকাৰৰ মনোভাৱত আৰু ব্যৱহাৰত ভাৰতীয় কংগ্ৰেছ ক্ৰমে অধিক অসন্তুষ্ট হৈ উঠিছিল। ইংলণ্ডৰ প্ৰধানমন্ত্ৰী ঘোৰ সাম্ৰাজ্যবাদী মিঃ চাৰ্চিলে ঘোষণা কৰি কৈছিল যে আটলাণ্টিক চনদৰ ঘোষণা ভাৰতৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়, সি হ'ব ইউৰোপৰ নাজিবাদৰ কবলত থকা দেশবোৰৰ কাৰণেহে। ইংৰাজ চৰকাৰেও কংগ্ৰেছৰ বিৰুদ্ধাচৰণ কৰি মুছলীম লীগক তোষণ কৰি লীগক এটা ৰাজনৈতিক শক্তিত পৰিণত কৰিবলৈ পাৰ্যমানে সহায় কৰিছিল। বৃটিশৰ সৃষ্ট ভেদনীতিৰ ফলতেই পাকিস্তানৰ দাবী উত্থাপিত হৈছিল। মিঃ জিন্নাই ১৯৪০ চনত ঘোষণা কৰি কৈছিল যে পৃথিবীত এনে কোনো শক্তি নাই যি পাকিস্তান সৃষ্টিত বাধা দিব পাৰিব। সেই সময়ত ভাৰতৰ জনসাধাৰণৰ মাজত স্বাধীনতাৰ উগ্ৰ কামনা ক্ৰমে দৃঢ়তৰ হৈ উঠিছিল। আমেৰিকা আৰু চীনে ভাৰতক স্বাধীনতা দিয়াৰ প্ৰতিশ্ৰুতি দিবলৈ বৃটিশ চৰকাৰৰ ওচৰত অনুৰোধ জনায়। এই সময়তে যুদ্ধত জাপানৰ সফলতা হোৱাত বৃটিশ সাম্ৰাজ্যবাদ আতঙ্কিত হয়। জাপানৰ অগ্ৰগতি ৰোধ কৰাৰ বাবে বৃটিশ সাম্ৰাজ্যবাদে ভাৰতৰ সহযোগিতা আৰু প্ৰয়োজনীয়তা অনুভৱ কৰে। ১৯৪২ চনৰ ১১ মাৰ্চৰ দিনা বৃটিশ প্ৰধানমন্ত্ৰী মিঃ চাৰ্চিলে বৃটিশ পাৰ্লামেণ্টত ঘোষণা কৰি কয় যে ছাৰ ষ্টাফোৰ্ড ক্ৰিপছক ভাৰতৰ লগত সংবিধান আদি ৰচনা কৰা সম্পৰ্কে আলোচনা কৰিবলৈ পঠিয়াব।

১৯৪২ চনৰ ২২ মাৰ্চৰ দিনা ক্ৰিপছ ভাৰতত উপস্থিত হয়। কিন্তু অতি দুখৰ আৰু পৰিতাপৰ কথা ক্ৰিপছৰ প্ৰস্তাৱত ভাৰত বিভক্তৰ আভাস স্পষ্ট ভাবে পৰিলক্ষিত হৈছিল। ক্ৰিপছ মিচনে যিখন আঁচনি ভাৰতৰ বাবে আনিছিল তাত আছিল যে যুদ্ধৰ শেষত ভাৰতক "ডোমিনিয়ন ষ্টেটাছ" দিয়া হ'ব আৰু ভাইচৰয়ৰ মন্ত্ৰীসভাত বা কৰ্মপৰিষদত ভাৰতৰ সকলো ৰাজনৈতিক দলৰ প্ৰতিনিধি লোৱা হ'ব। সেই আঁচনিত এখন গণপৰিষদক ভাৰতৰ ভৱিষ্যত

সংবিধান ৰচনা কৰিবলৈও দিয়া হ'ব বুলি ঘোষণা কৰা হৈছিল, কিন্তু তাৰ লগতে এই কথাও সন্নিবিষ্ট আছিল যে যদি ভাৰতৰ কোনো প্ৰদেশে ভাৰতৰ পৰিকল্পিত চৰকাৰৰ অন্তৰ্ভুক্ত হৈ থাকিব নোখোজে, তেনেহ'লে সেই প্ৰদেশে স্বতন্ত্ৰ ভাবে থাকিবলৈ স্বত্ব পাব। এইখিনিতেই আছিল বৃটিশ সাম্ৰাজ্যবাদৰ ভৱিষ্যত পাকিস্তান সৃষ্টিৰ কূটনৈতিক কৌশল। কংগ্ৰেছ নেতৃবৃন্দই ক্ৰিপছৰ প্ৰস্তাৱক অগ্ৰাহ্য কৰিবলগীয়া হয়। মুছলমানসকলে পাকিস্তান দিব বুলি স্পষ্ট প্ৰতিশ্ৰুতি নথকাৰ বাবে ক্ৰিপ্‌ছ প্ৰস্তাৱ অগ্ৰাহ্য কৰে। হিন্দু মহাসভাৰ নেতাসকলেও ভাৰত বিভাজন প্ৰস্তাৱৰ সপক্ষে মত নিদিলে। গান্ধীজীয়ে কৈছিল,—'ভাৰত ত্যাগ কৰা'। আনফালে মিঃ জিন্নাই কৈছিল,—'বিভক্ত কৰি ভাৰত ত্যাগ কৰা'। কংগ্ৰেছৰ আদৰ্শ হৈছে কোনোমতেই ভাৰত বিভাজন হ'ব নোৱাৰে; কিন্তু মুছলীম লীগে সংকল্প গ্ৰহণ কৰিছিল যে ভাৰতক বিভক্ত কৰিবই লাগিব। কমিউনিষ্ট দলৰ বাদে বাকী সকলো ৰাজনৈতিক দলে এই মিছন প্ৰত্যাখ্যান কৰাত এই আঁচনি ব্যৰ্থ হয়।

দেশৰ জনসাধাৰণৰ এনে মনোভাৱৰ পৰিস্থিতিত বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশনত ১৯৪২ চনৰ ৭ আৰু ৮ আগষ্ট তাৰিখে ইতিহাস প্ৰসিদ্ধ আগষ্ট আন্দোলনৰ প্ৰস্তাৱ গৃহীত হয়। ক্ৰিপছ মিছন ব্যৰ্থ হোৱাৰ পাঁচ মাহৰ পাছত এই 'ভাৰত ত্যাগ' প্ৰস্তাৱ গৃহীত হৈছিল। এই প্ৰস্তাৱৰ দ্বাৰা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ভাৰতৰ পৰা বৃটিশ শাসনৰ অপসাৰণৰ দাবী দৃঢ়ভাবে জনায়। কিন্তু সাম্ৰাজ্যবাদী চৰকাৰে কংগ্ৰেছ নিৰ্দেশিত জাতিৰ গণ-আন্দোলনক নিষ্ঠুৰভাবে দমন কৰিবলৈহে প্ৰস্তুত হ'ল আৰু ৯ আগষ্টৰ দিনা জাতীয় নেতাসকলক বৃটিশ সাম্ৰাজ্যবাদী চৰকাৰে বন্দী কৰি থয়। ইয়াৰ ফলস্বৰূপে 'ভাৰত ত্যাগ' আন্দোলনে কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰিলে। মুছলীম লীগে এই প্ৰস্তাৱৰ ঘোৰ বিৰোধীতা কৰি কয় যে কংগ্ৰেছে ভাৰতত এখন হিন্দু ৰাজ্য স্থাপন কৰিবলৈহে অৰাজকতা সৃষ্টি কৰিছে।

১৯৪৪ চনৰ ৬ মেত গান্ধীজীক কাৰাগাৰৰ পৰা মুক্তি দিয়া হয়। গান্ধীজীয়ে মিঃ জিন্নাৰ লগত আলোচনা কৰে, কিন্তু মিঃ জিন্নাই দ্বি-জাতি তত্ত্বত অটল বিশ্বাসী আৰু হিন্দু-মুছলমান একেলগে অখণ্ড ভাৰতত থকাৰ বিৰোধী। গতিকে গান্ধী-জিন্না আলোচনা অধিক অগ্ৰসৰ হব নোৱাৰিলে। ১৯৪৫ চনৰ জুন মাহত যুদ্ধৰ অৱসান হোৱাত কংগ্ৰেছ নেতৃবৃন্দই মুক্তি লাভ কৰে। ভাৰতৰ শাসন

ব্যৱস্থাৰ অৱসান ঘটোৱাৰ বাবে ভাৰতৰ বৰলাট লৰ্ড ওৱাভেলে ১৯৪৫ চনৰ জুন মাহত ইংলণ্ডলৈ গৈ প্ৰধানমন্ত্ৰী মিঃ চাৰ্চিল আৰু ভাৰত সচিব মিঃ আমেৰীৰ লগত পৰামৰ্শ কৰে। ইংলণ্ডৰ পৰা উভতি আহি বৰলাট ওৱাভেলে চিমলাত এক বৈঠক আহ্বান কৰে। সেই বৈঠকলৈ কংগ্ৰেছ, মুছলীম লীগ আদিৰ ১৩ জন নেতাক বৰলাটে নিমন্ত্ৰণ জনায়। চিমলাৰ বৈঠক ১৯৪৫ চনৰ ২৫ জুনৰ পৰা ১৪ জুলাইলৈ চলে। সেই বৈঠকত বৰলাট ওৱাভেল চাহাবে তেওঁৰ আঁচনি উত্থাপন কৰি কৈছিল যে বৃটিশ চৰকাৰে ভাইচৰয়ৰ এখন কৰ্ম পৰিষদ গঠন কৰিবলৈ বিচাৰে আৰু এই কৰ্ম পৰিষদৰ হাততেই ভাৰতৰ প্ৰশাসনীয় সকলো ক্ষমতা ন্যস্ত থাকিব। এই কৰ্ম পৰিষদত ১৪ জন সদস্য থাকিব। তাৰে ভাইচৰয় আৰু কমাণ্ডাৰ ইন চীফৰ বাদে বাকী সকলো সদস্যই ভাৰতীয় হ'ব। বৰলাট ওৱাভেলে এই কৰ্ম পৰিষদৰ সদস্যৰ নাম দাখিল কৰিবলৈ কংগ্ৰেছ আৰু মুছলীম-লীগ উভয় দলকেই অনুৰোধ জনায়। ভাইচৰয়ৰ কৰ্মপৰিষদলৈ কংগ্ৰেছে আন সদস্যৰ নামৰ লগতে মৌলানা আবুল কালাম আজাদ আৰু আচফ আলীৰ নামো মনোনীত কৰি দাখিল কৰিছিল। কিন্তু মিঃ জিন্নাই কৈছিল যে কংগ্ৰেছ হিন্দুৰহে প্ৰতিষ্ঠান আৰু সেইবাবে মুছলমান সদস্যৰ নাম মনোনীত কৰি দাখিল কৰাৰ অধিকাৰ কংগ্ৰেছৰ নাই। মুছলীম লীগেহে মুছলমান প্ৰতিনিধি মনোনীত কৰিব। মিঃ জিন্নাৰ আপত্তিত কংগ্ৰেছ প্ৰেছিডেণ্ট মৌলানা আবুল কালাম আজাদে অতি দৃঢ় ৰূপে ঘোষণা কৰি কৈছিল যে কংগ্ৰেছ ভাৰতৰ একমাত্ৰ জাতীয় অনুষ্ঠান আৰু সেইবাবে কংগ্ৰেছে ভাৰতৰ হিন্দু, মুছলমান, পাৰ্চী, শিখ আৰু খৃষ্টান যি কোনো সম্প্ৰদায়ৰ ভাৰতীয়কেই মনোনীত কৰিব পাৰে। মিঃ জিন্নাই কৈছিল যে কংগ্ৰেছে যদি তালিকাৰ পৰা মুছলমান সদস্য দুজনৰ নাম প্ৰত্যাহাৰ কৰি নলয় তেনেহলে মুছলীম লীগেও কৰ্মপৰিষদত সহযোগ নকৰে। এনেবোৰ কাৰণত চিমলা বৈঠক ব্যৰ্থ হবলৈ বাধ্য হয়।

এই সময়তে ভাৰতৰ ৰাজনৈতিক সমস্যাই ইংলণ্ডত প্ৰাধান্য লাভ কৰিছিল। ইংলণ্ডৰ শ্ৰমিক দলৰ নেতা মিঃ বেভিনে ঘোষণা কৰি কৈছিল,—যদি সাধাৰণ নিৰ্বাচনে বৃটেইনৰ শ্ৰমিক দলক ক্ষমতাত অধিষ্ঠিত কৰে, তেনেহলে ইংলণ্ডত থকা "ইণ্ডিয়ান অফিচৰ" কাম স্বায়ত্ব শাসন লাভ কৰা ভাৰতলৈ হস্তান্তৰিত কৰা হ'ব।' ইংলণ্ডৰ শ্ৰমিক দলৰ এই ঘোষণাই ভাৰতৰ স্বাধীনতাক স্বীকৃতি দিছিল। ১৯৪৫ চনৰ জুলাইত ইংলণ্ডৰ সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দলৰ শোচনীয় পৰাজয়

ঘটে আৰু শ্ৰমিক দলে চৰকাৰ গঠন কৰিবলৈ সক্ষম হয়। বৃটিশ প্ৰধানমন্ত্ৰী মিঃ এট্‌লীয়ে ১৯ চেপ্তেম্বৰত ঘোষণা কৰে যে সাধাৰণ নিৰ্বাচনৰ পিছত গঠিত হোৱা "ব্যৱস্থাপক সভাসমূহৰ পৰামৰ্শ অনুযায়ী ভাৰতৰ সংবিধানৰ খচৰা ৰচনা কৰিবলৈ এখন গণপৰিষদ গঠন কৰা হ'ব।"

সাধাৰণ নিৰ্বাচনত কংগ্ৰেছে নিজৰ নিৰ্বাচনী ঘোষণাপত্ৰত স্পষ্টভাৱে কৈছিল যে কংগ্ৰেছ প্ৰাৰ্থীক দিয়া প্ৰত্যেকটো ভোটেই ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ বাবে আৰু "ভাৰত ত্যাগ" প্ৰস্তাৱৰ সপক্ষে দিয়া বুলি ধৰা হ'ব। আনফালে মুছলীম লীগে ঘোষণা কৰিছিল যে লীগৰ প্ৰাৰ্থীৰ সপক্ষে দিয়া প্ৰতিটো ভোটেই পাকিস্তানৰ দাবীক সমৰ্থন কৰা বুলি ধৰা হ'ব।

আনফালে, ভাৰতৰ স্বাধীনতাৰ হকে নেতাজী সুভাষচন্দ্ৰ বসুৰ নেতৃত্বত গঠন হোৱা আজাদ হিন্দ ফৌজে সংগ্ৰাম চলাইছিল। সেই সময়ত আজাদ হিন্দ ফৌজৰ কেইজনমান উচ্চ বিষয়াক দেশদ্ৰোহৰ অপৰাধত অপৰাধীবৰ্গৰ বিচাৰ কৰা হৈছিল। আজাদ হিন্দ ফৌজৰ সপক্ষে ভাৰতৰ নেতা বিখ্যাত আইনবিদ্ ভুলাভাই দেশাইৰ নেতৃত্বত পণ্ডিত জৱাহৰলাল নেহৰু আদি অনেকে ওকালতি কৰিছিল। এই আইনবিদ সকলৰ বক্তব্য আছিল যে ভাৰতৰ স্বাধীনতা অৰ্জন কৰাই আছিল আজাদ হিন্দ ফৌজৰ ঘোষিত উদ্দেশ্য; গতিকে আজাদ হিন্দ ফৌজৰ বিষয়াসকলৰ কোনো শাস্তি হ'ব নোৱাৰে। আজাদ হিন্দ ফৌজৰ বিচাৰে ভাৰতৰ জনসাধাৰণক দেশৰ স্বাধীনতাৰ হকে আৰু অধিককৈ অনুপ্ৰাণিত কৰিছিল।

সেই সময়ৰ ভাৰতীয় নৌবাহিনীৰ বিদ্ৰোহ উল্লেখযোগ্য। "ৰয়েল ইণ্ডিয়ান নেভী"-ৰ ভাৰতীয় নাবিকসকলে নৌবাহিনীত ইংৰাজ আৰু ভাৰতীয়ৰ মাজত থকা বৰ্ণবৈষম্য ব্যৱস্থাৰ বাবে বৃটিশৰ সামৰিক আইনক উলঙ্ঘা কৰি ১৯৪৬ চনৰ ১১ ফেব্ৰুৱাৰীৰ দিনা বোম্বাইত বিদ্ৰোহ ঘোষণা কৰিছিল। ভাৰতত বৃটিশ শাসনৰ ই এক অভাৱনীয় কল্পনা কৰিব নোৱাৰা ঘটনা। বিপ্লৱী নাবিকসকলে বৃটিশক ভাৰত ত্যাগ কৰিবলৈ দাবী কৰিছিল। ভাৰতত বিমান বাহিনীৰ ভাৰতীয় সৈনিক সকলেও নৌ বাহিনীৰ বিদ্ৰোহক সমৰ্থন জনাই ধৰ্মঘট কৰাত আৰু আন এক অভাৱনীয় ৰাজনৈতিক পৰিস্থিতিৰ সৃষ্টি হৈছিল। ২২ ফেব্ৰুৱাৰীৰ দিনা বিপ্লৱী নাবিকসকলৰ আহ্বানত বোম্বাইত অভাৱনীয়ৰূপে পূৰ্ণ হৰতাল পালন কৰা হৈছিল। কলিকতা, মাদ্ৰাজ আৰু কৰাচী আদি ঠাইতো বিদ্ৰোহৰ সূচনা।

হৈছিল। বোম্বাইত অহিংস নাবিকসকলৰ ওপৰত গুলীবৰ্ষণ কৰাত ভাৰতীয় নাবিকসকলেও প্ৰত্যাহ্বান গ্ৰহণ কৰি গুলী চলায়। পিছত মহাত্মা গান্ধী আৰু অন্যান্য কংগ্ৰেছ নেতৃবৃন্দৰ অনুৰোধক্ৰমে বিপ্লৱী নাবিকসকলে আত্মসমৰ্পণ কৰে।

এনেবোৰ ঘটনাৰ ফলত ইংলণ্ডৰ শ্ৰমিক চৰকাৰে উপলব্ধি কৰিলে যে ভাৰতীয় সমস্যাৰ এটা সন্তোষজনক মীমাংসাৰ আৱশ্যক। সেইবাবে এই চৰকাৰে ইংলণ্ডৰ তিনিজন মন্ত্ৰীক লৈ "কেবিনেট মিছন" গঠন কৰি সমস্যা সমাধানৰ বাবে ভাৰতলৈ পঠিয়ায়। এই কেবিনেট মিছনত আছিল ভাৰত সচিব পেথীক লৰেন্স, চাৰ ষ্টেফোৰ্ড ক্ৰিপ্‌ছ আৰু মিঃ আলেকজেণ্ডাৰ। কেবিনেট মিছন ভাৰতলৈ পঠোৱাৰ সময়ত ইংলণ্ডৰ প্ৰধানমন্ত্ৰী মিঃ এট্‌লীয়ে বৃটিশ পাৰ্লামেণ্টত কৈছিল,—"ভাৰতৰ নেতাসকলে যাতে এখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰৰ শাসনক্ষমতা যোগ্যতাৰে গ্ৰহণ কৰিব পাৰে, তাৰ এক উপায় উদ্ভাৱন কৰিবলৈ কেবিনেট মিছন পঠোৱা হৈছে।" এই কেবিনেট মিছনৰ সদস্যসকলে ভাৰতৰ বিভিন্ন ৰাজনৈতিক দল আৰু সম্প্ৰদায়ৰ নেতাসকলৰ লগত আলোচনা চলাইছিল। কংগ্ৰেছৰ তৰফৰ পৰা মৌলানা আবুল কালাম আজাদ, খান আব্দুল গফুৰ খাঁ, চৰ্দাৰ পেটেল আৰু পণ্ডিত জৱাহৰলাল নেহৰু আৰু মুছলীম লীগৰ তৰফৰ পৰা মিঃ জিন্না, লিয়াকৎ আলী খাঁ, নবাব মহম্মদ ইছলাম খাঁ ইত্যাদি। সেই আলোচনাত ভাইচৰয়ো উপস্থিত আছিল আৰু মহাত্মা গান্ধীকো উপদেশ আৰু বুদ্ধি পৰামৰ্শ দিবলৈ আহ্বান কৰা হৈছিল। কংগ্ৰেছে সমগ্ৰ ভাৰতৰ জাতীয় অনুষ্ঠান বুলি দাবী কৰিছিল আৰু কংগ্ৰেছৰ মনত ৰাজনীতিৰ ক্ষেত্ৰত হিন্দু আৰু মুছলমান উভয়েই ভাৰতবাসী। কিন্তু মুছলীম লীগ নেতা মিঃ জিন্নাই কৈছিল যে মুছলীম লীগহে মুছলমান সকলৰ হকে কথা কোৱাৰ একমাত্ৰ অধিকাৰী। গতিকে কেবিনেট মিছনে ভাৰতীয় নেতাসকলৰ লগত আলাপ-আলোচনা কৰি বুজিবলৈ সক্ষম হৈছিল যে কংগ্ৰেছ আৰু মুছলীম লীগৰ মিল হোৱাৰ কোনো আশা নাই। ১৯৪০ চনত মুছলীম লীগে ভাৰতৰ মুছলমান সকলক এটা বেলেগ জাতি বুলি ঘোষণা কৰি এক স্বকীয়া পাকিস্তান ৰাষ্ট্ৰৰ দাবী কৰিছিল। মুছলীম লীগৰ লগত কংগ্ৰেছৰ আপোচৰ সকলো চেষ্টা ব্যৰ্থ হোৱাত মহাত্মা গান্ধীয়ে কেবিনেট মিছনক এটা উপায় উদ্ভাৱন কৰিবলৈ অনুৰোধ জনাইছিল। মুছলীম লীগৰ ভাৰত বিভাজনৰ দাবীয়ে সেই সময়ত দেশৰ সকলোকে উদগ্ৰীৱ কৰি তুলিছিল। কেবিনেট মিছনে ভাইচৰয়ৰ সৈতে আলাপ-আলোচনা কৰি ভাৰত ভাগ কৰাৰ পৰিৱৰ্তে "গ্ৰুপিং

পৰিকল্পনা” মানি লবলৈ ভাৰতৰ নেতৃবৃন্দক আহ্বান জনায়। এই আঁচনিৰ মূল কথা আছিল যে ভাৰতৰ সকলো প্ৰদেশ আৰু দেশীয় ৰজাসকলৰ ৰাজ্যবোৰ লগ লগাই এক সংযুক্ত ৰাষ্ট্ৰ গঠন কৰিব আৰু তাত এখন কেন্দ্ৰীয় চৰকাৰ থাকিব। গ্ৰুপিং পৰিকল্পনাই সমগ্ৰ দেশখনক তিনিটা ভাগত ভাগ কৰাৰ ব্যৱস্থা কৰিছিল। ‘ক’ শাখাত উত্তৰ প্ৰদেশ, বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, বোম্বাই আৰু মাদ্ৰাজ অন্তৰ্ভুক্ত কৰিছিল আৰু ‘খ’ শাখাত পঞ্জাব, উত্তৰ পশ্চিম সীমান্ত প্ৰদেশ আৰু সিন্ধু প্ৰদেশ আছিল। বঙ্গ আৰু অসমক লৈ ‘গ’ শাখাৰ সৃষ্টি কৰাৰ আঁচনি কৰিছিল। এই আঁচনি লৈ ভাৰতীয়সকলৰ মাজত অশান্তিৰ সৃষ্টি হয় আৰু প্ৰবল প্ৰতিবাদ আন্দোলন হয়। এই আন্দোলনৰ ফলস্বৰূপে শাখা সমষ্টিৰ আঁচনিৰ মৃত্যু হ'ল।

পাছত কেবিনেট মিছনৰ আঁচনি অনুযায়ী এখন গণপৰিষদ আৰু এখন অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰিবলৈ চেষ্টা চলোৱা হয়। আগেয়ে অন্তৰ্বৰ্তী চৰকাৰ এখন গঠন কৰাৰ উদ্দেশ্যে অন্তৰ্বৰ্তী চৰকাৰৰ মন্ত্ৰীসভা এখন গঠন কৰিবলৈ সিদ্ধান্ত লোৱা হৈছিল। ভাইচৰয়ে অন্তৰ্বৰ্তী চৰকাৰৰ মন্ত্ৰীসভাৰ সদস্যৰ বাবে নাম পঠাবলৈ দেশৰ সকলো ৰাজনৈতিক দল, শিখ, অনুন্নত সম্প্ৰদায় আৰু এংলো ইণ্ডিয়ানসকলৈ আহ্বান জনাইছিল। কিন্তু কংগ্ৰেছে যি তালিকা প্ৰেৰণ কৰিছিল, তাত মুছলমান সদস্যৰো নাম আছিল। মিঃ জিন্নাই মুছলমান প্ৰতিনিধি কংগ্ৰেছে মনোনীত কৰাত আপত্তি তোলে আৰু বৰলাট ওৱাভেল চাহাবেও কংগ্ৰেছে মনোনীত কৰা মুছলমান প্ৰতিনিধিক অন্তৰ্বৰ্তী মন্ত্ৰীসভাত লবলৈ অমান্তি হয়। তেতিয়া কংগ্ৰেছ অন্তৰ্বৰ্তী চৰকাৰত যোগদান কৰাৰ পৰা বিৰত থাকে কাৰণ কংগ্ৰেছ কোনো সাম্প্ৰদায়িক অনুষ্ঠান নহয়। বৰলাট ওৱাভেল আৰু মিঃ জিন্নাৰ এনে কাৰ্য্যৰ বিৰুদ্ধে দেশত ক্ষোভৰ সৃষ্টি হয়। পিছত ভাইচৰয়ে ইংলণ্ডৰ পৰা নিৰ্দেশ পাই অন্তৰ্বৰ্তী চৰকাৰৰ মন্ত্ৰীসভাৰ সংখ্যা পুনৰ্নিৰ্ধাৰণ কৰে আৰু সেইমতে কংগ্ৰেছক ৬ জন, মুছলীম লীগক ৫ জন আৰু বাকী সম্প্ৰদায়বোৰৰ বাবে ৩ জন সদস্য দিবলৈ আহ্বান জনায়। কংগ্ৰেছে তেতিয়া এই চৰ্তত অন্তৰ্বৰ্তী চৰকাৰত যোগ দিবলৈ সন্মত হয় যে কংগ্ৰেছে মনোনীত কৰা সদস্যৰ ওপৰত কোনো হস্তক্ষেপ কৰিব নোৱাৰিব। বৰলাট ওৱাভেলে কংগ্ৰেছৰ এই চৰ্ত মানি লৈছিল আৰু সেইবাবেই মিঃ জিন্নাই অন্তৰ্বৰ্তী চৰকাৰৰ পৰা আঁতৰি থকাৰ সিদ্ধান্ত লৈছিল।

ইতিমধ্যে, মুছলীম লীগে স্বতন্ত্ৰ ৰাষ্ট্ৰ পাকিস্তান নোপোৱা দেখি উন্মত্ত হৈ

উঠিছিল। ১৯৪৬ চনৰ ২৯ জুলাইৰ দিনা বোম্বাই মহানগৰীত মুছলীম লীগৰ কাউন্সিলৰ এক বৈঠক বহে। সেই বৈঠকত কেবিনেট মিছনৰ আঁচনি প্ৰত্যাখ্যান কৰি পাকিস্তানৰ দাবী সাব্যস্ত কৰিবলৈ "প্ৰত্যক্ষ কাৰ্য্যকৰী ব্যৱস্থা" লবলৈ নিৰ্দেশ দিয়ে। মিঃ জিন্নাই এই প্ৰত্যক্ষ সংগ্ৰাম ঘোষণা কৰি কৈছিল—"মুছলীম লীগে নিয়মতান্ত্ৰিক পদ্ধতিৰ বাহিৰে এতিয়ালৈকে আন উপায় অৱলম্বন কৰা নাছিল, কিন্তু এতিয়া আন উপায় অৱলম্বন কৰিবলৈ বাধ্য হৈছোঁইক, আৰু সেইবাবে আমি নিয়মতান্ত্ৰিক পদ্ধতিক বিদায় দিলোঁ।" মিঃ জিন্নাই গৃহযুদ্ধ আৰম্ভ কৰি অৰ্থাৎ হিন্দু সকলৰ লগত সংগ্ৰাম কৰি বৃটিশ চৰকাৰ আৰু কংগ্ৰেছক মুছলীম লীগৰ পাকিস্তানৰ দাবী মানি লবলৈ বাধ্য কৰাব বুলি প্ৰকাৰান্তৰে স্পষ্টভাৱে কৈছিল।

মিঃ জিন্নাৰ প্ৰত্যক্ষ সংগ্ৰাম পোন প্ৰথমে আৰম্ভ হৈছিল বঙ্গদেশত। কাৰণ সেই সময়ত বঙ্গদেশত প্ৰধান মন্ত্ৰী চুৰাবৰ্দীৰ অধীনত মুছলীম লীগৰ চৰকাৰ প্ৰতিষ্ঠিত আছিল। কলিকতাত প্ৰত্যক্ষ সংগ্ৰাম চাৰিদিন ধৰি চলিছিল; এই কেইদিনৰ ভিতৰত পাঁচ হাজাৰৰো অধিক লোকৰ প্ৰাণহানি হৈছিল আৰু প্ৰায় ষোল হাজাৰ লোক আহত হৈছিল। ভাৰতৰ সকলো মুছলীম প্ৰধান ঠাইতেই প্ৰত্যক্ষ সংগ্ৰাম চলিছিল আৰু ফলত হাজাৰ হাজাৰ হিন্দু নিহত হৈছিল। অসমৰ ছিলেট জিলাতো অমানুষিক ঘটনা ঘটিছিল আৰু অনেক হিন্দুৱে প্ৰাণ হেৰুৱাইছিল। যিহেতু হিন্দুসকলে মুছলীম লীগে পাকিস্তান পোৱাত প্ৰতিবন্ধকতা জন্মাইছিল সেই ধাৰণাৰ বশৱৰ্তী হৈয়েই তেতিয়াৰ পূৱবঙ্গৰ নোৱাখালি আৰু অন্যান্য ঠাইত অবৰ্ণনীয় হিন্দু হত্যা পৰ্ব চলোৱা হৈছিল।

মুছলীম লীগৰ এই প্ৰত্যক্ষ সংগ্ৰামৰ প্ৰতি বৃটিশ চৰকাৰে উদাসীনতা অৱলম্বন কৰিছিল। ৰক্ষণশীল ভাইচৰয় লৰ্ড ওৱাভেলে মুছলীম লীগৰ প্ৰত্যক্ষ সংগ্ৰামৰ ঘোষণাক আইন বিৰুদ্ধ কাম বুলিও ঘোষণা কৰা নাছিল। বৃটিশ চৰকাৰৰ এনে পক্ষপাতিত্বমূলক মনোভাৱে আভ্যন্তৰীণ ঐক্য নাশ কৰিবলৈ প্ৰকাৰান্তৰে সহায় কৰিছিল আৰু স্বতন্ত্ৰ পাকিস্তান সৃষ্টিত অনুমোদন জনাইছিল। ফলত এই সংগ্ৰামৰ প্ৰতিক্ৰিয়া সংখ্যাগৰিষ্ঠ হিন্দু-প্ৰধান এলেকাবোৰত হবলৈ ধৰে। সেই প্ৰতিক্ৰিয়াৰ ফলতেই বিহাৰত মুছলীম নিধনপৰ্ব আৰম্ভ হয় আৰু ক্ৰমে পৰিস্থিতিয়ে গুৰুতৰ আকাৰ ধাৰণ কৰে।

"প্ৰত্যক্ষ সংগ্ৰাম" দিবসৰ পিছদিনাই ১৯৪৬ চনৰ ১৭ আগষ্টৰ দিনা পণ্ডিত জৱাহৰলাল নেহৰুৱে অন্তৰ্বৰ্তী চৰকাৰৰ মন্ত্ৰীসভাৰ কংগ্ৰেছ প্ৰাৰ্থীৰ তালিকা

ভাইচৰয়ক দিয়ে। মুছলীম লীগে অন্তৰ্বৰ্তী চৰকাৰত যোগদান কৰিবলৈ অস্বীকাৰ কৰে আৰু সেই চৰকাৰক প্ৰতিৰোধ কৰিবলৈ দৃঢ় সংকল্প প্ৰকাশ কৰে। ২ চেপ্তেম্বৰৰ দিনা অন্তৰ্বৰ্তী চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু সংখ্যাগৰিষ্ঠ দলৰ নেতা হিচাপে পণ্ডিত জৱাহৰলাল নেহৰুৱে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লয়। ভাৰতৰ ইতিহাসত ১৯৪৬ চনৰ ২ চেপ্তেম্বৰ দিনটো এটা চিৰস্মৰণীয় দিন। সেইদিনাই প্ৰায় দুশ বছৰৰ পৰাধীনতাৰ পাছত কংগ্ৰেছৰ পঞ্চাশ বছৰীয়া সংগ্ৰামৰ অন্তত গৃহযুদ্ধত জৰ্জৰিত আৰু দ্বিখণ্ডিত হওঁ হওঁ ভাৰতৰ পৰিস্থিতিত ভাৰতৰ অপ্ৰতিদ্বন্দ্বী নেতা জৱাহৰলালে পোন প্ৰথমবাৰৰবাবে ভাৰত শাসনৰ দায়িত্ব লৈছিল। কিন্তু মুছলীম লীগে এই দিনটোক "শোকৰ দিন" বুলি ঘোষণা কৰিছিল আৰু সেই দিনা ক'লা পতাকা উত্তোলন কৰিবলৈ নিৰ্দেশ দিছিল। কিন্তু পাছত মুছলীম লীগৰ নেতা মিঃ জিন্নাই পণ্ডিত নেহৰুক লগ ধৰি অন্তৰ্বৰ্তী চৰকাৰত যোগদান কৰাৰ অভিপ্ৰায় জনায়। ভাইচৰয়ক লগ ধৰি লীগৰ কাৰণে আচুতীয়াকৈ ৰখা ৫ জন লীগ প্ৰতিনিধিৰ নাম দাখিল কৰে। সেই পাঁচজনৰ ৪ জন মুছলমান আৰু এজন অনুসূচীত জাতিৰ হিন্দুও আছিল। আচলতে মুছলীম লীগে সহযোগিতাৰ মনোভাৱেৰে এই অন্তৰ্বৰ্তী চৰকাৰত যোগদান কৰা নাছিল। চৰকাৰৰ ভিতৰত সোমাই বাধা সৃষ্টিৰ কাৰণেহে যোগদান কৰিছিল। মিঃ জিন্নাই প্ৰকাশ্যে ঘোষণা কৰিছিল যে সাৰ্বভৌম স্বতন্ত্ৰ পাকিস্তানৰ সৃষ্টি নহ'লে ভাৰতৰ গৃহযুদ্ধৰ অন্ত নপৰে।

কেবিনেট মিছনৰ আন এটা প্ৰস্তাৱ আছিল ভাৰতৰ সংবিধান ৰচনাৰ বাবে গণ পৰিষদৰ অধিবেশন অনুষ্ঠিত হ'ব লাগে। কিন্তু মুছলীম লীগে অন্তৰ্বৰ্তী চৰকাৰত যোগদান কৰা স্বত্বেও, গণ পৰিষদত যোগদান কৰি সংবিধানৰ খচৰা প্ৰস্তুত কৰিবলৈ ৰাজী নহয়। মুছলীম লীগে দাবী কৰিছিল যে মুছলীম প্ৰধান প্ৰদেশবোৰৰ কাৰণে মুছলীম লীগেহে সংবিধান ৰচনা কৰিব। এই কথা চিন্তা কৰি এটা আপোচ মীমাংসাৰ সূত্ৰ উদ্ভাৱনৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী মিঃ এটলীয়ে ভাৰতৰ বৰলাট ওৱাভেল আৰু কংগ্ৰেছ-লীগ উভয় দলৰ নেতাসকলক ইংলণ্ডলৈ মাতি পঠিয়ায়। সেই আহ্বানক্ৰমে বৰলাট ওৱাভেল, পণ্ডিত নেহৰু, মিঃ জিন্না আদি কংগ্ৰেছ-লীগ নেতাসকল লণ্ডনলৈ যায়। লণ্ডনত কংগ্ৰেছ আৰু লীগ নেতাসকলৰ মতৈক্য সম্ভৱপৰ নহ'ল। সেইদেখি ৬ ডিচেম্বৰৰ দিনা বৃটিশ প্ৰধানমন্ত্ৰী মিঃ এটলীয়ে ঘোষণা কৰেমু যে ছলীম লীগৰ সহযোগ

নোহোৱাকৈ যদি গণপৰিষদে সংবিধান গ্ৰহণ কৰে, তেনেহলে দেশৰ কোনো অঞ্চলে যদি সেই সংবিধানক গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে তেনেহলে চৰকাৰে সেই অঞ্চলত সেই সংবিধান বলবৎ কৰিব নোৱাৰিব। কংগ্ৰেছৰ যুক্তি আছিল কেবিনেট মিছনৰ প্ৰস্তাৱ মানি লৈযেই মুছলীম লীগে অন্তৰ্বৰ্তী চৰকাৰত যোগদান কৰিছে। কেবিনেট মিছনৰ প্ৰস্তাৱৰ লগতে গণপৰিষদৰ দ্বাৰা দেশৰ সংবিধান ৰচনাৰ কথাও আছে। এনে অৱস্থাত মুছলীম লীগে গণপৰিষদত অসহযোগ কৰিলেও গণপৰিষদৰ কাৰ্য্য স্থগিত থাকিব নোৱাৰে। এনে পৰিস্থিতিতেই ১৯৪৬ চনৰ ৯ ডিচেম্বৰৰ দিনা গণ-পৰিষদৰ অধিবেশন আৰম্ভ হয়। গণ-পৰিষদৰ সভাপতি নিৰ্বাচিত হৈছিল—ডঃ ৰাজেন্দ্ৰপ্ৰসাদ।

গণপৰিষদৰ ১৩ ডিচেম্বৰৰ অধিবেশনত পণ্ডিত জৱাহৰলাল নেহৰুৱে গণ-পৰিষদৰ উদ্দেশ্য আৰু লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ উত্থাপন কৰা প্ৰস্তাৱত কৈছিল— "ভাৰতৰ স্বাধীনতাৰ প্ৰতি ইংৰাজৰ সমৰ্থন আছে বুলিয়েই আজি আমি ইয়াত সমবেত হোৱাৰ সুযোগ লাভ কৰিছোঁ। আমি সমগ্ৰ ভাৰতৰ সকলো ৰাইজৰ স্বাৰ্থৰ হ'কে আগুৱাই যাম কোনো দল বা উপদলৰ হকে নহয়। ভাৰতত এক সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ আমি সংকল্প লৈছোঁ আৰু সমগ্ৰ ভাৰতবৰ্ষই আমাৰ গণতান্ত্ৰিক সাৰ্বভৌম ৰাষ্ট্ৰৰ সীমা।"

গণপৰিষদৰ অধিবেশনত মুছলীম লীগৰ ৭৪ জন সদস্যৰ এজনো উপস্থিত নাছিল। অন্তৰ্বৰ্তী চৰকাৰত মুছলীম লীগে যোগদান কৰিও গণপৰিষদত যোগদান নকৰিলে। মুছলীম লীগ সদস্যৰ অনুপস্থিতিয়ে গণপৰিষদৰ কাৰ্য্য পৰিচালনাত কোনো বাধাৰ সৃষ্টি কৰিব পৰা নাছিল। স্বাধীন ভাৰতৰ মৰ্য্যাদা ৰক্ষা কৰি দেশৰ সকলো দল-উপদলৰ স্বাৰ্থৰ প্ৰতি বিশেষ লক্ষ্য ৰাখি এখন সৰ্বজন-সমাদৃত গণতান্ত্ৰিক সংবিধান ৰচনাৰ দৃঢ়সংকল্প লৈ গণপৰিষদ কামত অগ্ৰসৰ হয়।

১৯৪৭ চনৰ ২০ ফেব্ৰুৱাৰীৰ দিনা ইংলণ্ডৰ প্ৰধানমন্ত্ৰীৰ ঘোষণা বৃটিশ সাম্ৰাজ্যৰ এক স্মৰণীয় ঘোষণা। মিঃ এট্‌লীয়ে কমন্স সভাত কৈছিল যে ১৯৪৮ চনৰ জুন মাহৰ আগতেই ইংৰাজে ভাৰত ত্যাগ কৰিব—অৰ্থাৎ তাৰ পাছত ভাৰতত ইংৰাজৰ শাসন নাথাকিব। ইতিমধ্যে বৃটিশ চৰকাৰে ভাৰতৰ বৰলাট পৰিৱৰ্তন কৰে আৰু নতুনকৈ লৰ্ড মাউণ্টবেটেনক ভাৰতৰ বৰলাট নিয়োগ কৰে। মিঃ এট্‌লীয়ে হয়তো বিশ্বাস কৰিছিল যে লৰ্ড মাউণ্টবেটেনে সকলো

সমস্যাৰ সমাধান সাধি বৃটিশ মৰ্য্যাদাৰে ভাৰতীয় সকলৰ হাতত ক্ষমতা হস্তান্তৰ কৰিবলৈ সক্ষম হব। লৰ্ড মাউন্টবেটেনে ১৯৪৭ চনৰ ২২ মাৰ্চত দিল্লীত উপস্থিত হৈ পণ্ডিত নেহৰুক প্ৰথম সাক্ষাৎ কৰাৰ পিছতেই কৈছিল—“মোক বৃটিশ সাম্ৰাজ্যৰ শেষ ভাইচৰয় বা বৰলাট বুলি গণ্য নকৰি নতুন ভাৰত গঢ়াৰ এজন অগ্ৰণী বুলি ধৰিবলৈহে অনুৰোধ কৰোঁ।.”

সেই সময়ত পঞ্জাৱত ভয়ানক সাম্প্ৰদায়িক সংঘৰ্ষ ঘটিছিল, মুছলীম লীগৰ প্ৰত্যক্ষ সংগ্ৰামৰ আহ্বানৰ ফলত পঞ্জাৱত ২০৫০ জন লোক নিহত আৰু প্ৰায় ১৫০০ জন লোক গুৰুতৰভাৱে আহত হোৱা বুলি চৰকাৰী বিজ্ঞপ্তিত প্ৰকাশ হৈছিল। লীগ নেতা মিঃ জিন্নাই লৰ্ড মাউন্টবেটেনক সতৰ্ক কৰি দিছিল যে সমস্যাৰ একমাত্ৰ সমাধানৰ পথ হৈছে—পাকিস্তান সৃষ্টি। ভাৰত বিভাজন নহ'লে সমস্যা অধিক ভয়াবহ হ'ব পাৰে। মিঃ জিন্নাই কৈছিল যে তেওঁ কেতিয়াও ঐক্যবদ্ধ ভাৰতৰ প্ৰস্তাৱ গ্ৰহণ নকৰে, তেওঁ দাবী কৰিছিল—ভাৰতক খণ্ডিত কৰি পাকিস্তান সৃষ্টি কৰাৰ।

লৰ্ড মাউন্টবেটেনে মুছলীম লীগৰ দৃঢ় মনোভাৱ লক্ষ্য কৰি আৰু লগতে ভাৰতত বৃটিশ শাসনৰ অন্ত পেলোৱাৰ উদ্দেশ্যে ভাৰতীয় নেতাসকলৰ লগত আলোচনা হয়। এই সম্পৰ্কে তেওঁ কেইবাবাৰো মহাত্মা গান্ধীৰ লগত সাক্ষাৎ কৰে। বৃটিশ চৰকাৰে ১৯৪৭ চনৰ জুন মাহত ঘোষণা কৰে যে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতক দ্বি-খণ্ডিত কৰি ভাৰত আৰু পাকিস্তান ৰাষ্ট্ৰ গঠন কৰা হ'ব। ভাৰত বিভাজন প্ৰস্তাৱত কোৱা হৈছে যে পঞ্জাৱৰ পশ্চিম অংশ, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ, বেলুচিস্থান আৰু সিন্ধুক লৈ পাকিস্তানৰ একাংশ আৰু বঙ্গ আৰু অসমৰ ছিলেট জিলাক লৈ পাকিস্তানৰ আন এক অংশ গঠন কৰা হ'ব। ভাৰত সম্ৰাটৰ সৰ্বশেষ ঘোষণাত আৰু কোৱা হৈছিল যে ১৪ আগষ্টৰ দিনা পাকিস্তানৰ সৃষ্টিৰ কথা আৰু ১৫ আগষ্টৰ দিনা ভাৰতক স্বাধীন ৰাষ্ট্ৰৰূপে ঘোষণা কৰা হ'ব।

মাউন্টবেটেনে অতি স্পষ্টভাৱে কংগ্ৰেছক সুধিছিল—“কংগ্ৰেছে ভাৰত বিভাজনৰ প্ৰস্তাৱক মানি ল'ব নে নলয় ?” দেশৰ সেই সময়ৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি কংগ্ৰেছে মাউন্টবেটেনৰ ভাৰত দ্বি-খণ্ডিত কৰি স্বাধীনতা হস্তান্তৰ কৰা প্ৰস্তাৱত মান্তি হয়। হিন্দু-মুছলমানৰ সংঘৰ্ষই সম্ভৱ তেতিয়াৰ কংগ্ৰেছ নেতৃবৃন্দক বিশেষকৈ পণ্ডিত জৱাহৰলাল নেহৰু, চৰ্দাৰ বল্লভভাই পেটেল আৰু আচাৰ্য

কৃপালিনীক মাউণ্টবেটেনৰ ভাৰত দ্বি-খণ্ডিত কৰি ক্ষমতা হস্তান্তৰ কৰা প্ৰস্তাৱক গ্ৰহণ কৰিবলৈ বাধ্য কৰাইছিল। সমগ্ৰ দেশৰ এক অস্থিৰ অৱস্থা আৰু হিংসাত্মক ঘটনাৱলীয়ে কংগ্ৰেছ নেতৃবৃন্দক ভাৰত বিভাজনেৰে ক্ষমতা হস্তান্তৰ কৰা প্ৰস্তাৱত সন্মতি দিয়াবলৈ বাধ্য কৰাইছিল। কংগ্ৰেছ ওৱৰ্কিং কমিটিয়ে ভাৰত বিভক্ত কৰি ক্ষমতা হস্তান্তৰৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। কিন্তু নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ১৯৪৭ চনৰ ১৫ জুনত অনুষ্ঠিত হোৱা অধিবেশনত ভাৰত বিভাজনৰ প্ৰস্তাৱৰ ২৯ জন সদস্যই বিৰোধীতা কৰিছিল যদিও ১৫৩ জনে প্ৰস্তাৱ সমৰ্থন কৰিছিল। আদৰ্শ আৰু ইচ্ছাৰ বিৰুদ্ধে আনকি মহাত্মা গান্ধীৰ মনোভাৱৰ বিৰুদ্ধেও জৱাহৰলাল নেহৰু আৰু চৰ্দাৰ পেটেল আদি কংগ্ৰেছ নেতৃবৃন্দই বাধ্য হৈ তেতিয়াৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ভাৰত বিভাজনক মানি লৈছিল। মহাত্মা গান্ধীয়ে কিন্তু কংগ্ৰেছ নেতৃবৰ্গৰ এই কামক সমৰ্থন জনোৱা নাছিল। তেওঁ কৈছিল যে অন্যায় আৰু বৰ্বৰতাৰ ওচৰত মূৰ দোঁৱাই শান্তি প্ৰতিষ্ঠা কৰাই সম্ভৱ নহয়। মৌলানা আবুল কালাম আজাদেও বিভাজন মানি লোৱাৰ বিৰোধী আছিল। ভাৰত বিভাজনৰ পৰা সাম্প্ৰদায়িকতাৰ পৰা উদ্ভূত সমস্যাবোৰৰ সমাধান হ'ব নোৱাৰে বুলি মহাত্মা গান্ধী, আবুল কালাম আজাদে দঢ়াই দঢ়াই কৈছিল। শৰৎ চন্দ্ৰ বসুও ভাৰত বিভাজনৰ ঘোৰ বিৰোধী আছিল।

১৫ আগষ্টত ক্ষমতা হস্তান্তৰ কৰিবলৈ দিয়া ঘোষণাক বাস্তৱত ৰূপায়িত কৰিবলৈ মুছলীম লীগে উঠি পৰি লাগিছিল। যদিও মিঃ জিন্নাই পঞ্জাব আৰু বঙ্গ প্ৰদেশক বিভক্ত কৰিবলৈ খোজা প্ৰস্তাৱক পোন প্ৰথমে গ্ৰহণ কৰিবলৈ টান পাইছিল আৰু তাৰ বাবে পুনৰ সংগ্ৰামৰ ইঙ্গিত দিবলৈ কুণ্ঠাবোধ কৰা নাছিল, কিন্তু পাছত অৱস্থা পৰ্য্যবেক্ষণ কৰি মিঃ জিন্নাই দ্বিখণ্ডিত পঞ্জাব আৰু অকল পূৰ্ববঙ্গকে ( ছিলেটক ) লৈ পাকিস্তানৰ প্ৰস্তাৱ গ্ৰহণ কৰে। দেশৰ স্বাধীনতাৰ বাবে কোনো ত্যাগ আৰু আন্দোলন নকৰাকৈ অকল হিন্দু-বিদ্বেষ আৰু হিন্দু হিংসাৰ দৰ্শনেৰে পাকিস্তান লাভ কৰি মিঃ জিন্নাই পশ্চিম পাকিস্তানৰ পৰা ভাৰতৰ মাজেৰে পূব পাকিস্তানলৈ এটা সংযোগ পথবো দাবী কৰিছিল। কিন্তু লৰ্ড মাউণ্টবেটেনে মিঃ জিন্নাৰ সেই দাবীক প্ৰশ্ৰয় নিদিলে।

পঞ্জাব আৰু বঙ্গ প্ৰদেশ দ্বি-খণ্ডিত হোৱা প্ৰস্তাৱ ঘোষণা হোৱাৰ লগে লগেই অমুছলমানসকলৰ লগত মুছলমানসকলৰ সংঘৰ্ষ লাগে। আগৰ পৰাই পঞ্জাবত

শিখসকলৰ লগত মুছলমানসকলৰ মনোমালিন্য হৈ অবিশ্বাসৰ সৃষ্টি হৈছিল। শিখসকলে ভাবে যে পঞ্জাৱখন শিখসকলৰ; কাৰণ পঞ্জাৱখন শিখ ৰাজ্য আছিল আৰু বৃটিশে ভাৰত ত্যাগ কৰাৰ পিছত শিখসকলে তেওঁলোকৰ নিজ ৰাজ্য ঘূৰাই পাব লাগে। যিহেতু পঞ্জাৱৰ উত্তৰাধিকাৰী শিখসকলেইহে। পাকিস্তান গঠনৰ প্ৰস্তাৱ ঘোষিত হোৱাৰ পাছৰে পৰাই শিখসকলে ভীষণ প্ৰতিবাদ আৰু বিক্ষোভ প্ৰদৰ্শন কৰিছিল। পাকিস্তান প্ৰতিষ্ঠিত হোৱাৰ ঠিক আগ মুহূৰ্তত পশ্চিম পঞ্জাৱত মুছলমানসকলে হিন্দু আৰু শিখসকলক ধ্বংস কৰাৰ উদ্দেশ্যে উন্মত্ত হৈ উঠিছিল। কিন্তু তাৰ প্ৰতিক্ৰিয়া পঞ্জাৱতো হয়। পূব পঞ্জাৱত মুছলমানসকলৰ ওপৰত হিন্দু আৰু শিখসকলে সেই একেই বীভৎস কাৰ্য্য সম্পাদন কৰিবলৈ উঠি পৰি লাগিছিল। পঞ্জাৱত তাৰ মুছলমানসকলে ১৯৪৬ চনৰ পৰাই যুদ্ধৰ অৱশিষ্ট সামৰিক সামগ্ৰী সৰবৰাহ কৰা কেন্দ্ৰৰ পৰা অসংখ্য জীপ গাড়ী, হাতবোমা আৰু যুদ্ধৰ অনেক সৰঞ্জাম কিনিছিল। ১৯৪৭ চনত মুছলমানসকলে সেই সামগ্ৰীবোৰ ব্যাপকভাৱে ব্যৱহাৰ কৰি পশ্চিম পঞ্জাৱ আৰু সিন্ধু প্ৰদেশৰ হিন্দুসকলক ধ্বংস আৰু বিতাৰিত কৰিছিল। পশ্চিম পঞ্জাৱত সাম্প্ৰদায়িক সংঘৰ্ষত অতি কমেও ৫৫ লাখ হিন্দু আৰু শিখ নিশ্চিহ্ন হৈছিল। বঙ্গ প্ৰদেশত বিশেষকৈ পূৰ্ববঙ্গত মুছলমানসকলে হিন্দুসকলৰ ওপৰত অমানুষিক বৰ্বৰ অত্যাচাৰ চলাই লাখ লাখ হিন্দুক হত্যা কৰিছিল। এই ঘিনিতেই পৃথিবী বিখ্যাত নোৱাখালিৰ হত্যাকাণ্ড স্মৰণ কৰিব পাৰি।

১৯৪৭ চনৰ জুন মাহৰ ৩ তাৰিখে বৃটিশ চৰকাৰে ঘোষণা কৰিছিল যে ১৫ আগষ্টৰ দিনাই ভাৰত বিভক্ত কৰি পাকিস্তান আৰু ভাৰত ৰাষ্ট্ৰ গঠিত হ'ব। মাত্ৰ ৭২ দিনৰ ভিতৰত উভয় দেশৰ ভাগ-বতৰা, অসংখ্য জটিল প্ৰশ্নৰ মীমাংসা অসম্ভৱ বুলি জানিও নতুন ৰাষ্ট্ৰ লাভ কৰাৰ আশাত উভয় দলেই অতি ব্যস্ততাৰে কাৰ্য্য পৰিচালনা কৰিবলৈ আত্মনিয়োগ কৰে। ভাৰতৰ দেশীয় ৰজা-মহাৰজা সকলেও নিজৰ ভাগ্য নিৰ্ণয় কৰিবলৈ দিল্লীৰ বৰলাট চাহাবৰ ৰাজভৱনত মিলিত হৈছিল। ৰজা-মহাৰজাসকলেও নিজ নিজ মত আৰু স্বাৰ্থানুযায়ী ভাৰত অথবা পাকিস্তান ৰাষ্ট্ৰত যোগদান কৰাৰ সিদ্ধান্ত লৈছিল। ভাৰতত বৃটিশ শাসনৰ নিৰ্ধাৰিত দিনত অন্ত পেলোৱাৰ উদ্দেশ্যে খৰখেদাকৈ দেশ বিভাজন সংক্ৰান্ত সকলো কাম সমাধা কৰিবলগীয়া হৈছিল। ভাৰতৰ ৰাজধানী দিল্লীত কংগ্ৰেছ আৰু লীগ নেতৃবৃন্দই সৈন্যবিভাগ আৰু তাৰ আহিলাপাতি, বিত্ত,

কল-কাৰখানা আৰু যানবাহন আদিৰ ভাগ বতৰা কৰিছিল। চাৰ ৰেড্‌ক্লিফৰ নেতৃত্বত এক সীমা নির্ধাৰণ কমিটিও গঠিত হৈছিল। এই কমিটিয়ে পাকিস্তান আৰু ভাৰত উভয় দেশৰেই সীমা নির্ধাৰণ কৰিছিল। যিবোৰ বিষয়ত কংগ্রেছ আৰু লীগৰ সদস্যসকলে একমতত উপনীত হ'ব পৰা নাছিল, সেই বিষয়বোৰৰ সিদ্ধান্ত চাৰ ৰেডক্লিফে নিজেই কৰি দিছিল।

এই পৰিস্থিতিত ইংৰাজ সাম্রাজ্যবাদে ১৯৪৭ চনৰ আগষ্ট মাহৰ ১৪ আৰু ১৫ তাৰিখে পাকিস্তান আৰু ভাৰত দুই "ডোমিনিয়ন" ৰাষ্ট্ৰ সৃষ্টি কৰি মহাত্মা গান্ধীৰ দাবী অনুযায়ী ইংৰাজে ভাৰত ত্যাগ কৰিলে—কিন্তু মিঃ জিন্নাৰ দাবী মানি ভাৰতক দ্বিখণ্ডিত কৰি ভাৰত উপ-মহাদেশক দুখন ৰাষ্ট্ৰ দান কৰি বিৰোধৰ অনেক সূত্র ৰাখি থৈ ইংৰাজে ভাৰত ত্যাগ কৰিলে। ১৯৪৭ চনৰ ১৫ আগষ্ট দিনটো বিশ্বৰ ইতিহাসত এক স্মৰণীয় দিন। এই দিনতেই ভাৰতীয় জাতীয় কংগ্রেছে স্বাধীনতা আন্দোলনৰ সিদ্ধি লাভ কৰে। ১৪ আগষ্টৰ মাজ নিশা ১২ বজাৰ লগে লগেই বৃটিশ সাম্রাজ্যবাদী চৰকাৰে ভাৰতীয়সকলৰ হাতত আনুষ্ঠানিকভাবে ক্ষমতা অর্পণ কৰে। সেই ১৪ আগষ্টৰ মাজনিশাৰ ১২ বজাত অনুষ্ঠিত হৈছিল—ভাৰতীয় গণ পৰিষদৰ অধিবেশন। 'জন গণ মন অধিনায়ক জয়হে ভাৰত ভাগ্য বিধাতা'—এই জাতীয় সঙ্গীতেৰে মুখৰিত হোৱা এক গাম্ভীর্যপূর্ণ জাতীয় মর্যাদাৰ পূর্ণ পৰিবেশত সেই শুভৰাত্ৰিৰ শুভক্ষণত জন্মলাভ কৰিছিল—স্বাধীন ভাৰত। মাঙ্গলিক আচৰণৰ মাজত উত্তোলন কৰিছিল অশোক চক্ৰশোভিত ত্ৰিৰঙ্গ জাতীয় পতাকা। সেই নিশাৰ গণ পৰিষদৰ অধিবেশনতেই সদস্যসকলে শপত গ্ৰহণ কৰিছিল—"দুখ আৰু ত্যাগৰ মাজেৰে ভাৰতবাসীৰ স্বাধীনতা অৰ্জনৰ এই চৰম মুহূর্তত মই ভাৰতীয় গণ পৰিষদৰ একজন সদস্য হিচাপে ভাৰতৰ আৰু ভাৰতবাসীৰ সেৱাত নিজক আত্মনিয়োগ কৰিম, যাতে এই প্রাচীন দেশখনে জগত-সভাত নিজৰ ন্যায্য আসন লাভ কৰিব পাৰে আৰু মানৱ জাতিৰ কল্যাণ আৰু বিশ্বশান্তিৰ বাবে পূর্ণ সহযোগিতা আৰু সাহায্য যোগাব পাৰে।" গণ পৰিষদৰ সেই অধিবেশনত পোন প্ৰথমে ভাৰতৰ মুক্তি সংগ্ৰামত আত্মদানকাৰী বীৰ-বীৰাঙ্গনা সকলৰ প্ৰতি শ্রদ্ধা নিবেদন কৰা হয়। গণ পৰিষদৰ প্ৰস্তাৱ অনুযায়ী লৰ্ড মাউণ্টবেটেনক ডোমিনিয়ন ভাৰতৰ প্ৰথম গবৰ্ণৰ জেনেৰেল পদত বৰণ কৰা হয়।

ভাৰতৰ মুক্তি সংগ্ৰাম বিচিত্ৰ ধাৰাৰে প্ৰবাহিত। যি বিপ্লৱে এই দেশৰ স্বাধীনতাৰ সূচনা কৰিলে—পৃথিবীৰ ইতিহাসত সি অভূতপূর্ব। এই জয় সাম্রাজ্য-

বাদৰ অন্ধ লোভৰ ওপৰত স্বাধীনতা আৰু মানবিকতাৰ জয়। বিধিসম্মত আন্দোলনৰ দ্বাৰা সাংবিধানিক সংস্কাৰ আৰু প্ৰশাসনীয় ব্যৱস্থাত ভাৰতীয়সকলৰ অধিকাৰ সাব্যস্ত কৰাৰ চেষ্টা চলোৱা হয়। আন এটা হৈছে অহিংস বিপ্লৱ-সত্যাগ্ৰহ আন্দোলনৰ দ্বাৰা; আৰু তৃতীয়টো হৈছে বিপ্লৱাত্মক সন্ত্ৰাসবাদৰ পথ। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পাছৰ পৰাই ভাৰতৰ সংগ্ৰামী মনত বিদ্ৰোহৰ সপোনে নানা ক্ৰমত আৰু নানা পৰিবেশত ৰূপ গ্ৰহণ কৰে। দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ পৰাই ভাৰতৰ স্বাধীনতাৰ দাবী বাৰে বাৰে প্ৰত্যাখ্যান হয় আৰু ১৯৪২ চনত সেই প্ৰত্যাখ্যান আগষ্ট বিপ্লৱৰ গণ-বিক্ষোভৰ মাধ্যমেৰে প্ৰজ্বলিত হৈ উঠে। বৃটিশ শাসক শক্তিয়ে দমননীতি প্ৰয়োগ কৰি সমগ্ৰ দেশত সন্ত্ৰাসৰ সৃষ্টি কৰে। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা যুদ্ধ জয় সম্ভৱ নহল। জয়ৰ বাবে নৈতিক শক্তি সঞ্চয়ৰ প্ৰয়োজন হয় আৰু সেয়ে মিত্ৰপক্ষৰ কৰ্ণধাৰসকলে মানুহৰ মুক্তি, স্বাধীনতা আৰু গণতন্ত্ৰৰ সুমহান ঘোষণা বাণী প্ৰচাৰ কৰে—প্ৰত্যেক জাতিৰ সৰ্বাঙ্গীন মুক্তিৰ বাণী এছিয়াৰ পথে প্ৰান্তে সিচৰতি হৈ পৰে। জাৰ্মান আৰু জাপানৰ পৰাজয়ৰ লগে লগে এক নিদাৰুণ বৈপ্লৱিক স্ৰোত ভাৰতবৰ্ষ, ব্ৰহ্মদেশ, ইন্দোনেচীয়া আৰু ইন্দোচীন আদি দেশত ববলৈ ধৰে। সাধাৰণ মানুহৰ মুক্তিৰ দাবীত গণতান্ত্ৰিক শক্তি ইমান প্ৰবল হৈ উঠে যে মহাযুদ্ধৰ অন্যতম নায়ক চাৰ্চিলৰ ৰক্ষণশীল দল ১৯৪৫ চনৰ সাধাৰণ নিৰ্বাচনত বৃটেইনৰ ক্ষমতাৰ পৰা অপসাৰিত হয়। আনফালে পূব প্ৰান্তত নেতাজী সুভাষ বসুৰ আজাদ হিন্দ ফৌজৰ গৌৰৱময় কাহিনীয়ে সমগ্ৰ দেশৰ যুৱজনচিত্তত এক অভূতপূৰ্ব গতিবেগৰ সৃষ্টি কৰে। কিন্তু বৃটিশ সাম্ৰাজ্যবাদ তেতিয়াও ক্ষমতা হস্তান্তৰত অনিচ্ছুক। ইয়াৰ ফলত উদ্ভৱ হয় ১৯৪৫-৪৬ চনৰ ঘটনাৱলী আৰু লগতে নৌ বিদ্ৰোহ। সেই সন্ধিক্ষণত নতুন দিল্লী কঁপে, লণ্ডন কঁপে; ইংলণ্ডৰ শ্ৰমিক গৱৰ্ণমেণ্টে বিপদৰ স্বৰূপ বুজিবলৈ সক্ষম হয়। সংগ্ৰামী জনতা আৰু বিদ্ৰোহী সৈনিকে যেতিয়া ভাৰতীয় বিপ্লৱক ৰক্ত আৰু অশ্ৰুৰ মাজেৰে অগ্ৰগতিৰ পথলৈ নিয়াৰ বাবে উৎসুক, তেতিয়াই চতুৰ বৃটিশ চৰকাৰে পঠিয়াইছিল কেবিনেট মিছন। যি মুছলীম লীগ ১৯৪২ চনৰ পৰা মৃতবৎ হৈ আছিল, সেই মুছলীম লীগ পুনৰজীৱিত হয় ১৯৪৪ চনৰ চেপ্তেম্বৰত। বৃটিশ কুটনীতিৰ বাহক কেবিনেট মিছনে মুছলীম লীগক ভাৰতীয় মুছলমান সমাজৰ একমাত্ৰ প্ৰতিনিধিৰূপে মানি লয়। যি কংগ্ৰেছে ভাৰত স্বাধীনতাৰ বাহকৰূপে অৰ্ধ শতাব্দীকাল আন্দোলন আৰু সংগ্ৰাম কৰিছে, সেই কংগ্ৰেছেই আপোচ মীমাংসাৰ পথত অগ্ৰসৰ হয়। কিন্তু

লগে লগে দেখা দিয়ে—মাউণ্টবেটেন পৰিকল্পনা। ভাৰতবৰ্ষ দ্বিখণ্ডিত হয়, ফলত মুছলীম লীগে সাম্প্ৰদায়িক ক্ৰূৰতাৰ আনন্দত স্বাধীন পাকিস্তান লাভ কৰি ইছলামৰ পতাকা উত্তোলন কৰে। ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা নতুন সাৰ্বভৌম স্বাধীন গণতান্ত্ৰিক ভাৰত ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে ভাৰতবৰ্ষৰ স্বাধীনতা ঘোষণা কৰি দিল্লীৰ লালকিল্লাত জাতীয় পতাকা উত্তোলন কৰে। এই পতাকাৰ পিছত আছে এটা জাতিৰ মুক্তি সংগ্ৰামৰ ইতিহাস। এই অহিংস মুক্তি সংগ্ৰাম সম্ভৱ হৈছিল গান্ধীজীৰ প্ৰেৰণাময় নেতৃত্বৰ বাবে।

অশোক চক্ৰ সমন্বিত ত্ৰিৰঙ্গ জাতীয় পতাকাক শ্ৰদ্ধাৰে অভিবাদন জনাই পণ্ডিত-জীয়ে কৈছিল,—"আজি আমাৰ পৰাধীনতাৰ শিকলি চিঙিছে, আমি বন্ধন মুক্ত হৈছোঁ, মুক্ত স্বাধীন চিত্তেৰে ভাৰতীয় জাতীয় কংগ্ৰেছৰ পতাকাৰ তলত সমবেত হৈ কংগ্ৰেছৰ ৰাষ্ট্ৰীয় আদৰ্শক সৰ্বান্তঃকৰণে গ্ৰহণ কৰোঁহক।" "যি ভাৰতবৰ্ষৰ স্বাধীনতাৰ সাধনা আমি অতদিনে কৰি আহিছোঁ, যি আমাৰ সন্মুখত এক আৰু অবিভাজ্য ভাৰতবৰ্ষ, কিন্তু লাখ লাখ ভাই-ভনী যি সকল কালি আমাৰ এই একে দেশৰেই অধিবাসী আছিল, আজি সি সকল এক সুকীয়া ৰাষ্ট্ৰৰ নাগৰিক। এই বিভাগ আমাৰ কাৰণে অতি বেদনাদায়ক, কিন্তু তথাপিও আমি ইয়াক মানি লব লগীয়া হৈছোঁ। কাৰণ বিদেশী শাসকৰ কবলৰ পৰা মুক্তি লাভ—আমাৰ জাতিৰ সত্তাৰ কাৰণে একান্ত প্ৰয়োজনীয় আৰু দ্বিতীয়তে স্বাধীনতাৰ বাহিৰে এই বাহ্যিক ঐক্য বৰ্তমান আত্ম-কলহৰ চৰম পৰিণতি। স্বাধীনতা লাভৰ পাছত এই ভুৱা ঐক্যৰ পৰিবৰ্তে বেলেগ ঐক্য উদ্ভতি আহিব পাৰে।" কংগ্ৰেছে স্পষ্ট ভাষাৰে ঘোষণা কৰিছে যে আচল স্বৰাজ তেতিয়ালৈকে আহিব নোৱাৰে, যেতিয়ালৈকে আমি এনে এক সমাজ প্ৰতিষ্ঠা কৰিব নোৱাৰোঁ, যি সমাজত গণতন্ত্ৰ অকল ৰাজনীতিতেই সীমাবদ্ধ নাথাকি সামাজিক আৰু অৰ্থনৈতিক ক্ষেত্ৰতো কাৰ্য্যকৰী হ'ব। এই সমাজত ব্যক্তিগত স্বাধীনতা, সুযোগ, সুবিধা, ক্ষমতা আৰু প্ৰত্যেক ব্যক্তিৰ আত্মবিকাশৰ পূৰ্ণ সুযোগৰ নিশ্চিত ব্যৱস্থা থাকিব। সেই সমাজেই বিভক্ত অংশসমূহক পুনৰাই ভাৰতৰ লগত সংযুক্ত কৰিবলৈ আৰু ইয়াৰ বিপুল ঐশ্বৰ্যৰ অধিকাৰী হ'বলৈ আকৰ্ষণ কৰিব। আজিৰ দিনত আমি সকলো ভাৰতবাসীয়েই এনে সমাজ প্ৰতিষ্ঠাৰ সংকল্প গ্ৰহণ কৰোঁহক।

# বাওঁপন্থী দলৰ ভূমিকা

**কমিউনিষ্ট পাৰ্টি ঃ** ১৯১৪ চনত পৃথিৱীব্যাপী মহাসমৰ সংঘটিত হয়। ১৯১৪ চনৰ পৰা ১৯১৭ চনলৈ পৃথিৱী বিয়পি চলা মহাযুদ্ধৰ ফলত পৃথিৱীৰ সকলো দেশৰে দৰিদ্ৰ আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকৰ আৰ্থিক অৱস্থা শোচনীয় হয়। ১৯১৭ চনত ইংৰাজৰ মিত্ৰদলৰ অন্যতম দেশ ৰুচিয়াৰ অভ্যন্তৰত অন্তৰ্বিপ্লৱে দেখা দিয়ে। ১৯১৭ চনৰ ১৫ মাৰ্চৰ দিনা জাৰ নিকোলাচে পদত্যাগ কৰে। ১৬ এপ্ৰিলৰ দিনা বলছেভিক নেতা লেনিন প্ৰভৃতিয়ে পেট্ৰোগ্ৰাদ নগৰত প্ৰৱেশ কৰে। ২০ জুলাইৰ দিনা প্ৰিন্স জৰ্জলোভৰ অস্থায়ী চৰকাৰৰ অৱসান ঘটে আৰু কমিউনিষ্ট শাসন আৰম্ভ হয়। ১৯১৭ চনত হোৱা ৰুচিয়াৰ কমিউনিষ্ট বিপ্লৱ পৃথিৱীৰ বুৰঞ্জীত এক উল্লেখযোগ্য ঘটনা। এই ঘটনাই ভাৰতবৰ্ষৰ ৰাজনৈতিক পৰিস্থিতিত যথেষ্ট পৰিবৰ্তন আনিবলৈ সক্ষম হৈছিল। এই বিপ্লৱে ভাৰতৰ এচাম সংগ্ৰামী মনক আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। এফালে ৰুচিয়াত স্বেচ্ছাচাৰী জাৰৰ শাসনৰ অৱসান ঘটে আৰু শ্ৰমিক-কৃষকৰ ৰাজ স্থাপন হয়, আনফালে ভাৰতৰ তৰুণ সকলৰ সন্মুখত দেখা দিছিল দুটা আদৰ্শ—মহামানৱ মহাত্মা গান্ধীৰ অহিংসা, অসহযোগৰ আদৰ্শ আৰু আনটো মাৰ্ক্সীয় দৰ্শনৰ লেনিন প্ৰদৰ্শিত পথ। লাহে লাহে ভাৰতত কমিউনিষ্ট মতবাদ প্ৰৱেশ কৰিবলৈ সুযোগ পায়।

১৯২০ চনত মানবেন্দ্ৰ ৰায় ৰুচিয়ালৈ গৈছিল আৰু তাত তেওঁ কমিউনিষ্ট মতবাদ গ্ৰহণ কৰি জাৰ্মানীলৈ যায়। তাতেই কেইজনমান পলাতক ভাৰতীয় সন্ত্ৰাসবাদী লৈ তেওঁ এটা দল গঠন কৰে। পিছত তেওঁৰ পৰামৰ্শ অনুযায়ী "কমিউনিষ্ট ইণ্টাৰনেশ্যনেল" এ ভাৰতত কমিউনিষ্ট পাৰ্টিৰ শাখা সংগঠন কৰিবলৈ সিদ্ধান্ত লয়। মানবেন্দ্ৰ ৰায়ে "ভেনগাৰ্ড" নামে এখন কাকত প্ৰকাশ কৰি ইউৰোপৰ পৰা ভাৰতলৈ পঠিয়াইছিল। এই কাকতখনে কমিউনিষ্ট মতবাদৰ দৰ্শন আৰু লক্ষ্য আদিৰ প্ৰচাৰ কৰিছিল। বোম্বাইৰ পৰা শ্ৰীডাঙ্গেই "ছচিয়েলিষ্ট" নামৰ এখন ইংৰাজী কাকত উলিয়ায় আৰু কলিকতাৰ পৰা শ্ৰীমুজাফৰ আহমদে "গণবাণী" নামেৰে এখন বঙালী সাপ্তাহিক কাকত উলিয়াই কমিউনিষ্ট মতবাদ প্ৰচাৰ কৰিছিল। মানবেন্দ্ৰ ৰায়ে ইউৰোপত থকা কেইজনমান ভাৰতীয়ক

কমিউনিষ্ট মতবাদত দীক্ষিত কৰাই ভাৰতৰ ৰেলৱে আৰু অন্যান্য শিল্পৰ মজদুৰ-সকলৰ মাজত প্ৰচাৰ কৰি সংগঠন কৰিবলৈ পঠিয়াই দিছিল। ইন্দোচীনৰ স্বনামধন্য নেতা ডঃ হো-চি-মিনেও পোন প্ৰথমে মানবেন্দ্ৰ ৰায়ৰ পৰাহে কমিউনিষ্ট মতবাদ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিছিল। সেই সময়ৰ ইংলণ্ডৰ কমিউনিষ্ট পাৰ্টিয়েও ভাৰতত কমিউনিষ্ট পাৰ্টি গঠন কৰাৰ বাবে আৰু শ্ৰমিক সংগঠনৰ বাবে ফিলিপ স্প্ৰেট, পীয়েৰছী গ্লাডিং আৰু জৰ্জ এলিছন আদিক পঠিয়াই দিছিল।

ভাৰতবৰ্ষত ১৯২৪ চনত কমিউনিষ্ট পাৰ্টি গঠন হৈছিল। কংগ্ৰেছৰ ভালেমান নেতৃস্থানীয় ব্যক্তি কংগ্ৰেছ প্ৰৱৰ্তিত অহিংসা নীতিত আস্থাহীন হৈ পৰিছিল; ৰুছ বিপ্লৱৰ সাফল্যই ভাৰতৰ স্বাধীনতাকামী এছাম লোকৰ মনত কমিউনিষ্ট মতবাদৰ মানবীয় সমানাধিকাৰৰ ভেটিত নতুন সমাজ গঢ়াৰ কল্পনা মুক্তি সংগ্ৰামৰ আদৰ্শৰ ভিতৰত ঠাই পায়। ৰুছিয়াৰ পদ্ধতিত সাম্যবাদী সমাজ ব্যৱস্থা গঠন কৰাৰ মত পোষণ কৰে। বহু উচ্চ শিক্ষিত আৰু অভিজ্ঞ ব্যক্তিৰ বাহিৰেও কৃষি, শিল্প, ব্যৱসায়, বাণিজ্যত লিপ্ত থকা শ্ৰমজীৱী লোক সকলেৰে গঠিত হয় এই সাম্যবাদী সংগঠন। এইদৰে ভাৰতৰ স্বাধীনতা আন্দোলনৰ সন্দৰ্ভত কমিউনিষ্ট মতবাদে দেশত প্ৰসাৰ লাভ কৰাৰ সুবিধা পায়।

ভাৰতৰ সাম্যবাদী দল সংবিধানসম্মত সমাজবাদত একান্ত বিশ্বাসী সংগঠন; কৃষক, শ্ৰমিকসকলৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰাটো এই দলৰ প্ৰধান লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছিল। জনসাধাৰণৰ অত্যাৱশ্যকীয় স্বাৰ্থসমূহক ৰক্ষণাবেক্ষণ দিয়া, জীৱন ধাৰণৰ মানদণ্ড উন্নতি, সামাজিক তথা অৰ্থ নৈতিক অসমতা দূৰীকৰণ ইয়াৰ অন্যতম লক্ষ্য হিচাপে ঘোষণা কৰিছিল।

কমিউনিষ্ট পাৰ্টিয়ে ভাৰতৰ মুক্তি অভিযানক সাফল্যমণ্ডিত কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। জনসাধাৰণৰ লগত ই স্থাপন কৰা ফালৰ পৰা বিবেচনা কৰিলে ভাৰতৰ সাম্যবাদী দলে কেইবছৰমানৰ ভিতৰতে দেশৰ দ্বিতীয় বৃহত্তম ৰাজনৈতিক দল হিচাপে পৰিগণিত হ'বলৈ সক্ষম হৈছিল। ভাৰতৰ উত্তৰ প্ৰদেশ, পঞ্জাব আৰু বঙ্গদেশত কৰ্মীসকলৰ প্ৰচেষ্টাত কমিউনিষ্ট মতবাদ বিয়পিবলৈ সুযোগ পায়। সাম্যবাদীদলৰ কৰ্মীসকলে ভাৰতৰ স্বাধীনতা বিচাৰিছিল বিপ্লৱৰ উপায়েৰে। বৃটিশ চৰকাৰে শ্ৰমিক সংগঠন মুঠেও পছন্দ কৰা নাছিল। যি সকলে শ্ৰমিক সংগঠন কৰি তেওঁলোকৰ দাবী অধিকাৰ আদি আদায় কৰিবলৈ ধৰ্মঘট কৰাৰ চেষ্টা কৰে সেই কৰ্মীসকলৰ ৰাজদ্ৰোহৰ অপৰাধত অপৰাধী হিচাপে

গণ্য কৰিবলৈও কুণ্ঠাবোধ কৰা নাছিল। ইংৰাজ চৰকাৰে সাম্যবাদীদলক বে-আইনী বুলি ঘোষণা কৰিছিল। এই বিলাক কাৰণত স্বাধীনতা আন্দোলনৰ সময়ত কমিউনিষ্ট পাৰ্টি বিশেষ আগবাঢ়িব পৰা নাছিল।

ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়ে যুদ্ধখনক সাম্ৰাজ্যবাদী যুদ্ধ বুলি ঘোষণা কৰি বৃটিশৰ সাম্ৰাজ্য বাদী যুদ্ধ প্ৰচেষ্টাৰ বিৰুদ্ধে আন্দোলন গঢ়ি তুলিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনাইছিল। সেই সময়ত জাৰ্মানী আৰু চোভিয়েট ৰুচিয়াৰ মাজত অনা-আক্ৰমণ চুক্তি বলবৎ আছিল। ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়ে চোভিয়েট ৰুচিয়াৰ পৰাহে শক্তি, অনুপ্ৰেৰণা লাভ কৰে ; নিজৰ দেশৰ পৰা নহয়। চোভিয়েট ৰুচিয়াৰ নিজা জাতীয় চিন্তাধাৰা আৰু স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি ৰচনা কৰা কৰ্ম-প্ৰণালীক ভাৰতীয় কমিউনিষ্ট পাৰ্টিয়ে মানি চলিছিল। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ তেতিয়া নিজা জাতীয় চিন্তাধাৰা আৰু কৰ্মপ্ৰণালী নাছিল। গতিকে যেতিয়ালৈকে চোভিয়েট ৰুচিয়াই জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰা নাছিল, তেতিয়ালৈকে ভাৰতৰ কমিউনিষ্ট পাৰ্টিয়ে সেই যুদ্ধখনক সাম্ৰাজ্যবাদী যুদ্ধ বুলি ঘোষণা কৰি যুদ্ধ প্ৰচেষ্টাৰ সকলো কাৰ্য্যৰ বিৰুদ্ধে সক্ৰিয় আন্দোলন সৃষ্টি কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছিল। কিন্তু চোভিয়েট ৰুচিয়াক জাৰ্মানীয়ে হঠাৎ আক্ৰমণ কৰাৰ পিছত যুদ্ধ বিৰোধী কমিউনিষ্ট পাৰ্টিয়ে নিশাটোৰ ভিতৰতে সাম্ৰাজ্যবাদী যুদ্ধখনক "জনযুদ্ধ" বুলি অভিহিত কৰি যুদ্ধ প্ৰচেষ্টাত সহায় কৰিবলৈ কঁকালত-টঙালি বান্ধি উঠি-পৰি লাগিছিল। ৰাজনৈতিক দল এটাৰ এনে অভাৱনীয় পৰিৱৰ্তনত দেশবাসীয়ে আচৰিত মানিছিল।

কমিউনিষ্ট পাৰ্টিয়ে ১৯৪২ চনৰ আগষ্ট বিপ্লৱক ঘোৰ বিৰোধীতা কৰিছিল। এই বিপ্লৱত সংশ্লিষ্ট জাতীয় নেতৃবৃন্দ আৰু কৰ্মীসকলৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল। কমিউনিষ্ট পাৰ্টিয়ে জাতীয় নেতাসকলক দেশদ্ৰোহী বুলি অভিহিত কৰিছিল। কিন্তু মুছলীম লীগৰ নেতাসকলক দেশহিতৈষী বুলি আখ্যা দিছিল। ১৯৪২ চনৰ জুলাই মাহত বৃটিশ সাম্ৰাজ্যবাদী চৰকাৰে কমিউনিষ্ট পাৰ্টিৰ ওপৰত থকা নিষেধাজ্ঞা উঠাই লৈছিল আৰু কমিউনিষ্ট পাৰ্টিক নানা সুযোগসুবিধা দিছিল। সেই সুযোগতে কমিউনিষ্ট পাৰ্টিয়ে কেইবাখনো বাতৰি কাকত উলিয়াইছিল। ইংৰাজী বাতৰি কাকত 'People's War' ( বা 'জনযুদ্ধ' ) উলিয়াই আগেয়ে ঘোষণা কৰা সাম্ৰাজ্যবাদী যুদ্ধখনক 'জনযুদ্ধ' বুলি অভিহিত কৰি বৃটিশ সাম্ৰাজ্যবাদ আৰু মিত্ৰশক্তিপুঞ্জৰ জয়গান গাইছিল। ১৯৪৩ চনৰ পৰাই সাম্যবাদী দলে

স্বাধীনভাৱে নিজৰ সংগঠন আৰু প্ৰচাৰ কাৰ্য্য চলাই আহিছে। এইদৰে, ভাৰতৰ স্বাধীনতা আন্দোলনৰ সময়ছোৱাত কমিউনিষ্ট দৰ্শন আৰু আদৰ্শই ভাৰতৰ যুব-ছাত্ৰ, শ্ৰমিক শ্ৰেণীৰ মাজত যথেষ্ট জনপ্ৰিয়তা অৰ্জন কৰিছিল আৰু সমগ্ৰ ভাৰতে যেন নতুন যুগৰ সঞ্চাৰ হৈছিল।

**ফৰৱাৰ্ড ব্লক :** ১৯৩৫ চনৰ আইনমতে যি প্ৰাদেশিক স্বায়ত্ব শাসন প্ৰতিষ্ঠা কৰা হৈছিল তাত কংগ্ৰেছে অসন্তুষ্টি প্ৰকাশ কৰি অংশ গ্ৰহণ কৰিলেও কেন্দ্ৰীয় শাসনত প্ৰবৰ্তন কৰা দায়িত্বশীল চৰকাৰৰ বিৰুদ্ধে বিৰোধীতা কৰি অংশগ্ৰহণ কৰা নাছিল। কংগ্ৰেছৰ প্ৰবীণ নেতা মহাত্মা গান্ধী, বল্লভভাই পেটেল আৰু ৰাজা গোপালাচাৰীয়ে তেতিয়াও বৃটিশ চৰকাৰৰ লগত আবেদন-নিবেদন আৰু আপোচ মীমাংসাৰ জৰিয়তে দাবী পূৰণৰ মনোভাৱ পৰিত্যাগ কৰা নাছিল। এনে কাৰ্য্য পন্থাত নেতাজী সুভাষচন্দ্ৰ বসুৰ নেতৃত্বত কংগ্ৰেছৰ তৰুণ নেতাসকল বিৰোধী হৈ পৰিছিল। নেতাজী সুভাষচন্দ্ৰ বসুৰ নেতৃত্বত তৰুণ নেতাসকলে পূৰ্ণ স্বাধীনতাৰ দাবী তুলি বৃটিশ চৰকাৰৰ বিপক্ষে আপোচহীন সংগ্ৰামৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। ইয়াৰ ফলতে কংগ্ৰেছৰ ভিতৰতে সোঁ-পন্থী আৰু বাওঁপন্থী দুটা দলৰ উদ্ভৱ হৈছিল। বাওঁপন্থী দলটোৰ নেতৃত্ব কৰি নেতাজী সুভাষচন্দ্ৰ বসুৱে অতি কম দিনৰ ভিতৰতে ভাৰতৰ জনসাধাৰণৰ মন জয় কৰিব পাৰিছিল। ১৯৩৯ চনৰ কংগ্ৰেছৰ বাৰ্ষিক অধিবেশনত সীতা ৰামায়াক পৰাজিত কৰি সুভাষ বসু কংগ্ৰেছৰ সভাপতি পদলৈ নিৰ্বাচিত হৈছিল। সভাপতি নিৰ্বাচিত হোৱাৰ পিছত আগৰে পৰা থকা মতবিৰোধভাব কংগ্ৰেছৰ প্ৰবীণ নেতাসকলৰ লগত প্ৰকট হৈ উঠে। সভাপতিৰূপে কংগ্ৰেছৰ কাৰ্য্য পৰিচালনা কৰাত নেতাজী সুভাষ বসুৰ মহাত্মা গান্ধীৰ লগত মতবিৰোধ ঘটে আৰু কংগ্ৰেছৰ সভাপতিৰ পদ ইস্তফা দিয়ে। কংগ্ৰেছৰ পৰা তিনি বছৰৰ কাৰণে বহিষ্কৃত হৈ সুভাষচন্দ্ৰই দেশৰ সকলো বামপন্থীদলসমূহক একত্ৰিত কৰি প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰ পৰিকল্পনাৰ বিৰুদ্ধে সক্ৰিয় আন্দোলন গঢ়ি তুলিবলৈ "ফৰৱাৰ্ড ব্লক" নামে এক নতুন ৰাজনৈতিক দল সৃষ্টি কৰি দেশত সাম্ৰাজ্যবাদ বিৰোধী বিপ্লৱৰ বহ্নি জ্বলাবলৈ প্ৰয়াস চলায়।

ফৰৱাৰ্ড ব্লকৰ আদৰ্শ হৈছে—ভাৰতৰ পূৰ্ণ স্বাধীনতা লাভ কৰা আৰু তাৰ পিছত এনে এক সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰা, যি সমাজত পাৰস্পৰিক বিদ্বেষৰ বীজ

নোহোৱা হ'ব, ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি সামাজিক সমস্যাৰ এক নতুন সমতাৰ সমাজ গঢ়ি তোলা হ'ব। কমিউনিষ্ট মতবাদৰ দৰে অৰ্থনৈতিক সমস্যাই মানৱ সমাজৰ একমাত্ৰ মুখ্য সমস্যা নহয়, অৰ্থনৈতিক সমস্যাৰ বাদেও দেশৰ পৰম্পৰা, সংস্কৃতি আৰু ঐতিহ্য আদিয়েও মানৱ সমাজৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে। গতিকে এইবোৰক ফৰৱাৰ্ড ব্লকে বাদ দি একমাত্ৰ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰতে গুৰুত্ব আৰোপ কৰি সমাজ ব্যৱস্থা গঢ়ি তুলিবলৈ ইচ্ছা নকৰে। অৱশ্যে ফৰৱাৰ্ড ব্লকে অৰ্থ নৈতিক ব্যৱস্থাৰ সমতাৰ নীতিক স্বীকাৰ কৰি দেশৰ ঐতিহ্য পৰম্পৰা আৰু সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি এক নতুন সমাজ গঢ়ি তোলাৰহে পক্ষপাতী। বিদেশৰ পৰা ধাৰ কৰা কোনো মতবাদৰ প্ৰতি ফৰৱাৰ্ড ব্লক আকৃষ্ট নহয়।

১৯৪০ চনৰ মাৰ্চ মাহত বিহাৰৰ ৰামগড়ত কংগ্ৰেছ অধিবেশনৰ ঠাইৰ অলপ দূৰতে ঠিক একে সময়তে নিখিল ভাৰত ফৰৱাৰ্ড ব্লকৰ প্ৰথম অধিবেশন অনুষ্ঠিত হয়। ৰামগড়ত এই দলৰ অধিবেশন পতাৰ উদ্দেশ্য আছিল—বৃটিশ চৰকাৰৰ যুদ্ধ-প্ৰচেষ্টাক সকলো প্ৰকাৰে বাধা দিয়া আৰু চৰকাৰৰ বিৰুদ্ধে সংগ্ৰাম পৰিচালনা কৰাৰ আঁচনি প্ৰণয়ন কৰা আৰু বাস্তৱ কৰ্মক্ষেত্ৰত অগ্ৰসৰ হোৱা। দেশৰ যুৱ-সম্প্ৰদায়ৰ অনেকৰেই আৰু বামপন্থীসকলৰো বহুতৰে অহিংস আৰু খদ্দৰ নীতিত বিশ্বাস নাছিল। তেওঁলোকে বিশ্বাস কৰিছিল সক্ৰিয় আন্দোলন। কেনেকৈ বৃটিশ চৰকাৰক বিব্ৰত কৰা যায় তাৰেই অনুসন্ধানৰ বাবে ফৰৱাৰ্ড ব্লকৰ অধিবেশনত বিশেষ আলোচনা হৈছিল আৰু দেশত আপোচ বিৰোধী মনোভাৱ সৃষ্টি কৰি, হিন্দু-মুছলমান সকলোৰে স্বাৰ্থ বজাই ৰাখি এক প্ৰবল সাম্ৰাজ্যবাদ বিৰোধী গণ-আন্দোলন গঢ়ি তোলাৰ সিদ্ধান্ত লোৱা হৈছিল। ফৰৱাৰ্ড ব্লকৰ এই অধিবেশনে দেশত যুদ্ধবিৰোধী মনোভাৱ সৃষ্টি কৰাত যথেষ্ট সহায় কৰিছিল।

দেশত তৰুণ সম্প্ৰদায়ে ফৰৱাৰ্ড ব্লকৰ কাৰ্য্যসূচীক সমৰ্থন জনায়। দেশৰ তৰুণ সমাজ সক্ৰিয় প্ৰতিৰোধেৰে কেনেকৈ চৰকাৰক বিব্ৰত কৰা যায় তাৰ বাবে উদ্বিগ্ন হৈছিল। জাতিৰ কলঙ্কস্বৰূপ "হলৱেল মনুমেণ্ট"ৰ ওপৰত সুভাষচন্দ্ৰৰ দৃষ্টি পৰে। কলিকতাৰ প্ৰকাশ্য ৰাজপথ ডালহাউছি স্কোৱাৰৰ ওপৰত প্ৰতিষ্ঠিত এক মিছা আৰু অসত্য অন্ধকূপ হত্যাৰ কাহিনী সৃষ্টি কৰি বৃটিশে স্থাপিত কৰা স্তম্ভটো জাতীয় কলঙ্কস্বৰূপ আছিল আৰু সুভাষচন্দ্ৰই সেই স্তম্ভটো ধ্বংস কৰাৰ উদ্দেশ্যে লগত অসংখ্য কৰ্মীক লৈ অগ্ৰসৰ হৈছিল। নেতাজীৰ কাৰ্য্যকলাপত বৃটিশ চৰকাৰ সজাগ হৈ উঠে

আৰু তেওঁক গ্ৰেপ্তাৰ কৰি নিজ গৃহত অন্তৰীণ কৰি ৰাখে। কিন্তু ১৯৪১ চনৰ জানুৱাৰী মাহত নেতাজী সুভাষ বসু গোপনে ভাৰতবৰ্ষৰ পৰা পলাই গৈ বাৰ্লিন পায়গৈ আৰু জাৰ্মানী আৰু জাপানৰ সহায় লাভ কৰি ভাৰতৰ পৰা বৃটিশ সাম্ৰাজ্য উচ্ছেদ কৰিবলৈ চিঙ্গাপুৰত 'আজাদ হিন্দ ফৌজ' নামেৰে এটা সৈন্যবাহিনী গঠন কৰে। নেতাজীয়ে এই ফৌজ লৈ ব্ৰহ্মদেশৰে আহি উত্তৰ-পূব ভাৰতৰ ইম্ফল, কহিমা আদি ঠাইত বৃটিশ সৈন্যবাহিনীৰ লগত যুঁজ কৰে।

সুভাষচন্দ্ৰ বসুৱে ফৰৱাৰ্ড ব্লক সংগঠন কৰিছিল—পৃথিবীজোৰা দ্বিতীয় মহাযুদ্ধৰ সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত সকলো প্ৰগতিবাদী বামপন্থী দলক একত্ৰিত কৰি দেশত সাম্ৰাজ্যবাদ বিৰোধী আৰু আপোচহীন ৰাজনৈতিক বাতাবৰণ সৃষ্টিৰ উদ্দেশ্যেই। তেওঁ বিশ্বাস কৰিছিল যে দ্বিতীয় বিশ্বযুদ্ধ হ'বই আৰু সেই যুঁজত ইংলণ্ড ভালদৰে জৰিত হ'ব। যদি সেই সময়ত ভাৰতৰ জনসাধাৰণৰ মাজত এক বৈপ্লৱিক ৰাজনৈতিক মনোভাৱ সৃষ্টি কৰিব পৰা যায়, তেনেহ'লে বৃটিশৰ সঙ্কটকালত ভাৰতে চূড়ান্ত আঘাত হানিব পাৰিলে নিশ্চয় ভাৰতৰ ৰাজনৈতিক উদ্দেশ্য সিদ্ধি হ'ব। এই বৈপ্লৱিক চিন্তাধাৰাই সুভাষ বসুক ভাৰতৰ স্বাধীনতাৰ বাবে অসাধ্য সাধনৰ প্ৰেৰণা যোগাইছিল।

১৯৪১ চনৰ মাৰ্চ মাহত বোম্বাই মহানগৰীত জাতীয় উদাৰপন্থী দলৰ ( National Liberal Federation ) এখন সভা হয়; আৰু সেই সভাত বৃটিশ চৰকাৰক এক নিৰ্দিষ্ট সময়ৰ ভিতৰত ভাৰতক "ডোমিনিয়ন ষ্টেটাছ" বা স্বায়ত্ত-শাসনাধিকাৰ দিবলৈ অনুৰোধ জনোৱা হয় আৰু অতি সোনকালে কেন্দ্ৰীয় শাসনৰ দায়িত্ব সম্পূৰ্ণৰূপে ভাৰতীয়ৰ ওপৰত ন্যস্ত কৰিব লাগে বুলিও জনোৱা হৈছিল। ইয়াৰ কিছু পিছত বৰলাট চাহাবে কেইজনমান ভাৰতীয় লোকক তেওঁৰ মন্ত্ৰীসভাত নিয়োগ কৰিছিল আৰু যুদ্ধসংক্ৰান্ত বিষয়ত উপদেশ আদি দিবলৈ এখন কাউন্সিলো গঠন কৰিছিল। কিন্তু নিৰ্দিষ্ট সময়ৰ ভিতৰত "ডোমিনিয়ন ষ্টেটাছ" আদি দিয়া কোনো কথাকেই বৃটিশ চৰকাৰে গ্ৰাহ্য নকৰিলে।

**কংগ্ৰেছ ছছিয়েলিষ্ট দল :** ১৯৩৪ চনত আচাৰ্য্য নৰেন্দ্ৰ দেৱৰ সভাপতিত্বত কংগ্ৰেছ কৰ্মীসকলৰ যি সকল ছছিয়েলিষ্ট ভাৱধাৰাত বিশ্বাসী, সেই সকলৰ এখন সভা হয়। সেই সভাত নেতৃত্ব দিছিল—জয়প্ৰকাশ নাৰায়ণ, অচ্যুত পাটোৱাৰ্দ্ধন, মিনু মাছানী, অশোক মেহতা, ইউচুফ মেহেৰ আলী, গোৰে আৰু অন্যান্য অনেকে। এই সভাতেই "কংগ্ৰেছ ছছিয়েলিষ্ট দল" গঠিত হয় আৰু জয়প্ৰকাশক সাধাৰণ

সম্পাদকৰ দায়িত্ব অৰ্পণ কৰা হয়। কংগ্ৰেছ ছছিয়েলিষ্ট দলৰ উদ্দেশ্য আছিল ভাৰতৰ পূৰ্ণ স্বাধীনতা লাভ কৰা আৰু স্বাধীন ভাৰতত সমাজবাদৰ ভিত্তিত এক নতুন সমাজ প্ৰবৰ্তন কৰা। এই দলৰ নেতাসকলে কংগ্ৰেছ নেতাসকলৰ শিথিল মনোভাৱেৰে লোৱা সিদ্ধান্তসমূহ ভাল পোৱা নাছিল। এওঁলোকৰ মতে স্বাধীনতা লাভ কৰিবলৈ হলে গান্ধীজীৰ আইন অমান্য আৰু অসহযোগ আন্দোলনতকৈ মাৰ্ক্সবাদী বিপ্লৱ এটা নিশ্চিত আৰু খৰতকীয়া উপায়।

ছছিয়েলিষ্ট দলে বৃটিশৰ দান—কাউঞ্চিল, এছেমব্লী আদিত প্ৰবেশ কৰাৰ বিৰোধী আছিল। ছছিয়েলিষ্ট দলে ঘোষণা কৰি কৈছিল যে ভাৰত বৃটিশ সাম্ৰাজ্যৰ বাহিৰত এক স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰ হ'ব লাগিব। এওঁলোকৰ মতে অৰ্থনৈতিক স্বাধীনতা অবিহনে ৰাজনৈতিক স্বাধীনতা অৰ্থহীন। সেইবাবে ৰাজনৈতিক স্বাধীনতা লাভ কৰাৰ পিছত অৰ্থনৈতিক স্বাধীনতাৰ বাবে ভাৰতে এক শোষণমুক্ত সমাজ প্ৰতিষ্ঠা কৰিবলৈ ছছিয়েলিষ্ট দলে সমাজতান্ত্ৰিক ব্যৱস্থা গ্ৰহণৰ ঘোষণা কৰিছিল। ছছিয়েলিষ্ট দলে ভাৰতীয় সমাজত চলি থকা অৰ্থনৈতিক সমস্যাৰ বিৰুদ্ধে স্পষ্ট মত প্ৰকাশ কৰি এক নতুন শোষণহীন সমাজ গঢ়াৰ পৰিকল্পনাৰ কথাও ঘোষণা কৰিছিল। ছছিয়েলিষ্ট দলে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে গণ-আন্দোলনত বিশ্বাস কৰিছিল আৰু ভাৰতত সাম্ৰাজ্যবাদৰ অন্ত নপৰালৈকে অবিৰত সংগ্ৰাম চলোৱাৰ সংকল্প গ্ৰহণ কৰিছিল।

কংগ্ৰেছ ছছিয়েলিষ্ট দলে ভাৰতৰ স্বাধীনতা সংগ্ৰামত আৰু স্বাধীন ভাৰতৰ এক নতুন শোষণহীন সমাজ গঢ়াৰ কাৰ্য্যত এক আৱেগিক প্ৰেৰণাৰ সৃষ্টি কৰিবলৈ চেষ্টা চলাইছিল। এই দলৰ আগশাৰীৰ নেতা জয়প্ৰকাশে কয় যে, "সমাজবাদৰ প্ৰধান লক্ষ্য হৈছে দৰিদ্ৰতা আৰু শোষণ ৰোধ কৰা। জনসাধাৰণৰ প্ৰথম কৰ্তব্য হৈছে দৈনন্দিন জীৱনত ভুগি থকা অত্যাচাৰৰ বিৰুদ্ধে যুঁজ কৰা।" ছছিয়েলিষ্ট দলে কমিউনিষ্ট মতবাদত বিশ্বাসী কৰ্মীসকলৰ সৈতে লগ লাগি যুক্ত-মৰ্চা গঠন কৰি দেশত সাম্ৰাজ্যবাদ বিৰোধী আন্দোলনক দ্ৰুততৰ কৰি তুলিবলৈ চেষ্টা চলাইছিল। অলপ সময়ৰ কাৰণে হ'লেও—মাৰ্ক্সবাদী কমিউনিষ্ট সকলৰ লগত কংগ্ৰেছ ছছিয়েলিষ্ট দলৰ 'যুক্ত-মৰ্চা' বা 'ইউনাইটেড ফ্ৰণ্ট' গঠন হৈছিল আৰু তাৰ ফলতেই শ্ৰীনাম্বুদ্ৰিপাদ, শ্ৰীএ, কে, গোপালন আদি কমিউনিষ্টে নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ সদস্য নিৰ্বাচিত হ'ব পাৰিছিল। কিন্তু ছছিয়েলিষ্ট কমিউনিষ্টৰ যুক্ত মৰ্চা বেছি দিন নাথাকিল।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনৰ সময়ত কংগ্রেছ ছচিয়েলিষ্ট সকলে কংগ্রেছ জাতীয়তাবাদী সকলক সকলো ফালৰ পৰা সহায়, সমৰ্থন আৰু সহযোগিতা আগবঢ়াইছিল। এই দলৰ সদস্যসকলে স্বাধীনতা আন্দোলনত জঁপিয়াই পৰে আৰু ইংৰাজ সাম্ৰাজ্যবাদক ঘোৰ বিৰোধীতা কৰিবলৈ ধৰে। সেইবাবে ইংৰাজ চৰকাৰে এই দলৰ নেতাসকলক বন্দী কৰি থয়। দ্বিতীয় মহাযুদ্ধৰ অৱসান হোৱাত ছচিয়েলিষ্ট দলৰ নেতাসকলক পুনৰ মুক্তি দিয়া হয়। এইদৰে কংগ্রেছ ছচিয়েলিষ্ট সকলে কংগ্রেছৰ ভিতৰত থাকিয়েই স্বাধীনতা আন্দোলনত অংশগ্রহণ কৰিছিল। মহাত্মা গান্ধীৰ মৃত্যুৰ পিছত তেওঁলোকে "ছচিয়েলিষ্ট পাৰ্টি" নামে এটা স্বাধীন ৰাজনৈতিক দল গঠন কৰে।

# স্বাধীনতা আন্দোলনৰ প্ৰতিষ্ঠাতাসকল

**মহাত্মা গান্ধী ঃ** ভাৰতৰ ৰাজনীতিত মহাত্মা গান্ধীৰ প্ৰত্যাবৰ্তন এক বিশেষ ঐতিহাসিক ঘটনা। মহাত্মা গান্ধীয়ে দক্ষিণ আফ্ৰিকাত এজন সমাজসেৱী হিচাপে সুখ্যাতি লাভ কৰিছিল। দক্ষিণ আফ্ৰিকাত থকা প্ৰবাসী ভাৰতীয় এজনৰ এটা মোকৰ্দমালৈ তেওঁ ১৮৯৩ চনত দক্ষিণ আফ্ৰিকাৰ বুৱৰসকলৰ দেশলৈ যায়। বুৱৰসকলৰ দেশ দক্ষিণ আফ্ৰিকাত থকা ভাৰতীয়সকলৰ দুৰ্দশাই গান্ধীজীক ব্যথিত কৰি তোলে আৰু তাৰ প্ৰতিকাৰৰ বাবে তেওঁ তাত থাকি নিজ আদৰ্শ অনুযায়ী কামত ব্ৰতী হয়। দক্ষিণ আফ্ৰিকাত প্ৰচলন কৰা বৰ্ণ-বৈষম্য নীতিৰ বিৰুদ্ধে অহিংসা আন্দোলন চলাই গান্ধীজী বিখ্যাত হৈ পৰিছিল। গান্ধীজীৰ দক্ষিণ আফ্ৰিকাৰ সত্যাগ্ৰহৰ সংগ্ৰাম আধুনিক পৃথিবীৰ মুক্তিকামী জনসাধাৰণৰ ইতিহাসৰ এক উল্লেখযোগ্য ইতিহাস।

১৯১৩ চনত চৈয়দ মহম্মদৰ সভাপতিত্বত কৰাচীত কংগ্ৰেছৰ ২৯তম অধিবেশন বহে। এই অধিবেশনত আফ্ৰিকাত থকা ভাৰতীয় লোকসকলৰ প্ৰতি ইংৰাজসকলৰ দুৰ্ব্যৱহাৰ আৰু অসৎ আচৰণৰ নিন্দা কৰা হয়। সেই সম্পৰ্কত গান্ধীজীয়ে অনুসৰণ কৰা কাৰ্য্যক কংগ্ৰেছে সমৰ্থন জনায়। সেই সময়ত ভাৰতীয়সকলে কংগ্ৰেছৰ নেতৃত্বত ইংৰাজৰ ওচৰত ভাৰতৰ কাৰণে স্বায়ত্ব শাসনৰ দাবী জনাই আছিল। এই আন্দোলনৰ এজন অন্যতম নেতা গোপালকৃষ্ণ গোখলেই মহাত্মা গান্ধীৰ সত্যাগ্ৰহ আন্দোলনৰ প্ৰতি আকৃষ্ট হৈ তেওঁক ভাৰতৰ ৰাজনীতিত প্ৰৱেশ কৰিবলৈ আমন্ত্ৰণ জনায়। ১৯১৪ চনৰ পৰা পৃথিবীব্যাপী মহাসমৰ আৰম্ভ হয়। এই যুঁজত ভাৰতৰ সকলো শ্ৰেণীৰ মানুহে জনবল আৰু অৰ্থবলেৰে ইংৰাজক সাধ্যানুযায়ী সহায় কৰি যুদ্ধত জয়লাভ কৰাৰ বাবে সক্ৰিয় অংশগ্ৰহণ কৰে। ভাৰতৰ জনসাধাৰণে সবল বিশ্বাসেৰে ভাবিছিল আৰু আশান্বিত হৈছিল যে যুদ্ধৰ অন্তত ভাৰতে স্বাধীনতা লাভ কৰিব। ১৯১৫ চনত গান্ধীজীয়ে দক্ষিণ আফ্ৰিকাৰ পৰা প্ৰত্যাবৰ্তন কৰি ভাৰতলৈ আহে। ৰবীন্দ্ৰনাথ ঠাকুৰে গান্ধীজীক "মহাত্মা" আখ্যাৰে সম্বৰ্ধনা জনায়। দক্ষিণ আফ্ৰিকাৰ পৰা উভতি আহি দেশৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি গান্ধীজীয়ে দেশৰ সমস্যা উপলব্ধি কৰিবলৈ চেষ্টা কৰে।

পোন প্ৰথমে, গান্ধীজীয়ে পৰীক্ষামূলকভাৱে বিহাৰৰ চম্পাৰণৰ "নীলকৰ" চাহাবসকলৰদ্বাৰা অত্যাচাৰিত হোৱা কৃষকসকলক লৈ সত্যাগ্ৰহ আন্দোলন চলোৱা স্থিৰ কৰে। কিন্তু আন্দোলন আৰম্ভ কৰাৰ আগেয়ে চৰকাৰে এখন তদন্ত কমিটি নিয়োগ কৰি গান্ধীজীকো সেই কমিটিৰ এক অন্যতম সদস্যৰূপে মনোনীত কৰাত সত্যাগ্ৰহ আন্দোলন আৰু কৰিবলগীয়া নহ'ল। তদন্ত কমিটিৰ সুপাৰিশমতে আইনৰ সংস্কাৰ হোৱাত নীল কৃষকসকলৰ ওপৰত চলা অত্যাচাৰ নিবাৰিত হয়। তাৰ পিছত গান্ধীজীয়ে গুজৰাটৰ কৈৰা জিলাত কৃষকসকলৰ খাজানা বৃদ্ধি কৰা দাবীত সত্যাগ্ৰহ আন্দোলন চলোৱাৰ থিৰ কৰে। কেইবাবছৰো ধৰি খেতি নোহোৱাৰ কাৰণে তাৰ খেতিয়কসকলে অনাহাৰত থাকিবলগীয়া হয় আৰু চৰকাৰৰ ওচৰত খাজানা ৰেহাই দিবলৈ আবেদন জনায়। চৰকাৰে খাজানা মাফ দিবলৈ অস্বীকাৰ কৰাত গান্ধীজীয়ে সেই দাবী লৈ সত্যাগ্ৰহ আন্দোলন চলায়। অনেক শাস্তি নিৰ্য্যাতন কৰিও চৰকাৰে খাজানা আদায় কৰিব নোৱাৰাত আপোচ কৰিবলৈ বাধ্য হয়। ইয়াৰ কিছুদিন পিছতেই আহমদাবাদত কাপোৰৰ কলৰ মালিকে তাৰ বনুৱাসকলৰ ন্যায্য দাবী অগ্ৰাহ্য কৰাত গান্ধীজীয়ে বনুৱাসকলৰ দাবী সমৰ্থন কৰে আৰু পোন প্ৰথমবাৰৰ বাবে ভাৰতত তেওঁৰ অনশন অস্ত্ৰ প্ৰয়োগ কৰে। কলৰ মালিকে বনুৱাৰ দাবী মানি লয়। সেই সময়তে গান্ধীজীৰ চেষ্টাত আহমদাবাদত "শ্ৰমিক সংঘ" প্ৰতিষ্ঠিত হয়।

১৮১৮ চনৰ ১৮ নবেম্বৰৰ দিনা ইউৰোপত যুদ্ধ বিৰতি ঘোষিত হয়। ভাৰতবাসীয়ে এইবাৰ ইংৰাজ শাসন ব্যৱস্থাৰ ভিতৰতে এক বিৰাট পৰিবৰ্তন আশা কৰিছিল। যুদ্ধকালীন দিনত ইংৰাজৰ প্ৰতিশ্ৰুতি অনুযায়ী স্বায়ত্ব শাসন লাভ কৰাৰ আশাত লক্ষাধিক ভাৰতবাসীয়ে বৃটিশ সাম্ৰাজ্য ৰক্ষাৰ্থে প্ৰাণ বিসৰ্জন দিছিল। কিন্তু যুদ্ধত জয়লাভ কৰাৰ পিছত ভাৰতবাসীয়ে পালে 'ৰাওলাট আইন'—যি আইনৰ সহায়ত বৃটিশ চৰকাৰে ভাৰতৰ বিপ্লৱী সকলে চলোৱা আন্দোলনক কঠোৰভাৱে দমন কৰিবলৈ চেষ্টা কৰে।

ৰাওলাট আইনৰ প্ৰতিবেদন প্ৰকাশ হোৱাৰ পিছত ভাৰতীয়সকলৰ ধৈৰ্য্যৰ সীমা পাৰ হ'ল। ইমান দিনে কংগ্ৰেছ আছিল শিক্ষিত, মধ্যবিত্ত শ্ৰেণীৰ মাজতেই আবদ্ধ। ইংৰাজৰ স্বেচ্ছাচাৰিতাৰ ফলত কংগ্ৰেছে এইবাৰ সমগ্ৰ ভাৰতবাসীৰ প্ৰতিধ্বনি হিচাপে প্ৰত্যক্ষ সংগ্ৰামৰ বাবে প্ৰস্তুত হয়। গান্ধীজীয়ে

উপলব্ধি কৰিছিল যে দেশৰ জনসাধাৰণক জাতীয় চেতনাত উদ্বুদ্ধ কৰিব নোৱাৰিলে জাতিয়ে মুক্তি লাভ কৰিব নোৱাৰে। সমাজৰ কেৱল মুষ্টিমেয় শিক্ষিতৰ আলোচনা সভাত ৰাজনৈতিক চেতনা সীমিত থাকিলে জাতীয় স্বাধীনতা আহিব নোৱাৰে। গতিকে গান্ধীজীয়ে জনসাধাৰণক লৈ পৰীক্ষা আৰম্ভ কৰিলে। গণ সংযোগৰ দ্বাৰা গণ-আন্দোলন সৃষ্টি কৰিব নোৱাৰিলে বিপ্লৱে কেতিয়াও সাফল্য লাভ কৰিব নোৱাৰে। গান্ধীজীয়ে ঘোষণা কৰিছিল —"ৰাওলাট আইন" ভাৰতবাসীৰ ন্যায় সঙ্গত অধিকাৰ আৰু জন্মগত স্বাভাৱিক স্বাধীনতাৰ পৰিপন্থী। গতিকে যেতিয়ালৈ এক অসঙ্গত আৰু অপমানজনক আইন প্ৰত্যাহিত নহ'ব—সিমান দিনলৈ আমি ভাৰতবাসীয়ে ঐক্যবদ্ধভাৱে এই আইনক স্বীকাৰ নকৰিম ; বৰং আমি শান্তিপূৰ্ণভাৱে এই আইনৰ প্ৰয়োগত বাধা প্ৰদান কৰিম।" গান্ধীজীৰ এই ঘোষণাক সমগ্ৰ ভাৰতবাসীয়ে শ্ৰদ্ধাৰে গ্ৰহণ কৰে আৰু জাতীয় সংগ্ৰামৰ পথলৈ দ্ৰুত পদক্ষেপেৰে যাত্ৰা আৰম্ভ কৰে। এয়ে গান্ধীজীৰ সত্যাগ্ৰহ আন্দোলনৰ প্ৰথম আবেদন।

এইদৰে গান্ধীজীয়ে সত্যাগ্ৰহ মন্ত্ৰৰে পৰিচালিত হোৱা জাতীয় মুক্তি আন্দোলনৰ নেতৃত্ব গ্ৰহণ কৰে আৰু লগে লগে ভাৰতবৰ্ষত প্ৰত্যক্ষ সংগ্ৰামৰ সূচনা কৰে। ১৯১৯ চনৰ ৬ এপ্ৰিল তাৰিখে ভাৰতৰ সকলো ঠাইত 'হৰতাল' পালন কৰিবলৈ গান্ধীজীয়ে আহ্বান জনায়। গান্ধীজীৰ নিৰ্দেশ আছিল সেইদিনা যেন ৰাইজে উপবাসে থাকে আৰু দোকান-পোহাৰ আদি বন্ধ ৰাখে। ৩০ মাৰ্চৰ দিনাও পঞ্জাবৰ কোনো কোনো ঠাইত হৰতাল পালন কৰা হয়। সত্যাগ্ৰহৰ বাবে ৰাইজৰ সংযম আৰু প্ৰকৃত শিক্ষাৰ প্ৰয়োজন। কিন্তু তেতিয়া ৰাইজে সেই সংযম বা শিক্ষা পোৱা নাছিল। দিল্লীত হৰতালৰ দিনা পুলিচৰ লগত সংঘৰ্ষ হোৱাত পুলিচৰ গুলীত আঠজন লোক নিহত আৰু অনেক আহত হয়। সেই হৰতালে পোন প্ৰথমবাৰৰ কাৰণে ভাৰতবৰ্ষত ইংৰাজৰ মাজত এক বিশিষ্ট উন্মাদনাৰ সৃষ্টি কৰিবলৈ সক্ষম হয়। যানবাহন চলাচল বন্ধ হয়। স্কুল, কলেজ অচল হয় আৰু কাৰখানা আদিৰ শ্ৰমিকসকলে এই হৰতালত অংশগ্ৰহণ কৰি হৰতালক সাফল্যমণ্ডিত কৰে। সেইদিনা এই কথা স্পষ্টভাৱে প্ৰমাণিত হয় যে জাগ্ৰত জনতাৰ দ্বাৰাহে বিপ্লৱ সম্ভৱ আৰু ভাৰতৰ সাধাৰণ ৰাইজক ৰাজনৈতিক কামত নিযুক্ত কৰা সম্ভৱ।

সেইবাবে, ১৯২০ চনৰ চেপ্তেম্বৰ মাহত লালা লাজপৎ ৰায়ৰ সভাপতিত্বত

কলিকতা মহানগৰীত বহা ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ এক বিশেষ অধিবেশনত মহাত্মা গান্ধীয়ে কংগ্ৰেছৰ গতিধাৰাৰ আমূল পৰিবৰ্তন সূচনা কৰে। অধিবেশনত গান্ধীজীয়ে চৰকাৰৰ লগত দেশৰ জনসাধাৰণৰ অসহযোগ আন্দোলনৰ প্ৰস্তাৱ উত্থাপন কৰে। মহাত্মাজীৰ এই প্ৰস্তাৱ বিপুল ভোটাধিক্যত গৃহীত হয়। ৰাওলাট আইন, জালিয়ানবালাবাগৰ হত্যাকাণ্ড আদি ঘটনাই গান্ধীজীৰ মনত গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে। গান্ধীজীয়ে উত্থাপন কৰা 'অসহযোগ' প্ৰস্তাৱৰ অৰ্থ হৈছিল আৰোপিত শাসন ব্যৱস্থাৰ লগত সৰ্বতোপ্ৰকাৰে অসহযোগ কৰা। এই মহান নেতাগৰাকীৰ আহ্বানত ভাৰতবাসীয়ে অসহযোগৰ মন্ত্ৰত দীক্ষা লাভ কৰে। গান্ধীজীৰ নেতৃত্বত সকলো ভাৰতীয় লোককে ইংৰাজে দিয়া উপাধি প্ৰত্যাখ্যান কৰিবলৈ, অবৈতনিক পদ ত্যাগ কৰিবলৈ, মনোনীত সদস্য পদ ত্যাগ কৰিবলৈ, পৃষ্ঠপোষকতাৰে অনুষ্ঠিত কৰা সভা-সমিতিত অংশগ্ৰহণ কৰাৰ পৰা বিৰত থাকিবলৈ, চৰকাৰী শিক্ষানুষ্ঠানত পঢ়াৰ পৰা বিৰত থাকিবলৈ, উকীল আৰু বিবাদীসকলক আদালত বৰ্জন কৰিবলৈ আৰু ইংৰাজৰ বস্তু বৰ্জন কৰিবলৈ আহ্বান জনোৱা হৈছিল।

১৯২১ চনৰ এই জাতীয় আন্দোলনে মহাত্মা গান্ধীৰ নেতৃত্বত সমগ্ৰ দেশতে গণ চেতনা জাগ্ৰত কৰাত বহু পৰিমাণে সাফল্য লাভ কৰিলে। মহাত্মা গান্ধীয়ে তেওঁক দিয়া "কেশৰী-ই-হিন্দ" উপাধি প্ৰত্যাখ্যান কৰিলে। তেওঁক অনুকৰণ কৰি আন কিছুমান ভাৰতীয় লোকেও চৰকাৰী উপাধি প্ৰত্যাখ্যান কৰে। বিভিন্ন লোকে ওকালতি ব্যৱসায় ত্যাগ কৰি আন্দোলনত জঁপিয়াই পৰে। অনেক ছাত্ৰই চৰকাৰী স্কুল-কলেজত পঢ়াশুনা কৰিবলৈ বাদ দিয়ে। মহাত্মাজীৰ আদৰ্শমতে ঠায়ে ঠায়ে নতুন জাতীয় শিক্ষানুষ্ঠান প্ৰতিষ্ঠা কৰা হ'ল। মহাত্মা গান্ধীৰ নিৰ্দেশমতে অসহযোগী কৰ্মীসকলে দেশৰ অৰ্থনৈতিক উন্নতিৰ বাবে 'চৰখা আন্দোলন', নৈতিক উন্নতিৰ বাবে মাদকদ্ৰব্য বৰ্জন আদি কামত যথেষ্ট সফলতা লাভ কৰিছিল। চৰকাৰৰ আয়-ব্যয়ৰ পৰিমাণ বহু পৰিমাণে হ্ৰাস পাইছিল। মহাত্মাজীৰ অহিংসা নীতিত চলোৱা এই অসহযোগ আন্দোলনৰ কৰ্মীসকলে কোনো ঠাইত শৃঙ্খলা ভঙ্গ কৰা নাছিল। এই আন্দোলনক মহাত্মা গান্ধীয়ে এটা গণ-আন্দোলনলৈ ৰূপান্তৰিত কৰিব পাৰিছিল। ভাৰতৰ অভিজাত শ্ৰেণী, ধনিক-বণিক সম্প্ৰদায়, উচ্চ আৰু নিম্ন, মধ্যবিত্ত আৰু দুখীয়া লোকো এই সংগ্ৰামত জঁপিয়াই পৰিছিল, তাৰ ফলত সমগ্ৰ ভাৰতবৰ্ষত স্বাধীনতাৰ হকে গণ চেতনা বৃদ্ধি পাইছিল।

গান্ধীজীৰ পৰিচালনাত হোৱা অসহযোগ আন্দোলনে তীব্ৰ গতি ধাৰণ কৰাত চৰকাৰে এই আন্দোলনক কঠোৰভাৱে দমন কৰাৰ ব্যৱস্থা লয়। চৰকাৰে এনে কঠোৰ ব্যৱস্থা গ্ৰহণ নকৰিলে আইন অমান্য আন্দোলন আৰম্ভ কৰিম বুলি গান্ধীজীয়ে ভাবুকি দিছিল। কিন্তু চৌৰিচৌৰাত হোৱা হিংসাত্মক ঘটনাই গান্ধীজীৰ মনলৈ পৰিবৰ্তন আনে। নেতৃস্থানীয় প্ৰায়বোৰ লোকেই কাৰাগাৰত আবদ্ধ থকাত উত্তেজিত জনতাই হিংসাত্মক কাৰ্য্য সংঘটিত কৰিব পাৰে বুলি অনুমান কৰি গান্ধীজীয়ে আন্দোলন বন্ধ কৰাৰ নিৰ্দেশ দিয়ে। আন্দোলন বন্ধ কৰাৰ সময়তে গান্ধীজীক আটক কৰা হয় আৰু বিচাৰত দোষী সাব্যস্ত কৰি ছয় বছৰৰ কাৰাবাসৰ হুকুম দিয়া হয়। কিন্তু কঠিন পীড়াত আক্ৰান্ত হোৱাত তেওঁক দুবছৰ পূৰ হওঁতে বিনাচৰ্তে বৃটিশ চৰকাৰে মুক্তি দিয়ে ১৯২৪ চনৰ ৫ ফেব্ৰুৱাৰীৰ দিনা।

মহাত্মা গান্ধী জেলৰ পৰা মুক্তি লাভ কৰাৰ পিছতেই সাম্ৰাজ্যবাদী নীতিৰ ফলতেই দেশৰ ভালেমান ৰাজ্যত সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি হয়। মহাত্মা গান্ধীয়ে হিন্দু-মুছলমানৰ সম্প্ৰীতি স্থাপনৰ প্ৰাৰ্থনাৰে একৈশদিনীয়া অনশন আৰম্ভ কৰে। গান্ধীজীৰ অনশনে হিন্দু-মুছলমান সমাজত হিংসাত্মক মনোভাৱৰ বহু পৰিবৰ্তন আনিব পাৰিছিল।

ভাৰতৰ ভৱিষ্যত ৰাজনৈতিক ভাগ্য নিৰ্ধাৰণ কৰিবলৈ বৃটিশ চৰকাৰে ১৯২৭ চনৰ ৮ নবেম্বৰৰ দিনা ছাৰ জন চাইমনৰ নেতৃত্বত এখন কমিছন গঠন কৰে। কিন্তু যিহেতু ইয়াত এজনো ভাৰতীয় সদস্য নাই গতিকে মহাত্মা গান্ধীয়ে সেই কমিছন বৰ্জন কৰিবলৈ সিদ্ধান্ত লয়। ছাইমন কমিছন সম্বন্ধে গান্ধীজীৰ অভিমততেই কংগ্ৰেছ আৰু দেশৰ জনসাধাৰণৰ মত সুস্থভাৱে প্ৰকাশ হৈছিল।

ছাইমন কমিছনৰ পৰামৰ্শাৱলীয়ে ভাৰতবাসীক সন্তুষ্ট কৰিব পৰা নাছিল। বিশেষকৈ গৱৰ্ণৰসকলক দিয়া বিশেষ ক্ষমতা আৰু কেন্দ্ৰত দায়িত্বশীল চৰকাৰ গঠনৰ বিৰোধীতা—এই দুটা প্ৰশ্নই ভাৰতবাসীৰ মাজত অসন্তুষ্টিৰ মাত্ৰা বঢ়াইছিল। সেয়েহে ১৯৩০ চনৰ মাৰ্চ মাহৰ ১২ তাৰিখে গান্ধীজীয়ে লোণ আইন অমান্য কৰাৰ উদ্দেশ্যে দাণ্ডি যাত্ৰা আৰম্ভ কৰে। ল'ৰা, বুঢ়া, পুৰুষ, মহিলা সকলো শ্ৰেণীৰ লোকেই এই আন্দোলনৰ প্ৰতি সহযোগিতা আগবঢ়াইছিল; যি ঠাইত লোন আইন ভঙ্গ কৰাৰ সুবিধা নাছিল তাত মহাত্মা গান্ধীৰ পৰামৰ্শ-ক্ৰমে আন আন আইন অমান্য কৰা হৈছিল। গান্ধীজীয়ে ৬ এপ্ৰিলৰ পৰা

১৩ এপ্ৰিললৈ সপ্তাহটোক জাতীয় সপ্তাহ বুলি ঘোষণা কৰিছিল আৰু সাম্ৰাজ্য-বাদীৰ আইন ভঙ্গ কৰি সত্যাগ্ৰহ আন্দোলনত যোগদান কৰিবলৈ ভাৰতীয় ৰাইজক আহ্বান জনাইছিল। মহাত্মাৰ সেই আহ্বানৰ ফলত দেশত বিজুলি সঞ্চাৰে আইন অমান্য আন্দোলন বিয়পি পৰে। ভাৰতৰ আকাশে বতাহে ধ্বনি হবলৈ ধৰিলে, "মহাত্মা গান্ধী কি জয়", "ভাৰত মাতা কি জয়" ইত্যাদি। শেষত ১৯৩১ চনৰ ৫ মাৰ্চ তাৰিখৰ 'গান্ধী-আৰউইন্' চুক্তি মতে এই আন্দোলন বন্ধ কৰিবলৈ গান্ধীজী সন্মত হয়।

কংগ্ৰেছৰ প্ৰস্তাৱ অনুযায়ী কংগ্ৰেছ মহাসভাই সৰ্বসন্মতিক্ৰমে মহাত্মা গান্ধীক একমাত্ৰ প্ৰতিনিধি মনোনীত কৰি দ্বিতীয় "ৰাউণ্ড টেবুল কনফাৰেন্স" বৈঠকত কংগ্ৰেছৰ হকে যোগদান কৰি ভাৰতৰ পূৰ্ণ স্বাধীনতাৰ ভেটিত যি কোনো সিদ্ধান্ত লবলৈ কৰ্তৃত্ব দিছিল। কিন্তু এই সভাত মনোনীত কৰা সংখ্যালঘু সম্প্ৰদায়ৰ সদস্যসকলে ভাৰতৰ জাতীয় স্বাধীনতাৰ দাবীক সম্পূৰ্ণৰূপে উপেক্ষা কৰি তেওঁলোকৰ সম্প্ৰদায়ৰ স্বাৰ্থৰক্ষাৰ বাবেহে চুক্তি কৰিছিল। সেইবাবে গান্ধীজীয়ে এই বৈঠক ত্যাগ কৰি স্বদেশলৈ উভতি আহে। গান্ধীজীয়ে ভাৰতলৈ আহি জানিব পাৰিলে যে ইতিমধ্যে চৰকাৰে গান্ধী-আৰ্উইন্ চুক্তি লঙ্ঘন কৰি দমন-নীতি প্ৰবৰ্তন কৰিছে। ১৯৩১ চনৰ ৩১ ডিচেম্বৰৰ মাজনিশা কংগ্ৰেছ সভাই পুনৰ আইন অমান্য আন্দোলন আৰম্ভ কৰিবলৈ সমগ্ৰ জাতিক নিৰ্দেশ দিয়ে আৰু তাৰ দায়িত্ব গান্ধীজীৰ ওপৰত ন্যস্ত কৰে। ১৯৩২ চনৰ ৩ জানুৱাৰীৰ দিনা গান্ধীজীয়ে ভাৰতৰ বৰলাট চাহাবলৈ এক চৰমপত্ৰ পঠায় আৰু তাৰ পিছদিনাই তেওঁক গ্ৰেপ্তাৰ কৰি জেলত বন্দী কৰি ৰখা হয়। গান্ধীজীৰ অনুপস্থিতিত আইন অমান্য আন্দোলন হিংসাৰ পথেৰে আগবাঢ়িব ধৰিলে। চৰকাৰেও যি দমনমূলক নীতি প্ৰয়োগ কৰিছিল তাৰ বিৰুদ্ধে তেওঁ জেলৰ ভিতৰতেই অনশন আৰম্ভ কৰিলে। শেষত, পুণা চুক্তি অনুসৰি ১৯৩৪ চনত এই আন্দোলন বন্ধ কৰা হয়।

দ্বিতীয় মহাযুদ্ধৰ সময়ত ধন, জন আদি কোনো প্ৰকাৰে বৃটিশ চৰকাৰক সাহায্য নকৰাৰ উদ্দেশ্যেই মহাত্মাই ব্যক্তিগত আইন অমান্য আন্দোলন কৰিবলৈ নিৰ্দেশ দিয়ে। ১৯৪০ চনৰ ১৭ অক্টোবৰৰ দিনা ব্যক্তিগত সত্যাগ্ৰহ আন্দোলন আৰম্ভ হোৱাৰ ৪ দিন পাছতে নেতৃবৃন্দয়ো গ্ৰেপ্তাৰ হয়। ১৯৪২ চনত বোম্বাইত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে মহাত্মা গান্ধীৰ নেতৃত্বত ঐতিহাসিক 'ভাৰত

ত্যাগ' প্ৰস্তাৱ গ্ৰহণ কৰে। ইয়াৰ লগে লগে গান্ধীজীকে ধৰি আটাইবিলাক নেতাক গ্ৰেপ্তাৰ কৰা হয়। লগে লগে দেশত হিংসাত্মক কাৰ্য্যই দেখা দিয়ে। গান্ধীজীয়ে এনে কাৰ্য্য সমৰ্থন কৰা নাছিল আৰু ইয়াৰ বিৰুদ্ধে জেলৰ ভিতৰতে অনশন আৰম্ভ কৰিছিল।

মুছলীম লীগে মঃ জিন্নাৰ নেতৃত্বত স্বকীয়া ৰাজ্যৰ দাবী তোলাৰ পৰিপ্ৰেক্ষিতত গান্ধীজীয়ে জিন্নাৰ লগত দুবাৰো আলোচনা কৰে। মহাত্মা গান্ধীয়ে ভাৰত বিভাজনৰ প্ৰস্তাৱতো কোনো দিনেই সন্মতি দিয়া নাছিল।

মহাত্মা গান্ধী স্বাধীন ভাৰতৰ অন্যতম প্ৰতিষ্ঠাতা বুলি পৰিগণিত। ১৮৫৭ চনৰ চিপাহী বিদ্ৰোহৰ পৰাজয়ে নিৰস্ত্ৰ ভাৰতীয় জনসাধাৰণক হতাশ কৰিলে; তাতে আকৌ এখন কঠোৰ অস্ত্ৰ-শস্ত্ৰ সম্পৰ্কীয় আইন প্ৰৱৰ্তন কৰাত তেওঁলোক নিঃসহায় অৱস্থাত পৰিছিল। গান্ধীজীয়ে নেতৃত্বৰ ভাৰ গ্ৰহণ কৰাৰ লগে লগে ভাৰতীয় জনসাধাৰণেও ঘটনাৱলীৰ মেৰপাকৰ পৰা নিষ্কৃতি লাভ কৰিলে। ভাৰতীয় ৰাজনীতিত তেওঁ অভিনৱ কৌশলৰ অৱতাৰণা কৰি নতুন প্ৰাণৰ সঞ্চাৰ কৰিলে। মানুহৰ অধিকাৰ লাভৰ সংগ্ৰামৰ অপৰাধত তেওঁ সোতৰবাৰ গ্ৰেপ্তাৰ হ'ল আৰু আঠবাৰ কাৰাৰুদ্ধ হ'ল। এই মহাপুৰুষে ওঠৰবাৰ সত্যাগ্ৰহীৰূপে গণসংগ্ৰাম কৰিলে আৰু যি জনৰ জীৱন আত্মশুদ্ধি আৰু আত্মেন্দ্ৰিয় জয়ৰ এক সুদীৰ্ঘ আৰু ব্ৰতময় সত্যাগ্ৰহ, যি মহাপুৰুষে এটা মৃতপ্ৰায় জাতিৰ প্ৰাণ প্ৰতিষ্ঠা কৰিলে, স্বৰাজৰ পতাকা দিলে আৰু প্ৰদৰ্শন কৰিলে স্বৰাজৰ পথ, সত্যই যাৰ ঈশ্বৰ, যি অহিংসামন্ত্ৰৰ দ্বাৰা ৪০ কোটি নৰ-নাৰীৰ স্বাধীনতা অৰ্জন কৰিলে সেইজনেই আছিল মহামানৱ মহাত্মা গান্ধী। কেৱল নিজৰ দেশতেই যে স্বাধীনতা আন্দোলনৰ প্ৰধান আহিলা হৈছিল এনে নহয়। তেওঁৰ আন্দোলনে পৃথিবীৰ বিবেকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। বিশ্ববিখ্যাত মনিষী ৰোমা ৰোলাঁই গান্ধীজীৰ অহিংসা নীতি আৰু সত্যান্বেষণৰ প্ৰতি আকৃষ্ট হৈ ফৰাচী আৰু জাৰ্মান ভাষাত প্ৰবন্ধাদি লিখি ভাৰতীয় সমস্যাক পাশ্চাত্য জগতৰ আগত দাঙি ধৰিছিল। আমেৰিকাৰ প্ৰেছিডেণ্ট আৰু অনেক খৃষ্টান মিছনেৰীয়েও ভাৰতীয় সমস্যাৰ এটা মীমাংসাত উপনীত হোৱাৰ বাবে মহাত্মা গান্ধীৰ লগত আলোচনা চলাবলৈ অনুৰোধ জনাই ইংলণ্ডৰ প্ৰধানমন্ত্ৰী মিঃ মেকডোনাল্ডলৈ আবেদনপত্ৰ পঠিয়াইছিল। মহাত্মা গান্ধীৰ নেতৃত্বই ইংলণ্ডৰ পাৰ্লামেণ্টৰ শ্ৰমিক দলৰ মন স্পৰ্শ কৰিব পাৰিছিল।

**লোকমান্য তিলক ঃ** ভাৰতৰ মুক্তি সংগ্ৰামৰ আন এজন উল্লেখযোগ্য নায়ক আছিল মহাৰাষ্ট্ৰৰ লোকমান্য বালগঙ্গাধৰ তিলক। তেওঁ স্বদেশ, স্বজাতি আৰু ভাৰতীয় সংস্কৃতিৰ একান্ত পূজাৰী, স্বাধীনতাৰ আপোচবিহীন যোদ্ধা, বৃটিচ সাম্ৰাজ্যবাদৰ আজন্ম শত্ৰু, বিদগ্ধ পণ্ডিত আৰু অপূৰ্ব শক্তিধৰ লোকমান্য তিলক আছিল ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ জনক, বিদ্ৰোহৰ ধাৰক আৰু চিন্তা জগতৰ পথ প্ৰদৰ্শক। মাৰাঠাসকলে স্বজাত্যবোধৰ গৌৰৱত দীপ্তিমান। পৰাধীনতাৰ নানা আঘাততো মাৰাঠাসকলে দাস-মনোভাৱ গ্ৰহণ কৰা নাই। তেনে পৰিস্থিতিত মহাৰাষ্ট্ৰৰ জাতীয় জীৱনত লোকমান্য তিলকৰ আৱিৰ্ভাৱ হয়। এনেহেন মহান পুৰুষৰ নেতৃত্ব পাই মহাৰাষ্ট্ৰই পালে প্ৰাণ আৰু পালে পথ। তেওঁৰ লিখনিৰ মাধ্যমত মহাৰাষ্ট্ৰৰ বুদ্ধিজীৱী সম্প্ৰদায়ে দুঃসাহসী চিন্তা-ৰাজ্যত বিচৰণ কৰাৰ আহ্বান শুনিবলৈ পালে।

তিলকে 'কেশৰী' নামৰ কাকতত দেশৰ দুখ-দৈন্য প্ৰতিকাৰৰ উদ্দেশ্যে মানুহ সৃষ্টিৰ বাণী প্ৰচাৰিত হ'বলৈ ধৰে আৰু সৰ্বভাৰতীয় বিপ্লৱৰ বাণীয়েই পাইছিল তাত ঠাই। সেয়েহে মহাৰাষ্ট্ৰৰ তৰুণ সম্প্ৰদায়ক যথেষ্ট আকৰ্ষিত কৰিব পাৰিছিল। লোকমান্য তিলকে প্ৰৱৰ্তন কৰে 'সাৰ্বজনীন গণপতি পূজা' আৰু 'শিবাজী উৎসৱ'। এই উৎসৱৰ মাধ্যমেৰেই গৰ্ণ দেৱতাৰ পূজা আৰম্ভ হয় আৰু শৌৰ্য-বীৰ্যৰ চৰ্চা চলে। এই উৎসৱ অনুষ্ঠানৰ জৰিয়তে জাতিভেদত বিভক্ত হিন্দু সমাজৰ মিলনৰ বাণীও প্ৰচাৰিত হয়। লগতে এইটোও প্ৰচাৰিত হৈছিল যে হিন্দু সমাজৰ মিলনৰ বাদে ইংৰাজ বিতৰণ সম্ভৱপৰ নহয়।

১৮৯৬ চনত বোম্বাইত প্লেগ মহামাৰী ব্যাধিৰ প্ৰকোপত অসংখ্য লোকৰ মৃত্যু হয়। প্লেগ ৰোগৰ ব্যাপকতা পুণা নগৰলৈ সম্প্ৰসাৰিত হয়। প্লেগ বেমাৰ দমন কৰাৰ বাবে প্লেগ বিষয়া আৰু বৃটিশ সৈন্য কিছুমানকো নিয়োগ কৰা হৈছিল। কিন্তু এই প্লেগ বিষয়া আৰু বৃটিশ সৈন্যসকলে প্লেগ দমনৰ নামত ৰাইজৰ ওপৰত অত্যাচাৰহে চলাইছিল। ৰাইজে সেই অত্যাচাৰত অতীষ্ঠ হৈ জুনৰ ২২ তাৰিখে পুণাত দুজন ইংৰাজ প্লেগ বিষয়াক আলিবাটৰ ওপৰতে গুলীয়াই হত্যা কৰে। এই হত্যাকাণ্ডত পৰোক্ষভাৱে তিলকক দায়ী বুলি অনুমান কৰে। তিলকে 'কেশৰী' নামৰ কাকতত বোমা নিক্ষেপ সংক্ৰান্তত লিখিছিল—"বোমা নিক্ষেপ নিতান্তই গৰ্হিত কাম ; কিন্তু চৰকাৰৰ দমননীতি আৰু অন্যান্য কঠোৰ ব্যৱস্থাৰেই ই অৱশ্যম্ভাৱী ফল। দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ বাবে যদি চৰকাৰে কঠোৰ

দমন নীতিৰ ব্যৱস্থা কৰে, তেন্তে তাৰ ফলত দেশত বিদ্ৰোহ বিস্তাৰৰ সম্ভাৱনাই অধিক হ'ব।" কিন্তু বোম্বাই চৰকাৰে তিলকৰ প্ৰবন্ধবোৰ পঢ়ি তিলকে বোমা ব্যৱহাৰক সমৰ্থন কৰা বুলি ধৰি লৈ তেওঁক গ্ৰেপ্তাৰ কৰে আৰু তেওঁৰ বিৰুদ্ধে মোকৰ্দমা তৰে। বিচাৰত তেওঁৰ ১৮ মাহ কাৰাদণ্ড হয়। তিলকৰ বিচাৰত ৯ জন জুৰী আছিল আৰু তাৰে মাত্ৰ তিনিজনহে ভাৰতীয়। ভাৰতীয় তিনিজন জুৰীয়ে তিলকক নিৰ্দোষী বুলি ৰায় দিছিল। কিন্তু ছজন ইংৰাজ জুৰীয়ে তিলকক দোষী সাব্যস্ত কৰে। বিলাতৰ প্ৰিভি কাউন্সিলত আপীল কৰা সত্ত্বেও এই হুকুম বদ নহ'ল। তিলকৰ গ্ৰেপ্তাৰ আৰু কাৰাদণ্ডত অকল বোম্বাই প্ৰদেশত অসন্তোষ সীমাবদ্ধ নাথাকি ভাৰতৰ অন্যান্য ঠাইলৈও এই অসন্তোষ বিস্তৃত হয়। দেশৰ স্বাৰ্থত পোন প্ৰথম তিলকেই কাৰাবৰণ কৰে। এই বিচাৰে সাধাৰণতে ইংৰাজসকলৰ প্ৰতি ভাৰতবাসীৰ ঘৃণা আৰু অৱজ্ঞাৰ মনোভাৱ সৃষ্টি কৰে আৰু ভাৰতীয় জাতীয়বোধৰ ইয়েই সৃষ্টি কৰে প্ৰথম স্পন্দন।

ভাৰতীয়সকল যেতিয়া দুৰ্বল আৰু শোষিত আছিল; যি সময়ত পৰাধীনতাৰ অভিশাপত একেবাৰে প্ৰাণহীন হয় সেই অন্ধকাৰময় নৈৰাশ্য যুগত লোকমান্য তিলকে সেই বিজেতা জাতিৰ অনাচাৰ আৰু অন্যায়ৰ বিৰুদ্ধে স্বতন্ত্ৰভাৱে, মানৱ কণ্ঠেৰে প্ৰতিবাদ জনায়। নিজৰ দেশৰ স্বাৰ্থক অন্যায়ভাৱে প্ৰতাৰিত হোৱা দেখি তিলকে সৰ্বস্ব পণ কৰি তাৰ প্ৰতিবাদ জনাবলৈ লৈ কঠোৰ শাস্তি বৰণ কৰিব পাৰিছিল। লোকমান্য বালগঙ্গাধৰ তিলক আছিল মহাৰাষ্ট্ৰ তথা ভাৰতৰ জাতীয়তাবোধৰ নমস্য গুৰু।

**সুভাষচন্দ্ৰ বসু ঃ** সুভাষচন্দ্ৰ বসু ভাৰতৰ স্বাধীনতা আন্দোলনৰ এজন উগ্ৰপন্থী নেতা আছিল। তেওঁ এজন স্বাধীনতাপ্ৰিয় লোক আছিল আৰু বহু সময়ত কংগ্ৰেছৰ নীতিসমৰ্থন কৰিব পৰা নাছিল। মহাত্মা গান্ধীয়ে ১৯৩৩ চনত আইন অমান্য আন্দোলন বন্ধ কৰাত সুভাষচন্দ্ৰ বসুৱে তাক তীব্ৰ বিৰোধীতাকৰি কৈছিল— "আইন অমান্য আন্দোলন বন্ধৰ নিৰ্দেশ দি গান্ধীজীয়ে দেৱলীয়া নেতৃত্বৰহে পৰাজয় স্বীকাৰ কৰিলে। কংগ্ৰেছ অনুষ্ঠানৰ এক আমুল পৰিৱৰ্তনৰ প্ৰয়োজন হৈছে; যদি কংগ্ৰেছে নিজ শক্তিৰে নিজৰ সংশোধন সাধিব পাৰে তেন্তে সেয়ে ভাল হ'ব, নহ'লে বামপন্থীসকলৰ সহযোগত এক নতুন দল গঠন কৰিব লাগিব।"

১৯৩৮ চনৰ জানুৱাৰী মাহত গুজৰাটৰ হৰিপুৰাত বহা কংগ্ৰেছৰ ৫১ তম অধিবেশনত সুভাষচন্দ্ৰ বসুৱে সভাপতিত্ব কৰিছিল। সভাপতিৰ অভিভাষণত

তেওঁ নতুন ভাৰত শাসন আইনৰ কেন্দ্ৰীয় চৰকাৰ গঠনৰ ব্যৱস্থাৰ ঘোৰ বিৰোধীতা কৰি কৈছিল যে সেয়ে ভাৰতৰ সৰ্বাঙ্গীণ কল্যাণৰ পৰিপন্থী। নতুন ভাৰত শাসন আইনে সেই ব্যৱস্থাক "ফেডাৰেল" বা যুক্তৰাষ্ট্ৰীয় বুলি অভিহিত কৰিছিল। এই আইনমতে পাৰ্লামেণ্টৰ উভয় পৰিষদলৈ প্ৰদেশবোৰৰ পৰা নিৰ্বাচিত সদস্য প্ৰতিনিধি হিচাপে আহিব, কিন্তু দেশীয় ৰাজ্যবোৰৰ পৰা ৰাইজৰ নিৰ্বাচিত প্ৰতিনিধি নাহিব। তাৰোপৰি উভয় পৰিষদে ভাৰতৰ আভ্যন্তৰীণ বিধি বিধান প্ৰণয়নৰ মতামত আৰু ভোটদান কৰিব পাৰিব ; কিন্তু সেই দুয়োখন পৰিষদৰে দেশীয় ৰাজ্যবোৰৰ আভ্যন্তৰীণ শাসন আদি বিষয়ত কোনোৰূপ হস্তক্ষেপ কৰাৰ অধিকাৰ নাথাকিব। সেই কাৰণেই সেই সময়ত ভাৰতীয় দেশীয় ৰাজ্যসমূহৰ অনেক ৰাজ্যতেই সাধাৰণ প্ৰজাসমূহৰ তীব্ৰ অসন্তোষ সৃষ্টি হৈছিল। ভাৰতৰ যি কেইখন প্ৰদেশত কংগ্ৰেছ শাসন পৰিচালিত হৈছিল সেইবোৰত গঠনমূলক কাম ভালৰেই চলিছিল। কিন্তু প্ৰকৃততে মুছলিম প্ৰধান প্ৰদেশ নোহোৱা সত্বেও অসমত মুছলিম লীগৰ শাসন প্ৰৱৰ্তন হোৱাত অসমত উন্নয়নমূলক কামৰ গঠন কৰাৰ পৰিবৰ্তে সাম্প্ৰদায়িকতাৰ ভাব বৃদ্ধি পাইছিল।

কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসুৱে অসমৰ তেনে ৰাজনৈতিক পৰিস্থিতি লক্ষ্য কৰি প্ৰতিক্ৰিয়াশীল লীগ-মন্ত্ৰীসভাৰ ঠাইত অসমত এক প্ৰগতিবাদী কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠনৰ মত প্ৰকাশ কৰে আৰু সেই উদ্দেশ্যেই আবুল কালাম আজাদ অসমৰ ৰাজনৈতিক পৰিস্থিতি অধ্যয়ন কৰিবলৈ অসমলৈ আহিছিল। কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰও নিজে আহি অসমত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠনৰ চেষ্টা চলায়। কংগ্ৰেছ সভাপতি শ্ৰীবসু নিজেই চিলঙত একেৰাহে ৫ দিন থাকি অসম ব্যৱস্থাপক সভাৰ বিভিন্ন দলৰ সদস্যসকলৰ লগত আলাপ আলোচনা চলায় আৰু কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠনৰ অত্যাৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অৱশেষত কংগ্ৰেছ দলৰ দলপতি গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন কৰিবলৈ সক্ষম হয়। অসমৰ ইতিহাসত ই এক অতি গুৰুত্বপূৰ্ণ অধ্যায়। কংগ্ৰেছ সভাপতিৰ এই প্ৰচেষ্টাৰ ফল অসমৰ ৰাজনৈতিক ইতিহাসত এক উল্লেখযোগ্য অধ্যায়। সুভাষচন্দ্ৰ বসুৰ ৰাজনৈতিক দূৰদৰ্শিতাৰ আৰু অক্লান্ত পৰিশ্ৰমৰ ফলতহে অসমত লীগ মন্ত্ৰীসভা বেছিদিন নিটিকিল।

১৯৩৯ চনৰ মাৰ্চ মাহত মধ্যপ্ৰদেশৰ ত্ৰিপুৰীত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ অধিৱেশন অনুষ্ঠিত হয়। এই অধিৱেশনত সভাপতিত্ব কৰে সুভাষচন্দ্ৰ

বসুৱে। কংগ্ৰেছ সভাপতিয়ে স্পষ্টভাৱে কৈছিল যে ইংৰাজৰ চৰকাৰক ছমাহৰ ভিতৰত ভাৰতক স্বাধীনতা দিবলৈ চৰম পত্ৰ দিয়া উচিত। কিন্তু ইয়াৰ লগে লগেই শ্ৰীবসুৰ কংগ্ৰেছৰ সদস্যসকলৰ লগত মতবিৰোধ হোৱাত শ্ৰীবসুৱে সভাপতিৰ পদৰ পৰা ইস্তফা দিয়ে। কেইমাহমান পিছত সুভাষচন্দ্ৰক কংগ্ৰেছৰ পৰা বহিষ্কাৰ কৰা হয়।

কংগ্ৰেছৰ পৰা তিনিবছৰৰ কাৰণে বহিষ্কৃত হৈ সুভাষচন্দ্ৰই দেশৰ সকলো বামপন্থী দলসমূহক একত্ৰিত কৰি প্ৰস্তাৱিত যুক্তৰাষ্ট্ৰ পৰিকল্পনাৰ বিৰুদ্ধে সক্ৰিয় আন্দোলন গঢ়ি তুলিবলৈ "ফৰৱাৰ্ড ব্লক" নামে এক ৰাজনৈতিক দল সৃষ্টি কৰি দেশত সাম্ৰাজ্যবাদ বিৰোধী বিপ্লৱৰ বহ্নি জ্বলাবলৈ প্ৰয়াস চলায়। ১৯৪০ চনৰ মাৰ্চ মাহত বিহাৰৰ ৰামগড়ত "ফৰৱাৰ্ড ব্লক" দলৰ প্ৰথম অধিবেশনত দেশত আপোচমূলক মনোভাৱৰ পৰিৱৰ্তে এক সংগ্ৰামী মনোভাৱ সৃষ্টি কৰাৰ কাৰ্য্যক্ৰম গ্ৰহণ কৰা হয়। কলিকতাৰ ডালহাউছী স্কোৱাৰৰ ওপৰত প্ৰতিষ্ঠিত এক অসত্য অন্ধকূপ হত্যাৰ কাহিনী সৃষ্টি কৰি বৃটিশে স্থাপিত কৰা স্তম্ভটো জাতীয় কলঙ্কস্বৰূপ আছিল আৰু সুভাষচন্দ্ৰই সেই স্তম্ভটো ধ্বংস কৰাৰ উদ্দেশ্যে লগত অসংখ্য কৰ্মীক লৈ অগ্ৰসৰ হোৱাত তেওঁক চৰকাৰে গ্ৰেপ্তাৰ কৰে।

সুভাষ বসুৱে মাতৃভূমিক বিদেশী শাসকৰ কবলৰপৰা মুক্ত কৰিবলৈ আৰু ভাৰতৰ স্বাধীনতা উদ্ধাৰৰ বাবে উদ্‌ভ্ৰান্ত হৈ ভাৰতৰ পৰা পলাই জাৰ্মানীত উপস্থিত হয়। তেওঁ মধ্য ইউৰোপত কাম কৰি থকা ভাৰতীয়সকলৰ সাহায্য আৰু জাৰ্মান চৰকাৰৰ সহযোগিতাত ১৯৪১ চনত জাৰ্মানীত প্ৰথম "স্বাধীন ভাৰত সঙ্ঘ" প্ৰতিষ্ঠা কৰে। জাৰ্মানীত থকা ভাৰতীয় সৈনিকসকলেও ভাৰতৰ স্বাধীনতাৰ সংকল্পৰে ঐক্যবদ্ধ হৈ সুভাষ বসুক নেতাৰূপে বৰণ কৰিছিল। এয়েই ইউৰোপত ভাৰতৰ স্বাধীনতাৰ হকে গঠন কৰা "আজাদ হিন্দ ফৌজ"।

১৯৪১ চনৰ শেষ ভাগত জাপানে মিত্ৰ শক্তিৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰাত সুভাষ বসুৱে পূব এচিয়ালৈ তেওঁৰ কৰ্মক্ষেত্ৰ স্থানান্তৰ কৰাৰ সিদ্ধান্ত লয়। নেতাজী বসুৱে নিজৰ জীৱনক বিপদাপন্ন কৰিও ছাবমেৰিনেৰে জাৰ্মানীৰ পৰা ৯০ দিনৰ মূৰত পেনাঙ পাইহি। পেনাঙৰ পৰা বিমানেৰে জাপানলৈ গৈ প্ৰধানমন্ত্ৰী মিঃ তজো আৰু জাপানৰ অন্যান্য নেতাসকলৰ লগত ভাৰতৰ স্বাধীনতাৰ হকে চলোৱা সংগ্ৰামত জাপানৰ সহায় সহযোগিতা লাভৰ বাবে আলোচনা কৰে।

১৯৪৩ চনৰ ২ জুলাই তাৰিখে নেতাজী সুভাষ বসু চিঙ্গাপুৰত উপস্থিত হয়

আৰু নেতাজীয়ে স্বাধীন ভাৰতৰ এক অস্থায়ী চৰকাৰ গঠন কৰিব বুলিও স্পষ্ট আভাস দিয়ে। সেই অস্থায়ী চৰকাৰৰ অধীনত আজাদ হিন্দ ফৌজে নিজ মাতৃভূমিক বৃটিশ সাম্ৰাজ্যবাদৰ কবলৰপৰা মুক্ত কৰিবলৈ সংগ্ৰাম চলাব বুলি তেওঁ ঘোষণা কৰে। নেতাজীয়ে পূব আৰু দক্ষিণ-পূব এশিয়াৰ বিভিন্ন দেশৰ বিশেষকৈ ব্ৰহ্মদেশ, মালয়, থাইলেণ্ড, ফৰাচী, ইন্দোচীন আদি দেশৰ ভাৰতীয় সকলৰ অভাৱনীয় সহায় আৰু সহযোগ লাভ কৰি ১৯৪৩ চনৰ ২১ অক্টোবৰৰ দিনা চিঙ্গাপুৰত স্বাধীন ভাৰতৰ অস্থায়ী চৰকাৰ (আজাদ হিন্দ চৰকাৰ) গঠন কৰে। এই আজাদ হিন্দ চৰকাৰে ১৯৪৩ চনৰ ২২ অক্টোবৰৰ দিনা বৃটেইন আৰু আমেৰিকাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰে। স্বাধীন ভাৰতৰ এই অস্থায়ী "আজাদ হিন্দ চৰকাৰ"ক পৃথিবীৰ নখন দেশে স্বীকৃতি দিয়ে। সেই দেশকেইখন হৈছে— জাৰ্মানী, ইটালী, জাপান, ক্ৰুচিয়া, জাতীয় চীন, ব্ৰহ্মদেশ, থাইলেণ্ড, মাঞ্চুৰিয়া আৰু ফিলিপাইন। এই কাৰ্য্যই সুভাষচন্দ্ৰক বৰেণ্য বীৰ, শ্ৰদ্ধেয় ৰাজনীতিক আৰু অসাধাৰণ মৰ্য্যাদা দিয়ে।

১৯৪৪ চনৰ জুলাইলৈ আজাদ হিন্দ ফৌজে ব্ৰহ্ম-ভাৰত সীমান্তত আনকি ইম্ফল আৰু কহিমাৰ ওচৰে-পাজৰে ইংৰাজ সৈন্যৰ বিৰুদ্ধে অভাৱনীয় বীৰত্বৰে যুদ্ধ চলাইছিল। কিন্তু দুৰ্ভাগ্যবশতঃ আজাদ হিন্দ বাহিনীৰ বীৰ সৈনিকসকলে শত্ৰু পক্ষৰ বিমান আক্ৰমণৰ কাৰণে যুদ্ধত অগ্ৰসৰ হ'ব নোৱাৰিলে। ১৯৪৫ চনৰ ২৪ এপ্ৰিলৰ পৰা আজাদ হিন্দ ফৌজৰ অপসাৰণ আৰম্ভ হয়। সেই সময়ত জাৰ্মানীয়ে পৰাজয় বৰণ কৰাত আৰু জাপানেও পৰাজিত হৈ আত্মসমৰ্পণ কৰাত আজাদ হিন্দ ফৌজে অকলে ইংৰাজৰ বিৰুদ্ধে যুদ্ধ চলাই থকা অসম্ভৱ হৈ উঠে। নেতাজীয়ে আজাদ হিন্দ চৰকাৰৰ মন্ত্ৰীসকলৰ লগত আলোচনা কৰি বৃটিশৰ বিৰুদ্ধে সংগ্ৰাম চলোৱাৰ প্ৰস্তুতি অব্যাহত ৰাখিবলৈ সিদ্ধান্ত লয়।

আজাদ হিন্দ ফৌজে সফলতা লাভ কৰিব নোৱাৰিলেও সমগ্ৰ জগতত ই এক অভূতপূৰ্ব আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হয়। নিজৰ দেশৰ স্বাধীনতাৰ হ'কে নানা বাধা-বিঘিনিৰ মাজেৰে নেতাজী আৰু তেওঁৰ আজাদ হিন্দ ফৌজে যিদৰে স্বাধীনতাৰ সংগ্ৰাম চলাইছিল সেয়ে দক্ষিণ-পূব এশিয়াৰ ভালেমান দেশক যেনে, চীন, জাপান, ব্ৰহ্মদেশ, ফিলিপাইন, মালয়, থাইলেণ্ড, ভিয়েটনাম, ইন্দোনেচীয়া আদিক অনুপ্ৰাণিত কৰিছিল। নেতাজী আৰু আজাদ হিন্দ ফৌজৰ কাৰ্য্যকলাপে ১৯৪৫-৪৬ চনত ভাৰতবাসীক মুগ্ধ কৰি যথেষ্টৰূপে স্বাধীনতাৰ সংগ্ৰামত অনুপ্ৰাণিত

কৰিবলৈ সক্ষম কৰি তুলিছিল। ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহত হোৱা নৌ বিদ্ৰোহ, বিভিন্ন ৰাজ্যৰ পুলিচসকলৰ মাজত সৃষ্টি হোৱা দেশপ্ৰেমৰ সোঁত আৰু ভাৰতীয় সৈন্যসকলৰ একাংশৰ মাজতো স্বাধীনতাৰ বাবে হোৱা জাগৰণৰ মনোভাব আজাদ হিন্দ ফৌজৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। স্বাধীনতা সংগ্ৰামত সুভাষ বসু আছিল এজন অতি সু-স্পষ্টবাদী নেতা। ভাৰতৰ বাহিৰত থাকিও তেওঁ ভাৰতক স্বাধীন কৰাৰ পৰিকল্পনা কৰিছিল। গান্ধীজীয়ে তেওঁক পৰোক্ষভাৱে সমৰ্থন কৰিছিল। বৃটিশেও তেওঁক যুদ্ধৰ সময়ত উপেক্ষা কৰিলেও মৃত্যুৰ পিছত স্বীকৃতি দিছে।

**কায়েদে আজম মহম্মদ আলি জিন্না ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছৰ যিদৰে উদ্ভাৱক আছিল মিঃ হিউম, ঠিক তেনেদৰে ভাৰতৰ মুছলমানসকলৰ বাবে এক শক্তিশালী ৰাজনৈতিক অনুষ্ঠান সৃষ্টি কৰাৰো উদ্ভাৱক আছিল আলিগড় কলেজৰ ইংৰাজ অধ্যক্ষ মিঃ আৰ্চিবোলড্। আৰ্চিবোলড্ চাহাবৰ উপদেশ অনুযায়ী সেই সময়ৰ মুছলমান সমাজৰ ৭৫ জন বিশিষ্ট নেতাই মহামান্য আগা খাঁৰ নেতৃত্বত তেতিয়াৰ ভাৰতৰ বৰলাট লৰ্ড মিণ্টোক সাক্ষাৎ কৰে—১৯০৬ চনৰ ১ অক্টোবৰৰ দিনা। সেই সময়ত ভাৰতৰ নতুন শাসন সংস্কাৰৰ আলোচনা চলি আছিল। মুছলিম প্ৰতিনিধিসকলে বৰলাটক আবেদন জনাইছিল যে মুছলমান সমাজে বেলেগ নিৰ্বাচন প্ৰথা প্ৰৱৰ্তনৰহে পক্ষপাতী, যৌথ নিৰ্বাচনৰ নহয়, যিহেতু যৌথ নিৰ্বাচন মুছলমান সমাজৰ স্বাৰ্থৰ পৰিপন্থী। ভাৰত চৰকাৰে সম্প্ৰদায়গত নিৰ্বাচন প্ৰথা আৰু মনোনয়ন নীতি প্ৰৱৰ্তন কৰিবলৈ ৰাজী হয়। ১৯০৬ চনৰ ডিচেম্বৰ মাহত পূৰ্ব বঙ্গৰ ঢাকা নগৰত 'নিখিল ভাৰত মুছলিম কনফেডাৰেচি' সন্মিলন অনুষ্ঠিত হয়। সেই সময়তে কলিকতাত বহা কংগ্ৰেছৰ অধিবেশনত দাদাভাই নৌৰজীয়ে 'স্বৰাজ' ব্যাখ্যা কৰে। আনফালে ঢাকাৰ সন্মিলনত বঙ্গচ্ছেদ প্ৰস্তাৱ সমৰ্থন কৰা হয় আৰু বৃটিশ বস্তু বৰ্জন নীতিৰ নিন্দা কৰা হয়। এই মুছলিম কনফেডাৰেচিয়ে "মুছলিম লীগত" পৰিণত হয়। মুছলিম লীগ সৃষ্টি হোৱা দিন ধৰি ১৯২৫ চনলৈ কংগ্ৰেছ অধিবেশনৰ লগতে যুটীয়াভাৱে মুছলিম লীগৰো বছৰেকীয়া অধিবেশন বহিছিল। কিন্তু ১৯২৬ চনৰ পৰা মুছলিম লীগৰ নেতাসকলে বেলেগ বেলেগ হৈ মুছলিম লীগৰ বছৰেকীয়া অধিবেশন সুকীয়াকৈ পতাৰ সিদ্ধান্ত গ্ৰহণ কৰে। মুছলিম লীগে নিখিল ভাৰতৰ স্বাৰ্থৰ কথা বাদ দি কেৱল মুছলমানসকলৰ স্বাৰ্থৰক্ষাৰ বাবে উৎকণ্ঠিত হয়। বিলাতত অনুষ্ঠিত হোৱা ঘূৰণীয়া মেজমেলত মুছলমানসকলে নিজৰ প্ৰতিপত্তি অটুত ৰখাৰ বাবে সুকীয়া নিৰ্বাচনৰ দাবী কৰে।

১৯৩৪ চনত মিঃ মহম্মদ আলী জিন্নাই ইংলণ্ডৰ পৰা উভতি আহি মুছলিম লীগৰ নেতৃত্ব গ্ৰহণ কৰে। ১৯৩৫ চনৰ নতুন ভাৰত শাসন আইনে মুছলিম সম্প্ৰদায়ক কিছু পৰিমাণে সন্তোষ দিবলৈ সক্ষম হয়। কাৰণ, তেওঁলোকে বিচৰামতে নতুন আইনে পৃথক নিৰ্বাচনৰ প্ৰথা বিধিবদ্ধ কৰি হিন্দু-মুছলমান যে দুটা বেলেগ জাতি এই তত্ত্বৰ বীজ ৰোপণ কৰাত সক্ষম হৈছিল। ১৯৩৭ চনত সম্পূৰ্ণ সাম্প্ৰদায়িক ভিত্তিত সম্পন্ন হোৱা নিৰ্বাচনত ভাৰতৰ মুছলমান সমষ্টিবোৰত মুছলিম লীগৰ প্ৰাৰ্থী অধিকভাবে নিৰ্বাচিত হয়। ঐক্যবদ্ধ ভাৰত গঢ়ি তুলিবলৈ কংগ্ৰেছৰ সকলো প্ৰচেষ্টাক মুছলিম লীগে বাধা দিবলৈ সক্ষম হৈছিল।

১৯৩৭ চনৰ অক্টোবৰ মাহত লক্ষ্ণৌত মুছলিম লীগৰ বাৰ্ষিক অধিবেশন বহে। মিঃ জিন্নাই মুছলিম লীগৰ স্থায়ী সভাপতি হয়। ভাৰতৰ সাতখন প্ৰদেশত কংগ্ৰেছে মন্ত্ৰীসভা গঠন কৰি শাসনকাৰ্য্য পৰিচালনা কৰাত মিঃ জিন্না বৰ চিন্তিত হয়; কাৰণ কংগ্ৰেছ প্ৰতিষ্ঠানক তেওঁ এটা হিন্দুসকলৰ ৰাজনৈতিক প্ৰতিষ্ঠান বুলিহে ভাবিছিল। সেই সন্মিলনত ভাৰতৰ মুছলমান প্ৰধান অঞ্চলবোৰৰ বাবে বেলেগ শাসন ব্যৱস্থা গঢ়ি তোলাৰ কাৰণেহে বিশেষভাৱে আলোচনা কৰা হৈছিল। লীগ সভাপতি মিঃ জিন্নাই দৃঢ়ভাৱে ঘোষণা কৰিছিল যে হিন্দু আৰু মুছলমান দুটা পৃথক জাতি আৰু সেইবাবে উভয়ৰ বাবে বেলেগ বেলেগ শাসন ব্যৱস্থা হোৱাৰ একান্ত প্ৰয়োজন। এনেকুৱা পৰিস্থিতিত বৰলাট লিন্‌লিথ্‌গোৱে ভাৰতৰ নেতৃস্থানীয় লোকসকলক জনাইছিল যে যেতিয়ালৈকে সাম্প্ৰদায়িক সমস্যাটোৰ মীমাংসা নহয় তেতিয়ালৈকে ভাৰতক কোনো ধৰণৰ ৰাজনৈতিক ক্ষমতা হস্তান্তৰ কৰি দিয়া সম্ভৱপৰ নহ'ব। কংগ্ৰেছে তেতিয়া কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ পৰা কংগ্ৰেছ মন্ত্ৰীসভাসমূহক পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশ অনুযায়ী ১৯৩৯ চনৰ ১২ ডিচেম্বৰৰ দিনা সকলো কংগ্ৰেছ মন্ত্ৰীসভাই নিজ নিজ পদত্যাগপত্ৰ দাখিল কৰে।

কংগ্ৰেছ মন্ত্ৰীসভাসমূহে পদত্যাগ কৰাত মুছলিম লীগৰ সভাপতি মিঃ মহম্মদ আলি জিন্নাই আনন্দ প্ৰকাশ কৰাৰ বাবে ১৯৩৯ চনৰ ২ ডিচেম্বৰৰ দিনটোক "মুক্তি দিবস" হিচাপে পালন কৰিবলৈ মুছলিম লীগক নিৰ্দেশ দিছিল। তেওঁ আৰু কৈছিল, "ভাৰতত গণতন্ত্ৰ প্ৰতিষ্ঠা হোৱা মানে হিন্দু ৰাজ্য প্ৰতিষ্ঠা হোৱাহে"। মহাত্মা গান্ধীয়ে লিখা চিঠিৰ উত্তৰত মিঃ জিন্নাই জনাইছিল যে ভাৰতত ভাৰতীয় জাতি বুলি একো নাই আৰু ভাৰতীয় জাতি হিচাপে ভবা কথাই ভুল। এয়ে দ্বিজাতি তত্ত্বৰ মূল ঘোষণা।

দ্বিতীয় মহাযুদ্ধৰ সময়ত ১৯৪০ চনৰ মাৰ্চ মাহত লাহোৰত মুছলিম লীগৰ বছৰেকীয়া সন্মিলনত মিঃ জিন্নাই কৈছিল,"—মুছলমানৰ বাবে সুকীয়া ৰাজ্য লাগে।" আৰু লগতে মতপ্ৰকাশ কৰিছিল যে পৃথিৱীত এনে কোনো শক্তি নাই যি পাকিস্তান সৃষ্টিত বাধা দিব পাৰে। যুদ্ধৰ অন্তত ভাৰতৰ সংবিধান কেনেদৰে ৰচিত হ'ব আৰু অন্তৰ্বৰ্তীকালত কেনে শাসন ব্যৱস্থা চালু হ'ব পাৰে এই দুটা প্ৰস্তাৱ লৈ ১৯৪২ চনত ক্ৰীপছ চাহাব ভাৰতলৈ আহে। মুছলিম লীগৰ নেতা-সকলে পাকিস্তান সৃষ্টিৰ কোনো স্পষ্ট প্ৰতিশ্ৰুতি নথকাৰ বাবে ক্ৰীপছ-প্ৰস্তাৱ অগ্ৰাহ্য কৰে। মিঃ জিন্নাই কৈছিল—"বিভক্ত কৰি ভাৰত ত্যাগ কৰা" অৰ্থাৎ ভাৰত বিভক্ত কৰিবই লাগিব, তাৰ পিছতহে বৃটিশে ভাৰত ত্যাগ কৰিব পাৰিব।

ভাৰতৰ মুছলিম লীগে ভাৰত ত্যাগ প্ৰস্তাৱৰ ঘোৰ বিৰোধীতা কৰিছিল। ১৯৪২ চনৰ আগষ্ট বিপ্লৱৰ সময়ৰ পৰাই মিঃ জিন্নাৰ নেতৃত্বত মুছলিম লীগে গৱৰ্ণমেণ্টক দাবী জনাইছিল যে কংগ্ৰেছৰ কেইজনমান হিন্দু কাৰাগাৰত থকা বাবেই ভাৰতৰ শাসন ব্যৱস্থা ভাৰতীয়ৰ ওপৰত ন্যস্ত কৰিব নোৱাৰি বোলা যুক্তি কেতিয়াও শ্ৰদ্ধেয় হ'ব নোৱাৰে। তেওঁ দিল্লী আৰু কৰাচীত অনুষ্ঠিত হোৱা লীগ সন্মিলনত ঘোষণা কৰি কৈছিল যে গান্ধীজী, কংগ্ৰেছ আৰু হিন্দুসকল ভাৰতৰ স্বাধীনতা লাভৰ অন্তৰায়। তেওঁ আৰু কৈছিল, "—আমি মুছলমানসকলে জানো অখণ্ড ভাৰতৰ পৰিকল্পনা ধাৰণা কৰিব পাৰোঁ? এই উপ-মহাদেশত মুছলিম ভাৰতে জানো হিন্দু-ৰাজ মানি ল'ব পাৰে?" এইদৰে মিঃ জিন্নাই হিন্দু আৰু মুছলমান দুটা সুকীয়া জাতি বুলি প্ৰচাৰ কৰি আহিছে। জিন্না চাহাব মুছলমান-সকলৰ সুকীয়া জাতিবাদত বিশ্বাসী। তেওঁ বিচাৰে মুছলমানসকলৰ বেলেগ জাতিৰ আৰু সেই দাবীক কংগ্ৰেছে মানি লব লাগিব। মিঃ জিন্নাৰ ৰাজনীতিৰ মূলধন আছিল সাম্প্ৰদায়িকতা আৰু ইয়াৰ কাৰণেই ১৯৪৪ চনৰ 'গান্ধী-জিন্না' আলোচনা আৰু ১৯৪৫ চনৰ 'চিমলা বৈঠক' আৰু 'কেবিনেট মিছনৰ' আলোচনা ব্যৰ্থ হয়। মিঃ জিন্নাই কৈছিল, 'কংগ্ৰেছ হিন্দুৰহে প্ৰতিষ্ঠান আৰু গান্ধীজী হিন্দুৰহে নেতা।'

কেবিনেট মিছনৰ আঁচনি অনুযায়ী যি অন্তৰ্বৰ্তী চৰকাৰ গঠন কৰিবলৈ চেষ্টা কৰা হৈছিল, তাৰ বাবে কংগ্ৰেছে মুছলমান সদস্যৰো নাম দি তালিকা প্ৰেৰণ কৰিছিল। কিন্তু মিঃ জিন্নাৰ আপত্তি অনুযায়ী বৰলাট ওৱাভেলে কংগ্ৰেছে মনোনীত কৰা মুছলমান প্ৰতিনিধিক অন্তৰ্বৰ্তী মন্ত্ৰীসভাত লবলৈ অমান্তি হয়।

মিঃ জিন্নাৰ এনে কাৰ্য্যৰ বিৰুদ্ধে দেশত ক্ষোভৰ সৃষ্টি হৈছিল। পিছত ইংলণ্ডৰ পৰা ভাৰত সচিব পেথিক লৰেন্স আৰু চাৰ ক্ৰীপ্‌ছে এক বিবৃতি যোগে ঘোষণা কৰিছিল যে মুছলমান মনোনয়নৰ কাৰ্য্যত মিঃ জিন্নাৰ কোনো একচেটিয়া অধিকাৰ নাই। মিঃ জিন্নাই অন্তৰ্বৰ্তী চৰকাৰ আৰু গণ পৰিষদ উভয়কে প্ৰত্যাখ্যান কৰে।

ইয়াৰ পিছত ১৯৪৬ চনৰ ২৯ জুলাইৰ দিনা বোম্বাই মহানগৰীত মুছলিম লীগৰ কাউন্সিলৰ এক বৈঠক বহে। সেই বৈঠকত, মিঃ জিন্নাই পাকিস্তানৰ দাবী সাব্যস্ত কৰিবলৈ "প্ৰত্যক্ষ কাৰ্য্যকৰী ব্যৱস্থা" লবলৈ নিৰ্দেশ দিয়ে। এই প্ৰত্যক্ষ সংগ্ৰাম ঘোষণা কৰি মিঃ জিন্নাই কৈছিল—"মুছলিম লীগে নিয়মতান্ত্ৰিক পদ্ধতিৰ বাহিৰে এতিয়ালৈকে আন উপায় অৱলম্বন কৰা নাছিল, কিন্তু এতিয়া আন উপায় অৱলম্বন কৰিবলৈ বাধ্য হৈছোঁইক আৰু সেইবাবে আমি নিয়মতান্ত্ৰিক পদ্ধতিক বিদায় দিলোঁ।" মিঃ জিন্নাই গৃহযুদ্ধ আৰম্ভ কৰি অৰ্থাৎ হিন্দুসকলৰ লগত সংগ্ৰাম কৰি বৃটিশ চৰকাৰ আৰু কংগ্ৰেছক মুছলিম লীগৰ পাকিস্তানৰ দাবী মানি লবলৈ বাধ্য কৰাব বুলি স্পষ্টভাৱে কৈছিল। এই প্ৰত্যক্ষ সংগ্ৰামত হাজাৰ হাজাৰ হিন্দু নিহত হৈছিল আৰু এই নৃশংস হত্যাকাণ্ড বৃহৎ হত্যাকাণ্ড বুলি জনাজাত।

মিঃ জিন্নাই অন্তৰ্বৰ্তী নেহৰু চৰকাৰত যোগদান কৰাৰ অভিপ্ৰায় জনায়, কিন্তু সেই অভিপ্ৰায় আছিল সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰি অন্তৰ্বৰ্তী চৰকাৰত বাধা জন্মোৱা। মিঃ জিন্নাই প্ৰকাশ্যে ঘোষণা কৰি কৈছিল যে সাৰ্বভৌম স্বতন্ত্ৰ পাকিস্তানৰ সৃষ্টি নহ'লে ভাৰতৰ গৃহযুদ্ধৰ অন্ত নপৰে। নানা কূট-কৌশলৰে বাধাৰ সৃষ্টি কৰি মিঃ জিন্নাই অন্তৰ্বৰ্তী চৰকাৰক অকৃতকাৰ্য্য কৰি তুলিবলৈ চেষ্টা চলাইছিল।

লৰ্ড মাউণ্টবেটেন ভাৰতলৈ অহা সময়ত মিঃ জিন্নাই সতৰ্ক কৰি দিছিল যে সমস্যাৰ সমাধানৰ একমাত্ৰ পথ হৈছে পাকিস্তান সৃষ্টি। ভাৰতৰ বিভাজন নহ'লে পৰিস্থিতি অনেক ভয়াবহ হ'ব। তেওঁ কেতিয়াও ঐক্যবদ্ধ ভাৰতৰ প্ৰস্তাৱ গ্ৰহণ নকৰে। তেওঁ দাবী কৰিছিল ভাৰতক খণ্ডিত কৰি পাকিস্তান সৃষ্টি কৰাৰ। ফলত বৃটিশ চৰকাৰে ঘোষণা কৰি কৈছিল যে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতক দ্বি-খণ্ডিত কৰি ভাৰত আৰু পাকিস্তান ৰাষ্ট্ৰ গঠন কৰা হ'ব।

কিন্তু পাকিস্তান প্ৰতিষ্ঠাৰ পিছত মিঃ জিন্নাৰ হাতৰ পৰা সকলো ক্ষমতা কাঢ়ি নিয়া হয়। পাকিস্তানৰ মন্ত্ৰীসভাৰ লগত তেওঁৰ মতভেদৰ সৃষ্টি হৈছিল। সেই সময়ৰ কৰাচীত অনুষ্ঠিত হোৱা হিন্দু-মুছলমানৰ সংঘৰ্ষত প্ৰপীড়িত হিন্দু আৰু

শিখসকলৰ প্ৰতি মিঃ জিন্নাৰ সহানুভূতি দেখি পাকিস্তানৰ কঠোৰপন্থীসকলৰ ক্ৰোধ আৰু অধিক হয়। মিঃ জিন্নাই ধৰ্মনিৰপেক্ষ আদৰ্শবাদৰ কাৰণেও অধিক সংখ্যক মুছলমান লোকৰ আস্থা হেৰুৱায়। লাহে লাহে মিঃ জিন্নাৰ জনপ্ৰিয়তা আৰু প্ৰভাৱ ধ্বংস কৰাৰ বাবে পাকিস্তানত চেষ্টা চলে।

**ৰবীন্দ্ৰনাথ ঠাকুৰ ঃ** ভাৰতৰ স্বাধীনতা আন্দোলনত যি সকল ব্যক্তিয়ে জাতীয় চেতনা বৃদ্ধি কৰাত উল্লেখযোগ্য ইন্ধন যোগাইছিল সেই সকলৰ ভিতৰত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে এখন স্বকীয়া আসন দখল কৰি আছে। ৰবীন্দ্ৰনাথৰ লক্ষ্য যদিও ভাৰতীয় শিল্পসাধনা তথাপিও তাৰ মাজেৰেই প্ৰকাশ পাইছিল ভাৰতীয় মনৰ এটি পূৰ্ণ প্ৰস্ফুটিত ৰূপ। প্ৰকৃততে তেওঁ আছিল এজন কবি আৰু দাৰ্শনিক, কিন্তু তেওঁৰ বিষয়বস্তুৰ এটা বিশেষত্ব হ'ল স্বদেশপ্ৰেম। তেওঁৰ বক্তৃতা, গীত, কবিতা, গল্প, উপন্যাস আদিত এই ভাব স্পষ্টৰূপে প্ৰকাশ পাইছিল। তেওঁৰ ৰচনাৱলীত ভাৰতৰ আত্মা প্ৰতিফলিত হৈ বিশ্বজগতত পৰিচিত হৈছে।

ভাৰতীয় সমাজৰ সংস্কাৰ সাধন কৰাত ৰবীন্দ্ৰনাথে যথেষ্ট উদগনি দিছিল। ভাৰতীয় সমাজত প্ৰচলিত বাল্যবিবাহ প্ৰথা আৰু অস্পৃশ্যতা দূৰীকৰণ আৰু ভাৰতীয় গ্ৰাম্য জীৱনৰ উন্নতি সাধনৰ কাৰণেও যত্ন কৰিছিল। মহাত্মা গান্ধীয়ে হৰিজনৰ উন্নতি আৰু গাওঁ সংগঠনৰ কাৰণে যি আন্দোলন চলাইছিল তেনে আন্দোলনৰ প্ৰয়োজনীয়তাৰ কথা গান্ধীজীতকৈ প্ৰায় ২৫ বছৰ মান আগতেই ৰবীন্দ্ৰনাথে কৈছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনত ৰবীন্দ্ৰনাথে সক্ৰিয় অংশগ্ৰহণ কৰা নাছিল যদিও তেওঁ আছিল নিভাঁজ স্বদেশপ্ৰেমিক। সমাজৰ কু-সংস্কাৰৰ বিৰুদ্ধে বিপ্লৱ কৰাৰ উপৰিও ভাৰতৰ জনগণৰ মুক্তিৰ কাৰণে তেওঁ সততে চিন্তা কৰিছিল। ১৯০৫ চনত বঙ্গ ভঙ্গ কৰা হয় আৰু ইয়াকে কেন্দ্ৰ কৰি ভাৰতত নৱজাগৰণৰ সৃষ্টি হয়। ভাৰতীয়সকলৰ শিক্ষা ভাৰতীয় আদৰ্শত হোৱা উচিত বুলি ৰবীন্দ্ৰনাথে উপনিষদিক আশ্ৰমৰ আদৰ্শত শান্তিনিকেতন স্থাপন কৰে। ঔপনিষদিক পৰম্পৰাৰ ভিত্তিত ৰচনা কৰা এই প্ৰতিষ্ঠানৰ উদ্দেশ্য হৈছে অতীত ভাৰতৰ প্ৰতি লক্ষ্য ৰাখি "ভাৰততত্ত্ব" কি তাক আবিষ্কাৰ কৰা আৰু ভাৰতীয়সকলৰ কৰ্মজীৱন আৰু শিক্ষাৰ মাজত জাতীয়তাবোধৰ প্ৰৱেশ ঘটোৱা।

স্বদেশী আন্দোলনত তেওঁ আছিল এক বিজয় স্তম্ভ। তেওঁ কৈছিল,—"সাৰ্থক

জনম আমাৰ জন্মেছি এই দেশে, সাৰ্থক জনম মাগো, তোমায় ভালবেসে।" ইয়াতে ফুটি উঠিছে তেওঁৰ দেশপ্ৰেম। ৰবীন্দ্ৰনাথৰ মতে, দেশসেৱা আৰু স্বদেশী সমাজৰ অৰ্থ হ'ল গ্ৰামোন্নতি, গাওঁৰ মাজত সমবায় নীতি প্ৰৱৰ্তন, সংঘবদ্ধভাৱে বিবিধ কাৰ্য্য কৰা, বৈজ্ঞানিক মতে শ্ৰমিক যন্ত্ৰ প্ৰচলনৰ দ্বাৰা গাওঁবাসীৰ অকাৰণ পৰিশ্ৰম লাঘৱ কৰা, বিভিন্ন ধৰণৰ কুটিৰ শিল্প প্ৰৱৰ্তন ইত্যাদি। ভাৰতৰ প্ৰাণশক্তি গাওঁবাসীৰ মাজতে সুপ্ত হৈ আছে, এই সুপ্ত শক্তিক জাগ্ৰত কৰি তোলাটো ভাৰতবাসীৰ অতি গুৰুত্বপূৰ্ণ কাম।

সাম্ৰাজ্যবাদ শক্তিৰ বিৰুদ্ধে তেওঁ ঘৃণা প্ৰকাশ কৰিছিল। ১৯১৯ চনত পঞ্জাৱৰ জালিয়ানৱালাবাগৰ নিষ্ঠুৰ হত্যাকাণ্ডৰ প্ৰতিবাদত ইংৰাজ শাসকে দিয়া অতি সন্মানজনক 'নাইট' উপাধিও প্ৰত্যাখ্যান কৰিছিল।

ভাৰতীয় জাতীয় কংগ্ৰেছ দলে সাম্প্ৰদায়িক বাটোৱাৰাৰ প্ৰতিবাদ কৰিবলৈ কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰক সভাপতি পাতি ১৯৩৬ চনৰ জুলাই মাহত এক সভা আহ্বান কৰিছিল। সভাপতিৰ অভিভাষণত কবিগুৰুৱে যি কৈছিল সি অতি উল্লেখযোগ্য। তেওঁ কৈছিল,—"এই সাম্প্ৰদায়িক বাটোৱাৰাৰ প্ৰস্তাৱে আমাৰ ৰাজনৈতিক জীৱনলৈ যি বিভেদ আৰু বিচ্ছিন্নতাৰ দুৰ্বহ অভিশাপ বহন কৰি আনিলে, দেশে তাক বিচৰা নাছিল। মুছলমান সম্প্ৰদায় তেওঁলোক সুযোগ সুবিধাৰ পৰা বঞ্চিত হওঁক তাক আমি কেতিয়াও বিচৰা নাছিলোঁ। ভৱিষ্যতৰ পাৰস্পৰিক সহযোগিতাৰ সকলো সম্ভাৱনা তিৰোহিত হওঁক—সিও কাৰো বাবে বাঞ্ছনীয় নহয়। সাম্প্ৰদায়িক বাটোৱাৰাৰ ব্যৱস্থাই বিশ্বাসৰ পৰিৱৰ্তে সন্দেহহে আহ্বান কৰি আনিব। ধৰ্মান্ধ নেতাসকলে এই সাম্প্ৰদায়িক উন্মাদনাক ৰাজনৈতিক উদ্দেশ্য সাধনৰ বাবে ব্যৱহাৰ কৰিব। জাতিৰ তেজ এনেদৰে কুটিল ৰাজনৈতিক বিষেৰে জৰ্জৰিত হ'লে চৰম অশুভক্ষণ উপস্থিত হ'ব—এই কথা মই শাসকসকলক সোঁৱৰাই দিও।" তেওঁ আৰু কৈছিল,—"আটাইতকৈ দুৰ্ভাগ্যৰ কথা যে এই বিষয়ে আজি মুছলমান সম্প্ৰদায়ৰ প্ৰতি আমাৰ প্ৰচণ্ড ক্ৰোধ হৈছে। তেওঁলোকেও এই ধ্বংসাত্মক নীতিৰ কুফল সমপৰিমাণেই ভোগ কৰিব লাগিব। তেওঁলোকে হয়তো এই সাম্প্ৰদায়িক বাটোৱাৰাৰ প্ৰস্তাৱৰ মাদকতাত প্ৰথমে মুগ্ধ হ'ব, কিন্তু অৱশেষত এয়েই তেওঁলোকৰ স্বাৰ্থসিদ্ধিৰ অন্তৰায় হ'ব আৰু আমাৰো শান্তি ভঙ্গৰ কাৰণ হ'ব।" মুঠৰ ওপৰত সাম্প্ৰদায়িকতাৰ বৰ বিহৰ প্ৰতি ভাৰতবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ তেওঁ চেষ্টা কৰিছিল। ইয়াৰ উপৰিও এই সময়ছোৱাত

তেওঁ জাতীয়তাবাদীসকলক সহায় কৰিবৰ উদ্দেশ্যে উত্তৰ ভাৰত ভ্ৰমণ কৰি ষাঠি হাজাৰ টকা সংগ্ৰহ কৰিছিল।

ভাৰতৰ স্বাধীনতা আন্দোলনত ৰবীন্দ্ৰনাথ ঠাকুৰে এইদৰে তেওঁৰ বহুমুখী প্ৰতিভাৰ আভাস দিছিল। তেওঁৰ সাহিত্য, ৰচনাৰ মাজত ভাৰতবাসীৰ স্বাধীনতাস্পৃহা প্ৰকাশ পাইছিল আৰু সেইখিনিতে পাশ্চাত্য জগতলৈ বিয়পি পৰিছিল। কবিগুৰু ভাৰতৰ স্বাধীনতা যুঁজৰেই এজন বীৰ নহয়, আনকি বিশ্বত বিপুল খ্যাতি অৰ্জন কৰা ভাৰতীয় লোকসকলৰ ভিতৰত অন্যতম।

**জৱাহৰলাল নেহৰু :** ভাৰতৰ যি সকল ৰাজনীতিবিদ মনীষীয়ে ৰাজনৈতিক আকাশ শোভা কৰি তৰাৰ দৰে জিলিকি আছে সেই সকলৰ ভিতৰত পণ্ডিত জৱাহৰলাল নেহৰু অন্যতম। পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৮৮৯ চনত এলাহবাদত জন্ম গ্ৰহণ কৰে। তেওঁ ছাত্ৰ অৱস্থাৰ পৰাই ৰাজনীতি চৰ্চা কৰিবলৈ শিকিছিল। ১৯০৭ চনৰ ভাৰতৰ নতুন জাতীয়তাবাদৰ ফালে তেওঁ বিশেষ আকৃষ্ট হয়। তেওঁৰ মনত বালগঙ্গাধৰ তিলক, লালা লাজপৎ ৰায় আৰু বিপিনচন্দ্ৰ পাল আদি মনীষীসকলৰ সৌজন্যতে ৰাজনীতিৰ অঙ্কুৰ আগতকৈ পৰিস্ফুট হৈ উঠে। বিশেষকৈ ১৯১২ চনৰ পৰা ৰাজনীতি ক্ষেত্ৰত তেওঁ বিশেষভাৱে লিপ্ত হয়। স্বাধীনচিতীয়া জৱাহৰলাল নেহৰুৱে আইন ব্যৱসায়লৈ অকণো মন নেমেলি জনহিতকৰ আৰু দেশসেৱা ব্ৰতত ব্ৰতী হ'বলৈ মনস্থ কৰিলে। ১৯১৪ চনত মিঃ গোখলে জনহিতকৰ কাৰ্য্যৰ নিমিত্তে তেওঁলৈ কিছু আৰ্থিক সাহায্য বিচাৰি অনুৰোধ কৰে। জৱাহৰলালেও তেওঁৰ অনুৰোধক্ৰমে ৪০,০০০ টকা তুলি দি তেওঁক সাহায্য দিয়ে।

১৯১৭ চনত শ্ৰীমতী এনি বেছান্তে হ'মৰুল আন্দোলন চলায়। পণ্ডিত জৱাহৰলাল নেহৰুৱে উক্ত আন্দোলনত সম্পূৰ্ণ সহযোগ কৰে আৰু সেই আন্দোলনৰ সম্পাদকৰ পদ গ্ৰহণ কৰে। ১৯১৯ চনত পণ্ডিত জৱাহৰলালে এলাহবাদৰ পৰা "ইনডিপেণ্ডেণ্ট" নামেৰে এখন ইংৰাজী বাতৰি কাকত উলিয়ায় আৰু তাত নিয়মিতৰূপে লিখে। সেই সময়ত পঞ্জাৱত জালিৱানৱালাবাগৰ দুৰ্ঘটনা ঘটে; নেহৰুৱে পঞ্জাৱলৈ যাত্ৰা কৰে আৰু কংগ্ৰেছৰ দ্বাৰা নিযুক্ত হোৱা তদন্ত কমিটিত যোগদান কৰে। ১৯২০ চনৰ কলিকতাৰ অধিবেশনত অসহযোগ আন্দোলন প্ৰবৰ্তন হোৱাৰ পৰাই পণ্ডিত জৱাহৰলাল কংগ্ৰেছৰ লগত বিশেষভাৱে জড়িত হয়। ১৯২৩ চনত তেওঁ ভাৰতীয় কংগ্ৰেছৰ সাধাৰণ সম্পাদক নিযুক্ত হয়। এই সময়লৈকে মহাত্মা গান্ধীৰ ৰাজনৈতিক মতবাদৰ লগত তেওঁৰ মতামতৰ বিশেষ

মিল আছিল বুলি কব পাৰি। কিন্তু ১৯২৬-২৭ চনত ইউৰোপ ভ্ৰমণৰ ফলত তেওঁৰ ৰাজনৈতিক মতবাদৰ বিশেষ পৰিবৰ্তন হয়। ১৯২৭ চনত ছোভিয়েট সাধাৰণতন্ত্ৰৰ দশম বছৰেকীয়া অধিবেশনত যোগদান কৰি মস্কো চহৰৰ পৰা উভতি আহে আৰু ১৯২৮ চনত ৰুছিয়াৰ অৰ্থনীতি আৰু ৰাজনীতি ব্যৱস্থা সম্পৰ্কে এখন কিতাপ লিখে। সেই সময়তেই তেওঁৰ ৰাজনৈতিক মতামতৰ পৰিবৰ্তন ঘটিবলৈ ধৰে। উদাহৰণ স্বৰূপে ১৯২৮ চনৰ কংগ্ৰেছ অধিবেশনত তেওঁ পূৰ্ণ স্বাধীনতাৰ প্ৰস্তাব তুলি ধৰাটোকেই উল্লেখ কৰিব পাৰি।

১৯২৯ চনত জৱাহৰলাল নেহৰুৱে ভাৰতীয় জাতীয় কংগ্ৰেছৰ লাহোৰ অধিবেশনত সভাপতিত্ব কৰে। উক্ত অধিবেশনত সভাপতিৰ অভিভাষণত তেওঁ অতি স্পষ্টভাৱে ঘোষণা কৰি কৈছিল,—“সমাজতন্ত্ৰৰ ভিত্তিত ভাৰতবৰ্ষৰ পূৰ্ণ স্বাধীনতা প্ৰতিষ্ঠিত হ'ব। ঔপনিবেশিক শাসনতন্ত্ৰৰ দৰে কোনো শাসনতন্ত্ৰ প্ৰতিষ্ঠিত হলে ভাৰতবৰ্ষই প্ৰকৃত স্বাধীনতা লাভ নকৰিব। আমাৰ হাতলৈ প্ৰকৃত ক্ষমতা অহা তেতিয়াহে বুজিম যেতিয়া ভাৰতত থকা সকলো বিদেশী সৈন্য আৰু ভাৰতীয় অৰ্থ ব্যৱস্থাৰ বিদেশী পৰিচালিত কৰ্তৃত্ব সম্পূৰ্ণৰূপে অপসাৰিত হ'ব।” এই অধিবেশনৰ মূল প্ৰস্তাব আছিল পূৰ্ণ স্বাধীনতা। এই উদ্দেশ্য পালন কৰি চলিবৰ বাবে তেওঁ সমগ্ৰ ভাৰতবাসীকে আহ্বান কৰিছিল। এই অধিবেশনত উক্ত স্বাধীনতা প্ৰস্তাৱ সৰ্বসম্মতিক্ৰমে গৃহীত হয়।

জৱাহৰলাল নেহৰুৱে কংগ্ৰেছৰ লগে লগে সমাজতন্ত্ৰৰ ফালেও ঢাল লৈ বিশেষ-ভাৱে মনোযোগ দি কাম কৰিছিল। ১৯৩০ চনত কংগ্ৰেছৰ কৰাচী অধিবেশনত প্ৰধানকৈ তেওঁৰ অনুপ্ৰেৰণাতেই কংগ্ৰেছৰ মূল অধিকাৰ দাবীৰ প্ৰস্তাৱ গৃহীত হয়। সেই সময়ত সমাজতন্ত্ৰবাদ নীতি দেশত ক্ৰমশঃ বিয়পিবলৈ ধৰিছিল। ১৯৩৪ চনত পণ্ডিত জৱাহৰলাল ফাটেকৰ পৰা ওলাই আহি “ভাৰত কোন পথত ?” শিতান দি কেইটামান মৌলিক প্ৰবন্ধ লিখে আৰু ইয়াৰ পৰাই সমাজতন্ত্ৰবাদীৰ কৰ্ম আৰু চিন্তাশক্তিৰ ধাৰা চাৰিওফালে বিশেষভাৱে প্ৰচাৰিত হয়। ১৯৩৪ চনৰ ফেব্ৰুৱাৰী মাহত বোম্বাইত সোতৰজন সমাজতন্ত্ৰী গোট খাই এখন সমাজ-তান্ত্ৰিক কাৰ্য্য পদ্ধতি প্ৰকাশ কৰে। জৱাহৰলালে জনায় যে কংগ্ৰেছৰ নীতি উন্নত কৰিবৰ কাৰণে কংগ্ৰেছৰ মাজত এনে ধৰণৰ একো একোটা সমাজ-তন্ত্ৰীৰ দল গঠন হোৱা নিতান্ত আৱশ্যক। ১৯৩৪ চনৰ ২১ আৰু ২২ অক্টোবৰ তাৰিখে সমাজতন্ত্ৰী সম্মিলনৰ প্ৰথম বছৰেকীয়া অধিবেশন হয়। মুঠতে কৰাচী

গ'লে ভাৰতত সমাজতন্ত্ৰীদল গঠনৰ মূলত পণ্ডিত জৱাহৰলাল নেহৰুৱে অগ্ৰগণ্য। ১৯৩৬ চনৰ লক্ষ্ণৌত জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশনত সভাপতি পণ্ডিত নেহৰুৱে ঘোষণা কৰি কৈছিল,—"আজিৰ জগতত ফেচিষ্ট আৰু নাজিবাদৰ লগত ছোভিয়েট ৰুচিয়াৰ কমিউনিষ্ট মতবাদ প্ৰতিদ্বন্দ্বীৰূপে চলিছে আৰু জগতত এফালে সাম্ৰাজ্যবাদ আৰু ধনতন্ত্ৰবাদ আৰু আনফালে গণতন্ত্ৰ আৰু সমাজতন্ত্ৰবাদ এই দুই বিপৰীত শক্তিৰ প্ৰতিদ্বন্দ্বিতা চলিছে।" ইটালীৰ আবিছিনীয়া গ্ৰাস আৰু স্পেইনৰ গণতান্ত্ৰিক মতবাদৰ বিৰুদ্ধে ফেচিষ্ট মতবাদৰ সংঘৰ্ষ আদি জাগতিক আন্দোলন আৰু সমস্যাৰ কথা নভবাকৈ ভাৰত থাকিব নোৱাৰে বুলি নেহৰুৱে দৃঢ়াই কৈছিল। তেওঁ আৰু ঘোষণা কৰি কৈছিল যে দৰিদ্ৰ ভাৰতত সমাজতান্ত্ৰিক ৰাষ্ট্ৰশাসন প্ৰথাহে প্ৰবৰ্তিত হ'ব আৰু সেয়েই কংগ্ৰেছৰ আদৰ্শ।

সাম্প্ৰদায়িক বাটোৱাৰাৰ প্ৰশ্ন পৰ্য্যালোচনা কৰি পণ্ডিত জৱাহৰলাল নেহৰুৱে অতি দুখেৰে কৈছিল,—"তথাকথিত কংগ্ৰেছ জাতীয় দলৰ মনোভাৱ মোৰ ওচৰত অতিকৈ শোচনীয় বুলি প্ৰতিপন্ন হৈছিল। সাম্প্ৰদায়িক বাটোৱাৰাৰ প্ৰতি তেওঁলোকৰ তীব্ৰ মনোভাৱৰ অৰ্থ মই বুজি পাওঁ, কিন্তু তেওঁলোকে তেওঁলোকৰ নিজৰ প্ৰতিষ্ঠা বৃদ্ধিৰ আশাৰে অতিকৈ সাম্প্ৰদায়িক দলসমূহৰ লগতহে মিল হয়। আনকি ভাৰতত ৰাজনৈতিক আৰু সামাজিক ফালৰপৰা সবাতোকৈ অধিক প্ৰতি-ক্ৰিয়াশীলপন্থী সনাতনীসকলৰ লগতো আৰু তাৰ লগত বহু নিন্দিত চৰিত্ৰৰ ৰাজনৈতিক প্ৰতিক্ৰিয়াশীলসকলৰ লগতো একত্ৰে মিলিত হয়। তেওঁলোকৰ অনেকেই সকলো ফালৰ পৰা কংগ্ৰেছ বিৰোধী আছিল।" সাম্প্ৰদায়িক বাটো-ৱাৰাৰ প্ৰশ্নক কেন্দ্ৰ কৰি ভাৰতৰ স্বাধীনতা আন্দোলন সেই সময়ত বহু পৰিমাণে নিষ্ক্ৰিয় হৈ উঠিছিল আৰু জৱাহৰলালে সেই কথা সোঁৱৰাই দিছিল।

কেবিনেট মিছনৰ প্ৰস্তাৱ অনুযায়ী ১৯৪৬ চনৰ ২ চেপ্তেম্বৰৰ দিনা অন্তৰ্বৰ্ত্তী চৰকাৰে কাৰ্য্যভাৰ গ্ৰহণ কৰে আৰু সংখ্যাগৰিষ্ঠ দলৰ নেতা হিচাপে পণ্ডিত জৱাহৰলাল নেহৰুৱে প্ৰধানমন্ত্ৰীৰ দায়িত্ব লয়। মহাত্মা গান্ধীয়ে আগেয়ে জৱাহৰলাল নেহৰুক তেওঁৰ উত্তৰাধিকাৰী বুলি ঘোষণা কৰিছিল আৰু সেই বাবে কংগ্ৰেছে নবীন ভাৰতৰ বিপ্লৱৰ মূৰ্ত প্ৰতীক জৱাহৰলালক নেতা হিচাবে বৰণ কৰি ভাৰত শাসনৰ দায়িত্ব লবলৈ অনুৰোধ কৰিছিল। ভাৰতৰ ইতিহাসত ১৯৪৬ চনৰ ২ চেপ্তেম্বৰ এটি স্মৰণীয় দিবস। এইদিনাই প্ৰায় দুশ বছৰৰ পৰাধীনতাৰ পাছত কংগ্ৰেছৰ পঞ্চাশ বছৰীয়া সংগ্ৰামৰ অন্তত গৃহযুদ্ধত জৰ্জৰিত আৰু দ্বিখণ্ডিত

ইং ইংও ভাৰতৰ পৰিস্থিতিত ভাৰতৰ অপ্ৰতিদ্বন্দ্বী নেতা জৱাহৰলালে পোন প্ৰথম বাৰৰ বাবে ভাৰত শাসনৰ দায়িত্ব লৈছিল। নেহৰু চৰকাৰ প্ৰতিষ্ঠিত হৈয়েই সাম্প্ৰদায়িক সংঘৰ্ষ দমাবলৈ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰে।

কেবিনেট মিছনৰ প্ৰস্তাৱৰ লগতে গণপৰিষদৰ দ্বাৰা দেশৰ সংবিধান ৰচনাৰ কথাও আছে। এনে পৰিস্থিতিতেই ১৯৪৬ চনৰ ৯ ডিচেম্বৰৰ দিনা গণপৰিষদৰ অধিবেশন আৰম্ভ হয়। পণ্ডিত জৱাহৰলাল নেহৰুৱে ১৩ ডিচেম্বৰৰ অধিবেশনত গণ-পৰিষদৰ উদ্দেশ্য আৰু লক্ষ্য নিৰ্ধাৰণ কৰিবলৈ উত্থাপন কৰা প্ৰস্তাৱত কৈছিল—"ভাৰতৰ স্বাধীনতাৰ প্ৰতি ইংৰাজৰ সমৰ্থন আছে বুলিয়েই আজি আমি ইয়াত সমবেত হোৱাৰ সুযোগ লাভ কৰিছোঁ। আমি সমগ্ৰ ভাৰতৰ সকলো ৰাইজৰ স্বাৰ্থৰ হকে আগুৱাই যাম, কোনো দল বা উপদলৰ হকে নহয়। ভাৰতত এক সাৰ্বভৌম গণতান্ত্ৰিক ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ আমি সংকল্প লৈছোঁ আৰু সমগ্ৰ ভাৰতবৰ্ষই আমাৰ গণতান্ত্ৰিক সাৰ্বভৌম ৰাষ্ট্ৰৰ সীমা।"

জগত বৰেণ্য মহাত্মা গান্ধীৰ অনুপ্ৰেৰণাতেই যে ভাৰতৰ জাতীয় আন্দোলন পণ্ডিত জৱাহৰলাল জীৱনৰ ব্ৰত হিচাবে গ্ৰহণ কৰিছিল তাত একো সন্দেহৰ কথা নাই। ১৯১২ চনৰ পৰা পণ্ডিত জৱাহৰলালে নীৰৱে ৰাজনীতি চৰ্চা কৰি আছিল। ১৯২০ চনৰ পৰা তেওঁৰ ৰাজনীতিৰ ক্ষেত্ৰত কৰ্তব্যৰ আহ্বান পৰিল। এই সময়ৰ পৰাই প্ৰায় অধিক সময় ফাটকতেই কটাইছিল। ১৯২১ চনৰ অসহযোগ আন্দোলনৰ সময়ত তেওঁৰ ছমাহৰ কাৰণে কাৰাগাৰত আটক হৈ আছিল; তিনি মাহৰ পিছত তেওঁক মুকলি কৰি দিয়া হ'ল যদিও কেইসপ্তাহমানৰ পিছতে আকৌ এবছৰ ন মাহৰ কাৰণে ফাটেক হয়। ইয়াৰ ন মাহৰ পিছত তেওঁ মুক্তি লাভ কৰে। কিন্তু ১৯২৭ চনত অকাল-দুৰ্ভিক্ষত প্ৰপীড়িত শিখবিলাকৰ প্ৰতি গৱৰ্ণমেণ্টে কেনে ব্যৱহাৰ কৰিছে তাক চাবৰ নিমিত্তে জাভাবাজলৈ যোৱাত আদেশ অমান্য কৰাৰ অভিযোগত অভিযুক্ত কৰি ছমাহ আৰু ষড়যন্ত্ৰৰ অভিযোগত দুবছৰৰ কাৰণে ফাটেকত দিয়ে। অৱশ্যে কিছুদিন ফাটেক খটাৰ পিছতেই তেওঁক মুকলি কৰি দিয়া হয়। ১৯৩০ চনৰ এপ্ৰিল মাহত লোণ আইন অমান্য আন্দোলনত তেওঁৰ কিছুদিনৰ কাৰণে ফাটেক হয় আৰু ১৯৩১ চনৰ জানুৱাৰী মাহত মুক্তি লাভ কৰে। আইন অমান্য আন্দোলনত ১৯৩২ চনত আকৌ তেওঁৰ ফাটেক হয়, কিন্তু ১৯৩৫ চনত মুক্তি লাভ কৰে। এইবাৰ মুক্তি লাভ হোৱাৰ কিছুদিনৰ পিছত তেওঁ কলিকতাত ভৰপূৰ জনতাৰ মাজত বক্তৃতা দিওঁতে

ৰাজদ্ৰোহ প্ৰচাৰ কৰা হৈছে বুলি কলিকতাৰ চিফ প্ৰেছিডেন্সি মেজিষ্ট্ৰেটে তেওঁক দুবছৰৰ কাৰণে ফাটেকৰ আদেশ দিয়ে। কিন্তু তেওঁৰ ফাটেকৰ দিন শেষ হোৱাৰ আগতেই পত্নীৰ অসুখৰ কাৰণে মুকলি কৰি দিয়া হয়। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনৰ সময়তো সাম্ৰাজ্যবাদী চৰকাৰে জৱাহৰলাল নেহৰুক বন্দী কৰি থৈছিল।

গান্ধীজীয়ে লিখিছিল,—"জৱাহৰলালৰ প্ৰভাৱৰ লগত ফেৰ মাৰিব পৰা লোক সেই দিনত বৰ বিৰল"। ১৯২৬-২৭ চনত ইউৰোপ ভ্ৰমণৰ সময়ত ব্ৰুছেলত সাম্ৰাজ্যবাদ বিৰোধী সঙ্ঘৰ এক অধিবেশনত পৃথিবীৰ সকলো জাতিৰ প্ৰতিনিধিসকল গোট খাইছিল। পণ্ডিত জৱাহৰলালে ভাৰতৰ পক্ষৰ পৰা উপৰোক্ত সঙ্ঘৰ প্ৰতিনিধিত্ব কৰি ভাৰতৰ প্ৰাপ্য দাবীৰ কথা সকলোকে জনায়। তেওঁৰ বাগ্মীতা আৰু দৃঢ়তাত সঙ্ঘৰ প্ৰতিনিধিসকল ইমানে মুগ্ধ হৈছিল যে তেওঁলোকে উক্ত সাম্ৰাজ্যবাদ বিৰোধী সঙ্ঘৰ সহকাৰী সভাপতিৰ পদৰে তেওঁক সম্মানিত কৰিছিল। মহাত্মা গান্ধীয়ে কৈছিল,—"দেশসেৱাত জৱাহৰলালৰ নিচিনা অকৃত্ৰিম দ্বিতীয় লোক কোনো নাই।" ভাৰতৰ স্বাধীনতা আন্দোলনত জৱাহৰলাল আছিল এজন জগত বৰেণ্য দূৰদৰ্শী লোক। তেওঁৰ মনেৰে বৰ্তমান ভাৰতৰ অৱস্থাৰ পৰিণতিৰ লগে লগে ভাৰতীয় কংগ্ৰেছৰ ক্ষেত্ৰ আৰু বহল কৰি উলিয়াব লাগিব—যাতে তাৰ পৰা জাতিৰ অকল ৰাজনৈতিক স্বাধীনতাই নহয় সামাজিক আৰু অৰ্থনৈতিক স্বাধীনতাও হ'ব পাৰে। স্বাধীনতা, ন্যায় বিচাৰ আৰু সাদৃশ্য এই কেইটা কথা তেওঁৰ জীৱনৰ এটা অংশ স্বৰূপ। এই আদৰ্শ তেওঁ নিজৰ জীৱন যাপনত সদায় পালন কৰি আহিছে আৰু লগে লগে সৰ্বসাধাৰণৰ মাজতো এই আদৰ্শ প্ৰতিষ্ঠা তেওঁৰ জীৱনৰ এক সাধনা আৰু কামনা আছিল।

# অসমত স্বাধীনতা আন্দোলনৰ সূত্ৰপাত

ঊনৈশ শতিকাৰ আদি ভাগত আহোম ৰজা আৰু অন্যান্য ৰাজপৰিয়ালৰ ক্ষমতাশালী পুৰুষসকলৰ নিজৰ ভিতৰতে অৰিয়া-অৰি, ঈৰ্ষা আৰু অনৈক্যৰ সুযোগ লৈ ১৮১৬ চনত বৰ্মাদেশৰ মানসকলে অসম আক্ৰমণ কৰে। এই ৰণত আহোম ৰজাৰ পৰাজয় হ'ল। মানসকলে আহোম ৰজাক পৰাস্ত কৰি অসমত মানৰ নিৰ্মম অত্যাচাৰী শাসন প্ৰবৰ্তন কৰে। ব্ৰহ্মদেশীয় অত্যাচাৰীসকলে অসমত নৃশংস আৰু অমানুষিক অত্যাচাৰ চলাই সন্ত্ৰাসৰ ৰাজত্ব প্ৰবৰ্তন কৰিছিল। ১৮২৪ চনত বৰ্মাৰ লগত ইংৰাজৰ প্ৰথম যুদ্ধ হয় আৰু সেই যুদ্ধত বৰ্মাই পৰাজয় বৰণ কৰে। ১৮২৬ চনত বৰ্মাৰ ৰজাই পৰাজয় বৰণ কৰি বৰ্মাৰ আৰাকান আৰু তেনাচেৰিম অঞ্চল ইংৰাজক দিয়ে। ইয়াৰ উপৰিও বৰ্মাৰজাই অসম, কাছাৰ আৰু জয়ন্তীয়াৰ ওপৰত সকলো প্ৰকাৰৰ দাবী প্ৰত্যাহাৰ কৰে আৰু অসমদেশ আৰু তাৰ অধীনৰ ৰাজ্যসমূহৰ ওপৰত হস্তক্ষেপ নকৰো বুলি প্ৰতিজ্ঞা কৰে। এয়েই ১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত। ইয়াণ্ডাবু সন্ধি সূত্ৰে অসম ৰাজ্য বৃটিশৰ অধীনলৈ হস্তান্তৰ হয়। পুৰণা শাসন পদ্ধতিৰ কিছু নিয়ম ৰাখি কোম্পানীৰ ধৰণেৰে বৃটিশে দেশ শাসন কৰিবলৈ ধৰিলে। আহোম ৰাজ-পৰিয়ালৰ আৰু বিষয়াসকলৰ ঘৰ-বাৰী-পথাৰত কাম কৰা পাইক লিকচৌ গুচাই দিয়া হ'ল। খেনো-খেনোক মাত্ৰ গোটাচেৰেক লিকচৌ আৰু পেঞ্চন দিয়া হৈছিল। কেইবছৰমানৰ পাছত সম্ভ্ৰান্ত পৰিয়ালৰ ঘৰত থকা বেটি-বন্দী-গোলামকো মুক্তি দিয়া হ'ল। মানৰ অমানুষিক অত্যাচাৰৰ পৰা ৰক্ষা পাবলৈ অসমৰ জনসাধাৰণে ইংৰাজক সাদৰি লৈছিল। মানসকল অসম এৰি যোৱাত ন্যায়তঃ অসম আহোম ৰজাই পাব লাগিছিল। কিন্তু আহোমসকলৰ দুৰ্বলতাৰ সুযোগ লৈ ইংৰাজে অসমক নিজৰ ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে। অসমীয়া ৰাইজে দেখিলে অসমৰ পৰা মানক খেদিবলৈ আহি বৃটিশেই গোটেই অসমৰ অধিকাৰী হৈ পৰিল আৰু তাৰ লগে লগে অসমীয়া পৰিয়ালৰ পূৰ্বৰ পয়োভৰ অৱস্থা ম্লান হবলৈ ধৰিলে। অসমে এনেকৈয়ে স্বাধীনতা হেৰুৱায়।

স্বৰ্গদেৱ চন্দ্ৰকান্ত সিংহ আৰু পুৰন্দৰ সিংহ আৰু আগৰ ডা-ডাঙৰীয়া সকলে অসমক পূৰ্বৰ দৰে প্ৰতিষ্ঠিত কৰিবৰ কাৰণে নানান ভাবে দাবী আৰু অনুৰোধ

কৰিছিল। বৃটিশে দিয়া উত্তৰৰ মৰ্ম আছিল এই—"দিগ্বিজয় সূত্ৰে আমি অসমৰ অধিকাৰী হৈছো, আমি তাক এনেয়ে এৰি যামনে ?"

অসমীয়াই এই ভাগ্য পৰিবৰ্তনক নিৰ্বিৰোধে মানি লবলৈ অস্বীকাৰ কৰিলে। ভাৰতৰ আন আন প্ৰদেশতকৈ অসম অনেক পিছত ইংৰাজৰ অধীনলৈ যায়। অসম ইংৰাজৰ অধীনলৈ গলেও অসমৰ জনসাধাৰণৰ স্বাধীনতাৰ স্পৃহা, স্বাধীনতাৰ প্ৰতি গভীৰ অনুৰাগ আৰু স্বদেশপ্ৰীতিৰ যি মনোভাব শ শ বছৰ ধৰি সৃষ্টি হৈছিল, তাক ইংৰাজে অসম অধিকাৰ কৰি লোৱা সত্বেও নিঃশেষ কৰিব পৰা নাছিল। তেওঁলোকৰ ৰাজনীতিৰ সুপৰিচিত পন্থা আছিল এই,—"দৈৱ-দুৰ্বিপাকত ৰাজ্য পৰাধীন হ'ব পাৰে ; কিন্তু যি অসম ৰাজ্য চিৰকালেই স্বাধীন আৰু স্বতন্ত্ৰ, তাত যদি বছৰচেৰেক বিদেশীৰ প্ৰভাৱ হয় তাৰ কাৰণে নিষ্কৰ্মা হৈ হাত সাবটি বহি থাকিব নালাগে ; যাতে বিদেশীৰ প্ৰভুত্ব গুচাব পাৰি তাৰ নিমিত্তেহে চেষ্টা কৰিব লাগে।" ভাৰতৰ ভিতৰত অসমেই একমাত্ৰ ৰাজ্য, যিয়ে প্ৰবল প্ৰতাপী মোগল সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত নোহোৱাকৈ নিজৰ স্বাধীনতা সুস্থিৰভাৱে বজাই ৰাখি চলিব পাৰিছিল। অসমে কেবাবাৰো মোগল আক্ৰমণ ওফৰাই খেদি পঠিয়াবলৈ সক্ষম হৈছিল। গুৱাহাটীৰ শৰাইঘাটৰ ৰণ ভাৰতৰ ইতিহাসত অতি উল্লেখযোগ্য ঘটনা। এই শৰাইঘাটৰ ৰণত বীৰ লাচিত বৰফুকনৰ নেতৃত্বত অসমীয়া সৈন্যই বিৰাট মোগল বাহিনীক পৰাস্ত আৰু বিধস্ত কৰি খেদি পঠিয়াই অসমৰ স্বাধীনতা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। এনে স্থলত ইয়াণ্ডাবু সন্ধি সূত্ৰে অসম পৰাধীন হলেও সেই পৰাধীনতাৰ শিকলি দলিয়াই পেলাবলৈ যত্নবান হ'ব লাগিব—এয়ে আছিল অসমীয়াৰ যুগে যুগে ৰাজনৈতিক নীতি। অসমত ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ পৰা লাহে লাহে অসমীয়া মানুহৰ মাজত অসন্তোষৰ ভাব প্ৰকাশ পাবলৈ ধৰিলে। গতিকে, অসমীয়াই যে বৃটিশৰ শাসনক দলিয়াই পেলাবলৈ অহোপুৰুষাৰ্থ কৰিব সি স্বাভাৱিক।

অসমত ইংৰাজ শাসন প্ৰৱৰ্তন হোৱাৰ লগে লগে মিঃ ডেভিদ স্কট অসমৰ কমিচনাৰ নিযুক্ত হৈছিল। মিঃ স্কটে অসমীয়া জনসাধাৰণৰ স্বাধীনতাৰ স্পৃহা আৰু স্বদেশপ্ৰেমৰ মনোভাব উপলব্ধি কৰি অসমৰ আগৰ আহোম ৰজাক অসমক পুনৰ প্ৰত্যাৰ্পণ কৰিবলৈ অনুৰোধ জনাই ইষ্ট ইণ্ডিয়া কোম্পানীৰ উচ্চতম কৰ্তৃপক্ষলৈ লিখি জনাইছিল। কিন্তু ইংৰাজে আহোম ৰজাক অসমৰ ৰাজশাসন পুনৰ অৰ্পণ কৰিবলৈ ইচ্ছুক নাছিল।

সৌভাগ্যক্ৰমে লাহে লাহে আহোম ৰাজপৰিয়াল আৰু তেওঁলোকৰ উচ্চ বিষয়া আদিৰ মাজত ধীৰে ধীৰে স্বদেশপ্ৰেম মূৰ দাঙি উঠিবলৈ ধৰে। বিদেশী শাসকৰ বিৰুদ্ধে অসমীয়া সমাজত বিৰুদ্ধ মনোভাৱৰ সৃষ্টি হবলৈ ধৰিলে।

**গোমধৰ কোঁৱৰৰ বিদ্ৰোহ, ১৮২৮ চন:** অসমৰ লুপ্ত স্বাধীনতা পুনৰুদ্ধাৰৰ বাবে পোন প্ৰথম চেষ্টা কৰিছিল সেন গোহাঁইৰ পুতেক গোমধৰ কোঁৱৰে। তেওঁৰ পূৰ্বপুৰুষ আছিল চুচেংফা প্ৰতাপসিংহ স্বৰ্গদেৱৰ পুতেক মেৰু গোহাঁই। কোঁৱৰে নিজকে অসমৰ স্বৰ্গদেৱ বুলি ঘোষণা কৰিছিল আৰু ৰাজসম্ভ্ৰম দেখুৱাবৰ নিমিত্তে কেকোঁৰাডোলা, আৰোৱান আদি ৰাজসম্পত্তি ব্যৱহাৰ কৰিছিল; ৰজাৰ দিনৰ আৰু বৃটিশৰ অধীনৰ বিষয়াসকলৰ চিঠি দি ষড়যন্ত্ৰত যোগ দিবলৈ টানি অনুৰোধ কৰিছিল আৰু অন্যান্য মানুহকো বৃটিশৰ বিদ্ৰোহী হবলৈ উচটাই ফুৰিছিল আৰু ইংৰাজৰ হৈ খাজানা তুলি ফুৰা মানুহক হকাবধা কৰিছিল। গোমধৰ কোঁৱৰৰ মুখ্য সহায়কাৰী আছিল কানুৱা ডেকাফুকন, ধৰ্মধৰ মন্ত্ৰী, পিয়ালী ওৰফে ধনজয় ভগা বৰগোহাঁঞ আৰু তেওঁৰ পুতেক হৰনাথ। বহুত মানুহে অস্ত্ৰশস্ত্ৰ লৈ গোমধৰ কোঁৱৰৰ লগ লাগে। কিন্তু এই বিদ্ৰোহৰ আয়োজনৰ বিষয়ে বৃটিশে কেনেবাকৈ গম পালে। ১৮২৮ চনৰ ২৯ অক্টোবৰ তাৰিখে লেফটেনেণ্ট ৰুথাৰফোৰ্ড চাহাবে গোমধৰ কোঁৱৰৰ সৈন্যক আক্ৰমণ কৰি ঘটুৱায়। বাৰ দিনৰ মূৰত কোঁৱৰে নিজে আহি যোৰহাটত আত্মসমৰ্পণ কৰে। পোন প্ৰথমে যোৰহাটৰ পঞ্চায়তে এই ষড়যন্ত্ৰৰ বিচাৰ কৰে, বিচাৰৰ কাগজপত্ৰ চাই ডেভিদ্ স্কট চাহাবে সাত বছৰৰ কাৰণে গোমধৰ কোঁৱৰক নিৰ্বাসন দণ্ড দিয়ে আৰু অন্যান্য অপৰাধীকো যথাযথ শাস্তি দিয়ে। হৰনাথৰ বিৰুদ্ধে প্ৰমাণ নোপোৱাত তেওঁক খালাচ দিয়া হয়।

**পিয়ালী ফুকনৰ বিদ্ৰোহ, ১৮৩০ চন:** গোমধৰ কোঁৱৰৰ বিদ্ৰোহ ব্যৰ্থ হোৱা সত্ত্বেও গোমধৰ কোঁৱৰৰ অনুগামীসকলে ইংৰাজক এসেকা দিবৰ বাবে যো-যা চলাই আছিল। গোমধৰ কোঁৱৰৰ ষড়যন্ত্ৰৰ অপৰাধী কেইজন ফাটকত থকা অৱস্থাত হৰনাথে পলুৱাই আনে আৰু কিছুমান নতুন মানুহ লগলৈ আনি বৃটিশৰ বিৰুদ্ধে পুনৰ ষড়যন্ত্ৰ কৰে। এই ষড়যন্ত্ৰৰ নেতা আছিল বদনচন্দ্ৰ বৰফুকনৰ পুতেক পিয়ালী বা পোৱালী বৰফুকন আৰু ধনজয় বৰগোহাঁঞৰ জোঁৱায়েক জীউৰাম দুলীয়া বৰুৱা—এই দুয়োজন আহোম বিষয়া। এওঁলোকে ঠিক কৰিলে যে ১৮৩০ চনৰ ২৫ মাৰ্চ তাৰিখে ৰংপুৰৰ চিপাহীৰ চাউনীত জুই দি চিপাহীক আক্ৰমণ কৰিব আৰু তাৰ পিছত ৰাজ্য দখলৰ যি ব্যৱস্থা হয় সকলো কৰিব।

এই উদ্দেশ্যে যথাবিধি আয়োজন চলিবলৈ ধৰিলে। তেওঁলোকৰ কেন্দ্ৰস্থান হ'ল মটক ৰাজ্যৰ অন্তৰ্গত তেঙ্গী নামঘৰ নামে ঠাই। পিয়লী বৰফুকনৰ উদগণিত মটকৰ বৰসেনাপতিৰ দ্বিতীয় পুত্ৰকেও এই ষড়যন্ত্ৰত যোগ দিছিল আৰু বৰসেনাপতিৰ বিৰোধীদলৰ কিছুমান মানুহক লগলৈ আনে। সেই সময়ত খাচীয়া সকলেও ইউ তিৰাৎ সিঙৰ নেতৃত্বত বৃটিশৰ বিৰুদ্ধে অস্ত্ৰধাৰণ কৰিছিল আৰু পুৰৱফালে চিংফৌ আৰু খামতিসকলেও ইংৰাজৰ বিৰুদ্ধাচৰণ কৰিছিল। এই সুযোগতে, পিয়লী বৰফুকনে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ মোৱামৰীয়া, খামতি, নগা, গাৰো, খাচীয়া, জয়ন্তীয়া, মণিপুৰ, দফলাৰ অধিপতিসকলোলৈকে চিঠি লিখি পঠিয়াইছিল। তেনে এখন চিঠি পদিয়াখোৱা গোহাঁঞে পাই উজনি অসমৰ শাসনকৰ্তা নিউভিল চাহাবক সমৰ্পণ কৰে।

১৮৩০ চনৰ ২৫ মাৰ্চৰ নিশা ৰংপুৰত থকা ইংৰাজৰ চিপাহী-চকী অতৰ্কিতে আক্ৰমণ কৰিবৰ মনেৰে পিয়লী বৰগোহাঁঞে, পিয়লী বৰফুকন লগত কেইবাশ মানুহ লৈ সসৈন্যে যাত্ৰা কৰে। চিপাহীৰ চাউনী পুৰি ধ্বংস কৰা হ'ল, কিন্তু চিপাহীক আক্ৰমণ কৰিব নোৱাৰি পিয়লী বৰগোহাঁঞে দলে বলে গেলেকিলৈ উভতি আহিল, তাতে কোম্পানীৰ ডাৰোগাই পাই সকলোকে গ্ৰেপ্তাৰ কৰে। পিয়লী বৰফুকনকো সশস্ত্ৰ অৱস্থাত বন্দী কৰা হ'ল।

এই ষড়যন্ত্ৰৰ প্ৰথম বিচাৰ হয় নিউভিল চাহাবৰ আদালতত, তাত বিচাৰক আছিল এজন অসমীয়া বৰগোহাঁঞ আৰু এজন বৰবৰুৱা। এই বিচাৰত প্ৰমাণ পোৱা গ'ল যে গোমধৰ কোঁৱৰৰ ষড়যন্ত্ৰতো পিয়লী বৰফুকন সংশ্লিষ্ট আছিল। বিচাৰত প্ৰধান দোষী সাব্যস্ত হ'ল—পিয়লী বৰফুকন, জীউৰাম দুলীয়া বৰুৱা, ৰূপচান্দ কোঁৱৰ, দেওৰাম দিহিঙ্গীয়া ডেকা, বোম চিংফৌ আৰু হৰনাথ। আদালতে হুকুম দিলে যে উক্ত ছজন অপৰাধীক "অসমৰ দস্তুৰ আৰু বৃটিশৰ আইন" অনুসৰি ফাচী দিব লাগে। ১৮৩০ চনৰ ৬ আগষ্ট তাৰিখে ডেভিদ স্কট চাহাবৰ চেৰাপুঞ্জীৰ আদালতত এই ষড়যন্ত্ৰৰ শেষ বিচাৰ হ'ল। তাত এই শাস্তি বিধান কৰা হয়,—পিয়লী বৰফুকন আৰু জীউৰাম দুলীয়া বৰুৱাৰ মৃত্যুদণ্ড ; বোম চিংফৌ, ৰূপচান্দ কোঁৱৰ, দেওৰাম দিহিঙ্গীয়া ডেকা আৰু হৰনাথ এওঁলোকৰ প্ৰত্যেকৰে চৈধ্য বছৰলৈ নিৰ্বাসন দণ্ড ; আৰু প্ৰথম পাঁচজন অপৰাধীৰ সকলো সম্পত্তি বাজেয়াপ্ত। পিয়লী বৰফুকনে বিচাৰৰ সময়ত কৈছিল,—"নিজৰ দেশক স্বাধীন কৰিবলৈ খোজাটো কোনো দোষেই নহয়।" ১৮৩০ চনৰ আগষ্ট মাহত শিৱসাগৰ পুখুৰীৰ

পাৰত পিয়ালী বৰফুকন আৰু জীউৰাম ডুলীয়া বৰুৱাক ফাঁচী দিয়া হয়। দেশক স্বাধীন কৰিবলৈ কৰা প্ৰচেষ্টাৰ বাবে মৃত্যুদণ্ড লাভ কৰি পিয়ালী বৰফুকন আৰু জীউৰাম ডুলীয়া বৰুৱা শ্বহীদ হয়। বৃটিশ শাসনৰ বিৰুদ্ধে এয়ে আছিল অসমীয়াৰ দ্বিতীয় বিদ্ৰোহ।

পিয়ালী বৰফুকন আৰু জীউৰাম ডুলীয়া বৰুৱাৰ আত্মত্যাগে অসমৰ জনসাধাৰণৰ মাজত দেশাত্মবোধৰ বহ্নিশিখাক আৰু অধিক প্ৰখৰ কৰি তুলিছিল। ইংৰাজেও লাহে লাহে বুজি পালে যে অসমীয়াসকল বিদেশীৰ শাসনত সহজে সৈমান হোৱাটো টান। ডেভিদ স্কট চাহাবে ১৮২৯ চনৰ মাৰ্চ মাহত সকলো কথা গমি-পিতি চাই গৱৰ্ণৰ জেনেৰেললৈ লিখিলে,—“উজনি অসমৰ প্ৰজাবৃন্দ আমাৰ শাসনৰ প্ৰতি অনুৰক্ত হ'ব বুলি কেতিয়াও আশা কৰিব নোৱাৰি আৰু এনেহে সম্ভাৱনা যে অসমৰ সম্ভ্ৰান্ত পুৰুষসকলে নিজৰ দেশৰ এজনক ৰজা পাতি পূৰ্বৰ ধৰণে শাসন চলাবলৈ সদায় অভিলাষ কৰিব, আৰু তাৰ অৰ্থে যথাবিধি কাৰ্য্য কৰিবলৈ চেষ্টান্বিত হব।” ১৮৩১ চনৰ মে' মাহত ডেভিদ স্কট চাহাবে পুনৰ লেখিলে,—“অসমত এজন অসমীয়া কোঁৱৰক সিংহাসনত বহুৱাব লাগিব, তেনে কৰিলেহে সকলো বিদ্ৰোহ চক্ৰান্তৰ সামৰণি পৰিব। অসমৰ প্ৰাচীন ৰাজবংশ আজি নগণ্য অৱস্থাত পৰিণত হৈছে, ডাঙৰীয়া আৰু বিষয়াসকলৰ অৱস্থাও অতি শোচনীয়, দেশীয় ধৰ্ম অনাদৃত হৈছে, আৰু সাধাৰণৰ প্ৰশংসনীয় ৰাজদ্ৰোহ অপৰাধৰ নিমিত্তে ঘনাই মৃত্যুদণ্ড দিব লগাত আমি ৰাইজৰ অভিসম্পাত লাভ কৰিছোঁ। এই প্ৰজা বিদ্বেষৰ পৰা মুক্তি পাবলৈ হলে অসমত এজন স্বাধীন ৰজা পতাটো নিতান্ত বাঞ্ছনীয়।”

স্কট চাহাবৰ প্ৰস্তাৱ অনুসৰি বৃটিশ গৱৰ্ণমেণ্টে কৰতলীয়া হিচাবে পুৰন্দৰ সিংহক অসমৰ উজনি খণ্ডৰ শাসন ভাৰ দিবলৈ মনস্থ কৰিলে। পুৰন্দৰ সিংহই ইংৰাজক বছৰি ৫০,০০০ টকা কৰ দিয়াৰ চৰ্তত ৰাজসিংহাসন লাভ কৰে। অসমীয়াই পুনৰ স্বাধীনতাৰ ক্ষীণ পোহৰ দেখিবলৈ পালে, আৰু তেওঁলোকৰ পাঁচ বছৰীয়া স্বাধীনতা সংগ্ৰামৰ সুফল ধৰাত নিজকে কৃতাৰ্থ মানিলে। কিন্তু এই ব্যৱস্থা বেছি দিন স্থায়ী নহল। পুৰন্দৰ সিংহই ভালদৰে ৰাজ্য চলাব নোৱাৰাৰ অপৰাধত আৰু লগতে নিয়মমতে কৰ সোধাব নোৱাৰাৰ বাবে ১৮৩৮ চনত পুৰন্দৰ সিংহক ৰাজ্যচ্যুত কৰি উজনি অসমক পুনৰ বৃটিশৰ হাতলৈ অনা হ'ল। কৰ সোধাব নোৱাৰাৰ বাবে পুৰন্দৰ সিংহৰ গাত সম্পূৰ্ণ দোষ নাছিল, কাৰণ ভগা ৰাজ্য বাতি লওঁতে তেওঁৰ দুৰ্জয় পৰিশ্ৰম হৈছিল, অসমীয়া মানুহে নগদ টকাৰে খাজানা দিয়াতকৈ গাৰে খাটি

দিয়া নিয়মটো বেছি ভাল পাইছিল। এইটো সকলোৱে স্বীকাৰ কৰিছিল যে পুৰন্দৰ সিংহ স্বৰ্গদেৱে ৰাজ্যত ভালমতে থিত লবলৈ নৌ পাওঁতেই তেওঁৰ পৰা ৰাজ্য কাঢ়ি নিয়া হ'ল। পুৰন্দৰ সিংহই তেওঁক মাহে এহেজাৰ টকা পেঞ্চন দিবলৈ কৰা প্ৰস্তাৱক ইংৰাজে ঘৃণাৰে প্ৰত্যাখ্যান কৰিছিল। ইংৰাজৰ এনে অন্যায় কাৰ্য্যক অসমীয়া মানুহে মানি নোলোৱাটো এটা স্বাভাৱিক ঘটনা।

**চিপাহী বিদ্ৰোহ আৰু মণিৰাম দেৱান:** পুৰন্দৰ সিংহক সিংহাসনচ্যুত কৰি উজনি অসমক ইংৰাজৰ খাচ দখললৈ নিয়াৰ ঘাই কাৰণ আছিল দুটা। প্ৰথমটো হৈছে—সামৰিক আৰু দ্বিতীয়টো হৈছে ব্যৱসায়ীক। অসম ভাৰতৰ পূৱপ্ৰান্তৰ প্ৰহৰী ৰাজ্য; সেয়ে সাম্ৰাজ্যৰ প্ৰতিৰক্ষাৰ কাৰণে এই সীমান্তত ইংৰাজৰ পৰিপূৰ্ণ খাচদখল থকা প্ৰয়োজন। সেইবাবে পুৰন্দৰ সিংহক আঁতৰাই উজনি অসমক ইংৰাজে নিজৰ পোনপটীয়া অধীনলৈ নিয়ে। দ্বিতীয় কাৰণ হৈছে—উজনি অসমত চাহ উদ্যোগৰ প্ৰসাৰৰ বিপুল সম্ভাৱনা আৰু ভূ-গৰ্ভত থকা নানা অমূল্য সম্পদ আহৰণৰ সম্ভাৱনা—এই দুটি ব্যৱসায়ীক কাৰণৰ বাবেও ইংৰাজে উজনি অসমক নিজ দখলত ৰাখিবলৈ আহোম ৰজা পুৰন্দৰ সিংহক সিংহাসনৰ পৰা আঁতৰায়। এই কথা নিঃসন্দেহ যে পুৰন্দৰ সিংহৰ প্ৰতি ইংৰাজে মুঠেই ভাল ব্যৱহাৰ কৰা নাছিল। সেইবাবে আহোম ৰাজ পৰিয়ালৰ আৰু আহোম ৰজাৰ উচ্চ বিষয়া আদিৰমাজত ইংৰাজ শাসনৰ বিৰুদ্ধে অসন্তোষ সৃষ্টি হৈছিল। অসমৰ সম্ভ্ৰান্ত পৰিয়ালসকলে অসমৰ স্বাধীনতা পুনৰুদ্ধাৰৰ চেষ্টা তেতিয়ালৈকে এৰা নাছিল।

সেই সময়ত অতীত আৰু বৰ্তমানৰ অৱস্থা ভালকৈ বুজি পোৱা অসমৰ সৰ্বশ্ৰেষ্ঠ বিচক্ষণ বুদ্ধিমন্ত পুৰুষ আছিল মণিৰাম দত্ত দেৱান বৰভাণ্ডাৰ বৰুৱা। অসমৰ স্বাধীনতা পুনৰুদ্ধাৰৰ কাৰণে মণিৰাম দত্ত দেৱান বৰভাণ্ডাৰ বৰুৱাই ৰিদথে আত্মোৎসৰ্গ কৰিছিল সেই কাহিনী উল্লেখযোগ্য। মণিৰাম দেৱানৰ ১৮০৬ চনত দুৱৰা-কাকতি বংশত জন্ম হয়। ১৮২৪ চনত মানক খেদাই কোম্পানীয়ে যেতিয়া অসম লয়, এওঁ গুৱাহাটীৰ পৰা কোম্পানীৰ ফৌজৰ পথপ্ৰদৰ্শকৰূপে আহে। এওঁৰ সাহস আৰু বুদ্ধি দেখি ১৮২৫ চনত চিনিয়ৰ কমিছনাৰ ডেভিদ স্কট চাহাবে লগত লৈ গৈ কালক্টৰীৰ মিৰমুন্সি পাতিলে। এওঁ সেই কাম এনে সুন্দৰৰূপে কৰিছিল যে অসমত এনে বুদ্ধিমান মানুহ আছে বুলি চাহাবে ভবা নাছিল। অলপ দিনৰ পাছতে কালক্টৰী পেস্কাৰ হ'ল। ১৮২৮ চনত কাপ্তাইন নিউভিল চাহাব জুনিয়ৰ কমিছনাৰ হৈ উজনি অসমলৈ আহোঁতে সকলো ৰাজকাৰ্য্য বুজা ভাল

আমোলা এজন লগত লাগে বুলি চিনিয়ৰ কমিছনাৰ চাহাবক জনালে। স্কট চাহাবে মণিৰাম বৰুৱাকে লায়ক বুজি লগত দি পঠালে। নিউভিল চাহাবে এওঁক মালখানাৰ চিৰস্তাদাৰ পাতিলে। চিৰস্তাদাৰে সকলো কাৰ্য্য এনে সন্তোষদায়করূপে কৰিবলৈ ধৰিলে যে চাহাবে বঙালী মানুহ নোহোৱাকৈ আদালতৰ সকলো কাম এই দেশী ভদ্ৰলোকৰ দ্বাৰা চলিব বুলি জানি অসমীয়া ভদ্ৰ সন্তানসকলক কামত সোমোৱাবলৈ ধৰিলে।

ইংৰাজসকলে সেই সময়ত আগৰ নিয়মেৰে বৰুৱা, ফুকন বিষয় দি চিৰস্তাদাৰ, পেস্কাৰাদি কামো দিছিল। এই দেশৰ নিয়মমতে সকলো কাৰ্য্য নিৰ্বাহ হৈছিল। বিচাৰ কাৰ্য্য বৰ সৰু পঞ্চায়তৰ দ্বাৰায়ো হৈছিল আৰু পাইক খাজানাও চলিছিল। চাহাবে মণিৰাম বৰুৱাক কাৰ্য্যদক্ষ, সুচতুৰলোক দেখি অসম মিলিচিয়া অৰ্থাৎ অসমীয়া পল্টনৰ কাপ্তান আৰু তহচিলদাৰ পাতিলে ; অধিক কি তেওঁক বৰুৱা, ফুকন, বুঢ়াগোহাঁই, বৰগোহাঁই প্ৰভৃতি ভঙা-পতা এক্তিয়াৰ পৰ্য্যন্ত দিছিল। চাহাব মাথোন তেওঁৰ হাতৰ পুতলা। এই নিমিত্তে এওঁকে 'কলিতা ৰজা' বুলি মানুহে কয়।

১৮৩২ চনত মহাৰজা পুৰন্দৰ সিংহক অসমৰ উজনি খণ্ড লালবন্দী কৰি দিয়াত মণিৰাম বৰুৱাৰ পূৰ্বৰ এক্তিয়াৰবোৰ গুচাই বৰভাণ্ডাৰ বৰুৱা মৰ্য্যাদা দি চিৰস্তাদাৰী কৰিবলৈ ৰখা হৈছিল। পাচে এই খণ্ডো ইংৰাজৰ তলতীয়া হলত এওঁক চিৰস্তাদাৰ পাতিলে, কিন্তু তেওঁৰ ক্ষমতা আগতকৈ সঙ্কোচন কৰা হ'ল। মণিৰাম বৰুৱাই চিৰস্তাদাৰী কৰিবলৈ অসুবিধা পাই এবছৰৰ ছুটী ললে। ১৮৪০ চনত চাহ বাগিচা চলাবৰ নিমিত্তে তেওঁক অসম কোম্পানীৰ দেৱান হিচাপে নিযুক্ত কৰা হয়। কোম্পানীৰ চুপাৰিনটেনডেণ্ট চাহাবে দেৱানৰ বুদ্ধি আৰু পৰামৰ্শ নোলোৱাকৈ একো কাম নকৰিছিল। দেৱানে এনেদৰে কাম কৰি থাকোতেই দৰমহাত লাগি কোম্পানীৰ এছিষ্টেণ্ট মেনেজাৰ হাট চাহাবৰ সৈতে অলপ দণ্ড লাগিছিল। হাট চাহাবে দেৱানক মাৰিবৰ নিমিত্তে যোৱাত তেওঁৰ তলতীয়া সকলো বঙালী আৰু অসমীয়া লোকে গোট খাই চাহাবক গুৰুলাগুৰুলকৈ পিটিলে। ইয়াৰ পিছতে দেৱানে সেই কাম ইস্তফা দি মৌজাদাৰ হ'ল। কিন্তু তেওঁৰ মৌজাৰ একখণ্ড নগৰ মহলৰ চামিল কৰাত প্ৰধান এছিষ্টেট কমিছনাৰ কৰ্নেল হলৰয়দ চাহাবৰে অনেক বাদানুবাদ হ'ল।

১৮৫৩ চনত কলিকতাৰ সদৰ আদালতৰ ইংৰাজ ন্যায়াধীশ মিঃ এ. জে-

মিল্‌ছ অসমলৈ আহে। মণিৰাম দেৱানে অসমৰ বৃত্তান্ত বিস্তাৰিত ৰূপে লেখি তেওঁক এখন স্মাৰকলিপি প্ৰদান কৰে। সেই স্মাৰকলিপিত মণিৰাম দেৱানে ইংৰাজৰ কু-শাসনৰ অনেক কথা তথ্য-পাতিৰে লিপিবদ্ধ কৰিছিল। সেই আবেদন পত্ৰত উচ্ছৃংখল উদ্ধত স্বভাৱৰ পল্টনীয়া চাহাবৰ হাতত জিলাৰ ভাৰ অৰ্পণ কৰাত দেশৰ উন্নতি হওঁক চাৰি অধোগতিহে হৈছে সেই কথা স্মাৰক-লিপিত উল্লেখ কৰিছিল। সেই স্মাৰক লিপিত তেওঁ আৰু কৈছিল যে ইংৰাজৰ শাসনে ন্যায়-নীতিৰ দৃষ্টিত ৰাজ্য শাসন কৰা নাই আৰু জনসাধাৰণৰ প্ৰতি সুবিচাৰ কৰা নাই, সেইবাবেই আহোম ৰজাক পুনৰ অসম প্ৰত্যাৰ্পণ কৰিবলৈ তেওঁ অনুৰোধ জনাইছিল। দেৱানে কানি ৰবিহৰ ভয়াবহ পৰিণতিৰ কথাও সেই স্মাৰক-লিপিত বিশেষভাবে উল্লেখ কৰিছিল আৰু অবিলম্বে চৰকাৰক কানিৰ যোগান বন্ধ কৰিবলৈ দাবী জনাইছিল। কামাখ্যা মন্দিৰৰ পূজাৰ বাবে অনুদান বন্ধ কৰাৰ বাবেও সেই স্মাৰক-লিপিত প্ৰতিবাদ জনোৱা হৈছিল। দেৱানে এই আবেদনৰ দ্বাৰা ইংৰাজ চৰকাৰক জনাইছিল যে ডেকা ইংৰাজ মিলিটাৰী অফিচাৰবোৰৰ ঠাইত শিক্ষিত বয়সস্থ চিভিলিয়ান চাহাবসকল আহিলে দেশৰ মঙ্গল হবৰ অনেক সম্ভৱ ইত্যাদি। কিন্তু সাম্ৰাজ্যবাদী ইংৰাজে দেৱানৰ স্মাৰক-লিপিৰ ওপৰত কোনো গুৰুত্ব আৰোপ নকৰিলে। অৰ্থাৎ দেৱানৰ আবেদন পত্ৰৰ বিশেষ কোনো সুফল হোৱাৰ আশা দেখা পোৱা নগল। উল্লেখযোগ্য যে এই সময়তে আনন্দৰাম ঢেকিয়াল ফুকনেও ইংৰাজৰ প্ৰশাসনৰ বিষয়ে আন এখন আবেদনপত্ৰ মিঃ মিল্‌ছৰ হাতত অৰ্পণ কৰিছিল।

ইতিমধ্যে, ১৮৫৭ চনৰ ১০ মে'ৰ দিনা মিৰাটত ভাৰতীয় চিপাহীসকলে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে আৰু মোগলৰ শেষ সম্ৰাট বাহাদুৰ শাহে নিজক ভাৰতৰ সম্ৰাট বুলি ঘোষণা কৰে। চিপাহী বিদ্ৰোহৰ কথাই তেওঁৰ মনত এক নতুন স্বদেশানুৰাগৰ ভাব সৃষ্টি কৰে। সেয়ে তেওঁক এক সশস্ত্ৰ বিপ্লৱ সাধনৰ সম্ভাৱনাৰ পথলৈ আকৰ্ষিত কৰে আৰু তাৰ দ্বাৰা অসমৰ পৰা বৃটিশ শাসন ওফৰাই তাৰ ঠাইত আহোম ৰাজকোঁৱৰ কন্দৰ্পেশ্বৰক অসমৰ ৰাজসিংহাসনত প্ৰতিষ্ঠিত কৰাৰ কল্পনাক দৃঢ়ীভূত কৰে। ১৮৫৭ চনৰ দুৰ্গাপূজাৰ সময়ত ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহৰ দিন স্থিৰ কৰা হৈছিল। কলিকতাৰ পৰা মণিৰাম দেৱানে মনে মনে অসমৰ ৰাজপৰিয়াল আৰু অন্যান্য বিশ্বাসযোগ্য মানুহলৈ গোপন চিঠিও পঠিয়ায়। ডিব্ৰুগড় আৰু গোলাঘাটত

থকা ইংৰাজৰ ভাৰতীয় সৈন্যসকলৰ লগত যোগাযোগ কৰিবলৈও পৰামৰ্শ আগবঢ়াইছিল। এই সৈন্যসকলৰ চুবেদাৰৰ লগত যোগাযোগ কৰি হিন্দু মুছলমান স্বদেশপ্ৰেমী অনেক লোক এই বিদ্ৰোহত অস্ত্ৰ-শস্ত্ৰ লৈ সহায় কৰিবলৈ আগবাঢ়ি আহিছিল।

সেই সময়ত চিপাহী বিদ্ৰোহৰ জুই দমনৰ নিমিত্তে কঠোৰ ভাবে আইন জাৰি কৰা হ'ল আৰু সেই আইন চলাবৰ ভাৰ জিলাধিপতিসকলৰ ওপৰত পৰিল। এই চলতে, স্বাৰ্থপৰ, পৰশ্ৰীকাতৰ লোকসকলে দেৱানৰ ওপৰত চাহাবৰ আক্ৰোশ জানি থৈছিল, সেইবাবে চাহাবৰ খাটনিয়াৰ হৈ ডাঙৰ মানুহ হবৰ মনেৰে ষড়যন্ত্ৰ কৰি শিৱসাগৰ জিলাত বিদ্ৰোহৰ ঢৌ তুলিলে। দুৰ্ভাগ্যৰ কথা যে, মণিৰামে লিখা কেইখনমান গোপন চিঠি ইংৰাজৰ হাতত প'ৰ আৰু সকলো ষড়যন্ত্ৰৰ গোপন তথ্য প্ৰকাশ পালে। ইংৰাজে এই বিদ্ৰোহৰ আভাস পোৱাৰ লগে লগেই ১৮৫৭ চনৰ ৭ চেপ্তেম্বৰৰ দিনা কোঁৱৰ কন্দপেশ্বৰক গ্ৰেপ্তাৰ কৰি কলিকতাৰ আলিপুৰ জেলত বন্দী কৰি ৰাখে। মণিৰাম দেৱানকো কলিকতাতেই গ্ৰেপ্তাৰ কৰি কিছুদিন কলিকতাৰ জেলত ৰাখি যোৰহাটলৈ অনাই তেওঁৰ লগতে 'দেশৰ অনেক ভদ্ৰলোককো বিদ্ৰোহত লেটিয়ালে। অসমত কেইবাজনো নেতাক গ্ৰেপ্তাৰ কৰে। নতুন আইনৰ ক্ষমতামতে জিলাৰ হলৱয়দ চাহাবে বিচাৰৰ নামমাত্ৰ কৰি মণিৰাম দেৱান আৰু পিয়লি বৰুৱাক ৰাজদ্ৰোহৰ অপৰাধত ফাঁচীৰ হুকুম দিলে। ১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰীৰ দিনা যোৰহাটত প্ৰকাশ্যে এই দুয়োজন দেশপ্ৰেমিকক প্ৰাণদণ্ড দিয়া হয়। ইয়াৰ উপৰিও চিৰস্তাদাৰ ছত্ৰিৰাম বৰুৱা, ফাৰ্মুদ আলী, বাহাদুৰ গাওঁবুঢ়া আৰু মধুমল্লিক আদিক দীপান্তৰ আৰু কাৰাদণ্ডৰ শাস্তি দিয়া হয়।

১৮৫৮ চনৰ ২৬ ফেব্ৰুৱাৰী অসমৰ ইতিহাসৰ এক চিৰস্মৰণীয় দিন। সেই দিনাই অসমৰ কেইবাজনো স্বাধীনতা সংগ্ৰামী নেতাৰ ফাঁচী হয়। তেওঁলোকৰ অপৰাধ আছিল বিদেশী শাসকৰ কবলৰপৰা অসমী আইক শৃঙ্খলমুক্ত কৰাৰ যো-যো। সেইদিনাই অসমৰ চিৰস্মৰণীয় প্ৰসিদ্ধ ৰাজনীতিবিদ, স্বদেশপ্ৰেমিক মণিৰাম দেৱান আৰু পিয়লি বৰুৱাই হাঁহি মুখে ফাঁচী কাঠত জীৱন উচৰ্গা কৰিছিল।

স্বদেশ-প্ৰেমিক, স্বাধীনতাৰ অকৃত্ৰিম সাধক আৰু বিচক্ষণ ৰাজনীতিজ্ঞ মণিৰাম দেৱান অসমৰ ইতিহাসত চিৰস্মৰণীয় হৈ ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ

শহীদসকলৰ ভিতৰত অন্যতম শহীদ হিচাপে পৰিগণিত হৈ থাকিব। দেৱানৰ বিৰুদ্ধে এনে কঠোৰ শাস্তি লোৱাত অসমৰ জনসাধাৰণৰ মনত ঘোৰ অসন্তোষ সৃষ্টি হয়। তাৰোপৰি কেপ্তেইন হলৰয়দ্ আৰু শিৱসাগৰৰ ডাৰোগা দেশদ্ৰোহী হেৰনাথ পৰ্বতীয়া বৰুৱাৰ অত্যাচাৰ আৰু উৎপীড়নত আৰু বিশেষকৈ মণিৰাম দৱানক আপীল কৰিবলৈ সুযোগ নিদি ফাঁচী দিয়াত ৰাইজৰ মনত তীব্ৰ বিক্ষোভৰ সৃষ্টি হৈছিল। আনকি ভাৰতীয় সৈন্যসকলৰ মাজতো এই অসন্তোষ বিয়পিছিল। বিদ্ৰোহৰ ঢৌ গুৱাহাটী, গোৱালপাৰা আদিতো লাগিছিল। গুৱাহাটীত ডেপুটি কমিছনাৰ চাহাবে অনেক সন্দেহভাজন লোকক কাৰাদণ্ড দিছিল। এনেদৰে ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰাম—চিপাহী বিদ্ৰোহত অসমেও অংশগ্ৰহণ কৰি অসমৰ স্বাধীন মনোভাৱৰ জলন্ত দৃষ্টান্ত দেখুৱাইছিল। মণিৰাম দেৱান, পিয়লি ফুকন, চিৰস্তাদাৰ দুতিৰাম বৰুৱা, ফৰ্মুদ আলী আৰু বাহাদুৰ গাওঁবুঢ়াই ইয়াৰ জলন্ত প্ৰমাণ। এনে এটা স্বদেশপ্ৰেমিক জাতিয়ে পৰাধীনতাৰ শিকলি দলিয়াই পেলাই স্বাধীন হোৱাৰ হেঁপাহক বিদেশী শাসকে কেতিয়াও মষিমূৰ কৰিব নোৱাৰে। মণিৰাম দেৱানৰ প্ৰচেষ্টা ফলৱতী নহ'লেও তেওঁৰ আদৰ্শ আৰু লক্ষ্য দেশবাসীৰ অন্তৰৰ পৰা আঁতৰি নগ'ল। সেয়ে তেওঁৰ ফাঁচীৰ পিছতো অসমৰ ৰাইজৰ স্বাধীনচিতীয়া মনোভাৱ নানা প্ৰকাৰে প্ৰকাশ হ'বলৈ ধৰে।

১৮৫৮ চনত ভাৰতত আৰু লগে লগে অসমতো ইষ্ট ইণ্ডিয়া কোম্পানীৰ শাসনৰ অৱসান ঘটে আৰু সমগ্ৰ ভাৰত পোনপটীয়াকৈ ইংলণ্ডৰ ৰজাৰ অধীনলৈ যায়। ইংৰাজৰ শোষণৰ বিৰুদ্ধে ধীৰে ধীৰে ভাৰতীয় ৰাইজে অনুভৱ কৰিব ধৰিলে। মাটিৰ খাজানা বৃদ্ধি আৰু অন্যান্য নতুন নতুন কৰ লগোৱাত ৰাইজ ইংৰাজ শাসনৰ ওপৰত অসন্তুষ্ট হয়। মণিৰাম দেৱানে চৰকাৰৰ আফিং ব্যৱসায়ৰ বিৰুদ্ধে ঘোৰ প্ৰতিবাদ জনাইছিল। কিন্তু ইংৰাজে তাৰ প্ৰতি ভ্ৰূক্ষেপ নকৰি আফিঙৰ ব্যৱসায় আৰু অধিক সম্প্ৰসাৰণ কৰি ৰাইজক কানি ৰবৰিহ খুৱাই ধন ঘটিছিল। এনে কাৰ্য্যই ৰাইজৰ শিক্ষিত শ্ৰেণীক অতিশয় বিতুষ্ট কৰি তুলিছিল।

# অসমত প্ৰজা বিদ্ৰোহ

১৮২৮ চনৰ পৰা ১৮৫৮ চনলৈকে এই ডেৰকুৰি বছৰ অসমীয়াই অস্ত্ৰেৰে হওঁক বা দৰ্খাস্তৰে হওঁক সকলো প্ৰকাৰে স্বাধীনতা উদ্ধাৰৰ চেষ্টা কৰিছিল। মানৰ অত্যাচাৰৰ পিচত বৃটিশে অসমত শান্তি স্থাপন কৰাৰ নিমিত্তে অসমীয়া ৰাইজ বৃটিশৰ প্ৰতি কৃতজ্ঞ আছিল। কিন্তু শান্তি শাসনৰ পৰিবৰ্তে স্বাধীনতাক জলাঞ্জলি দিব নোৱাৰি। মণিৰাম দেৱানৰ ফাঁচীৰ পাচত অসমীয়াই স্বাধীনতা অৰ্জনৰ কাৰণে সন্মিলিত চেষ্টা কৰাৰ কোনো সম্ভেদ পোৱা নাযায়। স্বাধীনতাৰ সোৱাদ পোৱা "পিতৃ বুঢ়া গোঁহাইৰ দিনৰ" চেঙা তেজৰ মানুহবোৰ এটি এটিকৈ নাইকিয়া হবলৈ ধৰিলে। অসমত বিদেশীৰ দুৰ্জয় হেঁচা, এনেকি অসমীয়া ভাষাৰ অস্তিত্ব লৈয়ো টনা-আজোৰা অসমীয়াই নিজৰ অৱস্থা টলকি চাবলৈকো ভালেখিনি বছৰ লাগিল।

১৯শ শতিকাত বিশেষকৈ চিপাহী বিদ্ৰোহৰ পিছৰ কালছোৱাত অসমৰ গাঁৱে-ভূঞে ৰাইজৰ এক শ্ৰেণীৰ সংগঠন গঢ়ি উঠা দেখিবলৈ পোৱা যায়। এই সংগঠন সমূহক 'ৰাইজ মেল' হিচাপে অভিহিত কৰা হৈছে। অসমৰ স্বাধীনতা আন্দোলনত প্ৰজা বিদ্ৰোহ বা কৃষকৰ আন্দোলন উল্লেখনীয়। ইংৰাজৰ শোষণ নীতিৰ ফলত অসমৰ প্ৰজাসকল অতিৰিক্ত কৰ-কাটল আৰু খাজানাৰ হেঁচাত জুৰুলা হৈ পৰিছিল। ছাৰ উইলিয়াম ওৱাৰ্ডে কৃষকসকলৰ ওপৰত শতকৰা ৭০ ভাগৰ পৰা ৮০ ভাগলৈ মাটিৰ খাজানাৰ হাৰ বৃদ্ধি কৰিছিল। কৃষক ৰাইজে তেনেদৰে বৰ্ধিত হাৰত খাজানা দিবলৈ অপাৰগ আছিল। অন্যায়ভাৱে খাজানা বৃদ্ধি কৰাৰ বিৰুদ্ধে ৰাইজ সংঘবদ্ধ হয়, প্ৰতিবাদ জনায় আৰু খাজানা বৃদ্ধি উঠাই লবলৈ দাবী জনায়। ১৮৪৬ চনত আমেৰিকান বেপ্টিষ্ট মিচনৰ দ্বাৰা প্ৰকাশিত হোৱা 'অৰুণোদয়' কাকতে অসমীয়াৰ হৈ মতপ্ৰকাশ কৰিবলৈ ধৰিলে। ইয়াৰ ফলত অসমৰ ভালেমান ঠাইৰ কৃষক ৰাইজে ইংৰাজৰ বিৰুদ্ধে আন্দোলন চলাবলৈ সংগঠিত হয়।

ৰাইজ মেলবিলাক গোসাই, দলৈৰ নিচিনা প্ৰভাৱশালী লোকসকলৰ নেতৃত্বত গঠন কৰা হৈছিল। এই সংগঠনবিলাক গঢ়ি তোলাৰ উদ্দেশ্য আছিল ৰাইজৰ সামাজিক, অৰ্থনৈতিক জীৱনৰ অভাৱ অভিযোগবিলাক আলোচনা কৰা আৰু

প্ৰকাশ কৰা। এই ৰাইজ মেলবিলাক যদিও কোম্পানীৰ শাসন আৰম্ভ হোৱা দিনৰে পৰা অত তত আছিল আৰু কোম্পানীয়ে সেইবিলাকৰ সহায় আৰু সমৰ্থন বিচাৰিছিল তথাপিও পিছলৈ এই মেলসমূহে ইংৰাজে বৃদ্ধি কৰা খাজানাৰ বিৰুদ্ধে ৰাইজক সংগঠিত হোৱাত সহায় কৰিলে। বিদেশীৰ অধীনত অসমীয়াসকল আছিল একেবাৰে অৱহেলিত—সামাজিক, অৰ্থনৈতিক আদি সকলো দিশতে। অধিক কৰ কাটল আৰু খাজানাৰ দ্বাৰা শোষিত অসমৰ ৰায়তসকলে উপায়হীন হৈ সংগঠিত হ'ল আৰু এই ৰাইজ মেলৰ সহায়ত মুক্তি যুঁজৰ সঁহাৰি দিলে।

**ফুলগুৰীৰ ঢেৱা, ১৮৬১ চন ঃ** অসমত কৃষকসকলৰ মাজত ইংৰাজ শাসনৰ বিৰুদ্ধে প্ৰথম বিদ্ৰোহ হয়—নগাঁও জিলাৰ ফুলগুৰী অঞ্চলত ১৮৬১ চনত। এই অঞ্চলৰ কৃষকসকলে চৰকাৰৰ খাজানা বৃদ্ধি নীতিৰ বিৰুদ্ধে গভীৰ অসন্তোষ প্ৰকাশ কৰিছিল। ইয়াৰ উপৰিও তেওঁলোকৰ দাবী আছিল আফুখেতি বন্ধ কৰাৰ পাছত খেতিয়কসকলক পুনৰ সংস্থাপন দিয়া। কিন্তু কৰ্তৃপক্ষই এই দাবীবোৰৰ প্ৰতি সমূলি কাণসাৰ দিয়া নাছিল। ফুলগুৰীৰ কৃষক ৰাইজে বিশেষকৈ জনজাতীয় কৃষকৰ সহযোগিতাত সংগঠিত হৈ চৰকাৰৰ ওচৰত প্ৰতিবাদ জনাইছিল। কিন্তু চৰকাৰে সশস্ত্ৰ বাহিনীৰে বিদ্ৰোহীসকলক দমন কৰিবলৈ চেষ্টা কৰিছিল। এনেতে বিদ্ৰোহীসকলৰ মাজৰ এজনে লেফটেনেণ্ট চিঙ্গাৰ নামৰ এজন উচ্চ ইংৰাজ বিষয়াক বাঁহৰ লাঠীৰে কোবাই মূৰত আঘাত কৰে আৰু তেওঁ ততালিকে প্ৰাণ হেৰুৱায়। বিদ্ৰোহীসকলে এই মৃতদেহ কলং নৈত দলিয়াই পেলায়। ইংৰাজ বিষয়াজনৰ লগত অহা সমূহ সশস্ত্ৰ বাহিনী ততালিকে ছত্ৰভঙ্গ দিয়ে। চৰকাৰে ওচৰ চুবুৰীয়া অঞ্চলসমূহৰ পৰা সৈন্য-সামন্ত গোটাই এই বিদ্ৰোহ দমন কৰে, কেইবাজনো নেতাক কঠোৰ শাস্তি দিয়ে আৰু কেইবাজনক মৃত্যুদণ্ডও বিহিছিল। এই বিদ্ৰোহ 'ফুলগুৰীৰ ঢেৱা' বুলি অভিহিত।

এই আন্দোলনৰ ফলস্বৰূপে চৰকাৰে এটা তদন্ত চলাইছিল। এই তদন্তই ইংৰাজ বিষয়া কেইজনমানৰ বৰ্বৰতা আৰু সহানুভূতিহীন নীতিৰ প্ৰতি উল্লেখ কৰিছিল আৰু দুই এজন ইংৰাজ বিষয়াক নিম্ন স্থানলৈ নমাই দিয়া হৈছিল। অৰ্থাৎ এই তদন্তই কৃষকৰ পৰিৱৰ্তে ইংৰাজ বিষয়াসকলকহে দোষাৰোপ কৰিছিল।

অসমৰ প্ৰজা বিদ্ৰোহৰ বুৰঞ্জীত ফুলগুৰীৰ যুঁজৰ আন এটা উল্লেখযোগ্য অৱদান আছে। কাৰণ, এই যুঁজে অসমৰ বিভিন্ন অঞ্চলৰ প্ৰজাসকলক যেনে

উজনি, কামৰূপ, দৰং আদি অঞ্চলত কৃষকসকলক বিদেশীৰ শোষণৰ পৰা মূৰ দাঙি উঠিবলৈ প্ৰেৰণা যোগাইছিল।

**নামনি অসমৰ প্ৰজা বিদ্ৰোহ, ১৮৯৩-৯৪ঃ** ১৮৯৩ খৃষ্টাব্দত ইংৰাজ চৰকাৰৰ খাজানা বৃদ্ধি নীতিৰ বিৰুদ্ধে ঘটা অসমীয়া প্ৰজাৰ বিদ্ৰোহে অসমীয়া জাতিৰ স্বাধীনচিতিয়া মনৰ চিনাকি দিয়ে। সেই সময়ত অসমৰ, বিশেষকৈ নামনি অসমৰ ৰায়তসকলে বৰ্ধিত হাৰে খাজানা দিবলৈ অস্বীকাৰ কৰে। তাৰ ফলত কামৰূপৰ বিভিন্ন ঠাইত প্ৰজাসকলে চৰকাৰী কৰ্মচাৰীৰ হাতত অসীম যাতনা ভুঞ্জিবলগীয়া হৈছিল।

তেতিয়া অসমৰ চীফ কমিচনাৰ ডব্লিউ· ই· ওৱাৰ্ড। বৃটিশ আমোলৰ তৃতীয়বাৰ মাটিৰ জোখ। মাটি উন্নত শ্ৰেণীত ধৰি খাজানা বৃদ্ধি কৰিলে। আগতে এবাৰ বৰ্ধিত হাৰে খাজানা দি আহিছে, আকৌ কুৰি বছৰৰ ভিতৰত দুগুণ খাজানা বৃদ্ধি। মানুহৰ ধাৰণা হ'ল—বৃটিশ চৰকাৰে এইদৰে এখোপ এখোপকৈ খাজানা বঢ়াই ৰায়তক হাড়ে-ছালে লগা অৱস্থা কৰিহে এৰিব। ৰায়তসকলৰ ভয় আৰু আশঙ্কা প্ৰচাৰ হবলৈ ধৰিলে।

১৮৯৩-৯৪ চনত কামৰূপ জিলাৰ ৰঙিয়াত ইংৰাজ শাসনৰ বিৰুদ্ধে ৰাইজে বিদ্ৰোহ কৰিছিল। সেই বিদ্ৰোহ দমন কৰিবলৈ চৰকাৰে স্থানীয় মুখিয়াল লোকসকলক "স্পেচিয়েল পুলিচ" নিযুক্ত কৰি শান্তি ৰক্ষা আৰু খাজানা আদায় কৰা কামত নিয়োগ কৰিছিল। চৰকাৰৰ খাজানা বৃদ্ধিৰ প্ৰতিবাদত অকল যে ৰঙিয়াতহে ৰাইজ মেল হৈছিল এনে নহয়; বজালী, বৰমা, পাতিদৰং আৰু উপৰ বৰভাগ আদি ঠাইতো খাজানা বন্ধ আন্দোলনৰ মেল হৈছিল। ১৮৯৪ চনৰ ১০ জানুৱাৰীৰ দিনা ৰঙিয়া থানাৰ ওচৰৰ পথাৰত এখন বিৰাট ৰাইজ মেল বহিছিল। সেই মেলত হাজাৰ হাজাৰ লোকে যোগদান কৰিছিল। সশস্ত্ৰ পুলিচ-মিলিটেৰীৰ বেয়নেটক ভ্ৰূক্ষেপ নকৰি ৰাইজে—"বৃদ্ধি খাজানা নিদিম, খাজানা বন্ধ কৰিম" আদি ধ্বনিৰে আকাশ-বতাহ মুখৰিত কৰিছিল। পিছত ৰাইজৰ ওপৰত গুলী চলোৱা হয় আৰু ফলত অনেক লোক হতাহত হয়। অনেকক গ্ৰেপ্তাৰ কৰা হয়। কামৰূপ জিলাৰ তেতিয়াৰ ডেপুটি কমিছনাৰ মেকৃফেৰ চাহাবৰ অত্যাচাৰৰ কাহিনী আজিও ৰঙিয়াৰ ৰাইজে ঘৃণাৰ চকুৰে সোঁৱৰে। ৰাইজে স্বাধীন মনোভাৱৰ বাবেই তেনে অত্যাচাৰকো ভ্ৰূক্ষেপ নকৰি, ইংৰাজৰ কুশাসনৰ বিৰুদ্ধে নিৰস্ত্ৰ বিদ্ৰোহ ঘোষণা কৰিবলৈ সক্ষম হৈছিল।

১৮৯৪ চনৰ ২১ জানুৱাৰীৰ দিনা বৰপেটা মহকুমাৰ সৰুক্ষেত্ৰী মৌজাৰ মৌজাদাৰ আৰু মণ্ডলে বৃদ্ধি হাৰত খাজানা আদায় কৰিবলৈ যোৱাত ৰাইজ মেলৰ সিদ্ধান্ত অনুযায়ী ৰাইজৰ কিছুমানে তেওঁলোকক খাজানা দিয়াৰ পৰিবৰ্তে অপমান কৰিছিল। চৰকাৰৰ সপক্ষে কথা কোৱা হেতুকে ৺হলিৰাম শৰ্মা মণ্ডলক অপমান কৰা হ'ল ; তেওঁক ৰাইজে ভৰিৰে খচকি মাৰিলে। মণ্ডলজনে ৰাইজৰ স্বাৰ্থৰ বিৰুদ্ধে কাম কৰাৰ বাবেই ৰাইজে ক্ৰোধত তেনে কাম কৰিছিল। সৰুক্ষেত্ৰীৰ মৌজাদাৰ ৺দাসৰাম চৌধুৰীক খাজানা তোলাৰ চেষ্টা কৰা বাবে ৰাইজৰ দ্ৰোহী বুলি অভিহিত কৰিলে। মৌজাদাৰ উপায়ান্তৰ হৈ ৰিপৰ্ট কৰিলে। সেই সময়তে বৰপেটা মহকুমাৰ মহকুমাধিপতি মাধৱচন্দ্ৰ বৰদলৈয়ে তৎক্ষণাৎ ৭৫ জন লোকক গ্ৰেপ্তাৰ কৰিছিল। কিন্তু পাছত প্ৰায় তিনি হাজাৰ মান লোকে মহকুমাধিপতিক আগুৰি ধৰি গ্ৰেপ্তাৰ কৰা লোকসকলৰ মুক্তিৰ দাবী জনায়। তেতিয়া গ্ৰেপ্তাৰ কৰা লোকসকলক এৰি দিবলৈ বাধ্য হয়। সেইদিনা তেওঁ ডেপুটি কমিছনাৰলৈ সহায়ৰ বাবে জৰুৰী বাৰ্তা পঠোৱাত ২৩ জানুৱাৰীৰ দিনা ডেপুটি কমিছনাৰে নিজে অনেক চিপাহী আৰু সশস্ত্ৰ পুলিচ লগত লৈ বৰপেটা পায় আৰু তাৰ পৰা সৰুক্ষেত্ৰীলৈ যায়। তাত গৈ বিভিন্ন গাৱঁৰ ৫৯ জন মুখিয়াল লোকক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰ কৰা লোকসকলক আটককৈ ৰাখিবৰ বাবে তাতেই এখন অস্থায়ী জেলখানা তৈয়াৰ কৰি কয়েদী-সকলক ৰাখিছিল। পাছত প্ৰায় ১০০০ মান লোক ডেপুটি কমিছনাৰৰ কেম্পলৈ গৈ গ্ৰেপ্তাৰ কৰা লোকসকলক খালাচ কৰি দিবলৈ দাবী জনাইছিল আৰু তেওঁলোকে সকলোৱে চহী দি সেই মৰ্মে এখন আবেদন পত্ৰও ডেপুটি কমিছনাৰৰ হাতত দিছিল। কিন্তু ডেপুটি কমিছনাৰে পুলিচ-মিলিটেৰীৰ বেয়নেটৰ দ্বাৰা অনেক কষ্টৰেহে সেই জনতাক ছত্ৰভঙ্গ কৰাবলৈ সক্ষম হৈছিল। এই জনতা সৰুক্ষেত্ৰী মৌজাৰ লচিমাৰ পথাৰত সমবেত হৈছিল। তাৰ পিছত ৰাইজৰ ওপৰত নিৰ্মম আৰু অকথ্য অত্যাচাৰ চলোৱা হয়। সমাজৰ মুখিয়াল আৰু সম্মানিত ব্যক্তিসকলক গ্ৰেপ্তাৰ কৰি আনি গৰুৰ কান্ধত যুঁৱলি দিয়াৰ নিচিনাকৈ, তেওঁলোকৰ কান্ধতো যুঁৱলী দি হাল বোৱাইছিল। সৰ্থেবাৰীৰ মুখিয়াল পুষ্প কঁহাৰ, বামকুছী সত্ৰৰ সত্ৰাধিকাৰ পণ্ডিত প্ৰবৰ ৺যোগেশ্বৰ গোস্বামী, কাৱাকুছীৰ ৺ভোলানাথ শৰ্মা, হেলচাৰ ৺হৰকান্ত শৰ্মা প্ৰমুখ্যে অনেক গণ্যমান্য ব্যক্তিক গ্ৰেপ্তাৰ কৰি তেওঁলোকৰ ওপৰত অকথ্য অত্যাচাৰ চলাইছিল। অসমৰ

ৰাইজৰ স্বাধীনচিতীয়া মনোভাৱৰ পৰিচয় এই সকলোবোৰ বিদ্ৰোহেই প্ৰমাণ দিয়ে।

ইংৰাজ চৰকাৰৰ খাজানা বৃদ্ধি নীতিৰ বিৰুদ্ধে যি আন্দোলনৰ উদ্ভৱ হ'ল, সেই আন্দোলনত নামনি অসমৰ খেতিয়ক ৰাইজে যথেষ্ট সৎ সাহস দেখুৱাইছিল আৰু তাৰ বাবে নির্য্যাতন ভোগ কৰিবলগীয়া হৈছিল। এই প্ৰজা বিদ্ৰোহে অসমীয়া জাতিৰ স্বাধীনচিতীয়া মনৰ চিনাকি দিয়ে আৰু দেশবাসীক অন্যায়ৰ বিৰুদ্ধে চৰকাৰৰ বিপক্ষে যুঁজিবলৈ উদগনি আৰু আদর্শ দেখুৱালে। চৰকাৰী মহলতো অসমীয়া ৰায়তসকলে তেওঁলোকৰ 'ৰাইজ মেল' সংগঠনৰ দ্বাৰা যথেষ্ট প্ৰভাৱ পেলাইছিল। কাগজে-পত্ৰে অসমৰ খেতিয়ক সমাজৰ দুৰাৱস্থাৰ কথা প্ৰকাশ পাইছিল। ভাৰত পৰিষদত অসমৰ ওপৰত হেঁচা পৰা অতিৰিক্ত কৰ-কাটলৰ কথাৰ প্ৰশ্ন উঠিছিল। ইয়াৰ ফলতেই দৰঙৰ মহকুমাধিপতিক চিটাগঙলৈ বদলি কৰা হৈছিল। ৰাইজ মেল সমূহে নিজৰ অভাৱ অভিযোগ পূৰণ কৰাৰ উপৰিও ইংৰাজ চৰকাৰখনক কিছু পৰিমাণে হেঁচা দিবলৈ সক্ষম হৈছিল, সেইবাবেই এই ৰাইজ মেল তাৎপর্য্যপূর্ণ।

**পাথৰিঘাটৰ ৰণ, ১৮৯৪ঃ** মঙ্গলদৈ চহৰৰ পৰা ১২ কিলোমিটাৰ পশ্চিমে অৱস্থিত পাথৰিঘাট এখন ঐতিহাসিক স্থান। ১৮৯৪ চনৰ ২৮ জানুৱাৰীত এই ঠাইতেই সংঘটিত হৈছিল ভাৰতৰ স্বাধীনতা আন্দোলনৰ প্ৰথম সশস্ত্ৰ কৃষক বিদ্ৰোহ। সেই সময়ৰ অসমৰ ইতিহাস আছিল অর্থনৈতিক শোষণ-নিপীড়নৰ ইতিহাস। অসমৰ মাটি পুনঃ পুনঃ পিয়ল কৰি স্বেচ্ছাচাৰীভাৱে খাজানা বঢ়াই গ'ল বৃটিশ শাসকে।

১৮৪২ চনৰ অসমৰ মাটি নতুনকৈ পিয়ল কৰি বস্তি, ৰূপীত আৰু ফিৰিঙতি এই তিনি শ্ৰেণীত ভাগ কৰি দিলে। দেবোত্তৰ, ব্ৰহ্মোত্তৰ, ধৰ্মোত্তৰ আৰু নানা কৰ মাটিত নির্দ্ধাৰণ কৰিছিল। কিন্তু এইবাৰ মৈ, গৰুহাল আদি কৃষি সঁজুলিৰ ওপৰতো কৰ বহুৱাই দিলে। প্ৰতি দহ বছৰৰ অন্তৰে অন্তৰে দৰঙীয়া ৰাইজৰ ওপৰত খাজানাৰ হাৰ বৃদ্ধি কৰি থকাত প্ৰজা অতিষ্ঠ হৈ পৰিল। ইয়াৰ ফলত ৰাইজ মেলৰ সৃষ্টি হ'ল। এই ৰাইজ মেল সমূহৰ যোগেদি প্ৰজাসকলে তেওঁলোকৰ আপত্তি সাব্যস্ত কৰিলে। কিন্তু শাসক বৃটিশে কোনো সঁহাৰি নজনালে। ফলত এক ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ল আৰু ১৮৬৮ চনৰ দৰঙৰ জিলাধিপতি, মহকুমাধিপতি আৰু মহকুমা পুলিচ বিষয়াক ঘেৰাও কৰি প্ৰতিবাদ সাব্যস্ত কৰিলে।

১৮৬৮ চনৰ এই ব্যাপক প্ৰতিবাদ যথেষ্ট উত্তপ্ত আছিল যদিও, পৰিস্থিতি ৰাইজৰ মুখিয়াল সকলেই শান্ত কৰিছিল।

ইংৰাজৰ খাজানা বৃদ্ধিৰ গতি কিন্তু তথাপিতো ৰুদ্ধ নহ'ল। ১৮৯৩ চনৰ ঠিক আগে আগে ইংৰাজ সকলে আকৌ পিয়ল কৰালে। ফলত ১৮৭০ চনৰ বৰ্দ্ধিত নিৰিখৰো দুগুণ খাজানাৰ বোজা জনতাৰ ওপৰত জাপি দিয়া হ'ল। তেতিয়াৰ অসমৰ মুখ্য আয়ুক্ত ছাৰ উইলিয়াম ৱার্ডে এই নতুন খাজানা বৃদ্ধিত মুখ্য ভূমিকা গ্ৰহণ কৰিছিল।

ইতিমধ্যে, অসমৰ প্ৰায়বোৰ জিলাৰেই কৃষকসকলে ৰাইজ মেলত এইবাৰৰ বৰ্ধিত খাজানা মানি লবলৈ অস্বীকাৰ কৰিলে। ৰাইজ মেলৰ এই আকৌৰগোজ মনোভাৱ জানিবলৈ পাই ইংৰাজ শাসকে সমূহ ৰাইজ মেলৰ ওপৰতে নিষেধাজ্ঞা জাৰি কৰিলে। দৰঙৰ কৃষকসকলে পাথৰিঘাটৰ তহছিল অফিচৰ মুকলি পথাৰত ৰাইজ মেলৰ আয়োজন কৰিলে। মেলৰ খবৰ আগেয়েই পাই জিলাৰ ডেপুটি কমিছনাৰ আৰু পুলিচ চাহাব তালৈ গৈছিল আৰু মেল বহাত ডেপুটি কমিছনাৰে মেল ভাঙি ঘৰাঘৰি যাবলৈ হুকুম দিয়া সত্বেও ৰাইজে মেলত বহি থাকি তেওঁলোকৰ দাবী উত্থাপন কৰিছিল। চাৰিওফালৰ পৰা জনতাৰ সোঁত বৰলৈ ধৰিলে। ৰাতিপুৱা দহমান বজাতে পাথৰিঘাট লোকে লোকাৰণ্য হৈ পৰিল। হিন্দু, মুছলমান আদি সম্প্ৰদায় নিৰ্বিশেষে হাজাৰ হাজাৰ কৃষক বৰচাহাবৰ অপেক্ষাত বৈ থাকিল।

দুপৰীয়া বাৰমান বজাত এক ডজন মিলিটাৰী সশস্ত্ৰ চিপাহী আৰু উনৈশজন সাধাৰণ বন্দুকধাৰী পুলিচৰ দ্বাৰা পৰিবেষ্টিত হৈ জিলাধিপতি মিঃ এণ্ডাৰছন, মহকুমাধিপতি মিঃ ৰেমছন আৰু মহকুমা পুলিচ বিষয়া লেঃ বেৰিংটন পাথৰিঘাটৰ ডাক বঙলাত উপস্থিত হ'ল। কিন্তু বৰচাহাব ডাক বঙলাত সোমালহে, দুই বজালৈ বাহিৰ নোলাল। মহকুমাধিপতি ৰেমছন চাহাবে ৰাইজক জনালে যে বৰচাহাব তেজপুৰৰ পৰা আহি ভাগৰি পৰিছে। তিনি বজাতহে ৰাইজক দেখা কৰিব। ৰাইজে আপত্তি কৰিলে। ৰাইজৰ কথা নৰল। অৱশেষত বৰচাহাব মিঃ এণ্ডাৰছন ৩ বজাত ডাক বঙলাৰ পৰা ওলাই আহিল। ৰাইজে "হৰিধ্বনি" আৰু "আল্লাহ আকবৰ" ধ্বনিৰে তেওঁক সম্ভাষণ জনালে। বৰ্ধিত নিৰিখৰ খাজানা দিবলৈ ৰাইজৰ অসমৰ্থতা বৰচাহাবৰ ওচৰত দাঙি ধৰিলে। বিষয়াসকল ৰাইজৰ আপত্তি মানি লবলৈ অসন্মত হ'ল। ৰাইজৰ মাজত উত্তেজনা বাঢ়ি গ'ল আৰু

বৰচাহাবৰ ওচৰলৈ আগুৱাবলৈ উদ্যত হ'ল। বৰচাহাবো ক্ৰোধান্বিত হৈ ৰাইজক "ভাগ যাও" বুলি হুকুম দিলে। ৰাইজৰ উত্তেজনা দুগুণে চৰিল। বৰচাহাবৰ নিৰ্দেশত চিপাহীয়ে প্ৰথমে লাঠী চালনা কৰিলে। সন্মুখৰ কেইবাজনো আহত হ'লত ৰাইজৰ ধৈৰ্য্যৰ বান্ধ ছিঙিল। উত্তেজিত জনতাই পুলিচৰ গালৈ ফৰ্মুটি, দলি, চপৰা আদি দলিয়ালে। চিপাহীয়ে ৰাইজক ছত্ৰভঙ্গ দিয়াবলৈ গুলীচালনা কৰিছিল। নিৰস্ত্ৰ কৃষক এটি এটিকৈ ধৰাশায়ী হ'ল।

স্বেচ্ছাচাৰী ইংৰাজৰ অৰ্থনৈতিক শোষণৰ প্ৰতিবাদত সংঘটিত ১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ এই পাথৰিঘাটৰ ৰণত ১৪০ জন কৃষক নিহত আৰু ১৫০ জনৰো অধিক আহত হ'ল। বাকী ৰাইজে ছত্ৰভঙ্গ দিলে। এই নিৰ্মম হত্যাকাণ্ডত চৰকাৰীভাৱে ১৫ জন মৃত আৰু ৩৭ জন আহত বুলিহে ঘোষণা কৰিলে।

১৮৯৪ চনৰ ২৮ জানুৱাৰীৰ এই পাথৰিঘাটৰ ৰণে ভাৰতবৰ্ষৰ স্বাধীনতা আন্দোলনৰ প্ৰথম সশস্ত্ৰ কৃষক বিদ্ৰোহ হিচাপে পৰিগণিত। এই বিদ্ৰোহ ভাৰতীয় জাতীয় চেতনাৰ দ্বাৰা অনুপ্ৰাণিত হৈ দৰঙী প্ৰজাই খাজানাৰ চেলু লৈ অৰ্থনৈতিক কাৰণত ইংৰাজৰ বিৰুদ্ধে স্বাধীনতাৰ বাবে কৰা সংগ্ৰাম বুলিয়েই বহুতে কয়, কিয়নো খেলে খেলে মেল মাতি ৰাজহুৱা সিদ্ধান্তৰে সমৰ্থিত এনে সংগ্ৰামৰ দৃষ্টান্ত ভাৰতৰ বুৰঞ্জীতে বিৰল। নিৰস্ত্ৰ জনতাই পুলিচ-মিলিটাৰীৰ বন্দুক বাৰুদৰ বিৰুদ্ধে যুঁজি যি দুৰ্জয় সাহস আৰু ত্যাগৰ পৰিচয় দিছিল, সি আচলতে অসমীয়া ৰাইজৰ স্বাধীনচিতিয়া মনোভাৱৰ গৌৰৱোজ্জ্বল কাহিনী। অসমীয়া কৃষক ৰাইজৰ ওপৰত চলোৱা নিষ্ঠুৰ অত্যাচাৰৰ কথা তেতিয়াৰ "ইম্পিৰিয়েল লেজিছলেটিভ কাউন্সিলতো" ডাঃ ৰাসবিহাৰী ঘোষে প্ৰশ্নৰ যোগে উত্থাপন কৰিছিল। দেশৰ বিভিন্ন বাতৰি কাকততো সেই নিৰ্মম অত্যাচাৰ উৎপীড়নৰ কাহিনীবোৰ প্ৰকাশিত হৈছিল। কামৰূপ জিলাৰ অত্যাচাৰী ডেপুটি কমিছনাৰ মিঃ মেক্‌কেব ১৮৯৭ চনৰ প্ৰবল ভূমিকম্পত তেওঁৰ বঙলা খহি বিধ্বস্ত হোৱাৰ ফলত, তেওঁ নিজেই মৃত্যুমুখত পৰে। এনে কৃষক বিদ্ৰোহৰ ফলত ভাৰত চৰকাৰে বৰ্দ্ধিত খাজানাৰ হাৰ কিছু পৰিমাণে হ্ৰাস কৰিবলৈ বাধ্য হৈছিল।

কোনো নেতা নাই, কোনো সংগঠন নাই, কিন্তু তথাপিও অসমৰ নিৰস্ত্ৰ কৃষক ৰাইজে পৰাধীনতাৰ গ্লানি আৰু অত্যাচাৰ সহিব নোৱাৰি বৃটিশৰ দৰে মহান শক্তিশালী ৰাজশক্তিৰ বিৰুদ্ধে সেই সময়ত ঠিয় হোৱা তেনেই কম কথা নাছিল। পৰৱৰ্তী সমাজ জীৱনতো এই পাথৰিঘাট বা দলি ৰণৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে।

গান্ধীজীৰ সত্যাগ্ৰহ, অসহযোগ আদি স্বাধীনতা আন্দোলনৰ কাৰ্য্যসূচীত অংশ গ্ৰহণ কৰিবলৈ দৰঙী প্ৰজাই এই বিদ্ৰোহৰ পৰাই আদি পাঠ শিকিছিল। এই ৰণে হিন্দু-মুছলমানৰ ঐতিহাসিক সাম্প্ৰদায়িক সম্প্ৰীতি ৰক্ষা কৰি আহিছে। এই মেলবোৰ জাতীয় সম্মিলনৰ ৰূপত দৰঙত আজিও জীয়াই আছে। মণিৰাম দেৱান আৰু পিয়লি ফুকনৰ দৰে স্বাধীনতাকামী নেতাৰ আৰু অন্যান্য স্বাধীনচিতিয়া বাইজৰ চেষ্টা ব্যৰ্থ হ'লেও তেওঁলোকে দেশৰ স্বাধীনতাৰ হকে সৰ্বস্ব পণ কৰি আনকি মৃত্যু পৰ্য্যন্তও বৰণ কৰি, দেশবাসীৰ মনত এক অপূৰ্ব নৱ-চেতনা সৃষ্টি কৰিবলৈ সক্ষম হৈছিল—তাত অকণো সন্দেহ নাই। অসমৰ প্ৰজা বিদ্ৰোহৰ শ্বহীদ সকলেও সমগ্ৰ অসমীয়া জাতিৰ আৰু ভাৰতৰো স্বাধীনতা সংগ্ৰামী বীৰ হিচাপে চিৰকাল স্মৰণীয় হৈ থাকিব।

## অসম এছোছিয়েছন আৰু নৱ জাগৰণৰ ভাৱধাৰা

চিপাহী বিদ্ৰোহৰ পিছৰ কালছোৱাত সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমতো নতুন ৰাজনৈতিক চেতনাৰ উদ্ভৱ হয়। একালে ইংৰাজ শোষণৰ ফলস্বৰূপে দেশৰ বিভিন্ন ক্ষেত্ৰত সময়ে সময়ে বিদ্ৰোহৰ অগনি জ্বলিছিল ; আনফালে, ইংৰাজ শাসনৰ ফলত দেশৰ কিছু মঙ্গল সাধন হ'ব বুলি এটা ধাৰণাৰ সৃষ্টি হৈছিল। ইংৰাজ সকলে অসমক পোনপটীয়া অধীনলৈ নিয়াৰ কাৰণ হৈছে—উজনি অসমত চাহ উদ্যোগৰ প্ৰসাৰৰ বিপুল সম্ভাৱনা আৰু ভূগৰ্ভত থকা নানা অমূল্য সম্পদ আহৰণৰ সম্ভাৱনা। লাহে লাহে ইংৰাজসকলে অসমত ব্যাপকভাৱে চাহখেতি প্ৰচলনৰ দিহা লগায়। চাহ বাগিচাৰ শ্ৰমিকসকল সম্পৰ্কে যি নীতি ইংৰাজসকলে লৈছিল, সেই নীতি আছিল অমানবিক শোষণনীতি। কিন্তু আনফালে চাহ বাগিচাৰ বাবে অসমৰ যোগাযোগ ব্যৱস্থাৰ কিছু উন্নতি সাধিবলৈ ইংৰাজ বাধ্য হৈছিল। নহ'লে অসমত উৎপন্ন হোৱা চাহ বিদেশলৈ পঠিয়াব নোৱাৰে। ইংৰাজৰ চাহ খেতিৰ স্বাৰ্থৰ বাবে হ'লেও, অসমত যাতায়তী ব্যৱস্থাৰ অলপ উন্নতি সাধন হয়।

সেই সময়তে, অসমত নতুন ভাবধাৰাৰ সৃষ্টি হয়। বিশেষকৈ ভাষা আৰু শিক্ষা সমস্যাক লৈ অসমৰ শিক্ষিত সমাজ আৰু ডেকা ছাত্ৰসকলৰ মাজত এক অভিনৱ ভাবধাৰাৰ জাগৰণৰ সৃষ্টি হয়। অসমৰ নেতৃস্থানীয় লোকসকলে আৰু শিক্ষিত ডেকাচামে শিক্ষাৰ প্ৰতি বিশেষ দৃষ্টি দিয়ে—যাৰ ফলত ১৯০০ চনত গুৱাহাটীত অসমৰ সৰ্বপ্ৰথম কটন কলেজ স্থাপিত হয়। তেতিয়াৰ চীফ কমিছনাৰ ছাৰ হেনৰী কটনৰ নামানুসাৰে কলেজখনৰ নাম "কটন কলেজ" দিয়া হয়। প্ৰায় একে সময়তে ডিব্ৰুগড়ত "বেৰী হোৱাইট মেডিকেল স্কুল" খন স্থাপন কৰা হয়। ১৯১২ চনত মাণিকচন্দ্ৰ বৰুৱাৰ চেষ্টাত গুৱাহাটীত "আৰ্ল ল কলেজ" স্থাপন কৰা হয়।

অসমত যাতায়তী ব্যৱস্থাৰ অলপ উন্নতি হোৱাত আৰু অসমত ইংৰাজী শিক্ষাৰ প্ৰচলন হোৱাত, অসমলৈ পাশ্চাত্য সভ্যতাৰ পোহৰ ধীৰে ধীৰে আহিবলৈ ধৰিলে। এনে সময়তে, অসমৰ শিক্ষিত সমাজে বিশেষকৈ মাণিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা, ফৈজনুৰ আলী, জগন্নাথ বৰুৱা আদিৰ যত্নত আৰু পৰিচালনাত ১৯০৩ চনত "অসম এছোছিয়েছন" নামৰ এক জাতীয় প্ৰতিষ্ঠান সংগঠিত হয়। অসম এছোছিয়েছনৰ

প্ৰথম অধিবেশন গৌৰিপুৰৰ ৰজা বাহাদুৰ প্ৰভাতচন্দ্ৰ বৰুৱাৰ সভাপতিত্বত ডিব্ৰুগড়ত অনুষ্ঠিত হয়। অসম এছোছিয়েছনৰ সম্পাদক আছিল—মাণিকচন্দ্ৰ বৰুৱা আৰু প্ৰকৃততে তেঁৱেই আছিল এই অনুষ্ঠানৰ প্ৰাণ আৰু গতি নিৰ্দেশক। অসম এছোছিয়েছন অসমীয়া ৰাইজৰ একমাত্ৰ প্ৰথম ৰাজনৈতিক সংগঠিত অনুষ্ঠান আৰু চৰকাৰৰ ওচৰত এই সন্থাই অসমীয়া ৰাইজৰ অভাৱ-অভিযোগ, আশা-আকাঙ্ক্ষাৰ দাবী উত্থাপন কৰিছিল।

সেই সময়ত বঙ্গপ্ৰদেশখন দুভাগ কৰাৰ বিৰুদ্ধে বঙ্গভঙ্গ আন্দোলনৰ সৃষ্টি হৈছিল আৰু সেয়ে শেষত স্বদেশী আন্দোলনত পৰিণত হৈ দেশৰ যুৱক সম্প্ৰদায়ক জাতীয় ভাবত অনুপ্ৰাণিত কৰিছিল। অসমৰ ডেকা সমাজকো স্বদেশী আন্দোলনৰ জাতীয় প্ৰেৰণাই স্পৰ্শ কৰিছিল। ইংৰাজী শিক্ষাৰ প্ৰচলনৰ বাবে, যাতায়তী ব্যৱস্থা অলপ উন্নত হোৱাৰ কাৰণে আৰু সমগ্ৰ ভাৰতক এক প্ৰশাসনৰ অধীনত পৰিচালিত কৰাত, সমগ্ৰ দেশত এক নতুন জাতীয় ভাব বা আত্মচেতনাবোধ আৰু দেশাত্মবোধ ভাব জাগৃত হোৱা স্বাভাৱিক। সৰ্বভাৰতীয় জাতীয়তাবোধ সৃষ্টি হোৱাৰ কাৰণেই, ভাৰতৰ প্ৰথম স্বাধীনতা সংগ্ৰামৰ (চিপাহী বিদ্ৰোহ) পিছত ১৮৮৫ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ জন্ম হয়। কংগ্ৰেছৰ দ্বিতীয় অধিবেশনলৈ অসমৰ পৰাও প্ৰতিনিধি গৈ যোগদান কৰিছিল। গোলাঘাটৰ স্বৰ্গীয় দেৱীচৰণ বৰুৱাই ১৮৮৬ চনৰ কলিকতা কংগ্ৰেছ অধিবেশনত যোগদান কৰিছিল আৰু সেই অধিবেশনৰ আলোচনাত ভাগ লৈ "জুৰী-প্ৰথা" সম্পৰ্কে এক মূল্যবান ভাষণো দিছিল।

সেই সময়ত অসমৰ সকলো ক্ষেত্ৰতেই এক নতুন যুগৰ পাতনি আৰম্ভ হৈছিল। ৰাজনৈতিক, সামাজিক আৰু সাহিত্য আদি সকলো স্তৰতেই নতুন ভাব, নতুন উদ্দীপনা আৰু নতুন আশা-আকাঙ্ক্ষাৰ উন্মেষ হয়। তেজপুৰ, যোৰহাট আৰু কামৰূপতো বিভিন্ন ঠাইত ৰায়ত সভা আৰু আন আন অনুষ্ঠান সংগঠিত হৈছিল আৰু এই ৰাজহুৱা প্ৰতিষ্ঠানবোৰৰ মাধ্যমেৰে ৰাইজৰ অভাৱ-অভিযোগ আৰু দুখ-দুৰ্দশা আদিৰ ছবি প্ৰকাশ কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা চলোৱা হৈছিল। এই সম্পৰ্কত ভবানী ভট্টাচাৰ্য্য, হৰিবিলাস আগৰৱালা, লম্বোদৰ বৰা, লক্ষ্মীকান্ত বৰকাকতি, জয়দেৱ শৰ্মা, জগন্নাথ বৰুৱা, ৰাজকুমাৰ নাৰায়ণ সিংহ আদি নেতৃস্থানীয় লোকসকলৰ নাম স্মৰণীয়।

অসমৰ সাহিত্য ক্ষেত্ৰত নৱ জাগৰণ সৃষ্টিৰ বাবে একেলেথাৰিয়ে কেবাজনো

খ্যাতনামা স্বদেশপ্ৰেমিক সাহিত্যিকৰ আবিৰ্ভাৱ হৈছিল। তেওঁলোকৰ ভিতৰত বিশেষকৈ উল্লেখযোগ্য আছিল লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা, কমলাকান্ত ভট্টাচাৰ্য্য, পদ্মনাথ গোহাঁই বৰুৱা, হেমচন্দ্ৰ গোস্বামী আদি। এই লেখকসকলেই অসমৰ অতীত ঐতিহ্যৰ লগত আধুনিক ভাবধাৰাক খাপ খুৱাই সাহিত্য সৃষ্টি কৰি অসমীয়া জাতিৰ ভাষা সাহিত্যক সমৃদ্ধ কৰিছিল। বেজবৰুৱাৰ "অ'মোৰ আপোনাৰ দেশ" কবিতাই অসমীয়া জনসাধাৰণৰ মাজত এক গৌৰৱোজ্জল দেশপ্ৰেমৰ বহ্নি উদ্ভাসিত কৰিছিল। সেই সময়ত নৱধাৰাৰ সাংবাদিকতাৰো সৃষ্টি হৈছিল, যাৰ ফলত কেবাখনো জাতীয় কাকত প্ৰকাশিত হৈছিল। তাৰ ভিতৰত উল্লেখযোগ্য আছিল—জোনাকী, উষা, বঁন্তি, আসাম মিহিৰ, আসাম, আসাম বিলাসিনী, বাঁহী, টাইমচ্ অব্ আসাম আৰু আসাম বান্ধৱ আদি।

অসমৰ এই সুযোগ্য সাহিত্যিকসকলৰ অবদানে আৰু এক নতুন ভাব, নতুন উদ্দীপনা সৃষ্টি কৰা বাতৰি কাকত কেইখনে অসমীয়া ৰাইজৰ মাজত আৰু বিশেষকৈ শিক্ষিত সম্প্ৰদায়ৰ মাজত এক বৌদ্ধিক বিদ্ৰোহাত্মক ভাবধাৰাৰ অনুপ্ৰেৰণা জগাই জাতীয় স্বাধীনতা লাভৰ স্পৃহাক ত্বৰান্বিত কৰিবলৈ সক্ষম হৈছিল।

আধুনিক ৰাজনৈতিক চেতনা সৃষ্টিত অসম এছোছিয়েছনৰ অবদান উল্লেখনীয়। বিশেষকৈ মানিকচন্দ্ৰ বৰুৱা, ঘনশ্যাম বৰুৱা আদিৰ এই অনুষ্ঠানত অবদান যথেষ্ট আছিল। নিয়মতান্ত্ৰিক পদ্ধতিৰে চৰকাৰৰ ওচৰত দাবী পেছ কৰি অসমৰ স্বাৰ্থ-ৰক্ষাৰ বাবে সাধ্যানুযায়ী চেষ্টা কৰা আৰু অসমীয়া ৰাইজৰ মাজত জাতীয় জাগৰণৰ ভাব সৃষ্টি কৰাই আছিল এই অনুষ্ঠানৰ মুখ্য আদৰ্শ। এই অনুষ্ঠান অসাম্প্ৰদায়িক জাতীয়তাবোধৰ ভিত্তিত প্ৰতিষ্ঠিত হৈছিল। ১৯০৬ চনৰ পৰা ১৯১২ চনলৈ অসমক পূৰ্ববঙ্গৰ লগত সংযোগ কৰাত যদিও এই অনুষ্ঠানৰ কাম কিছু পৰিমাণে সেই কালছোৱাত ঢিলা হৈছিল, কিন্তু তথাপিও এই অনুষ্ঠানক অসমীয়া ৰাইজে জাতীয় প্ৰতিষ্ঠানৰূপে স্বীকৃতি দিছিল।

১৯১৭ চনত অসম এছোছিয়েছনৰ ডিব্ৰুগড়ত অনুষ্ঠিত হোৱা অধিবেশনে অসমৰ জনসাধাৰণৰ মাজত এক নতুন জাগৰণ, নতুন চিন্তাধাৰাৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছিল। সেই অধিবেশনৰ সভাপতি আছিল অসমৰ অন্যতম প্ৰধান জাতীয় নেতা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ। অতদিনে অসম এছোছিয়েছনে নৰমপন্থী নেতৃত্বৰ দ্বাৰা পৰিচালিত হৈছিল, কিন্তু ডিব্ৰুগড় অধিবেশনে নৰমপন্থী নেতৃত্বৰ পৰিবৰ্তে উগ্ৰপন্থী স্বাধীনতাকামী নেতৃবৃন্দকহে গ্ৰহণ কৰিবলৈ আগ্ৰহান্বিত

হোৱাৰ পৰিচয় দিয়ে। সেই অধিবেশনত ভাৰতৰ স্বায়ত্ব শাসনৰ প্ৰস্তাৱ গৃহীত হৈছিল আৰু স্বায়ত্ব শাসনৰ হকে কৰা আন্দোলনকো সমৰ্থন কৰা হৈছিল। মুঠৰ ওপৰত অসম এছোছিয়েছন এক ৰাজনৈতিক প্ৰতিষ্ঠানত সম্পূৰ্ণৰূপে পৰিণত হৈ দেশৰ স্বাধীনতাৰ দাবীক সমৰ্থন জনাইছিল।

১৯১৭ চনৰ অন্তত, পোন প্ৰথম অসম কাউন্সিলৰ চাৰিবছৰ ছমহীয়া আয়ুৰ অন্ত পৰাৰ লগে লগেই ভাৰতক স্বায়ত্ব শাসনৰ সৰ্ত দান কৰাৰ প্ৰস্তাৱ লৈ ভাৰত সচিব মিঃ মণ্টেগু ভাৰতবৰ্ষত উপস্থিত হয়হি। সেই সময়ত লৰ্ড চেমছফোৰ্ড ভাৰতবৰ্ষৰ গৱৰ্ণৰ জেনেৰেল। প্ৰত্যেক প্ৰদেশৰ অগ্ৰগণ্য প্ৰতিনিধি দেশনেতা-সকলৰ সাক্ষ্য গ্ৰহণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হ'ল। সেই আলমতে অসমৰ তৰফৰ পৰা অসম এছোছিয়েছনে অসমৰ হকে কৰলৈ এটা প্ৰতিনিধি দল মিঃ মণ্টেগুৰ ওচৰলৈ পঠাইছিল। বাছকবনীয়া লোকেৰে গঠিত এই প্ৰতিনিধি-দলটোত আছিল অনাৰেবল শ্ৰীযুত ঘনশ্যাম বৰুৱা, ৰায়বাহাদুৰ মিঃ গঙ্গাগোবিন্দ ফুকন, অনাৰেবল শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱা, অনাৰেবল মিঃ তৰুণৰাম ফুকন, শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা, শ্ৰীযুত নবীনচন্দ্ৰ বৰদলৈ আৰু শ্ৰীযুত প্ৰসন্নকুমাৰ বৰুৱা। ভাৰতৰ আন আন প্ৰদেশৰ সমানেই যে অসমেও ৰাজনৈতিক সুযোগ সুবিধা পাব লাগে—সেই কথা এই প্ৰতিনিধি দলটোৱে ভালদৰে ভাৰত সচিবৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছিল। কিন্তু ১৯১৮ চনতে প্ৰকাশ পায় যে ইংৰাজ কৰ্তৃপক্ষই অসমক নতুন শাসন সংস্কাৰৰ পৰা বঞ্চিত কৰি ৰখাৰহে ব্যৱস্থা কৰিছে।

১৯১৮ চনত অসম এছোছিয়েনৰ অধিবেশন গোৱালপাৰাত অনুষ্ঠিত হৈছিল, সভাপতি আছিল দেশভক্ত তৰুণৰাম ফুকন। সভাপতিৰ অভিভাষণত দেশভক্তই কৈছিল, "বৰ্তমানৰ পূৰ্ণ আমোলাতান্ত্ৰিক চৰকাৰৰ পৰিবৰ্তে এখন গণতান্ত্ৰিক চৰকাৰহে বাঞ্ছনীয়। ইংৰাজে কয় যে স্বায়ত্ব শাসনৰ বাবে ভাৰত উপযুক্ত হোৱা নাই আৰু ইংৰাজ বিষয়া, ইংৰাজ ব্যৱসায়ীসকলে আৰু ভাৰতৰো কিছু সংখ্যক লোকে জনপ্ৰিয় চৰকাৰ হোৱাটো ইচ্ছা নকৰে। প্ৰায় ডেৰশ বছৰ ইংৰাজ শাসনৰ পাছতো যদি ভাৰতে স্বায়ত্ব শাসনৰ বাবে উপযুক্ততা লাভ কৰা নাই, তেনেহলে তাৰ বাবে জগৰীয়া কোন? বৃটিশ শাসনেই ইয়াৰ বাবে জগৰীয়া। আজিৰ ভাৰতীয় সকল স্বায়ত্ব শাসনৰ বাবে উপযুক্ত আনকি যি সময়ত কানাডাক স্বায়ত্ব শাসন দিয়া হৈছিল, তাতোকৈ উপযুক্ত।" এই অধিবেশনত সভাপতি দেশভক্ত ফুকনে নৰমপন্থী ঘনশ্যাম বৰুৱাক এছোছিয়েছনৰ

সম্পাদকৰ পদৰীৰ পৰা অব্যাহতি দি তেওঁৰ ঠাইত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈক প্ৰধান সম্পাদক মনোনীত কৰে। গোৱালপাৰাৰ অধিবেশনৰ পৰাই অসম এছোছিয়েছন সম্পূৰ্ণৰূপে চৰমপন্থী সকলৰ নেতৃত্বাধীনত পৰিচালিত হয়।

১৯১৮ চনৰ নবেম্বৰ মাহত পদ্মধৰ চলিহাৰ সভাপতিত্বত অসম এছোছিয়েছনৰ এখন অধিবেশন বহে। সেই অধিবেশনতেই কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈক অসমৰ একমাত্ৰ প্ৰতিনিধি হিচাপে মনোনীত কৰি বিলাতত পাৰ্লামেণ্টৰী কমিটিৰ ওচৰত অসমৰ হকে সাক্ষ্য দিবলৈ নিৰ্বাচিত কৰে। পাৰ্লামেণ্টৰী কমিটিক ভাৰতৰ শাসন সংস্কাৰৰ আঁচনিক চূড়ান্তভাবে ৰূপ দিবলৈ বৃটিশ পাৰ্লামেণ্টক অধিকাৰ দিছিল। অসমকো যাতে নতুন শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত কৰা হয় তাৰ বাবেই পাৰ্লামেণ্টৰী কমিটিৰ ওচৰত অসমৰ দাবী পেছ কৰিবলৈ বৰদলৈ ডাঙৰীয়াৰ নেতৃত্বত এটা ডেপুটেছন পঠিয়াবলৈ এছোছিয়েছনে সিদ্ধান্ত লয়। পাৰ্লামেণ্টৰী কমিটিৰ ওচৰত অসমক নতুন শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত কৰাৰ ন্যায্য দাবীক প্ৰতিপন্ন কৰিবলৈ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈক অসম এছোছিয়েছনে প্ৰতিনিধি হিচাপে পঠিয়াইছিল। কৰ্মবীৰৰ লগত ডিব্ৰুগড়ৰ প্ৰসন্নকুমাৰ বৰুৱাও বিলাতলৈ গৈছিল আৰু তেওঁলোকৰ ইংলণ্ডলৈ অহা-যোৱাৰ খৰছৰ অধিক ভাগেই দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ঘূৰি সংগ্ৰহ কৰি দিছিল। বৰদলৈ ডাঙৰীয়াই নিজৰ বাগ্মীতা, যুক্তি আৰু তৰ্কৰে অসমৰ ন্যায্য দাবীক প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছিল। ফলত, অসমেও ভাৰতৰ অন্যান্য প্ৰদেশৰ লগতে সমান শাসন সংস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। অসমক স্বায়ত্ব শাসন আঁচনিৰ পৰা আঁতৰত ৰাখিবলৈ কৰা সকলো প্ৰচেষ্টা বিফল হয়। অসমৰ ৰাজনীতিত ই এটা উল্লেখযোগ্য ঘটনা। এই কামৰ বাবে অসম এছোছিয়েছনৰ দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ জাতিৰ কৃতজ্ঞতাৰ পাত্ৰ।

১৯২০ চনৰ চেপ্তেম্বৰ মাহত বহা কংগ্ৰেছ মহাসভাৰ অধিবেশনৰ পিছত গুৱাহাটীত অসম এছোছিয়েছনৰ এখন অধিবেশন বহে আৰু তাত অহিংসা অসহযোগৰ প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনোৱা হয়। এই সিদ্ধান্ত অনুযায়ী অসমেও কাউন্সিল বৰ্জন কৰিবলৈ সিদ্ধান্ত লয়। যি নতুন শাসন সংস্কাৰ লাভ কৰিবলৈ অসম এছোছিয়েছনে বিলাতলৈ ডেপুটেছন পঠিয়াইছিল আৰু সেই শাসন সংস্কাৰ

লাভ কৰিও অসমে ভাৰতৰ স্বাধীনতা লাভৰ বাবে অসহযোগ প্ৰস্তাৱ লৈ সেই শাসন-সংস্কাৰ বৰ্জন কৰাৰ সিদ্ধান্ত লোৱা তেনেই সাধাৰণ কথা আছিল। অসম এছোছিয়েছনৰ জৰিয়তে প্ৰকাশ পোৱা অসমীয়া ৰাইজৰ স্বাধীনতাৰ প্ৰতি থকা উগ্ৰ মনোভাবৰ এয়েই পৰিচয়। অসম এছোছিয়েছনৰ প্ৰস্তাৱৰ প্ৰতিবাদ জনাই ৺কুমুদ ৰাম বৰাই অসম লেজিচ্‌লেটিভ কাউন্সিললৈ নিৰ্বাচিত হৈও সদস্য পদ ত্যাগ কৰিলে। ইয়াৰ উপৰিও বৰপেটাৰ ৺হৰিপ্ৰসাদ দাসে চব্‌-ডেপুটি কলেক্টৰৰ পদ ইস্তফা দিয়ে। অসম এছোছিয়েছনৰ দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই ওকালতি এৰি অহিংস অসহযোগ আন্দোলনত জঁপিয়াই পৰে। তেঁৱেই অসমৰ বিভিন্ন ঠাইলৈ গৈ উকীল সকলক লগ ধৰি অসহযোগ আন্দোলনত যোগ দিবলৈ অনুৰোধ কৰে। তেঁৱেই অসম ছাত্ৰ সন্মিলনৰ নেতৃস্থানীয় ছাত্ৰসকলকো লগ ধৰি কলেজ বৰ্জন কৰা সম্পৰ্কে আলোচনা চলায়। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে কংগ্ৰেছৰ অসহযোগ প্ৰস্তাৱানুযায়ী ওকালতি ত্যাগ কৰি কামৰূপ জিলাৰ বিভিন্ন গাঁৱত পদব্ৰজে ভ্ৰমণ কৰি অসহযোগ আন্দোলনৰ বাণী প্ৰচাৰ কৰি ফুৰিছিল। তাৰ পিছত দেশভক্ত তৰুণৰাম ফুকন, শ্ৰীবিষ্ণুৰাম মেধী, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, স্বৰ্গীয় ৰোহিণী কুমাৰ চৌধুৰী আদিয়ে ওকালতি এৰি স্বৰাজৰ বাণী প্ৰচাৰ কৰাত লাগিল।

মূঠৰ ওপৰত অসম এছোছিয়েছনৰ অনুপ্ৰেৰণাত সমগ্ৰ অসমতে অসহযোগ আন্দোলনে ব্যাপকভাৱে প্ৰসাৰতা লাভ কৰে আৰু জনসাধাৰণৰ মাজত এক অভূতপূৰ্ব আলোড়নৰ সৃষ্টি হয়। ১৯২১ চনৰ মাৰ্চ মাহ পৰ্যান্ত অসমত কংগ্ৰেছ অনুষ্ঠান বুলি কোনো স্বকীয়া অনুষ্ঠান নাছিল। অসম এছোছিয়েছনেই অসমত ৰাজনৈতিক অনুষ্ঠান হিচাপে কাম কৰিছিল। সেই সময়ত অসম এছোছিয়েছনে অসমৰ বিভিন্ন সমস্যাৱলীৰ ওপৰত প্ৰবল জনমত গঢ়ি তুলিবলৈ সক্ষম হৈছিল। ১৯২০ চনত মহাত্মা গান্ধীৰ নেতৃত্বত পৰিচালিত হোৱা অহিংস অসহযোগ আন্দোলন আৰম্ভ হয় আৰু লগে লগেই অসম প্ৰদেশত কংগ্ৰেছ কমিটি গঠন হয়। ১৯২১ চনৰ শেষ ভাগত মৌঃ ফৈজনুৰ আলি চাহেবৰ সভাপতিত্বত গুৱাহাটীত পতা অসম এছোছিয়েছনৰ বিশেষ অধিবেশনত অসমত কংগ্ৰেছ পাতি নাগপুৰ কংগ্ৰেছৰ আহ্বান মতে আন্দোলন চলাবৰ কাৰণে সুবিধা কৰিবলৈ অসম এছোছিয়েছন অনুষ্ঠানটো আৰু তাৰ সকলো কাম-কাজ স্থগিত ৰখাৰ সিদ্ধান্ত

গৃহীত হয়। ইয়াৰ লগে লগেই অসম এছোছিয়েছনৰ সৰহভাগ সদস্যই অসহযোগ আন্দোলনত যোগদান কৰে আৰু সমগ্ৰ অসমতে এক নতুন যুগৰ সূচনা কৰে।

অসম এছোছিয়েছন পৰিচালিত কৰা নেতৃবৃন্দ দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, কুলধৰ চলিহা, বিষ্ণুৰাম মেধী, গোপীনাথ বৰদলৈ, ৰোহিণীকুমাৰ চৌধুৰী, বিশ্বাধৰ শৰ্মা, যোগেন্দ্ৰনাথ বৰুৱা, পদ্মধৰ চলিহা, ফৈজনুৰ আলী, ধনীৰাম তালুকদাৰ আদি অসমৰ মুক্তি যুঁজৰ ইতিহাসত চিৰস্মৰণীয় হৈ থাকিব।

## অসমত কংগ্ৰেছৰ আগমণ আৰু অসহযোগ আন্দোলন

অসমত জাতীয় কংগ্ৰেছৰ বিপ্লৱী জীৱনৰ ইতিহাসেই অসমৰ স্বাধীনতা সংগ্ৰামৰ গৌৰৱময় ইতিহাস। কংগ্ৰেছৰ অনুষ্ঠানটো অসমত কেনেকৈ গঢ়ি উঠিল, কেনেকৈ অসমে ভাৰতৰ জাতীয় জীৱনৰ লগত খোজ ৰাখি চলিবলৈ দিহা কৰিলে, অসমৰ ৰাইজে কি ত্যাগ স্বীকাৰ কৰি এই মুক্তি সংগ্ৰামত বৰঙণি দিলে— এই সকলো বিলাক ঘটনাই উল্লেখযোগ্য।

১৯২১ চনতেই অসমত কংগ্ৰেছৰ সংগঠন পোনতে হয়। এই সময়ৰ আগৰ ছোৱাত সংগঠন হিচাপে অসমত কংগ্ৰেছৰ শাখা অনুষ্ঠান গঢ়ি নুঠিলেও কংগ্ৰেছৰ লগত অসমৰ সংযোগ ইয়াৰ আগৰে পৰাই আছিল। অসমৰ পৰা যিসকল প্ৰতিনিধি কংগ্ৰেছৰ বছৰেকীয়া অধিবেশনত মাজে সময়ে যোগ দি আছিল তেওঁলোকে বঙ্গীয় প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ জৰিয়তেহে যাব লাগিছিল।

১৯২০ চনত কলিকতাত বহা কংগ্ৰেছৰ বিশেষ অধিবেশনতহে পোন প্ৰথমতে কলিকতাত পঢ়া অসমীয়া ছাত্ৰকেইজনমান স্বেচ্ছাসেৱকৰ দলত সোমোৱা বাবে আৰু তেওঁলোকৰ যত্নত অসম প্ৰদেশৰ বাবে সুকীয়া এখোটালিৰ ব্যৱস্থা হৈছিল। তথাপিও, ১৯২১ চনৰ আগৰে পৰা ভাৰতৰ জাতীয় জীৱনৰ প্ৰভাৱ অসমৰ ওপৰত পৰিছিল। বঙ্গপ্ৰদেশৰ বিচ্ছেদ লৈ যি আন্দোলন হৈছিল আৰু এই আন্দোলনে দেশৰ ডেকাসকলৰ মাজত স্বাধীনতাৰ বাবে যি নীতি আৰু পন্থা লোৱাৰ ভাৱ জগাইছিল, তাৰ প্ৰভাৱ অসমীয়া ডেকাসকলৰ ওপৰতো নপৰা নহয়। দক্ষিণ আফ্ৰিকাত গান্ধীজীৰ সত্যাগ্ৰহ আৰু এই সময়ত কিছুমান ভাৰতীয় নেতাৰ মনত স্বৰাজ সাধনৰ বাবে নিষ্ক্ৰিয় প্ৰতিৰোধ নাইবা আন কিবা পোনপটীয়া কাৰ্য্যনীতি লোৱাৰ এটা ভাৱ হৈছিল। অসমীয়া ছাত্ৰসকলৰ মনত এই বিলাকৰ প্ৰভাৱ নপৰাকৈ নাছিল।

এইদৰে ভাৰতবৰ্ষত যি বিলাক ৰাজনৈতিক ঘটনাৱলী ঘটিবলৈ ধৰিলে তাৰ প্ৰভাৱো অসমীয়া ডেকা সমাজৰ ওপৰত পৰিবলৈ ধৰিলে। লোকমান্য তিলকৰ নিৰ্বাসন, লালা লাজপৎ ৰায়ৰ নিৰ্বাসন, লোকমান্যৰ মুক্তিৰ পাছত পুনৰ শ্ৰীযুতা এনি বেছান্তৰ লগ লাগি হ'মৰুল লীগৰ প্ৰতিষ্ঠা, এই আন্দোলনৰ ফলত

মিছেছ বেছান্তৰ ওপৰত তুজন সহকৰ্মীৰে সৈতে অন্তৰীণৰ আদেশ, অন্তৰীণৰ মাজতো সদায় পুৱাতে ভাৰতীয় হমৰুলৰ পতাকা অভিবাদন* আৰু এই পতাকাৰ তলত ভাৰতীয় স্বৰাজৰ বাবে তিনিওৰে সমবেত প্ৰাৰ্থনা, আলি ভ্ৰাতৃদ্বয়ৰ কাৰাদণ্ড, গান্ধীজীৰ চম্পাৰণ সত্যাগ্ৰহ, ৰাওলাট আইন প্ৰণয়ন আৰু ইয়াৰ ফলত গান্ধীজীৰ সত্যাগ্ৰহ, পঞ্জাৱৰ হত্যাকাণ্ড ইত্যাদি এটাৰ পিচত এটাকৈ হোৱা ঘটনাৰ সোঁতে অসমীয়া ডেকাসকলক ভাৰতীয় জাতীয় জীৱনৰ লগত খোজ মিলাই চলিবলৈ যথেষ্ট প্ৰেৰণা দিছিল। ইয়াৰ আগতে অসমীয়া শিক্ষিত সমাজৰ মাজত যে জাতীয়তাবোধ নাছিল তেনে নহয়; কিন্তু সেইভাৱ ৰূপ আন বিধৰ আছিল—বৃটিশ শাসন অসমীয়াৰ কাৰণে কল্যাণজনক আৰু এই শাসনৰ লগত সহযোগ কৰি অসমীয়াৰ উন্নতি কৰা—অসমীয়া দেশপ্ৰেমিকৰ দেশপ্ৰেমৰ কল্পনা ইয়াতেই সীমাবদ্ধ আছিল। সেই ভাবৰ মাজত বিৰাট ভাৰতীয় জাতীয়তাৰ ভাব নাছিল। সেই সময়ত অসমীয়া ভাষাৰ ওপৰত যি আক্ৰমণ চলিছিল সেই আক্ৰমণৰ পৰা অসমীয়া ভাষাক ৰক্ষা কৰি কেনেকৈ অসমীয়া সাহিত্যৰ পুষ্টি সাধন কৰিব পাৰি—এয়েই অসমীয়া শিক্ষিত শ্ৰেণীৰ জাতীয় কাৰ্য্য তালিকাৰ ঘাই কথা আছিল।

ভাৰতীয় জাতীয় জীৱনৰ প্ৰভাৱ পৰাৰ লগে লগে এই বিলাক কাৰ্য্য তালিকাৰ লগতে কেনেকৈ অসমতো ভাৰতৰ আন আন প্ৰদেশৰ দৰে এটা উগ্ৰপন্থী জাতীয় অনুষ্ঠান গঢ়ি তুলিব পাৰি সেই ভাবো ডেকাসকলৰ মনলৈ নহাকৈ নাছিল। সেই সময়তে এফালে অসম এছোছিয়েছন নতুনকৈ সংগঠিত কৰিবলৈ যত্ন হল; আনফালে, ছাত্ৰসকলৰ মাজতো অসম ছাত্ৰ সন্মিলনৰ জন্ম হ'ল। এই সন্মিলনে অসমীয়া ছাত্ৰসকলৰ মাজত এটা নতুন উদগনি দিলে।

সেই সময়ত অসমতো এনে কিছুমান ৰাজনৈতিক ঘটনা ঘটিছিল, যি বিলাকে অসমীয়াক পুৰণি কাৰ্য্যনীতি এৰি এটা পোনপটীয়া কাৰ্য্যনীতি লবলৈ বাধ্য কৰিলে। ১৯১৬ চনত নতুনকৈ ঘাঁহ কৰৰ প্ৰবৰ্তন হলত ইয়াৰ তীব্ৰ সমালোচনা হবলৈ ধৰিলে। আনফালে অসম চৰকাৰৰ কানি নীতিৰো তীব্ৰ সমালোচনা সেই সময়ত হৈছিল আৰু অসম কাউঞ্চিলত ৺ফণীধৰ চলিহাই চৰকাৰৰ কানি নীতিৰ নিন্দা কৰাত চীফ কমিশনাৰ বিটছন বেলে তেওঁক অপমান কৰাত তেওঁ কাউঞ্চিলৰ পৰা প্ৰতিবাদ স্বৰূপে পদত্যাগ কৰিলে। আনফালে মণ্টেগু চেমছ্‌ফোৰ্ডৰ নতুন শাসন সংস্কাৰৰ পৰা অসমক বাদ দিবলৈ

শাসকশ্ৰেণীৰ যি ষড়যন্ত্ৰ আৰু চেষ্টা চলিছিল, সেই ষড়যন্ত্ৰ ব্যৰ্থ কৰিবলৈ অসমীয়াই এটা কাৰ্য্যকাৰী নীতি লবলৈ বাধ্য হ'ল।

এইবিলাক ঘটনাই অসমীয়াৰ মাজত এটা চাঞ্চল্যৰ সৃষ্টি কৰিছিল আৰু অসম এছোছিয়েছনৰ সহকাৰী সম্পাদক ৺চন্দ্ৰনাথ শৰ্মাই একেমাহৰ ভিতৰতেই কেইবাহাজাৰো টকা তুলি পাৰ্লামেণ্টলৈ অসমৰ প্ৰতিনিধি পঠাবলৈ ব্যৱস্থা কৰিলে। ৺নবীনচন্দ্ৰ বৰদলৈ আৰু ৺প্ৰসন্নকুমাৰ বৰুৱাক অসম এছোছিয়েছনৰ প্ৰতিনিধিস্বৰূপে পঠাবলৈ ব্যৱস্থা কৰিব পৰাটো সেই সময়ত অসমৰ জীৱনৰ এটা ডাঙৰ ঘটনা হৈছিল আৰু এই কথাষাৰে অসমীয়াৰ মাজত এটা আত্মবিশ্বাসৰ ভাৱ জন্মোৱাত বহুতো সহায় কৰিছিল। ১৯১৯ চনৰ ছেপ্তেম্বৰ মাহত ৺নবীনচন্দ্ৰ বৰদলৈ আৰু ৺প্ৰসন্নকুমাৰ বৰুৱা বিলাতলৈ ৰাওনা হ'ল আৰু ফলত চাহ খেতিয়ক আৰু শাসকশ্ৰেণীৰ ষড়যন্ত্ৰ ব্যৰ্থ কৰি অসমতো এই নতুন শাসন সংস্কাৰ প্ৰয়োগ কৰাৰ ব্যৱস্থা হ'ল।

এই সময়ত ভাৰতৰ ৰাজনৈতিক ক্ষেত্ৰত পঞ্জাৱৰ হত্যাকাণ্ডৰ ঘটনাৱলীয়ে দেশবাসীৰ মনত যথেষ্ট বিক্ষোভৰ সঞ্চাৰ কৰিছিল আৰু সেইবাবে ব্যথিত পঞ্জাৱবাসীক শান্তনা দিবলৈকে অমৃতসৰত কংগ্ৰেছৰ বছেৰেকীয়া অধিবেশন বহিল। বিলাতৰ পৰা আহি পোনে পোনেই ৺বৰদলৈদেৱ অমৃতসৰলৈ অসমৰ প্ৰতিনিধি হিচাপে গ'ল।

এনে সময়ত গান্ধীজী ভাৰতৰ ৰাজনৈতিক কৰ্মক্ষেত্ৰত পদাৰ্পণ কৰে। গান্ধীজীয়ে একালে বৃটিছ শাসকশ্ৰেণীৰ লগত কেনেকৈ সন্মানজনক আপোচ কৰিব পাৰি তাৰ বাবে যত্ন কৰিলে আৰু আনফালে কংগ্ৰেছ অনুষ্ঠানটোক সমগ্ৰ ভাৰতীয় ৰাইজৰ অনুষ্ঠানত পৰিণত কৰিবলৈ দিহা কৰিলে। আপোচৰ চেষ্টা ব্যৰ্থ হলত অসহযোগৰ প্ৰস্তাৱ তেওঁ দেশবাসীৰ ওচৰত দাঙি ধৰিলে। ১৯২০ চনৰ নাগপুৰ কংগ্ৰেছ অধিবেশনতেই ভাৰতৰ জাতীয় জীৱনত এক নতুন চিন্তাধাৰা, নতুন কৰ্মপ্ৰণালী আৰু এক নতুন প্ৰেৰণাৰ সৃষ্টি কৰে। এই কংগ্ৰেছ অধিবেশনত মহাত্মা গান্ধীৰ অহিংস, অসহযোগ প্ৰস্তাৱ গৃহীত হয়। ইয়াৰ আগৰ কলিকতাৰ অধিবেশনত এই প্ৰস্তাৱৰ বিৰোধ কৰা নেতাসকলেও বিশেষকৈ দেশবন্ধু চিত্তৰঞ্জন দাস, দেশভক্ত তৰুণ ৰাম ফুকন আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আদি নেতৃবৃন্দইয়ো দেশৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি অসহযোগ আন্দোলনৰ প্ৰস্তাৱটো ঐকান্তিকভাৱে সমৰ্থন জনায়। ইমান দিনে কংগ্ৰেছে আবেদন-

নিবেদনৰ যি নীতি চলাইছিল, সেই নীতি ত্যাগ কৰি কংগ্ৰেছে নিজৰ শক্তিত নিজে থিয় দি দেশৰ দাবীক প্ৰতিপন্ন কৰিবলৈ দৃঢ় প্ৰতিজ্ঞ হয়। ভাৰতৰ জাতীয় জীৱনত ই এক প্ৰবল পদক্ষেপ আৰু এয়েই দেশত এক নতুন যুগৰ সূচনা কৰে।

এনেবিলাক ঘটনাৱলীৰ মাজত ১৯২০ চনৰ চেপ্তেম্বৰ মাহত কংগ্ৰেছৰ বিশেষ অধিবেশনৰ ঠিক পিছতেই গুৱাহাটীত অসম এছোছিয়েছনৰ এখন বিশেষ অধিবেশন বহিল। এই অধিবেশনত অসমৰ বুঢ়াতৰপীয়া নেতাসকলৰ বিৰোধিতা স্বত্বেও কংগ্ৰেছৰ অসহযোগৰ প্ৰস্তাৱ গৃহীত হ'ল। ইয়াৰ পাছত তেজপুৰত অসম এছোছিয়েছনৰ বছৰেকীয়া সাধাৰণ অধিবেশন বহিল আৰু এইবাৰ অসহযোগ প্ৰস্তাৱটোকেই পুনৰ গ্ৰহণ কৰা হ'ল।

সেই সময়ত অসমৰ ৰাজনৈতিক ক্ষেত্ৰত এক নতুন চেতনা, উৎসাহ, উদ্দীপনাৰ মনোভাব জাগ্ৰত হয়। যি অসমীয়াই নতুন শাসন সংস্কাৰৰ পৰা বাদ পৰে বুলি আশঙ্কা কৰি পাৰ্লামেণ্টলৈ সঁজাতি দল পঠাই এই শাসন সংস্কাৰ অসম প্ৰদেশতো প্ৰয়োগৰ ব্যৱস্থা কৰিলে এতিয়া সেই অসমীয়াই আৰু সেই অসম এছোছিয়েছনেই পঞ্জাবৰ অন্যায়ৰ প্ৰতিবাদ স্বৰূপে কাউন্সিল বৰ্জনৰ নীতি ললে। অসমৰ জাতীয় জীৱনত ই লেখত লবলগীয়া ঘটনা। সেই সময়ত এই প্ৰস্তাৱৰ সন্মান ৰক্ষা কৰিবলৈ কাউন্সিললৈ নিৰ্বাচিত হৈও ৺কুমুদ ৰাম বৰাই সদস্যপদ ত্যাগ কৰিলে। ৺কালিৰাম বৰ্মন আৰু ৺চন্দ্ৰনাথ শৰ্মাই দাখিল কৰিও মনোনয়ন পত্ৰ তুলি ললে। ৺হৰি প্ৰসাদ দাসে চবডেপুটি কলেক্টৰৰ পদ ইস্তফা দিয়ে। এওঁলোকৰ বাহিৰেও অনেকে চৰকাৰী চাকৰী ইস্তফা দি জাতীয় আন্দোলনত জঁপিয়াই পৰে।

অসহযোগৰ প্ৰস্তাৱ অনুসৰি অসমৰ উকীল সকলেও ওকালতি ব্যৱসায় ত্যাগ কৰিবলৈ সিদ্ধান্ত লয়। অসমৰ উকীলসকলৰ ভিতৰত পোন প্ৰথমে দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাই ওকালতি এৰি দি অহিংস অসহযোগ আন্দোলনত যোগদান কৰে। তেওঁেই বৰপেটা, ধুবুৰী, গোৱালপাৰা আদি ঠাইলৈ গৈ তাৰ উকীলসকলক লগ ধৰি অসহযোগ আন্দোলনত যোগ দিবলৈ অনুৰোধ জনায়। তাৰ পিছত দেশভক্ত তৰুণৰাম ফুকন, বিষ্ণুৰাম মেধী, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰোহিনী কুমাৰ চৌধুৰী, গোলোকেশ্বৰ গোস্বামী, গৌৰীকান্ত তালুকদাৰ আদি কেবাজনো উকীলে ওকালতি এৰি কামৰূপ জিলাৰ বিভিন্ন গাৱঁত অসহযোগ আন্দোলনৰ বাণী প্ৰচাৰ

কাৰ্য্যত লাগে। সেয়ে গাবঁলীয়া ৰাইজৰ মাজত বিপুল উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিছিল।

১৯২১ চনৰ জানুৱাৰী মাহত গোটেই ভাৰতবৰ্ষ জুৰি ছাত্ৰসমাজৰ মাজত স্কুল, কলেজ বৰ্জনৰ এটি প্ৰচণ্ড ঢল আহিল। এই ঢল আহি অসমত বিয়পি পৰিল। এইবাৰো ৺চন্দ্ৰনাথ শৰ্মাই প্ৰত্যেক নগৰলৈ গৈ ছাত্ৰসকলক স্কুল, কলেজ এৰি দেশমাতৃৰ সেৱা কৰিবলৈ আহ্বান জনালে। সেই সময়ত অসমীয়া নেতাসকলৰ সৰহ ভাগেই এই ঢলৰ বাবে সাজু নাছিল, তেওঁলোকৰ কিছুমানে ছাত্ৰসকলে স্কুল-কলেজ এৰি দিয়াৰ বিৰোধীতা কৰিছিল। তেতিয়া ছাত্ৰসকলৰ মনলৈ এটা নতুন উন্মাদনা আহিছে—দেশমাতৃক সেৱা কৰিবলৈ গান্ধীজীৰ আহ্বান তেওঁলোকে মুশুনাকৈ থাকিব নোৱাৰিলে। এবছৰৰ ভিতৰত স্বৰাজ হ'ব—এই বিশ্বাস কৰি ৺লক্ষীধৰ শৰ্মাই তেজপুৰত কৈছিল,—"এই কছাৰী ঘৰ, হাইস্কুলৰ এই ঘৰ সকলো ৰাইজৰ হাতলৈ আহিব, এবছৰৰ কাৰণে ছাত্ৰইঁতে স্কুল এৰিব লাগে।" ছাত্ৰসকলে স্কুল-কলেজ এৰি গাৱেঁ-ভূঞে গান্ধীজীৰ বাণী, কংগ্ৰেছৰ বাণী প্ৰচাৰ কৰাত লাগিল। ১৯২১ চনৰ ১৭ জানুৱাৰীৰ দিনা কটন কলেজৰ কিছু সংখ্যক ছাত্ৰই অসহযোগ আন্দোলনৰ সংকল্প গ্ৰহণ কৰে। সেই দিনাই কলেজৰ ১১৭ জন ছাত্ৰই কলেজৰ পৰা নাম উঠাই লৈ ধৰ্মঘট কৰি আন্দোলনৰ কামত অংশগ্ৰহণ কৰে। কলেজ ত্যাগ কৰি নিজ নিজ ঠাইলৈ গৈ অসহযোগ আন্দোলনৰ প্ৰচাৰ কাৰ্য্যত আত্মনিয়োগ কৰা ছাত্ৰসকলৰ ভিতৰত আছিল পূৰ্ণচন্দ্ৰ শৰ্মা, অক্ষয় কুমাৰ দাস, ৰামেশ্বৰ ভট্টাচাৰ্য্য, কবি চন্দ্ৰ মহন্ত, বিশ্বনাথ দাস, কুমুদ শৰ্মা, তিলক শৰ্মা, দক্ষৰাম বৰুৱা, ফটিক শৰ্মা, বগীৰাম শইকীয়া, ৰামকান্ত শৰ্মা আগৰণুৱা আছিল। ইয়াৰ বাহিৰেও ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, সিদ্ধিনাথ শৰ্মা, মহেশ্বৰ বৰুৱা আদি ল-কলেজৰ ছাত্ৰসকলে কলেজ এৰি একাণপতীয়াকৈ কংগ্ৰেছৰ সংগঠনত লাগি গ'ল।

স্কুল কলেজ বৰ্জন কৰি অহা ছাত্ৰসকলক লৈ গুৱাহাটীৰ কুমাৰ ভাস্কৰ নাট্য মন্দিৰত জানুৱাৰীৰ ২৩ তাৰিখে অসহযোগ আন্দোলন সম্পৰ্কে সৰ্বপ্ৰথম ৰাজহুৱা সভা হয়। সেই সভাত দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, অসম কেশৰী অম্বিকাগিৰি ৰায়চৌধুৰী আৰু নিধিৰাম দাস আদিয়ে কলেজ এৰি অহা ছাত্ৰসকলক আদৰণি জনায় আৰু অসহযোগ আন্দোলন সম্পৰ্কে ভাষণ দিয়ে। সেই সভাত ৰোহিনীকুমাৰ চৌধুৰী, লোকপ্ৰিয়

গোপীনাথ বৰদলৈ, বিষ্ণুৰাম মেধী, মহম্মদ তৈয়বুউল্লা, গৌৰীকান্ত তালুকদাৰ, অম্বিকা প্ৰসাদ গোস্বামী, দীননাথ মেধী আদি অসহযোগ আন্দোলনত যোগদান কৰা উকীল সকলো উপস্থিত আছিল।

মূঠৰ ওপৰত, ১৯২১ চনৰ প্ৰথম ছমাহৰ ভিতৰত সমগ্ৰ অসমতে এক নতুন ভাবৰ ঢৌ সৃষ্টি হয়, আৰু স্বৰাজৰ দাবী অসমৰ তৰুণ সমাজৰ হিয়াত জাগৃত হয়। দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ প্ৰেৰণাত সংগঠিত হোৱা অসমৰ ছাত্ৰসমাজে মহামানৱ মহাত্মা গান্ধীৰ আহ্বানত স্বৰাজৰ কামত যোগদানৰ বাবে ফুকন বৰদলৈৰ নেতৃত্বত কংগ্ৰেছৰ পতাকাৰ তলত সমবেত হয়। ১৯২১ চনৰ মাৰ্চ মাহৰ ভিতৰতে অসমৰ অধিক সংখ্যক শিক্ষানুষ্ঠান প্ৰায় ছাত্ৰ শূন্য হৈ উদং হৈছিল। স্কুল-কলেজৰ ছাত্ৰসকলৰ অদম্য উৎসাহ আৰু প্ৰেৰণাই অসমীয়া জনসাধাৰণৰ মাজত এক অভূতপূৰ্ব আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ছাত্ৰসকলে বিদেশী বৰ্জন, স্বদেশী প্ৰচলন আৰু কানি, ভাং, মদৰ অপকাৰিতা সম্পৰ্কে প্ৰচাৰৰ যি ব্যাপক অভিযান চলাইছিল—সেয়ে আছিল এক অভূতপূৰ্ব প্ৰেৰণা-সম্ভূত জাগৰণ। ছাত্ৰসকলৰ প্ৰচাৰৰ ফলত অসমৰ বছৰি এহেজাৰ আঠশ মোনকৈ বিক্ৰী হোৱা আফিঙৰ বিক্ৰীৰ পৰিমাণ ১৯২১ চনত প্ৰায় আধা কমি যায়।

পঞ্জাবৰ হত্যাকাণ্ডৰ বাবে ভাৰতীয় জনসাধাৰণৰ মনত সৃষ্টি হোৱা অসন্তোষ আৰু ক্ষোভৰ ভাবক কিছু পৰিমাণে হ্ৰাস কৰোৱাৰ মানসেৰে বৃটিশ চৰকাৰে সম্ৰাট পঞ্চম জৰ্জৰ খুড়ায়েক কনটৰ ডিউকক ভাৰতলৈ পঠোৱাৰ সিদ্ধান্ত কৰে। তেওঁ জানুৱাৰী ২৮ তাৰিখে ভাৰতত উপস্থিত হয়। কংগ্ৰেছ মহাসভাই জাতিক নিৰ্দেশ দিছিল যে তেওঁৰ অভ্যৰ্থনাৰ বাবে পতা মেল-মিটিং, সভা-সমিতি আদিত যেন কোনোৱে যোগদান নকৰে আৰু তেওঁ ভাৰতত উপস্থিত হোৱাৰ দিনা যেন সমগ্ৰ দেশতে হৰতাল পালন কৰা হয়। গুৱাহাটীতো ২৮ জানুৱাৰীৰ দিনা হৰতাল পালন কৰা হয়। সেইদিনা গধূলি গুৱাহাটীৰ মাছখোৱা পথাৰত এক বিৰাট জনসভা হৈছিল। সেই বিৰাট জনসভাত দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা আদিয়ে বক্তৃতা দিছিল। অসমৰ জাতীয় আন্দোলনত মাছখোৱাৰ এই জনসভা অতি উল্লেখযোগ্য। এই জনসভাই ৰাইজৰ মাজত এক অভূতপূৰ্ব জাগৰণৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ আগেয়ে এনে ডাঙৰ জনসভা অনুষ্ঠিত হোৱা নাছিল।

এই জনসভাৰ পিছতেই সমগ্ৰ অসমতে এক অভূতপূৰ্ব জাতীয় জাগৰণৰ সৃষ্টি হৈছিল।

ভাৰতৰ আন আন ঠাইত হোৱাৰ দৰে, সেই কালছোৱাত অসমত কেবাখনো জাতীয় বিদ্যালয় প্ৰতিষ্ঠিত হৈছিল। বৃটিশ চৰকাৰৰ অনুমোদন আৰু সাহায্য পুষ্ট বিদ্যালয় ত্যাগ কৰি অসমৰ অসংখ্য স্কুল-কলেজৰ ছাত্ৰই জাতীয় আন্দোলনত জঁপিয়াই পৰিছিল। অসমৰ নলবাৰীত পোনপ্ৰথমে জাতীয় বিদ্যালয় প্ৰতিষ্ঠিত হৈছিল আৰু সেই বিদ্যালয় পৰিচালনা কৰিছিল বৰপেটাৰ উকীল শ্ৰীদেৱেন্দ্ৰ নাথ উজীৰ, বি, এল, ডাঙৰীয়াই। শিৱসাগৰত শ্ৰীভুবনচন্দ্ৰ গগৈয়ে কাৰিকৰী শিক্ষাৰ এখন জাতীয় শিক্ষা প্ৰতিষ্ঠান আৰম্ভ কৰিছিল আৰু অসমীয়া ৰাইজৰ মাজত শিক্ষা সম্পৰ্কে এক নতুন ভাৱধাৰাৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। পণ্ডিত কনকচন্দ্ৰ শৰ্মাই বহাত এখন জাতীয় স্কুল প্ৰতিষ্ঠা কৰিছিল। তেজপুৰতো এখন জাতীয় স্কুল স্থাপিত হৈছিল।

১৯২১ চনৰ আদি ভাগত অসমৰ গাৱেঁ-ভূঞেঁ-চহৰে কেৱল "মহাত্মা গান্ধী কি জয়", "বন্দে মাতৰম্", "ভাৰত মাতা কি জয়" আদি ধ্বনিৰে আকাশ বতাহ মুখৰিত হৈছিল। সেই সময়ত সমগ্ৰ অসমত মাত্ৰ ৭৫ জনহে অসমীয়া উকীল আছিল। তাৰে ১৫ জন উকীলে বছৰটোৰ আগভাগতেই ওকালতী এৰি স্বৰাজৰ আন্দোলনত আত্মনিয়োগ কৰিছিল। পাছত আৰু ৫০ জন অসমীয়া উকীলে আদালত বৰ্জন কৰি আদালতৰ বাহিৰত ৰাইজৰ মেল মোকৰ্দমা আপোচত নিষ্পত্তি কৰা কামত নিজক নিয়োজিত কৰিছিল। তাৰ উপৰিও মাদকতা নিবাৰণী, হিন্দু-মুছলমানৰ ঐক্য স্থাপন আৰু অস্পৃশ্যতা নিবাৰণী আদি কাম তেওঁলোকে গাঁৱে-ভূঞেঁ প্ৰচাৰ কৰি ফুৰিছিল। উকীলসকলৰ আদৰ্শ অনুকৰণ কৰি উকীলৰ মহৰী তৰুণীসকলেও আদালতৰ কাম এৰি অসহযোগ আন্দোলনৰ কাৰ্য্যসূচীৰ প্ৰচাৰত লাগিছিল।

১৯২১ চনৰ মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অহিংস অসহযোগ আন্দোলনে দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মাৰ নেতৃত্বত সমগ্ৰ অসমতে ব্যাপক ভাবে প্ৰসাৰতা লাভ কৰে।

গুৱাহাটীৰ উকীল সকলৰ বাদেও বৰপেটাৰ ধনীৰাম তালুকদাৰ, জনাৰ্দ্দন দাস, প্ৰাণেশ্বৰ দাস, অক্ষয় কুমাৰ দাস আৰু বিশ্বনাথ দাস আদি কৰ্মীসকলে অসহযোগ আন্দোলনৰ কামত লাগে। শ্ৰীহৰিপ্ৰসাদ দাস ডাঙৰীয়াই তেতিয়াৰ দিনত

চৰডেপুটিৰ কাম ইস্তফা দি অসহযোগ আন্দোলনত আত্মনিয়োগ কৰা দৃষ্টান্তই সদৌ অসমতে আৰু বিশেষকৈ উঠি অহা শিক্ষিত ডেকাসকলৰ মাজত এক নতুন চিন্তাধাৰাৰ সৃষ্টি কৰা বুলি কব পাৰি।

গোৱালপাৰা জিলাৰ ধুবুৰী মহকুমাত শ্ৰীকেদাৰ গোস্বামী, শ্ৰীইন্দ্ৰ গোস্বামী আৰু শ্ৰীশীতলা গাঙ্গুলীয়ে অসহযোগ আন্দোলনৰ কামত জঁপিয়াই পৰিছিল। দেশভক্ত তৰুণৰাম ফুকনৰ প্ৰচাৰ আৰু ব্যক্তিত্বই সমগ্ৰ গোৱালপাৰা জিলাতেই আন্দোলনৰ গতি তীব্ৰতৰ কৰি তুলিছিল। গোৱালপাৰত শ্ৰীযোগেন্দ্ৰনাথ নাথ, শ্ৰীভেকছা ৰাম ৰাভা আৰু শ্ৰীদুষ্মন্তনাথ নাথে অসহযোগ আন্দোলনত লাগি সমগ্ৰ মহকুমাখনতেই এক জাতীয় জাগৰণৰ সৃষ্টি কৰিছিল। তেওঁলোকৰ লগতে শ্ৰীখগেন্দ্ৰ নাথ, শ্ৰীচিন্তাহৰণ দাস প্ৰভৃতি কৰ্মীবৃন্দই গাৱেঁ-ভূঞেঁ পৰিভ্ৰমণ কৰি ৰাইজৰ মাজত অসহযোগ আন্দোলনৰ বাণী প্ৰচাৰ কৰিছিল।

দৰং জিলাৰ মঙ্গলদৈ মহকুমাত শ্ৰীকুমুদ ৰাম বৰা, তপেশ্বৰ শৰ্মা, মৌলবী খবিৰুদ্দিন আহমদ, দীনেশ্বৰ শৰ্মা আৰু ৰত্নেশ্বৰ শৰ্মা আদি কৰ্মীসকলে অসহযোগ আন্দোনলত যোগ দিয়াত আন্দোলন তীব্ৰ হৈ উঠে। শ্ৰীলোকনাথ গোস্বামীয়ে চৰকাৰী কাম ইস্তফা দি আন্দোলনত যোগ দিছিল। শ্ৰীদীনেশ্বৰ শৰ্মা, শ্ৰীৰত্নেশ্বৰ শৰ্মা আৰু শ্ৰীটঙ্কেশ্বৰ শৰ্মা আদি ছাত্ৰসকলে মঙ্গলদৈত আন্দোলনৰ কামত লগাত আন্দোলন সুদূৰ গাওঁবোৰলৈ বিয়পিছিল। তেজপুৰতো শ্ৰীলক্ষীধৰ শৰ্মা, শ্ৰীহেমচন্দ্ৰ হাজৰিকা, শ্ৰীশিৱপ্ৰসাদ আগৰৱালা আৰু কলিকতাৰ কলেজ এৰি অহা শ্ৰীপ্ৰফুল্ল বৰুৱা আদিৰ প্ৰচাৰত আৰু দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা আৰু অমিয় কুমাৰ দাসৰ পৰিচালনাত জাতীয় আন্দোলনৰ গতি তীব্ৰতৰ হৈ উঠিছিল।

নগাঁৱত ৺হলধৰ ভূঞাই চৰকাৰী চাকৰি ইস্তফা দি অসহযোগ আন্দোলনত যোগ দিয়ে। শ্ৰীবৃন্দাবন গোস্বামী, পণ্ডিত কনকচন্দ্ৰ শৰ্মা আদিয়ে অসহযোগ আন্দোলনৰ প্ৰচাৰত লাগে। শ্ৰীমতিৰাম বৰা আৰু শ্ৰীবিমলাকান্ত বৰাই বি. এ. পৰীক্ষা দিয়েই আন্দোলনত লাগে আৰু শ্ৰীপূৰ্ণচন্দ্ৰ শৰ্মাই কলেজ এৰি অসহযোগৰ কামত আত্মনিয়োগ কৰে। ইয়াৰ বাদেও অসংখ্য স্কুল-কলেজৰ ছাত্ৰই আন্দোলনত যোগ দিয়াৰ ফলত নগাঁৱত আন্দোলন পূৰ্ণ উদ্যমে চলে।

যোৰহাটত দেশনেতা কুলধৰ চলিহা আৰু কৃষ্ণনাথ শৰ্মাই ওকালতি এৰি আন্দোলনত নামে আৰু লগে লগে শ্ৰীদেবেশ্বৰ শৰ্মায়ো আন্দোলনত যোগ দিয়ে।

কলেজ বৰ্জন কৰি ওলাই অহা শ্ৰীৰোহিনীকান্ত হাতী বৰুৱা, শ্ৰীসৰ্বেশ্বৰ বৰচেতীয়া, শ্ৰীবিদ্যানাথ শৰ্মা, শ্ৰীৰামেশ্বৰ ভট্টাচাৰ্য্য আৰু শ্ৰীলক্ষেশ্বৰ বৰুৱা আদিয়েও অসহযোগ আন্দোলনত একাণপতীয়াকৈ লাগে আৰু ফলত যোৰহাট মহকুমাত আন্দোলন গাৱেঁ-ভূঞেঁ বিয়পিছিল।

শিৱসাগৰত শ্ৰীদুৰ্গাপ্ৰসাদ বৰঠাকুৰ আৰু শ্ৰীলক্ষীকান্ত বৰুৱা প্ৰভৃতি উকীলসকলে ওকালতী বৰ্জন কৰিও অসহযোগ আন্দোলনত যোগদান কৰিছিল। শিৱসাগৰৰ ছাত্ৰসকলৰ ভিতৰত আগভাগ লৈছিল শ্ৰীবেণুধৰ শৰ্মা, শ্ৰীইন্দ্ৰনাথ চুতীয়া, শ্ৰীইন্দ্ৰকান্ত কাকতী, শ্ৰীবিমলাকান্ত বৰুৱা; শ্ৰীজীৱেশ্বৰ ফুকন আৰু শ্ৰীডিম্বেশ্বৰ ভূঞা আদিয়ে। এই ছাত্ৰসকলে গাৱেঁ-ভূঞেঁ স্বৰাজৰ বাণী প্ৰচাৰ কৰাৰ ফলত গোটেই মহকুমাখনতেই এক নতুন দেশপ্ৰেমৰ ভাৱধাৰাৰ স্ৰোত বৈছিল।

অসহযোগ আন্দোলনৰ ঢৌৱে সমগ্ৰ লক্ষীমপুৰ জিলাতো বিয়পিছিল। ডিব্ৰুগড়ত শ্ৰীলক্ষেশ্বৰ বৰুৱা, শ্ৰীৰজনী কান্ত বৰুৱা, শ্ৰীযোগেশ চন্দ্ৰ গোঁহাঞি, শ্ৰীপ্ৰসন্ন কুমাৰ বৰুৱা আদিৰ নেতৃত্বত আন্দোলনৰ কাম আৰম্ভ হয় আৰু আন্দোলনৰ গতি ক্ষিপ্ৰতৰ হোৱাৰ লগে লগে ডাক্তৰ বিনয় চক্ৰবৰ্ত্তী, কামালুদ্দীন আহমদ্, শ্ৰীপৰেশ ৰঞ্জন সেনগুপ্ত আদি দেশপ্ৰেমিক সকলেও আন্দোলনত যোগদান কৰি কাৰাবৰণ কৰে। উত্তৰ লক্ষীমপুৰত শ্ৰীসৰ্বেশ্বৰ বৰুৱাই ওকালতি এৰি নিদিয়াকৈ আন্দোলনত যোগদান কৰে আৰু মহিবুল হুচেইন চাহাবে স্কুলৰ শিক্ষকৰ কাম ইস্তফা দি আন্দোলনত লাগে।

অসমৰ চুৰমা উপত্যকাতো অসহযোগ আন্দোলনৰ প্ৰচাৰ হৈছিল। তাতো কংগ্ৰেছ আৰু খিলাফৎৰ কৰ্মীসকলে গাৱেঁ-ভূঞেঁ স্বাধীনতাৰ বাণী প্ৰচাৰ কৰি খাদী প্ৰচলন, অস্পৃশ্যতা বৰ্জন, হিন্দু-মুছলমানৰ ঐক্য আৰু মাদকতা নিবাৰণৰ কাম চলাইছিল। চিলেট জিলাৰ শ শ স্কুল-কলেজৰ ছাত্ৰই শিক্ষা-নুষ্ঠানৰ পৰা ওলাই আহি স্বদেশী আন্দোলনত যোগদান কৰিছিল। চিলেট আৰু কাছাৰ জিলাৰ হাজাৰ হাজাৰ হিন্দু-মুছলমান ৰাইজ বিদেশী শাসনৰ বিৰুদ্ধে জাগ্ৰত হৈ উঠিছিল। চিলেট আৰু কাছাৰৰ আন্দোলনৰ নেতৃত্ব দিছিল—শ্ৰীশিৱেন্দ্ৰনাথ বিশ্বাস, শ্ৰীব্ৰজেন্দ্ৰ নাৰায়ণ চৌধুৰী, শ্ৰীহৰেন্দ্ৰ চৌধুৰী, শ্ৰীসুৰেশ চন্দ্ৰ দেব, মহিচিন আলী, জোনাব মোচাবিৰ আলী বৰভূঞা, জোনাব ইব্ৰাহীম আলী, মৌলানা আবুল বচীদ আৰু শ্ৰীসনৎ কুমাৰ দাস প্ৰভৃতিয়ে।

অসহযোগ আন্দোলন অসমৰ পুলিচসকলৰ মাজতো বিয়পে। গুৱাহাটী কোৰ্ট ইনস্পেক্টৰ ৺ক্ষীৰধৰ বৰুৱাই আদালততে পুলিচৰ পোছাক দলিয়াই পেলাই 'জয় মহাত্মা গান্ধী', 'ভাৰত মাতা কি জয়' ধ্বনিৰে পুলিচৰ চাকৰি ইস্তফা দিয়ে। তেওঁৰ লগতে পাঁচজন পুলিচ কনিষ্টবলেও পুলিচৰ চাকৰি ইস্তফা দিয়ে। নগাঁওতো প্ৰায় ১২ জন পুলিচ কনিষ্টবলে চাকৰি ত্যাগ কৰে। গোৱাল-পাৰাত শ্ৰীশীতল প্ৰসাদ নামৰ এজন পুলিচ অফিচাৰে লগত কেবাজনো কনিষ্টবল সহ পুলিচৰ চাকৰি ইস্তফা দিয়ে।

১৯২১ চনৰ মাৰ্চ মাহত বেজৱাদাত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ৱৰ্কিং কমিটী বহি কৰ্ম্মীসকলক এটি কাৰ্য্য তালিকা দিলে—৩০ জুনৰ ভিতৰত তিলক স্বৰাজ্য ভঁৰালৈ ১ কোটি টকা বৰঙনী তোলা আৰু ভাৰতবৰ্ষৰ সকলো গাৱঁতে ১০ লাখ সদস্যভুক্ত কৰি প্ৰাথমিক কমিটি, জিলা কমিটি সংগঠিত কৰা। ইয়াৰো এটা অংশৰ বাবে দায়িত্ব (৪০ হাজাৰ সদস্য ভৰ্ত্তি কৰা আৰু ১ লাখ টকা বৰঙনী তোলা) অসমৰ কৰ্মী সকলৰ ওপৰতো দিয়া হ'ল।

ইমান দিনে অসমত কংগ্ৰেছ অনুষ্ঠান বুলি কোনো স্বকীয়া অনুষ্ঠান নাছিল। পিছে ১৯২১ চনৰ মে' মাহত কৰ্মবীৰ বৰদলৈৰ ঘৰত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি সংগঠিত কৰা হ'ল। এই অধিবেশনত ৺ফুকনক সভাপতি আৰু ৺বৰদলৈক সাধাৰণ সম্পাদক বছা হৈছিল। এই অধিবেশনত অসমৰ পৰা নিখিল ভাৰত কংগ্ৰেছ কমিটিলৈ ৫ জন সদস্য বছা হৈছিল। তেওঁলোক আছিল ৺ফুকন, ৺বৰদলৈ, ৺চন্দ্ৰনাথ শৰ্মা, ৺কুলধৰ চলিহা, ৺কনক চন্দ্ৰ শৰ্মা। এই অধিবেশনতে ৺ফুকনৰ নিৰ্দেশমতে মহাত্মা গান্ধীক অসম ভ্ৰমণ কৰিবলৈ নিমন্ত্ৰণ কৰা প্ৰস্তাব গ্ৰহণ কৰা হয়। ইয়াৰ উপৰিও, বেজৱাদা কংগ্ৰেছৰ প্ৰস্তাৱ অনুযায়ী তিলক স্বৰাজ্য পুঁজিলৈ ধন সংগ্ৰহ আৰু কংগ্ৰেছ সদস্য ভৰ্ত্তি কৰাৰ সিদ্ধান্তও সেই বৈঠকতে লোৱা হয়। অসমৰ কৰ্মীসকলে ইতিমধ্যে অতি আচৰিত ভাবে কাম কৰি কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে ধাৰ্য্য কৰি দিয়া তিলক স্বৰাজ্য পুঁজিৰ বাবে এক লাখ টকাৰ দান সংগ্ৰহ কৰে আৰু কংগ্ৰেছৰ এক লাখ সদস্য ভৰ্ত্তিৰ কাম সম্পূৰ্ণ কৰি তোলে। অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ ছখন জিলাৰ প্ৰতি মহকুমাতেই একোখনকৈ কংগ্ৰেছ কমিটিও গঠিত হয়। ইয়াৰ পাছত জুলাই মাহৰ তৃতীয় সপ্তাহত বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন অনুষ্ঠিত হয়। এই অধিবেশনলৈ নিখিল ভাৰত কংগ্ৰেছ কমিটিলৈ নিৰ্বাচিত হোৱা প্ৰতিনিধি

কেইজন যোগ দিবলৈ গৈ গান্ধীজীক অসমলৈ নিমন্ত্ৰণ জনালে। সেই অধিবেশনতেই ঘৰে ঘৰে যঁতৰ প্ৰচলন কৰিবলৈ নিৰ্দেশ দিয়া হয়।

অসমত প্ৰতি ঘৰতেই যঁতৰ আছিল, কিন্তু যঁতৰত সূতা কাটি কাপোৰ বোৱা নহৈছিল। কংগ্ৰেছৰ নিৰ্দেশ আছিল ঘৰে ঘৰে যঁতৰত সূতা কাটিব লাগে। অসমৰ কৰ্মীসকলে যঁতৰত সূতা কটাৰ ওপৰত গুৰুত্ব আৰোপ কৰি সূতা কটাৰ বিপুল প্ৰচাৰকাৰ্য্য চলায়। আনকি ঘৰে ঘৰে কপাহৰ গুটি বিলাই দি কপাহৰ খেতি কৰিবলৈও ৰাইজক উৎসাহিত কৰা হৈছিল। নিজ হাতে কপাহৰ খেতি কৰি আৰু সেই কপাহৰ পৰা যঁতৰেৰে সূতা কাটি নিজে কাপোৰ বৈ লোৱাৰ এক অভাবনীয় স্বদেশী ভাবৰ জাগৰণৰ সৃষ্টি কৰিবলৈ সেই সময়ৰ কংগ্ৰেছ কৰ্মীসকল সক্ষম হৈছিল। অসমীয়াই নিজৰ উদ্ভাবনী শক্তিৰ দ্বাৰা যঁতৰত উন্নতি সাধিছিল। গুৱাহাটীৰ শ্ৰীলক্ষ্মীনাথ দাস এম, এচ, চি, ডাঙৰীয়াই যঁতৰত সংস্কাৰ কৰিবলৈ মনোনিবেশ কৰে আৰু তেওঁ যঁতৰৰ উন্নতি সাধন কৰে। কংগ্ৰেছ কৰ্মী আৰু নেতাসকলৰ প্ৰচেষ্টা আৰু প্ৰচাৰৰ ফলত সেই সময়ত অসম উপত্যকাৰ গাওঁ-ভূঁই-চহৰ আদি সকলো ঠাইতেই এক বিপুল স্বদেশী কাৰ্য্যক্ৰমৰ ঢৌৱে প্লাবিত কৰি তুলিছিল।

গান্ধীজীৰ অসম ভ্ৰমণ অসমৰ জাতীয় জীৱনত এক ঐতিহাসিক ঘটনা। ১৯২১ চনৰ আগষ্ট মাহত গান্ধীজীয়ে মৌলানা মহম্মদ আলী, মৌলানা আজাদ চোৱনী আৰু যমুনালাল বাজাজক লগত লৈ অসমলৈ আহে। এই ভ্ৰমণত মহাত্মাই মাত্ৰ ৭ দিনৰ ভিতৰতে গুৱাহাটী, নগাঁও, তেজপুৰ, যোৰহাট আৰু ডিব্ৰুগড় পৰিভ্ৰমণ কৰিছিল। ইংৰাজ চৰকাৰে গান্ধীজীৰ অসম ভ্ৰমণক ভাল চকুৰে চোৱা নাছিল। আনকি গুৱাহাটী, নগাঁও আদি ঠাইত মহাত্মাৰ ৰাজহুৱা সভা হবলৈ নিদিছিল। গুৱাহাটীৰ জজ পথাৰত গান্ধীজীৰ সভা পাতিবলৈ নিদিয়াত ভৰলুমুখৰ ফুকন কম্পাউণ্ডতে ৰাজহুৱা সভা অনুষ্ঠিত হৈছিল। হাজাৰ হাজাৰ জনতাই মহাত্মাৰ বাণী শুনিবলৈ সেই সভাত সমবেত হৈছিল আৰু তাতেই বিলাতী বস্ত্ৰ বৰ্জনৰ উদ্দেশ্যে হাজাৰ হাজাৰ টকাৰ বিলাতী কাপোৰ জুই-জলাই দি "বস্ত্ৰ-দাহন যজ্ঞ" অনুষ্ঠিত কৰা হৈছিল। সেই বস্ত্ৰ-দাহন যজ্ঞ দেখি মহাত্মাজীয়েও আনন্দত আপ্লুত হৈছিল। ৰাজহুৱা সভাত গান্ধীজীয়ে দিয়া ভাষণত দেশভক্ত ফুকনে হুবহু অসমীয়া ভাঙনি কৰিবলৈ সক্ষম হোৱাত গান্ধীজী আৰু সমূহ অসমীয়া ৰাইজ মুগ্ধ হৈছিল।

মহাত্মা গান্ধীৰ আগমনে অসমৰ ৰাইজৰ মাজত এক নতুন উৎসাহ, উদ্দীপনা আৰু প্ৰেৰণা সৃষ্টি কৰে। অসমীয়া ৰাইজে নতুন আত্মচেতনা, স্বাৱলম্বিতা আৰু স্বদেশী মনোভাৱ লাভ কৰে। গান্ধীজীয়ে অসমৰ সকলো ঠাইতে বিলাতী বস্ত্ৰ বৰ্জন, সূতাকটা, মাদকতা নিবাৰণ, খাদী ব্যৱহাৰ, অস্পৃশ্যতা বৰ্জন আৰু হিন্দু-মুছলমানৰ ঐক্যৰ ওপৰত অধিক গুৰুত্ব দিছিল। মহাত্মাই অসম এৰি যোৱাৰ পিছত ৰাইজক জাগ্ৰত কৰি তুলিবলৈ দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু আন আন নেতাসকলে অসমৰ বিভিন্ন ঠাইত কংগ্ৰেছ আৰু মহাত্মাৰ বাণী প্ৰচাৰ কৰিছিল। গোটেই অসমতে বিদেশী বৰ্জন, যঁতৰত সূতা কটা, মাদকতা নিবাৰণ আৰু হিন্দু-মুছলীম ঐক্য অভিযান পূৰ্ণোদ্যমে চলোৱা হৈছিল।

অসহযোগ আন্দোলনৰ কামত পৰিভ্ৰমণ কৰোঁতে এখন ৰাজহুৱা সভাত 'মৌলানা মহম্মদ আলীৰ গ্ৰেপ্তাৰ আৰু এবছৰ কাৰাদণ্ড' হোৱাত "বৃটিশ চৰকাৰৰ পাপৰ নাও এতিয়া ভৰিল" বুলি ফুকনে মন্তব্য কৰিছিল। ফুকনৰ এই মন্তব্যৰ বাবে ধুবুৰীৰ জিলা কৰ্তৃপক্ষই চেপ্তেম্বৰ মাহৰ ৩০ তাৰিখে ফুকনক ধুবুৰীৰ আদালতত হাজিৰ হবলৈ আৰু ৰাজদ্ৰোহ অপৰাধত কিয় তেওঁক দণ্ড দিয়া নহ'ব তাৰ কৈফিয়ৎ দিবলৈ এখন নটিচ দিয়ে। অসমত এই কথাত এক চাঞ্চল্যৰ সৃষ্টি হয়। "দেশমাতৃৰ আহ্বান" আহিছে বুলি অনেক ছাত্ৰই কলেজ এৰি দি নিজ নিজ এলেকালৈ গৈ অসহযোগ আন্দোলনক তীব্ৰতৰ কৰি তোলাত আত্ম-নিয়োগ কৰে। কিন্তু আদালতে কোনো প্ৰমাণ নাপাই ফুকনক খালাচ দিয়ে। কিন্তু লগে লগে ফুকনৰ ওপৰত ১৪৪ ধাৰা জাৰি কৰি গোৱালপাৰা জিলাৰ কোনো ঠাইতেই বক্তৃতা আদি প্ৰচাৰ কৰিব নোৱাৰা নিষেধাজ্ঞা দিয়ে।

ইয়াৰ পিছত অসহযোগ আন্দোলনৰ গতিক অতি ক্ষিপ্ৰ কৰি তোলাৰ মানসেৰে দেশভক্ত ফুকন, কৰ্মবীৰ বৰদলৈ, কুলধৰ চলিহা আদি নেতাই অসমৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি স্বাধীনতা আন্দোলনৰ বাণী প্ৰচাৰ কৰিছিল। অসমৰ গাওঁ-ভূঁইৰ বাদেও সুদূৰ চাহ বাগিচাবোৰত কানি, ভাং আৰু মদৰ দোকানত পিকেটিং, বিলাতী বস্ত্ৰ দাহন যজ্ঞ, খদ্দৰ প্ৰচলন, হিন্দু-মুছলমানৰ ঐক্য স্থাপন আদিয়েই কৰ্মীসকলৰ মুখ্য কাম আছিল।

১৯২১ চনৰ ৪ নবেম্বৰৰ দিনা দিল্লীত বহা নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে এক প্ৰস্তাৱত ইংলণ্ডৰ প্ৰিন্স্‌ অৱ্‌ ওৱেলচ্‌ অৰ্থাৎ যুৱৰাজ ভাৰতত পদাৰ্পণ কৰাৰ দিনা সমগ্ৰ ভাৰততে হৰতাল পালন কৰিবলৈ আৰু তেওঁক অভ্যৰ্থনা জনোৱা

সভাসমিতি আৰু উৎসৱ আদিক বৰ্জন কৰিবলৈ নিৰ্দেশ দিয়ে। এই প্ৰস্তাৱৰ নিৰ্দেশ মানি অসমতো ১৭ নবেম্বৰৰ দিনা হৰতাল পালন কৰা হৈছিল।

এই বছৰৰে নবেম্বৰৰ ১৪ তাৰিখে গুৱাহাটীৰ মাছখোৱা পথাৰত এখন বিৰাট ৰাজহুৱা সভা হয়। অসমৰ ৰাজনৈতিক ইতিহাসত এই সভাৰ গুৰুত্ব অতি উল্লেখযোগ্য। এই সভাত দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈয়ে সমূহীয়া সত্যাগ্ৰহ আৰু তাৰ তাৎপৰ্য্যৰ বিষয়ে ৰাইজক ভালদৰে বহলাই ব্যাখ্যা কৰি কয়। সত্যাগ্ৰহ কৰিবলৈ কি কি চৰ্ত্ত পালন কৰিব লাগে তাকো বুজাই কোৱা হয়। এই সভাত সমগ্ৰ অসমীয়াক আইন অমান্য আন্দোলনৰ বাবে প্ৰস্তুত হবলৈ আহ্বান জনায়। কিন্তু তাৰ আগেয়ে খাদী প্ৰচলন, হিন্দু-মুছলমানৰ মিলন, বিলাতী বৰ্জন আৰু মাদকতা নিবাৰণ আদি কাৰ্য্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৰ্মীসকলক দেশবাসীক প্ৰস্তুত কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। মাছখোৱাৰ জনসভাত ফুকন বৰদলৈৰ উপৰিও ৺ৰোহিনী কুমাৰ চৌধুৰী, ৺গোপীনাথ বৰদলৈ, ৺বিষ্ণুৰাম মেধী, ৺অম্বিকাগিৰি ৰায় চৌধুৰী, ৺গৌৰীকান্ত তালুকদাৰ, মঃ তৈয়বউল্লা, মহিবুদ্দিন আহম্মদ, ৺শিশিৰ কুমাৰ বৰুৱা আৰু ৺নিধিৰাম দাস আদি নেতৃস্থানীয় লোকসকলে অসহযোগ আন্দোলনৰ আইন ভঙ্গৰ বাবে অসমক প্ৰস্তুত কৰি তুলিবলৈ সিদ্ধান্ত লয়।

অসমৰ গুৱাহাটীত মঃ মহিবুদ্দিন আহমদৰ নেতৃত্বত এটা স্বেচ্ছাসেৱক বাহিনী গঠন কৰা হৈছিল। প্ৰত্যেক স্বেচ্ছাসেৱকেই অহিংস নীতিত অবিচল থাকিব বুলি প্ৰতিশ্ৰুতিপত্ৰ লিখি দিব লাগিছিল। এনে প্ৰতিজ্ঞা পত্ৰত চহী দি শ শ ছাত্ৰ আৰু যুৱকে কংগ্ৰেছৰ স্বেচ্ছাসেৱক বাহিনীত ভৰ্তি হৈ অহিংস নীতিত অবিচল থাকি অসহযোগ আন্দোলনৰ কাম চলাইছিল আৰু হিন্দু-মুছলমানৰ ঐক্য, খাদী প্ৰচলন আৰু মাদকতা বৰ্জন আদি কামত জোৰ দি আন্দোলনৰ গতিক তীব্ৰতৰ কৰি তুলিছিল।

এই সময়লৈকে অসম চৰকাৰৰ দমননীতি আৰম্ভ হোৱা নাছিল। ১৯২১ চনৰ ১৯ নবেম্বৰৰ দিনা বঙ্গদেশৰ চৰকাৰে প্ৰথমতে তাৰ কংগ্ৰেছ আৰু খিলাফৎৰ "স্বেচ্ছাসেৱক বাহিনী"ক বে-আইনী বুলি ঘোষণা কৰে। তাৰ উপৰিও ৰাজনৈতিক সভা-সমিতি পতাত নিষেধাজ্ঞা জাৰি কৰে। বঙ্গদেশক অনুসৰণ কৰি অসম চৰকাৰেও ২৬ নবেম্বৰৰ দিনা "স্বেচ্ছাসেৱক বাহিনীক" বে-আইনী বুলি ঘোষণা কৰে আৰু লগে লগে নেতৃস্থানীয় লোকসকলৰ ঘৰ আৰু কংগ্ৰেছ অফিচ

আদি খানাতালাচ কৰে। ২৭ নবেম্বৰৰ দিনা দেশভক্ত ফুকনৰ ঘৰত প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ সভা বহে। সেই সভাত অসমত কোনো ধৰণৰ অশান্তি নোহোৱা স্বত্বেও "স্বেচ্ছাসেৱক বাহিনী"ক বে-আইনী ঘোষণা কৰাৰ প্ৰত্যাহ্বানক সভাই গ্ৰহণ কৰে আৰু সকলো নেতা আৰু কৰ্মীয়ে স্বেচ্ছাসেৱকৰ প্ৰতিশ্ৰুতি পত্ৰত চহী দি তেওঁলোক সকলোৱে স্বেচ্ছাসেৱক হয়। অসমত দমননীতিৰ সূত্ৰপাত হয় ইয়াতেই।

১৯২১ চনৰ ৩০ নবেম্বৰৰ দিনটো অসমৰ ৰাজনৈতিক ইতিহাসত এক বিশেষ স্মৰণীয় দিন। সেইদিনা দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ বৰদলৈ আৰু বিষ্ণুৰাম মেধীক চৰকাৰে গ্ৰেপ্তাৰ কৰে। লগে লগে অসমৰ ভিন ভিন ঠাইতো গ্ৰেপ্তাৰ আৰম্ভ হয়। ফুকন, বৰদলৈ আৰু মেধীক গ্ৰেপ্তাৰ কৰাৰ পিছত চৰকাৰৰ দমন-নীতিৰ বিৰুদ্ধে জনসাধাৰণৰ মনত ভীষণ ক্ষোভৰ সৃষ্টি হয়। আনকি অসমৰ মহিলা সকলেও অসহযোগ আন্দোলনত সক্ৰিয় অংশ গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিল। চৰকাৰৰ দমননীতিয়ে ৰাইজৰ জাগৰণৰ শক্তিক অধিক শক্তিশালীহে কৰি তুলিছিল। ৯ ডিচেম্বৰৰ দিনা দেশভক্ত ফুকনৰ বঙলাতে গুৱাহাটী নগৰৰ প্ৰায় ৬০ গৰাকী মহিলাই সভাপতি স্বেচ্ছাসেৱিকাৰ প্ৰতিজ্ঞাপত্ৰত চহী কৰি আন্দোলনত নামে। এই ক্ষেত্ৰত অগ্ৰগনী আছিল—দেশভক্তৰ সহধৰ্মিনী, তেওঁৰ ভগ্নী গিৰিজাদেৱী, কৰ্মবীৰ বৰদলৈৰ সহধৰ্মিনী, তেওঁৰ ভনীয়েক ধৰ্মদা সুন্দৰীদেৱী, ৺কমলাকান্ত ভট্টাচাৰ্য্যৰ সহধৰ্মিণী আৰু তেওঁৰ জীয়েক স্নেহলতা ভট্টাচাৰ্য্য আৰু ৺ৰোহিণীকুমাৰ চৌধুৰীৰ শাহুয়েক শ্ৰীযুতা বৰুৱাণী। এই মহিলাসকলে অন্তৰ মহল পৰিত্যাগ কৰি দেশৰ স্বাধীনতাৰ অৰ্থে অসহযোগ আন্দোলনৰ সভা-সমিতি পাতি আৰু বিভিন্ন ঠাই ভ্ৰমণ কৰি আন্দোলনৰ গতিক জীয়াই ৰাখিবলৈ সক্ষম হয়।

অসহযোগ আন্দোলন দমন কৰাৰ উদ্দেশ্যেই চৰকাৰে অসমৰ আটাই কেইখন জিলাতে কঠোৰ দমননীতি চলায়। কামৰূপ জিলাৰ কৰ্তৃপক্ষই দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈক জেলৰ সন্মুখতে বিচাৰ কৰি কাৰাদণ্ডৰ হুকুম দিয়ে। ডিচেম্বৰ মাহৰ শেষলৈ অসমৰ বিভিন্ন জেলত এহেজাৰতকৈ অধিক কংগ্ৰেছ কৰ্মীক বন্দী কৰি ৰখা হয়। গুৱাহাটী জেলত ৪০০ শতকৈয়ো অধিক ৰাজনৈতিক বন্দীক ৰাখিবলগীয়া হৈছিল। কামৰূপ জিলাৰ বকো, নলবাৰী, বৰনগৰ, লাহৰীঘাট আৰু বৰিয়া অঞ্চলত চৰকাৰৰ অত্যাচাৰ আৰু নিৰ্য্যাতনৰ মাত্ৰাই শেষ সীমা পাইছিল। কিন্তু কংগ্ৰেছ কৰ্মীসকলৰ অহিংসাৰ ওপৰত অটল বিশ্বাস থকাৰ বাবে

আৰু মহাত্মা গান্ধীৰ প্ৰতি অবিচল আনুগত্য আৰু ভক্তি থকাৰ বাবে বিশেষ উল্লেখযোগ্য কোনো হিংসাত্মক কাৰ্য্য নঘটিল। মহাত্মা গান্ধীৰ শিক্ষাৰ মহিমাত সেই সময়ত মানুহৰ মৃত্যুলৈয়ো ভয় নোহোৱা হৈছিল। কিছুমানে গৱৰ্ণমেণ্টে চলোৱা অত্যাচাৰৰ প্ৰতিশোধ লবলৈ যে বিচৰা নাছিল, তেনে নহয়। কিছুমানে খাজনা বন্ধ আন্দোলনৰ বাবেও ঠায়ে ঠায়ে প্ৰচাৰ কৰা বুলি খবৰ ওলাইছিল। অসমত আন্দোলন তীব্ৰ গতিত চলি থকা সময়তে অসম চৰকাৰে মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰিব লাগে বুলি অনুৰোধ জনাইছিল। ১৯২২ চনৰ ৪ মাৰ্চৰ দিনা মহাত্মা গান্ধীক গ্ৰেপ্তাৰ কৰে আৰু বিচাৰত ছয় বছৰ কাৰাদণ্ড দিয়া হয়।

মহাত্মা গান্ধীৰ কাৰাদণ্ড হোৱাৰ পিছৰ পৰা সমগ্ৰ ভাৰতত এক অৱসাদৰ ভাবে দেখা দিয়ে আৰু অসমতো তেনেই হয়। কোনো ৰাজনৈতিক আন্দোলন সদায় চৰমসীমাত নাথাকে। মাজে সময়ে আন্দোলনৰ গতি মন্থৰ হয় আৰু কেতিয়াবা অৱসাদেও দেখা দিয়ে। কিন্তু সেইবুলি যি উদ্দেশ্যৰ বাবে আন্দোলন কৰা হয় সেই উদ্দেশ্য জনসাধাৰণৰ মনৰ পৰা আঁতৰি নাযায়। ভাৰততো মহাত্মা গান্ধীয়ে ৰাইজৰ মনত স্বাধীনতা লাভৰ যি স্পৃহা, যি আকাঙ্ক্ষা জাগ্ৰত কৰি তুলিছিল, সি কেতিয়াও নোহোৱা হ'ব নোৱাৰে। সেইবাবেই অসমৰ স্বাধীনতাকামী ৰাইজ আৰু কৰ্মীসকলে ভৱিষ্যতৰ সংগ্ৰামৰ বাবে নিজক প্ৰস্তুত ৰাখিবলৈ দৃঢ় প্ৰতিজ্ঞ হয়।

কিন্তু, ১৯২২ চনৰ উত্তৰ প্ৰদেশৰ চৌৰিচৌৰাৰ ঘটনাৰ পিছত মহাত্মাৰ নিৰ্দেশত ১২ ফেব্ৰুৱাৰীত কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে আন্দোলন প্ৰত্যাহাৰ কৰাত ৰাইজৰ উদ্দীপনা কমি যায়। আন্দোলন প্ৰত্যাহাৰ কৰা সত্ত্বেও অসমত চৰকাৰে দমননীতি চলাই আছিল। সশস্ত্ৰ বাহিনীৰ লোকসকলে গাওঁবোৰলৈ গৈ হাজাৰ হাজাৰ টকা 'শাস্তিমূলক' বা পাইকাৰী জৰিমনা হিচাপে আদায় কৰিছিল আনকি সা-সম্পত্তি কাঢ়ি নিয়া কাৰ্য্যত লাগিছিল। কামৰূপ জিলাৰ বকো অঞ্চলত 'খাজনা বন্ধ আন্দোলন' দমন কৰাৰ বাবে চৰকাৰে এজন ইংৰাজ বিষয়াৰ তলত আসাম ৰাইফলচৰ এটি সৈনিক দল পঠিয়াই ৰাইজৰ ওপৰত চূড়ান্ত অত্যাচাৰ চলাইছিল। সেই সময়ত গান্ধীজী জেলত, আমাৰ অসমৰ নেতাসকলো জেলত। গাওঁৰ পঞ্চায়ত অফিচসমূহ আৰু কংগ্ৰেছ অফিচবোৰক হয় পুৰি ভস্মীভূত কৰা হৈছিল নহয় পুলিচে দখল কৰিছিল। নেতাবিহীন তেনে অৱস্থাত অসমৰ ৰাইজে গাওঁত পঞ্চায়ত স্থাপন আৰু আদালতলৈ যাব নিদিয়াকৈ কাজিয়া-পেচাল আদি

নিষ্পত্তি কৰাৰ কামত লাগিছিল। বিদেশী বৰ্জন আৰু মাদকতা নিবাৰণৰ কামো জোৰে চলিছিল।

আন্দোলন শাম কাটিলত অসমৰ খবৰ লবলৈ পণ্ডিত মদনমোহন মালব্য, ৰাজেন্দ্ৰপ্ৰসাদ, মতিলাল নেহৰু, ৰাজা গোপালাচাৰীয়া আদি ভাৰতীয় নেতাসকল অসমলৈ আহি অসমৰ আন্দোলন চলোৱা প্ৰণালী আদি পৰীক্ষা কৰি অসমৰ নেতৃত্ব আৰু কৰ্মীসকলক উচ্চ প্ৰশংসা কৰিছিল। ৰাজাগোপালাচাৰীয়ে 'ইয়ং ইণ্ডিয়া' কাকতত লেখিছিল,—"অসমৰ কৰ্মীসকলৰ দৰে এদল সেৱক পোৱা হ'লে ভাৰতে স্বাধীনতা লাভ কৰাত বিলম্ব নহয়।"

ভাৰতৰ অসহযোগ আন্দোলনত অসমে এটা বিশিষ্ট স্থান লাভ কৰিবলৈ সক্ষম হৈছে। যি উদ্দেশ্য আগত লৈ অসহযোগ আন্দোলন আৰম্ভ কৰা হৈছিল আন্দোলনৰ ফলত সেই উদ্দেশ্য সাধন নহ'ল। মহাত্মা গান্ধীয়ে এবছৰৰ ভিতৰতে স্বৰাজ আহিব বুলি আশ্বাস দিছিল; কিন্তু এই আশা পৰিপূৰ্ণ নহল। তথাপি এই আন্দোলন তাৎপৰ্য্যহীন বুলি আখ্যা দিব নোৱাৰি। এই আন্দোলনে অসমীয়া-লোকৰ মাজত স্বদেশপ্ৰেম সৃষ্টি কৰিব পাৰিছিল। স্বদেশপ্ৰেমীসকলৰ কাৰণে জেলখানাই হৈ পৰিছিল তীৰ্থস্থান; কংগ্ৰেছ হৈ পৰিল এটা সুসংগঠিত দল, এটা বৈপ্লবিক অনুষ্ঠান। অসহযোগ আন্দোলনৰ ফলত অসমত হিন্দু-মুছলমানৰ মাজত সদ্ভাৱ আৰু অধিক গাঢ় হয়। অসমৰ অনেক ঠাইত উভয় সম্প্ৰদায়ৰ ৰাইজ সমবেত হৈ একেলগে এফালে নাম-কীৰ্তন, আনফালে মিলাদ শৰীফ্ পালন কৰিছিল। অসহযোগ আন্দোলন আৰম্ভ হওঁতে ভেলেণ্টাইন চিৰোল (Valentine Chivol) নামৰ এজন ভাৰত বিদ্বেষী ইংৰাজে লণ্ডনৰ "টাইমচ্" কাকতত লিখিছিল —"ভাৰতীয় মুছলমানসকলে হিন্দুৰ স্বৰাজ প্ৰতিষ্ঠা কৰিবলৈ কেনেকৈ গান্ধীৰ লগ হ'ব পাৰে, সেই কথাত মই আচৰিত হওঁ।" অসমৰ ৰাইজে মহাত্মা গান্ধীয়ে দেখুৱাই দিয়া অহিংস অসহযোগ আন্দোলনত যি বৰঙণি যোগালে সি ভাৰতৰ ইতিহাসত চিৰস্মৰণীয় হৈ জিলিকি থাকিব। অসমীয়া মানুহে ভাৰতীয়সকলৰ লগত খোজত খোজ মিলাই অহিংস আন্দোলনত সংগ্ৰাম কৰিছিল যিয়ে চৰম পৰিণতি লাভ কৰিছিল ১৯৪২ চনৰ গণ বিপ্লৱত।

# অসমত স্বৰাজ্য দল

অসহযোগ আন্দোলন শাম কটাত কংগ্ৰেছ কৰ্মীসকলৰ মাজত এক অৱসাদ আহে। দেশৰ এচাম নেতাই মহাত্মা গান্ধীৰ এই সিদ্ধান্তৰ ঘোৰ প্ৰতিবাদ কৰিছিল। দেশৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি সেই সময়ত অৰ্থাৎ ১৯২২ চনত পণ্ডিত মতিলাল নেহৰু, দেশবন্ধু চিত্তৰঞ্জন দাস, দেশভক্ত তৰুণৰাম ফুকন আদিৰ নেতৃত্বত কেন্দ্ৰীয় আৰু প্ৰাদেশিক আইনসভা বিলাকত প্ৰবেশ কৰি ভিতৰৰ পৰা স্বাধীনতা আন্দোলনক সবল কৰি তোলাৰ উদ্দেশ্যে "স্বৰাজ্য দল" গঠিত হয়। কিন্তু ৰাজা গোপালাচাৰীয়াৰ নেতৃত্বত আন এটা দলে (No changer) অৰ্থাৎ 'পৰিবৰ্তন বিৰোধী দল' হিচাপে কংগ্ৰেছৰ গঠন মূলক কাম কৰাটোকেই পোষকতা কৰিছিল। মহাত্মা গান্ধীয়ে প্ৰথমে স্বৰাজ্য দলক সমৰ্থন জনোৱা নাছিল। কিন্তু পিছত স্বৰাজ্য দলৰ প্ৰতি সমৰ্থন জনাইছিল।

অসমতো ফুকনৰ নেতৃত্বত "স্বৰাজ্য দল" গঠিত হৈছিল। স্বৰাজ্য দলৰ প্ৰাৰ্থী হিচাপে দেশভক্ত তৰুণৰাম ফুকনে কেন্দ্ৰীয় আইন সভালৈ নিৰ্বাচিত হৈছিল আৰু অসম ব্যৱস্থা পৰিষদলৈ স্বৰাজ্য দলৰ প্ৰাৰ্থী হিচাপে আঠজন সদস্য নিৰ্বাচিত হৈছিল। অসম ব্যৱস্থা পৰিষদৰ ৫৩ জন সদস্যৰ ভিতৰত স্বৰাজিষ্ট আৰু স্বৰাজিষ্ট সকলক সমৰ্থন কৰা সদস্যৰ সংখ্যা আছিল ১৫ জন। সেই দলৰ নেতা নিৰ্বাচিত হৈছিল মৌলবী ফৈজনুৰ আলী। কেন্দ্ৰীয় আৰু প্ৰাদেশিক সভাসমূহত স্বৰাজ্য দলে যথেষ্ট কাম কৰিছিল আৰু বিদেশী চৰকাৰৰ নানা অন্যায় আৰু জনবিৰোধী কামৰ তীব্ৰ সমালোচনা কৰিছিল। এই দলে অসমৰ কানি বৰবিহৰ প্ৰচলনৰ বিৰুদ্ধে অশেষ চেষ্টা চলাইছিল। তাৰ উপৰিও খাজনা বৃদ্ধিৰ বিৰুদ্ধে প্ৰতিবাদ আৰু প্ৰাথমিক শিক্ষাবিস্তাৰ আদিৰ প্ৰশ্নত স্বৰাজ্য দলে যথেষ্ট বৰঙণি যোগাইছিল।

স্বৰাজিষ্ট দলৰ প্ৰচেষ্টাতেই অসম ব্যৱস্থা পৰিষদত কানি নিবাৰণী তদন্ত কমিটি গঠনৰ প্ৰস্তাৱ গৃহীত হৈছিল। অসমত পূৰ্ণ দায়িত্বশীল চৰকাৰ প্ৰতিষ্ঠা কৰিব লাগে বুলিও এক বিশেষ গুৰুত্বপূৰ্ণ প্ৰস্তাৱ স্বৰাজিষ্ট দলৰ চেষ্টাত ব্যৱস্থা পৰিষদত গৃহীত হৈছিল। ইংৰাজে দিয়া ১৯২১ চনৰ শাসন সংস্কাৰক ব্যৰ্থ কৰিবলৈ ব্যৱস্থা পৰিষদৰ ভিতৰৰ পৰা যি প্ৰচেষ্টা স্বৰাজিষ্ট দলে চলাইছিল, সি বহু পৰিমাণে সাৰ্থক হৈছিল। ১৯২৬ চনৰ অসম ব্যৱস্থা পৰিষদৰ নিৰ্বাচনত অংশ গ্ৰহণ কৰি জয়লাভ কৰে। সেইবাৰ ব্যৱস্থা পৰিষদৰ স্বৰাজিষ্ট দলৰ নেতা কৰ্মবীৰ বৰদলৈ নিৰ্বাচিত হয়।

# গুৱাহাটী কংগ্ৰেছ

১৯২৬ চনৰ গুৱাহাটী কংগ্ৰেছ অসমৰ জাতীয় ইতিহাসৰ এটি কীৰ্তিস্তম্ভ। এই বছৰৰ শেষ ভাগতেই পোন প্ৰথমবাৰৰ বাবে ভাৰতীয় জাতীয় কংগ্ৰেছ মহাসভাৰ ৪১তম অধিবেশন গুৱাহাটীৰ পাণ্ডুত বহিছিল। অসমলৈ জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশন আমন্ত্ৰণ কৰিবলৈ ১৯২২ চনৰ পৰাই চেষ্টা চলোৱা হৈছিল। এই সম্পৰ্কত ১৯২৬ চনত গুৱাহাটীত অনুষ্ঠিত হোৱা জাতীয় কংগ্ৰেছ মহাসভাৰ অধিবেশনৰ অভ্যৰ্থনা সমিতিৰ সাধাৰণ সম্পাদক কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে তেওঁৰ সেই অধিবেশনৰ চমু বিৱৰণীত লিখিছে—"প্ৰাদেশিক কংগ্ৰেছ কমিটিৰ ডেকা আৰু উদ্যোগী সম্পাদক শ্ৰীৰোহিণীকান্ত হাতীবৰুৱাৰ দৃঢ় মনোবলৰ ফলত, ভাৰতীয় জাতীয় কংগ্ৰেছক আমাৰ আমন্ত্ৰণ গ্ৰহণ কৰোঁৱাত আমি কৃতকাৰ্য্য হলোঁ।" তাৰ পিছতেই, সেই বিষয়ে আলোচনা কৰাৰ উদ্দেশ্যেই অসমত অস্থায়ী ভাবে এখন অভ্যৰ্থনা সমিতি গঠন কৰা হয়। ডেকাসকলৰ দেশপ্ৰেম আৰু জন্মভূমিৰ প্ৰতি থকা অপৰিসীম আকৰ্ষণ অন্যান্য চিন্তাৰ ওপৰত প্ৰাধান্য লাভ কৰে আৰু সেই প্ৰস্তাৱকে বাহাল ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। অভ্যৰ্থনা সমিতিয়ে কামাখ্যা পাহাৰৰ তলৰ পাণ্ডু ৰেল ষ্টেচনৰ ওচৰত এডোখৰ ঠাই ললে। দেশভক্ত ফুকনে দান বৰঙণি সংগ্ৰহ কৰিবলৈ কাম আৰম্ভ কৰে।

কংগ্ৰেছৰ ৪১তম অধিবেশনে বাইজৰ মাজত অভাৱনীয় জাতীয় জাগৰণৰ সৃষ্টি কৰিছিল। স্বেচ্ছাসেৱকৰ সংখ্যা আছিল ৭৫০ জন। তেওঁলোকৰ সকলোৱেই স্থানীয় লোক। তেওঁলোকে ৰেলষ্টেচনত মজদুৰৰ দৰে কাম কৰিছিল আৰু দিনে ৰাতিয়ে শিবিৰবোৰত পহৰা দিছিল। স্বেচ্ছাসেৱীকাৰ দল এটাও আছিল। এওঁলোক আটাইবিলাকে অধিবেশন সাফল্যমণ্ডিত কৰিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। এই অধিবেশনৰ সভাপতি আছিল শ্ৰীনিবাস আয়েঙ্গাৰ। মহাত্মা গান্ধী, চৌকৎ আলী, মহম্মদ আলী নেতৃবৃন্দই এই কংগ্ৰেছ অধিবেশনত যোগদান কৰিছিল। এই অধিবেশনৰ কাৰণে দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈয়ে ২৬ হাজাৰ টকাৰ ঋণৰ বোজা বৰলগীয়া হয়, ফলত তেওঁলোকৰ সম্পত্তি বিক্ৰী হৈছিল। এই অধিবেশনৰ কালতেই স্বামী শ্ৰদ্ধানন্দক হত্যা কৰা হয় আৰু ফলত অধিবেশনত ঘোৰ বিষাদৰ ছাঁ পেলাইছিল। সেই সময়ত সাম্প্ৰদায়িক অশান্তিয়ে দেশক বিষাক্ত কৰি তুলিছিল আৰু জাতীয় ঐক্যত যথেষ্ট বাধাৰ সৃষ্টি কৰিছিল। জাতীয় দাবী পূৰণ নহলে চৰকাৰৰ অধীনত কোনো মন্ত্ৰীত্ব বা চাকৰি গ্ৰহণ কৰা নহব বুলি এই অধিবেশনে প্ৰস্তাৱ লয়।

# আইন অমান্য আন্দোলন

১৯২৯ চনৰ লাহোৰ কংগ্ৰেছৰ অধিবেশন ভাৰতৰ স্বাধীনতা ইতিহাসত এক স্মৰণীয় ঘটনা। সেই অধিবেশনৰ সভাপতি আছিল পণ্ডিত জৱাহৰলাল নেহৰু। সেই অধিবেশনলৈ অসমৰ প্ৰতিনিধি হিচাবে দেশভক্ত তৰুণৰাম ফুকন, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, ৰোহিনী কুমাৰ চৌধুৰী, মহেন্দ্ৰমোহন চৌধুৰী আৰু দেৱেন শৰ্মাই যোগদান কৰিছিল। সেই অধিবেশনত মহাত্মা গান্ধীয়ে উত্থাপন কৰা পূৰ্ণ স্বাধীনতাই কংগ্ৰেছৰ লক্ষ্য বুলি ঘোষণা কৰা প্ৰস্তাৱ গৃহীত হৈছিল। সেই অধিবেশনতে স্বাধীনতা আন্দোলন পৰিচালনা কৰাৰ সম্পূৰ্ণ দায়িত্ব মহাত্মাজীৰ ওপৰত অৰ্পণ কৰা হৈছিল।

লাহোৰ কংগ্ৰেছত পূৰ্ণ স্বাধীনতাই কংগ্ৰেছৰ লক্ষ্য বুলি ঘোষণা কৰা প্ৰস্তাৱৰ লগে লগে স্বাধীনতা সংগ্ৰামৰ দ্বিতীয় পৰ্য্যায় আৰম্ভ হয়। ১৯৩০ চনৰ ২৬ জানুৱাৰীৰ দিনা সমগ্ৰ ভাৰতে কংগ্ৰেছ পতাকা উত্তোলন কৰি স্বাধীনতাৰ সংকল্প গ্ৰহণ কৰে। অসমতো গুৱাহাটীৰ জুবিলী পাৰ্কত সদৌ অসম যুবক সংঘৰ আহ্বানত যুবক সংঘৰ অন্তৰ্ভুক্ত ছাত্ৰসকলৰ সহযোগিতাত মহাসমাৰোহেৰে পতাকা উত্তোলন কৰি স্বাধীনতাৰ সংকল্প গ্ৰহণ কৰা হয়। পতাকা উত্তোলন কৰিছিল দেশভক্ত তৰুণৰাম ফুকনে। পতাকা উত্তোলনৰ পিছত তাত উপস্থিত থকা ডেকা আৰু ছাত্ৰসকলে দেশভক্তক সন্মুখত লৈ সমদলে জুবিলী পাৰ্কৰপৰা ওলাই আহে। সেইদিনাৰ পতাকা উত্তোলন, স্বাধীনতাৰ সংকল্প গ্ৰহণ আৰু সমদল যাত্ৰাই সকলোৰে মাজত এক নতুন উৎসাহ-উদ্দীপনাৰ সৃষ্টি কৰিছিল।

এই সময়ত আন্দোলনৰ বাবে দেশ সাজু; সকলোৰে দৃষ্টি মহাত্মাৰ প্ৰতি। কি প্ৰশ্ন লৈ সত্যাগ্ৰহ আৰম্ভ কৰিব সেইটো গান্ধীজীয়ে তেতিয়ালৈকে সিদ্ধান্ত লব পৰা নাছিল। এনেতে তেওঁৰ মনত খেলালে যে দুখীয়াৰ লোণৰ কাৰণেই সত্যাগ্ৰহ কৰিব লাগে। পিছদিনাই লোণ আইন সম্পৰ্কীয় সকলো কথাৰ বুজবাজ লৈ তেওঁ "দাণ্ডি যাত্ৰাৰ" সিদ্ধান্ত কৰে। ১৯৩০ চনৰ ১২ মাৰ্চৰ দিনা সবৰমতি আশ্ৰমৰ ৮৬ জন আশ্ৰমবাসীক লগত লৈ গান্ধীজীয়ে ঐতিহাসিক দাণ্ডি যাত্ৰা আৰম্ভ কৰে। এই যাত্ৰাত অসমৰ ৺লীলাধৰ বৰুৱাও যোগদান কৰিছিল। এই যাত্ৰাৰ উদ্দেশ্যে আছিল চৰকাৰৰ পৰা লোণ নিকিনি সাগৰৰ পাৰৰ লোণ বুটলি লৈ লোণ আইন ভঙ্গ কৰা।

এই 'লোণ আইন' ভঙ্গ কৰা আন্দোলনত অসহযোগী সকলে কেৰাহী লৈ সাগৰৰ পানীৰ পৰা লোণ তৈয়াৰ কৰা কাৰ্য্যত লিপ্ত থাকোতে পুলিচে তেওঁলোকক গ্ৰেপ্তাৰ কৰিবলৈ আৰম্ভ কৰে। ১৪ এপ্ৰিলৰ দিনা পণ্ডিত জৱাহৰলাল নেহৰুক গ্ৰেপ্তাৰ কৰে। এই ঘটনাত অসমৰ ছাত্ৰসকল স্কুলৰ পৰা ওলাই আহি ৰাজহুৱা সভা পাতি সেই কাৰ্য্যৰ প্ৰতিবাদ জনায়। ইয়াৰ পিছত ৪ মে'ৰ দিনা মহাত্মা গান্ধীক লোণ তৈয়াৰ কৰা ঠাইৰ অলপ আঁতৰত এটা বাহৰত শুই থকা অৱস্থাতে নিশা গ্ৰেপ্তাৰ কৰে। এই ঘটনাই সমগ্ৰ দেশত বিজুলী সঞ্চাৰে বিপুল উত্তেজনাৰ সৃষ্টি কৰে। মহাত্মাজীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত অসমৰ গুৱাহাটী, তেজপুৰ, নগাঁও, ধুবুৰী আদি ঠাইত ছাত্ৰসকলৰ নিৰ্দেশত হৰতাল পালন কৰা হয় আৰু অনেক ঠাইত পুলিচে লাঠী চলায়।

লাহোৰ কংগ্ৰেছৰ নিৰ্দেশ অনুযায়ী অসমৰ ১১ জন স্বৰাজিষ্ট দলৰ কাউঞ্চিলৰে সদস্যপদ ত্যাগ কৰে আৰু দেশভক্ত তৰুণৰাম ফুকনেও কেন্দ্ৰীয় এছেমব্লীৰ সদস্যপদ ত্যাগ কৰে। কিন্তু ফুকনে স্বতন্ত্ৰ হিচাপে পুনৰ নিৰ্বাচিত হয়। কৰ্মবীৰ বৰদলৈয়েও পুনৰ কাউঞ্চিল নিৰ্বাচনত স্বতন্ত্ৰ হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল, কিন্তু জয়লাভ কৰিব নোৱাৰিলে। সেই সময়ত কংগ্ৰেছৰ ভালেমান কৰ্মী আৰু নেতাক কাউঞ্চিলৰ ৰাজনীতিয়ে পাইছিল যাৰ ফলত অসমত কংগ্ৰেছ অনুষ্ঠানৰ শক্তি বহু পৰিমাণে হ্ৰাস হৈছিল।

সেই সময়ত অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতিৰ পদৰ পৰা দেশভক্ত ফুকনে ইস্তফা দিয়ে। ফুকনৰ লগত ৰোহিনী চৌধুৰী, লোকপ্ৰিয় বৰদলৈ আদি প্ৰবীণ নেতাসকলে লাহোৰ কংগ্ৰেছৰ প্ৰস্তাৱ অনুযায়ী কাম কৰিব নোৱাৰে বুলি কংগ্ৰেছ ত্যাগ কৰে। ফুকনৰ ঠাইত তেতিয়াৰ উদীয়মান ডেকা উকীল শ্ৰীবিষ্ণুৰাম মেধী প্ৰদেশ কংগ্ৰেছৰ সভাপতি আৰু মৌলানা তৈয়বউল্লা সম্পাদক পদত নিৰ্বাচিত হয়। মেধীৰ নেতৃত্বত অসমত কংগ্ৰেছ সভা নতুনকৈ সংগঠিত হয়।*

সেই সময়ত অসমৰ ছাত্ৰসকলে হৰতাল আৰু শোভাযাত্ৰা আদিত যাতে যোগদান কৰিব নোৱাৰে, তাৰ বাবে অসমৰ শিক্ষা বিভাগৰ কৰ্তৃপক্ষই এখন চাৰ্কুলাৰ জাৰী কৰে। এই চাৰ্কুলাৰ অসমৰ শিক্ষা বিভাগৰ ডিৰেক্তৰ মিঃ কানিংহামে সকলো ছাত্ৰৰ অভিভাৱক সকললৈ পঠিয়াইছিল; আৰু কোনো ছাত্ৰই পিকেটিং, হৰতাল, শোভাযাত্ৰা আদিত যোগদান কৰিলে, সেই ছাত্ৰজনৰ অভিভাৱকক জৰিমনা কৰাৰ ব্যৱস্থা আছিল। আত্মসন্মানৰ ওপৰত আঘাত

কৰা তেনে চাৰ্কুলাৰত চহী কৰিবলৈ বেছিভাগ অভিভাৱকেই ৰাজী নহ'ল। ফলত সেই 'কানিংহাম চাৰ্কুলাৰ' উঠাই লোৱাৰ দাবীত ছাত্ৰসকলৰ মাজত আন্দোলনৰ সৃষ্টি হয়। স্কুলে স্কুলে পিকেটিং হয় আৰু চৰকাৰী স্কুলৰ ছাত্ৰসকলে স্কুলৰ পৰা ওলাই আহে।

অসমত কানিংহাম চাৰ্কুলাৰ অমান্য কৰি ঠায়ে ঠায়ে বেচৰকাৰী জাতীয় স্কুল প্ৰতিষ্ঠিত হয়। সেই সময়ত গুৱাহাটীৰ ৰাইজে জুবিলী পাৰ্কত বিৰাট ৰাজহুৱা সভা পাতে আৰু তেনে অপমানজনক আত্মসন্মানৰ ওপৰত আঘাত কৰা 'বণ্ড' চহী দি চৰকাৰী স্কুললৈ ছাত্ৰ নপঠাবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু সেই সভাতে গুৱাহাটীতে এখন বেচৰকাৰী জাতীয় হাইস্কুল স্থাপন কৰিবলৈও সিদ্ধান্ত লয়। সেই সভাতে ৰায় বাহাদুৰ কালীচৰণ সেনক সভাপতি, ৰোহিনী চৌধুৰী আৰু গৌৰীকান্ত তালুকদাৰক সম্পাদক হিচাপে আৰু দেশভক্ত ফুকন আৰু কৰ্মবীৰ বৰদলৈ আদি নেতৃবৃন্দক লৈ সেই স্কুলৰ এখন পৰিচালক কমিটিও গঠন কৰি দিয়া হয়। এইখনেই 'কামৰূপ একাডেমী'। শ্ৰীদেবেন্দ্ৰনাথ শৰ্মাই প্ৰথম প্ৰতিষ্ঠাতা হেড্‌মাষ্টৰ হিচাপ সেই স্কুল সংগঠন কৰে। ইয়াৰ পিছত বৰপেটাত শ্ৰীজগদীশ মেধীৰ যত্নত 'বৰপেটা বিদ্যাপীঠ", শিৱসাগৰত শ্ৰীসোনাৰাম দত্তৰ প্ৰচেষ্টাত 'শিৱসাগৰ বিদ্যাপীঠ', তেজপুৰত 'তেজপুৰ একাডেমী', আৰু ডিব্ৰুগড়ত 'পাবলিক হাইস্কুল' ইত্যাদি বেচৰকাৰী স্কুল প্ৰতিষ্ঠিত হৈছিল।

কানিংহাম চাৰ্কুলাৰৰ ফলত সৃষ্টি হোৱা ছাত্ৰ আন্দোলনেই অসমত ১৯৩০ চনৰ জাতীয় আন্দোলন সৃষ্টি কৰা বুলি কব পাৰি। ২১ জুলাইৰ দিনা অসম ছাত্ৰ সন্মিলনৰ এক বিশেষ অধিৱেশন গুৱাহাটীৰ হৰিসভা মণ্ডপত শ্ৰীঅমিয় কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় আৰু সেই সভাত কানিংহাম চাৰ্কুলাৰৰ প্ৰত্যাহাৰৰ দাবী জনোৱা হয়। তাৰেই দাবীত স্কুল সমূহত পিকেটিং কৰাৰ সিদ্ধান্ত লোৱা হয়। কটন কলেজৰ ভালেমান ছাত্ৰই কানিংহাম চাৰ্কুলাৰৰ চৰ্ত্তবোৰৰ প্ৰতিবাদত কলেজ ত্যাগ কৰে আৰু আন্দোলনত যোগদান কৰে।

গুৱাহাটীৰ কেইগৰাকীমান বিশিষ্ট মহিলাই কটন কলেজত পিকেটিং কৰা কাৰ্য্য বিশেষভাবে উল্লেখযোগ্য। এই মহিলাসকলৰ ভিতৰত আছিল ৺মুক্তাপ্ৰভা আগৰৱালা, ৺দুৰ্গাপ্ৰভা বৰা, সুমিত্ৰাবালা ভট্টাচাৰ্য্য, ৺ৰত্নবালা বৰা আৰু ৺শিশিৰ কুমাৰ বৰুৱাৰ মাক।

গুৱাহাটীত স্কুল-কলেজ বৰ্জন, পিকেটিং আৰু শোভাযাত্ৰা আদি কাৰ্যাই

তৰুণ সম্প্ৰদায়ৰ মাজত এক নতুন উৎসাহ আৰু উদ্দীপনাৰ সৃষ্টি কৰে আৰু বাইজৰ মনতো এক নতুন অনুপ্ৰেৰণা জগাই তোলে। গুৱাহাটীৰ বাজুৰিয়ে অসমৰ ভিন ভিন ঠাইৰ যুৱকসকলৰ মাজত এক নব-জাগৰণৰ সৃষ্টি কৰে আৰু জনসাধাৰণৰ মাজতো আইন অমান্য আন্দোলনৰ ঢৌ প্ৰসাৰ লাভ কৰে। ছাত্ৰসকলে নিজ নিজ এলেকাত আন্দোলনৰ প্ৰচাৰ কাৰ্য্যত লাগে আৰু কানি, ভাং, মদ আৰু বিলাতী কাপোৰ আদিৰ দোকানত পিকেটিং কাৰ্য্যৰ দ্বাৰা আন্দোলনৰ অনুকূলে পৰিবেশ সৃষ্টি কৰাত লাগে।

অসমৰ ৰাজনৈতিক প্ৰাণকেন্দ্ৰ গুৱাহাটীতেই পোনপ্ৰথমে শ্ৰীগোলক পাঠকৰ অশেষ চেষ্টাত জিলা কংগ্ৰেছ কমিটি হয় আৰু সেই কমিটিয়েই ১৯৩০ চনৰ আন্দোলন পৰিচালনা কৰি আন্দোলনক সাফল্যমণ্ডিত কৰে। গুৱাহাটীৰ ছাত্ৰ আৰু ডেকাসকলে এই আন্দোলনত যথেষ্ট বৰঙণি যোগায়। তাৰ ভিতৰত শ্ৰীগোলোকচন্দ্ৰ পাঠক, শ্ৰীবিজয়চন্দ্ৰ ভাগৱতী, শ্ৰীৰজনীকান্ত গোস্বামী, শ্ৰীদেৱেন্দ্ৰনাথ শৰ্মা, শ্ৰীৰাধিকাৰাম দাস, শ্ৰীবেলিৰাম দাস, শ্ৰীউপেন নবীশ, শ্ৰীভবানী প্ৰসাদ বৰুৱা, শ্ৰীৰবীন কাকতী, শ্ৰীতীৰ্থনাথ শৰ্মা, শ্ৰীভবানী চৰণ ভট্টাচাৰ্য, শ্ৰীকল্প ঠাকুৰীয়া, শ্ৰীনৰনাৰায়ণ গোস্বামী, শ্ৰীনাৰায়ণচন্দ্ৰ ভট্টাচাৰ্য্য, শ্ৰীদেৱেন্দ্ৰ চৌধুৰী, শ্ৰীভবানীচৰণ ডেকা আদি উল্লেখযোগ্য। এই আন্দোলনৰ সকলো নিৰ্দ্দেশাদি দিছিল ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা, শ্ৰীঅমিয় কুমাৰ দাস, শ্ৰীসিদ্ধিনাথ শৰ্মা আৰু ডঃ ভুবনেশ্বৰ বৰুৱা। সেয়েহে ১৯৩০ চনৰ আন্দোলনৰ গতি গুৱাহাটীত তীব্ৰ হৈছিল। অকল গুৱাহাটী মহকুমাতে প্ৰায় হাজাৰৰো অধিক কৰ্ম্মী গ্ৰেপ্তাৰ হৈছিল। প্ৰদেশ কংগ্ৰেছৰ সভাপতি শ্ৰীবিষ্ণুৰাম মেধী ডাঙৰীয়াক ছিলঙৰ পৰা গুৱাহাটীলৈ আহোঁতে ১৯৩০ চনৰ আগষ্ট মাহৰ ২২ তাৰিখে বাটতে যোৰাবাটত গ্ৰেপ্তাৰ কৰে। বিচাৰত শ্ৰীমেধী ডাঙৰীয়াৰ ৬ মাহ জেল আৰু ৫০০ টকা জৰিমনা হয়। কিন্তু গুৱাহাটীৰ বেছি ভাগ অসহযোগী ছাত্ৰ সমাজৰ পৰা আহিছিল। কটন কলেজ, কলেজিয়েট হাইস্কুল, আৰ্ল ল কলেজ আদিৰ ছাত্ৰ সকলৰ অৱদান বিশেষ স্মৰণীয়।

নগাঁও জিলাত লোকসেৱক হলধৰ ভূঞা, পণ্ডিত কনক শৰ্মা, শ্ৰীপূৰ্ণচন্দ্ৰ শৰ্মা আৰু শ্ৰীমতিৰাম বৰা আদিৰ নেতৃত্বত ১৯৩০ চনৰ আন্দোলনৰ তীব্ৰতা কোনো গুণেই কম নাছিল। নগাঁও জিলাত শ শ ছাত্ৰ লগতে মহিলাই এই আন্দোলনত অংশগ্ৰহণ কৰি গ্ৰেপ্তাৰ আৰু কাৰাবৰণ কৰিছিল। ২৬ জানুৱাৰীৰ

দিনা অহিংস শোভাযাত্ৰাকাৰী সকলৰ ওপৰত পুলিচৰ নিৰ্মম অত্যাচাৰ চলিছিল আৰু সেইদিনাই প্ৰায় ৮০/৯০ জন লোকক গ্ৰেপ্তাৰ কৰিছিল। নগাঁওৰ পুৰণিগুদামত অসমৰ গৱৰ্ণৰ ছাৰ লৰী হেমন্তক ক'লা পতাকা দেখুওৱা হৈছিল।

তেজপুৰত অসংখ্য ছাত্ৰই আন্দোলনত যোগদান কৰি, পিকেটিং কৰি নিৰ্য্যাতন ভুগিছিল। গোৱালপাৰা জিলাতো শ্ৰীযোগেন্দ্ৰ নাথ, শ্ৰীগোবিন্দ শৰ্মা আৰু শ্ৰীখগেন্দ্ৰ নাথ আদিৰ নেতৃত্বত ১৯৩০ চনত সত্যাগ্ৰহ আন্দোলন পূৰ্ণোদ্যমত চলিছিল। মঙ্গলদৈতো কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে ছাত্ৰসকলৰ আন্দোলন হয়। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত ডিব্ৰুগড়, তিনিচুকীয়া আদিত আফিং, ভাং, মদৰ দোকানত পিকেটিং আৰু বিদেশী বৰ্জন আন্দোলন পূৰাদমে চলে আৰু অনেকে নিৰ্য্যাতন ভোগে। তাৰ ভিতৰত প্ৰধান আছিল শ্ৰীপৰশুৰাম দত্ত, শ্ৰীবিলাস ৰায় খেমানী, ডঃ বিনয়ভূষণ চক্ৰবৰ্ত্তী, শ্ৰীবেইৰাম সিং, শ্ৰীদুৰ্গাচৰণ দে আৰু শ্ৰীদলবীৰ সিং লোহাৰ আদি। শিৱসাগৰত শ্ৰীযাদবপ্ৰসাদ চলিহা, শ্ৰীদুৰ্গাপ্ৰসাদ বৰঠাকুৰ, শ্ৰীপদ্মধৰ চলিহা, শ্ৰীশিৱপ্ৰসাদ বৰুৱা, শ্ৰীনৰনাথ শৰ্মা আদিৰ পৰিচালনাত ১৯৩০ চনৰ আন্দোলন চলে আৰু অসংখ্য কৰ্মী গ্ৰেপ্তাৰ হয়। কামৰূপ জিলাৰ নলবাৰী, পলাশবাৰী, ছয়গাঁও, লোহাৰ ঘাট, বৰমা আৰু টিহু আদিতো আন্দোলন চলিছিল, অসংখ্য ছাত্ৰই আন্দোলনত যোগদান কৰিছিল। ভাৰতৰ তেতিয়াৰ বৰলাট লৰ্ড আৰউইন যোৰহাটত উপস্থিত হোৱাত শ্ৰীদেবেশ্বৰ শৰ্মাৰ নেতৃত্বত তেওঁক কলাপতাকা দেখুওৱা হৈছিল, লগতে অসংখ্য কৰ্মী নিৰ্য্যাতিত হয় আৰু কাৰাবৰণ কৰে। গোলাঘাটতো শ্ৰীৰাজেন্দ্ৰ নাথ বৰুৱা, শ্ৰীশঙ্কৰচন্দ্ৰ বৰুৱা, শ্ৰীদ্বাৰিকানাথ গোস্বামী আদিৰ নেতৃত্বত কানিংহাম চাৰ্কুলাৰৰ প্ৰতিবাদ কৰা হয় আৰু আফিং, ভাং আৰু মদৰ দোকানত পিকেটিং হৈছিল। বৰপেটা, গোৱালপাৰা, ধুবুৰী আৰু উত্তৰ লক্ষীমপুৰতো সত্যাগ্ৰহ আন্দোলন তীব্ৰভাৱে চলে।

১৯৩০ চনৰ আন্দোলনত অসমৰ মহিলাসকলৰ ভূমিকা বিশেষ উল্লেখযোগ্য। ৺চন্দ্ৰপ্ৰভা শইকীয়ানীৰ এই আন্দোলনত যথেষ্ট অৱদান আছে। ৺শইকীয়ানীয়ে অসমৰ বিভিন্ন ঠাই পৰিভ্ৰমণ কৰি আন্দোলনক জীৱন্ত কৰি তোলা কাৰ্য্যত যথেষ্ট সহায় কৰিছিল। এই আন্দোলনত শইকীয়ানীয়ে এবছৰৰ বাবে কাৰাদণ্ডও ভোগ কৰিছিল।

এই আইন অমান্য আন্দোলনৰ সময়ত অসমৰ খ্যাতনামা নেতা দেশভক্ত তৰুণ

ৰাম ফুকন, লোকপ্ৰিয় গোপীনাথ বৰদলৈ, শ্ৰীৰোহিণী কুমাৰ চৌধুৰী, শ্ৰীকুলধৰ চলিহা প্ৰমুখ্যে নেতৃবৃন্দই যোগদান নকৰা সত্বেও স্বাধীনতাৰ এই সংগ্ৰামত অসমৰ অৱদান আন প্ৰদেশতকৈ কোনোমতেই কম নাছিল। অসমৰ এই আন্দোলনৰ সফলতাৰ মূলত হৈছে অসমৰ তৰুণ শক্তিৰ স্বাধীনতা স্পৃহাৰ এক জাগ্ৰত আকাঙ্ক্ষা। মেধী ডাঙৰীয়াৰ নেতৃত্ব আৰু লগতে ত্যাগবীৰ হেম বৰুৱা, শ্ৰীঅমিয় কুমাৰ দাস আৰু ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ সাংগঠনিক শক্তি, আদৰ্শনিষ্ঠা আৰু কৰ্মতৎপৰতা। ১৯২২ চনৰ পিছত নিষ্ক্ৰিয় হৈ থকা অসমে ভাৰতৰ ১৯৩০ চনৰ স্বাধীনতা আন্দোলনৰ সংগ্ৰাম পৰিচালনা কৰা কঠিন কাম আছিল। দুখীয়া ৰাইজে দান বৰঙণি দি কংগ্ৰেছক সাহায্য কৰাৰ বাহিৰে আন কোনোৱেই সহায় কৰা নাছিল। সেই সময়ত অৱস্থাপন্ন লোকসকল চৰকাৰৰ পক্ষপাতী আছিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ১৯৩০ চনৰ আন্দোলন মাত্ৰ ১১০০ টকাৰে চলাইছিল। তেতিয়ালৈকে অসম কংগ্ৰেছৰ এটি স্থায়ী অফিচ ঘৰো নাছিল। অসমৰ প্ৰাক্তন চিভিল চাৰ্জন ডাঃ হৰিকৃষ্ণ দাসে দেশৰ স্বাধীনতাৰ হ'কে যুঁজা কংগ্ৰেছৰ প্ৰতিষ্ঠানৰ বাবে গুৱাহাটী নগৰৰ উজানবজাৰৰ এডোখৰ মূল্যৱান মাটি দান কৰা কাৰ্য্য অকল উল্লেখযোগ্যই নহয়, ই তেখেতৰ জ্বলন্ত দেশপ্ৰেমৰো এক দৃষ্টান্ত। সেই সময়ত বিশ্বনাথত নতুৱাৰ ৰায়ত সভাৰ অধিবেশনত সভাপতিৰ অভিভাষণত ডাঃ হৰিকৃষ্ণ দাসে ভাৰতবৰ্ষৰ বিপ্লৱী বীৰ ভগৎ সিং, শুকদেউ আৰু ৰাজগুৰুৰ দেশপ্ৰেম আৰু আত্মত্যাগৰ প্ৰশংসা কৰাত, চৰকাৰে তেওঁৰ পেঞ্চনো বন্ধ কৰিছিল। এইদৰে অসমে ১৯৩০ চনৰ সত্যাগ্ৰহ আন্দোলনত অধিক বৰঙণি যোগাব পাৰিছিল।

এই আন্দোলনৰ ফলস্বৰূপে ১৯৩১ চনৰ ৫ মাৰ্চৰ দিনা ঐতিহাসিক গান্ধী আৰউইন চুক্তি সম্পাদিত হয়। এই চুক্তিৰ চৰ্ত অনুযায়ী সকলো ৰাজনৈতিক বন্দীক মুক্তি দিয়া হয় আৰু লগে লগে ১৯৩০ চনৰ সত্যাগ্ৰহ আন্দোলনৰো অন্ত পৰে।

'গান্ধী-আৰউইন চুক্তি' সম্পাদনত ভাৰতৰ ডেকাশক্তি সন্তুষ্ট হ'ব পৰা নাছিল। কংগ্ৰেছে দেশবাসীক ভৱিষ্যত আন্দোলনৰ বাবে সদায় সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশ দিছিল। পণ্ডিত জৱাহৰলালে এই কালছোৱাত কংগ্ৰেছ অনুষ্ঠানক শক্তিশালী কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। প্ৰত্যেক প্ৰদেশ কংগ্ৰেছ কমিটিক কংগ্ৰেছৰ সদস্য ভৰ্তি কৰিবলৈ নিৰ্দেশ দিছিল আৰু সেৱাদল সংগঠন কৰিবলৈও

কোৱা হৈছিল। কংগ্ৰেছৰ বাণী গাৱেঁ-ভূএঁ প্ৰচাৰ কৰাৰ উদ্দেশ্যে অসমত বায়ত সভা, ৰাষ্ট্ৰীয় সন্মিলন আদি পতা হৈছিল।

'গান্ধী-আৰউইন' চুক্তিৰ পিছত মহাত্মা গান্ধীয়ে ঘূৰণীয়া মেজমেলত যোগ দিবলৈ বিলাতলৈ কংগ্ৰেছৰ একমাত্ৰ প্ৰতিনিধি হিচাপে গৈছিল। ঘূৰণীয়া মেজমেল বৈঠকত কোনো সুফল নোপোৱাত মহাত্মা গান্ধী হতাশ হৈ উভতি আহি ডিচেম্বৰৰ ২৮ তাৰিখে বোম্বাই পায়হি। পণ্ডিত জৱাহৰলাল নেহৰুৱে মহাত্মাজীক লগ পাবলৈ বোম্বাইলৈ যাত্ৰা কৰাৰ আগমূহূৰ্তত, চৰকাৰে তেওঁক গ্ৰেপ্তাৰ কৰে। এই গ্ৰেপ্তাৰেই ১৯৩২ চনৰ আন্দোলনৰ আগজাননী। জৱাহৰলালক গ্ৰেপ্তাৰ কৰাৰ লগে লগেই গান্ধী-আৰউইন চুক্তিৰ সমাধি হয় আৰু দেশ নতুন আন্দোলনৰ বাবে প্ৰস্তুত হয়। ১৯৩২ চনৰ ১ জানুৱাৰীৰ দিনা কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে পুনৰ অহিংস অসহযোগ আন্দোলন আৰম্ভ কৰাৰ প্ৰস্তাৱ লয়। ৪ জানুৱাৰীৰ দিনা মহাত্মাজীৰ গ্ৰেপ্তাৰ হয় আৰু তাৰ লগে লগেই সমগ্ৰ দেশতে পুনৰ অসহযোগ আন্দোলন আৰম্ভ হয়।

অসমতো পুনৰ আন্দোলন আৰম্ভ হয়। আন্দোলনৰ প্ৰস্তুতিৰ বাবে অসমৰ বিভিন্ন জিলাত শ্ৰীঅমিয় কুমাৰ দাসে ভ্ৰমণ কৰি সংগঠনক শক্তিশালী কৰি তুলিবলৈ চেষ্টা চলায়। অসমৰ গুৱাহাটীত পোনপ্ৰথমে ৮ ফেব্ৰুৱাৰীৰ দিনা পিকেটিঙৰ দ্বাৰা আন্দোলন আৰম্ভ কৰা হয়। গুৱাহাটীত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ, ডাঃ ভুবনেশ্বৰ বৰুৱা, শ্ৰীৰজনীকান্ত গোস্বামী, মহেন্দ্ৰমোহন চৌধুৰী, শ্ৰীদেবেন্দ্ৰনাথ শৰ্মা, শ্ৰীলক্ষ্মীধৰ বৰাক গ্ৰেপ্তাৰ কৰি কাৰাদণ্ড দিয়া হয়।

অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ১৯৩২ চনৰ আন্দোলন বিয়পে। সকলো ঠাইতে মদ, ভাং, আফিঙৰ দোকানত পিকেটিং, বিলাতী কাপোৰ বৰ্জন, খদ্দৰ প্ৰচলন আদি কাৰ্য্যৰ উপৰিও সভা, শোভাযাত্ৰা আদি হৈছিল। সেই সময়ত ৺জ্যোতি প্ৰসাদ আগৰৱালাৰ উন্মাদনা সৃষ্টি কৰা সঙ্গীত "বিশ্ব বিজয়ী ন-জোৱান", "লুইতৰে পাৰৰে আমি ডেকা ল'ৰা, মৰিবলৈ ভয় নাই", "অ' তই সন্মুখত হ থিয়, মাতৃপূজাৰ ভাগ লবলৈ বেলি কৰ কিয়?" আৰু "সাজু হ'ৱৰে হ'ল ডেকা ল'ৰা, সাজু হ'ৱৰে হ'ল" আদিয়ে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ এক বিপুল বিস্ময়জনক দেশপ্ৰেমৰ ঢৌ বোৱাইছিল। নগাঁও, তেজপুৰ, গোলাঘাট, যোৰহাট, ধুবুৰী, মঙ্গলদৈ, উত্তৰ লক্ষীমপুৰ আদি সকলো ঠাইতে কৰ্মীসকলে মদ, ভাং, আফিং আৰু বিলাতী কাপোৰ আদিৰ দোকানত পিকেটিং কৰে আৰু গ্ৰেপ্তাৰ হৈ

কাৰাবৰণ কৰে। গ্ৰেপ্তাৰ হোৱা নেতাসকলৰ ভিতৰত আছিল অমিয়কুমাৰ দাস, জ্যোতিপ্ৰসাদ আগৰৱালা, বিজয়চন্দ্ৰ ভাগৱতী, গহনচন্দ্ৰ গোস্বামী, পুণ্যপ্ৰভা হাজৰিকা, সোমেশ্বৰী গগৈ, মহাদেৱ শৰ্মা, লক্ষীধৰ শৰ্মা, কুমুদচন্দ্ৰ বৰা, বত্নেশ্বৰ শৰ্মা, টঙ্কেশ্বৰ শৰ্মা, মহানন্দ বৰা আদি।

আইন অমান্য আন্দোলনৰ শক্তি দেখি ইংৰাজ গবৰ্ণমেণ্টে আৰু এটা নিষ্ঠুৰতম দমননীতি হাতত ললে, সেইটো আছিল প্ৰেছ অৰ্ডিনেন্স বা বাতৰি কাকতৰ মুখবন্ধ আইন জাৰি। বৰলাটৰ মতে বাতৰি কাকত সমূহে আন্দোলন বৃদ্ধি কৰি অশান্তি অনাত সহায় কৰিছে। ফলত, অসমীয়াৰ সত্যাগ্ৰহৰ কটকী "অসমীয়া"খন বন্ধ হৈ যায়।

আইন অমান্য আন্দোলনৰ ফলস্বৰূপে অসমত ভালেমান ৰায়ত সভা গঢ়ি উঠিল। খাজানা সংগ্ৰহৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য হ'ব ধৰিলে। জমিদাৰী ব্যৱস্থা উচ্ছেদৰ কাৰণে আন্দোলন চলিল। নগাওঁত সেৱাদলৰ প্ৰশিক্ষণ কেন্দ্ৰ স্থাপন হ'ল। চাপৰমুখত দেৱানী আৰু ফৌজদাৰী বিবাদৰ বিচাৰৰ কাৰণে এটা বিশেষ প্ৰশাসন গঢ়ি উঠিল। এই আন্দোলনৰ ফলত অসমত প্ৰায় ১ বছৰৰ খাজানা সংগ্ৰহৰ কাম বন্ধ হৈ আছিল। এই আটাইবিলাক কাৰণত ৰাজ্যিক প্ৰশাসন একেবাৰে দুৰ্ব্বল হৈ পৰিছিল। ১৯৩২ চনৰ সত্যাগ্ৰহ আন্দোলনত অসমৰ স্বাধীনতাকামী ৰাইজে প্ৰমাণকৈ দেখুৱাই যে অসমেও দেশমাতৃক পৰাধীনতাৰ শৃঙ্খলবপৰা মুক্ত কৰিবলৈ যি কোনো প্ৰকাৰৰ ত্যাগ স্বীকাৰৰ বাবে প্ৰস্তুত। অসমে সত্যাগ্ৰহত বৰ সন্তোষজনকভাবে ভাগ লোৱা বুলি মহাত্মাই পিচত প্ৰশংসা কৰে।

# অসমত প্ৰাদেশিক স্বায়ত্ত শাসন

বৃটিশ পাৰ্লামেণ্টে ১৯৩৫ চনত নতুন ভাৰত শাসন আইন পাছ কৰে। এই আইনৰ দ্বাৰা ভাৰতত সাম্প্ৰদায়িক বিভেদ সৃষ্টি কৰি ভাৰতীয় জাতীয়তাবাদক নিঃশেষ কৰিবলৈ চেষ্টা কৰা হৈছিল। বৃটিশ শ্ৰমিকদলৰ নেতা, ইংলণ্ডৰ প্ৰধানমন্ত্ৰী মিঃ ৰামজে মেক্‌ডোনাল্ডৰ সাম্প্ৰদায়িক বাটোৱাৰাৰ সিদ্ধান্তৰ ওপৰত এই আইন ৰচনা কৰা হৈছিল। প্ৰতিক্ৰিয়াশীল বিখ্যাত 'মেকডনেল্ড সিদ্ধান্ত'ৰ ঠাইত জাতীয় সিদ্ধান্ত লবৰ কাৰণে এলাহবাদত স্বৰ্গীয় পণ্ডিত মদনমোহন মালব্যৰ নেতৃত্বত আৰু স্বৰ্গীয় বিজয় ৰাঘৱাচাৰিয়াৰ সভাপতিত্বত হোৱা কনফাৰেঞ্চত অসমৰ পৰা ৺কুলধৰ চলিহা, ৺যোগেন বৰুৱা আৰু মৌলানা মহম্মদ তৈয়বউল্লাই যোগ দিছিল, কিন্তু সেই সন্মিলন ব্যৰ্থ হয়। ফলত, ১৯৩৫ চনত পূৰ্ণ সাম্প্ৰদায়িকতাৰ ভেটিত ভাৰত শাসন আইন প্ৰণয়ন হয়। এই আইনে মুছলীম সম্প্ৰদায়ে বিচৰামতে পৃথক নিৰ্বাচনৰ প্ৰথা বিধিবদ্ধ কৰি হিন্দু-মুছলমান যে দুটা বেলেগ জাতি এই তত্ত্বৰ বীজ ৰোপণ কৰাত সক্ষম হৈছিল। ১৯৩৫ চনৰ নতুন ভাৰত শাসন আইনৰ বিধি অনুযায়ী ১৯৩৭ চনত সাধাৰণ নিৰ্বাচন হয়। এই নিৰ্বাচন সম্পন্ন হৈছিল সম্পূৰ্ণ সাম্প্ৰদায়িকতাৰ ভেটিত। মুছলমানসকলৰ অধিক সংখ্যক লোকেই নিৰ্বাচনত কংগ্ৰেছক ভোট নিদি মুছলীম লীগকহে দিছিল। ফলত মুছলমান সমষ্টিবোৰত মুছলীম লীগৰ প্ৰাৰ্থী অধিকভাবে নিৰ্বাচিত হয়।

নিৰ্বাচনত ছখন প্ৰদেশত কংগ্ৰেছ দলে সংখ্যাধিক্য লাভ কৰা সত্বেও মন্ত্ৰীত্ব গ্ৰহণ কৰিবলৈ প্ৰথমে সন্মতি দিয়া নাছিল। তাৰ কাৰণ আছিল যে প্ৰাদেশিক গৱৰ্ণৰসকলে ভাৰত শাসন আইনে তেওঁলোকৰ ওপৰত ন্যস্ত কৰা অতিৰিক্ত ক্ষমতাৰ বলেৰে মন্ত্ৰীসভাৰ কাৰ্য্যত প্ৰতিবন্ধক জন্মাব পাৰে, সেয়ে গৱৰ্ণৰসকলে সেই ক্ষমতাৰ বলেৰে মন্ত্ৰীসভাৰ কাৰ্য্যত প্ৰতিবন্ধক নজন্মাব বুলি প্ৰতিশ্ৰুতি নিদিলে, কংগ্ৰেছে মন্ত্ৰীত্ব গ্ৰহণ নকৰে। গৱৰ্ণৰসকলে তেনে প্ৰতিশ্ৰুতি দিবলৈ সন্মত নহ'ল। ফলত কংগ্ৰেছে মন্ত্ৰীত্ব গ্ৰহণ নকৰিলে আৰু কংগ্ৰেছ সংখ্যাধিক্য প্ৰদেশ ছখনত চৰকাৰে মনোনীত মন্ত্ৰীসভা পাতিলে। সেই সময়ত অসমত যদিও মুছলীম লীগে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ সক্ষম হোৱা নাছিল তথাপিও

ৰোহিণী চৌধুৰীৰ সাহাষ্যত ছাৰ মহম্মদ চাদুল্লাই মুছলীম লীগ মন্ত্ৰীসভা গঠন কৰিবলৈ সক্ষম হৈছিল।

অসমত ছাৰ চাদুল্লাৰ নেতৃত্বত লীগ মন্ত্ৰীসভাই জনহিতকৰ কামৰ পৰিবৰ্ত্তে অসমক মুছলীম প্ৰধান প্ৰদেশত পৰিণত কৰাৰ উদ্দেশ্যেহে পৰোক্ষভাৱে যৎপৰোনাস্তি চেষ্টা চলাইছিল। জনস্বাৰ্থৰ দাবীক উত্থাপন কৰা বাতৰি কাকত আদিক অত্যাধিক জৰিমনা আদি লগাই বন্ধ কৰাবো ব্যৱস্থা কৰিছিল। এই মন্ত্ৰীসভাই "অসম বাইজ" নামৰ যোৰহাটৰ পৰা প্ৰকাশিত কাকতখনক দহ হাজাৰ টকা জৰিমনা লগাই কাকতখনৰ প্ৰকাশ বন্ধ কৰিবলৈ বাধ্য কৰায়। মুঠৰ ওপৰত প্ৰাদেশিক স্বায়ত্ব শাসনৰ আমোলত অসমত পোন প্ৰথমে মুছলীম লীগৰ ছাৰ চাদুল্লাৰ নেতৃত্বত গঠিত হোৱা মন্ত্ৰীসভাখন অতি প্ৰতিক্ৰিয়াশীল আৰু অসমৰ স্বাৰ্থৰ বিৰোধী আছিল। প্ৰকৃততে মুছলীম প্ৰধান প্ৰদেশ নোহোৱা সত্বেও অসমত মুছলীম লীগৰ শাসন প্ৰবৰ্ত্তন হোৱাত অসমৰ উন্নয়নমূলক কাৰ্য্য বহু পৰিমাণে ব্যাহত হৈছিল। অসমত মুছলীম লীগ মন্ত্ৰীসভাই আন উন্নয়নমূলক কামৰ পৰিবৰ্ত্তে তেতিয়াৰ পূৰ্ববঙ্গৰ মুছলমান লোকক পৰোক্ষভাৱে উৎসাহ দি তাৰ পৰা উঠাই অসমত নিগাজীকৈ বসবাস কৰিবলৈ দিহা লগোৱাৰ কামতহে অধিক ব্যস্ত আছিল। ইয়াৰ উপৰিও প্ৰদেশখনত এক সাম্প্ৰদায়িকতাৰ ভাৱ সৃষ্টি কৰাবো পাকে প্ৰকাৰে চেষ্টা চলাইছিল। মুঠৰ ওপৰত সেই সময়ত এক প্ৰতিক্ৰিয়াশীল শাসন চলিছিল আৰু যদি কেইবছৰমান সেই শাসন চলিলহেঁতেন আজি অসমৰ ৰাজনৈতিক পৰিবেশ সম্পূৰ্ণ বেলেগ ৰূপত দেখিবলৈ পোৱা গ'লহেঁতেন।

অসমৰ এনে ৰাজনৈতিক পৰিস্থিতি লক্ষ্য কৰি কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসুৱে প্ৰতিক্ৰিয়াশীল লীগ মন্ত্ৰীসভাৰ ঠাইত অসমত এক প্ৰগতিবাদী কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠনৰ মত প্ৰকাশ কৰে আৰু সেই উদ্দেশ্যেই আবুল কালাম আজাদ অসমৰ ৰাজনৈতিক পৰিস্থিতি অধ্যয়ন কৰিবলৈ অসমলৈ আহিছিল। অসমৰ পৰিস্থিতি অধ্যয়ন কৰি বিকল্প কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন কৰা সম্ভৱ নহয় বুলি আজাদে মতপ্ৰকাশ কৰিছিল। কংগ্ৰেছ সভাপতি সুভাষচন্দ্ৰ বসুৱে এই কথা মানি লব নোৱাৰি নিজে অসমলৈ আহে আৰু কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠনৰ চেষ্টা চলায়। তেতিয়া অসম ব্যৱস্থাপক সভাত কংগ্ৰেছ সদস্য সংখ্যা আছিল ৩৩ জন।

কংগ্ৰেছ সভাপতি শ্ৰীবসুৱে নিজে চিলঙত একেৰাহে ৫ দিন থাকি অসম

ব্যৱস্থাপক সভাৰ বিভিন্ন দলৰ সদস্যসকলৰ লগত আলাপ-আলোচনা চলায় আৰু কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠনৰ অত্যাৱশ্যকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অৱশেষত কংগ্ৰেছ দলৰ দলপতি গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন কৰিবলৈ সক্ষম হয়। অসমৰ ইতিহাসত ই এক অতি গুৰুত্বপূৰ্ণ অধ্যায়। কংগ্ৰেছ সভাপতিৰ এই প্ৰচেষ্টাৰ ফল অসমৰ ৰাজনৈতিক ইতিহাসত এক সুদূৰ-প্ৰসাৰী অধ্যায়।

কংগ্ৰেছ সভাপতি শ্ৰীসুভাষচন্দ্ৰ বসুৰ ৰাজনৈতিক দূৰদৰ্শিতাৰ আৰু অক্লান্ত পৰিশ্ৰমৰ ফলতহে অসমত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন সম্ভৱপৰ হৈছিল। ভাৰতৰ পূৱপ্ৰান্তৰ প্ৰহৰী প্ৰদেশ অসমৰ ভৱিষ্যত স্বাৰ্থৰ কাৰণে মৌলানা আবুল কালাম আজাদৰ বেলেগ মন্তব্যক উপেক্ষা কৰিও কংগ্ৰেছ সভাপতি শ্ৰীসুভাষচন্দ্ৰই অসমলৈ নিজেই আহি আঁকোৰ-গজালি মনোভাৱৰে কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠন নোহোৱাহেঁতেন আৰু স্বাধীনতাৰ আগমুহূৰ্তলৈ লীগ মন্ত্ৰীসভা থকাহেঁতেন, আজি হয়তো অসমক সম্পূৰ্ণ বেলেগ ৰাজনৈতিক পৰিৱেশতহে দেখা গলহেঁতেন। অসমৰ ইতিহাসত সুভাষ চন্দ্ৰৰ অৱদান চিৰস্মৰণীয়।

দ্বিতীয় মহাযুদ্ধৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে এক বিবৃতি যোগে প্ৰকাশ কৰি ঘোষণা কৰিছিল যে বৃটেইনে ভাৰতৰ প্ৰতি নীতি পৰিৱৰ্তন সাধিবলৈ আৰু যুদ্ধকালীন অৱস্থাত এক অন্তৰ্বৰ্তী জাতীয় চৰকাৰ প্ৰতিষ্ঠা কৰি যুদ্ধৰ শেষত স্বাধীনতা দিবলৈ প্ৰতিশ্ৰুতি দিব লাগে; একমাত্ৰ স্বাধীন ভাৰতেহে গণতন্ত্ৰ আৰু স্বাধীনতাৰ যুদ্ধত সৰ্বতোপ্ৰকাৰে সাহায্য আগবঢ়াব পাৰে। কিন্তু বৃটিশ চৰকাৰে খোলোচাভাৱে ঘোষণা কৰি কৈছিল যে ভাৰতৰ সাম্প্ৰদায়িক সমস্যাটোৰ মীমাংসা নহয় মানে ভাৰতক কোনো ধৰণৰ ৰাজনৈতিক ক্ষমতা হস্তান্তৰ কৰি দিয়া সম্ভৱপৰ নহ'ব। তেনে পৰিস্থিতিত কংগ্ৰেছে কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ পৰা কংগ্ৰেছ মন্ত্ৰীসভা সমূহক পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশ অনুযায়ী ১৯৩৮ চনৰ অক্টোবৰ মাহত গঠিত হোৱা অসমৰ বৰদলৈ মন্ত্ৰীসভা ১৪ মাহ কাম চলোৱাৰ পিছত ১৯৩৯ চনৰ ১২ ডিচেম্বৰৰ দিনা পদত্যাগ পত্ৰ দাখিল কৰে। জনপ্ৰিয় কংগ্ৰেছ মন্ত্ৰীসভাসমূহে পদত্যাগ কৰাত জনসাধাৰণৰ মাজত এক ৰাজনৈতিক হতাশা ভাৱৰো সৃষ্টি হৈছিল।

# বিয়াল্লিশৰ বিপ্লৱ

১৯৪২ চনৰ ৮ আগষ্টত বোম্বাইত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিবেশন বহে। এই অধিবেশনত সিদ্ধান্ত হয় যে পূৰ্ণ স্বাধীনতাৰ বাহিৰে ভাৰতে আন একোৱে গ্ৰহণ নকৰে। মহাত্মা গান্ধীয়ে 'কুইট্ ইণ্ডিয়া'—'ভাৰত ত্যাগ' ধ্বনি অৱতাৰণা কৰে। এই ঐতিহাসিক ভাৰত ত্যাগ প্ৰস্তাৱৰ মৰ্ম আছিল—যুদ্ধৰ পিছত ভাৰতৰ স্বাধীনতা বৃটিশ চৰকাৰে মানি লব লাগিব; গণপৰিষদে ৰাষ্ট্ৰতন্ত্ৰ গঠন কৰিবৰ অধিকাৰ পাব আৰু এটি অস্থায়ী চৰকাৰ গঠিত হ'ব। বৃটিশ চৰকাৰে যদি সেই প্ৰস্তাৱ মানি নলয় তেন্তে জাতীয় সঙ্কল্প কাৰ্য্যকৰী কৰিবৰ কাৰণে ব্যাপক গণ আন্দোলন কৰা হ'ব। সেই আন্দোলন পৰিচালনাৰ ভাৰ গান্ধীজীৰ ওপৰত।

এই ঘোষণা আৰু দাবী উত্থাপন কৰাৰ লগে লগেই ৯ আগষ্টৰ অতি পুৱাতেই মহাত্মা গান্ধী আৰু কংগ্ৰেছ ৱৰ্কিং কমিটিৰ সদস্যসকলক গ্ৰেপ্তাৰ কৰি কাৰাৰুদ্ধ কৰা হয়। তাৰ লগে লগে অসমৰ নেতাসকলকো চৰকাৰে গ্ৰেপ্তাৰ কৰে। তাৰ ভিতৰত ৺বিষ্ণুৰাম মেধী, ফখৰুদ্দিন আলি আহমদ, মৌলানা তৈয়বউল্লা, ৺দেবেশ্বৰ শৰ্মা আদি আছিল। বোম্বাইৰ পৰা ঘূৰি আহোতে ধুবুৰীত ৺গোপীনাথ বৰদলৈ আৰু ৺সিদ্ধিনাথ শৰ্মাকো গ্ৰেপ্তাৰ কৰে। নেতাসকলক বন্দী কৰাৰ ফলত অসমত ৪২ৰ আন্দোলনৰ গতি শীঘ্ৰে তীব্ৰতৰ হৈ উঠে।

সেই সময়ত অসম প্ৰকাৰান্তৰে যুদ্ধস্থলিহে আছিল। জাপানৰ বিৰুদ্ধে যুঁজিবলৈ ইংৰাজ, আমেৰিকা আদিৰ সৈন্যই অসমত ভালদৰেই খোপনি পুতি লৈছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সৈন্য-সামন্ত, মেছিনগান, বিমান, বন্দুক, কামান আৰু বিমান বিধ্বংসী কামান আদি অধিক পৰিমাণে ৰখা হৈছিল। আধুনিক যান্ত্ৰিক যুদ্ধৰ বাবে সকলো বাস্তৱ ব্যৱস্থাৰে অসমক যি কোনো মুহূৰ্ত্ততে যুদ্ধৰ সন্মুখীন হ'বলৈ প্ৰস্তুতকৈ ৰখা হৈছিল। এয়ে আছিল ৪২ৰ গণ আন্দোলনৰ ঠিক আগমুহূৰ্ত্তৰ অসমৰ পৰিবেশ। তেনে পৰিবেশত পৰাধীন নিৰস্ত্ৰ প্ৰদেশ এখনৰ দৰিদ্ৰ জনসাধাৰণে এক গণ বিপ্লৱৰ সৃষ্টি কৰা যে অতি কঠিন কাম আছিল। কিন্তু অসমে তেনে পৰিস্থিতিতো এই আন্দোলনৰ এক গৌৰৱময় ইতিহাস ৰচনা কৰিছে। অসমৰ সকলো নেতা কাৰাৰুদ্ধ হৈ আছিল। তেতিয়া কংগ্ৰেছৰ

কোনো নেতা বাহিৰত নাছিল। অসমৰ বিপ্লৱী কৰ্মী শঙ্কৰ বৰুৱা, বিমলা চলিহা, জ্যোতি আগৰৱালা, ব্ৰজ শৰ্মা, মহেন্দ্ৰমোহন চৌধুৰী, মহেন্দ্ৰ হাজৰিকা আদি যি দুই চাৰিজন কৰ্মী ধৰা নিদিয়াকৈ বাহিৰত আত্মগোপন কৰি আছিল, তেওঁলোকেই আন্দোলন পৰিচালনা কৰিছিল আৰু আন্দোলনক তীব্ৰতৰ কৰি গোটেই অসমতে এক ব্যাপক আন্দোলনৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত ছোছিয়েলিষ্ট নেতা ৺জয়প্ৰকাশ নাৰায়ণ আৰু শ্ৰীমতী অৰুণা আছফ আলিৰ উপদেশ আৰু ত্যাগবীৰ হেম বৰুৱাৰ নিৰ্দেশ আৰু নেতৃত্বত অসমত ৪২ৰ ভাৰত ত্যাগ আন্দোলন আচলতে এক গণ আন্দোলনলৈ ৰূপান্তৰিত হৈছিল।

অসমত বিয়াল্লিছৰ গণ আন্দোলন হৈছিল—চৰকাৰৰ নিৰ্দয়, নিৰ্মম দমননীতিৰ প্ৰতিবাদত আৰু দেশৰ স্বাধীনতাস্পৃহাৰ জনমতক মষিমূৰ কৰিব খোজা অমানুষিক, অত্যাচাৰ নীতিৰ প্ৰতিক্ৰিয়া হিচাপে। 'কৰিম বা মৰিম'—এই বৈপ্লৱিক ধ্বনিক অসনুৰ ৰাইজে সাদৰি লৈ বিপ্লৱৰ জুইত আত্মাহুতি দিছিল দেশৰ স্বাধীনতা লাভৰ দুৰ্জয় আকাঙ্ক্ষাৰে। এই উদ্দেশ্যেই চৰকাৰৰ পুলিচ থানা, কছাৰী আদালত, ৰেলষ্টেছন আদি অধিকাৰ কৰিবলৈ ৰাইজ আগবাঢ়ি গৈছিল আৰু অহিংস আক্ৰমণ চলাইছিল। অসমৰ গাৱেঁ-ভূঞেঁ প্ৰকাশ্য ৰাজহুৱা সভা-সমিতি পতা হৈছিল আৰু গোপন সভাও পতা হৈছিল। অসমৰ ৰাইজক বৃটিশৰ সাম্ৰাজ্যবাদী যুদ্ধত কোনোৰূপ সহযোগ নকৰিবলৈ আৰু চৰকাৰৰ কৰ্মচাৰী আৰু চিপাহী-পুলিচ আদিৰ বাবে খাদ্য সামগ্ৰী বিক্ৰী নকৰিবলৈ আহ্বান জনোৱা হৈছিল। অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সভা-সমিতি, শোভাযাত্ৰা, বিক্ষোভ প্ৰদৰ্শন আৰু যুদ্ধ সংক্ৰান্ত বিষয়ত অসহযোগিতা কৰিবলৈ নিৰ্দেশ দিয়াই আছিল গণ আন্দোলনৰ কৰ্মপদ্ধতি।

অসমে ইতিমধ্যে অসহযোগ আৰু আইন অমান্য আন্দোলনত যথেষ্ট সুনাম অৰ্জন কৰিছিল। এইবাৰে বিয়াল্লিশৰ আন্দোলনত অসমে গৌৰৱজনক অংশ গ্ৰহণ কৰে। অসমীয়া মানুহে মৃত্যুলৈ ভয় নকৰি আন্দোলনত জঁপিয়াই পৰে। অসমীয়া মানুহৰ ২০,০০০ স্বেচ্ছাসেৱকক লৈ এটা 'শান্তি সেনা' গঠন কৰা হয়। এই শান্তি সেনাৰ সেৱকসকলে খোৱাবস্তুৰ সামগ্ৰী গোটোৱাৰ পৰা, গাওঁবিলাকক নিশা পহৰা দিয়া, বৰ্মাদেশৰ পৰা অহা ২য় মহাযুদ্ধৰ শৰণাৰ্থীসকলক সহায় কৰালৈকে সকলো কামত লিপ্ত হয়।

এই আন্দোলনত ছাত্ৰ আৰু যুৱকসকলে সক্ৰিয় অংশগ্ৰহণ কৰি আন্দোলনক বিপ্লৱাত্মক কৰি তুলিছিল। সাম্ৰাজ্যবাদী চৰকাৰৰ অধীনত চাকৰি কৰি

সাম্ৰাজ্যবাদী বিদেশী চৰকাৰ অব্যাহত ৰখা কাৰ্য্যত, চৰকাৰী চাকৰিয়ালসকলক বাধা দিয়াৰ উদ্দেশ্যেই বিৰাট শোভাযাত্ৰা উলিওৱা হৈছিল আৰু সভা-সমিতি পাতি তেওঁলোকক চাকৰি ইস্তফা দিবলৈ অনুৰোধ জনোৱা হৈছিল।

১৯৪২ চনৰ চেপ্তেম্বৰ মাহৰ পৰা অসংখ্য বৈপ্লৱিক প্ৰচাৰপত্ৰ প্ৰকাশ কৰি বিতৰণ কৰা হৈছিল। এই প্ৰচাৰপত্ৰবোৰৰ কিছুমানত ৰেল লাইন উঠাই দিয়া, টেলিগ্ৰাফ-টেলিফোনৰ যোগে যাতে চৰকাৰী কাৰ্য্যালয়বোৰৰ যোগাযোগ হ'ব নোৱাৰে, তাৰ যথাবিহিত ব্যৱস্থা ল'বলৈও উদগনি দিয়া হৈছিল। মুঠৰ ওপৰত চৰকাৰী কাৰ্য্যালয়বোৰৰ যোগাযোগ ব্যৱস্থাক অচল কৰি তুলিবলৈ আহ্বান জনোৱা হৈছিল। এই প্ৰচাৰ পত্ৰবোৰ অসম যুৱক সমাজৰ বৈপ্লৱিক চিন্তাধাৰাৰেই ফল আছিল। সাম্ৰাজ্যবাদী বিদেশী বৃটিশ ৰাজৰ শক্তিৰ যিবোৰ উৎস স্বৰূপ আছিল, সেইবোৰক ধ্বংস কৰাৰ বাবে অসমৰ যুৱক সমাজে দৃঢ় সংকল্প গ্ৰহণ কৰিছিল।

এই আন্দোলনৰ আঁচনি হিচাপে অসমত গাওঁ পঞ্চায়ত গঠন কৰা হৈছিল। বিশেষকৈ বজালি, হাতীচুং, ৰহা, জামুগুৰি, ঢকুৱাখনা, চতিয়া আদি অঞ্চলত স্থাপিত হোৱা পঞ্চায়ত শাসন পদ্ধতি এখন স্বাধীন চৰকাৰৰ নিচিনাকৈ পৰিচালনা হবলৈ ধৰিলে। এই সভাই নিজৰ নিজৰ এলেকাৰ সকলো ধৰণৰ বিবাদ শুনি মীমাংসা কৰিছিল। আনকি দোষীবিলাকক শাস্তি দিবৰ কাৰণে কিছুমান কাৰাগাৰ গঠন কৰা হৈছিল। চৰকাৰক খাজনা দিয়াৰ বিৰুদ্ধে প্ৰচাৰ কাৰ্য্য চলোৱা হৈছিল। ৮ চেপ্তেম্বৰৰ দিনা প্ৰায় ৫০০ মানুহ দেৰগাওঁ পুলিচ ষ্টেচনত সোমাই জাতীয় পতাকা উত্তোলন কৰিবলৈ চেষ্টা কৰিছিল। চতিয়া, গহপুৰ, ঢেকিয়াজুলি আদিতো এনে কাৰ্য্য কৰা হৈছিল। আন্দোলনত কিছুমান হিংসাত্মক কাৰ্য্যও সংঘটিত হয়। উন্মত্ত জনতাই চৰকাৰী কাৰ্য্যালয় আক্ৰমণ, অগ্নিসংযোগ আদি কৰিছিল। ৰেলগাড়ী আৰু মটৰ গাড়ী আদি যাতে চলাচল কৰিব নোৱাৰে, তাৰ বাবে ৰেল লাইন উঠোৱা হৈছিল। ৰাস্তা, দলং আদি ভাঙি পৰিবহণ ব্যৱস্থাক অচল কৰাৰ চেষ্টাও হৈছিল। সৰভোগত বৃটিশৰ যুদ্ধৰ বিমান ঘাটি অভাৱনীয় উপায়েৰে ভস্মীভূত কৰা হৈছিল।

এই আন্দোলনত মহিলাসকলেও কোনো শাস্তিলৈ ভয় নকৰি জঁপিয়াই পৰিছিল। হাজাৰ হাজাৰ মহিলাই ঘৰৰ পৰা ওলাই আহি শোভাযাত্ৰা, বিক্ষোভ প্ৰদৰ্শন, পিকেটিং আদিত যোগদান কৰিছিল। অসমৰ ভালেমান ঠাইত মহিলা

আৰু ছাত্ৰ-ছাত্ৰীসকলে সম্মিলিত হৈ ১৯৪৩ চনৰ স্বাধীনতা দিবস পালন কৰিছিল। পাঠশালাত এনে এখন সভাত সভাপতিত্ব কৰি থকা অৱস্থাত ৺চন্দ্ৰপ্ৰভা শইকীয়ানীক গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰোপৰি পুলিচে ভালেমান নেতৃস্থানীয় মহিলাক আটক কৰিছিল।

অসমত সেই সময়ত চৰকাৰে চূড়ান্ত দমন-নীতি চলাইছিল। শাঙুৰি শাঙুৰি শ-শ লোকক কোবাই থানালৈ ধৰি নিছিল। থানাত আৰু জেলৰ ভিতৰতো কংগ্ৰেছ কৰ্মীসকলৰ ওপৰত অমানুষিক অত্যাচাৰ চলাইছিল। অধিক সংখ্যক ছাত্ৰ গ্ৰেপ্তাৰ হৈ কাৰাগাৰত আটক হৈ থাকে। বিশেষকৈ নগাওঁ জিলাৰ পৰা সকলোতকৈ সৰহ সংখ্যক মানুহ ভুক্তভোগী হয়—কাৰাগাৰত বন্দী হোৱা নগঞা ৰাইজৰ সংখ্যা ১৬০০ আৰু অভিযুক্ত ব্যক্তিৰ সংখ্যা আছিল ১২০০। মানুহৰ জুম দেখিলেই শ্বেতাঙ্গ মিলিটাৰীয়ে গুলী চলাইছিল।

ইয়াৰ উপৰিও শ-শ লোকৰ ঘৰ খানাতালাচ কৰিছিল আৰু 'পিউনিটিভ টেক্স' বা পাইকাৰী জৰিমনা লগাই অনেক নিৰীহ গাৱঁলীয়া ৰাইজৰ ঘৰ-বাৰী তালাচ কৰি গৰু-ম'হ, ধান-চাউল, কাঁহি-বাতি আদি নিলাম কৰি ৰাইজৰ চৰম দুৰ্দশাৰ সৃষ্টি কৰিছিল। বিশেষকৈ গোৱালপাৰা জিলাৰ ফকিৰা গাৱঁৰ ৰাইজৰ ওপৰত বৃটিশ চৰকাৰে পাইকাৰী জৰিমনা লগাইছিল। সেই গাৱঁৰ নিধানু ৰাজবংশী নামৰ মানুহ এজনে ৮ টকা পাইকাৰী জৰিমনা দিব নোৱাৰাৰ কাৰণে সশস্ত্ৰ ইংৰাজ চিপাহী আহি তেওঁক ঘৰৰ ভিতৰত গুলীয়াই হত্যা কৰে।

অসমত বিয়াল্লিশৰ গণ-বিপ্লৱত ত্যাগবীৰ হেম বৰুৱাৰ নাম বিশেষভাবে স্মৰণীয়। অসমৰ বিভিন্ন ঠাইৰ কৰ্মীসকলে অনিশ্চয়তাৰ অন্ধকাৰত যেতিয়া জঁপিয়াই পৰিছিল, সেই সকল কৰ্মীক সকলো দিহা-পৰামৰ্শ দি উৎসাহ আৰু প্ৰেৰণা যোগাইছিল ত্যাগবীৰ হেম বৰুৱাই নবীয়া পাটীৰ পৰা। ইয়াৰ উপৰিও ছোছিয়েলিষ্ট নেতা জয়প্ৰকাশ নাৰায়ণ আৰু অৰুণা আছফ আলীয়েও গোপনে অসমলৈ আহি বিয়াল্লিশৰ গণ-আন্দোলনক অসমত তীব্ৰতৰ কৰি তোলাত যথেষ্ঠ সহায় কৰিছিল। ইয়াৰ উপৰিও এই আন্দোলনৰ নেতৃত্ব কৰা ব্যক্তিসকল আছিল মহম্মদ তৈয়বউল্লা, ফখৰুদ্দিন আলী আহমদ, বিষ্ণুৰাম মেধী, দেবেশ্বৰ শৰ্মা, ডাঃ হৰিকৃষ্ণ দাস, লীলাধৰ বৰুৱা, গোপীনাথ বৰদলৈ, সিদ্ধিনাথ শৰ্মা, মহেন্দ্ৰ মোহন চৌধুৰী, বিজয় ভাগৱতী, মতিৰাম বৰা, গড়মূড়ৰ সত্ৰাধিকাৰ, বিমলা প্ৰসাদ চলিহা, জ্যোতিপ্ৰসাদ আগৰৱালা, কুলধৰ চলিহা, বেলিৰাম দাস,

ৰাজেন বৰুৱা, দেৱকান্ত বৰুৱা, কামাখ্যাপ্ৰসাদ ত্ৰিপাঠী, চন্দ্ৰপ্ৰভা শইকীয়ানী, পুষ্পলতা দাস, গুণেশ্বৰী নাথ আদি।

যি সকল দেশমাতৃৰ কাৰণে প্ৰাণত্যাগ কৰিলে সেই সকল আছিল কুশল কোঁৱৰ, কনকলতা, তিলক ডেকা আৰু ভোগেশ্বৰী ফুকননী আদি। বিয়াল্লিশৰ গণ-বিপ্লৱৰ সময়ত ৯ অক্টোবৰৰ দিনা সৰুপথাৰ ৰেল ষ্টেছনৰ অলপ দূৰত এখন মিলিটাৰী গাড়ী ৰেললাইন চ্যুত হয় আৰু তাৰ ফলত কেইজনমান আমেৰিকান আৰু আন আন মিলিটাৰী অফিচাৰৰ মৃত্যু হয়। সেই সময়ত সৰুপথাৰ কংগ্ৰেছ কমিটিৰ সভাপতি আছিল—স্বাধীনতা সংগ্ৰামী বীৰ কুশল কোঁৱৰ। এই ৰেল বগৰোৱা কাৰ্য্যত কুশল কোঁৱৰ জড়িত আছিল বুলি পুলিচে কুশল কোঁৱৰক গ্ৰেপ্তাৰ কৰে। বিচাৰত ৰাজসাক্ষীৰ বাদে কোনো প্ৰমাণ নথকা সত্বেও কুশল কোঁৱৰক ফাঁচিৰ হুকুম দিয়া হয়। কংগ্ৰেছৰ আদৰ্শত বিপুল আস্থা থকা ভাৰতৰ স্বাধীনতাৰ হকে সৰ্বোচ্চ ত্যাগ মন্ত্ৰত দীক্ষিত আৰু দৃঢ়প্ৰতিজ্ঞ কুশল কোঁৱৰে দেশৰ স্বাধীনতাৰ হকে ১৯৪৩ চনৰ ৩০ জুন তাৰিখে হাঁহিমুখে ফাঁচি কাঠত জীৱন আহুতি দিছিল।

বিয়াল্লিশৰ আন্দোলনত তেজপুৰ মহকুমাৰ ঢেকিয়াজুলি আৰু গহপুৰত পুলিচৰ গুলীচালনা কাৰ্য্য অতি হৃদয়-বিদাৰক। ১৯৪২ চনৰ ২০ চেপ্তেম্বৰৰ দিনা প্ৰায় ৭/৮ হাজাৰ নিৰস্ত্ৰ লোকে এক শান্তিপূৰ্ণ শোভাযাত্ৰা কৰি গহপুৰ থানাত জাতীয় পতাকা উত্তোলন কৰিবলৈ আগুৱাই আহিছিল। তেতিয়া পুলিচে নিৰ্দয়ভাৱে নিৰস্ত্ৰ আৰু শান্তিপূৰ্ণভাৱে থকা সেই লোকসকলৰ ওপৰত গুলী চলায় আৰু ঘটনাস্থলীতে কনকলতাই প্ৰাণত্যাগ কৰে।

১৯৪২ চনৰ ১৯ চেপ্তেম্বৰৰ দিনা নগাওঁ জিলাৰ বৰহমপুৰৰ এক শোভাযাত্ৰাত ভোগেশ্বৰী ফুকননীয়ে অংশগ্ৰহণ কৰিছিল। সেই নিৰস্ত্ৰ লোকৰ শান্তিপূৰ্ণ শোভাযাত্ৰাৰ ওপৰত মিলিটাৰীয়ে গুলী চলায়। সেই গুলীচালনাত ভোগেশ্বৰী ফুকননীৰ মূৰৰ খোলা ভাঙি যায় আৰু তেওঁৰ মৃত্যু হয়।

নগাওঁ জিলাৰ চৰাইবাহীৰ তিলকচন্দ্ৰ ডেকাই বিয়াল্লিশৰ গণ-বিপ্লৱত সক্ৰিয় অংশগ্ৰহণ কৰে। ১৯৪২ চনৰ ১৮ আগষ্টত গাৱঁৰ শান্তি সেনাবাহিনীৰ পহৰাদাৰীৰ কামত থকা অৱস্থাত এদল মিলিটাৰীক বাধা দিয়াত তেওঁৰ ওপৰত মিলিটাৰীয়ে গুলী চলায় আৰু বেয়নেটেৰে খুচি তেওঁৰ শৰীৰ ক্ষত-বিক্ষত কৰে যাৰ ফলত তেওঁৰ মৃত্যু হ'ল।

ইয়াৰ উপৰিও বৰহমপুৰৰ গুলীচালনা, ঢেকিয়াজুলিৰ গুলীচালনা আৰু বেবেজীয়াৰ গুলীচালনাত অসংখ্য পুৰুষ-মহিলা শ্বহীদ হয়। সেই সকল আছিল মদন বৰ্মন, ৰাউতা কোঁচ, ঠগীসূত, লক্ষ্মী হাজৰীকা, হেমৰাম বৰা, বলোৰাম সূত, নিধানু ৰাজবংশী, হেমৰাম পাতৰ, মহীৰাম কোঁচ, মনবৰ নাথ, মুমলী নাথ, মণি কছাৰী, ৰতন কছাৰী, তিলেশ্বৰী কোঁচ, খহিনী নাথ, দয়াল পানীকা, সোমনাথ চুতীয়া, লেবেলা কছাৰী, মঙ্গল কুৰ্মী, কলাই কোঁচ, হেমকান্ত বৰুৱা, গুণাভিৰাম বৰদলৈ আৰু ভালেমান।

বিয়াল্লিশৰ গণ-বিপ্লৱত এনেদৰে অসমৰ অসংখ্য দেশপ্ৰেমিকে দুঃখ, লাঞ্ছনা, নিৰ্যাতন আনকি হাঁহিমুখে মৃত্যুকো বৰণ কৰি অসমৰ কীৰ্তি ৰাখি অসমক গৌৰৱ-মণ্ডিত কৰি ভাৰতৰ স্বাধীনতা সংগ্ৰামক সাফল্যমণ্ডিত কৰি তোলাত বিশেষ বৰঙণি যোগায়। স্বাধীনতাৰ এই সংগ্ৰামত কোনো অস্ত্ৰৰ প্ৰয়োজন হোৱা নাছিল, অকল মনৰ দৃঢ়তা, আদৰ্শৰ প্ৰতি নিষ্ঠা আৰু অপৰিসীম ত্যাগ স্বীকাৰ কৰি মৃত্যু পৰ্যন্ত বৰণ কৰিব পৰা মনোবলৰহে আছিল প্ৰয়োজন। যি সকলে সকলো নিৰ্য্যাতন ভোগ কৰি অসীম ত্যাগেৰে স্বাধীনতাৰ বাণী বহন কৰি পৰাধীনতাৰ অভিশাপত থকা জাতিৰ মুক্তি যুঁজত অংশগ্ৰহণ কৰিছে সেই সৰ্বত্যাগী বিপ্লৱী সকলেই স্বদেশ, স্বজাতি, সংস্কৃতি আৰু স্বাধীনতাৰ একান্ত পূজাৰী। এই সকলেই অসমী আইৰ মুখোজ্জ্বল কৰি সৰ্বভাৰতীয় স্বাধীনতাৰ ৰণত আত্মত্যাগেৰে অসমক মহিমামণ্ডিত কৰি কীৰ্তি স্থাপন কৰিছে।

# কেবিনেট মিছন আঁচনি আৰু অসম

১৯৪৫ চনৰ মাজভাগত যুদ্ধৰ অৱসান হোৱাত বৃটিশ চৰকাৰে দমননীতি প্ৰত্যাহাৰ কৰি ভাৰতৰ লগত সন্ধি কৰিবলৈ মনোভাৱ প্ৰকাশ কৰে আৰু সকলো নেতাকে মুক্তি দিয়ে। ভাৰতৰ শাসন-ব্যৱস্থাৰ অৱসান ঘটোৱাৰ বাবে ভাৰতৰ বৰলাট লৰ্ড ওৱাভেলে চিমলাত এক বৈঠক আহ্বান কৰে। সেই বৈঠকলৈ হিন্দু-মুছলমান আদিৰ তেৰজন নেতাক নিমন্ত্ৰণ কৰিছিল। কিন্তু মিঃ জিন্নাৰ উৎকট সাম্প্ৰদায়িক মনোভাৱৰ কাৰণে চিমলা বৈঠক ব্যৰ্থ হবলৈ বাধ্য হয়।

ইতিমধ্যে, ১৯৪৫ চনৰ জুলাইত ইংলণ্ডৰ সাধাৰণ নিৰ্বাচনত ৰক্ষণশীল দলৰ পৰাজয় ঘটে আৰু শ্ৰমিক দলৰ নেতা মিঃ এটলী ইংলণ্ডৰ প্ৰধানমন্ত্ৰী হয়। ইংলণ্ডৰ শ্ৰমিক দলৰ চৰকাৰ ভাৰতৰ ৰাজনৈতিক সমস্যাৰ মীমাংসাৰ বাবে উদগ্ৰীৱ হৈছিল আৰু সেইবাবে এই চৰকাৰে ইংলণ্ডৰ তিনিজন মন্ত্ৰীক লৈ "কেবিনেট মিছন" গঠন কৰি সমস্যা সমাধানৰ বাবে ভাৰতলৈ পঠিয়ায়। কেবিনেট মিছন ভাৰতলৈ পঠোৱাৰ সময়ত ইংলণ্ডৰ প্ৰধানমন্ত্ৰী মিঃ এটলীয়ে বৃটিশ পাৰ্লামেণ্টত কৈছিল—"ভাৰতৰ নেতাসকলে যাতে এখন স্বাধীন সাৰ্বভৌম ৰাষ্ট্ৰৰ শাসনক্ষমতা যোগ্যভাৱে গ্ৰহণ কৰিব পাৰে, তাৰে এক উপায় উদ্ভাৱন কৰিবলৈ কেবিনেট মিছন পঠোৱা হৈছে।" ইংলণ্ডৰ এই তিনিজন মন্ত্ৰীয়ে ভাৰতীয় নেতাসকলৰ লগত আলাপ-আলোচনা কৰি বুজিবলৈ সক্ষম হৈছিল যে কংগ্ৰেছ আৰু মুছলীম লীগৰ মিল হোৱাৰ কোনো আশা নাই। মুছলীম লীগৰ ভাৰত বিভাজনৰ দাবীয়ে সেই সময়ত দেশৰ সকলোকে উদগ্ৰীৱ কৰি তুলিছিল। ১৯৪০ চনত মুছলীম লীগে ভাৰতৰ মুছলমান সকলক এটা বেলেগ জাতি বুলি ঘোষণা কৰি এক স্বকীয়া পাকিস্তান ৰাষ্ট্ৰৰ দাবী কৰিছিল। মুছলীম লীগৰ লগত কংগ্ৰেছৰ আপোচৰ সকলো চেষ্টা ব্যৰ্থ হোৱাত মহাত্মা গান্ধীয়ে কেবিনেট মিছনকে এটা উপায় উদ্ভাৱন কৰিবলৈ অনুৰোধ জনাইছিল। বৃটিশ প্ৰধানমন্ত্ৰী মিঃ এটলীয়ে ১৫ মাৰ্চত ঘোষণা কৰি কৈছিল—"ভাৰতৰ সংখ্যাগৰিষ্ঠৰ প্ৰগতিক সংখ্যালঘু সম্প্ৰদায়ক বাধা দিবলৈ সুবিধা দিয়া নহব।" কেবিনেট মিছনে ভাইচৰয়ৰ সৈতে আলাপ-আলোচনা কৰি ভাৰত ভাগ কৰাৰ পৰিবৰ্তে "গ্ৰুপিং পৰিকল্পনা" মানি লবলৈ ভাৰতৰ নেতৃবৃন্দক আহ্বান জনায়। এই আঁচনিৰ

মূল কথা আছিল যে ভাৰতৰ সকলো প্ৰদেশ আৰু দেশীয় ৰজাসকলৰ ৰাজ্যবোৰ লগলগাই এক সংযুক্ত ৰাষ্ট্ৰ গঠন কৰিব। গ্ৰুপিং পৰিকল্পনাই সমগ্ৰ দেশখনক তিনিটা ভাগত ভাগ কৰাৰ ব্যৱস্থা কৰিছিল। ইয়াৰে বঙ্গ আৰু অসমক লৈ 'গ' শাখাৰ সৃষ্টি কৰাৰ আঁচনি কৰিছিল। 'ক' শাখাত উত্তৰপ্ৰদেশ, বিহাৰ, উৰিষ্যা, মধ্যপ্ৰদেশ, বোম্বাই আৰু মাদ্ৰাজ অন্তৰ্ভুক্ত হ'ব আৰু 'খ' শাখাত পঞ্জাব, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু সিন্ধুপ্ৰদেশ আছিল। ভাৰতৰ সংবিধান ৰচনাৰ বাবে এখন গণপৰিষদৰো এই আঁচনিৰ প্ৰস্তাৱৰ ভিতৰত আছিল। এই গণপৰিষদৰ বাবে মুঠ ২৯২ জন সদস্যৰ প্ৰস্তাৱ কৰা হৈছিল আৰু তাৰে 'গ' শাখাৰ ৭০ জন সদস্য, 'খ' শাখাৰ ৩৫ জন সদস্য আৰু 'ক' শাখাৰ ১৮৭ জন সদস্য হ'ব বুলি এই আঁচনিত ধৰা হৈছিল। এই ২৯২ জন সদস্যৰ ভিতৰত— মুছলমান সদস্য ৭৮ জন আৰু বাকী ২১৪ জন হিন্দু আৰু অন্যান্য, 'খ' আৰু 'গ' গ্ৰুপত মুছলমান সদস্য অধিক। মুছলীমে 'খ' আৰু 'গ' গ্ৰুপক লগলগাই স্বকীয়া পাকিস্তান সৃষ্টিৰ উদ্দেশ্যেৰে এই পৰিকল্পনা গ্ৰহণ কৰিবলৈ সিদ্ধান্ত লৈছিল—যিহেতু এই আঁচনিত কোনো গ্ৰুপৰ ব্যৱস্থাপক সভাই অধিক ভোটত প্ৰস্তাৱ গ্ৰহণ কৰাৰ ব্যৱস্থা আছিল। এই আঁচনিত যুক্তৰাষ্ট্ৰৰ পৰা ওলাই যোৱাৰ ব্যৱস্থাও আছিল।

এই গ্ৰুপিং আঁচনিয়ে অসমত বিষম সমস্যাৰ সৃষ্টি কৰিছিল; অসম মুছলীম প্ৰধান প্ৰদেশ নোহোৱা সত্ত্বেও বঙ্গপ্ৰদেশৰ লগত চামিল কৰাত এই প্ৰদেশতো মুছলীম আধিপত্যৰ বিস্তাৰ কৰিবলৈ ব্যৱস্থা কৰা হৈছিল। অসমৰ একমাত্ৰ চিলেট জিলাৰ বাহিৰে আন কোনো জিলাতেই মুছলমানৰ সংখ্যাগৰিষ্ঠতা নাছিল। তেনে অৱস্থাত, অসমক মুছলীম সংখ্যাগৰিষ্ঠ বঙ্গৰ লগত একেলগে চামিল কৰি দি অসমক পাকিস্থানৰ অন্তৰ্ভুক্ত কৰিব খোজা আঁচনিক, অসমৰ জনসাধাৰণে গ্ৰহণ কৰিবলৈ কোনোমতেই সন্মত হ'ব নোৱাৰিছিল।

১৯৪৬ চনৰ ১৬ মে'ৰ আঁচনি ঘোষণা কৰাৰ আগতেই সেই আঁচনিত 'শাখা সমষ্টিৰ' ব্যৱস্থা থাকিব বুলি প্ৰকাশ পোৱাত প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে কংগ্ৰেছৰ উৰ্দ্ধতন কৰ্তৃপক্ষ, বৰলাট আৰু মন্ত্ৰী মিছনৰ ওচৰত তেনে ব্যৱস্থা অসমে কেতিয়াও মানি নলয় বুলি প্ৰতিবাদ জনায়। আঁচনিখন ঘোষণা কৰাৰ লগে লগেই শাখা সমষ্টি গঠন ব্যৱস্থাৰ বিৰুদ্ধে অসমত প্ৰবল প্ৰতিবাদ আন্দোলনৰ সৃষ্টি হয়। এই গ্ৰুপিং আঁচনিৰ পৰা অসমে নিজক বচাবলৈ মহাত্মাজীৰ পৰামৰ্শ লৈছিল। মহাত্মাজীয়ে অসমৰ বাইজক এনে অন্যায়

আঁচনিৰ দুৰ্যোৰ প্ৰতিবাদ কৰিবলৈ উপদেশ দিছিল। প্ৰাদেশিক কংগ্ৰেছে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ ওচৰত এই বিষয়ে জনাবলৈ প্ৰতিনিধি দল পঠিয়ায়। সেই সময়ত মৌলানা আজাদে ৱৰ্কিং কমিটিৰ হৈ অসমৰ প্ৰথিনিধিদলক আশ্বাস দিয়ে যে কংগ্ৰেছৰ সমগ্ৰ শক্তি অসমৰ পিছত আছে। অসমৰ নেতা গোপীনাথ বৰদলৈয়ে কংগ্ৰেছ ৱৰ্কিং কমিটিৰ ওচৰত দাভি ধৰিছিল যে অসমে কোনো শাখালৈ নোযোৱাকৈ নিজৰ শাসনতন্ত্ৰ নিজৰ প্ৰতিনিধিৰ জৰিয়তে ৰচনা কৰিব। শাখা পৰিষদত প্ৰাদেশিক শাসনতন্ত্ৰ ৰচনাৰ কোনো সভাত অসমৰ প্ৰতিনিধিয়ে যোগ দিব নোৱাৰিব।

ইয়াৰ পিছত বৃটিশ প্ৰধানমন্ত্ৰী মিঃ এট্‌লীয়ে ৬ ডিচেম্বৰৰ দিনা ঘোষণা কৰে যে মুছলীম লীগৰ সহযোগ নোহোৱাকৈ যদি গণপৰিষদে সংবিধান গ্ৰহণ কৰে, তেনেহ'লে দেশৰ কোনো অঞ্চলে যদি সেই সংবিধানক গ্ৰহণ কৰিবলৈ অনিচ্ছা প্ৰকাশ কৰে তেনেহ'লে চৰকাৰে সেই অঞ্চলত সেই সংবিধান বলবৎ কৰিবলৈ নোৱাৰিব। এই ঘোষণাত ভাৰত বিভাজনৰ প্ৰস্তাৱৰ ইঙ্গিত প্ৰকাশ পায়। এই ঘোষণাই অসমৰ বাইজৰ মাজত আকৌ চাঞ্চল্যৰ সৃষ্টি কৰে। অসম প্ৰাদেশিক কংগ্ৰেছ কমিটিয়ে কংগ্ৰেছ ৱৰ্কিং কমিটি আৰু বৃটিশ চৰকাৰৰ ওচৰত সমস্যাটো উত্থাপন কৰাৰ তৎপৰ ব্যৱস্থা গ্ৰহণ কৰে।

ইয়াৰ ফলত, নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ ৬ জানুৱাৰীত এখন অধিবেশন বহে। এই অধিবেশনত ৬ ডিচেম্বৰৰ ঘোষণা সম্পৰ্কে যি প্ৰস্তাৱ লোৱা হৈছিল তাত অসম, সীমান্ত প্ৰদেশ, বেলুচিস্থান আৰু শিখসকলৰ সমস্যা উপলব্ধি কৰি কোৱা হয় যে "৬ ডিচেম্বৰৰ ব্যাখ্যাৰ বলত কোনো প্ৰদেশ বা লোকক সেই ব্যাখ্যা গ্ৰহণ কৰিবলৈ বাধ্য কৰিব নোৱাৰে। কোনো বাধ্যবাধ্যকতাৰ উদ্ভৱ হ'লে তেতিয়া কোনো প্ৰদেশ বা প্ৰদেশৰ অংগই ৰাইজৰ মতামত অনুসৰি ব্যৱস্থা গ্ৰহণ কৰিবলৈ স্বাধীনতা পাব আৰু ৱৰ্কিং কমিটিয়ে তেওঁলোকক সময়মতে দিহাও দিব পাৰিব। পূৰ্ণ স্বায়ত্বশাসনাধিকাৰৰ ভিত্তিতেই প্ৰাদেশিক শাসনতন্ত্ৰ ৰচিত হ'ব।"

এই প্ৰস্তাৱ কংগ্ৰেছে অগ্ৰাহ্য কৰা হ'লে কংগ্ৰেছে গণপৰিষদ বৰ্জন কৰিব আৰু অস্থায়ী চৰকাৰৰ পৰাও ইস্তফা দি আঁতৰি আহিব লাগিলহেঁতেন। কংগ্ৰেছ ৱৰ্কিং কমিটিয়েও পদত্যাগ কৰিবলগীয়া হ'লহেঁতেন আৰু নতুন কংগ্ৰেছ ৱৰ্কিং কমিটি এখনে ভাৰতৰ স্বাধীনতা লাভৰ নতুন পৰিকল্পনা গ্ৰহণ কৰিব

লাগিলহেঁতেন। কংগ্রেছে ৬ জানুৱাৰীত গ্রহণ কৰা প্রস্তাৱটো মহাত্মা গান্ধীয়ে নোৱাখালিত পণ্ডিত নেহৰু আৰু আচার্য্য কৃপালনীৰ লগত আলোচনা কৰি ৰচনা কৰিছিল।

অসম প্রাদেশিক কংগ্রেছ ৱৰ্কিং কমিটিয়ে ১৭ জানুৱাৰীত গ্রহণ কৰা প্রস্তাৱটোত কোৱা হৈছিল যে অসম পৰিষদৰ নির্দেশমূলক প্রস্তাৱটোৰ সালসলনি বা কোনো সংশোধন কৰিবৰ আৱশ্যক হোৱা নাই। অসমে নিজৰ শাসনতন্ত্র নিজৰ প্রতিনিধিৰ জৰিয়তেই ৰচনা কৰিব।

ইয়াৰ পিছত কৰাচীত ফেব্রুৱাৰী মাহত বহা মুছলীম লীগৰ অধিবেশনত অসম কংগ্রেছ ৱৰ্কিং কমিটিৰ ১৭ জানুৱাৰীৰ প্রস্তাৱটো উদ্ধৃত কৰি কোৱা হৈছিল যে যিহেতুকে অসমে শাখাসৈ নোযোৱাকৈ কংগ্রেছৰ প্রৰোচনাত স্বতন্ত্রভাৱে অসমৰ শাসনতন্ত্র ৰচনা কৰিব আৰু যিহেতুকে গণপৰিষদৰ সকলো কাম বে আইনী আৰু অনিয়মতান্ত্রিক, গতিকে বৃটিশ চৰকাৰে গণপৰিষদ ভাঙি দিব লাগে। কিন্তু বৃটিশ চৰকাৰে লীগৰ কৰাচী প্রস্তাৱ অগ্রাহ্য কৰি ১৯৪৭ চনৰ ২০ ফেব্রুৱাৰীত ঘোষণা কৰি কৈছিল যে ১৯৪৮ চনৰ জুন মাহৰ আগতেই ইংৰাজে ভাৰত ত্যাগ কৰিব। অর্থাৎ তাৰ পাছত ভাৰতত ইংৰাজ শাসন নেথাকিব। বৃটিশ চৰকাৰে ১৯৪৭ চনৰ ৩ জুনত ঘোষণা কৰে যে যি কেইখন প্রদেশত মুছলমান সংখ্যাধিক্য, সেই প্রদেশ কেইখনৰ ব্যৱস্থাপক সভাই বেলেগ গণপৰিষদ গঠনৰ বাবে ভোট দিব পাৰিব। তাৰোপৰি বৃটিশ চৰকাৰে ঘোষণা কৰি কৈছিল যে ১৯৪৭ চনৰ ১৫ আগষ্টৰ দিনা ভাৰতক দ্বি-খণ্ডিত কৰি ভাৰত আৰু পাকিস্তান ৰাষ্ট্র গঠন কৰা হ'ব। ভাৰত বিভাজন প্রস্তাৱত কোৱা হৈছে যে পঞ্জাবৰ পশ্চিম অংশ, উত্তৰ পশ্চিম সীমান্ত প্রদেশ, বেলুচিস্থান আৰু সিন্ধুক লৈ পাকিস্তানৰ একাংশ আৰু বঙ্গ আৰু চিলেট জিলাক লৈ পাকিস্তানৰ আন এটা অংশ গঠন কৰা হ'ব।

এইদৰেই অসমৰ প্রবল সমষ্টি বিৰোধী আন্দোলনৰ কাৰণেই ১৯৪৬ চনৰ ১৬ মে'ৰ বৃটিশ চৰকাৰৰ "গ্রুপিং আঁচনিৰ" যৱনিকা পৰে। গ্রুপিং আঁচনিৰ সমাধি হোৱাত বঙ্গপ্রদেশৰ লগত অসম চামিল হোৱাৰ পৰিকল্পনাও বাতিল হৈ যায়। মন্ত্রী মিছনৰ ১৬ মেৰ আঁচনিৰ 'গ' সমষ্টি কেবিনেট আৰু সমষ্টি পৰিষদৰ প্রকাশ্য উদ্দেশ্য আছিল—মুছলীম লীগ প্রধান চৰকাৰৰ জৰিয়তে বঙ্গদেশ আৰু অসমৰ ঘাইকৈ চাহ, পেট্রল আৰু মৰাপাটৰ একচেটীয়া বাণিজ্য প্রাধান্য লাভ কৰা, অর্থাৎ বৃটিশে ভাৰত ত্যাগ কৰিলেও অসম বঙ্গ সমষ্টি ৰাষ্ট্রত বৃটিশৰ বাণিজ্য

সাম্রাজ্যবাদ অবাধে চলি থকা। কিন্তু অসমৰ চেষ্টাত শাখা সমষ্টিৰ অকাল মৃত্যু হ'ল। বৃটিশ চৰকাৰে সেই প্রচেষ্টা এৰি অন্য ফালে মন মেলিবলৈ বাধ্য হ'ল। তাৰ ফলত ভাৰত আজি দ্বি-খণ্ডিত।

আৰম্ভনিতে ১৬ মে'ৰ ঘোষণাৰ পৰিকল্পিত গণপৰিষদৰ প্রকৃততে সার্বভৌম অধিকাৰ তেনেকৈ নাছিল। ৰাজনৈতিক মহলত বহুতৰ মনত ধাৰণা হৈছিল যে এনে হাত ভৰি বন্ধা গণপৰিষদৰ দ্বাৰা পূর্ণ স্বাধীনতাৰ শাসনতন্ত্র গঢ়িব পৰা সম্ভৱপৰ হৈ নুঠিব। ডাঃ জয়াকৰেও এনে মনোভাব লৈয়ে গণপৰিষদৰ সভ্য স্বৰূপে ভাগ লৈছিল। কিন্তু কংগ্রেছৰ দৃষ্টিভঙ্গী সদায় বিপ্লৱী, সেই বিপ্লৱী দৃষ্টিৰেই কংগ্রেছে প্রাৰম্ভনিতে প্রকৃততে সার্বভৌমত্ব নথকা গণপৰিষদ খনৰ কাম চলাই গ'ল। কিন্তু ৩ জুনৰ ঘোষণা অনুসৰি গণপৰিষদে পূর্ণ-সার্বভৌম অধিকাৰ লাভ কৰি শাসনতন্ত্র ৰচনাৰ শেষ মুহূর্তত উপনীত হ'ল। এই গণপৰিষদত অসমৰ প্রতিনিধিসকলেও অসমৰ শাসনতন্ত্র ৰচনাত উপযুক্ত ভাগ লবলৈ সক্ষম হ'ল।

# অসমত বিপ্লৱবাদ

ভাৰতৰ মুক্তি সংগ্ৰাম বিচিত্ৰ ধাৰাৰে প্ৰবাহিত। বিধিসন্মত আৰু সত্যাগ্ৰহ আন্দোলনৰ দ্বাৰা যেনেকৈ সাংবিধানিক সংস্কাৰ আৰু প্ৰশাসনীয় ব্যৱস্থাত ভাৰতীয় সকলৰ অধিকাৰ সাব্যস্ত কৰাৰ চেষ্টা চলোৱা হৈছিল ঠিক তেনেদৰেই বিপ্লৱাত্মক পথৰ মাজেৰেও ভাৰতৰ সংগ্ৰামী মন নানা পৰিবেশত প্ৰকাশ পাইছিল। ভাৰতৰ আন আন প্ৰদেশৰ নিচিনাকৈ অসমৰো এচাম সংগ্ৰামী মনৰ তৰুণ চিত্তক বিপ্লৱৰ সপোনে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। বিশেষকৈ ৰুছ বিপ্লৱৰ সাফল্যই ভাৰতৰ স্বাধীনতাকামী এচাম লোকৰ মনত মানবীয় সমানাধিকাৰৰ ভেটিত নতুন সমাজ গঢ়াৰ কল্পনা মুক্তি সংগ্ৰামৰ আদৰ্শৰ ভিতৰত ঠাই পায়। ভাৰতৰ মুক্তি অভিযানক সাফল্যমণ্ডিত কৰি তুলিবলৈ আপ্ৰাণ চেষ্টা চলাইছিল। এই তৰুণসকলৰ সন্মুখত দেখা দিছিল দুটা আদৰ্শ—মহামানৱ মহাত্মা গান্ধীৰ অহিংস অসহযোগৰ আদৰ্শ আৰু আনটো মাৰ্ক্সীয় দৰ্শনৰ লেনিন প্ৰদৰ্শিত পথ। এই তৰুণ দলে বিচাৰিছিল—ভাৰতবৰ্ষৰ পূৰ্ণ স্বাধীনতা, যি স্বাধীনতাই মানুহক মুক্ত কৰিব—মন, প্ৰাণ, ধন আৰু মৰ্য্যাদাৰ দিশৰ পৰাও। এওঁলোকৰ মতে স্বাধীনতা প্ৰাপ্তিৰ একমাত্ৰ উপায় হৈছে বিপ্লৱ।

১৯৩৭ চনৰ আগষ্ট মাহত কলিকতাৰ বিখ্যাত কমিউনিষ্ট নেতা শ্ৰীসৌমেন্দ্ৰ নাথ ঠাকুৰ গুৱাহাটীলৈ আহি ডেকা ছাত্ৰসকলক লগ ধৰে। শ্ৰীঠাকুৰে শ্ৰীদেৱেন শৰ্মা, শ্ৰীহৰেন কলিতা, শ্ৰীহৰিদাস ডেকা আৰু শ্ৰীউপেন শৰ্মা আদিৰ লগত সেই সময়ৰ দেশৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিস্থিতি আৰু বিশ্বৰ সন্মুখত দেখা দিয়া আদৰ্শ আদিৰ বিষয়ে চমুকৈ কিছু আলোচনা হয়।

এই আলোচনাৰ এমাহমান পিছত গুৱাহাটীত "ৰেডিকেল ইনষ্টিটিউট" প্ৰতিষ্ঠা কৰা হ'ল। এই প্ৰতিষ্ঠানৰ উদ্দেশ্য আছিল—দেশৰ উঠি অহা ডেকাসকলৰ বিশেষকৈ কলেজৰ ছাত্ৰসকলৰ মাজত প্ৰগতি ভাৱধাৰাৰ প্ৰসাৰ সাধন কৰা আৰু দেশাত্মবোধ ভাবৰ সৃষ্টি কৰা। অলপ দিনৰ ভিতৰতে "ৰেডিকেল ইনষ্টিটিউটে" ছাত্ৰসমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। এই "ৰেডিকেল ইনষ্টিটিউটত" বিভিন্ন বিষয় আলোচনা হৈছিল। ইয়াত শ্ৰীদেৱেন্দ্ৰ নাথ শৰ্মাই কমিউনিষ্ট মতবাদৰ গীতা "দাছ কেপিটেল" আৰু এই গ্ৰন্থখনৰ মূল সূত্ৰ তিনিটা

(১) আৰ্থিক বস্তু-তন্ত্ৰ, (২) অনুপাৰ্জিত ধন আৰু (৩) শ্ৰেণী বিভাগৰ ব্যাখ্যা কৰি বুজাই দিছিল। ইয়াৰ উপৰিও কমিউনিষ্ট মতবাদৰ সম্পৰ্কে আৰু লেনিন আৰু কচিয়াৰ বিষয়ে বহলাই আলোচনা হৈছিল। ফলত এই অনুষ্ঠানটোৱে যথেষ্ট জনপ্ৰিয়তা লাভ কৰে আৰু ছাত্ৰ সমাজৰ মাজত প্ৰসাৰ লাভ কৰে। শ্ৰীখগেন বৰবৰা, শ্ৰীতাৰা মজুমদাৰ, শ্ৰীভূপেন মহন্ত, শ্ৰীনাৰায়ণ দাস, শ্ৰীউপেন দাস আদি উদীয়মান ডেকাসকল এই ইনষ্টিটিউটৰ প্ৰতি আকৃষ্ট হৈছিল।

ইয়াৰ পৰা প্ৰায় এবছৰৰ পিছত এই কৰ্মীসকলেই 'ফৰওৱাৰ্ড ব্লক' প্ৰতিষ্ঠাতা বিপ্লৱী নেতা সুভাষচন্দ্ৰ বসুক অসমলৈ আহিবলৈ নিমন্ত্ৰণ জনায়। এই আমন্ত্ৰণ ক্ৰমে ১৯৩৯ চনৰ জুলাই মাহত সুভাষ বসু গুৱাহাটীলৈ আহে আৰু জজ খেল পথাৰত এক বিৰাট জন সমাবেশত তেওঁ ভাষণ দিয়ে। সেই ভাষণত তেওঁ অতি স্পষ্টভাৱে কৈছিল যে কংগ্ৰেছ নেতৃবৃন্দই আপোচৰ মনোভাৱ পৰিৱৰ্তন কৰি বৈপ্লৱিক মনোভাৱেৰে ভাৰতৰ স্বাধীনতা সংগ্ৰাম দৃঢ়ভাৱে চলাব লাগে। ভাৰতে বৃটিশ সাম্ৰাজ্যবাদৰ পৰা নিজকে মুক্ত কৰিবলৈ প্ৰত্যক্ষ সংগ্ৰাম চলোৱা যুক্তি-যুক্ত হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। তেওঁৰ নিৰ্দেশ মতেই অসমত 'ফৰওৱাৰ্ড ব্লক' সংগঠন হয়।

ফৰওৱাৰ্ড ব্লকৰ আদৰ্শ হৈছে—ভাৰতৰ পূৰ্ণ স্বাধীনতা লাভ কৰা আৰু তাৰ পিছত এনে এক সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰা, যি সমাজত পাৰম্পৰিক বিদ্বেষৰ বীজ নোহোৱা হ'ব, ভাৰতীয় ঐতিহ্য আৰু পৰম্পৰাৰ ওপৰত ভিত্তি কৰি সামাজিক সমস্যাৰ এক নতুন সমতাৰ সমাজ গঢ়ি তোলা হ'ব। কমিউনিষ্ট মতবাদৰ দৰে অৰ্থনৈতিক সমস্যাই মানৱসমাজৰ একমাত্ৰ মুখ্য সমস্যা নহয়, অৰ্থনৈতিক সমস্যাৰ বাদেও দেশৰ পৰম্পৰা, সংস্কৃতি আৰু ঐতিহ্য আদিয়েও মানৱসমাজৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। গতিকে এইবোৰক ফৰওৱাৰ্ড ব্লকে বাদ দি একমাত্ৰ অৰ্থনৈতিক ব্যৱস্থাৰ ওপৰত গুৰুত্ব আৰোপ কৰি, সমাজ ব্যৱস্থা গঢ়ি তুলিবলৈ নাৰাজ। অৱশ্যে, ফৰওৱাৰ্ড ব্লকে অৰ্থনৈতিক ব্যৱস্থাৰ সমতাৰ নীতিক স্বীকাৰ কৰি দেশৰ ঐতিহ্য, পৰম্পৰা আৰু সংস্কৃতিৰ ওপৰত গুৰুত্ব আৰোপ কৰি এক নতুন সমাজ গঢ়ি তোলাৰহে পক্ষপাতী। বিদেশৰ পৰা ধাৰ কৰি অনা কোনো মতবাদৰ প্ৰতি ফৰওৱাৰ্ড ব্লক আকৃষ্ট নহয়।

ইতিমধ্যে, শ্ৰীসৌমেন্দ্ৰনাথ ঠাকুৰে কমিউনিষ্ট মতবাদী "আৰ-চি-পি-আই" বা ভাৰতৰ বৈপ্লৱিক কমিউনিষ্ট পাৰ্টি গঠন কৰে। ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ

(চি-পি-আই) লগত আৰ-চি-পি-আইৰ আদৰ্শগত সাদৃশ্য থাকিলেও, নিজৰ দেশৰ স্বাৰ্থক বিসৰ্জন দি কছিয়া অথবা চীনৰ নেতাৰ ছবি সন্মুখত ৰাখি কছিয়া বা চীনৰ আদেশ পালন কৰা দল আৰ-চি-পি-আই নহয়। আৰ-চি-পি-আইৰ নিজস্ব স্বকীয়া মতবাদ আছে আৰু সেই মতবাদ হৈছে মাক্সৰ্ৰ মতবাদ। ভাৰতৰ স্বাধীনতাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি স্বাধীন ভাৰতত কমিউনিষ্ট মতবাদৰ ওপৰত সমাজ প্ৰতিষ্ঠা কৰাই আৰ-চিপি-আইৰ আদৰ্শ। সৌমেন্দ্ৰনাথ ঠাকুৰৰ কমিউনিষ্ট মতবাদ আৰু তেওঁৰ ব্যক্তিত্বই 'ৰেডিকেল ইনষ্টিটিউটৰ' ভালেমান ডেকাক আকৰ্ষণ কৰে। বিয়াল্লিশৰ গণ-আন্দোলনত চি-পি-আই-এ যোগদান কৰা নাছিল, বৰঞ্চ বিৰোধীতাহে কৰিছিল ; কিন্তু অসমৰ আৰ-চি-পি-আইৰ কৰ্মীসকলে আন্দোলনত সক্ৰিয়ভাৱে যোগদান কৰিছিল।

অসমৰ তৰুণ সমাজে আৰ-চি-পি-আই গঠন কৰিছিল আৰু এই দলৰ কৰ্মীসকলে ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰে। এই দলত ওপৰত উল্লেখ কৰা সকলৰ বাহিৰেও অসমৰ স্বনামধন্য শিল্পী কলাগুৰু বিষ্ণু ৰাভা, শ্ৰীগোবিন্দ কলিতা, শ্ৰীতৰুণ সেন ডেকা, শ্ৰীনীহাৰ মুখাৰ্জী, শ্ৰীনীৰেন লাহিড়ী, শ্ৰীহেনা গাঙ্গুলী ইত্যাদিৰ নাম উল্লেখযোগ্য। অসমত এই দলেই কৃষক বিপ্লৱ সংগঠন কৰি সশস্ত্ৰ অভিযান চলাবলৈ প্ৰয়াস কৰিছিল আৰু কোনো কোনো ঠাইত সশস্ত্ৰ অভিযান চলাবলৈ সক্ষমো হৈছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামত আৰু অসমৰ কৃষক বিপ্লৱৰ ভূমিকাত এই দলৰ উল্লেখযোগ্য অৱদান আছে।

# অসমৰ স্বাধীনতা যুঁজৰ নেতৃবৃন্দ

অসমৰ জাতীয় বুৰঞ্জীত শেষ উনৈশ আৰু আদি কুৰি শতিকাৰ যি সকল লোকে নেতৃত্ব বহন কৰিছিল সেই সকল সদায় চিৰস্মৰণীয় হৈ থাকিব। অসমত বঙ্গভাষা চলোৱাৰ অহোপুৰুষাৰ্থ, পূৰ্ববঙ্গ আৰু অসমক এক প্ৰদেশ কৰাৰ চেষ্টা, কেনেকৈ কংগ্ৰেছৰ পতাকা প্ৰথমে অসমত উত্তোলন কৰা হ'ল—এই আটাই-বিলাক হ'ল অসম বুৰঞ্জীৰ অতি আমোদজনক প্ৰশ্ন। শিক্ষাত পাছ পৰা, আত্ম-বিশ্বাস হেৰোৱা ৰাজনীতি ক্ষেত্ৰত পাছ পৰা অসমক কোনে কি পৰশমণিৰে জগাই আজিৰ এই সুন্দৰ ৰূপে ৰাজনৈতিক চেতনাচঞ্চল, একতাবদ্ধ অসমত যি সকলে পৰিণত কৰিলে সেই সকলেই হ'ল নতুন অসমৰ ৰাষ্ট্ৰশিল্পী।

**নবীনচন্দ্ৰ বৰদলৈ ঃ** দেশত পাশ্চাত্য শিক্ষা বিস্তাৰৰ লগে লগে বহুতো লোকে আইন অধ্যয়ন কৰি দেশৰ অৱস্থা সম্বন্ধে প্ৰকৃত কথা জানিব পাৰিছিল। বাৰ্কে কৈছিল যে, আমেৰিকা যুক্তৰাষ্ট্ৰত আইন-অধ্যয়নৰ বহুল বিস্তাৰ হোৱা বাবেই তাত গণ-জাগৰণ ইমান সম্ভৱপৰ হৈছিল। যদিও ওকালতি ব্যৱসায়ক ইয়াৰ অপপ্ৰয়োগৰ বাবে যথেষ্ট গৰিহনা দিয়া হয়, তথাপি আইনৰ বহুল অধ্যয়নে ভাৰতীয় নৱজাগৰণৰ বাবে দিয়া দানৰ প্ৰশংসা কৰিবই লাগিব। অসমতো নৱশিক্ষিত সকলৰ সংখ্যা বাঢ়ি গৈছিল আৰু দেশৰ ৰাজনৈতিক অৱস্থাৰ আলোচনা হ'ব ধৰিছিল।

কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আছিল বিশ্বৰ মানৱৰ সেৱক, ভাৰতৰ মুক্তিযুঁজৰ অন্যতম প্ৰধান নেতা, অসমৰ নৱজাগৰণৰ বিশিষ্ট নেতা, অসম কংগ্ৰেছৰ প্ৰাণ প্ৰতিষ্ঠাতা। অসমৰ অন্যতম প্ৰধান জাতীয় নেতা কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ নেতৃত্বত বহা অসম এছোছিয়েছনৰ ১৯১৭ চনৰ সভাই অসমৰ জন-সাধাৰণৰ মাজত এক নতুন জাগৰণ, নতুন চিন্তাধাৰাৰ সঞ্চাৰ কৰিবলৈ সক্ষম হৈছিল। সেই সময়ত অসম এছোছিয়েছন আছিল অসমৰ ৰাজনীতিজ্ঞ সকলৰ একমাত্ৰ প্ৰাদেশিক অনুষ্ঠান। এই সভাত ভাৰতৰ স্বায়ত্ব শাসনৰ প্ৰস্তাৱ গৃহীত হৈছিল আৰু সেই উদ্দেশ্যে কৰা আন্দোলনকো সমৰ্থন কৰা হৈছিল। ১৯১৮ চনত প্ৰধান সম্পাদক হিচাবে বৰদলৈদেৱে অসমৰ সৰ্বপ্ৰথম জাতীয় অনুষ্ঠান অসম এছোছিয়েছন পৰিচালনা কৰাত যথেষ্ট উদগনি দিছিল। অসম

এছোছিয়েছনৰ জেনেৰেল চেক্ৰেটাৰী থকা দিনৰে পৰা তেওঁ "ঘঁাহ কৰৰ" প্ৰতিবাদ কৰি আহিছিল আৰু কাউন্সিললৈ গৈও "ঘঁাহ কৰৰ" বিৰুদ্ধে তেওঁ যুঁজ দিছিল।

১৯১৭ চনত ভাৰত সচিব মিঃ মণ্টেগু ভাৰতলৈ আহিছিল। তেতিয়া অসমৰ তৰফৰ পৰা অসম এছোছিয়েছনে অসমৰ হকে কথা কবলৈ এটা প্ৰতিনিধি দল মিঃ মণ্টেগুৰ ওচৰলৈ পঠিয়াইছিল। সেই প্ৰতিনিধি দলটোত নবীনচন্দ্ৰ বৰদলৈয়ে প্ৰতিনিধিত্ব কৰিছিল। ভাৰতৰ আন আন প্ৰদেশৰ সমানেই যে অসমেও ৰাজনৈতিক সুযোগ সুবিধা পাব লাগে—সেই কথা এই প্ৰতিনিধি দলটোৱে ভালদৰে ভাৰত সচিবৰ আগত দাঙি ধৰিবলৈ সক্ষম হৈছিল। মণ্টেগু চেমছফোৰ্ড শাসন সংস্কাৰ অসমলৈ অনা প্ৰচেষ্টাত কৰ্মবীৰৰ অসাধাৰণ প্ৰতিভা নিহিত হৈ আছে।

ইয়াৰ পিছত, ১৯১৮ চনৰ অসম এছোছিয়েছনে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈক অসমৰ একমাত্ৰ প্ৰতিনিধি হিচাবে মনোনীত কৰি বিলাতত পাৰ্লামেণ্টৰী কমিটিৰ ওচৰত অসমৰ হকে সাক্ষ্য দিবলৈ নিৰ্বাচিত কৰে। পাৰ্লামেণ্টৰী কমিটিৰ ওচৰত অসমক নতুন শাসন সংস্কাৰৰ অন্তৰ্ভুক্ত কৰাৰ ন্যায্য দাবীক প্ৰতিপন্ন কৰিবলৈ কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈক অসম এছোছিয়েছনে প্ৰতিনিধি হিচাপে পঠিয়াইছিল। কৰ্মবীৰৰ লগত ডিব্ৰুগড়ৰ প্ৰসন্ন কুমাৰ বৰুৱাও বিলাতলৈ গৈছিল। অতি গৌৰৱৰ কথা যে পাৰ্লামেণ্টৰী কমিটিৰ ওচৰত বৰদলৈ ডাঙৰীয়াই নিজৰ বাগ্মীতা, বুদ্ধি আৰু তৰ্কেৰে অসমৰ ন্যায্য দাবীক প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছিল, ফলত অসমেও ভাৰতৰ অন্যান্য প্ৰদেশৰ লগতে সমান শাসন সংস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। অসমৰ তেতিয়াৰ চীফ কমিশনাৰ মিঃ বিটছন বেলৰ, অসমৰ ইউৰোপীয় চাহ খেতিয়ক চাহাবসকলৰ আৰু সাম্প্ৰদায়িক শক্তিবোৰৰ প্ৰতিক্ৰিয়াশীল অভিমতক পৰাস্ত কৰি বৰদলৈ ডাঙৰীয়াই অসমৰ বাবে প্ৰতিনিধিমূলক শাসন সংস্কাৰ আদায় কৰিবলৈ সক্ষম হৈছিল। অসমক স্বায়ত্বশাসন আঁচনিৰ পৰা আঁতৰত ৰাখিবলৈ কৰা সকলো প্ৰচেষ্টা বিফল হয়। অসমৰ ৰাজনীতিত ই এক উল্লেখযোগ্য ঘটনা। ভাৰতবৰ্ষৰ আন আন প্ৰদেশৰ নেতাসকলে আৰু বৃটিশ ৰাজনীতিজ্ঞ সকলে অসম সম্পৰ্কে যি ভুল ধাৰণা লৈ আছিল এতিয়া সেই ধাৰণা গুছিল। সামাজিক আৰু ৰাজনৈতিক হিচাপে অসম পিছপৰা বুলি যি ধাৰণা মানুহৰ মাজত প্ৰচলিত আছিল এতিয়া সেই ধাৰণা আঁতৰিল। এই কামৰ বাবে অসম

এছোছিয়েছনৰ লগতে কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ অসমীয়া জাতিৰ কৃতজ্ঞতাৰ পাত্ৰ।

স্বাধীনতা সংগ্ৰামৰ মাজেদিয়েই বৰদলৈৰ নাম বিশেষকৈ জ্বলি উঠিছিল। জাতীয় যুদ্ধলৈ যেতিয়া ভাৰতবৰ্ষৰ মতিলাল নেহৰু, লালা লাজপৎ ৰায়, দেশবন্ধু চিত্তৰঞ্জন দাস, ৰাজেন্দ্ৰপ্ৰসাদ আদি নামি যায়, অসমৰ এচুকত থাকিও তেতিয়া কৰ্মবীৰ থিৰেৰে থাকিব নোৱাৰিলে, যুদ্ধত জঁপিয়াই পৰিল। ১৯২০ চনত মহাত্মা গান্ধীৰ অসহযোগ আন্দোলনৰ সময়ত বৰদলৈদেৱে অসমৰ ছাত্ৰ সমাজক স্কুল-কলেজ বৰ্জন কৰিবলৈ উপদেশ দিয়ে। ছাত্ৰসকলে পঢ়াশালী এৰি গাৱঁলীয়া অঞ্চলত অসহযোগ আন্দোলনৰ প্ৰচাৰ কাৰ্য্যত আত্মনিয়োগ কৰাত কৰ্মবীৰ বৰদলৈয়ে যথেষ্ট প্ৰেৰণা যোগাইছিল। বৰদলৈদেৱে অসহযোগ প্ৰস্তাৱ অনুযায়ী ওকালতি ত্যাগ কৰি কামৰূপ জিলাৰ বিভিন্ন গাৱঁত পদব্ৰজে ভ্ৰমণ কৰি অসহযোগ আন্দোলনৰ বাণী প্ৰচাৰ কৰি ফুৰিছিল। সেয়ে গাৱঁলীয়া ৰাইজৰ মাজত বিপুল উৎসাহ উদ্দীপনাৰ সৃষ্টি কৰিছিল।

১৯২১ চনৰ মে' মাহত কৰ্মবীৰ বৰদলৈৰ বাসভৱনত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি গঠন কৰা হয়। সেই চনৰে নৱেম্বৰ মাহৰ ১৪ তাৰিখে গুৱাহাটীত এখন ৰাজহুৱা সভা হয়। অসমৰ ৰাজনৈতিক ইতিহাসত এই সভাৰ গুৰুত্ব অতি উল্লেখযোগ্য। এই সভাত কৰ্মবীৰ বৰদলৈদেৱে সমূহীয়া সত্যাগ্ৰহ আৰু তাৰ তাৎপৰ্য্যৰ বিষয়ে ৰাইজক ভালদৰে বহলাই ব্যাখ্যা কৰি কয়। ইয়াৰ উপৰিও তেওঁ খাদী প্ৰচলন, হিন্দু-মুছলমানৰ মিলন, বিলাতী বস্ত্ৰ বৰ্জন আৰু মাদকতা নিবাৰণ আদি কাৰ্য্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৰ্মীসকলক দেশবাসীৰ হকে প্ৰস্তুত কৰি তুলিবলৈ নিৰ্দেশ দিয়ে। কিন্তু চৰকাৰৰ দমন নীতিৰ বাবে কৰ্মবীৰক কাৰাদণ্ডৰ হুকুম দিয়া হয়।

১৯২৬ চনত গুৱাহাটীত অনুষ্ঠিত জাতীয় কংগ্ৰেছ মহাসভাৰ আয়োজনত কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈয়ে বহু হাজাৰ টকাৰ ঋণৰ বোজা বৰলগীয়া হয়। ফলত তেওঁৰ ভালেখিনি সম্পত্তি বিক্ৰী হৈছিল।

১৯৩০ আৰু ১৯৩২ চনৰ আইন অমান্য আন্দোলনত বৰদলৈদেৱে যোগদান কৰিছিল। ১৯৩২ চনৰ ১২ মে'ৰ দিনা তেখেতক গ্ৰেপ্তাৰ কৰি চৰকাৰে তিনিমাহ জেল দিয়ে। যেতিয়া তেখেতে জাতীয় আন্দোলনত যোগ দি কাৰাগাৰ বৰণ কৰিছিল তেতিয়া শ শ অসমীয়াই তেখেতক অনুসৰণ কৰি কাৰাগাৰৰ অপৰিসীম লাঞ্ছনা আৰু দুখকো মূৰ পাতি লৈছিল।

নবীনচন্দ্ৰ বৰদলৈদেৱে অসমত খাজনা বন্ধ আন্দোলনক বিৰোধিতা কৰাৰে পৰা আৰম্ভ কৰি অসম এছোছিয়েছনৰ কালৰ পৰা সেই সময়ত অসমৰ সকলো ৰাজনৈতিক সমস্যা ইংৰাজ চৰকাৰৰ ওচৰত দাঙি ধৰিবলৈ সক্ষম হৈছিল। তাৰ পিছত মহাত্মা গান্ধীৰ আহ্বানত প্ৰচাৰ হোৱা অসহযোগ আন্দোলনৰ আৰু আইন অমান্য আন্দোলনত অংশগ্ৰহণ কৰি অসমীয়া মানুহৰ মাজত জাতীয় চেতনা সঞ্চাৰ কৰাত যথেষ্ট কৃতকাৰ্য্যতা লাভ কৰিছিল। মহামানৱ মহাত্মা গান্ধীয়ে শ্ৰদ্ধাৰে সৈতে বৰদলৈকে উপযুক্ত বিবেচনা কৰি ভাৰতীয় কংগ্ৰেছ মহাসভাৰ নিয়মতন্ত্ৰ নিয়ন্ত্ৰণ কৰিবলৈ দিছিল। বঙ্গস্বামীক লগত লৈ তেখেতে যি নিয়মতন্ত্ৰ গঠন কৰি দিছিল সি বহুত দিনলৈকে সেই মহাসভাত চলি আহিছিল। এই জটিল ৰাজনীতিপূৰ্ণ নিয়মতন্ত্ৰ সুন্দৰৰূপে নিয়ন্ত্ৰণ কৰি দিয়াত বৰদলৈৰ অশেষ যশস্যা ফুটি উঠিছিল আৰু তেখেত শতমুখে প্ৰশংসিত হৈছিল।

বৰদলৈদেৱৰ প্ৰতিভা কেৱল অসমৰ ভিতৰতে সীমাবদ্ধ হৈ নাছিল; সমগ্ৰ ভাৰতবৰ্ষতে তেওঁৰ অসাধাৰণ প্ৰতিভাৰ বিকাশ হৈছিল। প্ৰগাঢ় দেশপ্ৰেম আৰু কৰ্তব্যপৰায়ণতা গুণত দেশে তেখেতক প্ৰধান সেনানায়ক পাতি লৈছিল আৰু কৰ্মবীৰ উপাধিৰে ভূষিত কৰিছিল। বাস্তৱিকে, তেখেত আমাৰ মহাত্মাজী আৰু জৱাহৰলাল নেহৰুৰ দৰেই পূজ্যতম।

**তৰুণৰাম ফুকন :** কুৰি শতিকাৰ আগভাগত অসমীয়াৰ মাজত জাতীয় জাগৰণৰ ভাব সৃষ্টি কৰাত দেশভক্ত তৰুণ ৰাম ফুকনৰ নেতৃত্ব উল্লেখনীয়। ১৮৯৬ চনতে তেওঁ কংগ্ৰেছত যোগ দিয়ে। কিন্তু তেওঁ কংগ্ৰেছৰ আন্দোলনত তেনেকৈ যোগ দিয়া নাছিল। কিন্তু নবীনচন্দ্ৰ বৰদলৈদেৱৰ অনুৰোধক্ৰমে তেওঁ জাতীয় আন্দোলনত সক্ৰিয় অংশগ্ৰহণ কৰিবলৈ মন মেলে।

১৯১৮ চনত অসম এছোছিয়েছনৰ অধিবেশনত তৰুণ ৰাম ফুকন সভাপতি আছিল। সভাপতি হিচাপে তেওঁ মন্তব্য দিছিল যে বৃটিশৰ ডেৰশ বছৰ শাসনৰ পিছতো ভাৰতীয় সকলে স্বায়ত্বশাসন লাভ কৰিব পৰা নাই; তাৰ বাবে বৃটিশেই জগৰীয়া। গতিকে, ভাৰতীয় সকলে স্বায়ত্বশাসনৰ কাৰণে প্ৰস্তুত হ'ব লাগে। ইয়াৰ পূৰ্বে ভাৰত সচিব মিঃ মণ্টেগু ভাৰতলৈ অহাত তেওঁৰ ওচৰত প্ৰতিবেদন দাখিল কৰিবলৈ এক প্ৰতিনিধি দলত ফুকনো আছিল।

১৯২০ চনৰ কংগ্ৰেছ অধিবেশনত তৰুণ ৰাম ফুকনে দেশৰ পৰিস্থিতিৰ প্ৰতি লক্ষ্য কৰি অসহযোগ আন্দোলনৰ প্ৰস্তাৱটো ঐকান্তিকভাৱে সমৰ্থন জনায়।

১৯২১ চনৰ বিখ্যাত অসহযোগ আন্দোলনত ফুকন এজন বিখ্যাত নেতা হিচাপে পৰিগণিত হয়। এই আন্দোলনৰ সময়ত ফুকনে অসমৰ লোকসকলৰ মাজত যথেষ্ট প্ৰেৰণা যোগাইছিল। মহাত্মা গান্ধী আৰু কংগ্ৰেছৰ নিৰ্দেশ মতে তেওঁ নিজৰ ওকালতি ত্যাগ কৰি কামৰূপ জিলাৰ গাৱেঁ-ভুঁঞে স্বৰাজৰ বাণী প্ৰচাৰ কাৰ্য্যত লাগে। ১৯২১ চনৰ ২৩ জানুৱাৰীত গুৱাহাটীত হোৱা অসহযোগ আন্দোলনৰ সৰ্বপ্ৰথম ৰাজহুৱা সভাত অসহযোগ আন্দোলন সম্পৰ্কে ভাষণ দিয়ে আৰু স্কুল-কলেজ বৰ্জন কৰি অহা ছাত্ৰসকলক আদৰণি জনায়। সেই চনতে মে'মাহত অসম প্ৰাদেশিক কংগ্ৰেছ কমিটি গঠন কৰা হয় আৰু তৰুণ ফুকনক সভাপতি নিৰ্বাচিত কৰা হয়। ফুকনৰ নিৰ্দেশত মহাত্মা গান্ধীক অসম ভ্ৰমণ কৰিবলৈ প্ৰস্তাৱ গ্ৰহণ কৰি অনুৰোধ জনোৱা হয়। ফুকনৰ প্ৰচেষ্টাত হাজাৰ হাজাৰ লোকে গান্ধীজীৰ পৰা অসহযোগৰ বাণী শুনিবলৈ পাইছিল। মহাত্মাই অসম এৰি যোৱাৰ পাছত দেশভক্ত ফুকনে অসমৰ বিভিন্ন ঠাইত কংগ্ৰেছৰ আৰু মহাত্মাৰ বাণী প্ৰচাৰ কৰিছিল আৰু অসমৰ গাৱেঁ-ভুঁয়ে এক নতুন জাগৰণ সৃষ্টি হৈছিল। বিশেষকৈ মুছলমান সম্প্ৰদায়ৰ লোকে ফুকনক অতি প্ৰিয় আপোন নেতা হিচাপে গ্ৰহণ কৰিছিল। ইয়ে জাতীয় ঐক্য সাধনত অতি ডাঙৰ কথা হৈ পৰিছিল। ফুকনে হিন্দু-মুছলমানৰ মিলনৰ উপৰিও খাদী প্ৰচলন, বিলাতী বৰ্জন, মাদকতা নিবাৰণ আদি কাৰ্য্যৰ ওপৰত গুৰুত্ব আৰোপ কৰি দেশকৰ্মীক প্ৰস্তুত হবলৈ নিৰ্দেশ দিয়ে। ফুকনৰ নেতৃত্বত অসমত অসহযোগ আন্দোলনে তীব্ৰ গতি ধৰে।

আকৌ, অসমীয়াৰ মাজত জাতীয় জাগৰণৰ ভাব জগাবৰ উদ্দেশ্যেৰেই ভাৰতীয় কংগ্ৰেছ মহাসভাৰ বৈঠকৰ এটা মহৎ আয়োজনৰ ভাৰ ফুকনেই কান্ধ পাতি লৈ অসমলৈ ১৯২৬ চনত কংগ্ৰেছ মাতি আনি নিজৰ দৃঢ় সঙ্কল্প আৰু অসীম সাহসিকতাৰ পৰিচয় দিলে। এই পাণ্ডু নগৰীত বহা ভাৰতীয় জাতীয় মহাসভাৰ আদৰণি সভাৰ সভাপতিৰ অভিভাষণত ফুকনে কৈছিল,—"আমি যদি সঁচাকৈয়ে বিশ্বাস কৰো যে স্বৰাজ আমাৰ জন্মস্বত্ব, তেন্তে আমি হিন্দু-মুছলমানৰ ঐক্যতা বাস্তৱত পৰিণত কৰিব লাগিব আৰু মই সৰল-চিত্তেৰে বিশ্বাস কৰোঁ যে ই সম্ভৱপৰ, যদিহে আমি তেনে একতা সঁচাকৈয়ে ইচ্ছা কৰোঁ। আমি প্ৰথমতে স্বাৰ্থপৰ আৰু প্ৰতিক্ৰিয়াশীল সাম্প্ৰদায়িক মনোভাৱ আমাৰ মাজৰ পৰা দূৰীভূত কৰিব লাগিব আৰু অস্পৃশ্য সকলক পৰম নকৰি আমাৰ মাজলৈ টানি আনিব লাগিব

আৰু যাইকৈ ধনী-দুখীয়া নিৰ্বিশেষে সকলো শ্ৰেণী ভাৰতীয়ৰ মাজত কংগ্ৰেছ যে ভাৰতৰ মুক্তিসাধনৰ নিমিত্তে এক উদ্দেশ্য আৰু এক কাৰ্য্যক্ৰমৰে অনুপ্ৰাণিত হোৱা এখন জীৱন্ত অনুষ্ঠান—এই ভাৱটো সকলোৰে মাজত জন্মাব লাগিব।” ১৯২৬ চনৰ ডিচেম্বৰ মাহত মাদ্ৰাজৰ নেতা শ্ৰীযুত শ্ৰীনিবাস আয়েঙ্গাৰৰ পৌৰোহিত্যত বিৰাট জাতীয় মহাযজ্ঞৰ অনুষ্ঠান কৰি অসমত নৱযুগৰ সূচনা কৰিলে। কংগ্ৰেছ জাতীয় মহাসভা ভাৰতৰ সকলো প্ৰদেশে আহ্বান কৰি পাতিব পাৰে, অসমে নোৱাৰিব কিয়? অসম সদায় কিয় পাছ পৰি থাকিব? অসমীয়া জাতি কিয় নগণ্য, অনাদৃত হৈ থাকিব? এই মহৎ ভাৱলৈয়ে অসমলৈ কংগ্ৰেছ মহাসভা ফুকনে নিমন্ত্ৰণ কৰিলে হৃদয়ত অসীম সাহ বান্ধি। মহাত্মা গান্ধী, সৰোজিনী নাইডু, পণ্ডিত মতিলাল নেহৰু প্ৰমুখ্যে ভাৰতৰ বিশিষ্ট নেতাসকলক একেলগে একেঠাইতে দৰ্শন কৰা আৰু তেওঁলোকৰ উদ্দীপনাময়ী মৰ্মবাণী শুনাৰ পৰম সৌভাগ্য ঘটিল অসমীয়া জাতিৰ বিশেষকৈ দেশভক্ত ফুকন ড'ঙৰীয়াৰ অনুগ্ৰহত। কংগ্ৰেছৰ এই অধিবেশনৰ পৰা ব্যক্তিগতভাৱে ফুকনৰ ক্ষতিগ্ৰস্ত বহুত হ'ল আৰু শেষত এনে হ'ল যে কংগ্ৰেছৰ ধাৰত নিজৰ মাটি-বাৰীও যাব লগা হ'ল। স্বদেশৰ এনে এটা গৌৰৱপূৰ্ণ কাৰ্য্যৰ অৰ্থে কৰা ত্যাগ তেখেতৰ জীৱনৰ আদৰ্শৰ আৰু এটি জ্বলন্ত নিদৰ্শন। অসমৰ ৰাজনৈতিক শিক্ষা লাভৰ ই অন্যতম অধ্যায়।

১৯২২ চনত গয়া কংগ্ৰেছৰ অধিবেশনত পণ্ডিত মতিলাল নেহৰুৰ সভাপতিত্বত স্বৰাজ্য পাৰ্টি গঠন হয়। গয়া কংগ্ৰেছত তৰুণ ৰাম ফুকনৰ নেতৃত্বত অসমৰ ভালেমান প্ৰতিনিধি আৰু দৰ্শকে যোগ দিছিল। নিখিল ভাৰতত তেতিয়া ফুকনৰ প্ৰভাৱ অতি প্ৰবল। আনকি গয়া কংগ্ৰেছৰ সভাপতি চি-আৰ-দাসে অধিবেশনৰ সময়ত তৰুণ ৰাম ফুকনৰ লগত বাস কৰিছিল। গয়া কংগ্ৰেছত ফুকনৰ প্ৰভাৱ আৰু নাম বৈ বৈ গৈছিল। ১৯২১ চনৰ বিখ্যাত অসহযোগ আন্দোলনত এজন প্ৰধান নেতা হিচাবে গণ্য হোৱাৰ স্বত্বেও যেতিয়া দেশবন্ধু চিত্তৰঞ্জন দাসৰ নেতৃত্বত—“স্বৰাজিষ্ট পাৰ্টি” গঠন হ'ল তেতিয়া ফুকনে নিজৰ সৎসাহসৰ জোৰতেই কংগ্ৰেছৰ ওপৰৱালা সকলৰ বিৰুদ্ধে থিয় হৈ “স্বৰাজিষ্ট পাৰ্টি”ত ভুক্ত হ'ল আৰু মতিলাল নেহৰু, চি-আৰ-দাস আদিৰ লগলাগি গোটেই ভাৰত আনকি সিংহল পৰ্য্যন্ত স্বৰাজ্য পাৰ্টিৰ প্ৰচাৰ কাৰ্য্য চলাই ফুৰে। এই পাৰ্টিৰ টিকটত তেওঁ অসম উপত্যকাৰ প্ৰতিনিধি হুবাৰকৈ নিৰ্বাচিত হৈ ভাৰত ব্যৱস্থাপক সভাৰ সভ্য হৈছিল।

কিন্তু কংগ্ৰেছে যেতিয়া ১৯২৮ চনত কাউন্সিল বৰ্জন নীতি গ্ৰহণ কৰিলে তেতিয়াও তেখেতে ওপৰৱালা সকলৰ কথা নামানি পণ্ডিত মদন মোহন মালব্যৰ নিচিনা প্ৰধান কংগ্ৰেছসেবীৰ লগত লগহৈ বেলেগে এছেম্বলীত সোমাবলৈ গ'ল। ফুকন আছিল এজন নিজৰ নীতিমনা বীৰ যোদ্ধা; সেই কাৰণেই কংগ্ৰেছ ওপৰৱালা সকলৰ লগত মত নিমিলাত তেওঁলোকৰ বিৰুদ্ধে থিয় দিছিল। পিছত কংগ্ৰেছেই অসহযোগ নীতি এৰি কাউন্সিল এচেম্বলী অধিকাৰ কৰি দলে দলে সোমাই শাসন কাৰ্য্য চলাবলৈ সিদ্ধান্ত কৰিলে। ইয়াতেই আছিল ফুকনৰ দূৰদৰ্শিতা।

১৯২৮ চনত নেহৰু ৰিপোৰ্টত ফুকনে অসমৰ হৈ চহী দিয়ে। ১৯৩০ চনৰ অসহযোগ আন্দোলনত কিন্তু ফুকন নিলগত থাকে। ১৯৩৬ চনৰ মন্ত্ৰীত্ব গ্ৰহণৰ প্ৰশ্ন লৈ ফুকন আৰু ডেকাসকলৰ মাজত মতানৈক্য হয়। অসমত অসমীয়াৰ বিশেষ স্বাৰ্থ লৈ লক্ষ্য কৰি আৰু প্ৰাদেশিক স্বায়ত্ব শাসনৰ উপকাৰিতা লক্ষ্য কৰি আদিৰে পৰা ফুকন মন্ত্ৰীত্ব গ্ৰহণৰ পক্ষপাতী আছিল। যেতিয়া মন্ত্ৰীত্ব গ্ৰহণ কৰাৰ কোনো আগন্তুক নেদেখিলে তেতিয়া তেখেতে দলত্যাগ কৰি "মিলিত জনসংঘ"ত যোগ দিয়ে। কিন্তু কংগ্ৰেছে যেতিয়া ১৯৩৭ চনৰ ৭ জুলাই তাৰিখে ৱাৰ্দ্ধাত মন্ত্ৰীত্ব গ্ৰহণৰ প্ৰস্তাৱ গ্ৰহণ কৰিলে তেতিয়া কংগ্ৰেছে ফুকনৰ মতলৈ ঘূৰি আহিল। মন্ত্ৰীত্ব গ্ৰহণনীতি ফুকনৰ ৰাজনৈতিক দূৰদৰ্শিতাৰ পৰিচায়ক।

১৯৩৮ চনত ফুকনক পুনৰ কংগ্ৰেছত ভৰ্তি কৰা হ'ল। দেশভক্তৰ অন্তৰৰ গভীৰতম প্ৰদেশত জ্বলি থকা স্বদেশপ্ৰেমে তেখেতক পুনৰ কংগ্ৰেছৰ বিশাল কৰ্মক্ষেত্ৰলৈ আকৃষ্ট কৰি আনিলে৷ অসমত কংগ্ৰেছ যুক্ত মন্ত্ৰীসভা গঠনত ফুকনে যথোচিত সহায় কৰাৰ উপৰিও, কংগ্ৰেছ-বিৰোধীসকলে উক্ত মন্ত্ৰীসভাৰ ওপৰত অনাস্থাৰ প্ৰস্তাৱ দি সভা ভাঙিবলৈ বিৰাট অভিযান চলাই দেশত এটি গুৰুতৰ সমস্যা উপস্থিত কৰোতে ফুকনৰ সমস্ত শক্তি সামৰ্থ্য, প্ৰভাৱ-প্ৰতিপত্তি আৰু বুদ্ধি কৌশল প্ৰয়োগ কৰি মন্ত্ৰীসভা ভাঙিবলৈ পাঙোতা সকলৰ শতেক অভিসন্ধি, বিপুল প্ৰয়াস হেলাৰঙে ব্যৰ্থ কৰিলে।

এইদৰে কুৰি শতিকাৰ আদি মধ্যখণ্ডত দেশভক্ত ফুকনে ভাৰতৰ আগত অসমৰ আসন প্ৰতিষ্ঠাপিত কৰিছিল। অসমৰ এই সময়ৰ সকলো ৰাজনৈতিক ভাৱধাৰাৰ কেন্দ্ৰ আছিল দেশভক্ত। ফুকনৰ আগতে অসমৰ ৰাজনৈতিক উন্মেষ

আৰম্ভ হয় যদিও, এই সকলো বিলাকক কেন্দ্ৰীভূত কৰি তেখেতে তাক এটা আন্দোলনৰ আকৃতিত মূৰ্ত কৰিছিল আৰু অসমীয়াৰ ভাষাহীন ভাবক প্ৰকাশ কৰিছিল। অসমীয়া দেশাত্মবোধৰ বুৰঞ্জীত তৰুণ ৰাম ফুকনৰ নাম সোণালী আখৰেৰে লিখা থাকিব।

**গোপীনাথ বৰদলৈ ঃ** দেশভক্ত তৰুণ ৰাম ফুকনৰ আকৰ্ষণীয় শক্তি আৰু কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈৰ উদ্দীপ্ত কৰ্মপ্ৰেৰণাৰ সংস্পৰ্শত গুৱাহাটীৰ যি সকল ডেকা দেশসেৱা ব্ৰতত ব্ৰতী হৈ উঠিল সেই সকলৰ ভিতৰত ৺গোপীনাথ বৰদলৈ আছিল অন্যতম। ল'ৰাকালৰে পৰা ৺গোপীনাথ বৰদলৈ অমায়িক ধীৰ, স্থিৰ আৰু সকলো কথাকে টানকি চোৱা স্বভাৱৰ আছিল। দেশৰ, দহৰ হিত চিন্তা তেওঁৰ ধ্যানৰ বস্তু কৰি তুলিছিল। মহাত্মা গান্ধীৰ স্বৰাজ মন্ত্ৰৰ কবচ আছিল জনসাধাৰণৰ সেৱা। মহাত্মা গান্ধীৰ এজন অন্যতম শিষ্য হিচাপে ৺গোপীনাথ বৰদলৈয়ে দেশসেৱাত ব্ৰতী হৈছিল।

১৯২০ চনৰ চেপ্তেম্বৰ মাহত কংগ্ৰেছ মহাসভাৰ বিশেষ অধিবেশন কলিকতা মহানগৰীত বহিছিল। এই অধিবেশনৰ মাই কথা আছিল গান্ধীজীৰ অসহযোগ আন্দোলনৰ প্ৰস্তাৱ গ্ৰহণ কৰা। এই অধিবেশনত অসমৰ ফালৰ পৰা তেতিয়া কলিকতাত থকা ডেকাসকলে বিশেষভাৱে যোগ দিছিল। কংগ্ৰেছৰ যোগেদি অহা মহাত্মাৰ এই পুণ্য শ্লোক বাণী অসমীয়াৰ হিয়াত বাজি উঠিলহি। স্বৰ্গীয় তৰুণ ৰাম ফুকন আৰু স্বৰ্গীয় নবীনচন্দ্ৰ বৰদলৈৰ লগতে স্বৰ্গীয় গোপীনাথ বৰদলৈৰ নেতৃত্বত গাওঁৰ আৰু নগৰৰ ডেকাসকলে সৰ্বস্ব ত্যাগ কৰি নিজক সেই মহাযজ্ঞত আহুতি দিলে। কৰ্মবীৰ নবীনচন্দ্ৰ বৰদলৈ আৰু তৰুণ ৰাম ফুকনৰ অকাল মৃত্যুত কংগ্ৰেছ আন্দোলনৰ গুৰি বঠাগ্ৰাত পৰিলগৈ ধীৰ-স্থিৰ কৰ্মী গোপীনাথ বৰদলৈৰ হাতত। বৰদলৈদেৱে মৰ্য্যাদাৰে সৈতে এই মহান কৰ্তব্য পালন কৰিবলৈ সমৰ্থ হৈছিল।

১৯৩৬ চনৰ নিৰ্বাচনৰ আগে আগে পণ্ডিত নেহৰুৱে অসম ভ্ৰমণ কৰোতে বৰদলৈদেৱে তেওঁক প্ৰায় বিলাক ঠাইতে লৈ লৈ ফুৰিছিল। সেই সম্পৰ্কত ৺বৰদলৈক বহুতে জানিবলৈ দেখিবলৈ সুবিধা পায়। নিৰ্বাচনৰ পাছত ৺বৰদলৈ দলপতি নিৰ্বাচিত হোৱাত অসমৰ সকলো দেশবাসীয়ে বুজি পালে যে কৰ্মবীৰ নবীন বৰদলৈৰ ঠাই লবলৈ এজন একান্ত নিষ্ঠাবান ৰাজনৈতিক নেতা ওলাল। বৰদলৈদেৱে সৰ্বসাধাৰণৰ গুৰিয়াল হৈ অসমৰ লীগ চৰকাৰ প্ৰতিষ্ঠা কৰিব খোজা

সকলৰ লগত ঘোৰ ৰণ দিবলগীয়া হৈছিল। অৱশেষত কংগ্ৰেছ দলৰ দলপতি গোপীনাথ বৰদলৈদেৱৰ নেতৃত্বত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভা গঠিত হয়। কিন্তু দ্বিতীয় মহাযুদ্ধৰ পৰিস্থিতিত কংগ্ৰেছে কংগ্ৰেছ শাসিত ৰাজ্যসমূহৰ পৰা কংগ্ৰেছ মন্ত্ৰীসভাসমূহক পদত্যাগ কৰিবলৈ নিৰ্দেশ দিয়ে। এই নিৰ্দেশ অনুযায়ী ১৯৩৮ চনত গঠিত হোৱা বৰদলৈ মন্ত্ৰীসভাই ১৪ মাহ কাম চলোৱাৰ পিছত ১৯৩৯ চনৰ ১২ ডিচেম্বৰৰ দিনা পদত্যাগপত্ৰ দাখিল কৰে।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত বৰদলৈ ডাঙৰীয়াক যোৰহাট জেলত ভালেদিন ৰখা হৈছিল। গান্ধীবাদত অটল বিশ্বাসী বৰদলৈ ডাঙৰীয়াৰ কাৰাগাৰৰ ভিতৰতো সত্য, নিষ্ঠা আৰু অহিংসা ভাব ফুটি উঠিছিল। গীতা, উপনিষদ আদিৰ গভীৰ অধ্যয়নৰ উপৰিও তেওঁ কাৰাগাৰৰ ভিতৰত অৱসৰমতে দৈনিক সূতা কাটিছিল।

অসমৰ নেতা হিচাপে 'শাখা সমষ্টি' প্ৰস্তাৱত বৰদলৈ ডাঙৰীয়াই দৃঢ়তাৰেই সদৌ ভাৰতীয়ৰ দৃষ্টি আকৰ্ষণ কৰিছিল। ১৯৪৬ চনৰ ১৬ মে'ৰ মন্ত্ৰী মিচনৰ আঁচনিত 'শাখা সমষ্টিৰ' ব্যৱস্থা থাকিব বুলি প্ৰকাশ পাইছিল। সেই আঁচনিমতে অসম মুছলীম প্ৰধান প্ৰদেশ নোহোৱা স্বত্তেও বঙ্গপ্ৰদেশৰ লগত চামিল কৰি এই প্ৰদেশত মুছলীম আধিপত্যৰ বিস্তাৰ কৰিবলৈ ব্যৱস্থা কৰা হৈছিল। বৰদলৈৰ নেতৃত্বত অসমীয়া মানুহে এই 'শাখা সমষ্টিৰ' আঁচনিৰ তীব্ৰ প্ৰতিবাদ কৰিছিল আৰু নিজকে বচাবলৈ মহাত্মাজীৰ পৰামৰ্শ লৈছিল। বৰদলৈৱে কংগ্ৰেছ কমিটিৰ ওচৰত তীব্ৰভাৱে দাবী কৰিছিল যে অসমে শাখালৈ নোযোৱাকৈ নিজৰ শাসনতন্ত্ৰ নিজৰ প্ৰতিনিধিৰ জৰিয়তেহে ৰচনা কৰিব। ইয়াৰ ফলত 'শাখা সমষ্টিৰ' পৰিকল্পনা পৰিত্যাগ কৰা হ'ল। অসমেও নিজ প্ৰতিনিধিৰ দ্বাৰা স্বতন্ত্ৰভাৱে অসমৰ শাসনতন্ত্ৰ ৰচনা কৰিবলৈ সুবিধা পালে। বৰদলৈদেৱে এই খণ্ড ভাগৰ পৰা অসমক মুক্ত কৰাৰ বাবে অসমৰ মানুহে তেখেতক কেতিয়াও পাহৰিব নোৱাৰে। বৰদলৈৰ এই মহান উদ্দেশ্যৰ কামত অসমৰ সকলো লোক আনকি ভাৰতৰ নেতাসকল মুগ্ধ হৈছিল। ভাৰতৰ ৰাজনীতিৰ সঙ্কট অৱস্থাতো দেশৰ নানা সমস্যা সমাধানত তেখেতৰ পৰামৰ্শ বহুমূলীয়া বুলি ভাৰতৰ বিশিষ্ট ৰাজনীতিজ্ঞ সকল যেনে ৰাজেন্দ্ৰপ্ৰসাদ, জৱাহৰলাল নেহৰু, চৰ্দাৰ পেটেল আদিয়ে স্বীকাৰ কৰিছিল।

ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ শেষ পৰ্য্যায়ত অসমৰ গোপীনাথ বৰদলৈদেৱে সুখ্যাতিৰে নেতৃত্ব বহন কৰিব পাৰিছিল। অসমত কংগ্ৰেছ অনুষ্ঠানত অবিসম্বাদী নেতা হিচাপে ঠিয় হৈ বৰদলৈৱে অসমৰ মুখ উজ্জ্বলাই তুলিলে। অসমৰ সঙ্কট-কালত তেখেতে যি দৃঢ়তা আৰু নিঃস্বাৰ্থ দেশপ্ৰেমৰ ভাব দেখুৱালে তাৰ বাবে অসমবাসী আজিও গৌৰবান্বিত। ভাৰতৰ সুযোগ্য পুত্ৰ গোপীনাথ বৰদলৈয়ে সমস্যাপূৰ্ণ অসম ৰাষ্ট্ৰৰ আউল লগা অৱস্থাৰ যি আট উলিয়াই দি গ'ল তাতে ধৰি অসমৰ ভৱিষ্যত ৰাজনীতিবিদ সকলে আগবাঢ়ি যাবলৈ সুবিধা পালে। অসমৰ এই নিভাঁজ কৰ্মযোগীৰ স্বদেশপ্ৰেম আৰু স্বাৰ্থত্যাগৰ মহান আদৰ্শ অমৰ-যাউতিযুগীয়া।

# অসমৰ স্বাধীনতা আন্দোলনৰ সমস্যাৱলী

**'পমুৱাৰ সমস্যা'**ঃ অসমৰ স্বাধীনতা আন্দোলনৰ কালছোৱাত কেইবাটাও গুৰুতৰ সমস্যাই দেখা দিছিল। অসমীয়া জাতি তিষ্ঠিবলৈ আৰু নিজৰ অস্তিত্ব উধাৰিবলৈ অতিকৈ ডাঙৰ সমস্যা হৈছিল বিদেশীৰ আগমন। অসমৰ মুক্তি যুঁজত বিদেশী আগমনৰ সমস্যাই সৰ্বপ্ৰধান বাধাৰ সৃষ্টি কৰিছিল।

যোৱা শতিকাৰ শেষ ভাগৰ পৰা আৰম্ভ হোৱা বঙ্গদেশীয় পমুৱাৰ অবাধ আমদানি আৰু অসমৰ মাটিত বে-আইনী দখলত অসমৰ আৰ্থিক আৰু জাতীয় ভৱিষ্যত বিপন্ন হোৱাৰ উপক্ৰম হৈছিল। স্বাধীনতা লাভ কৰাৰ ঠিক আগ মুহূৰ্তত চৰকাৰী হিচাপ মতেই ২০ লাখ বিঘাৰো কম খেতিৰ উপযোগী মাটিহে তেতিয়া অসম উপত্যকাত বাকী আছিল। অথচ খাচ অসমীয়াৰ মাজতে একেবাৰে মাটি নোহোৱা লাখ লাখ মানুহ কলমলাই আছিল। অসমীয়া মানুহৰ গড়ে প্ৰতি পৰিয়ালৰ ৫ বিঘা মাটিও নাই। তদুপৰি অসমীয়াৰ ভৱিষ্যত পৰিবৰ্দ্ধন আৰু পৰিপোষণৰ কাৰণে যথেষ্ট পৰিমাণে মাটি আছুতীয়াকৈ ৰখাৰ দায়িত্বলৈ কাৰো কাণষাৰ যেন নাছিল।

১৯৪১ চনত ছাদুল্লা গৱৰ্ণমেণ্টে অতিৰিক্ত কৰি দিয়া হিচাপমতেই অসম উপত্যকাৰ অৰ্থাৎ খাচ অসমত খেতিৰ উপযোগী মুঠ মাটিৰ পৰিমাণ হৈছে ২২৫ লাখ বিঘা। তেওঁলোকৰ কথা মতেই ইয়াৰ ভিতৰত ২০৫ লাখ বিঘাৰ কিছু বেছি মাটি তেতিয়ালৈকে বন্দবস্তী দিয়া হৈ গৈছে। ১৯৪১ চনৰ পৰা ১৯৪৪ চনৰ শেহলৈকে পৰিষদত কংগ্ৰেছী দলৰ অনুপস্থিতিৰ সুবিধা লৈ ছাদুল্লা চাহাবে আগতকৈ মুক্তভাৱে হাজাৰ হাজাৰ বঙ্গদেশীয় পমুৱাক মাটি বন্দবস্তী দি অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰিবলৈ প্ৰয়াস পাইছিল। সেই কেইবছৰৰ ভিতৰত তেওঁলোকে বিদেশী পমুৱাক কিমান মাটি বন্দবস্তী দিলে, তাৰ কোনো বিৱৰণ নাই। কিন্তু, ১৯৪৪ চনৰ নবেম্বৰ মাহত অসম পৰিষদৰ অধিবেশনত ছাদুল্লা মন্ত্ৰীসভাৰ ৰাজহমন্ত্ৰী মোঃ মনৱাৰ আলী চাহাবে দিয়া এটা প্ৰশ্নোত্তৰৰ পৰাই তেওঁলোকে কেনে বিপুল পৰিমাণে অসমৰ মাটি বিদেশীক বিলাই দিলে, তাৰ আভাস পাব পাৰি। তেওঁ কৈছিল যে, ১৯৪৩-৪৪ চনৰ বছৰটোৰ ভিতৰত প্ৰায় ২ লাখ একৰ মাটি (অৰ্থাৎ ৬ লাখ বিঘাতকৈ সৰহ) বাহিৰৰ পমুৱাক

বন্দবস্তী দিয়া হৈছিল। এই হিচাপে ধৰি নিঃসঙ্কোচে কব পৰা যায় যে ১৯৪১ চনৰ পৰা ১৯৪৪ চনৰ শেহলৈকে অন্ততঃ ১৫ লাখ বিঘা মাটি বিদেশী পমুৱাক বন্দবস্তী দিয়া হয়। ১৯৪০-৪১ চনলৈকে অসম উপত্যকাত অসম গৱৰ্ণমেণ্টে মৈমনছিঙীয়া পমুৱাক প্ৰায় ২৩ লাখ বিঘা মাটি বন্দবস্তী দিছে বুলি ১৯৪১ চনৰ "অসম লেণ্ড ৰেভিনিউ এডমিনিষ্ট্ৰেশ্যন ৰিপৰ্টত" কোৱা হৈছে। ইয়াৰ ভিতৰত অসমীয়া মানুহে উপায়ান্তৰ হৈ মৈমনছিঙীয়াক বিক্ৰী কৰা হাজাৰ হাজাৰ বিঘা মাটিৰ হিচাপ ধৰা হোৱা নাই।

গতিকে, এই কথা নিঃসঙ্কোচে কব পাৰি যে ১৯৪৫ চন পৰ্য্যন্ত অৰ্থাৎ অসম গৱৰ্ণমেণ্টে কংগ্ৰেছ দলৰ হৈচাত বিদেশীক মাটি বন্দবস্তী দিয়া ব্যৱস্থা টান কৰা পৰ্য্যন্ত বঙ্গদেশৰ পমুৱাই অসম উপত্যকাৰ অন্ততঃ ৪০ লাখ বিঘা মাটি হস্তগত কৰে। তদুপৰি প্ৰায় ২০ লাখ বিঘা মাটি বিদেশী চাহ খেতিয়ক আৰু অন্যান্য বিদেশীয়ে দখল পাইছে। গতিকে দেখা যায় যে প্ৰদেশখনৰ মুঠ ২২৫ লাখ বিঘা খেতিৰ উপযোগী মাটিৰ ভিতৰত ৬০ লাখ বিঘা মাটি অনা-অসমীয়াৰ হাতত পৰিছে। অৰ্থাৎ অসমৰ চাৰিভাগৰ এভাগতকৈও কিছু অধিক মাটি অনা-অসমীয়াৰ হাতত। ইফালে, খেতিৰ উপযোগী বন্দবস্তী নিদিয়া বাকী মাটি আছিল মাত্ৰ ১৫ লাখ বিঘা। ই যে কি ডাঙৰ সমস্যা তাক বহলাই কবৰ আৱশ্যক নাই। সেইবাবে অসম গৱৰ্ণমেণ্টে অনা-অসমীয়াক মাটি দিয়াটো অবিলম্বে আইনৰ দ্বাৰা বন্ধ কৰিব লাগে। ই অসমীয়াৰ পক্ষে অকল অৰ্থ নৈতিক সমস্যাই নহয়—ইয়াৰ লগত অসমীয়া জাতিৰ বৈশিষ্ট্যমূলক অস্তিত্বও নিৰ্ভৰ কৰিছে। হাজাৰে-হাজাৰে, লাখে-লাখে অনা-অসমীয়াই অসমত মাটি-ভেটি লৈ বসতি কৰি নিজৰ সংখ্যা বৃদ্ধি কৰি অসমত অসমীয়াতকৈ বাহিৰৰ মানুহৰ সংখ্যা যে সময়ত বেছি হ'বগৈ আৰু ফলত অসমীয়াৰ অস্তিত্ব লৈ টনাটনি হ'ব সেই কথা সকলোৱে বুজি পায়।

**বৃটিশ চৰকাৰৰ আফিং নীতি :** অসমৰ স্বাধীনতা সংগ্ৰামৰ এটা ডাঙৰ সমস্যা আছিল কানি নিবাৰণ। বৃটিশ চৰকাৰে অসমত চৰকাৰৰ তৰফৰ পৰা আফিঙৰ দোকান খুলি ৰাইজক আফিং খুৱাই প্ৰকাৰান্তৰে কানীয়া-ৰাইজ সৃষ্টি কৰিবলৈ প্ৰচেষ্টা চলাইছিল। এই কানি ৰবিহৰ উচ্ছেদৰ বাবে পোন প্ৰথমে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিল—দেশপ্ৰেমিক মণিৰাম দেৱানে। ১৮৫৩ চনত কলিকতাৰ সদৰ আদালতৰ ইংৰাজ ন্যায়াধীশ মিঃ এ. জে. মিলছ্ অসমলৈ অহাত

তেওঁৰ হাতত মণিৰাম দেৱানে এখন স্মাৰকলিপি প্ৰদান কৰিছিল। সেই স্মাৰকলিপিত মণিৰাম দেৱানে ইংৰাজৰ কু-শাসনৰ অনেক কথা তথ্য-পাতিৰে লিপিবদ্ধ কৰিছিল। দেৱানে বিশেষকৈ কানি ৰবৰিহৰ ভয়াবহ পৰিণতিৰ কথাও সেই স্মাৰকলিপিত বিশেষভাবে উল্লেখ কৰিছিল আৰু অবিলম্বে চৰকাৰক কানি যোগান বন্ধ কৰিবলৈ দাবী জনাইছিল।

আফিং প্ৰচলন বন্ধ কৰিবলৈ সদৌ অসমতে তুমুল আন্দোলন হয়। সেই সময়ত অসম এছোছিয়েছনত কানি উচ্ছেদৰ বাবে ব্যৱস্থা পৰিষদৰ ভিতৰত আৰু বাহিৰতো যথেষ্ট আন্দোলন চলাইছিল। কোনো সভ্য চৰকাৰেই দেশৰ জনসাধাৰণৰ মাজত কানিৰ দৰে ৰবৰিহ প্ৰচলন চলাই জনসাধাৰণক পঙ্গু কৰিবলৈ কেতিয়াও চেষ্টা নচলায়। অসম এছোছিয়েছনৰ খ্যাতনামা সদস্য ৰায়বাহাদুৰ ফণিধৰ চলিহাই ১৯১৯ চনত অসম ব্যৱস্থা পৰিষদৰ অধিবেশনত অসম এছোছিয়েছনৰ মত দাঙি ধৰি আফিং প্ৰচলন বন্ধ হ'ব লাগে বুলি দাবী জনাইছিল। চলিহা ডাঙৰীয়াই চৰকাৰী আবকাৰী বিভাগটোক দেশৰ শিক্ষিত সম্প্ৰদায়ৰ আৰু দেশক ভাল পোৱা লোকৰ চকুৰ হুল যেন বোধ হোৱা বুলি কৈছিল। চলিহাই চৰকাৰৰ আফিং ব্যৱসায়ক অৰ্থনৈতিক, মানৱতা বিৰোধী বুলিও অভিহিত কৰিছিল। চলিহা ডাঙৰীয়াৰ তেনে সমালোচনাত অসমৰ তেতিয়াৰ চীফ্ কমিছনাৰ মিঃ নিকলছ্ বিটছন বেলে চলিহাক ব্যক্তিগত আক্ৰমণ কৰি চলিহাৰ সন্মানত আঘাত কৰিবলৈয়ো কুণ্ঠাবোধ কৰা নাছিল। চীফ্ কমিছনাৰ চাহাবৰ তেনে ব্যক্তিগত আক্ৰমণাত্মক উক্তিত অসম কাউঞ্চিলৰ সকলো বেচৰকাৰী সদস্যই ক্ষোভ প্ৰকাশ কৰিছিল। গৱৰ্ণমেণ্টৰ এই টকালোভী নীতিৰ তীব্ৰ সমালোচনা কৰি কাউঞ্চিলৰ সভ্যবৃন্দ ইস্তফা দিব লগাত পৰিছিল তাক অসমীয়া ৰাইজে জানে। তাৰ পাছতো স্বৰ্গীয় মানিকচন্দ্ৰ বৰুৱা, ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱা, দেশভক্ত তৰুণৰাম ফুকন আদি নেতাসকলে এই একেটা কথাতে যুঁজিব লগাত পৰিছিল। কিন্তু গৱৰ্ণমেণ্টে নানা ধৰণৰ চলাহি কথা কৈ কানি বৰ্জন নীতিত বিধি পথালি দি আহিছিল। অসম চৰকাৰৰ আফিং নীতিৰ বিৰুদ্ধে সমগ্ৰ ভাৰতত প্ৰবল জনমত সৃষ্টি হৈছিল। মহাত্মা গান্ধী, ৰেভাৰেণ্ড চি, এফ, এন্দ্ৰুজ্, ডঃ ৰাজেন্দ্ৰপ্ৰসাদ আদি নেতাসকলে অসম চৰকাৰৰ আফিং নীতিৰ তীব্ৰ নিন্দা কৰিছিল।

১৯২১ চনৰ মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অহিংস অসহযোগ আন্দোলনে সমগ্ৰ অসমত ব্যাপক প্ৰসাৰতা লাভ কৰে। সেই সময়ত অসমত জনসাধাৰণে

কানি, ভাং আদিৰ অপকাৰিতা সম্পৰ্কে প্ৰচাৰৰ যি ব্যাপক অভিযান চলাইছিল সেইটো আছিল অভূতপূৰ্ব। ছাত্ৰসকলৰ প্ৰচাৰৰ ফলত অসমৰ বছৰি এহেজাৰ আঠশ মোণকৈ বিক্ৰী হোৱা আফিঙৰ বিক্ৰীৰ পৰিমাণ ১৯২১ চনত প্ৰায় আধা কমি যায়, ই এটা উল্লেখযোগ্য কথা।

১৯২৩ চনৰ পৰা ১৯২৯ চনলৈ এই স্বৰাজিষ্ট যুগত অসমত স্বৰাজ্য দলে যথেষ্ট কাম কৰিছিল আৰু অসমত কানি বৰবিহৰ প্ৰচলনৰ বিৰুদ্ধে অশেষ চেষ্টা চলাইছিল। ১৯২৪ চনত অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে—"কানি তদন্ত" কমিটি গঠন কৰে। সেই তদন্ত কমিটিত চি. এফ, এন্দৰুজৰ দৰে মহামতি লোকো আছিল। অসমত আফিং প্ৰচলন সম্পৰ্কে সেই কমিটিয়ে তদন্ত কৰি ৰিপোৰ্ট দাখিল কৰিছিল। এই ৰিপোৰ্টৰ সুপাৰিশ অনুযায়ী চৰকাৰী কানিয়াক পট্টা দিয়া প্ৰথা প্ৰবৰ্তন কৰি কানিৰ প্ৰচলন হ্ৰাস কৰাৰ ব্যৱস্থা লৈছিল। কানি নিবাৰণী তদন্ত কমিটিৰ প্ৰতিবেদনে ভাৰতীয় জনমত আকৰ্ষণ কৰিবলৈ সক্ষম হৈছিল। স্বৰাজিষ্ট দলৰ প্ৰচেষ্টাতেই অসম ব্যৱস্থা পৰিষদত কানি নিবাৰণী তদন্ত কমিটি গঠনৰ প্ৰস্তাব গৃহীত হৈছিল। ১৯৩০-৩২ চনৰ সত্যাগ্ৰহী আন্দোলনতো আমাৰ বাইজে কানি আৰু ভাঙৰ দোকানৰ আগত পিকেটিং কৰি কংগ্ৰেছৰ সাংগঠনিক দিশত সাফল্যতা আনিছিল।

অসমীয়া জাতিটোক প্ৰায় ডেৰশ বছৰে কানি খুওৱাই যিদৰে অকামিলা কৰি ৰাখিছিল আৰু সেইদৰে চেপি খুন্দি ৰাখি আহি ডেৰশ বছৰে জাতিবধৰ যি মহাপাপ অৰ্জন কৰিছিল তাক মোচন কৰিবলৈ ছাদুল্লা মন্ত্ৰীসভাই আৰু কংগ্ৰেছ গৱৰ্ণমেণ্টে আন্দোলন কৰি কিছু অগ্ৰসৰ হ'ব পাৰিছিল। অসমত কংগ্ৰেছ সংযুক্ত মন্ত্ৰীসভাই শিৱসাগৰ আৰু ডিব্ৰুগড় মহকুমাত কানি উঠাই দিবলৈ আন্দোলন চলাই কানিৰ প্ৰচলন কমাই আনিছিল আৰু পিছত গোটেই অসমতে কানি বৰ্জন কৰিবলৈ হুকুম দিছিল। কিন্তু ইতিমধ্যে বহুতো চোৰাং কানি আহি অসম পাইছিলহি। কংগ্ৰেছৰ দ্বাৰা পৰিচালিত কানি বৰ্জন আন্দোলনত শতকৰা ৪০ জন মানুহে কানি এৰিছিল বুলি ৰিপোৰ্টত পোৱা যায়। বাকী ৬০ জনে চোৰাং কানি আদিৰ ওপৰতে চলিছিল, বহুতেই লুকাই-চুৰকৈ চোৰাং কানিৰ ব্যৱসায় চলাইছিল। এই বিলাক কাৰণত মন্ত্ৰীসভাৰ কানি একওৱা নীতি সম্পূৰ্ণভাৱে কৃতকাৰ্য্য হোৱা নাছিল।

স্বাধীনতা সংগ্ৰামৰ কালছোৱাত অসমীয়া মানুহে উপলব্ধি কৰিছিল যে এই

দৈত্যৰূপী ৰবৰিহ সমূলি নাশ কৰিব নোৱাৰিলে অসমৰ ভৱিষ্যত তেনেই অন্ধকাৰময়। সেইবাবে গৱৰ্ণমেণ্ট, কংগ্ৰেছ দল আৰু ৰাইজ সকলোৱে এক গোট হৈ এই আফিং ৰবৰিহক অসমৰ পৰা চিৰকালৰ কাৰণে খেদাবলৈ যেন যত্নবান হয়। এই আন্দোলন প্ৰচাৰৰ কামতো গৱৰ্ণমেণ্টৰ চাকৰিয়ালৰ হাতত এৰি নিদি ৰাইজ আৰু ৰাজহুৱা জনতাৰ ওপৰত পেলাই দিলেহে গৱৰ্ণমেণ্টৰ নীতিত কাৰ্য্যকৰী হ'ব। অসমৰ কানি নিবাৰণী সমস্যা জাতীয় আন্দোলনৰ অংশ স্বৰূপ আছিল, লগতে ই অসমীয়া জাতিৰ বুৰঞ্জীত এটা উল্লেখযোগ্য অধ্যায় বুলি পৰিগণিত।

**শ্ৰমিকৰ সমস্যা ঃ** চিপাহী বিদ্ৰোহৰ পিছৰ পৰাই ইংৰাজসকলে লাহে লাহে অসমত ব্যাপকভাৱে চাহখেতি প্ৰচলনৰ দিহা লগায়। অসমত ইংৰাজ শাসন প্ৰতিষ্ঠা কৰাৰ এটা ঘাই কাৰণ আছিল অসমত চাহখেতি প্ৰসাৰৰ বিপুল সম্ভাৱনা। কিন্তু চাহ বাগিচাৰ শ্ৰমিকসকলৰ সম্পৰ্কে যি নীতি ইংৰাজসকলে লৈছিল, সেই নীতি আছিল অমানবিক শোষণ-নীতি। অধিক সংখ্যক চাহ বাগিচাই আছিল ইংৰাজৰ হাতত। ইউৰোপীয় মেনেজাৰ সকলে চাহ বাগিচাৰ বহুৱা বিলাকৰ মানসিক, নৈতিক আৰু আৰ্থিক উন্নতিৰ বাবে কি কৰিছে, সেইটো মন কৰিব-লগীয়া। এই বিলাকৰ বেছিভাগ বহুৱাই উৰিষ্যা, চাওঁতাল, পৰগণা আৰু চোটনাগপুৰৰ পৰা আহিছিল। এই বিলাক মানুহক, সহজে উপাৰ্জন কৰিব পাৰিব আৰু সুখত থাকিব পাৰিব বুলি আশা দেখুৱাই অসমলৈ অনা হয়। মনত নানা সুখ, আশা আৰু উদ্যম লৈ আহি চাহ বাগিচাত সোমোৱাৰ লগে লগে দুৰ্গতিৰ সীমা নাইকিয়া হৈছিল।

চাহ বাগিচা এখন সৰু চহৰৰ নিচিনা। 'বেৰেকৰ' দৰে ঘৰৰ শাৰীত শ্ৰমিকসকল থাকিব লাগে। পোন্ধৰ বৰ্গফুট আয়তনৰ ঘৰ এটাত একোটা পৰিয়ালক থাকিবলৈ দিয়া হয়। কোনো মানুহেই আনকি পুলিচেও মেনেজাৰৰ বিনা অনুমতিত এই ৰাজ্যত সোমাব নোৱাৰে। মেনেজাৰে ইচ্ছা কৰিলে এই ৰাজ্যৰ ভিতৰত শ্ৰমিকসকলক মাৰি পেলাবও পাৰে। তথাপিও তেওঁৰ এনে কাৰ্য্যত বাধা দিবলৈ নাইবা প্ৰশ্ন কৰিবলৈ কাৰো সাধ্য নহয়।

চৰকাৰী ৰিপোৰ্টৰ পৰা উল্লেখ কৰিব পাৰি যে ১৯১৭-১৮ চনৰ শেষত অসমত মুঠ চাহ বাগিচাৰ শ্ৰমিকৰ সংখ্যা ৯,৪০,৩৬৮ আছিল। গড় হিচাবে প্ৰত্যেক পুৰুষ শ্ৰমিকৰ মাহিলি দৰমহা ৮/৬ পাই অৰ্থাৎ ১৬ চিলিং আৰু মহিলা শ্ৰমিকৰ

৭৷৷/৬ পাই অৰ্থাৎ ১৫ চিলিং আছিল। ইংৰাজী ১৯১৭-১৮ চনত মুঠ মৃত্যু সংখ্যা ২১,৯৬১ আৰু আগৰ বছৰত ২৪,৮৯০ দেখা গৈছিল। এই বিলাকত মেনেজাৰ সকলৰ আক্ৰমণ কৰাৰ বাবে শ্ৰমিক সকলক দোষী সাব্যস্ত কৰা হৈছিল। ১৭২ জন বাগিচা এৰি পলৰীয়া। এই বিলাকৰ ভিতৰত ৪৭ জনৰ বিৰুদ্ধে গ্ৰেপ্তাৰী ওৱাৰেণ্ট বাহিৰ হৈছিল আৰু ২৬ জনক ফাটেক দিয়া হৈছিল।

শ্ৰমিকসকলৰ প্ৰায় ২,০০,০০০ ল'ৰা-ছোৱালীৰ শিক্ষা সম্পৰ্কে অসমৰ ডি, পি, আইয়ে ১৯১৭-১৮ চনৰ ৰিপোৰ্টত এই মৰ্মে লিখি গৈছে—"চাহ বাগিচাবোৰত শিক্ষা লাহে লাহে পাছ পৰি গৈছে। পোনতে ১৪৯ খন স্কুল আছিল আৰু ছাত্ৰৰ সংখ্যা ৩৬১৫ আছিল। কিন্তু স্কুলৰ সংখ্যা ১৪২ খনলৈ কমি আহে আৰু ছাত্ৰৰ সংখ্যাও কমি গৈ ২৮৮৮ত পৰে (সকলোবোৰ নিম্ন প্ৰাইমেৰী স্কুল)।

ইয়াৰ পৰা ভালদৰে বুজা যায় যে শ্ৰমিকসকলে মাহে ১৬ চিলিং দৰমহাত কাম কৰে। তেওঁলোক নিজেই নিৰক্ষৰ, তেওঁলোকৰ ল'ৰা-ছোৱালীয়েও শিক্ষা নাপায় আৰু চাহ খেতিয়ক সকলেও এই বিষয়ে কোনো যত্ন নলয়। গতিকে, এই সময়ছোৱালৈকে চাহ বাগিচাৰ শ্ৰমিকসকলৰ কোনো ধৰণৰ আৰ্থিক আৰু মানসিক উন্নতি হোৱা নাছিল।

ভাৰতৰ জাতীয় কংগ্ৰেছ মহাসভাই দেশৰ সকলো শ্ৰেণীৰ আৰু সকলো সম্প্ৰদায়ৰ বাবে স্বাধীনতা বিচাৰিছিল। কংগ্ৰেছে আৰম্ভ কৰা অসহযোগ আন্দোলনৰ প্ৰতিক্ৰিয়া অসমৰ বৃটিশ চাহ বাগিচাবোৰৰ শ্ৰমিকসকলৰ মাজতো দেখা গৈছিল। যুদ্ধৰ সময়ত চাহৰ চাহিদা কমি যোৱাৰ ফলত অনেক শ্ৰমিকৰ কাম নোহোৱা হয়। ফলত বাগিচাৰ শ্ৰমিকসকলৰ আৰ্থিক দুৰ্দশা ঘটে। গান্ধীজীৰ নামেই চাহ শ্ৰমিকসকলৰ মাজত অভূতপূৰ্ব আত্মচেতনাৰ আৰু স্বাধীনতাৰ মনোভাৱ সৃষ্টি কৰিছিল। শ্ৰমিকসকলৰ মনত এটা ধাৰণা জন্মিছিল যে তেওঁলোকৰ নিজ ঠাইত গান্ধীজীৰ স্বৰাজ প্ৰৱৰ্তন হৈছে আৰু তালৈ গ'লে তেওঁলোকৰ অন্ন-বস্ত্ৰৰ অভাৱ নাথাকিব। সেই ধাৰণাৰ বশৱৰ্তী হৈয়েই দলে দলে শ্ৰমিকসকলে বাগিচা ত্যাগ কৰিবলৈ চেষ্টা চলাইছিল; কিন্তু তেনে কাৰ্য্যৰ ফলত বাগিচাবোৰ বন্ধ হৈ যায় বুলি চাহ বাগিচাৰ মালিকসকলে মজদুৰসকলৰ ওপৰত নানান অত্যাচাৰ চলাইছিল। ১৯২১ চনৰ দৰং জিলাৰ হেলেম বাগিচাৰ বনুৱাসকলৰ ধৰ্মঘট, চিলেট আৰু কাছাৰ জিলাৰ চাহ বাগিচাৰ বনুৱাৰ ধৰ্মঘট আৰু চান্দপুৰ ৰেল ষ্টেচনত চাহ শ্ৰমিকসকলৰ ওপৰত গুৰ্খা চিপাহীৰ অমানুষিক

অত্যাচাৰ আদিয়ে শ্ৰমিকসকলৰ ১৯২১ চনৰ অসহযোগ আন্দোলনত পৰোক্ষভাৱে সহযোগিতাৰ উজ্জ্বল প্ৰমাণ।

অসম বেঙ্গল ৰেলৱেৰ শ্ৰমিকসকলৰ ধৰ্মঘট চিলেটৰ পৰা আৰম্ভ কৰি তিনিচুকীয়া, পাণ্ডু পৰ্য্যন্ত বিয়পিছিল। ধৰ্মঘটৰ কোনো প্ৰস্তুতি নোহোৱাকৈ আৰু ধৰ্মঘট সম্পৰ্কে কোনো স্পষ্ট ধাৰণা নথকাৰ বাবে ধৰ্মঘট ব্যৰ্থ হয়। এই ধৰ্মঘটত যোগদান কৰা সকলক চাকৰিৰ পৰা বৰ্খাস্ত কৰা হয় আৰু তেওঁলোকৰ 'প্ৰভিডেণ্ট ফাণ্ড' আদি বাজেয়াপ্ত কৰা হয়।

এইদৰে স্বাধীনতা সংগ্ৰামৰ অংশ স্বৰূপে অসমৰ শ্ৰমিকসকলে নিজৰ নিজৰ সমস্যাসমূহ প্ৰকাশ কৰিবলৈ সুবিধা পাইছিল। বৃটিশ সাম্ৰাজ্যবাদী শাসকৰ সকলো অত্যাচাৰ, উৎপীড়ন নেওচি হাজাৰ-হাজাৰ শ্ৰমিকে 'জয় মহাত্মা গান্ধী', 'বন্দে মাতৰম্' ধ্বনিৰে অভূতপূৰ্ব ৰাজনৈতিক জাগৰণৰ সৃষ্টি কৰিছিল।

ইয়াৰ উপৰিও এই ডাঙৰ সমষ্টিটোক তেওঁলোকৰ নিজৰ উৎকৰ্ষ সাধনৰ লগে লগে অসমীয়া জনসাধাৰণৰ লগত সামৰি লৈ সামূহিকভাৱে উন্নতিৰ পথত পৰিচালিত কৰিব নোৱাৰিলে অসমীয়া জাতীয় শাসনতন্ত্ৰৰ ক্ষেত্ৰত এটা ডাঙৰ অন্তৰায়ৰ সৃষ্টি হ'ব বুলি কব পাৰি। এওঁলোকক অসমীয়া জনসাধাৰণৰ লগত ঘনিষ্ঠতাৰ সম্বন্ধলৈ আনিবলৈ আৰু এওঁলোকৰ অধিকাৰ আৰু ন্যায্য দাবী পুৰণৰ কাৰণে সংগঠিত কৰিবলৈ এদল নিঃস্বাৰ্থ আৰু শিক্ষাপ্ৰাপ্ত কৰ্মীৰ প্ৰয়োজন— সামাজিক আৰু ৰাজনৈতিক দুয়োটা ক্ষেত্ৰতে। স্থানীয় জনসাধাৰণ আৰু কৰ্মীবৃন্দ তেওঁলোকৰ প্ৰতি উদাসীন হৈ থকাৰ ফলত তেওঁলোক অসমীয়া মানুহৰ পৰা ক্ৰমান্বয়ে ফালৰি কাটি গৈছে আৰু বাহিৰৰ কিছুমান স্বাৰ্থপৰ আৰু প্ৰতিক্ৰিয়াশীল মানুহে তেওঁলোকক বিপথে পৰিচালিত কৰি অসমৰ জাতীয় জীৱনত জটিলতাৰ সৃষ্টি কৰিবলৈ প্ৰয়াস পাইছে। "অসম ছোটনাগপুৰী এছোছিয়েছন" তাৰে এটি উৎকৃষ্ট উদাহৰণ। শ্ৰমিক শক্তিটো পৃথিৱীৰ এটা ৰাজনৈতিক শক্তি। এই শ্ৰমিক সম্প্ৰদায় বা সমষ্টিলৈ পিঠি দি কোনো দেশে শাসন কাৰ্য্য সুচাৰুৰূপে চলাব নোৱাৰে। ভাৰতৰ স্বাধীনতা আন্দোলনৰ কালছোৱাত অসমীয়া মানুহে উপলব্ধি কৰিছিল যে সমাজৰ নেতাসকলে, ৰাজনৈতিক কৰ্মীবৃন্দই আৰু গৱৰ্ণমেণ্টে অসমীয়া মানুহৰ লগত এই সম্প্ৰদায়ৰ ঘনিষ্ঠতৰ সম্বন্ধ কৰিবলৈ যত্নপৰ হ'ব লাগে তেহে অসমৰ উন্নতি হ'ব।

**অস্পৃশ্যতা বৰ্জন ঃ** অস্পৃশ্যতা দুৰীকৰণ ভাৰতৰ জাতীয় আন্দোলনৰ এটা

অতি গুৰুত্বপূৰ্ণ সমস্যা আছিল। ভাৰতীয় সমাজত বাস কৰা অসংখ্য সম্প্ৰদায় আৰু শ্ৰেণীয়ে নিজ নিজ সম্প্ৰদায়, শ্ৰেণী আৰু ভৌগোলিক অঞ্চলৰ স্বাৰ্থলৈহে ব্যস্ত আছিল। অথণ্ড ভাৰতৰ কথা পাহৰি প্ৰত্যেকেই নিজ নিজ স্বাৰ্থ লৈ উদগ্ৰীৱ হৈছিল। ভাৰতত সাম্প্ৰদায়িকতাৰ বীজ যাতে ভালদৰে শিপায় তাৰ বাবে বৃটিশ চৰকাৰ অতি ব্যগ্ৰ হৈছিল। ঘূৰণীয়া মেজমেললৈ নিমন্ত্ৰিত হোৱা বিভিন্ন সম্প্ৰদায়ৰ যেনেকৈ মুছলমান, শিখ, হৰিজন আদিৰ সদস্যসকলে প্ৰতিযোগিতামূলক ভাবে নিজ নিজ দাবী উত্থাপন কৰিছিল। সেইবাবেই মহাত্মা গান্ধীয়ে কৈছিল, —“ঘূৰণীয়া মেজমেললৈ বৃটিশ চৰকাৰে ভাৰতীয় জাতীয় সমস্যা সমাধানৰ পথৰ সন্ধান উলিওৱাতকৈ সাম্প্ৰদায়িক সম্প্ৰদায়ৰ জটিলতা সৃষ্টি কৰি ভাৰতৰ মধ্যযুগীয়া চিন্তাধাৰাৰ কথা জগতত প্ৰচাৰ কৰিবলৈহে সদস্য মনোনীত কৰি আনিছিল।” এই সভাৰ বৈঠকত তথাকথিত অনুন্নত হিন্দুসকলৰ ৰক্ষা কবচৰ প্ৰয়োজনীয়তাৰ কথাও উত্থাপিত হৈছিল। ঘূৰণীয়া মেজমেলত বৰ্ণ হিন্দুসকলৰ হকে পণ্ডিত মদনমোহন মালব্য আৰু অনুন্নত সম্প্ৰদায়ৰ বাবে ডাঃ আম্বেদকাৰৰ মাজত তীব্ৰ মতভেদ হয়। ইংলণ্ডৰ প্ৰধানমন্ত্ৰী কূটনীতিবিশাৰদ মিঃ ৰামজে মেকডোনাল্ডে ভাবী প্ৰাদেশিক আৰু কেন্দ্ৰীয় আইন সভালৈ সদস্য নিৰ্বাচন নীতিত হিন্দু-মুছলমানৰ স্বকীয়া নিৰ্বাচনৰ ব্যৱস্থা ৰখাৰ উপৰিও বৰ্ণ হিন্দু আৰু অনুন্নত হিন্দু-সকলৰ তপছিল সৃষ্টি কৰি স্বকীয়া স্বাৰ্থৰ অস্তিত্বৰ চুপাৰিশ কৰে।

মহাত্মা গান্ধীয়ে ‘ভাৰতৰ সংহতি নাশ কৰিব পৰা এই ভেদনীতি’ উঠাই লবলৈ বৃটিশ চৰকাৰক অনুৰোধ জনাইছিল। কিন্তু বৃটিশ চৰকাৰে এই সাম্প্ৰদায়িক বাটোৱাৰা পৰিহাৰ নকৰা বাবে ১৯৩২ চনৰ ২২ চেপ্তেম্বৰৰ দিনা গান্ধীজীয়ে যাৰবেদা জেলত আমৰণ অনশন ব্ৰত আৰম্ভ কৰে। হিন্দু সমাজৰ মহাব্যাধী অস্পৃশ্যতাক সমাজৰ পৰা আঁতৰাবলৈ গান্ধীজীয়ে এই মহান ব্ৰত লৈছিল।

পণ্ডিত মদনমোহন মালব্যৰ প্ৰচেষ্টাত বোম্বাইত ভাৰতৰ হিন্দু সমাজৰ নানা জাতি উপজাতিৰ আৰু দল-উপদলৰ নেতৃবৃন্দৰ সমাবেশ হৈছিল আৰু সকলোৱে একবাক্যে ঘোষণা কৰিছিল যে অস্পৃশ্যতা জন্মগত নহয়, ই সামাজিক ব্যাধিহে। হিন্দু সমাজৰ সকলো মানুহৰ বাবেই মঠ, মন্দিৰ, দেবালয়, নামঘৰ, কীৰ্তনঘৰ, স্কুল-কলেজ, ৰাস্তা-ঘাট, কুঁৱা আদি সকলো ৰাজহুৱা আৰু সামাজিক অনুষ্ঠান প্ৰতিষ্ঠান আদি মুক্ত হ'ব, তাত কোনো প্ৰকাৰৰ অস্পৃশ্যতা থাকিব নোৱাৰিব। বিধানসভা, ব্যৱস্থাপক সভা আৰু অন্যান্য স্থানীয় শাসনাধিষ্ট অনুষ্ঠানত অনুসূচীত

জাতিসকলৰ বাবে আঁচুতীয়া আসনৰ ব্যৱস্থা থাকিব, কিন্তু ই হব সমাজৰ ভোটৰ ভেটিত। হিন্দু সমাজৰ নেতাসকলৰ' এই ঘোষণাত অনুন্নত হিন্দু সমাজৰ প্ৰধান নেতা ডাঃ আম্বেদকাৰ সন্তুষ্ট হয় আৰু এই সিদ্ধান্তত উচ্চ হিন্দু আৰু অনুন্নত হিন্দু-সকলৰ নেতাসকলে মিলি এক চুক্তিত স্বাক্ষৰ কৰে।

অস্পৃশ্যতা পাপক দূৰ কৰিবৰ কাৰণে গান্ধীজীয়ে ভাৰতৰ হিন্দু সমাজৰ অনুন্নত সকলক 'হৰিজন' আখ্যা দিয়ে। গান্ধীজীয়ে 'হৰিজন' শব্দৰ ব্যাখ্যা কৰিছিল— যি সকল ভগবানৰ প্ৰিয় লোক সেই সকলেই হৰিজন। গান্ধীজীয়ে 'হৰিজন সেৱক সংঘ' নামে প্ৰতিষ্ঠান স্থাপন কৰি হৰিজন উন্নয়ন আন্দোলন আৰম্ভ কৰে। এই সংঘৰ উদ্দেশ্য আছিল—বৰ্ণ হিন্দু সকলৰ অনুন্নত সম্প্ৰদায়ৰ প্ৰতি থকা বিৰূপ মনোভাৱৰ পৰিবৰ্তন সাধি এক সমানাধিকাৰৰ হিন্দু সমাজ গঢ়ি তোলা। অনুন্নত হিন্দুসকলৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক বিষয়ত উন্নয়ন সাধি সমাজৰ আন আন লোকৰ সমপৰ্য্যায়লৈ তেওঁলোকক উন্নীত কৰা। সমগ্ৰ ভাৰতঁতে হৰিজন আন্দোলনৰ সৃষ্টি হয় আৰু প্ৰদেশে প্ৰদেশে নিখিল ভাৰত হৰিজন সেৱক সংঘৰ শাখা-প্ৰশাখা গঢ়ি উঠে।

অসমতো পূজ্যপাদ শ্ৰীশ্ৰীপীতাম্বৰ দেৱগোস্বামী গড়মূৰীয়া সত্ৰাধিকাৰৰ নেতৃত্বত আৰু শ্ৰীদেবেন শৰ্মাৰ পৰিচালনাত অসম প্ৰাদেশিক হৰিজন সেৱক সংঘ গঠিত হয়। অসমতো হৰিজন উন্নয়নৰ কাম জোৰেৰে চলে। বহুতো মঠ-মন্দিৰ, নামঘৰ, কীৰ্তনঘৰ আৰু দেৱালয় আদি হৰিজন সকলৰ বাবে উন্মুক্ত হয়। হৰিজন সকলক লৈ বৰ্ণ-হিন্দু সকলে একেলগে নাম-প্ৰসঙ্গ কৰি প্ৰসাদ আদি খাই বিভেদভাৱ দূৰীকৰণৰ পৰিচয় দিয়ে।

মহাত্মা গান্ধীয়ে হৰিজন আন্দোলনৰ বাবে সমগ্ৰ ভাৰত ভ্ৰমণ কৰে। এই উদ্দেশ্যে ১৯৩৪ চনৰ এপ্ৰিল মাহত গান্ধীজীয়ে অসম পৰিভ্ৰমণ কৰে। অসম প্ৰদেশ হৰিজন সেৱক সংঘই গান্ধীজীৰ এখন ভ্ৰমণ সূচী তৈয়াৰ কৰিছিল। অসমৰ বিভিন্ন ঠাইত বিশেষকৈ ধুবুৰী, ৰূপচী, বৰপেটা, তেজপুৰ, গুৱাহাটী, যোৰহাট, শিৱসাগৰ, ডিব্ৰুগড়, তিনিচুকীয়া আদি ঠাই গান্ধীজীয়ে পৰিভ্ৰমণ কৰি ৰাজহুৱা সভাত বক্তৃতা দি অস্পৃশ্যতা বৰ্জনৰ বাবে আৰু হৰিজন উন্নয়নৰ কামত সহায় কৰিবলৈ ৰাইজক আবেদন জনায়। গুৱাহাটীত তৰুণ ৰাম ফুকনে গান্ধীজীৰ বক্তৃতাৰ অসমীয়া ভাঙনি কৰি বুজাই দিছিল। গুৱাহাটীৰ বাহিৰৰ ঠাই বিলাকত সেই কাম শ্ৰীদেবেন্দ্ৰনাথ শৰ্মাই কৰিছিল।

ভাৰতৰ আন আন ঠাইৰ দৰে অসমতো হৰিজন আন্দোলনৰ কাম ভালদৰেই চলিছিল। অসম হৰিজন সেৱক সংঘই অসমৰ অনুন্নত অঞ্চলসমূহৰ বিভিন্ন ঠাইত প্ৰাইমাৰী স্কুল স্থাপন কৰিছিল। খোৱা পানীৰ বাবে পকা কুৱঁা নিৰ্মাণ কৰিছিল আৰু অসংখ্য দুখীয়া ল'ৰা-ছোৱালীক বৃত্তি আদি দি শিক্ষা লাভত সহায় কৰিছিল। ইয়াৰ উপৰিও বিভিন্ন ঠাইত সভা-সমিতি পাতি পুস্তিকা, গোহাৰি, পত্ৰ আদি ছপাই, বিতৰণ কৰি এক নতুন সামাজিক মনোভাৱ সৃষ্টিৰ প্ৰয়াস চলাইছিল। অসমত স্বাধীনতা আন্দোলন চলি থকা সময়ত হৰিজন উন্নয়নৰ কাম ক্ষিপ্ৰ গতিৰে আগ বাঢ়িছিল আৰু লগতে এক প্ৰবল সামাজিক পৰিবৰ্তনৰ ভাৱ জাগ্ৰত কৰাত সফলতা লাভ কৰিবলৈ সক্ষম হৈছিল।

**ভাষা সমস্যা ঃ** স্বাধীনতা আন্দোলনৰ সময়ত অসমৰ ভাষা সমস্যাই ৰাইজৰ মনত ঘোৰ বিক্ষোভৰ সৃষ্টি কৰিছিল। ইষ্ট ইণ্ডিয়া কোম্পানীৰ সিদ্ধান্ত অনুযায়ী ১৮৩৭ চনৰ পৰা অসমত শিক্ষানুষ্ঠান আৰু আদালতবোৰত অসমীয়া ভাষাৰ পৰিবৰ্তে বঙালী ভাষাৰ প্ৰচলন হয়। চৰকাৰৰ এই সিদ্ধান্তই অসমীয়া জাতীয়তাৰ ওপৰত প্ৰচণ্ড আঘাত হানে। নিজৰ মাতৃভাষা এনেদৰে বিলোপ হোৱাত, ৰাইজৰ মনত ঘোৰ অসন্তোষ আৰু আক্ষেপৰ ভাৱ সৃষ্টি হোৱা অতি স্বাভাৱিক। ইয়াৰ ফলত অসমীয়াৰ জাতীয় অস্তিত্বৰেই সন্দিহান হয়। অসমীয়াই উপলব্ধি কৰিছিল যে জাতীয় জীৱনৰ লগত জাতীয় ভাষা ওতঃপ্ৰোতভাৱে জড়িত। যি জাতিৰ নিজস্ব ভাষা নাই, সেই জাতি মৃতপ্ৰায়। কাৰণ জাতীয় ভাষাৰ মাধ্যমেৰেহে জাতিৰ ভাৱ, চিন্তাধাৰা আৰু কলা-সংস্কৃতিৰ প্ৰকাশ হয়। আচলতে কবলৈ গ'লে ভাষাই জাতিৰ অভিব্যক্তি। গতিকে অসমত অসমীয়া ভাষাৰ প্ৰচলন বন্ধ হোৱাত অসমীয়া জাতীয়তাৰ পূৰ্ণ বিকাশৰ পথত এক দুৰ্লঙ্ঘনীয় বাধাৰ সৃষ্টি হয়। এই দুৰ্লঙ্ঘনীয় বাধাক অতিক্ৰম কৰিব নোৱাৰিলে জাতিৰ অস্তিত্ব ৰক্ষা নহ'ব। এই কথা উপলব্ধি কৰিয়েই অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষা কৰিবলৈ অসমীয়া শিক্ষিত ডেকাসকলৰ মনত এক নতুন আত্মচেতনা আৰু উদ্দীপনা সৃষ্টি হয় আৰু সেয়ে এক নতুন যুগৰ স্পন্দন ৰচনা কৰে। শিক্ষিত অসমীয়া নেতৃবৃন্দই চৰকাৰৰ এনে কাৰ্য্যৰ তীব্ৰ প্ৰতিবাদ জনাই অসমত অসমীয়া ভাষাৰ প্ৰচলনৰ বাবে বলিষ্ঠ দাবী জনাইছিল।

অসমত থকা আমেৰিকান খৃষ্টান মিছনাৰীসকলে "অৰুণোদয়" নামেৰে এখন কাকত ১৮৪৬ চনত শিৱসাগৰৰ পৰা অসমীয়া ভাষাত প্ৰকাশ কৰে। যদিও

দেশীয় ভাষাৰ জৰিয়তে কাকত প্ৰকাশ কৰি খৃষ্টান ধৰ্মপ্ৰচাৰ কৰাই আছিল মিছনাৰী সকলৰ উদ্দেশ্য, কিন্তু সেয়ে অসমীয়া ভাষাৰ প্ৰচাৰ সাধনত যথেষ্ট সহায় কৰে। অৰুণোদয় কাকতে অসমীয়া ভাষাক নিজ ৰাজ্যত পুনঃ প্ৰতিষ্ঠা কৰাত মূল্যবান অৰিহণা যোগালে, এই কথা অসমীয়া মানুহে আজিও শ্ৰদ্ধাৰে স্মৰণ কৰে।

আমেৰিকান মিছনাৰীসকলে বিশেষভাবে অনুপ্ৰাণিত কৰিছিল অসমীয়া শিক্ষিত ডেকাসকলৰ এজন অগ্ৰণী যুবকক—তেওঁ আছিল আনন্দৰাম ঢেকিয়াল ফুকন। ঢেকিয়াল ফুকনে মিছনাৰীসকলৰ লগত সহযোগিতা লাভ কৰি ইংৰাজ-শাসকসকলক বুজাবলৈ চেষ্টা কৰিছিল যে—অসমীয়া এটা স্বকীয়া ভাষা, ই বঙালী ভাষাৰ অপভ্ৰংশ নহয়। এই উদ্দেশ্যে তেখেতে "A few remarks on the Assamese language" নামৰে এখনি সৰু পুস্তিকাও প্ৰকাশ কৰে আৰু কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা চলায়।

আনন্দৰাম ঢেকিয়াল ফুকনক এই কামত সহায় কৰিছিল—স্বৰ্গীয় গুণাভিৰাম বৰুৱা আৰু হেমচন্দ্ৰ বৰুৱাই। ৺হেমচন্দ্ৰ বৰুৱাই "হেমকোষ" প্ৰণয়ন কৰি সুমাবলগীয়া অসমীয়া ভাষাক যাউতি যুগমীয়া কৰি থৈ যায়।

১৮৭১ চনত ইংৰাজ চৰকাৰে নিজৰ ভুল উপলব্ধি কৰি তেতিয়াৰ অসম বঙ্গৰ লাট চাহাব লৰ্ড কেম্পবেলে অসমৰ শিক্ষানুষ্ঠান আৰু আদালতত পুনৰ অসমীয়া ভাষাৰ প্ৰচলনৰ আদেশ দিয়ে। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱাৰ নিচিনা পুৰুষসকলৰ ভাষা জননীৰ প্ৰতি থকা একনিষ্ঠ সেৱা আৰু সাধনাৰ ফলত অসমত অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠিত হয়। এই কাৰ্য্যই অসমীয়া ছাত্ৰসকলৰ মনত এক নতুন দেশপ্ৰেমৰ অনুভূতি যোগায়। জাতীয় ভাষাৰ প্ৰীতিৰ পৰাহে জাতীয় জাগৰণৰ সৃষ্টি হয়। যিহেতু ভাষা আৰু সাহিত্যই যি কোনো জাতিৰেই জাতীয় জাগৰণৰ মূলত গতিকে, সেই সময়ত ভাষা আৰু সাহিত্যৰ আন্দোলনেই আছিল মুখ্য।

দৰাচলতে অসমীয়া ৰাইজৰ ওপৰত ভাষাগত শোষণৰ যি অন্যায়-অবিচাৰ চলিছিল তাৰ বিৰুদ্ধে সংগ্ৰাম চলোৱা অসমীয়া ৰাইজৰ কাৰণে জীৱন মৰণৰ সংগ্ৰাম আছিল। ৰাজনৈতিক আন্দোলনতকৈ ভাষা আন্দোলন কোনো

গুণেই কম নহয় সেইবাবেই, ১৮৮৮ চনৰ ২৫ আগষ্টৰ দিনা কলিকতাত থকা অসমীয়া ছাত্ৰসকলে "অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা" প্ৰতিষ্ঠা কৰে। এই সভাৰ উদ্দেশ্য আছিল অসমীয়া ভাষা-সাহিত্যৰ শ্ৰীবৃদ্ধি কৰা।

১৯১৬ চনৰ ২৫ ডিচেম্বৰৰ দিনা গুৱাহাটী নগৰত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ সভাপতিত্বত "অসম ছাত্ৰ সন্মিলনী"ৰ সংগঠন হয়। ভাষা আৰু সাহিত্য চৰ্চা কৰাই এই সন্মিলনৰ মুখ্য উদ্দেশ্য বুলি ঘোষণা কৰা হয়। মাতৃভাষাৰ সেৱাই যে দেশমাতৃৰ সেৱা।

—x—